ওঁ

সুকবি নাৰায়ণদেৱ বিৰচিত

পদ্মা-পুৰাণ (ভাটীয়ালী খণ্ড)

সুকবি নাৰায়ণদেৱ বিৰচিত

পদ্মা-পুৰাণ

[ভাটীয়াল খণ্ড]

ডক্টৰ নবীন চন্দ্ৰ শৰ্মা
সংকলিত আৰু সম্পাদিত
লোক সংস্কৃতি গৱেষণা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড
গুৱাহাটী ★ পাঠশালা ★ কলকাতা

প্ৰকাশক

শ্ৰী গিৰিপদ দেৱ চৌধুৰী

বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড

পাণবজাৰ

গুৱাহাটী-৭৮১০০১

প্ৰথম প্ৰকাশ ঃ

জেঠ / ১৯১৫ শকাব্দ

দ্বিতীয় প্ৰকাশ ঃ ২০০০ চন

বেচ ঃ

ডেৰশ টকা মাথোন।

পুথি ভঁৰাল সংস্কৰণ ঃ এশ [illegible] টকা

ছপা ঃ

মুদ্ৰণিকা

চি-৪ উদ্যোগ পাম

বামুণীমৈদাম

গুৱাহাটী-৭৮১০২১

উছৰ্গা

জন্ম ১৯৩২ চন,
মৃত্যু ১৯৯২ চন।

মায়াৱন্তী বিষহৰি গ্ৰন্থৰ সংকলক তথা সম্পাদক, অসম সাহিত্য সভাৰ দুৰ্গাধৰ বৰকটকী-বঁটা লাভ কৰোঁতা, শিক্ষাব্ৰতী, সমাজকৰ্মী আৰু সাহিত্যিক স্বৰ্গীয় প্ৰাণেশ্বৰ বাভাদেৱৰ পূত-পৱিত্ৰ স্মৃতিত।

অৱতৰণিকা

সৰ্প-পূজাৰ (ophiolatry) ঐতিহাসিক ক্ৰমাগ্ৰসৰণৰ পৰিণতিত ভাৰতবৰ্ষৰ অনুষংগত মনসা বা পদ্মা বা বিষহৰী বা বৰমানী-পূজাৰ জন্ম। সৰ্পদেৱী মনসা বৈদিক দেৱী বা মহাদেৱী নহলেও শুদ্ধিৰ মাধ্যমত তেওঁ আন আন বৈদিক দেৱ-দেৱী অথবা পৌৰাণিক দেৱ-দেৱীৰ সমমৰ্য্যাদা লাভ কৰিবলৈ সক্ষম নোহোৱাকৈও নাথাকিল। ব্ৰাহ্মণ্য ধৰ্ম-পৰম্পৰাৰ পৰিসীমাত দেৱী গৰাকীয়ে আদিতে যথাযোগ্য স্থান লাভ কৰিবলৈ সক্ষম হোৱা নাছিল; যদিও সময়ৰ অগ্ৰগতিত দেৱী গৰাকীৰ প্ৰভাৱৰ পৰিধি এনেদৰে সুবিস্তৃত হ'ল যে, অৱশেষত তেওঁ ব্ৰাহ্মণ্য ধৰ্ম-পৰম্পৰাতো তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ল। ইয়াৰ ফল স্বৰূপে সংস্কৃত ভাষাত মনসা-পূজা-বিধি ৰচিত হ'ল, মনসা-পদ্মাৰ ধ্যান-বৰ্ণন প্ৰণয়ন কৰা হ'ল; আনকি ধৰ্মশাস্ত্ৰ আৰু পুৰাণাদিতো কৰণীয় কৃত্য-ব্ৰত আৰু উপাসনা ৰূপে মনসাব্ৰত বা মনসা-পূজাই স্থান লাভ কৰিলে। এই কালৰপৰা মনসা বা পদ্মাদেৱীৰ পূজা উপাসনাক সামাজিক ব্যাপাৰ ৰূপে অভিহিত কৰিব পাৰি।

এক শক্তিশালী আৰু জীৱন্ত পৰম্পৰা ৰূপে মনসা বা পদ্মাৱতীয়ে ভাৰতৰ প্ৰায় সৰ্বত্ৰতে পূজিত হৈ আহিছে। উৰিষ্যা, বিহাৰ, বংগদেশ, উত্তৰপ্ৰদেশ, ত্ৰিপুৰা, মণিপুৰ, ৰাজস্থান, গুজৰাট, মহাৰাষ্ট্ৰ আদি উত্তৰ ভাৰতৰ বিভিন্ন প্ৰান্তত মনসা-পূজা পৰম্পৰা জীৱন্ত ৰূপত প্ৰচলিত হৈ থকাৰ ব্যতিৰেক দক্ষিণ ভাৰতৰ বিভিন্ন ৰাজ্যতো মনসা বা মঞ্চম্মা-পৰম্পৰা প্ৰবহমান। বাংলা দেশতো মনসা বিষহৰী- পূজাৰ জনপ্ৰিয়তা সুদূৰ প্ৰসাৰী। আনকি মনসা ধৰ্মমতৰ প্ৰবল বিদ্বেষী আৰু বিৰোধী শৈৱ, শাক্ত বা চণ্ডীপূজক সকলেও পদ্মাৱতীৰ মহত্তী দেৱীত্ব গুণ আৰু অপৰাজেয় শক্তিৰ আগত তিষ্ঠিব নোৱাৰি

স্বকীয় ধৰ্মমত আৰু বিশ্বাসৰ প্ৰতি বীতশ্ৰদ্ধ আৰু অননুৰাগী হৈ মনসাৰ পাদ-প্ৰান্তত আশ্ৰয় লবলৈ বাধ্য হ'ল। আন আন দেৱ-দেৱীয়েও মনসা-পদ্মা-বিষহৰীৰ শক্তি, সামৰ্থ্য আৰু বীৰত্ব স্বীকাৰ নকৰাকৈ থাকিব পৰা নাই। দ্বিতীয়তে, অকাকলিক সৰ্পদেৱীয়ে ঐতিহাসিক প্ৰক্ৰিয়াৰ সংযোগত লক্ষ্মী, সৰস্বতী আদি বৈদিক আৰু পৌৰাণিক দেৱীৰ গুণ কৰ্ম আহৰণ কৰি কাকলিক দেৱীৰূপে আত্মপ্ৰকাশ কৰিবলৈও সক্ষম হ'ল। আনকি 'মাৰ্কণ্ডেয় পুৰাণ'ৰ 'দেৱী-মাহাত্ম্য'ত দেৱীয়ে নিজৰ সাৰ্বভৌমত্ব প্ৰকাশ কৰাৰ নিচিনাকৈও সৰ্পদেৱী মনসা-পদ্মাই মনসা-কথাবৃত্তৰ মাধ্যমেৰে নিজৰ সাৰ্বভৌমত্ব প্ৰতিপন্ন কৰিছে। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে, স্থানীয় বা গ্ৰাম্য দেৱী মনসাই সাৰ্বিকীকৰণ প্ৰক্ৰিয়াৰ সংযোগত মহত্তীদেৱীত্ব (Great Devihood) লাভ কৰে। এই দৃষ্টিভংগীৰ ফালৰপৰা কব পাৰি যে, মনসা বা পদ্মাৱতী বা বিষহৰী বিশেষ এক অঞ্চলৰ গ্ৰাম্যদেৱীৰ সাৰ্বিকী ৰূপ মাথোন।

মনসা-পূজাৰ জীৱন্ত পৰম্পৰাৰ প্ৰচলন ভাৰতীয় জীৱনৰ প্ৰায় সৰ্বস্তৰতে পৰিলক্ষিত হয়। অসমৰ প্ৰসংগতো মনসা-পূজাৰ জীৱন্ত পৰম্পৰা জাতি আৰু জনজাতি উভয়ৰে মাজত প্ৰচলিত। জনজাতি সকলৰ ভিতৰত বৰো-কছাৰী, ৰাভা, হাজং, চাহ জনজাতি আদিয়েই প্ৰধান। জাতিৰ মাজত ব্ৰাহ্মণ, কায়স্থ, কলিতা, কেওট, কোচ, মৎস্যজীৱী আদিয়েই উল্লেখযোগ্য। আনকি ইছলাম ধৰ্মীয় সৰ্পবৈদ্য বা সাপৰ বেজেও মনসা-পূজা কৰা দেখা যায়। মনসা-পূজা সাধাৰণতে শাস্ত্ৰীয় বা পৌৰাণিক, লৌকিক আৰু জনজাতীয় এই তিনিটা পদ্ধতিৰে উদযাপিত হৈ আহিছে। মাৰে-মাৰাই-মাৰৈ-মাৰেই-পূজা ৰূপেও মনসা বা বিষহৰী-পূজা পৰিচিত। স্থান আৰু অঞ্চল বিশেষে মনসা বা মাৰে পূজা গোটাৰং, একপৰীয়া বং, গোসানী সেৱা আদি ৰূপেও জনাজাত। সাধাৰণতে মনসা-পূজা মূৰ্তি বা মঞ্জু নিৰ্মাণ কৰি সম্পাদন কৰা দেখা যায়। মূৰ্তি বা প্ৰতিমা নোহোৱাকৈও এই পূজা উদযাপিত হ'ব পাৰে। তেনে ক্ষেত্ৰত ই ঘট-পূজা ৰূপে জনাজাত।

মনসা-পূজাৰ লগত ওজাপালি, দেওধনী, দেধানী, নধনী, দেৱধ্বনি, জঁকি, দেউলা, ঘোঁৰা, চুলীয়া-কালিয়া আদি পৰিৱেশ্যকলা বিশেষভাৱে জড়িত। অঞ্চল বিশেষে পুৰুষ বা মহিলাৰ নাগাৰানাম, যাত্ৰাভিনয় আদিও মনসা পূজাৰ লগত জড়িত হৈ পৰা দেখা যায়। সাধাৰণতে কোনো দেৱ-দেৱীৰ পূজা বা কৃত্যৰ লগত পুৰাণ কথা বা কথাবৃত্ত সম্পৃক্ত হৈ থাকে। এই

পুৰাণ-কথা বা কথাবৃত্তৰ জৰিয়তে বিশেষ এগৰাকী দেৱতা বা দেৱীৰ শক্তি-সামৰ্থ্য আৰু মহিমা বৰ্ণনা কৰি উক্ত পূজা বা কৃত্যৰ সাৰ্থকতা প্ৰতিপন্ন কৰা হয়। মনসা বা বিষহৰী পূজাৰ লগতো পুৰাণ-কথাবৃত্ত জৰিত। মনসা পুৰাণ-কথাই মৌখিক পৰম্পৰাত প্ৰচলিত হৈ থাকি অৱশেষত লিখিত ৰূপ পৰিগ্ৰহ কৰে। এইদৰে মনসা-সাহিত্য, মনসা-পুৰাণ, মাৰে-গীত, পদ্মা-পুৰাণ আদিৰ লিখিত পৰম্পৰাৰ সূত্ৰপাত হৈছে। মনসা বা বিষহৰী বা ব্ৰহ্মাণী-পূজাৰ প্ৰসংগত গায়ক বা ওজাপালিয়ে এই গীতবোৰ আবৃত্তি কৰে তাল আদি বাদ্যযন্ত্ৰ সংগত কৰি। আবৃত্তিৰ লগে লগে গীত-পদৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি ওজা আৰু পালি আদিয়ে অভিনয়ৰ সমল বিশিষ্ট নৃত্যাদিও প্ৰদৰ্শন কৰে।

মনসা কথাবৃত্তৰ পৰিপূৰ্ণ ৰূপৰ আভাস থকা আৰু পুৰাণ বা মহাকাব্যৰ দাবী পূৰণ কৰিব পৰা 'পদ্মাপুৰাণ' (ভাষা-পুৰাণ) সুকবি নাৰায়ণদেৱৰ নামত প্ৰচলিত। সুকবি নাৰায়ণদেৱৰ স্থান-কাল লৈ পণ্ডিত সকলৰ মাজত মতবিৰোধ থাকিলেও অসমত প্ৰচলিত পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰি সৰহ সংখ্যক পণ্ডিতে কবি গৰাকীক দৰঙ ৰাজ্যৰ ৰজা ধৰ্মনাৰায়ণ ওৰফে বলি নাৰায়ণৰ সভাকবি বুলিছে। এইক্ষালৰপৰা সুকবি নাৰায়ণদেৱ খৃঃ সপ্তদশ শতিকাৰ কবি।

সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' খনিৰ কেইবাটিও প্ৰতিলিপি পোৱা যায়। এই প্ৰতিলিপি বোৰৰ ওপৰত নিৰ্ভৰ কৰি পদ্ধতিগতভাৱে পুৰাণখনিৰ পাঠ পুনৰ্গঠন কৰিবলৈ অৰ্থপূৰ্ণ চেষ্টা কৰা দেখা নাযায়। শ্ৰীফেল্লৰাম দত্তই ১৯৩০ চনতে 'মনসা-পুৰাণ' নাম দি মনসা কথাবৃত্তৰ পাঠ পুনৰ্গঠন কৰিবলৈ সম্ভৱ প্ৰথম চেষ্টা চলাইছিল। কমাৰকুছিৰ শ্ৰীপ্ৰসন্ন চন্দ্ৰ বৰুৱাই 'পদ্মা পুৰাণ'ৰ বিভিন্ন উপখণ্ডবোৰ (যেনে: উষাহৰণ, ধনন্তৰি বধ, পুষ্পধাৰী খণ্ড, বিষহৰীৰ জন্ম, পৰীক্ষিত বধ, বেহুলাৰ সত্য পৰীক্ষা, চান্দোৰ বাণিজ্য, চন্দ্ৰধৰৰ ডিঙা গঠন আদি) প্ৰায় ওকুৰি মান বছৰৰ পূৰ্বে ছপা কৰিছিল। শ্ৰীফেল্লৰাম দত্তই বিভিন্ন পাঠ বা প্ৰতিলিপিৰ ওপৰত নিৰ্ভৰ কৰি 'মনসা-পুৰাণ'ৰ পাঠ নিৰ্ণয় কৰিবলৈ প্ৰয়াস কৰা দেখা নাযায়। তেনেদৰে শ্ৰীপ্ৰসন্ন চন্দ্ৰ বৰুৱায়ো এই দিশটিৰ ফালে চকু দিয়া নাই। শ্ৰীদৈত্যচন্দ্ৰ তালুকদাৰৰ সম্পাদনাত "সুকনানী: পদ্মাৱতী" নামেৰে নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'খনি ১৯৬৪ চনত ছপা হয়; কিন্তু পাঠ পুনৰ্গঠন আৰু অভিধানীকাৰ দিশত এই

সংস্কৰণটিয়ে তাৎপৰ্য্যপূৰ্ণ ৰৰঙণি আগবঢ়াব পৰা নাই। আমাৰ শিক্ষা গুৰু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত ৰবীন্দ্ৰ নাথ ঠাকুৰ অধ্যাপক ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে 'পদ্মা-পুৰাণ'ৰ কেৱাটিও প্ৰতিলিপিৰ ওপৰত নিৰ্ভৰ কৰি এই পুৰাণখনিৰ পাঠপুনৰ্গঠন কৰিছে আৰু লগতে দীৰ্ঘপৰিসৰ বিশিষ্ট অধিসমীক্ষাও সংযোজন কৰিছে। অৱশ্যে পুথিখন পোহৰলৈ অহা নাই।

সৰ্পদেৱী মনসাৰ উদ্ভৱ, বিকাশ, ঐতিহাসিক ক্ৰমাগ্ৰসৰণ, পূজা-পদ্ধতি, ইয়াৰ লগত জৰিত কথাবৃত্ত, পৰিবেশ্যকলা আদি বিভিন্ন দিশত আলোকসম্পাত কৰি শ্ৰীভাৰত চন্দ্ৰ দাস, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° মহেশ্বৰ নেওগ, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, ড° বীৰেন্দ্ৰ নাথ দত্ত, শ্ৰীপ্ৰাণেশ্বৰৰাভা, ড° ভূগুমোহন গোস্বামী আদি পণ্ডিত-গৱেষকে বিচাৰ বিশ্লেষণ কৰিছে; যদিও এই বিচাৰ বিশ্লেষণ ৰাজিত সামাজিক ব্যাপাৰ মনসা-পৰম্পৰাৰ সামগ্ৰিক আৰু পৰিপূৰ্ণ বিচাৰ-বিশ্লেষণৰ থল নথকা নহয়। 'পদ্মা-পুৰাণ'ৰ অংশ বিশেষৰ (ভাটিয়ালী খণ্ড) পাঠ পুনৰ্গঠন (reconstruction) আৰু সৰ্পদেৱী মনসাৰ ঐতিহাসিক ক্ৰমাগ্ৰসৰণ, সৰ্প-পূজাৰ পৰম্পৰা, মনসাৰ উৎপত্তি-বিকাশ মনসাদেৱীৰ লগত জৰিত ধৰ্মীয় কৃত্যাদি, উৎসৱ-অনুষ্ঠান, পাঞ্চালীগীত, মনসাসাহিত্য আৰু কবিসকল, সুকবি নাৰায়ণদেৱ আৰু তেওঁৰ পদ্মা-পুৰাণ, নান্দনিক আৰু সমাজতাত্ত্বিক দিশৰ ফালৰপৰা 'পদ্মা-পুৰাণ'ৰ বিচাৰ-বিশ্লেষণ আদি বিভিন্ন দিশৰ বিষয়ে পদ্ধতিগত চিন্তা-চৰ্চা কৰিবলৈ অগ্ৰসৰ হোৱাৰ পৰিণতিত বৰ্তমানৰ এই গ্ৰন্থখনিৰ জন্ম।

'পদ্মা-পুৰাণ'ৰ (ভাটীয়ালীখণ্ডৰ) পাঠ পুনৰ্গঠনৰ প্ৰসংগত ছয়খন পুথিৰ সহায় গ্ৰহণ কৰা হৈছে। প্ৰথম পুথিখন (ক) গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত [ক্ৰমাংক ২৭৮৮ (খ)] সংৰক্ষিত। এই পুথিখন অনা হৈছিল দৰঙৰ ৰাজহাউলীৰ ৰাজকুমাৰ বীৰেন্দ্ৰ নাৰায়ণদেৱ আৰু ৰাজকুমাৰ নৰেন্দ্ৰ দেৱৰপৰা। পুথিখনৰ মূল মালিক আছিল শ্ৰীদেৱেন্দ্ৰ নাৰায়ণ ৰাজকোঁৱৰ: "এহি পুস্তকৰ মালিক শ্ৰীদেৱেন্দ্ৰ নাৰায়ণ ৰাজকোঁৱৰ।"[১] বলদেৱ, ৰত্নাকৰ আৰু নাৰানন্দৰ (নাৰায়ণদেৱ ?)— নামৰ তিনিজনাকী ব্ৰাহ্মণে এই প্ৰতিলিপিটো প্ৰস্তুত কৰিছিল: 'বলদেৱ, ৰত্নাকৰ, নাৰানন্দৰ—এই তিনি ব্ৰাহ্মণৰ হস্তাক্ষৰ।[২] ১৭৩১ শকৰ চ'ত মাহৰ বৃহস্পতিবাৰে এই প্ৰতিলিপিটোৰ লিখা কাম সম্পূৰ্ণ হৈছিল: "মাহ চৈত্ৰ বৃহস্পতিবাৰ শক ১৭৩১।"[৩]

১. পদ্মা-পুৰাণ (Ms), পৃ. ২১৪. ; ২. উ. গ্ৰ. ; ৩. উ. গ্ৰ. ;

প্ৰতিলিপিটো সৰ্বমুঠ ২১৪টা ফলকৰ সমষ্টি। ১ম ফলকৰ 'ক' পৃষ্ঠা আৰু ২১৪শ ফলকৰ 'খ' পৃষ্ঠাত একো লিখা হোৱা নাই। প্ৰতিটো ফলকৰ পৰিমাণ ৫৬ ছে: মি: × ১৭ ছে: মি। প্ৰতিটো পৃষ্ঠাত ১২।১৩টাকৈ শাৰী আৰু প্ৰতিটো শাৰীত প্ৰায় ৫৩ টাকৈ আখৰ আছে। প্ৰতিলিপিটোৰ লিখনশৈলী বামুণীয়া আৰু কায়থেলী লিখন শৈলীৰ মিশ্ৰিত ৰূপ। হেঙ্গুল-হাইতালেৰে বোলোৱা সাঁচিপাতত লিখা এই প্ৰতিলিপি বিশেষৰ সোঁমাজতে আছে নাভিবন্ধ। নাভিবন্ধবোৰ প্ৰায়ে তাৰকাচিহ্নেৰে সুসজ্জিত। প্ৰতিলিপিটোৰ কোনো কোনো ফলকৰ চাৰিওফালে বিভিন্নৰঙৰ ফুলযুক্ত লতা-চিত্ৰ অংকিত হৈছে। প্ৰতিলিপিটো সম্পূৰ্ণ বুলি কোৱা হৈছে যদিও যথাৰ্থতে সম্পূৰ্ণ নহয়, যিহেতু পুথিখনিত 'বেউলা-লখিন্দৰৰ স্বৰ্গাৰোহণ' খণ্ড অন্তৰ্ভুক্ত হোৱা নাই। প্ৰতিলিপিটোৰ শেষত "ভাটিয়ালী খণ্ড সমাপ্ত" বুলিহে উল্লেখ কৰা হৈছে।[8] দ্বিতীয়তে, এই প্ৰতিলিপিটোত 'পূজাৰ পদ,' সম্পূৰ্ণ 'বন্দনা-গীত,' দেওধনী নচোৱা গীত-পদ (দেওৰ-পদ) আদিও নাই, গতিকে 'পদ্মা-পুৰাণ'-পৰম্পৰাৰ পৰিসৰে সামৰা আটাইবোৰ গীত-পদ এই প্ৰতিলিপিটোত পোৱা নাযায়। এই কাৰণবশতঃ প্ৰতিলিপিটোক সম্পূৰ্ণ বুলিব নোৱাৰি। অৱশ্যে 'উজানিখণ্ড' আৰু 'ভাটিয়ালী-খণ্ড'ৰ গীত-পদ সম্পূৰ্ণকৈ প্ৰতিলিপিটোত পোৱা যায়।

প্ৰতিলিপিটোৰ বানন (বানান) পদ্ধতি পুৰণি অসমীয়া ভাষাৰ বানন পদ্ধতিৰ প্ৰায় অনুৰূপ। 'ই', 'ঈ', 'উ', 'ঊ' আদি স্বৰবৰ্ণ আৰু ইয়াৰ যোগাৰূপৰ প্ৰয়োগ 'ক' পাঠৰ বানন পদ্ধতিত লক্ষ্য কৰিব পাৰি। 'চ', 'ছ', 'জ,' 'য'; শ,' ষ', স' আদি বৰ্ণৰ প্ৰয়োগ দেখা যায় যদিও 'চ', 'জ' আৰু 'স' বৰ্ণৰ পৌনঃপুনিকতা তুলনামূলক ভাৱে বেছি। দন্ত্য আৰু মূৰ্ধন্য বৰ্ণৰ ব্যৱহাৰো লক্ষ্য কৰিব পাৰি। 'ক' আৰু ইয়াৰ অনুৰূপ 'খ'ৰ ব্যৱহাৰো চকুত নপৰাকৈ নাথাকে।

'পদ্মা-পুৰাণ'ৰ পাঠপুনৰ্গঠনৰ বাবে লোৱা পাঠ কেইটাৰ ভিতৰত 'ক' পাঠটোৱেই পুৰণি। সেইবাবে এই পাঠটো আদৰ্শ পাঠ ৰূপে গ্ৰহণ কৰি বাকী কেইটা পাঠৰপৰা পাঠান্তৰবোৰ দিবলৈ যত্ন কৰা হৈছে।

'খ' পাঠটোৰ প্ৰতিলিপি প্ৰস্তুত কৰিছিল শ্ৰীলোকেশ্বৰ ওজাই আৰু পাঠটো সংৰক্ষিত হৈছে দৰংজিলাৰ অন্তৰ্গত কলজলিৰ শ্ৰীধাতুৰাম চহৰীয়াৰদ্বাৰা। পাঠটো সম্পূৰ্ণ। 'ক' পাঠটোৰ ভাষাত কিছু পৰিমাণে কৃত্ৰিমতা পৰিলক্ষিত;

---

৪. উ. গ্ৰ.

কিন্তু 'খ' পাঠৰ ভাষা এই ক্ৰটিবপৰা মুক্ত ; যিহেতু ইয়াৰ ভাষাত কথিতৰূপক দবে স্বাভাবিকতা বৰ্তমান। 'খ' পাঠটো সম্পূৰ্ণ। পুথিখন তুলাপাতেকে নির্মিত ৩৪০ টা ফলকৰ সমষ্টি আৰু প্ৰতিটো ফলকৰ (১ম আৰু ৩৪০শ ফলকৰ বাহিৰে) ২টাকৈ (ক+খ) পৃষ্ঠা আছে। প্ৰতিটো পৃষ্ঠাত প্ৰায় ১২ টাকৈ শাৰী আছে, আৰু প্ৰতিটো শাৰীত প্ৰায় ৩৮।৪০ টাকৈ আখৰ দেখা যায়। প্ৰতিটো ফলকৰ পৰিমাণ ৪১ ছেঃ মি × ১৫ ছেঃ মি। 'খ' পাঠটোৰ প্ৰতিলিপিকৰণ সম্পূৰ্ণ হৈছিল ১৭৯০ শকত। লিখনশৈলী কায়থেলী যেন লাগে।

এই প্ৰতিলিপিটোতো 'ক' পাঠৰ দৰে 'ই'-'ঈ' আৰু 'উ'-'ঊ' উভয়বৰ্ণ আৰু ইয়াৰ গৌণীৰূপৰ প্ৰয়োগ দেখা যায়। 'উ'-ৰ সলনি 'ও'-ৰ ব্যৱহাৰৰ পৌনঃপুনিকতা বেছি [ভুবন > ভোৱন ; সুন্দৰ > সোন্দৰ ইত্যাদি]। দন্ত্য আৰু মূৰ্ধন্য উভয় বৰ্ণৰে প্ৰয়োগ দেখা যায়। 'চ', 'ছ' ; 'জ', 'য' ; 'শ', 'ষ', 'স' আদি বৰ্ণৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। মাজে মাজে 'স' বা 'স্ব'-ৰ সলনি 'চ' ব্যৱহাৰ কৰা হৈছে [স্বৰ্গ > চৰ্গ]। 'খ' পুথিৰ ভাষা দৰং অঞ্চলৰ কথিত ভাষাৰ ওচৰ চপা।

তুলাপাতত লিখা 'গ' পাঠটোৰ প্ৰতিলিপিটো দৰংজিলাৰ অন্তৰ্গত হৰিপুৰৰ ৺ কবিচন্দ্ৰ গোস্বামীৰ দ্বাৰা সংৰক্ষিত। প্ৰতিলিপিটো দুটা অংশত বিভক্ত: 'ভাটিয়ালীখণ্ড' আৰু 'স্বৰ্গাৰোহণ খণ্ড'। প্ৰথম অংশটো সম্পূৰ্ণ ; কিন্তু দ্বিতীয় অংশটো খণ্ডিত। লিপিকাৰৰ নাম-ধাম বা চন-তাৰিখ আদিৰ উল্লেখ পুথিখনত পোৱা নাযায়। দুয়োটি খণ্ডৰে ফলকবোৰ তুলাপাতৰ পৰা প্ৰস্তুত কৰা হৈছে। প্ৰথম অংশটো ৩১ টা আৰু দ্বিতীয় অংশটো ৫১ টা ফলকৰ সমষ্টি। প্ৰথম অংশৰ প্ৰতিটো ফলকৰ পৰিমাণ ৩৪ ছেঃ মিঃ × ১১ ছেঃ মিঃ, দ্বিতীয় অংশৰ প্ৰতিটো ফলকৰ পৰিমাণ ২৩ ছেঃ মিঃ × ৯ছেঃ মি। 'গ' পাঠৰ বানান পদ্ধতিত আধুনিক মান্য অসমীয়াৰ বানান পদ্ধতিৰ প্ৰভাৱ সুস্পষ্ট।

'ঘ' পাঠটো নকল কৰিছিল দৰংজিলাৰ বলদেৱপাৰাৰ ৺ ভদ্ৰকান্ত শৰ্মাই আৰু তেওঁৰ পুত্ৰ শ্ৰীবিশ্বনাথ শৰ্মাৰ দ্বাৰা এই প্ৰতিলিপিটো সংৰক্ষিত। এই পাঠটোতো চন-তাৰিখৰ উল্লেখ নাই। প্ৰতিলিপিটো লিখা হৈছে তুলাপাতত আৰু ই দুটাকৈ পৃষ্ঠাযুক্ত ৫০টা ফলকৰ সমষ্টি। প্ৰতিটো ফলকৰ পৰিমাণ ২৮ ছেঃ মি × ১১ছেঃ মি। প্ৰতিটো শাৰীত প্ৰায় ৪৩ টাকৈ আখৰ আছে। লিখন পদ্ধতি আকৰ্ষণীয় নহয়। উপৰোল্লিখিত পাঠটিক

পৰে এই পাঠটিৰো বানান পদ্ধতিত আধুনিকতাৰ চাপ লক্ষ্য কৰা যায়।

'ঙ' পাঠটো তুলাপাত লিখা আৰু এই পাঠটো লিখিবলৈ ২০।৫০ বছৰৰ বেছি হোৱা নাই। পুথিখন সম্পূৰ্ণ নহয়। প্ৰতিলিপিটো প্ৰস্তুত কৰিছিল দৰং জিলাৰ হাজৰিকাপাৰাৰ শ্ৰীৰমণীকান্ত শৰ্মাই। এই পাঠটোও সম্পূৰ্ণ নহয়।

সৰ্বসাধাৰণ পাঠক আৰু ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে পুথিখনিৰ পাঠৰ শেষৰফালে দীৰ্ঘ পৰিসৰ বিশিষ্ট শব্দাৰ্থ (১১৮—২৪০) দিয়া হৈছে। দ্বিতীয়তে, মনসা-পৰম্পৰা, মনসা-সাহিত্য তথা সুকবি নাৰায়ণদেৱৰ শ্ৰেষ্ঠৰ 'পদ্মা-পুৰাণ' আদি বিভিন্ন দিশৰ ওপৰত তত্ত্বীয় বিচাৰ-বিশ্লেষণ উপস্থাপন কৰা হৈছে স্বকীয় গ্ৰন্থ সদৃশ অধিসমীক্ষাত (পৃ. ২৪৩-৪৬১)। এই জাতীয় আলোচনা সমূহ প্ৰায়ে পল্লৱিত হৈ উঠিছে অসমৰ বিভিন্ন অঞ্চলৰপৰা সংগ্ৰহ কৰা ক্ষেত্ৰ-সমলৰ ভিত্তিত।

'পদ্মা-পুৰাণ'ৰ সংকলন-সম্পাদন আদি বিভিন্ন দিশত বিভিন্ন প্ৰকাৰে সহায় কৰা বাবে ড° প্ৰফুল্লদত্ত গোস্বামী, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° বীৰেন্দ্ৰ নাথ দত্ত, ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, ড° বাণীকান্ত শৰ্মা, ড° শৈলেন ভৰালী, অধ্যাপক গদাধৰ শৰ্মা, অধ্যাপক সুশীল শৰ্মা, অধ্যাপক নাৰায়ণ দাস, অধ্যাপক বসন্ত কুমাৰ ভট্টাচাৰ্য, ড° প্ৰবীণ চন্দ্ৰ দাস, ড° পৰীক্ষিত হাজৰিকা, ড° নগেন ঠাকুৰ, অধ্যাপক ভৱ প্ৰসাদ চলিহা, ড° নলিনীৰঞ্জন শৰ্মা, ড° ভৃগুমোহন গোস্বামী, শ্ৰীপৱন চন্দ্ৰ বৰদলৈ এম্ এ, ড° বসন্তকুমাৰ দেৱ গোস্বামী, ড° গণেশ পেগু, শ্ৰীঅনন্ত কুমাৰ শৰ্মা, ড° বিজয় শৰ্মা, শ্ৰীযুত শচীন্দ্ৰ শৰ্মা, শ্ৰীহেমাংগ পাটগিৰি, শ্ৰীকনক চহৰীয়া আদি সদাশয় ব্যক্তিৰ ওচৰত আমি কৃতজ্ঞ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ পুথি সংৰক্ষণ বিভাগৰ হাতে লিখা পুথিৰ তত্ত্বাৱধায়ক (curator) শ্ৰীযুত জগদীশ শৰ্মাই প্ৰতিলিপি প্ৰস্তুত কৰাৰেপৰা বিভিন্ন কামত সহায় কৰি আমাক কৃতজ্ঞতাৰ পাশত আবদ্ধ ৰাখিছে।

'পদ্মা-পুৰাণ'ত সংযোজিত আলোকচিত্ৰ সমূহৰ ভিতৰত কেইখানিও অসম ৰাজ্যিক সংগ্ৰহালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণাবিভাগৰ পৰা লোৱা হৈছে। ইয়াৰ বাবে এই অনুষ্ঠান দুটাৰ ওচৰতো আমি কৃতজ্ঞ।

অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উপ-সঞ্চালক ড° নিশিপদ চৌধুৰী দেৱৰপৰা কেইখানিও আলোকচিত্ৰ লোৱা হৈছে। এই আলোকচিত্ৰ

কেইখনৰ পৰিচয় আৰু সময় নিৰ্ধাৰণ আদিৰ প্ৰসংগত ড° চৌধুৰীয়ে বিশেষ ভাবে সহায় কৰিছে। কৃতজ্ঞতাৰ বাহিৰে ড° চৌধুৰীক দিবলৈ আমাৰ আনএকো নাই। শ্ৰদ্ধেয় সংবাদদাতা আৰু সংবাদদাত্ৰীসকলৰ ওচৰতো আমি এই ক্ষেত্ৰতে কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। 'পদ্মা-পুৰাণ', 'পূজাৰ পদ' 'পূজাবিধি' আদিৰে আমাক সহায় কৰা ৺ ইন্দ্ৰনাথ শৰ্মা আৰু তেওঁৰ বংশধৰ সকল, ৺ ভদ্ৰকান্ত শৰ্মা আৰু তেওঁৰ পুত্ৰ শ্ৰীবিশ্বনাথ শৰ্মা. ৺কবিচন্দ্ৰ গোস্বামী আৰু তেওঁৰ বংশধৰ সকল, শ্ৰীধাতুৰাম চহৰীয়া, শ্ৰীৰমণীকান্ত শৰ্মা ৺ ফটিক ওজা আৰু তেওঁৰ বংশধৰ সকল, ৺চিন্তা ৰাম ওজা আৰু তেওঁৰ বংশধৰ সকলৰ ওচৰতো আমি আজীৱন ঋণী।

বাণীপ্ৰকাশ প্ৰাইভেট লিমিটেডৰ হৈ প্ৰকাশক শ্ৰীযুত অম্বিকাপদ চৌধুৰী আৰু তেখেতৰ অনুজ ভ্ৰাতৃ শ্ৰীগিৰিপদ চৌধুৰীয়ে 'পদ্মা-পুৰাণ'ৰ প্ৰকাশৰ দায়িত্ব বহন কৰি আমাক কৃতজ্ঞতাৰ পাশত আবদ্ধ ৰাখিছে।

যত্নসহকাৰে প্ৰুফ চোৱা-চিতা কৰা সত্বেও কেইটামান ভুল থাকি গ'ল। বিশেষকৈ ১৬ পৃষ্ঠাৰ ১৬ পংক্তিত 'ত্ত' ৰ ঠাইত 'কে', ৮২-৮৫ পৃষ্ঠাত 'নাৰায়ণ'ৰ ঠাইত 'নাৰায়ন' ; ৯৬ পৃষ্ঠাত 'লক্ষ' ৰ ঠাইত 'লক্ষা'; ১১৫ পৃষ্ঠাত 'লক্ষন্' ৰ ঠাইত 'লক্ষণা'; ১২১ পৃষ্ঠাত ঠেঙনা'ৰ ঠাইত দেঙৰা'; ৩৫৭ পৃষ্ঠাত 'বুঢ়া আত্তা'ৰ ঠাইত 'বুঢ়া আটা'; ১১৪ পৃষ্ঠাত চন্দ্ৰ'ৰ ঠাইত 'চন্দ্ৰ'; ৪:৪ পৃঃ ত 'ভাটীয়ালী'ৰ ঠাইত 'ভাটিয়ালী ; ৬৩৫ পৃষ্ঠাত 'অলংকাৰাদি'ৰ ঠাইত 'অলংবাদিৰ আৰু প্ৰথমখন আলোকচিত্ৰৰ পৰিচয়জ্ঞাপক বৰ্ণনাংশ 'কলিয়াবৰ চাহবাগিছা'ৰ সলনি 'সূৰ্য্য পাহাৰ ৰূপে ছপা হৈছে। 'গ্ৰন্থপঞ্জী' অংশত ত্ৰুটিবশতঃ ৪৬২ পৃ.ট্ৰৌ ৬৬৩ পৃ. ৰূপে ছপা হৈছে। অবাঞ্ছিত আৰু অনভিপ্ৰেত দোষ-ত্ৰুটিৰ বাবে সহৃদয় পাঠক-পাঠিকাৰ ওচৰত আগতীয়াকৈ ক্ষমা বিচাৰিছোঁ। অতি কমসময়ৰ ভিতৰতে পুথিখন ছপা কৰি দিয়া বাবে 'মুদ্ৰণিকা'ৰ মেনেজাৰ আৰু কৰ্মচাৰীসকললৈও হিয়াভৰা ওলগ যাচিছোঁ।

সেৱাৰ থলী ধৰ্মপ্ৰাণ ৰাইজ, শ্ৰদ্ধেয় পাঠক-পাঠিকা আৰু স্নেহভাজন ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা পুথি খনি সমাদৃত হলেই আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব। ইতি

১০ জেঠ, ১৯১৫ শকাব্দ
২৪ মে', ১৯৯৩ চন
শান্তিপুৰ হিল চাইদ
দুৰ্গাসৰোবৰ, গুৱাহাটি-৯

[signature]



বলদেৱপাৰাৰ (দৰং জিলা) ৺ অভ্ৰকান্ত শৰ্মাৰ ঘৰত সংৰক্ষিত
ভাটীয়ালী খণ্ডৰ [পদ্মা-পুৰাণ, 'ঘ' পুথি] এটি পৃষ্ঠা।



দৰং জিলাৰ অন্তৰ্গত হৰিপুৰৰ ৺ কবিচন্দ্ৰ গোস্বামীৰ ঘৰত সংৰক্ষিত ভাটীয়ালী আৰু স্বৰ্গাৰোহণ খণ্ডৰ [*পদ্মা-পুৰাণ*, 'গ' পুথি] এটি পৃষ্ঠা।



দৰং জিলাৰ অন্তৰ্গত মনজলিৰ শ্ৰীবাতুৰাম চহৰীয়াৰ ঘৰত সংৰক্ষিত *পদ্মা-পুৰাণৰ* ('খ' পুথি) এটি পৃষ্ঠা।

বিষয়-সূচী

এক. অৱতৰণিকা '০৭—'১৪

দুই. পদ্মা-পুৰাণ : ভাটীয়ালীখণ্ড : কথাবস্তু ৩-১৯৫

মংগলাচৰণ ৩, বিষহৰীৰ ক্ৰন্দন ৪, নেতাৰ পৰামৰ্শ ৫, কালিনাগৰ মহিমা বৰ্ণন ৬, শংখ আনিবৰ বাবে পদ্মাৰ যাত্ৰা ৮, ধেমাই কালিনাগৰ কথোপকথন ৯, কালিৰ আগমন আৰু পদ্মাক বন্দনা ১৩, কালিৰ ওচৰত পদ্মাৰ দুখ বৰ্ণন ১৩, লখাইক দংশন কৰিবৰ বাবে কালিনাগৰ যাত্ৰা ১৫, বেউলা আৰু লখাইৰ কথোপকথন ১৫, বেউলাৰদ্বাৰা কাম বিহ্বল লখাইক প্ৰবোধ প্ৰদান ১৭, বেউলাৰদ্বাৰা লখাইক পূৰ্বকথা স্মৰণ ১৯, লখাইৰ শয়ন আৰু কালিনাগৰদ্বাৰা নিদ্ৰাৱলীক আহ্বান ২০, কালিনাগৰ কাৰুণ্য ২২, কালিৰ ক্ৰোধ ২৩, কালিনাগৰদ্বাৰা লখাইক দংশন ২৪, লখাইৰ বিলাপ ২৬, লখাইৰ দেহত বিষৰ ক্ৰিয়া ২৭, মনসাৰদ্বাৰা কালিক প্ৰশংসা ২৯, বেউলাৰ নিদ্ৰাভংগ ২৯, বেউলাৰ বিলাপ ৩০, বেউলাৰ শোক ৩৩, বেউলাৰ কাৰুণ্য ৩৫, সোনাইৰ সন্দেহ ৩৬, সোনাইৰ শোক ৩৭, সোনাইৰ ক্ৰন্দন ৩৭, চান্দোৰ ক্ৰন্দন ৪২, ভুৰ নিৰ্মাণ কৰিবলৈ বেউলাৰ নিৰ্দেশ ৪৪, চান্দোৰ প্ৰতি জয়ধৰৰ উপদেশ ৪৫, ভুৰ নিৰ্মাণ ৪৬, সোনাইৰ ওচৰত বেউলাৰ বিদায় প্ৰাৰ্থনা ৪৭, বেউলাৰদ্বাৰা সোনাইক প্ৰবোধ ৪৮, চান্দোৰ ওচৰত বেউলাৰ বিদায় প্ৰাৰ্থনা ৫০, চান্দোৰ ক্ৰন্দন ৫১, বেউলাৰ আক্ষেপ প্ৰকাশ ৫৩, বেউলাৰ দেৱপুৰীলৈ যাত্ৰা ৫৪, গৃধিনীৰ পাক ৫৫, শৃগালীৰ পাক ৫৭, যম-দাইনীৰ পাক ৫৯, দাইনীৰ পাক ৬১,

লাইমীৰ উপদেশ ৬১, গোধাৰ পাক ৬২, গোধাৰ অপচেষ্টা ৬৫, বেউলাৰদ্বাৰা গোধাক অভিশাপ ৬৬, গোধাক শাস্তি প্ৰদান ৬৮, বেউলাৰ প্ৰতি গোধাৰ মিনতি, জুৰাকৰ পাক ৭০, জুৰাকৰ অনুৰোধ ৭২. জুৰাকৰ প্ৰতি বেউলাৰ করুণা ৭৩, ধনা-মনাৰ পাক ৭৪, ধনা-মনাৰ কাজিয়া ৭৭, ধনা-মনাৰ সংঘৰ্ষ ৭৮, বঙ্গাই সাধুৰ পাক ৭৯, বেউলাৰদ্বাৰা বঙ্গাই সাধুক অভিশাপ প্ৰদান ৮০, বেউলাৰ প্ৰতি বঙ্গাই সাধুৰ অনুৰোধ ৮০, নাৰায়ণ সাধুৰ পাক ৮২, নাৰায়ণ সাধুৰদ্বাৰা বেউলাৰ পৰিচয় লাভ ৮২, বেউলাৰ ক্ৰন্দন ৮৩, নাৰায়ণ সাধুৰ ক্ৰন্দন ৮৪, নাৰায়ণ সাধুৰ আক্ষেপ প্ৰকাশ ৮৫, বেউলাৰ নিশ্চয়তা ৮৬, বাঘৰ পাক ৮৭, বাঘৰদ্বাৰা বেউলাক ভীতি প্ৰদৰ্শন ৮৯, নিশক্ষৰ পাক ৯০, তৃপানিৰ পাক ৯১, লখিন্দৰৰ শ পচিবলৈ ধৰা বাবে বেউলাৰ ক্ৰন্দন ৯৩, বেউলাৰ দ্বাৰা নেতাৰ সান্নিধ্য লাভ ৯৪, বেউলাৰ পৰিচয় প্ৰদান ৯৫, বেউলাৰদ্বাৰা পদ্মাৰ বস্ত্ৰ প্ৰক্ষালন ৯৭, বেউলাৰ পৰীক্ষা ৯৯, শিৱৰদ্বাৰা বেউলাৰ দেৱপুৰ আগমনীৰ বাৰ্তা লাভ ৯৯, নৃত্যৰ বাবে বেউলাৰ প্ৰস্তুতি ১০১, বেউলাৰ সাজন-কাচন ১০২, নৃত্যৰ বাবে বেউলাৰ প্ৰস্তুতি ১০৩, বেউলাৰ নৃত্য ১০৫, নৃত্য চাবলৈ দেৱতাদিৰ আগমন ১০৬, চণ্ডিকাৰ ক্ৰোধ ১০৭, চণ্ডীৰদ্বাৰা শিৱক ভৰ্ৎসনা ১০৮, চণ্ডীৰ ওচৰত বেউলাৰ অভিযোগ ১০৯, পদ্মাক আনিবৰ বাবে দূত প্ৰেৰণ ১১০, পদ্মাৰ মায়াজ্বৰ ১১০, পদ্মাৰ অভিযোগ ১১১, দানব মহিমা কীৰ্তন ১১৩, বেউলাৰ নৃত্য ১১৫, বেউলাৰ লগত শিৱৰ কৌতুক ১১৫, শিৱৰদ্বাৰা পদ্মাক নিৰ্দেশ ১১৬, বেউলাৰদ্বাৰা পদ্মাক ভৰ্ৎসনা ১১৮, মনসাৰ ক্ৰন্দন ১২০, সাক্ষী দথুৰাবলৈ বেউলাক নিৰ্দেশ ১২০ বেউলাৰ সাক্ষী প্ৰদৰ্শন ১২১, ইন্দ্ৰাদি দেৱতাৰ সাক্ষ্য প্ৰদান ১২২, পদ্মাৱতীৰ পৰাজয় ১২৩, শিৱৰ দেহৰ পোৰণি ১২৫, বেউলাৰ নাগ পৰীক্ষা ১২৯, পদ্মাৰ প্ৰতি শিৱৰ নিৰ্দেশ ১৩২, লখিন্দৰৰ শৱ আনিবলৈ পদ্মাৰ নিৰ্দেশ ১৩৩, পদ্মাৰ ক্ৰোধ ১৩৪, বেউলাৰ প্ৰতি নেতাৰ উপদেশ ১৩৫, লখিন্দৰৰ অস্থি আনয়ন ১৩৬, বেউলাৰ ক্ৰন্দন ১৩৭, আঁঠুৰ বিলাৰ সন্ধান ১৩৮, বেউলাৰ সত্যকৰণ ১৩৯, লখিন্দৰৰ পুনৰ্জীৱন

লাভ ১৪১, লখিন্দৰৰ বিঘ্ন খণ্ডন ১৪২. পদ্মাৰদ্বাৰা ছয়কুমাৰ আৰু ধন্বন্তৰিৰ জীৱন-দান ১৪৪. ডিঙ্গা তুলিবলৈ পদ্মাৰ যাত্ৰা ১৪৬, চৈধ্য ডিঙ্গা উত্তোলন ১৪৮, বেউলা-লখিন্দৰৰ বিদায় প্ৰাৰ্থনা ১৫০, পদ্মাৰ সৈতে বেউলাদিৰ চম্পক অভিমুখে যাত্ৰা ১৫২, বঙ্গাই সাধুৰ মুক্তি ১৫৩, ধনা-মনাক শাস্তি প্ৰদান ১৫৭, জুৱাকৰ প্ৰতি দয়া ১৫৯, লখাইৰদ্বাৰা বিচনি নিৰ্মাণ ১৬১, বেউলাৰ ডুমুনী ৰূপ ধাৰণ ১২৬, দুৰ্বলীৰ লগত বেউলাৰ সাক্ষাৎ ১৬৩, চান্দোৰ গৰ্ব ১৬৪ ; বেউলা আৰু সোনাইৰ কথোপকথন আৰু বেউলাৰদ্বাৰা পৰিচয় প্ৰদান ১৬৭, সোনাইৰ ক্ৰন্দন ১৬৮, পদ্মাক পূজিবলৈ সোনাইৰদ্বাৰা চান্দোক অনুৰোধ ১৬৯, চান্দোৰ নিন্দাবাণী ১৭০, চান্দোৰ প্ৰতি বসুদেৱৰ উপদেশ ১৭১ পদ্মাক পূজিবলৈ চান্দোৰ প্ৰতিজ্ঞা ১৭৩, পূজাৰ প্ৰস্তুতি ১৭৪, চান্দোৰ প্ৰতি পদ্মাৰ উপদেশ ১৭৫, চান্দোৰদ্বাৰা পদ্মাক পূজা ১৭৮, চান্দোৰ দান-দক্ষিণা ১৮১, চান্দোৰ ওচৰত পদ্মাৰ বিদায় গ্ৰহণ ১৮২, বেউলাৰ প্ৰতি পদ্মাৰ সন্ত্বনা বাণী ১৮৪, বেউলাৰ প্ৰতি পদ্মাৰ নিৰ্দেশ ১৮৫, বেউলাৰ সন্তাপ প্ৰকাশ ১৮৬, বেউলাৰ পৰীক্ষা চাবৰ বাবে দেৱতাসকলৰ প্ৰস্তুতি ১৮৮, বেউলাৰ পৰীক্ষা ১৯১, বেউলাৰ জল পৰীক্ষা ১৯২, লখাইৰ ক্ৰন্দন ১৯২, শূল পৰীক্ষা ১৯২, অগ্নি আৰু তুলা পৰীক্ষা ১৯৩, পদ্মা-বেউলা আৰু লখিন্দৰৰ স্বৰ্গ গমন ১৯৩, সোনাইৰ ক্ৰন্দন ১৯৪

তিনি : শব্দাৰ্থ ১৯৮—২৪০

চাৰি : অধিসমীক্ষা ২৪১—৪৬১

প্ৰথম অধ্যায় : সৰ্পৰপৰা মনসালৈ : ঐতিহাসিক ক্ৰমাগ্ৰসৰণ : ২৪৩—২৬৪

ক. ইতিহাস, খ. ভাৰতবৰ্ষত সৰ্প পূজা, গ. বৈদিক সাহিত্যত সৰ্প, ঘ. সৰ্প-পূজাৰ পদ্ধতি।

দ্বিতীয় অধ্যায় : সৰ্পদেৱী মনসা : উৎপত্তি : বিকাশ আৰু পৰম্পৰা : ২৬৫—৩২০

ক. সৰ্পদেৱী মনসা, খ. অন্যদেৱ-দেৱীৰ লগত মনসাৰ সম্পৰ্ক,

গ. মনসাদেৱী আৰু মনসা পূজাৰ ক্ৰমবিকাশ,
ঘ. মনসাৰ মূৰ্ত্তি-কলা, ঙ. মাৰাই : মাৰে : মাৰেই : মাৰৈ ।

তৃতীয় অধ্যায় : মনসাদেৱীৰ লগত জৰিত ধৰ্মীয় কৃত্যাদি : উৎসৱ-অনুষ্ঠান : ৩২১—৩৪০
ক. শাস্ত্ৰীয় পদ্ধতি বা পৌৰাণিক পদ্ধতি, খ. লৌকিক পদ্ধতি,
গ. জনজাতীয় পদ্ধতি ; উৎসৱ-অনুষ্ঠান ।

চতুৰ্থ অধ্যায় : পাঞ্চালী-গীত : মনসা সাহিত্য : মনসা কবিসকল : ৩৪১—৩৯৪
ক. ধৰ্মীয় কৃত্য আৰু পুৰাণ-কথা, খ. মনসা কথাবৃত্ত বা মনসা-গীত বা বা মনসা-সাহিত্য, গ. পাঞ্চালী সাহিত্য : মহাকাব্যীয় পাঁচালী সাহিত্য, মনসা বা বিষহৰী বিষয়ক পাঁচালী-সাহিত্য, বিবিধ বিষয়ক পাঁচালী সাহিত্য, ঘ. মনসা কথাবৃত্তৰ সংসৃতি, ঙ. মনসা-কথাবৃত্তৰ প্ৰধান কাহিনীবোৰৰ স্থান নিৰ্ণয়, চ. মনসা কবিসকল : (ক) মনকৰ, (খ) দুৰ্গাবৰ, (গ) নাৰায়ণদেৱ, (ঘ) ষষ্ঠীবৰ, (ঙ) *মায়াৱতি বিষহৰি* ।

পঞ্চম অধ্যায় : সুকবি নাৰায়ণদেৱ : পদ্মা-পুৰাণ : ৩৯৪—৪১৩
ক. সুকবি নাৰায়ণদেৱ, খ. পদ্মা-পুৰাণ
১. পুৰাণ, ২. মহাকাব্য, ৩. পদ্মা-পুৰাণৰ বিষয়বস্তু
৪. পদ্মা-পুৰাণত বিভিন্ন উৎসৱ পৰা গ্ৰহণ কৰা সমল ।

ষষ্ঠ অধ্যায় : পদ্মা-পুৰাণ : ভাটীয়ালীখণ্ড,··· ৪১৪—৪৬১
ক. ভাটীয়ালীখণ্ড : তাৎপৰ্য্য, খ. বিষয়বস্তু, গ. চৰিত্ৰসৃষ্টি,
ঘ. অভিৰঞ্জনৰ সমাৱেশ, ঙ. ৰস, চ. ছন্দ, ছ. অলংকাৰাদিৰ প্ৰয়োগ, জ. কবিৰ সৃজনী প্ৰতিভা, ঝ. ভাষাগত বৈশিষ্ট্য, ঞ. সামাজিক চিত্ৰ ।

সপ্তম অধ্যায় : উপসংহাৰ ৪৫৯—৪৬১

পাঁচ : গ্ৰন্থপঞ্জী ৪৬২—৪৭০
সংবাদদাতা/দাত্ৰী ৪৭০—৪৭১

ছয় : নিৰ্ঘণ্ট ৪৭২—৫৮০

চিত্ৰ-সূচী

১. মনসা-মূৰ্ত্তি
২. মনসা-মূৰ্ত্তি
৩. মনসা-মূৰ্ত্তি
৪. ব্ৰঞ্জ নিৰ্মিত মনসা-মূৰ্ত্তি
৫. মনসা মন্দিৰৰ বিগ্ৰহ মনসাদেৱী
৬. কালী বিষহৰী
৭. অজাংকৰ
৮. মনসা-প্ৰতীক, বামুণ গুৱালকুছি
৯. মনসা-প্ৰতীক, অগ্ৰাগাঁও
১০. নাগ-ঘট, বামুণ গুৱালকুছি
১১. মাৰে-পূজাৰ মজু (পাতিবাভা)
১২. ধৰ্ম আৰু শিৱৰ মজু (মাৰে পূজা, পাতিবাভা)
১৩. মনসা-মন্দিৰ, গড়ল-ভট্টাপাৰা
১৪. সাপৰ ওজা (সৰ্পবৈদ্য)
১৫. 'ক' পুথিৰ শেষৰ ফলক দুটি
১৬. বেউলা-লখিন্দৰৰ মূৰ্ত্তি
১৭. সুকনানি ওজাপালি
১৮. মাৰৈ-পূজা গোৱা ওজাপালি
১৯. মাৰে-গান
২০. গীতালু-গীত
২১. গীতালু-গীত
২২. দেউলা
২৩. দেৱধ্বনি বা ঘোঁৰা
২৪. দেওধা
২৫. দেওধনী নাচ
২৬. দেধানী নাচ
২৭. দধনী
২৮. বিশিষ্ট ভংগীত দধনী
২৯. মনসা পূজাত অনুষ্ঠিত আইসকলৰ নাম
৩০. " " " ঢুলীয়া
৩১. " " " কালিয়া
৩২. অষ্টনাগৰ মূৰ্ত্তি

* প্ৰচ্ছদ পট : সন্মুখৰ ফালে-সূৰ্য্য পাহাৰত প্ৰাপ্ত মনসা-মূৰ্ত্তি (পৃঃ ১ম-১০ম পত্তিকা) : পিছৰ ফালে কেওটপাৰাত (আজাৰা) অনুষ্ঠিত মনসা-পূজাৰ অনুষংগত নিৰ্মিত বাসুকি মূৰ্ত্তি ।

১. মনসা-মূৰ্তি, সূৰ্য্য পাহাৰ, খ্ৰীঃ ৯-১০ম শতিকা
(অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত)

২. মনসা-মূৰ্তি, কলিয়াবৰৰ হাতীমুৰামন্দিৰ প্ৰাংগণত প্ৰাপ্ত আৰু
অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত, খ্ৰীঃ ১১শ-১২শ শতিকা

৩ মনসা-মূৰ্তি, কাহিলীপাৰাত প্ৰাপ্ত আৰু অসম ৰাজ্যিক
সংগ্ৰহালয়ত সংৰক্ষিত, খ্ৰীঃ ১১শ-১২শ শতিকা।

ব্ৰঞ্জ নিৰ্মিত মনসা-মূৰ্তি, দৰঙৰ বিজুলীবাৰীত প্ৰাপ্ত আৰু অসম
ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত, খ্ৰীঃ ১৭শ-১৮শ শতিকা।

৫ দক্ষিণ কামৰূপৰ গড়ল-ভট্টাপাৰা-মনসা-মন্দিৰৰ বিগ্ৰহ মনসাদেৱী।

৬ কাণী বিষহৰী (পট) সত্ৰশাল, ধুবুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগৰ সংগ্ৰহালয়ত সংৰক্ষিত।



৭. অজাংকৰ (অজগৰ) [পট], ধুবুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগৰ সংগ্ৰহালয়ত সংৰক্ষিত।



৮. মনসা-প্ৰতীক, বামুণগুৱালকুছি, কামৰূপ।

৯ মনসা-প্রতীক, খেদোলা, অম্বাগাঁও দরং।



১০. নাগ-ঘট, বামুণগুবালকুছি, কামরূপ।



১১. মাৰে-পূজাৰ মজু (পাত্বিৰাভা)
খাটলপাৰা মাৰে-ঘৰ, বকো দক্ষিণ কামৰূপ।



১২. ধৰ্ম আৰু শিৱৰ মজু, (মাৰে-পূজা)
খাটলপাৰা মাৰে ঘৰ, বকো, দঃ কামৰূপ

১৩ দক্ষিণ কাশীপুর পশ্চিম-ভট্টপাড়ার মনসা-মন্দির।

১৪ সাপের ওঝা, [illegible], নদীয়া



১৫. 'ক' পুথিৰ শেষৰ ফলক দুটি

১৬. হাজোৰ মণিকূটাচলত খোদিত বেউলা-লখিন্দৰৰ মূৰ্তি।

১৭. সুকনানী ওজাপালি, দৰং।

১৮. মাৰৈ পূজা গোৱা ওজাপালি, বামুন্দী, কামৰূপ।

১৯. মাৰে-গান (পাতিবাভা সকলৰ), দক্ষিণ কামৰূপ ।

তাল-গীত (হাজং সকলৰ), বকো, দক্ষিণ কামৰূপ ।

২১ গীতালু গীত, বকো, দক্ষিণ কামৰূপ

২২. দেউলা, বামুণ গুৱালকুছি, কামৰূপ।

২৩ দেৱধ্বনি বা ঘোঁৰা, কামাখ্যাধাম, কামৰূপ

২৪. 'দেওধা', কেঁওটপাৰা, আজাৰা, দক্ষিণ কামৰূপ।

২৫. দেওধনী নৃত্য, দবং।

২৬. দেধানীনৃত্য, দবংগিবি



২৭ 'দধনী' (হাজং সকলৰ), বকো, দক্ষিণ কামৰূপ।

২৮. হাজং সকলৰ সমাজত প্ৰচলিত 'দধনী', বকো, দক্ষিণ কামৰূপ।

২৯   মনসা-পূজাৰ অনুষংগত অনুষ্ঠিত আইসকলৰ নাম, কেওঁটপাৰা আজাৰা

৩০.   মনসা-পূজাৰ অনুষংগত অনুষ্ঠিত ঢুলীয়া,
কেওঁটপাৰা, আজাৰা, দক্ষিণ কামৰূপ।

৩১. মনসা-পূজাৰ অনুষংগত অনুষ্ঠিত কালীয়া, শিলিমাৰি, কামৰূপ।

৩.২ অষ্টনাগাদিৰ মূৰ্তি, কেওটপাৰা, আজাৰা, দক্ষিণ কামৰূপ।

‘পদ্মা-পুৰাণ’ৰ পাঠ

'পদ্মা-পুৰাণ'ৰপাঠ-সমীক্ষাত গ্ৰহণ কৰা পুথি

ক. গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত সংৰক্ষিত পুথি, ক্ৰমাংক ১৭৮৮ (খ)।

খ. জলজলিৰ (দৰং) শ্ৰীধাতুৰাম চহৰীয়াৰদ্বাৰা সংৰক্ষিত পুথি।

গ. হৰিপুৰৰ (দৰং) ৺কবিচন্দ্ৰ গোস্বামীৰদ্বাৰা সংৰক্ষিত পুথি।

ঘ. বলদেৱপাৰাৰ (দৰং) ৺ভদ্ৰকান্ত শৰ্মাৰদ্বাৰা সংৰক্ষিত পুথি।

ঙ. হাজৰিকাপাৰাৰ (দৰং) শ্ৰীৰমণী শৰ্মাৰ পৰা পোৱা পুথি।

চ. দৈৱচন্দ্ৰ তালুকদাৰৰদ্বাৰা সম্পাদিত আৰু লয়াৰ্চ বুক ষ্টলৰ দ্বাৰা প্ৰকাশিত পুথি।

পদ্মা-পুৰাণ

[ভাটীয়ালী খণ্ড]

পদ্মাৰতি-বন্দনা

বন্দো মাতা পদ্মাৰতি আদি দেৱি ভগৱতি
অজ ব্রহ্ম সিৱৰ দুহিতা।
মংগলাচৰণ সিৱ বিৰ্য্যে অৱতৰি নিজ পুৰ্নৰূপ ধৰি
দেৱ নাগ নৰৰ বন্দিতা॥
সোম সুৰ্য্য হুতাসন জ্বলে তিনি নয়ন
চাৰিবেদে বাহু চাৰিখান।
কেজানে তোমাৰ তত্ত্ব তুমি ৰজ তম সত্ত্ব
অগ্নি সম বস্ত্র পৰিধান॥
কুণ্ড নাগে কটি সুত্র চন্দ্র নাগে যজ্ঞ সুত্র
সর্প বাজে মাথাই ধৰে চাটি।
অতর্ক মহিমা জত বেদেও নাপাৰে তত্ত্ব
জোগ মাতা হংস ৰথে গতি॥
ত্রিভুবনে বন্দিতা ঘণ্টে হয় আবির্ভূতা
কৃপা কৰা অনন্তৰ আই।
কায়বাক্য কৰি মনে ভাবি পদ্মাৰ চৰনে
বিপ্র জানকি নাথে গায়॥

পদ্মাৱতিয়ে নমঃ

১। দিহা ঃ নেতাৰ গলে ধৰি কান্দয় বিসহৰি
অ কান্দয় বিসহৰি।
বিবাদ কৰিলো অকাৰনে॥

বিষহৰীৰ ক্রন্দন

পদ ঃ চান্দো নামে অধিকাৰ সৰ্ব্ব নাগে খাইলা তাৰ
খাণ্ডাৰ ৰাখিলো তৃভুবনে।
আদিয়া গোখোৰা গোমা কেউটিয়া যে কাচিমা
খৈয়া খনিয়া অজগৰ।
বাঙ্কৰাজ ব্রহ্মজাল কালু পাণ্ডু উদয়কাল
সৰ্ব্ব নাগ জাউক ৰসাতল॥২
মহাপদ্ম মহা সংখ উৎপল কেউটিয়াৰ বংস
মিচা কৈলো তোমাসাত আস।
উদয় কাল মনিৰাজ তোমাসাত নাহি কাজ
পসু হুয়া খায়ো বনৰ ঘাস॥৩
অনন্ত তক্ষক মনি কেনে সিৰে ধৰ ফনি
মহা বিস ধৰা কেনে কণ্ঠে।
নেতা কহি আচে জস বট বৃক্ষ কৈলা নাস
চান্দোৰ নামে হেন বিস টুটে॥৪

---

১. খ. সবে নাগে···। কু সম্ভাৰ···। ···তৃ ভোৱনে···।
ক. আওৱা ..থৰা খলি খাল···। ঘ. কুক্ষ্যাভি বহিলা তৃভুবনে।
২. ক. বাকাৰেখা···সমতল।
খ. সবে নাগ জায়া ৰসাৰতলে। ৩. ঘ. সি কথা কৈলোহো তোমাৰ আগে।
৪. খ. গ. অনন্ত ফনি···মনি।
ক.····· বিস কেনে···কৰে।
খ. গ.···বটবৃক্ষ···ভস্ম।

অনন্ত কর্কট নাগে　　বোলে পদ্মাৱতি আগে
আমাৰ হাতে তাৰ মৃত্যু নাই।
বাদ হাৰি মুক্তেস্বৰে　　সাপি আচা বেফুলাৰে
কালি নাগে খাইবেক লখাই ॥৫

নেতাৰ পৰামর্শ

নাগৰ স্থনিয়া বানি　　নেতাই বুলিলা পুনি
পুর্ব্ব কথা সুমৰন নাই।
নাৰায়ন দেৱে কয়　　সুকবি বল্লভে হয়
কালিনাগক আনোক ধেমাই ॥৬

ৰাগ ॥ ৰাগধনশ্রী ॥ পয়াৰ

২. দিহা ঃ　ময়ুৰ গমনে কালা জাই।
হয় আৰে জাই আৰে জাই।
জসোদাৰ কোলে চাৱাল জদুৰাই ॥

পদ ঃ　পদ্মা বোলে সুন ধেমাই আমাৰ উত্তৰ।
কালিক আনিবে তুমি চলহ সত্তৰ ॥
ধেমাই বোলে সুন মাঞো আমাৰ উত্তৰ।
মন দিয়া সুনা কালিৰ বিৱৰন সাৰ ॥
নন্দ ঘৰে জন্মিলেক চাৱাল কানাই।
সোল্ল সত সিসু লৈয়া বনে ৰাখে গাই ॥৮

---

৫. ক. আমাহস্তে লখাইৰ…। খ. বাদ সাধি।

৬. খ. পুর্ব্বৰ কথা ভৈলেক স্মৰন। গ. সর্ব্ব কথা…।
ক. নিবন্ধ খণ্ড নাই, কালিনাগ আনো ধামাই।

২. দিহা. গ. কিলই বঙ্কিম ঘৰে জশোদা কহিনি।
ধেনু লৈয়া বৃন্দা বনে চলে জদুমনি ॥
ঘ. মৈৰাৰ গমনে…।

৭—৮. ক. কালি দহেৰ কালি নাগ আনহ সত্তৰ ॥
কালিৰ নাম সুনি ধামাই চিন্তা ভৈল মন।
হেন কালে নেতা আসি দিলা দৰসন ॥
সাৱধানে সুন পদ্মা কালিৰ বিৱৰন।
গোপঘৰে জন্ম জেন ভৈল নাৰায়ন ॥

এক সিসু মৰিলেক কালিৰ জল খাই।
সেহি কোপে নাৰায়ন ঝাম্প দিলা জাই ॥
কালিৰ ফনাত জাই বৈলা দামোদৰ।
কালি নাগে আসি তাক মাৰিলা কামোৰ। ৯
কপটে পৰিলা গোসাই দেৱ বনমালি।
কালিনাগৰ মহিমা বৰ্ণন
নন্দ জসোদাই কান্দে হৈয়া উত্ৰায়লি ॥
বিয়াকুল হুয়া আইলা জত সখিগন।
বলোভদ্ৰ আসি পাচে কৰাইলা চেতন ॥১০
চাৰি জুগে তুমি পসু পক্ষিৰ জিৱন।
সৃষ্টি প্ৰলয় গোসাই তোমাৰ কাৰন ॥
তুমি ব্ৰহ্মা তুমি বিষ্ণু তুমি মহেস্বৰ।
তুমি জল তুমি থল তুমি পুৰন্দৰ ॥১১
তুমি স্বৰ্গ তুমি মৰ্ত্ত্য তুমি নিৰঞ্জন।
তুমি ৰাত্ৰি তুমি দিবা তুমি সে কাৰন ॥
তোমাৰ জাগৰনে হৈচে জগত প্ৰকাস।
তোমাৰ মৰনে হৈবো জগত বিনাস ॥১২
জোগ ৰূপে আচা তুমি সংসাৰতে গুপ্ত।
বেদ ৰূপে আচা তুমি হৈয়া জে বেকত ॥
তুমি অগ্নি তুমি পানি তুমি বিসধৰ।
আপুনি নাজানি তুমি হৈয়াচা কাতৰ ॥১৩
বলোভদ্ৰৰ বচন সুনিয়া নাৰায়ন।
মনে মনে গৰুড়ক কৰিলা চিন্তন ॥

---

৯. ক. ...নাৰায়ন পৰিলেক...। ...ফনাত্ত তেবে...আসি তাবে....।
১০. খ. ...বলোভদ্ৰ...টাঙ্ক...। গ. সোকাতুৰ...সিসুগন।
ক. বলোভদ্ৰে...তাকে...চেতন।
১২. ঘ. তোমাৰ যোগবলে হৈলা জগত প্ৰকাশ।
১৩. ক. দেৰি ৰূপে আচা তুমি সংসাৰে বেকত ॥

গৰুড় আসিয়া নাগক কৰোক ভক্ষন।
ভয় পাই কালি গৈলা পাতাল ভুবন ॥১৪
কালি দহে জাগিয়া উঠিল নাৰায়ন।
দেৱগন মিলি কৈল পুষ্প বৰিসন॥
হেনয় কালিৰ আগ হোৱে কোন জন॥
তৃভুবনে ৰক্ষা নাই জাৰ বিদ্যমান ॥১৫
পদ্মা বোলে সুন ধেমাই আমাৰ বচন।
এক কথা কহো আমি কৰ অবধান॥
সমুখে নাথাকি তাৰ অৰ্দ্ধপাসে থাকি।
আমাৰ জতেক কথা কহিবাহা ডাকি॥ ১৬
তাহা সুনি ধেমাই লাগিল বুলিবাৰে।
মহা সংখ আনি দেহু আমাৰ গোচৰে॥
* পুৰ্ব্বে সুনি আচো সেহি সঙ্খৰ কাহিনি।
সঙ্খৰ ধ্বনি সুনি বিসমানে হয়ে পানি॥ ।১৭
তাহা সুনি পদ্মাৱতি হৰসিত মন।
সঙ্খ আনিবাক পদ্মা কৰিলা গমন॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
পদ্মাৰ প্ৰবন্ধ বুলি এক জে লেচাৰি॥১৮

৩. দিহা: হে মাৰ পদুমাইহে অ কৈলাসে চলিল মাৰ পদুমাই॥

পদ: সিৱৰ আগে কহে পদ্মা কৰজোৰ কৰি।
তোমাৰ পাসক আইলো ৰৰ আসা কৰি॥
এতসুনি মহাদেৱে পুচিলা কাৰন।
পদ্মাৱতি কহে তেবে জত বিবৰন॥১৯

---

১৫. ক. ...নাহি হবে তোমাৰ বন্ধন।
১৬. ক. সমুখ নহৈয়া অধোমুখে পাসে থাকি। পদ্মাৰ—তুমি কৈল্লো...।
* 'ক' আক 'গ' পুথিত নাই, 'খ' পুথিৰ পৰা দিয়া হৈছে।
৩. দিহা 'ক' আক 'খ' পুথিত নাই, 'গ' পুথিৰপৰা দিয়া হৈছে।

শঙ্খ আনিবৰ বাবে পদ্মাৰ যাত্ৰা

পদ্মাবোলে স্তুনা বাপ দেব তৃলোচন।
কালি সর্প আনিতে নাজাই একোজন ॥
নাকৰ নিশ্বাসে তাৰ লতা তৰু ভাসে।
দেবতা গন্ধর্ব গন পলাই তৰাসে ॥১৯ক
পুর্ব্বে স্তুনি আচো তোমাৰ সঙ্খৰ কাহিনি।
সঙ্খ ধ্বনি স্তুনি বিসমানে হৰে পানি ॥
হাসি হাসি তৃনয়নে বুলিলা বচন।
ঝুলি হস্তে সঙ্খ সিবে দিলা তেতিক্ষন ॥২০
সঙ্খ পায়া পদ্মাৱতি আনন্দিত মন।
হংসৰ বাহনে চৰি আইলা ততক্ষন ॥
সঙ্খ আনি দিলা পদ্মা ধেমাই নাগৰ হাতে
সঙ্খ পাই ধেমাই বন্দিয়া লৈলা মাথে ॥২১
সঙ্খ লৈয়া ধেমাই নাগে বুলিলা বচন।
কি কর্ম্ম কৰিবো মায় কহা বিবৰন ॥
ধেমাইৰ বচনে পদ্মা আনন্দিত ভৈলা।
অনেক সাদৰে পদ্মা আসির্ব্বাদ দিলা ॥২২
নাৰায়ন দেবে কহে সৰস পাঞ্চালি।
ধেমাইৰ চলন বুলি একয় লেচাৰি ॥২৩

ৰাগ ॥ পটমঞ্জৰি ॥ লেচাৰি

৪. দিহা ঃ চলে নাগ দুৱাৰি ধেমাই ভাল।
মিলিলেক কালি দহৰ পাৰে ॥

---

২১. খ. সিবৰ চৰনে পদ্মা কৰিলা বন্দন।
গ. নাগৰথে চলে মাওঁ আনন্দিত মন।
২৩. খ. ...একয় লেচাৰি।
দিহা ৪. ক. চলিল চলিল নাগ দুৱাৰি ধামাই।

পদ : পদ্মাৰ আদেস পায়া পৰম কৌতুক হৈয়া
কালি কালি ঘনে ডাক চাবে ॥২৪

ধেমাই আৰু কালিৰ কথোপকথন

সুনিয়া ধেমাইৰ বানি বোলে কাল নাগিনি
কোথা জাইবা কি নাম তোৰ ।
আমাৰ দৰসনে নৰ সত্যে জাই জমঘৰ
ভাগ্যে প্ৰান ৰহিছে তোমাৰ ॥২৫
পদ্মাৰ কিঙ্কৰ আমি সাবধানে সুনা তুমি
মোৰ নাম ছুৱাৰি ধেমাই ।
চল চল সিঘ্ৰ কৰি তলপ হৈছে বিসহৰি
সৰ্ব্ব নাগ মিলিছে তথাই ॥২৬
জদি আছে পদ্মাক দায়া বিলম্ব নৱৰা ৰৈয়া
পঠাইছে আমাক বিসহৰি ।
জদি নাসা মোৰ তুলে ধেমাই ছুৱাৰি বোলে
আপুনি আসিবো বিসহৰি ॥২৭
নাৰায়ন দেৱে কয় সুকবি বল্লভে হয়
চলা কালি বিলম্ব নকৰি ।

ৰাগ ॥ শ্ৰীবসন্ত ॥ পয়াৰ

৫. দিহা : হৰি কিৰে ধেমাই বোলে সুন
কালি আমাৰ উত্তৰ ।
ঝাণ্টে চল পদ্মাৰ গোচৰ ॥

---

৫. ক. দিহা : অৰে ধেমাই মৰিতে আইলি কালি দহে ॥
পদ : আমাৰ বিসৰ জ্বালা গগন হইচে কালা
উড়ি পক্ষি জাইতে নাপাৰে ।
দাৰুন বিসৰ জালে এথায়ে পুৰিয়া মৰে
কালি দহে পৰি থাকে কালে ॥
জি প্ৰজিল ভুভুবন সেই হৈল অচেতন
নাহি পাৰে গৰুড়ৰ ডৰে ।

পদ : কালি বোলে সুনা ধামাই আমাৰ বচন ।
আমাক তলপ পদ্মা কৰে কি কাৰণ ॥২৮
মোত হৈতে দস গুন বিস জাৰ কণ্ঠে ।
হেন অষ্ট নাগ আচে পদ্মাৰ নিকটে ॥
* তাক এৰি কেনে ভৈলা আমাক জতন ।
বুঝিলো কাৰ্য্যৰ গতি কহা বিৱৰন ॥২৯
দেৱৰ দেৱতা মহাদেৱৰ কুমাৰি ।
তৃভুবনে পুজে পদ্মা জয় বিসহৰি ॥
হেন পদ্মাৰতি সমে কোনে কৰে বাদ ।
সৃগাল হৈয়া সিংহক জিনিতে কাৰ সাধ ॥৩০

গৰ্জ্জি বোলে কালি নাগ সুনৰে অধম সাপ
এখনে পঠাইবো জমঘৰে ॥
সুনিয়া কালিৰ বানি ধেমাই বুলিলা পুনি
সুন মাতা নাগৰ জননি ।
কৈলাসে জায়ো সিবস্থানি মহাসংখ চায়া আনি
জাৰ ধ্বনি বিস হয়ে পানি ॥
সুনিয়া ধামাই কথা ধামাই ভৈল হেঠ মাথা
সুন মাও আমাৰ বচন ।
নাৰায়ন দেবে কয় সুকবি বল্লভে হয়
তুমি গৈলে লখাইৰ মৰন ॥ ২৯৭০

এই পদ কেইটি 'খ' আৰু 'গ' পুথিত নাই, দ্বিতীয়তে ওজাপালি-সংগীত পৰম্পৰাতো এই পদ কেইটিৰ প্ৰয়োগ দেখা নাযায় ।

২৯. ক. ইহাৰে চাৰিয়া কেনে আমাৰে জতন ।
..... গতি আছে প্ৰয়োজন ॥
* খ., গ. পুথিৰপৰা উদ্ধৃত ।
ক. সূৰ্য্যৰ তেজক কেবা হৰিবাৰ পাৰি ।
ব্ৰহ্মাৰ কমণ্ডলু হেবা কে কৰিতে চুৰি ॥
কাৰ সক্তি এক দৃষ্টি চাহিবেক সূনি ।
জমৰ ৰাজাৰ কাল দণ্ড হৰি কেবা আনি ॥
'খ' আৰু 'গ' পুথিত নাই ।

বেঙ্গ হৈয়া চাহে কিবা হৰিতে বিসধৰ ।
কাক হৈয়া চাহে কিবা সুসিতে সাগৰ ॥
মাখি হৈয়া চাহে কিবা বজ্রক ধৰিতে ।
গলে সিলা বান্ধি চাহে সাগৰ তৰিতে ॥৩১
বস্ত্রে অগ্নি বান্ধি চাহে মৰিতে পুৰিয়া ।
কোনে চাহে পৃথিবিক ফেলিতে উফাৰিয়া ॥
ব্রহ্মা বিষ্ণু মহেস্বৰ তিনিদেৱ এৰি ।
আৰ জত দেৱগন বৈস্বেস্বৰ পুৰি ॥৩২
তাৰা জদি বাদ কৰে পদ্মাবত্তি সনে ।
তেবে পুন্ন ভস্ম হয়ে বিসৰ নয়নে ॥
ধেমাই বোলে সুন কালি আমাৰ বচন ।
মন দিয়া সুন কহো জত বিবৰন ॥
দেবতা গন্ধর্ব্ব নোহে কৰে হেন কাজ ।
মনুস্যৰ হাতে পদ্মা পায়া আছে লাজ ॥ ৩৩

---

৩৩. ক্রমাঙ্ক পদৰ পৰবর্ত্তী পদ :

খ. স্বর্গ মর্ত্য পাতাল আৰু ই তিনি ভুবনে ।
সবাক নাসিতে পাৰে বিসৰ নয়নে ॥৩৩
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি ।
কালিৰ কথন বুলি একয় লেচালি ॥

দিহা : ৰাগ-কল্যান :

সুনিল্লা ধেমাই বানি
বোলে কাল নাগিনী ॥

পদ : কালি বোলে সুন ধেমাই আমাৰ বচন ।
আমাক তলপ পদ্মা কৰে কি কাৰন ॥

'ক' আৰু 'গ' পুথিত নাই ।

গ. চয় পুত্র খালা তাৰ সর্প ৰুপ ধৰি ।
তভো গালি পাৰে চাণ্ডো ধমনা ভণ্ডাৰি ॥

ধেমাই আৰু কালিৰ কথোপকথন

ধনেশ্বৰ ৰাজাৰ বেটা নামে কোটেশ্বৰ।
তাৰ পুত্ৰ চান্দো পাইচে হৰ গৌৰি বৰ॥
পুজা খাইতে গৈলা পদ্মা ঝালো মালো ঘৰে।
ভক্তি কৰি সোনাই নিলা পদ্মা পুজিবাৰে॥৩৪
চণ্ডিকাৰ আজ্ঞা পায়া চান্দো অধিকাৰি।
পদ্মাৰ কঙ্কালে মাৰে হেমতাল বাৰি॥
অপমানে গৈলা পদ্মা সিৱৰ গোচৰ।
সিৱে বোলে পুত্ৰ খায়ো ৰাখ সদাগৰ॥ ৩৫
চয় পুত্ৰ খাইল তাৰ জেমত সন্ধান।
সকলে সুনিবা তুমি গৈলে পদ্মা স্থান॥
আৰ বাৰ পদ্মাৱতি গেলা সুৰপুৰি।
অনিৰুদ্ধ উসা আনে ইন্দ্ৰত ভিক্ষা কৰি॥৩৬
উসাক জন্মাইলা নিয়া সাহে ৰাজাৰ ঘৰে।
অনিৰুদ্ধ জন্মাইন্ত সোনেকা উদৰে॥
দুই জনৰ জন্ম ভৈলা জাতিস্মৰ হৈয়া।
সাহে চান্দো মিলি দুইকো কৰাই আচে বিয়া॥৩৭
স্নানিতে বেহুলা গৈলা মুক্তেস্বৰ জলে।
মায়া কৰি পদ্মাৱতি তাৰ কাচে মিলে॥
পদ্মাৰ গাৱত পৰে গোৰয়ানিৰ পানি।
পদ্মা বোলে তোৰ স্বামি খাইবেক নাগিনি॥৩৮
তৃভুবনে ব্যৰ্থ নোহে পদ্মাৰ বচন।
তোমাৰ তলপ কালি এহিসে কাৰণ॥
এতস্থুনি কালি নাগে দিলা গাৱ ঝাৰা।
সিংহ ব্যাঘ্ৰ পতঙ্গাদি পলাই ৰৰা ৰৰা। ৩৯

---

৩৯. খ. জিয়া জন্তু মানে সৱে পলাই ৰানৰা
গ. .. জন্তু পশু পক্ষি সৱে দেই উৰা।

ভয়ঙ্কৰ ৰূপ ধৰি বায়ু বেগে আসে।

কালিৰ আগমন আৰু পদ্মাক বন্দনা

সূৰ্য্যৰ গ্ৰহন জেন লাগিছে আকাসে ॥
আসিয়া কৰিলা পদ্মাৰ চৰনে বন্দন।
গলে ধৰি পদ্মায়তি জুৰিলা ক্ৰন্দন ॥৪০
সুন সুন কালি নাগ আমাৰ বচন।
আমাৰ দুখৰ কথা কহো বিবৰন ॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
পদ্মাৰ ক্ৰন্দন বুলি একয় লাচাৰি ॥৪১

॥ লেচাৰি ॥

৬.দিহা : অ কালি তোমাত কহিবো কোন লাজে।
জত দুখ চান্দো মোৰে দিয়া আছে বাৰে বাৰে
সহি থাকো ভাঙ্গৰাৰ কাজে ॥

পদ : আমাৰ জতেক দুখ কহিতে বিদাৰে বুক
সুন কালি হৈয়া সাৱধান।
মাঞো নাহি বাপ ঘৰ দুষ্টালি সতাইৰ ঘৰ
এক চক্ষু কৰি আচে কান ॥৪২

কালিৰ ওচৰত পদ্মাৰ দুখ-বৰ্ণনা

তেবে বাপ ত্ৰিপুৰাৰি বিহা দিলা জত্ন কৰি
মুনিৰ কুমাৰ মাত্তি আনি।
পাপিষ্ঠি কৰ্ম্মৰ ফলে প্ৰভু চাৰি গৈল মোৰে
এক ৰাত্ৰি নভৈল বসতি ॥
পুজা খাইতে ঝালো ঘৰে সোনেকা আনিলা মোৰে
পুজিবাক নিলা জত্ন কৰি।
চণ্ডিৰ কপটে চান্দে অদ্ভুত লাগিল মন্দে
হেমতালে ভাঙ্গিলা কঙ্কালি ॥৪৩

কালি বোলে হব বির্জ্যা সংসাৰে তোমাৰ পুজা
কি কাৰনে কৰা অপমান।
নাৰায়নদেৱে কয় শুকবি বল্লভে হয়
সুন কালি হয়া সাৱধান ॥৪৪

ৰাগ ৷৷ কৈবলু ৷৷

৭. দিহা : বোলে দেৱি মনসা ॥

পদ : পদ্মা বোলে সুন কালি আমাৰ উত্তৰ।
সত্তৰে দংসিয়া দেহ চান্দোৰ কুমাৰ ॥
এত সুনি কালি নাগে লাগে বুলিবাৰ।
কিমতে প্ৰৱেস হৈবো লোহাৰ বাসৰ ॥৪৫
শ্ৰীখণ্ডি কপাট দিচে জোৰাত কৰাল।
পিম্পৰা নাপাৰে তাত প্ৰৱেস কৰিবাৰ ॥
পদ্মা বোলে কালি নাগ নিচিন্তিবা তুমি।
কৰ্ম্মকাৰ হাতে চিদ্ৰ ৰাখি আচো আমি ॥৪৬
ঐসান্য কোনাৰ নামে সিন্দুৰেৰ ৰেখা।
তাহাৰ সমিপে গৈলে চিদ্ৰ পাইবা দেখা ॥
এত সুনি কালি নাগৰ হৰসিত মন।
পদ্মাৰ চৰনে নাগে কৰিলা বন্দন ॥৪৭
চম্পক নগৰে লাগি কৰিলা গমন।
লখাইক দংশন কৰিবৰ বাবে কালিনাগৰ যাত্ৰা
পবনৰ গতি গৈল চান্দোৰ ভুবন ॥
দেখে বহু জাগি আচে ইঠাট প্ৰহৰি।
ভৃঙ্গ ৰূপে কালি নাগে বর্ম্ম কৈলা চুৰি ॥৪৭ক

---

৪৪. ক. সুন কালি দুখেৰ কাহিনি।
৭ 'ক' পুথিত এই দিহাটো নাই, 'খ' আৰু 'গ' পুথিৰপৰা উদ্ধৃত।
৪৫. খ. কিমতে বন্ধিবো মই চান্দোৰ কোঙৰ। গ. কিমতে...হেজ্ঞাৰ।
৪৬. ক. পিপিলিকা নাপাৰে প্ৰৱেস...।

উৰা দিয়া পাৰে গৈয়া মঞ্জুস্ব উপৰ।
লখাই বেউলা কথা কহে মঞ্জুস ভিতৰ ॥
নাৰায়ন দেৱে কহে মনসাৰ দাসে।
মেৰৰ উপৰে থাকি কালি নাগে হাসে ॥৪৮

ৰাগ ॥ তুড়বসন্ত ॥ লেচাৰি

৮. দিহা : অই আৰে উঠিয়া বন্ধন চলৰে কন্যা
বোলয়ে লখিন্দৰ ॥

পদ : লখাই বোলে স্নুনা প্ৰিয়া আমাৰ বচন।
ভোজন কৰিবো ঝাণ্টে চৰায়ো বন্ধন ॥
ক্ষুধায়ে আকুল তনু ধৰিতে নাপাৰি।
বিলম্ব নকৰা কন্যা চলা সিগ্ৰ কৰি ॥৪৯

---

৪৮. ক. পদ্মাপুৰানক কবি কৰিলা প্ৰকাস।
খ. লখাইৰ কথন বুলি একয় লেচাৰি।
৪৮ ক্ৰমাঙ্ক পদৰ পৰবৰ্তী পদ 'ঘ' পুথিত :
দিহা : লখাই বোলে প্ৰান প্ৰিয়া কোলে চাপি বৈস হিয়া ॥
পদ : লখাই বোলে শুনা প্ৰিয়া আমাৰ বচন।
ভোজন কৰোহো প্ৰিয়' দিয়া এতিক্ষন ॥
তোমাঠৈৰ ঘৰে গৈলো স্নান পাইবাৰ আসে।
আচোক পাইবোহো স্নান মৰিলোহো ভোকে ॥
তোমাঠৈৰ নাৰিগনে বেঢ়ে চাৰি পাসে।
সিকাৰনে নকৰিলো পঞ্চাস গৰাসে ॥
ক্ষুধাই আকুল প্ৰান ধৰিতে নপাৰি।
বিলম্ব নকৰি প্ৰিয়া দিয়া সিগ্ৰ কৰি ॥
স্বামিৰ বচনে বেউলাৰ চিন্তা ভৈলা মনে।
লখাইৰ মুখক চাই বুলিলা বচনে ॥
একো নজানোহো প্ৰভু আমি সিসুমতি।
বন্ধন চৰাইতে প্ৰভু তোমাৰ সম্প্ৰতি ॥
লখাই বোলে সুনা প্ৰিয়া আমাৰ বচন।
ভোজন কৰোহো প্ৰিয়া চৰাও বন্ধন ॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
লখাইৰ কথন বুলি এক জে লেচাৰি।

লজ্জা হুয়া বেহুলায়ে বুলিলা বচন।
চাউল সাজ নাহি আমি কৰিতে ৰন্ধন ॥
কুহিয়াৰ নাৰিকল বৰ্ত্তমনি কলা।
ফলাৰ কৰিতে তেবে বুলিলা বেহুলা ॥৫০
জত দ্ৰব্য থৈয়া আচে বেহুলা সুন্দৰি।
বেউলা আৰু লখাইৰ কথোপকথন
লখিন্দৰে খাইলা তাক কিচু কিচু কৰি ॥
ক্ষুধা সময়ত খাই অমৃত সমান।
বেহুলাৰ বাক্যে লখাই নকৰিলা আন ॥৫১
হৰসিত হুয়া লখাই কৰিলা ভোজন।
পালঙ্গি উপৰে লখাই কৰিলা সয়ন ॥
কামে বি মাহিত হৈয়া বনিক নন্দন।
ঘনে ঘনে বেহুলাত মাগে আলিঙ্গন ॥৫২
এতসুনি বেহুলাৰ চিন্তা ভৈল মনে।
লখাইৰ চৰন চুই বুলিলা বচনে ॥
সুকবি নাৰায়নদেৱৰ সৰস পাঞ্চালি।
বেহুলাৰ কাকুন্য বুলি এক কে লেচালি ॥৫৩

---

৫২. ক. হৰসিতে ফলাৰ কৰিলা লখিন্দৰে।
সয়ন কৰিলা সেসে বিচনা উপৰে ॥
৮ দিহা : 'ঘ' পুথিৰ পৰা উদ্ধৃত।
৫৩. ক্ৰমাঙ্ক বিশিষ্ট পদৰ পিছত আৰু কেইটিমান পদ 'ক' পুথিত পোৱা যায়। পদ কেইটি পুনৰুক্তি মাথোন।
৫৩ ক্ৰমাঙ্ক পদৰ পৰবৰ্তী দিহা 'ঘ' পুথিত :
দিহা : অকুমাৰি নাৰ মই কামে নাই ৰতি।
সান্তি নষ্ট হৈবো মোৰ জদি কৰো মতি ॥
পদ : কেচা ডালিম খালে প্ৰভু মুখে বান্ধে কহ।
পকা ডালিম খালে প্ৰভু মুখে ৰহে ৰহ ॥
তপত ভাত খালে প্ৰভু জিভাৰ জাই চাল।
জিৰেই সচৈই খাইলে প্ৰভু অধিক লাগে ভাল ॥
অকুমাৰি নাৰি মই নাজানো ৰতি দান।
চিত্ত কৰি ক্ষেমা দিয়া দিন চাৰি মান ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেহুলাৰ কথন বুলি এক কে লেছাৰি ॥

রাগ ॥ বৈশেতা ॥ পয়ার

১.দিহা : অ স্বামি ভাল নহয় অ স্বামি ভাল নহয়।
বিহাই রাতৃত স্বামি নহয় ভাল ॥

পদ : ভাল নহয় স্বামি বিহাই রাতৃ দিনে।
সুনিয়া বুলিবে মন্দ ব্রাহ্মন সজ্জনে ॥
কমল কলিকা প্রভু মকরন্দ হিন।
তার পাসে ভ্রমরা নাজাই একো দিন ॥৫৪
জদি পুষ্প প্রকাসিত হয়ে কাল পায়া।
মধুকরে মধু পিয়ে তার মধ্যে বৈয়া ॥
কেচা ডালিম্ব ফলে কিচো কার্য্য নাই।
বিলম্বে পকিলে প্রভু বর স্বাদ পাই ॥৫৫
অবাইচা গরুক জিতো জুরি বায়ে হাল।
নষ্ট করে নাঙ্গল তার নষ্ট করে ফাল ॥
একে আমি সিসুমতি আরু অকুমারি।
চিত্তে খেমা করি থাকা দিন দুই চারি ॥৫৬
আমার সরিরে প্রভু কামের নাহি গতি।
নাজানো ই সব রস আমি সিসুমতি ॥
ভাল নুহি স্বামি তোমার ভাল নুহি লয়।
আপিত্তা বাহে কি পুরঠের আজার সয় ॥৫৭
ভাল নুহি স্বামি তোমার ভাল নুহি বানি।
মদমত্ত হস্তিক অঙ্কুসে রাখি টানি ॥
দধি হেন বস্তু প্রভু খাইতে লাগে মিথা।
নিতে নিতে খাইলে পাচে সিও হয়ে তিতা ॥৫৮

বেউলারধাৰা কাম বিহবল লখাইক প্রবোধ প্রদান

---

৫৬. 'অবাইচা ... ফাল ॥' -'গ' পুথির পৰা।
৫৭. 'ভাল নুহি সয় ॥'—'খ' পুথির পৰা।
৫৮. 'ভাল নুহি ..তিতা ॥'—'খ' পুথির পৰা।

জদি সুপুৰুস হয়ে উত্তম আচাৰ।
বিলম্বে পাইবা প্ৰভু চিত্ত খেমা কৰ ॥
মদনে কাতৰ লখাই ভয় লজ্জা নাই।
বেহুলা জতেক বোলে মুসুনে লখাই ॥৫৯
লখাই বোলে সুন কন্যা আমাৰ উত্তৰ।
আলিঙ্গন দিয়া মোৰ প্ৰান ৰক্ষা কৰ ॥
এত সুনি বেহুলাৰ বিসাদিত মন।
লখাইৰ চৰনে ধৰি বিনায়ে বচন ॥৬০
নাৰায়ন দেৱে কহে মনসাৰ দাসে।
মজুসৰ ওপৰে থাকি কালি নাগে হাসে ॥

ৰাগ ॥ বসন্ত ॥ পয়াৰ

১০. দিহা : তেজ লোভ খেমা কৰ
(অ হায় হায়) বানিয়াৰ সুত।
তোমাক লাগি পঠাইয়াছে
পদ্মাৰ কাল দূত ॥

পদ : বেউলা বোলে সুনা প্ৰভু কহো তোমাৰ ঠাই
জদি সত্য ভঙ্গ কৰা ধৰ্ম্মৰ দোহাই ॥
পুৰ্ব্বৰ জতেক কথা নাহিকে স্মৰন।
ইন্দ্ৰপুৰে আছিলা তুমি কামৰ নন্দন ॥৬১

৬০. 'লখাই বচন ॥'—'গ' পুথিৰ পৰা।
৬১. খ. সোৱৰণ। ক. ইন্দ্ৰপুৰি...কাম্মৰ...
খ. গ. ইন্দ্ৰপুৰে আছিলা কামদেৱৰ...।

আম্বিয়ো আচিলো বান ৰাজাৰ কুমাৰি ।

বেউলাৰদ্বাৰা লখাইক পূৰ্বকথা জনাৱ

ইন্দ্ৰজনক হৰিয়া আনিয়া বিসহৰি ।
জদি পদ্মা পুজয় সমুৰ সদাগৰে ।
পুনৰপি হুয়ো জাইবো ইন্দ্ৰনগৰে ॥ ৬২
সুনি আছো আমি আজি ৰাতৃ নিসা ভাগে ।
তোমাক খাইবো পদ্মাৰ কাল নাগে ॥
জদিবা তোমাক খাই ইকাল নাগিনি ।
তোমাক লৈয়া জলে ভাসিম তেজি অন্নপানি ॥৬৩
জেবেসে সত্যৰ চিন্ন আমাৰ নাথাকে ।
তেবেতো জিয়াইতে আমি নৰিবো তোমাকে ॥
মৰণ নিৰ্ব্বন্ধ সুনি বনিক নন্দন ।
নিস্বাস চাড়িয়া লখাই কৰিলা সয়ন ॥৬৪
সয়ন কৰিলা জদি বালা লখিন্দৰ ।
সয়ন কৰিলা বেউলা লখাইৰ ওচৰ ॥
লখাই বেফুলা জেবে নিদ্ৰাত পৰিলা ।
মেৰৰ ওপৰে কালি হাসিতে লাগিলা ॥৬৪(ক)

---

৬২. খ. আম্বিতো আচিলো । ক. হৰিয়া আনিচা.. ।
'জদি...নগৰে ॥'—'খ' পুথিত নাই, 'ক' আৰু 'গ' পুথিত আছে ।
গ. ৰাৱকান্ত আছিলা ।
৬৩. ক. গ. সুনি ..তোমাসাৰ... ।
খ. সুনি আচো আজি তোমাৰ ৰাত্ৰি
৬৪. খ. মনক আবাধিয়া লখাই কৰিলা সয়ন ॥
গ. অন্য কথা এৰিল লখাই ।
ঘ. জদি পতিব্ৰতা ধৰ্ম মোহোৰ নাথাকে । জেনেহলে জিয়াইবাক নোৱাৰিম তোমাকে ॥
৬৪ক. 'ক' পুথিত নাই ; 'খ' আৰু 'ঘ' পুথিৰ পৰা উদ্ধৃত ।

কলিনাগে নিদ্ৰাৱলি মাৰিলা হুঙ্কাৰ।
জতসৱ নিদ্ৰা আসি দিলা আগুসাৰ ॥
কালি বোলে শুন নিদ্ৰা আমাৰ উত্তৰ।
পদ্মাৰ বৰে লাগ গৈয়া ঠাঠৰ উপৰ ॥৬৬

লখাইৰ শয়ন আৰু কালি নাগৰদ্বাৰা নিদ্ৰাৱলীক আহ্বান

লখিন্দৰ বেউলা আৰ ইঠাঠ প্ৰহৰি।
সবাকে বেঢ়িয়া লাগে কাল নিদ্ৰাৱলি ॥
প্ৰথমতে নিদ্ৰা দিলা চান্দো অধিকাৰি।
তাৰ পাচে নিদ্ৰা দিলা সোনাই সুন্দৰি ॥৬৭

নেউল ময়ুৰি নিদ্ৰা গৈলেক প্ৰহৰি।
একে একে নিদ্ৰা গৈলা সসি আদি কৰি ॥
তাৰ সেসে নিদ্ৰা দিলা নট-নটি গন।
তাৰ পাচে নিদ্ৰা দিলা ব্ৰাহ্মন সজ্জন ॥৬৮

তাৰ পাচে নিদ্ৰা দিলা ইপালি প্ৰহৰি।
হস্তি ঘোৰা নিদ্ৰাত পেলাইলা সাৰি সাৰি ॥
আৰ জুত নিদ্ৰা আছিল ঝুলিৰ ভিতৰে।
সকলে ঝাৰিয়া দিলা মনুস্য উপৰে ॥৬৯

নিদ্ৰা দিয়া কালি নাগে মাৰে লাজ বাৰি।
আচোক মনুস্য পিপিৰাৰ নাই সাৰি ॥
ঐসাস্তু কোনাৰ নামে সিন্দুৰৰ ৰেখা পায়া।
সুমাইলেক কালি নাগ সুতা কৃত হৈয়া ॥৭০

---

৬৫. খ. জত সৱ নিদ্ৰা আসি ...। গ. কতো কতো নিদ্ৰা আসি...

৬৮. 'তাৰ সেসে সজ্জন।'—'ক' পুথিত নাই, 'খ' আৰু 'গ' পুথিৰ পৰা উদ্ধৃত।

বিচনাৰ দক্ষিন পাসে জলে ঘৃতবাতি।
জেনয় বেহুলা তেনয় অনুৰূপ পতি ॥
সচিৰ সমান ৰূপ বেহুলা সুন্দৰি।
কামদেৱ জিনি লখাই ৰূপৰ মুৰালি ॥৭১
তৃভুবন মোহ জাই এহি ৰূপ তেজে।
ইহেন সৰিৰে মই দংসিম কোন কাজে ॥
ইহাৰ কাৰনে জদি পদ্মাই মোক মাৰে।
তভো নেদিবোহো ঘাৱ ইহাৰ সৰিৰে ॥৭২
সকলে লক্ষন আমি নিৰিক্ষিয়া চাইলো।
তিলৰ প্ৰমান অলক্ষনক নাপাইলো ॥
এত ভাবি কালি নাগে জুৰিলা ক্ৰন্দন।
নাৰায়নদেৱে কয় মনসাৰ চৰন ॥৭৩

ৰাগ ॥ করুনা ভাঠিয়ালি ॥ পয়াৰ

১১. দিহা অ সৰপে বোলৰে সুন্দৰি আচে কোলে।
কিমতে দংসিম লখাই দয়া লাগে মোৰে ॥

পদ : প্ৰসন্ন বদন লখাইৰ সৰিৰ জ্যোতি।
সাৰি সাৰি দান্ত জলে মুকুতাৰ পান্তি ॥
চন্দন তিলক লখাইৰ কপালত সাজে।
চন্দ্ৰৰ উদয় জেন গগনৰ মাঝে ॥৭৪

---

৭১. খ. প্ৰসন্ন বদন লখাই সৰিৰ জ্যোতি।

১১. দিহা গ. ঘ. কান্দেতো কালি নাগ লখাইৰ ৰূপ দেখি।
ক. কান্দে কালি নাগ
খ. এ কান্দয় কালি নাগ ·

৭৪. খ. নৈক্ষেত্ৰ উদয় জেন...। গ অৰুন-উদয়

কণ্ঠত বেষ্টিত গজ মুকুতাৰ মালা।
হেমগিৰি মধ্যে জেন সোভে চন্দ্ৰকালা॥
ভুবন মোহন জেন বেফুলাৰ বেস।
চামৰ জিনিয়া জেন মাথাই দিৰ্ঘ কেস॥৭৫
স্বামিক কোলে কৰি বেউলা স্তুতি আচে।

কালিনাগৰ কাৰুণ্য

আজি বাৰি হৈবি ভই সম্ভুৰৰ দোসে॥
মুণ্ডত দংসিম লখাইৰ ঝুনা নাৰিকল।
কেসত দংসিম লখাইৰ হাকয়া চোৱাৰ॥৭৬
কপালত দংসিম লখাইৰ দ্বিতিয়াৰ চান্দ।
দুই কৰ্ন দংসিম লখাইৰ বৰগাছৰ পান॥
মুখত দংসিম বাচাৰ জ্বলিচে দৰ্পন।
জিহ্বাত দংসিম লখাইৰ আলতা বৰন॥৭৭
নাকত দংসিম বাচাৰ গুঞ্জৰে ভ্ৰমৰা।
গলত দংসিম লখাইৰ ভৃঙ্গাৰৰ নলা॥
দুই বাহুত দংসিম বাচাৰ মোলানৰ ঠাৰি।
দসাঙ্গুলিত দংসিম বাচাৰ চম্পা ফুলৰ কৰি॥৭৮
পিঠিত দংসিম বাচাৰ সুকজৰ চটা।
বুকত দংসিম বাচাৰ চন্দনৰ পটা॥
কঙ্কালত দংসিম বাচাৰ হৰৰ ডুম্বুক।
দুই উৰুত দংসিম বাচাৰ কদলি সম সক॥৭৯
দুই আঠুত দংসিম বাচাৰ সুবৰ্নৰ ঘিলা।
দুই কুণ্ডিত দংসিম বাচাৰ কেতকিৰ দিলা॥
দুই ভৰিত দংসিম বাচাৰ খৰম জুৰিয়া।
এহি বুলি কান্দে কালি গুনক বৰ্নায়া॥৮০

৭৫—৮০ 'ক' আৰু 'খ' পুথিত নাই, 'গ' পুথি আৰু ৺ফটিক চন্দ্ৰ ওঝাৰ মুখৰপৰা সংগৃহীত।

সমস্ত সৰিৰ বাচা নিৰিক্ষিয়া চাইলো।
তিলমাত্ৰ দোস তোৰ গাৱত নাপাইলো॥
তথাপিতো আচৰিবে লাগে আজ্ঞা বানি।
কিমতে এৰাইবো আমি পৰাধিন প্ৰানি॥৮১
সুকবি নাৰায়নদেৱৰ সোড়স পাঞ্চালি।
কালিৰ ক্ৰন্দন বুলি একই লেচাৰি॥

ৰাগ॥ শ্ৰীবসন্ত॥ পয়াৰ

১২. দিহা: অ কালি হউ সাবধান
জে নাম স্মৰনে হোৱে পাপ বিমোচন॥

পদ: এতসব কথা কালি মনত ভাবিয়া।
লখাইৰ নিকতে নাগ গৈলেক চলিয়া॥
দৈবৰ নিবন্ধ কৰ্ম্ম নাজাই খণ্ডন।
কালিৰ মস্তকে পৰে লখাইৰ চৰন॥৮২
সাখি কৰে কালি নাগে জত দেৱগন।
কালিৰ ক্ৰোধ
আপুনাৰ দোসে লখাই জাই জমস্থান॥
ব্ৰহ্মা বিষ্ণু সাখি কৰে জত দেৱ ইতি।
চন্দ্ৰ সুৰ্য্য সাখি কৰে দেৱ পসুপতি॥৮৩
দিস বিদিস সাখি হৈবা বসুমতি।
অগ্নি পানি সাখি কৰে আৰ দিবা ৰাতৃ॥
সপ্ত দ্বিপা সাখি হৈবা সপত সমুদ্ৰ।
সোড়স মাতৃ সাখি হৈবা একাদস ৰুদ্ৰ॥৮৪
জম সনি সাখি কৰে জত পসুগন।
অষ্টপাল সাখি কৰে বায়ু জে চাৰন॥
সপ্ত স্বৰ্গ সাখি হৈবা সপত পাতাল।
সপ্ত ঋসি সাখি হৈবা কাল জে বিকাল॥৮৫

চৰাচৰ সাখি কৰে জত জিৱগন।
সত্য ধৰ্ম্ম সাখি কৰে গুৰু জ্ঞাতিগন ॥
কষ্ট মন কৰি কালি কোন কৰ্ম্ম কৈলা।
প্ৰদিপৰ তৈল আনি আঙ্গুলে মাজিলা ॥৮৬
সাৱধানে দিলা লখাইৰ আঙ্গুলি উপৰ।
কালিনাগৰদ্বাৰা লখাইক দংশন
অলক্ষিতে কালি নাগে মাৰিলা ঠোকৰ ॥
ৰাম ৰাম বুলি লখাই চাৰিলেক ডাক।
উঠা প্ৰানেশ্বৰি বুলি মাতে বেফুলাক ॥৮৭
বাহিৰ হৈতে চাহে কালি মেৰৰ ভিতৰ।
হাতৰ কতাৰি পৰিলেক লেঞ্জৰ উপৰ ॥
লেঞ্জ কাটা গৈল কালি পলাইলেক ডৰে।
বেফুলা বেফুলা বুলি ডাকে লখিন্দৰে ॥৮৮
সুকবি নাৰায়নদেৱৰ সৰস পাঞ্চালি।
লখাইৰ করুনা বুলি একয় লাছাৰি ॥

ৰাগ ॥ কামন্দৰ ॥ লেচাৰি

১৩. দিহা : অ কান্দে তো বালা লখিন্দৰ হে।
পদ : দারুন বিসৰ ঝালে প্ৰান কৰে অনাথিৰে
তুলিয়া মুখত দেহ পানি।
চয় ভাই আচিল মোৰে জেন চয় বিদ্যাধৰে
তাক পদ্মা কৈল নিপাতনি ॥৮৯
মায়ে জত দুখ পাইলা মোক পাই পাসৰিলা
এখনে হৈবে মাৱৰ মৰন।
দেখি তোমাৰ মুখ চান্দ বিধি কৈল বিড়ম্বন
উঠা পৃয়া হৱা সাৱধান ॥৯০

---

৮৭. খ. পদ্মাক প্ৰনাম কৰি শ্ৰাবিলা কামোৰ।

তুমি নিদ্রা গৈল সুয়া   আমাক গৈল সৰ্পে খায়া
তুমি দেখো থাকিতে জিয়নে।
তোমাৰ অমৃত বানি   আৰ শুনিলো পুনি
এহি দুখ ৰহিল মোৰ মনে ॥৯১
তুমিতো হোয়া চেতন   দেখো তোমাৰ বদন
আনিলা পদ্মা বাদক সাধিতে ।
পদ্মাৰ কপট বাদ   সৰ্পে কৈল বৰ সাদ
কাল নিদ্রা পাইলেক তহিতে ॥৯২
তোমাৰ বদন চায়া   মদনে পিড়িত হৈয়া
মাগিলো সুৰতি ব্যৱহাৰ।
তাকে কিবা ভাবিয়া   আচাহা লজ্জিত হৈয়া
মৰিলে দুখ মিলিবে তোমাৰ ॥৯৩
তুমি আমি এক সঙ্গে   মেৰত আচিলো ৰঙ্গে
বঞ্চিলেক নিৰ্দ্দয়া ব্ৰহ্মানি।
নাৰায়নদেৱে কয়   সুকবি বল্লভে হয়
কোনদেৱে দন্দিলা নজানি ॥৯৪

ৰাগ ॥ কেদাৰ ॥ পয়াৰ

১৪. দিহা   অ কি বেহুলা জাগ-অ
অ উঠা মোৰ প্ৰিয়া ॥
পদ :   উঠা উঠা প্ৰিয়া তুমি কত নিদ্রা জাস।
মোক খাইলা কালি নাগে চক্ষু মেলি চাস ॥
নহৈলেক মাস পক্ষ দিন অষ্ট চাৰি।
কাল ৰাত্ৰ পদ্মাৱতি তোকে কৈলা ৰাৰি ॥৯৫

৯১—৯৯ 'খ' আৰু 'গ' পুথিত নাই।

লখাইৰ বিলাপ

তুমি হেন অভাগিনি নাহি ক্ষিতি তলে ।
অকালতে ৰাণ্ডি ভৈলি খণ্ড ব্ৰত ফলে ॥
কত জন্ম খণ্ড ব্ৰত কৈলি গুৰুতৰ ।
সেহি দোসে তোমাক এৰি জাঞোঁ লখিন্দৰ ॥৯৬

আমাৰ মৰনে তুমি নিজিবা পৰানে ।
তুমি হেন অভাগিনি নাহি তৃভুবনে ॥
মাও সোনাই আমাৰ জে মৰন শুনিলে ।
অগনি জালিয়া মাও হৈবো বিয়াকুল ॥৯৭

আমাৰ মৰনে হৈব মাওৰ মৰন ।
সৰিৰত কষ্ট কৰি তেজিব জিবন ॥
আমাৰ মৰনে মাও তেজিব অন্ন পানি ।
আমাৰ মৰনে মাও হৈব তপসিনি ॥৯৮

আমাৰ মৰনে মাও নিজিব পৰানে ।
খিয়াতি ৰাখিবো মাৰে ই তিনি ভুবনে ॥
আমাৰ মৰনে মাৱে বৰ পাইব তাপ ।
আমাৰ সোকত মাৱে সমুদ্ৰে দিব ঝাম্প ॥৯৯

আমাৰ কাৰনে মাও মৰিব পুৰিয়া ।
খিয়াতি ৰাখিব মাৱে সংসাৰ জুৰিয়া ॥
সাৰি পাই নামাতাস বেহুলা দুৰ্জ্জন ।
কোনোবা পুৰুসক তোৰ ভজি আছে মন ॥১০০

---

৯৪. দিহা ক. উঠ উঠ অহে পৃয়াহে ।
খ. ঐয়কি বেহুলা জাগউ আহে মোৰ প্ৰিয়া ।
গ. ঘ. বেউলা জাগ উঠা মোৰ পৃয়া ।
৯৭. 'মাঞো বিয়াকুল ।' 'খ' পুথিৰ পৰা ।'
১০০. 'সাৰি...মন ॥' 'খ' পুথিৰ পৰা ।

কাতৰ হৈয়া লখিন্দৰে বুলিলা বচন।
কাল নিদ্ৰাই বেফুলাৰ নাহিকে চেতন॥
কায়া আঙ্গুলিৰ বিসে ব্ৰহ্ম দ্বাৰ পাইলা।
বেফুলা বেফুলা বুলি ডাকিতে লাগিলা॥১০১
সুকবি নাৰায়নদেবৰ সৰস পাঞ্চালি।
লখাইৰ ক্ৰন্দন বুলি একয় লেচাৰি॥

ৰাগ॥ পট মঞ্জৰি॥ লেচাৰি

১৫. দিহা: ঐ আৰে উঠ কমল মুখি অ হে প্ৰিয়া
কত নিদ্ৰা জাস সুখে॥

পদ: তোৰ মোৰ বিদাই বিসে মোৰ প্ৰান জাই
আমি চলো জমৰ নগৰে।
উঠা বানিয়াৰ ঝি নিদ্ৰা সুখে কৰা কি
পুৰোহিত্ত আনাহা সত্বৰে॥১০১ক
তুমি আমি এক সঙ্গে মজুসত আচিলো ৰঙ্গে
কোন দেয়ে দখিলা নাজানি।
কায়া আঙ্গুলিত খাইলা কিসে সৰ্ব্বাঙ্গ চাণ্ডিলা বিসে
চাৰি জাই আমাৰ পৰানি॥১০২
আঠুমান পাইলা বিসে নাজানিলো খাইলা কিসে
জাই বিস উজান কোবাই।
উৰুমান পাইলা বিসে নাজানিলো খাইলা কিসে
কালকুট বিসে দসোদিসে জাই॥১০৩
নাভিমান পাইলা বিসে নাজানিলো খাইলা কিসে
জাই বিস উজান কোবাই।
পেটমান পাইলা বিসে নাজানিলো খাইলা কিসে
জাই বিস গগন উধাই॥১০৪

লখাইৰ দেহত বিষৰ ক্ৰিয়া

১০১ক—১০৮. খ. গ. ঘ. পুথিৰ পৰা।

বুকমান পাইলা বিসে নাজানিলো খাইলা কিসে
জাই বিস উজান কোবাই।
গলমান পাইলা বিসে নাজানিলো খাইলা কিসে
জাই বিস গগন উধাই ॥১০৫
মুখমান পাইলা বিসে নাজানিলো খাইলা কিসে
হবাই গৈলা মুখব বচন।
নাকমান পাইলা বিসে নাজানিলো খাইলা কিসে
সেই বিস অগনি সমান ॥১০৬
মূবমান পাইলা বিসে গৈলা বিস দসোদিসে
জাই বিস গগন উধাই।
কেসমান পাইলা বিসে নাজানিলো খাইলা কিসে
কালকুট বিস দসোদিসে জাই ॥১০৭
সোমবয় হবিহব প্রান তেজে লখিন্দব
ঢলি পবিল পালঙ্গি উপব।
নাবায়ন দেরে কয় সুকবি বল্লভে হয়
কালি নাগ হৈ গৈলা অন্তব ॥১০৮

বাগ ॥ পাহাবি ॥ পয়াব

১৬. দিহা : অন্তব হৈয়া কালি নাগ আচিলা একচিত্তে
আত্মা বন্দি কবিলেক ঘবব বাহিব হৈতে ॥

পদ : আত্মা লৈয়া কালি নাগ চলিল সত্তব।
আত্মা গোট ভেন্টাইলেক পদ্মাব গোচব ॥১০৯
আত্মা পায়া ভৈলা পদ্মাব হবসিত মন।
কালিব মস্তকে দিলা সতেক চুম্বন ॥
জতেক সঙ্কট কৈলা পদ্মা গোচব।
জেমত্ত প্রকাবে দংসিলেক লখিন্দবে ॥১১০

মনসাৰদ্বাৰা কালিক প্ৰশংসা

ধন্য ধন্য বুলি পদ্মা কালিক প্ৰসংসে।
ৰাজ প্ৰসাদক দিয়া কালি নাগক তোসে॥
হৰসিত পদ্মাৱতি সবে নাগ গন।
পদ্মাৰ প্ৰসাদ পাইল ৰাজ আভৰন॥১১১

দধি দুগ্ধ ঘৃত মধু কদলিৰ ভাৰ।
তাহাক দেখি নাগৰ আনন্দ অপাৰ॥
হৰসিতে বৈলা পদ্মা লৈয়া নাগ গন।
তথা নিদ্ৰা ভাঙ্গি বেউলা পাইলেক চেতন॥১১২

কাল নিদ্ৰা ভাঙ্গি বেউলা চেতন পাইলা।
লখিন্দৰ গায়ে হাত দিয়া চায়ে বেউলা॥
হেমৰ সমান বেউলা পাইলা সৰ্ব্ব গায়।
প্ৰভু প্ৰভু বুলি বেউলা মুখে কাঢ়ে ৰায়॥১১৩

বেউলাৰনিদ্ৰাভঙ্গ

লখাইৰ বুকে হাত দিয়া পাইলেক ভৰাস।
নাকে হাত দিয়া চায়ে নাহিকে নিস্বাস॥
কৰ্ন্ন হালি পৰি আঁচে বেহুলাই চায়ে।
দুই চক্ষু বিসৰ ঝালে মুখে লাল বয়ে॥১১৪

আস্তে বেস্তে উঠিলেক পালঙ্গি উপৰ।
বেউলা দেখে লেঞ্জ গোট কাটিছে সৰ্পৰ॥
প্ৰভু প্ৰভু বুলি বেউলা ডাক চাৰি বোলে।
মঞ্জুস উপৰে কালি নাগে ডাকি বোলে॥১১৫

কালি নাগে বোলে স্তন কন্যা আমাৰ বচন।
চান্দোৰ পদ্মাৰ বাদে এহি অঘটন॥
বিধোৱা ব্ৰাহ্মনিৰ বাক্য কৰি সোমৰন।
লখাইক কোলে কৰি বেউলা জুৰিয়া ক্ৰন্দন॥১১৬
স্নকবি নাৰায়ন দেৱৰ লোৰস পাঞ্চালি।
বেহুলাৰ ক্ৰন্দন বুলি একয় লেচাৰি॥

ৰাগ ॥ ভাঠিয়ালি ॥ লেচাৰি

১৭. দিহা — অ বেউলা কান্দ-অয়ে
অ অভাগি দুখুনি বেউলা কান্দ-অয়ে ॥
অ প্রভু প্রভু বুলি বেউলা কান্দ-অয়ে ॥

পদ : তুমি গৈলা জমঘৰে উত্তৰ নেদিলা মোৰে
প্রান গৈল সম্ভুৰৰ বাদে ॥১১৭
সেবিলো পাৰ্ব্বতি হৰ তোমাক স্বামি পাইলো বৰ
অন্ত নিৰ্চিন্তিলো দিনে ৰাতি ।
আগে সিদ্ধি ভৈলা কাম পাচে বিধি ভৈল বাম
কপটে ভাণ্ডিলা পদ্মাৱতি ॥১১৮
নভৈলেক অষ্ট চাৰি কাল ৰাত্ৰি ভৈলো ৰাৰি
মনে বৰ ৰহিলেক তাপ ।
বিধোৱা জভেক কৈলা সকলে প্রত্যয় ভৈল
স্বৰূপে লাগিল ব্ৰহ্ম সাপ ॥১১৯
পৰম কৌতুক কৰি আমাৰ আঙ্কোলে ধৰি
এখনে মাগিয়া আচা ৰতি ।
হাসিতে হৰাইলো নিধি হৰিলা দাৰুন বিধি
মৰিম গলত দিয়া কাটি ॥১২০

বেউলাৰ বিলাপ — বিস্তৰ তপ কৰি আমি তোমাকে পাইলোহো স্বামি
মনে বৰ হৈলতো ভাৰসা ।
পাপিষ্ঠিৰ কৰ্ম্ম ফলে তোমাক কাল নাগে খাইলে
সৰ্ব্বনাস কৰিলা মনসা ॥১২১

---

১১৯. ক. বিধবা জভেক ।
১২১. ক. 'বিস্তৰ...ভাৰসা'— 'খ', 'গ' আৰু 'ঘ' পুথিত নাই ।
ক. সৰ্বনাস ·বিসহৰি ।

জিয়া স্বামি গৈলা এবি   আপুনি জিয়াতে বাবি
কুৎসা বহিল তৃভুবনে ।
জি নাবিব স্বামি মবে   সোকে মনে প্রান ধবে
মবিতে জুয়াই অভিমানে ॥১২২
জিনিব জে বিসহবি   আসিব আপুন পুবি
জেন খ্যাতি ঘোসয় সংসাবে ।
জদি বেউলা হঞেঁা সতি   সাহসে জিয়াইবো পতি
ন্যায়ে জিনিবোহো মনসাবে ॥১২৩
হবি মাযা বিসহবি   আনিবো আপুন স্বামি
জেন জস ঘোসয় সংসাবে ।
ই তিনি জগত চানি   বৈবে আমাব কাহিনি
সত্যে জিনিবোহো মনসাবে ॥১২৪
তুলিয়া লইলা কোলে   ঢলি পবে বিসব জ্বালে
মুখব লালে তিতিল কাপোব ।
সিলত অধিক ভব   মুখে বাহ পবে জল
বিসে হৈচে বজ্রব আকাব ॥১২৫
বেউলা বোলে প্রহবিয়া   মঞ্জুস ভৈলেক চুয়া
ঝাস্তে জনাউ সদাগবব ঠাই ।
নাবায়ন দেৱে কয়   সুকবি বল্লভে হয়
কাল নাগে খাইলেক লখাই ॥১২৬

১২২ – ২৩. 'ক' পুথিত আছে, 'খ', 'গ', 'ঘ' পুথিত নাই ।
১২৫. ক. খ. তুলা হৈছে খিক ভব ।
১২৬. ক. জনাউ সাসু সসুবব ঠাই ।

ৰাগ ॥ করুণা ॥ লেচাৰি

১৮. দিহা : বেউলা কান্দেৰে বেউলা কান্দেৰে
অভাগিনি দুখিনি বেউলা কান্দেৰে ॥

পদ : কেনে খণ্ড তপ কৈলো ৰতি ভোগ সুভুঞ্জিলো
হুকুয়াইলো গুনেৰ সাগৰ ।
বিচিত্র জে সিংহাসনে আছিলা প্রভু এখনে
আমাক কেনে নেদাহা উত্তৰ ॥১২৭
স্বর্ন সম কলেবৰ জেন পুর্ন সসধৰ
সর্ব্ব গাৱ ধুলায়ে ধুসৰ ।
আমিতো অভাগা অতি হুকুয়াইলো নিজপতি
কেনে বান্ধে লোহাৰ বাসৰ ॥১২৮
সুতাৰ সঞ্চাৰ নাই প্রহৰিয়া ঠাই ঠাই
কেনে নাগে প্রভু খাইলা মোৰে ।
কোন দিসে গৈলে নাগ বিচাৰি নাপাঞ লাগ
খাইলে প্রভু লোহাৰ বাসৰে ॥১২৯
বেহুলাক দিয়া ঘাৱ মুখত নাহয় ৰাৱ
কান্দে কন্যা লোটায়া ধৰনি ।
উঠা উঠা প্রানেস্বৰ দেহ মোক উত্তৰ
ৰাৱ কৰা জুৰাউক পৰানি ॥১৩০
মঞ্জুস চতুর্ভাগে প্রহৰিয়া সব জাগে
ঝাণ্টে জনাউ সম্বুৰ সাস্তুৰি ।
পদ্মাৰে লাগিল বাদ কাল নিদ্রা কৈলা সাদ
কাল ৰাত্র বেউলা ভৈল ৰাৰি ॥১৩১
জাতিস্মৰ ভাব বেউলা কেনে সবে পাসৰিলা
সতি কন্যা সাহেৰ কুমাৰি ।
নাৰায়নদেৱে বোলে ভৈল ৰাণ্ডি জায়া জলে
জিয় লখাই গৈলে দেৱপুৰি ॥১৩২

বেউলাৰ ক্রন্দন

১২৭—১৩২ 'ক' পুথিৰ পৰা উদ্ধৃত, বাকীকেইখন পুথিত নাই ।

ৰাগ ॥ কামোদ ॥ পদ

১৯. দিহা : অৰে নিদাৰুন বিধি ৰে
নিদাৰুন বিধি
কিনো ভৈল আমাৰ কপালে ॥

পদ : চিঙ্গিল আভৰন মোৰ বসন গৈল দুৰ।
চিঙ্গিল হাৰ অলঙ্কাৰ পায়ৰে নেপুৰ ॥
বস্ত্ৰ অলঙ্কাৰ মোৰ সৱে দুৰ ভৈলা।
হা প্ৰভু বুলি বেউলা কান্দিতে লাগিলা ॥১৩৩
দেৱ ঋসিগন আইলা বিয়া দেখিবাৰে।
সোমাই লজ্জিত ৰূপ দেখিলা তোমাৰে ॥
প্ৰভু প্ৰভু বুলি বেউলা কান্দে উচ্চৈস্বৰে।
কাল নাগে দংসিলা মঞ্জুসৰ ভিতৰে ॥১৩৪
নহৈলেক মাস পক্ষ দিন অষ্ট চাৰি।
কালৰাত্ৰি পদ্মাৱতি মোক কৈলা বাৰি ॥

বেউলাৰ শোক

বিসাদ ভাবিয়া বেউলা কৰয় ক্ৰন্দন।
বেফুলাৰ ক্ৰন্দনে কান্দে জত সখিগন ॥১৩৫
নিহালি নিহালি কান্দে চায়া লখিন্দৰ।
আমাক এৰিয়া কোথা গৈলা প্ৰানেশ্বৰ ॥
কোকিলৰ ধ্বনি জেন বেফুলাৰ ক্ৰন্দন।
সুনিতে উপজে দুখ সুনে জিবা জন ॥১৩৬

---

১৯. দিহা, গ. : প্ৰান মই হেকৰাইলোৰে অহে দাৰুন বিধি
কিনো ভৈলা আমাৰ কপালে
অ স্বামী হেকৰাইলোৰে ॥
ঘ. প্ৰান মোৰ হেকৰাইলো হে——কি লিখিলা আমাৰ কপালে
অ প্ৰান হেকৰাইলো ॥
১৩৩—১৩৯.' খ' আৰু 'ঘ' পুথিৰ পৰা।
১৩৫. ঘ. বেফুলাৰ——জত পখি গন।
১৩৬. খ. নিহালি——প্ৰানেশ্বৰ।' —'ঘ' পুথিত নাই।

হা হা প্ৰভু আমাক এৰি তুলি গৈলা কোথা ।
কোন দোসে ভৈলা মোৰ বিসম অৱস্থা ॥
অকালতে ৰাণ্ডি ভৈলো বেউলা ৰুপৱতি ।
মদন মোহন প্ৰভু তোমাৰ ৰূপ জ্যোতি ॥১৩৭
অমৃত সমান প্ৰভু তোমাৰ মুখৰ বানি ।
পুনৰুপি নুসুনিলো মই অভাগিনি ॥
মোৰ হাতে অন্ন খাইবে তোমাৰ ভৈলা মন ।
বৰ জত্ন কৈলা প্ৰভু কৰাইতে ৰন্ধন ॥১৩৮
অৰণ্যে ফলাৰ প্ৰভু কৰাইলো তোমাৰে ।
সেহিসে দাৰুন সোক লাগি আচে মোৰে ॥
মদনে পিৰিত হৈয়া চাইলা আলিঙ্গন ।
লজ্জাৰ কাৰনে প্ৰভু নুতুসিলো মন ॥১৩৯
এহিতো দাৰুন সোক লাগি আচে মোৰ ।
সেহি কাৰনে মোক প্ৰভু নিদিলা উত্তৰ ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি ।
বেউলাৰ ক্ৰন্দন বুলি একই লেচাৰি ॥১৪০

২০. দিহা : অহৰি এইবাৰে বাৰ ।
এ হেনকিয়ে ভৈলা মোৰে ॥

পদ : মুখে মুখে চক্ষে চক্ষে একে একে কৰি ।
বিসাদ ভাবিয়া কান্দে সাহেৰ কুমাৰি ॥
মদন মোহন ৰূপ অশ্বিনি কুমাৰ ।
সকলে লজ্জিত ৰূপ দেখিয়া তোমাৰ ॥১৪১

---

১৩৭. ঘ. অকালতে ৰাণ্ড— — ।
২০. দিহা : ঘ. কান্দে সুন্দৰি বেউলা ॥
১৪১. খ. ঘ. সমাই লজ্জিত — — ।

সচি ৰতি দময়ন্তি ৰম্ভা জে ৰোহিনি।
তোমাৰ আমাৰ ৰূপ দেখি সুবদনি॥
বিদ্যাধৰ গন আইল বিহা দেখিবাৰে।
মদনে পিড়িত তাৰা মুখে নাহি স্বৰে॥১৪২
সুৰাসুৰ চন্দ্র সূর্য্য দেব ঋসিগন।
বেউলাৰ কাৰুণ্য তোমাৰ ৰূপ দেখি তাৰা পাসৰে আপুন॥
হেন জৌৱন বিসে কালা ভৈলা তোমাৰ।
ৰাহু আচ্ছাদিলে জেন পুর্ন সসধৰ॥১৪৩
অকালে মৰিতে প্রভু লিখিলা কপালে।
অকালতে ৰাণ্ডি ভৈলো খণ্ড ব্রতৰ ফলে॥
আমাৰ সৰিৰে দেখো নাহি কুলক্ষন।
বিনা দোসে ৰাণ্ডি ভৈলো বিধি বিৰম্বন॥১৪৪
বেহুলাৰ ক্রন্দনে বৃক্ষৰ পত্র সৰে।
পর্ব্বত ভাঙ্গিয়া জাই মেদনি বিদাৰে॥
গেৰুধাৰে বহে দুই নয়নৰ পানি।
সুখান বৃক্ষ ভাংগে বেউলাৰ ক্রন্দন সুনি॥১৪৫
বিসাদ ভাবিয়া কান্দে লখাইক লৈয়া কোলে।
তোমাৰ মৰনে প্রভু নিজ্জিয়ো সমুলে॥
স্বামি ধর্ম স্বামি কর্ম স্বামি গুৰু জন।
প্রানৰ দুর্ল্লভ স্বামি দেৱ আদি ধন॥১৪৬
স্বামি ব্রহ্মা স্বামি বিষ্ণু স্বামি মহেস্বৰ।
স্বামিক চাৰিয়া অন্য গতি নাহি মোৰ॥
স্বামি গুৰু বিদ্যমানে মৰে জিবা নাৰি।
স্বর্গপুৰে থাকে সিতো হুয়া বিদাধৰি॥১৪৭

১৪৫—১৪৯. 'খ' আৰু 'ঘ' পুথিৰ পৰা।

স্বামি সংগে জিবা কৰে অগ্নিত প্ৰবেস।
অষ্ট কৌটি বৰ্স সিতো থাকে স্বৰ্গ বাস ॥
এহি কৰ্ম কৰিবাৰ নলয়ে মোৰ মতি।
অনলে পুৰিয়া মৰো স্বামিৰ সংগতি॥১৪৮
সোকাকুল হুয়া কান্দে সাহেৰ কুমাৰি।
অন্তেপুৰে থাকি স্নুনে সোনেকা সুন্দৰি॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
সোনেকাৰ করুনা বুলি একয় লেচালি॥১৪৯

॥ ৰাগ ॥ ভৈৰবি ॥ লেচাৰি ॥

২১. দিহা: বেউলাৰ ক্রন্দন শুনি সচকিত সাধুআমি
কান্দে সোনাই চক্ষুৰ পৰে পানি।

পদ: অন্ধকাৰ মেৰ ঘৰে কান্দে বধু একেস্বৰে
প্ৰমাদ কিবা ফলাইলা নাগিনি॥১৫০
চান্দো বোলে স্নুন সোনাই তোমাসেৰ বুদ্ধি নাই
পাসৰিলি পুৰ্বৰ ধাৰনে।
পুত্ৰ বধু দুই জুবা তাহাৰ কাৰনে কিবা
অকাৰনে তুমি কান্দা কেনে॥১৫১
সোনাই বোলে স্নুন সাধু বিলাপ কৰয় বধু
বুদ্ধি নাস হৈয়াচে তোমাৰ।
সোনাইৰ সন্দেহ প্ৰান মোৰ থিৰ নুই মনে মোৰ হেন লয়
কাল নাগে খাইলা লখিন্দৰ॥১৫২
প্ৰহৰি সবে বোলে ডাকি লখাই চলিল দেখি
মেৰে কান্দে সাহেৰ নন্দনি।

১৫০—১৫৫. 'ক' আৰু 'খ' পুথিৰ পাঠ।

আমি সবে জাগিচিলো   তাত কিচো নেদেখিলো
কোন পন্থে সুমাইল নাগিনি ॥১৫৩
সুনিয়া প্রহৰিৰ কথা   সোনাই ধাকুৰে মাথা
জাই সোনাই নাহি বান্ধে চুল।
সোনাইৰ শোক   অংগত বসন নাই   আচাৰি পৰে ঠাই ঠাই
পুত্র সোকে হৈয়া বিয়াকুল ॥১৫৪
প্রহৰি বোলে হৰি হৰি   মঞ্জুসত হৈলেক চুৰি
ঝাণ্টে জনাঞো সদাগৰ ঠাই।
নাৰায়ন দেবে কয়   সুকবি বল্লভে হয়
কাল নাগে খাইলেক লখাই ॥১৫৫

ৰাগ ॥ নাট ॥ পদ

২২. দিহা : হা হা পুত্র বুলি কান্দই অ মায়
হে মোৰ কান্দই অমায়, (হায় হায়) ॥
পদ : ক্রন্দন সুনিয়া সোনাই উঠি দিলা লৰ।
চুল নাহি বান্ধে সোনাই নিপিন্ধে কাপুৰ ॥১৫৬
কান্দিতে কান্দিতে আইলা মেৰৰ ওচৰে।
বেফুলা ক্রন্দন কৰে মেৰৰ ভিতৰে ॥
কৰ্ম্মকাৰ আনিয়া কপাট দিলা চাৰি।
সোনাইৰ ক্রন্দন   বাহিৰ কৈল লখিন্দৰক ধৰাধৰি কৰি ॥১৫৭
বিচনাৰ উপৰে লখাইক সুৱাই তৰতৰি।
কান্দিতে লাগিলা সোনাই পুত্র কোলে ধৰি ॥
পুত্র পুত্র বুলি সোনাই বুকে মাৰে ঘাও।
দণ্ড দুই ধৰি সোনাই মুখে নাহে ৰাও ॥১৫৮

১৫৮—৫৯. পুত্র পুত্র——পুত্রজি।' —'খ' আৰু 'ঘ' পুথিৰ পাঠ। —

আকাশ ভাঙ্গিয়া জেন পৰিলা ভুমিত।
স্বর্গহন্তে চন্দ্র খসি পৰিলা আচম্বিত॥
খসায়া পেলাইলা লখাইৰ বস্ত্র অলংকাৰ।
টান দিয়া বাহিৰ কৈলা সৱে অলংকাৰ॥১৫৯
ভুমিত বাগৰি কান্দে পুত্র পুত্র বুলি।
বিচনাৰ উপৰে জেন সোনাৰ পুতলি॥
কাৰ ধন হৰিলো মই কাহাৰ সাহন।
সেহি কাৰনে হৈলা মোৰ পুত্ৰৰ মৰন॥১৬০
কাহাৰ ঘৰৰ বস্ত্র কৰিলোহো চুৰি।
সেহি কাৰনে সাত পুত্র বিধি নিলা হৰি॥
সঞ্চিত কুমুৰা চুৰি কৈলো কাৰ ঘৰ
সেহি দোসে পুত্র গৈলা জমৰ নগৰ॥১৬১
কোনোবা ব্রাহ্মনৰ মই বস্ত্র কৈলো চুৰি।
সেহি কাৰনে পুত্র মোৰ বিধি নিলা হৰি॥
কাহাৰ ঘৰত মই জ্বালিলো অগনি।
সেহি কাৰনে পুত্র খাইলা ই কাল নাগিনি॥১৬২
গো বদ্ধ ব্রহ্ম বদ্ধ কৈলো জ্ঞাতি গোত্র।
সেহি অপৰাধে মৰে মোৰ সাত পুত্র॥
কাৰ পক্ষ হুয়া মই দিলো মিচা সাক্ষি।
সেহি কাৰনে মৰে পুত্র দৈব্যেয়ো ৰাৰাখি॥১৬৩
তোমাৰ মৰনে বাপু মিচা গৃহ বাস।
কালৰূপে পদ্মাৱতি কৈল সৰ্ব্বনাস॥
তোমাৰ মৰনে বাপ সুন্য ভৈল পুৰি।
সর্ব্ব সুন্য ভৈল মোৰ চম্পালি নগৰি॥১৬৪

১৬২—৬৩. 'খ' পুথিৰ পৰা।

এত দুখ দিয়া বিধি স্রজিলা আমাৰে।
ত্রি বন্ধ দিলো আজি তাহাৰ উপৰে ॥
কপাল চিৰিয়া চাঞো কি লিখিছে বিধি।
কোন দোসে হৰাইলা মোহোৰ গুনৰ নিধি ॥১৬৫
সাজিবোহো চিতা আজি গুঞ্জৰিব তিৰে।
পুত্র লৈয়া উঠিবোহো তাহাৰ উপৰে ॥
সংসাৰ জুৰিয়া আজি ৰাখিম খিয়াতি।
মায় পুৰি মৰিবেক পুত্ৰৰ সঙ্গতি ॥১৬৬
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
সোনাইৰ ক্রন্দন বুলি একয় লেচালি ॥১৬৭

ৰাগ ॥ কেদাৰ ॥ পদ

২৩. দিহা ঃ অ হে মোৰ হৰি
সোনাই বোলে বাচা লখাই ॥

পদ ঃ অন্ধক ভৈলো সোনাই দুই চক্ষু থাকিতে।
ই হেন সুন্দৰি বধু ৰাখিবো কেমতে ॥
সর্ব্ব গুনি বধু মোৰ তিলেক দোস নাই।
কোনে বোলে বধু দোসে মৰিল লখাই ॥১৬৭
সুৱেস সুন্দৰি বধু মাথাই দির্ঘ চুল।
সপ্ৰ্প লেঞ্জ নোহে জে বুলিব হেন বোল ॥
উচ্চ কপাল নোহে বধুৰ কুৰঙ্গ নেদেখি।
পিঙ্গল কেশ নোহে বধুৰ খঞ্জন দুই আখি ॥১৬৮

---

১৬৫. 'খ' পুথিৰ পৰা।
১৬৭. 'খ' পুথিৰ পৰা, 'ক' পুথিত নাই।
২৩. দিহা 'ক' পুথিত নাই, 'খ' পুথিৰ পৰা উদ্ধৃত।
ঘ. ঐ এ মোৰ হৰাইলা হৰাইলা লখাইক শান্তি বেহুলাই ॥

উচ্চ দৃষ্টি নোহে বধু শুধুলিৰ জৌতি।
চিৰল দন্ত নহে জেন মুকুতাৰ পান্তি॥
হিয়া চোট নোহে বধুৰ পৃষ্ঠি নোহে উচ্চ।
বিধোৱা লক্ষন নহে বধুৰ দুই কুচ্চ॥১৬৯
সুগতি সুসিলা বধুৰ দেহা মধ্যখিনি।
বচন অমৃত জেন কোকিলৰ ধ্বনি॥
চন্দ্র বদনি বধু নহে খৰমিয়া চৰন।
জাক বুলিব বধুৰ দোসে পুত্রৰ মৰন॥১৭০

সোনাইৰ বিলাপ

লখাইৰ মুখৰ সোনাই আলজায়া মুখ।
সোনেকাৰ ক্রন্দনে উপজে মহা দুখ॥
সুকবি নাৰাযনদেবৰ সৰস পাঞ্চালি।
পয়াৰ প্রবন্ধ বুলি এৰয় লাচাৰি॥১৭১

ৰাগ॥ ভাঠিয়ালি॥ লেচাৰি

২৪. দিহা: ভুমি তলে বাগৰি কান্দে সোনাই একালস্বৰি॥

পদ: কান্দে সুন্দৰি সোনাই পুত্রক দেখিয়া মাই
সেহি তাপে বস্ত্র খহি পৰে।
ভুমি তলে দিয়া গেৰি কান্দে সোনাই একেস্বৰি
প্রান পুত্র কোথা গৈল মোৰে॥১৭২
পুত্রৰ বদন চায়া প্রান ফুতে সোনাই
আথে বেথে তুলি লৈল কোলে।
সোনাৰ পুতলি মোৰ কিবা প্রান সসধৰ
বিহাক কৰাইলো কাৰ বোলে॥১৭৩

---

২৪. দিহা 'ক' পুথিত নাই।
'খ' পুত্র জাগ অভিন্দৰ নেহু ৰাচা উত্তৰ।

সোনাইর ক্রন্দন

লখাইক লৈয়া কোলে   সোনাই কান্দিয়া বোলে
শুনরে নির্ব্বোধ সদাগর।
তোমার বিবাদে মোর   চয় পুত্র মৃত্যু ভৈল
অরসেসে পাইলো লখিন্দর ।।১৭৪
কহে কবি নারায়ন   পদ্মারতির চরন
নির্ব্বুধিয়া চম্পকর পতি ।।১৭৫

রাগ ।। শ্রীবসন্ত ।। পয়ার

২৫-দিহা : সোনাই বোলে হে মোর বাচা লখাই ।।
পদ : পুত্র পুত্র বুলি সোনাই কান্দে উচ্চৈস্বরে।
পালঙ্গিতে থাকি ডাক সুনে চন্দ্রধরে ।।
ক্রন্দন সুনিয়া চান্দো উঠি দিলা রর।
হেমতাল বারি লৈলা কান্ধের উপর। ১৭৬
চান্দো বোলে লখাইক চাহিবো গৈয়া পাচে।
বিচারি চাহিবো নাগ কথা গৈয়া আচে ।।
বিচারি বিচারি নাগ লাগ নাপায়া।
কান্দিতে লাগিলা চান্দো পুত্রক কোলে লৈয়া ।১৭৭
সোনেকার ক্রন্দনে বসুমতি ফাটে।
চান্দোর ক্রন্দনে কান্দে সকলে কটকে ।।
বেহুলার ক্রন্দনে সখি গনে করে রোল।
চম্পাক নগর জুরি ভৈলা হুল স্থুল ।।১৭৮

২৫ দিহা   ক. পুথিত নাই। 'খ' পুথির পরা উদ্ধৃত।
খ. পুত্র মোর লখাই, মানিকে রাচক ভাল ॥
১৭৬—১৭৭   ক' পুথিত নাই ; 'খ' আৰু 'ঘ' পুথির পরা।

ক্ৰন্দন কৰিয়া থিৰ ভৈলা সদাগৰ।
ওঝা আনিবাক পাঞ্চি দিলা অনুচৰ ॥
চান্দো বোলে স্থন লেঙ্গা আমাৰ বচন।
ধনন্তুৰি পুত্ৰ আনা লখাইৰ কাৰন ॥১৭৯
চান্দোৰ বচনে লেঙ্গা লৰ দিয়া গৈলা।
ত্বৰিত গমনে ওঝাৰ বাৰি পাইলা ॥
দুত মুখে বাৰ্ত্তা পাইয়া ওঝাৰ নন্দন।
ঔষধক লৈয়া তেবে আইলা তেতিক্ষন ॥১৮০
কোন বিদ্যা কৰিতে সন্ধান নাহি চিতে।
আসিয়া মিলিলা তেৱে চান্দোৰ সহিতে ॥
মাটিত গনিয়া চাইলা সুসেন বেজে।
নিজিবো লখাই আমাসাৰ মন্ত্ৰ তেজে ॥১৮১
কাল ঘৰে পৰি আচে গনি চাইলা খৰি।
লখাইক আমাৰ মন্ত্ৰে জিয়াইতে নাপাৰি ॥
ওঝাৰ সুনিলা চান্দো নিষ্ঠুৰ বচন।
সোকাকুল ভাৱে চান্দো জুৰিলা ক্ৰন্দন ॥১৮২
সাত পুত্ৰ মৈল মোৰ খণ্ডিল ঝগৰ।
চুন কালি পৰক কানিৰ মুখৰ উপৰ ॥
চান্দোৰ ক্ৰন্দন — পুত্ৰ মৈল বুলি জাদ খোটা দেই কানি।
তাইৰ জত জত খোটা আমি ভাল জানি ॥১৮৩
ভাইক জত পৰিহাস্য কৰিচে সঙ্কৰে।
সেই দুৰাক্ষৰ বানি ঘোসই সংসাৰে।
পন্থে জাইতে হালোয়া মনুস্যে কৈল্যা বল।
ঘৰে আসি খাইচে তাই সভাইৰ খোকৰ ॥১৮৪

১৭৮—১৮৪. 'খ' আৰু 'ঘ' পুথিৰ পৰা।

দেৱ শ্বেন বোলে পদ্মাক লজ্জা নাহি জানি।
কাল ৰাত্রি বিবাহ কৰি এৰি গৈলা মুনি ॥
হাচান হুচেনে লাজ দিলা বহু মতে।
হেমতালে কঙ্কালি ভাঙ্গিলা মোৰ হাতে ॥১৮৫
তেখনে জানিলো কানিৰ নাই লজ্জা মতি।
জেখনে আমাৰ ঠাই মাগিলা সুৰতি ॥
ভেস লাস কৰি গৈলা ধনন্তৰি ঘৰে।
অনেক প্ৰবন্ধ কৰি বধিলা তাহাৰে ॥১৮৬
একে একে মাৰিলেক ই চয় কুমাৰ।
সেস পুত্ৰ বধিলা দুৰ্ল্লভ লখিন্দৰ ॥
চয় পুত্ৰ মৰনে পাইলো জত তাপ।
একে লখাইৰ মৰনে পাইলো সেহি তাপ। ১৮৭
এহি বুলি চন্দ্ৰধৰে কৰয় বিসাদ।
লণ্ডামুণ্ডা ভৈলো কানি চাপি কৰো বাদ ॥
জদিবা কানিক লগ পাঞো একবাৰ।
সকলো সুজিতে পাৰি মৰা পুত্ৰৰ ধাৰ ॥১৮৮
চণ্ডিকাৰ আওতা লৈয়া কাটিবো পদ্মাৰে।
সেহি দোসে পাচে জানো সিৱে মোক মাৰে ॥
তপে বস কৰি আচো আমি হৰ গৌৰি।
কি কৰিতে পাৰে মোক সিবে কোপ কৰি ॥১৮৯
চান্দো বোলে সুন লেঙ্গা আমাৰ উত্তৰ।
পুত্ৰক নিয়া ভসাই দিয়া গুঞ্জৰি সাগৰ ॥
সসুৰৰ সুনিলা বেউলা নিষ্ঠুৰ কথন।
মালাকৰক চাই বেউলা বুলিলা বচন ॥১৯০
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেহুলাৰ করুনা বুলি একয় লেচাৰি ॥১৯১

১৮৪—১৯১. 'ক', 'খ' আৰু 'ঘ' পুথিৰ পদ।

ৰাগ ॥ পটমঞ্জৰি ॥ পয়াৰ

২৬. দিহা : অ বাপু মালাকৰ অ বাপু মালাকৰ
সিঘ্রে কৰ মঞ্জুসৰ কাম ভাল ॥

পদ : বেউলা বোলে সুনা তুমি বাপু মালাকৰ ।
স্বামিক লৈয়া জাইবো আমি পুৰে দেৱতাৰ ॥১৯২
বেউলা বোলে মালাকৰ শুনাহা উত্তৰ ।
খোজা গৈয়া ৰামকল সম্মুৰৰ গোচৰ ॥
বেউলাৰ আদেসে মালি চলিলা সত্বৰ ।
খুজিলেক ৰামকল চান্দোৰ গোচৰ ॥১৯৩
চান্দো বোলে জত সোক দিলা সাত বেতা ।
তাতোকে অধিক দেহ জদি কল কাটা ॥
এক এক কল বেচি পাঞো নয় নয় বুৰি ।
কি কাৰনে নষ্ট কৰো অত সৱ কৰি ॥১৯৪
কানিৰ উচ্চিষ্ট পুত্র দয়া নাহি মোৰে ।
গলত কলচি বান্ধি ভসাম সাগৰে ॥
উচ্চিষ্ট পুত্রৰ মোৰ নাহি প্রয়োজন ।
জেহি লাগে তাকে কৰ কৈলো বিৱৰন ॥১৯৫
সম্মুৰৰ সুনি বেউলা নিষ্ঠুৰ বচন ।
তেতিক্ষনে দিলা পেলাই হস্তৰ কঙ্কন ॥
নাৰায়ন দেৱে কহে মনসাৰ দাস ।
পাঞ্চালি প্রবন্ধে পদ কৰিলা প্রকাস ॥১৯৬

ভুৰ নিৰ্মাণ কৰিবলৈ বেউলাৰ নিৰ্দেশ

১৯২—১৯৬. 'খ' আৰু 'ঘ' পুথিৰ পৰা ।

ৰাগ ॥ অহিৰ ॥ পয়াৰ

২৭.দিহা : জয়ধৰে বোলে ৰাজা সুনহ বচন।
মন দিয়া সুন বিৰৱন ॥

পদ : জয়ধৰে বোলে ৰাজা সুনহ বচন।
এমত নিষ্ঠুৰ বাক্য বোলা কি কাৰন ॥১৯৭
পুৰ্ব্বৰ জতেক কথা নাহিকে সোৱৰন।
চান্দোৰ প্ৰতি জয়ধৰৰ উপদেশ
সাৱধানে সুনা ৰাজা আমাৰ বচন ॥
হৰায়া বস্তুক পাইব মৰিলে জিয়াইতে পাৰে।
এতেক জানিয়া বিহা কৰাইলা লখিন্দৰে ॥১৯৮
হেন সৱ কথা ৰাজা নাহি সুতৰন।
লখাইক লৈয়া জাঞোক বেউলা দেৱৰ ভুবন ॥
জিয়াইতে পাৰিবে হেন মোৰ মনে লয়।
আজ্ঞা দিয়া দেৱৰ পুৰে বেউলা চলি জায় ॥১৯৯
লখিন্দৰ হেন পুত্ৰ ঢলিয়া পৰিচে।
সতি পুত্ৰ বধু তাৰ কাচে বসি আচে ॥
কালি বিহা হৈচে আজি ৰাত্ৰি ভৈলা বাৰি।
অপকিৰ্ত্তি ৰহিলেক ত্ৰিভুবন জুৰি ॥২০০
জদিবা জিয়াইতে পাৰে সুন্দৰ লখাই।
তেবেতো এমত শান্তি ত্ৰিভুৱনে নাই ॥
স্বৰূপে বেহুলা দেখা নবিন সুন্দৰি।
সতি কন্যা ভৈলে জিয়াইবেক জত্ন কৰি ॥ ২০১
দেৱৰ পুৰে জাই কন্যা জিয়াইবে লখাইৰে।
পুন কপি আসিবেক চম্পক নগৰে ॥
ভুৰক বান্ধিয়া তুমি দেহ জত্ন কৰি।
লখিন্দৰক লৈয়া কন্যা জাঞোক দেৱপুৰি ॥ ২০২

১৯৭—১৯৯. 'ক', 'খ' আৰু 'গ' পুথিৰ পৰা।

সাৱধানে সুনা ৰাজা আমাৰ বচন ।
ভুৰৰ কলত তোমাৰ কত কৰি ধন ॥
তোমাৰ পুত্ৰবধু সতি জগতে জানয় ।
ভুৰ বান্ধিবাৰ আজ্ঞা কৰা মহাসয় ॥ ২০৩
তাহা সুনি চন্দ্ৰধৰে লাগে বুলিবাৰ ।
আজ্ঞা দিলো ঝাস্তে জোৰা কল কাটিবাৰ ॥
ৰাজাৰ আজ্ঞায়ে কল কাটিলা সত্বৰে ।
কান্ধে কৰি নিলা কল গুঞ্জৰি সাগৰে ॥ ২০৪
গজাল ফুলায়া বান্ধে বেতেনিৰ বান্ধে ।
দৃঢ় কৰি বান্ধে ভুৰ আতিবৰ প্ৰবন্ধে ॥
চাৰি কোনে পুতিলা সালৰ চাৰি খুতি ।
ভুৰ নিৰ্ম্মাণ ধৱল বস্ত্ৰ তনাই দিলা চামৰ চতি ॥ ২০৫
চাৰি পাস ঢাকিলেক দিয়া আৰোয়ান ।
সবাকে ঢাকিয়া ৰাখিলেক দ্বাৰ খান ॥
উত্তম বিচনা আনি পাৰিলেক তাতে ।
চোৱা জে চন্দন দিলা গন্ধে আমোদিতে ॥ ২০৬
ডাকুয়াৰ চিন থৈলা সাজিয়া গৃধিনি ।
চাৰি কোনে স্ৰজি থৈলা ই চাৰি সগুনি ॥
সৃগাল বিৰাল আৰ ই ৰাজা কুকুৰা ।
ভুৰৰ চাৰি পাসে থৈলা ৰাখিবাৰ মৰা ॥ ২০৭
অনেক প্ৰকাৰে ভুৰ নিৰ্ম্মিলা সুন্দৰ ।
মধুমাসে সোভে জেন কামটঙ্কি ঘৰ ॥
কহিতে লাগিলা মাজি বেফুলাৰ গোচৰে ।
ভুৰ খান ভৈল মাঞঁ চলহ সত্বৰে ॥ ২০৮

২০০—২০৭. 'ক', 'খ' আৰু 'ঘ' পুথিৰ পৰা ।

এতসুনি বেফুলাৰ হৰসিত মন।
বিদায় কৰিতে গৈলা সাসুৰিৰ থান ॥
নিশ্বাস চাৰিয়া বোলে বেফুলা সুন্দৰি।

সোনাইৰ ওচৰত বেউলাৰ বিদায় প্ৰাৰ্থনা

মেলানি দিয়বে মাঞঁ জাইবো দেবপুৰি ॥ ২০৯
এতসুনি সোনেকা সোকাকন ভৈলা।
বেফুলাৰ গলে ধৰি কান্দিবে লাগিলা ॥
চয় পুত্ৰ মৰিলেক দুল্লৰ্ভ লখাই।
সৱে দুখ পাসৰিলো তোমাৰ মুখ চাই ॥ ২১০
বৰ দয়া লাগে মাৱ তোমাৰ বাক্য শুনি।
কেনমতে চাৰি দিবো নধৰে পৰানি ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
সোনাইৰ ক্ৰন্দন বুলি একয় লাচাৰি ॥ ২১১

ৰাগ ॥ পট মঞ্জৰি ॥ লেচাৰি ॥

২৮ দিহা অ বেউলা তুমিৰে তুমিৰে
অ তুমি নাজাইবা দেৱৰ পুৰে ॥

পদ : প্ৰথম যৌৱন বেস নাহি ভুঞ্জা ৰতি ৰস
কেনমতে চাৰিয়াদিবো তোৰে।
ভসাই দিবো তোৰে গুঞ্জৰি সাগৰে
জ্ঞাতি সৱে কি বুলিব মোৰে ॥ ২১২
মৰাৰ বিধান জত কৰো জজ্ঞ দান ব্ৰত
আজ্ঞা কৰা মৰা পুৰি বাৰে।
কোন সাউদ সদাগৰে লাগ পাইবো তোমাৰে
সত্য নষ্ট কৰিবেক বলে ॥ ২১৩

২০৮—২০৯. 'ক' পুথিৰ পৰা।
২১০—২১১. 'ক' পুথিত নাই 'খ' আৰু 'ঘ' পুথিৰ পৰা

এৰিবা পুত্ৰ লখিন্দৰ   তুমি জাইবা তাৰ ঘৰ
খাইবো পুত্ৰ সৃকাল সগুন।

বেউলাৰ দ্বাৰা সোনাইক প্ৰবোধদান

হেন সুনি বেউলা সতি   বিসাদ ভাবিয়া অতি
সুনা মাও আমাৰ বচন ॥ ২১৪

কাহাৰ পৰানে পাৰে   সত্য নষ্ট কৰিবাৰ
জদি হঞো পতিব্ৰতা সাস্তি।

যে চাহে কৰিতে বল   বন্ধ দিম তাৰ উপৰে
সিথায়তে গলে দিবো কাতি ॥ ২১৫

সুনা মাৱ উত্তৰ   জাৱতে নিজিয়ে লখিন্দৰ
তাবত নাখাইবো অন্ন পানি।

এতেক কহিলো তত্ত্ব   পাছত বুঝিবা সত্য
এক চিত্তে দেহৰে মেলানি ॥ ২১৬

জাঞো আমি প্ৰভুক লৈয়া আজ্ঞা কৰা তুষ্ট হৈয়া
খিৰ হুয়ো নকৰা ক্ৰন্দন।

সুনিয়া বেহুলাৰ বানি   আজ্ঞা দিলা জাইতে পুনি
নাৰায়ন দেৱৰ সুবচন ॥ ২১৭

ৰাগ ॥ বৰাৰি ॥ পয়াৰ

২৯. দিহা : অ গৌৰাই চান্দেৰে এ হৰি পতিত পাৱন।
পতিতক নাতাৰিলে নাম কি কাৰন ॥

পদ :   সাস্থৰিক বোলে বেউলা নিচিন্তা এ প্ৰকাৰ।
পৰিক্ষা লৈয়ো মাৱ সত্য বুঝিবাৰ ॥২১৮

২১৪—১৭. 'খ' আৰু 'ঘ' পুথিৰ পৰা।

কোৰকৰ তৈলে চয় মাস জলে বাত্তি।
তেবেসে জানিবা মাও আমি আচো সতি ॥
সোনাইৰ ওচৰত বেউলাৰ বিদায় প্ৰাৰ্থনা
আৰ কিচু লৈঞো মাৱ সতিৰ প্ৰমান।
ললিতা ক্ষেত্ৰত মই বুয়া জাঞো ধান। ২১৯
এহি ধান গজি জদি চৰা মেলে আধা।
তেবেসে জানিবা প্ৰভু বৰ্ত্তিলেক তথা ॥
ভুমিচম্পা ফুল বেউলা আনিলা উভাৰি।
সোনেকাৰ হাতে দিলা বেযুলা সুন্দৰি ॥২২০
এহি ফুল মৰি জদি গুচে গোন্ধ ভাস।
তেবেসে জানিবা সান্তিৰ ধৰ্ম্ম ভৈলা নাস ॥২২১
লোহাৰ তণ্ডুল জল আনিলেক ভৰি।
মেৰৰ ভিতৰে থৈলা বেফুলা সুন্দৰি ॥
বিনা অগ্নি জিদিনা থালিৰ অন্ত ভাসে।
সেহি দিনা জানিবা বেফুলা ঘৰ আসে ॥২২২
সনেকাক পৰিক্ষাজে দিলন্ত সত্বৰে।
বিদায় কৰিতে গৈলা সসুৰৰ গোচৰে ॥
বেউলা বোলে সুনা বাপ বানিক নন্দন।
তোমাত বিদায় কৰি কৰোহো গমন ॥২২৩
বাপ হোৱা তুমি মোৰ সসুৰ দেৱতা।
তোমাৰ আগত মই কি কহিবো কথা ॥
আনন্দিতে থাকা তুমি অন্নখায়া সুখে।
মৰা স্বামি জিয়ায়া খণ্ডাই দিবো দুখ ॥২২৪
চয় মাসে প্ৰভুক জদি জিয়াইতে নাপাৰি।
পতিব্ৰতা শান্তি নাম কেনে আচো ধৰি ॥

২১৮—২২৮. 'ক', 'খ' আৰু 'ঘ' পুথিৰ পৰা।

চান্দো বোলে শুনা মায় সাহেৰ কুমাৰি ।
মৰা সংগে কেনে ভাসা তুমি একালস্বৰি ॥২২৫
বৰ দয়া লাগে মায় তোমাৰ বাক্য শুনি ।
চান্দোৰ ওচৰত বেউলাৰ বিদায় প্ৰাৰ্থনা

কেন মতে চাৰি দিবো নধৰে পৰানি ॥
সমুৰৰ শুনি বেউলা নিষ্ঠুৰ কথন ।
পুনৰপি বেউলা সতি বুলিলা বচন ॥২২৬
জদি চাৰি নেদা তুমি স্বামিয়ে সহিতে ।
তিৰি বদ্ধ দিয়া মৰো তোমাৰ সাক্ষাতে ॥
তিৰি বদ্ধ সম পাপ নাহিকে সংসাৰে ।
আজ্ঞা দিয়া জাঞো পিতা দেৱতাৰ পুৰে ॥২২৭
আপুনি চেষ্টা কৰি জিয়াঞো নিজ পতি ।
তেবেসে জানিবা পিতা আমি জেন সতি ॥
চয় ভাই কাণ্ডাৰি আৰু চৈধ্যখান নাও ।
উদ্ধাৰিম জদি কৃপা কৰে পদ্মা মাও ॥২২৮
সোমাই ঠাকুৰ আৰ তেৰয় চাকৰ ।
ধন জন জত আচে নৌকাৰ ভিতৰ ॥
হেন শুনি চন্দ্ৰধৰ সোকাকুল ভৈলা ।
বেহুলাৰ দিকে চাই বুলিবে লাগিলা ॥২২৯
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি ।
চান্দোৰ ক্ৰন্দন বুলি এক জে লেচাৰি ॥২৩০

'লোহাৰ——সুন্দৰি ।' 'গ' পুথিৰ পৰা ।

ৰাগ ॥ কাৰুণ্য ॥ লেচাৰি

৩০. দিহা   অ কি চান্দো কান্দয় বিষাদ ভাবিয়া ॥

পদ :   কৰ হস্ত জোৰ কৰি   ৰিদায় মাগে সুন্দৰি
সম্মুখ জে সাশুৰিৰ ঠাই।
নকৰিবা ভয় লাজ   বনিয়াৰ সমাজ
দেৱপুৰে জাইবো আপোনাই ॥২৩১

জাইবো দেৱৰ সমাজে   বুলিবো পদ্মাৰ আগে
নিবেদন কৰিবো আপোনাৰ।
চান্দোৰ ক্রন্দন   তভো নিজিয়ায় পতি   গলে ধৰি দিবো কাতি
এহি সত্য জানিবা আমাৰ ॥২৩২
বেউলাৰ বচন সুনি   চান্দোই বুলিলা পুনি
সুনা বেউলা আমাৰ বচন।
পুত্ৰৰ কৰ্মৰ দোসে   অপকৃতি বৈলা লোকে
এত বাক্য বোলা কি কাৰন ॥২৩৩
কোন সাউদ সদাগৰে   লাগ পাইবো তোমাৰে
তুলি লৈব নৌকাৰ উপৰে।
এৰি পুত্ৰ লখিন্দৰ   তুমি জাইবা তাৰ ঘৰ
খাইবো পুত্ৰ ই মাচ-মগৰে ॥২৩৪
বেউলা বোলে সুনা পিতা   তুমি নকৰিবা চিন্তা
মই তাক ভাবো তৃন কৰি।
জাইবো সাগৰৰ মাঝ   মনে আছে অন্য কাজ
সহায় আচে মাও বিসহৰি ॥২৩৫

২২৯—২৩৪. 'ক', 'খ' আৰু 'ঘ' পুথিৰ পৰা।

কাহাৰ পৰানে পাৰে সতা নষ্ট কৰিবাৰে
জদি হও পতিব্রতা সতি।
জি চাহে কৰিতে বল বদ্ধ দিবো তাৰ উপৰ
সি ঠাইতে গলে দিব কাতি ॥১৩৬
সুনিয়া বেউলাৰ বানি চান্দোই বুলিলা গুনি
জায়ো বেউলা লৈয়া জে লখাই।
নাৰায়ন দেৱে কয় সুকবি বল্লভে হয়
গলে ধৰি কান্দে ৰতি ধাই ॥১৩৭

ৰাগ ॥ তুৰ ৰসন্ত ॥ পয়াৰ

৩১. দিহাঃ ৰাতৃ দিনে কাল বিনে অন্য নাই
অন্য নাই নাই।
কি লাগি পিৰিতি ভৈলা অ-নাৰে-হয় ॥

পদঃ সসুৰৰ আগে বিদাই কৰিলা সুন্দৰি।
কাল নাগৰ লেঞ্জ লৈলা সফুৰা ভৰি ॥২৩৮
বেফুলাৰ সঙ্গে আসি আচে ৰতি ধাই।
ডাক চাৰি কান্দে ৰতি বোলে হায় হাই ॥
বেউলা বোলে মোৰ বাক্য শুনা ৰতি ধাই।
সংক্ষেপে কহিবা গৈয়া কালিন্দী মায়ৰ ঠাই ॥২৩৯
নহৈলেক মাস পক্ষ দিন অষ্ট চাৰি।
কাল ৰাত্রি পদ্মাৱতি মোক কৈলা বাৰি ॥
নাৰিকুলে জন্ম আমি বিফলে লভিলো।
এক ৰাত্রি স্বামি সঙ্গে সুখে নবঞ্চিলো ॥২৪০

১৩৫—২৩৭. 'ঙ' পুথিৰ পৰা।

বেউলাৰ আক্ষেপ প্ৰকাশ

বুঝাই মায়ৰ আগে কহিবা বচন।
আমাৰ সপত জদি করয ক্রন্দন ॥
চয় মাস থাকোক মায়ে চিত্ত খেমা দিয়া।
দেৱ পুৰ হন্তে প্ৰভূক আনিবো জিয়াযা ॥২৪১
বেউলা বোলে বিধাতাক জদি লাগ পাঞো।
কপালে কুঠাৰ মাৰি বিধিৰ লিখন চাঞো ॥
কপাল চিৰিয়া চাঞো কি লিখিলা বিধি।
কোন দোসে হকুয়াইলো স্বামি গুনৰ নিধি ॥২৪২
ধিক্ ধিক্ বেউলা তোৰ নিষ্ফল জিৱন।
বেউলা সম অভাগিনি নাই ত্ৰিভুৱন ॥
এত সৱ সুনি চলি গৈলা ৰতি ধাই।
বিদায় কৰয় বেউলা চয় জায়াৰ ঠাই ॥২৪৩
এক মনে আসির্ব্বাদ দেহ সয়ে তুমি।
তোমাৰ বিধোৱা দুখ খণ্ডাই দিবো আমি ॥
জতেক বৈষ্ণৱ আচে চম্পক নগৰি।
সবাকো বিদায় কৈলা বেহুলা সুন্দৰি ॥২৪৪
বিনয় স্বৰূপে বিদাই কৰিলা সবাৰে।
লখিন্দাৰক লৈয়া গৈয়া গুঞ্জৰিৰ তিৰে ॥
ভুৰ গোট টান দিয়া উজাই লৈয়া কোলে।
লখাইক তুলিলা নিয়া তাহাৰ উপৰে ॥২৪৫
দেৱগুৰু ব্ৰাহ্মনক বেউলা বন্দিলা সিৰে।
জাত্ৰা কৰি বেহুলা চলিলা দেৱপুৰে ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেউলাৰ চলন বুলি একয় লেচাৰি ॥২৪৬

২৩৮—২৪২. 'খ' আৰু 'ঙ' পুথিৰ পৰা।
২৪৫. খ. 'বিনয় চৰূপে বিদাই......।'
২৪৩—৪৬. 'খ' আৰু 'ঙ' পুথিৰ পৰা।

ৰাগ ॥ ৰামগিৰি ॥ পয়াৰ

৩২. দিহা : ঐ ভাসিল ভাসিল বেউলা ॥

পদ : ভাসিল ভাসিল বেউলা সাহেৰ কুমাৰি ॥
লখিন্দাৰক লৈয়া বেউলা যাই দেবপুৰি ॥
চন্দোৱা তনাই দিলা ভুৰৰ উপৰ ।
নেতৰ পতাকা উৰে দেখিতে সুন্দৰ ॥২৪৭

বেউলাৰ দেৱপুৰী লৈ যাত্ৰা

আৰোৱান তনি দিলা দুই কাসে ঢাকি ।
ৰাৱল কুকুৰা থৈলা ডাকুৱাৰ সাখি ॥
লখাইৰ সিথানে বেউলা বসিল চাপিয়া ।
লখাইৰ মস্তক বাম উৰুত তুলিয়া ॥২৪৮
বেউলা বোলে সুনা মাৱ জয় বিসহৰি ।
আপুনি কণ্ডাৰ ধৰি নিয়া দেৱপুৰি ॥
বেউলা বোলে জদি হওঁ পতিব্ৰতা নাৰি ।
আপুনি উজাই ভুৰ জাওক দেৱপুৰি ॥২৪৯
সতিৰ বচনে ভুৰ তেখনে উজাই ।
দুই কুলে প্ৰজাগনে বেঢ়ি ৰঙ্গ চাই ॥
ধৱল পুৰি চেৰাই জাই মথুৰা নগৰ ।
নাৰায়ন দেৱে কহে মনসাৰ কিঙ্কৰ ।২৫০

ৰাগ ॥ পাহাৰি ॥ পয়াৰ

৩৩. দিহা : অ বাচা বেউলানি হে
অ সুন্দ কৰিলি ঘৰবাৰি না-হা-ৰে ॥

পদ : লখাইক লৈয়া ভাসে বেউলা জলৰ উপৰ ।
তোলপাৰ কৰে ৰাজ্য চম্পালি নগৰ ॥২৫১

২৪৮—২৫৩. 'খ' আৰু 'ঙ' পুথিৰ পৰা ।

নানা মতে বাদ্য বাজে ঢাক ঢোল।
পুৰিক জুৰিয়া ভূমিকম্প ভৈলেক উথল ॥
তালমন্তে খোল বাজে ডগবত বাৰি।
স্ত্রী পুরুস সরৱ লাগিলা লৰালৰি ॥২৫২
গৃহ বাৰি চাৰি কেহো চলে হৰসিতে।
কোলাৰ চৱাল কেহো পেলাইলা ভুমিতে ॥
কেহো কেস বান্ধে কেহো বাধিতে নাপাৰে।
পৰিধান বস্ত্র কেহো পিন্ধিতে নাপাৰে ॥২৫৩
কেহো কেস বান্ধে কেহো পন্থে জাই ধায়া।
কেহো পন্থে পৰে গৈয়া গৰাগৰি হৈয়া ॥
কেহো লাম্ফ দিয়া চায়ে কাৰো কান্ধে চৰি।
কাহা কো ধৰিয়া কেহো উঠে গৰাগৰি ॥২৫৪
গোয়াল সকলে ৰঙ্গ চাহে সাৰি হৈয়া।
পাখি সৱে ৰঙ্গ চাহে আকাসে উৰিয়া ॥
কতো আয়াগনে চাহে মাথে হাত দিয়া।
বৃদ্ধ সৱে কান্দে তাতে বিসাদ ভাবিয়া ॥২৫৫
বিনয় স্বৰূপে বেউলা কৰিলা বিদায়।
দেখিতে নেদেখি ভুৰ বায়ু বেগে জায় ॥
ইহ পাক চেৰাই জায় বেফুলা সুন্দৰি।
অন্তৰিক্ষে দেখে পদ্মা ৰথে ভৰ কৰি ॥২৫৬
পদ্মা বোলে সুনা নেতা আমাৰ উত্তৰ।
গৃধিনীৰ পাক — গৃধিনি স্বৰূপে জায়ো বেফুলাৰ গোচৰ ॥
কাক জে সগুন হৈৰা জত সৱ নাগ।
ভয়ঙ্কৰ ৰূপে জায়ো বেফুলাৰ আগ ॥২৫৭

---

২৫৬. খ. বিনয় চৰুপে বেউলা... ...। দেখিতে নেদেখি বেউলা...।
২৫৭. খ. গৃধিনি চৰুপে জায়া......।

জেতিক্ষনে পদ্মাৱতি আদেস কৰিলা।
তেতিক্ষনে নাগে কাক স্বকাল জে ভৈলা॥
গৃধিনি স্বৰূপে নেতা গৈলা বেফুলাৰ গোচৰ।
কাক যে সগুনে বেড়িলেক ভয়ঙ্কৰ॥২৫৮
গৃধিনি ডাকিয়া বোলে বেফুলাৰ গোচৰ।
আমাক মৃতক দিয়া তুমি যায়ো ঘৰ॥
উপবাসি অতিথি ভুঞ্জাইলে পুন্য পাই।
মৰা সঙ্গে ভাসা কন্যা তোৰ জ্ঞান নাই॥২৫৯
ইহেন বয়সে তুই ভুঞ্জাহা নিকাৰ।
মৰা এৰি বাচি লোৱা সুন্দৰ ভতাৰ॥
খুজিলেয়ো নেদা জদি কাঢ়িয়া খাইবো।
মৰাক খাইয়া পাচে জিয়াকো নেৰিবো॥২৬০
তোমাৰ হাতৰ আমি খাইবো কাঢ়িয়া।
আমাৰ হাতৰ কেনে জাইবি চাৰিয়া॥
উগ্ৰ ডাক চাবে পখি পাখাৰ চাট মাৰে।
দুই ঠোঠ মেলি পখি জাই গিলিবাৰে॥২৬১
চিন্তিয়া উপায় বেউলা নাপাৰে সাৰিবাৰ।
পদ্মাৰ দোহাই তেবে দিলা সাতবাৰ॥
পদ্মাৰ দোহাই সুনি পখি গৈলা উৰি।
আগৰ পাকে বৈলা গৈয়া জম্বুকি ৰূপ ধৰি॥২৬২
এহি গোটা উপায়ে যে নাপাইলো চলিবাক।
আগৰ পাকত গৈয়া তোক পাইবো লাগ॥
ইহ পাক চেৰাই জাই বিজয়া গমন।
সৃগালি পাকে জাই দিলা দৰিসন॥২৬৩
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
সৃগালিৰ কথন বুলি একয় লেচালি॥২৬৪

২৫৪—২৬০. 'খ' আৰু 'ঙ' পুথিৰ পৰা।

ৰাগ ॥ ধনশ্ৰী ॥ পয়াৰ

৩৪. দিহা: এ সৃগালি বোলে বেউলা ॥

পদ : মৰাৰ গন্ধে সৃগালি ঘনে ডাক চাৰে ।
ভয় ভৈলা বেফুলাৰ সৃগালিৰ দৰে ॥
সৃগালে বোলন্ত কন্যা কহো তোৰ ঠাই ।
মৰাৰ সঙ্গে ভাসা কন্যা তোৰ বুদ্ধি নাই ॥২৬৫
ইহেন বয়স কেনে কৰস নিকাৰ ।
মৰা এৰি বাচি লোৱা সুন্দৰ ভতাৰ ॥
সৃগালীৰ পাক কোপ কৰি বেফুলাই লাগে বুলিবাৰ ।
তোমাসাৰ হৌক তেবে সতেক ভতাৰ ॥
এক দিনে লৰা তই দশ বিশ পতি ।
কিবা ধৰ্ম জানা তই বনৰ পসু জাতি ॥
কিবা স্বামি কিবা পুত্ৰ কিবা বাপ ভাই ।
সবাৰে সঙ্গত সঙ্গ কিচো ভেদ নাই ॥২৬৬
জন্মতে লাঙ্গতা তই নাহি পৰিধান ।
মৃতকৰ মাংস খাস কুপৰ জলপান ॥
থাল বিল ভাঙ্গিয়া বেৰাস বনৰ মাঝে ।
বাৰিৰ বাহিৰে থাকা অধৰ্ম্মৰ কাজে ॥২৬৮
সৃগালি বোলয় হুঞো মৰাৰ অধিকাৰ ।
উচিত নহয় তুমি মৰা ৰাখিবাৰ ॥
সৃগালি বোলয় বাক্য সুনিয়ো সুন্দৰি ।
জাতি কুল ধৰ্ম্ম আক এৰাইবাক নাপাৰি ॥২৬৯
মৰাৰ অধিকাৰ কৰি স্ৰজিলে বিধাতা ।
তুমি কেনে মৰা নেদা হৈয়া পতিব্ৰতা ।

২৬১—২৬৮৹ 'ক' 'খ' আৰু 'ঙ' পুথিৰ পৰা ।

সৃগালি বোলয় কন্যা শুনহ বচন।
আমাক মৰাক দিয়া কৰোহো ভক্ষন ॥২৭০
সাত দিন উপবাসি কিছু নাহি খায়।
সতি কন্যা জানি ভিক্ষা মাগো তোৰ ঠায় ॥
জদি ধৰ্ম্ম জ্ঞান কন্যা চিত্তে থাকে তোৰে।
আমাক মৰাক দিয়া তুমি চলা ঘৰে ॥২৭১
বেউলা বোলে সুনা দেৱতা সিবাই।
প্ৰভুক লৈয়া দেৱৰ পুৰে জিয়াইবাৰে জাই ॥
তথা হন্তে প্ৰভুক আমি জিয়াই আনিবো।
প্ৰানৰ দুৰ্ল্লভ পতি তোমাক নেদিবো ॥২৭২
সৃগালি ডাকিয়া বোলে সুনহ বচন।
অকাৰনে কোয়া তুমি অকথা কথন ॥
চয়মাস লাগিবেক জাইতে দেৱপুৰ।
মাংস খসি লখিন্দৰৰ অস্থি হৈবো চুৰ ॥২৭৩
বেউলা বোলে প্ৰভুৰ জদি এক অস্থি থাকে।
জিয়াইয়া আনিবো প্ৰভুক দেৱতাৰ আগে ॥
জদি কোনো জনে মোক অন্যায় কৰিবো।
মৃতক প্ৰভুৰ বন্ধ তাৰ মাথে দিবো ॥২৭৪
সুনিয়া বেহুলাৰ বানি বিসাদিত মন।
ধিৰে ধিৰে সৃগালিয়ে কৰিলা গমন ॥
প্ৰৱেস ভৈলেক পাচে মহা তপোবনে।
নাৰায়ন দেৱে কহে মনসা চৰনে ॥২৭৫

২৬৯—২৭৪. 'ক' 'খ' আৰু 'ঙ' পুথিৰ পদ।
২৭৫. 'ক' পুথিৰ পদ, বাকী পুথিত নাই।

৩৫. দিহা: জমুনাৰ ঘাটে জলে জায়না মই ।
তোমাত পুচিলো কথা কহিয়ো নালয় ॥

পদ : সৃগালিক প্ৰবোধিয়া কৰিলা চলন ।
উজাইতে লাগিলা ভুৰ বিজয়া গমন ॥
এহিতো মায়ায়ে নাপাৰিলো চলিবাক ।
আগৰ পাকত গৈয়া তোক পাইবো লাগ ॥২৭৫
ৰাখিবাক নাপাৰিলা সিবৰ নন্দনি ।
আগৰ পাকে বৈলা গৈয়া হৈয়া জমদানি ॥
ইহপাক চেৰাই জায় বিজয়া গমন ।
জম দাইনিৰ পাকে গৈয়া দিলা দৰিসন ॥২৭৬
পদ্মা বোলে সুন নেতা আমাৰ বচন ।

যমদাইনীৰ পাক উপায় কৰিয়া মৃতক কাঢ়িয়া আন ॥
হেন কালে ভুৰখান গৈলেক উজায়া ।
ৰাখিলা নেতাই তাক ধৰ্মৰ দোহাই দিয়া ॥২৭৭
সুকবি নাৰায়নদেৱৰ সোৰস পাঞ্চালি ।
দানিৰ কথন বুলি কয় লেচালি ॥

ৰাগ ॥ অহিৰ ॥ পয়াৰ

৩৬. দিহা: দানি বোলয়ৰে কাৰৰি চপাঞো ভুৰ ।
কাৰ ঘৰৰ সুন্দৰি কন্যা ঘৰ কত দূৰ ॥২৭৮

পদ : মৰাগোট চাৰা কন্যা জাঞোক ভাসিয়া ।
নানা অলঙ্কাৰ পিন্ধা দোকানে বসিয়া ॥
মৰা সঙ্গে কেনে ভাসা ভুঞ্জিয়া দুৰ্গতি ।
সুন্দৰ নাগৰ চায়া কৰা এক পতি ॥২৭৯

---

৩৫ দিহা 'ক' পুথিৰ পৰা ।
২৭৫—২৮১. 'খ' 'ঘ' আৰু 'ঙ' পুথিৰ পৰা ।

মাথাত মুকুত দিবো সাতে সৰি হাৰ।
দুই বাহুত পিন্ধাম সুৱৰ্ন চাৰি টাৰ॥
বস্ত্ৰ অলঙ্কাৰ দিবো জত লাগে মানে।
প্ৰান ৰক্ষা কৰা মোৰ দিয়া আলিঙ্গনে॥২৮০
বেউলা বোলে কেনে বোলা অনুচিত বানি।
এক স্বামি বিনে আমি দুতিক নাজানি॥
পৰ পুৰুসক দেখো পিতৃৰ সমান।
এহি স্বামি গুৰু মোৰ এহি প্ৰানধন॥২৮১
স্ত্ৰি হৈয়া দুই স্বামি ধৰে জিতো জন।
সেহি জাৰ স্ত্ৰি হেন বোলে সৰ্ব্বজন॥
দাইনি ডাকিয়া বোলে বেফুলাৰ ঠাই।
স্বামি মৈলে স্বামি ধৰে ইহাতে দোস নাই॥১৮২
ৰাণ্ডি হৈয়া জিবা জনে স্বামি সঙ্গে ধৰে।
সুনি আছো ইহাত অধিক পুন্য বাৰে॥
পুৰুস জাতিৰ কৈতো ভিন্ন ভাব নাই।
নাৰি পুৰুষক ভিন্ন কৰিতে নুজুয়াই॥১৮৩
বিবাহিতা এক স্বামি মৰি আছে মোৰ।
আন এক বাচিয়া ধৰি আচোহো ভতাৰ॥
এতেক স্বামিৰ দুখ মনে নাহি ভাব।
দানিৰ পাক তেবে কেনে আমাৰ আয়তা কাল জাব॥২৮০
কুলত কুলিন আমি বৈস্যৰ নন্দনি।
ধৰ্ম্মৰ দোকান দেঞো হৈয়া জমদানি॥
সঙ্গে কিচো দোষ নাই আমি ভালে জানি।
মৰাক ফেলায়া তটে উঠা সুবদনি॥২৮৫

---

২৮২. ক,খ সেহি জাৰ ·· সৰ্ব্বজন।
ঘ. সৰ্ব্বলোকে বোলে তাইক অধমিনি নাৰী।
ঙ. বেশ্যা নাৰী বুলি তাক কহে সৰ্ব্বজন।
২৮২—২৮৬. 'ক' আৰু 'খ' পুথিৰ পৰা।

তোৰ সম ৰূপ নাহি ই তিনি ভুবনে।
মৰা এৰি ভাল পুৰুষক ধৰা মনে॥
সুকবি নাৰায়নদেৱৰ সোৰস পাঞ্চালি।
দানিৰ কথন বুলি একয় লেচালি॥২৮৬

ৰাগ ॥ পটমঞ্জৰি ॥ লাচাৰি

৩৭. দিহা: অ প্ৰান ৰহয়া বোলে ভাল ৰে॥

পদ: মৰাক ভসায়া জলে ভুৰক চপায়ো কুলে
বিলাসে পৰস অলংকাৰ॥২৮৭
প্ৰথম জৌবন বেস নাহি ভুঞ্জা ৰতি ৰস
মৰা সংগে ভাস কোন সুখে।
আমি দেঞো উত্তম বৰ তাৰ সংগে ঘৰ কৰ
কেলিকৰ পৰম কৌতুকে॥১৮৮
ভুৰৰ উপৰে থাকি বেফুলা বোলয় ডাকি
দাইনীৰ উপদেশ
কেনে বোলা অনুচিত বানি।
গন্ধ যে বনিক আমি সাবধানে সুনা তুমি
পৰ পুৰুসৰ সংগ নাহি জানি॥২৮৯
দাইনিক প্ৰবোধ কৰি সতি বেউলা সুন্দৰি
চলি জাই বিজয় গমন।
নাৰায়নদেবে কয় সুকবি বল্লভে হয়
গোধাৰ পাকে দিলা দৰিসন॥২৯০

---

২৮৬. খ. তোৰ সম..... ভোবনে।
৩৭. দিহা ক. সুন কন্যা বচন আমাৰ।
২৮৯. ক. সাত্ত পুৰুস সঙ্গ......।

রাগ ॥ বরাৰি ॥ পয়াৰ

৩৮. দিহা ঃ এ জমুনাৰ জলে সখি জায়-না-ব-ৰে
গাথিচে পুষ্পৰ মালা লৈয়-না হয় ॥

পদ ঃ নক্ষত্র সঞ্চাৰে জেন ভুৰৰ চলন।
সমুখে গোধাৰ পাকে দিলা দৰিসন ॥২৮৭
অৰন্য নিকতে সবে গোধাৰ নগৰ।
জত সব গোধাগন হৈয়া একতৰ ॥
কৰ্ন্নাত নগৰে জে কৰ্ন্নাত নৃপবৰ।
বন্দবস্ত কৰি দিলা গোধাৰ নগৰ ॥২৮৮
অৰন্য নিকতে তেবে গোধা চয় কৌতি।
গোধাৰ পাক
সাগৰত বৰসি বায়য় সাৰি পাত্তি ॥
হেন কালে বেফুলাই কৰিলা গমন।
সুন্দৰিক দেখি গোধাৰ হৰসিত মন ॥ ২৮৯
হাকুয়া নামতে গোধা ব্রাহ্মনৰ পুত্র।
তিলসাই নামে গোধা ভৰদ্বাজ গোত্র ॥
হাৰিয়া গোধাৰ নাতি বানিয়াৰ সুত।
সুয়াগি গুধুনি মাতৃ ভৈৰবিৰ পুত ॥২৯০
পৰম সুন্দৰ গোধা ভৈলা সেহি কালে।
পৰিয়াৰ ভাগিন পিতা থৈয়া গোধাৰ সালে ॥
সৰ্ব্ব গায়ে বিচি তাৰ জেন মস্ত বৰা।
উভনালে পৰি আচে সোনপাত্তাৰ ঢাৰা ॥২৯১

---

৩৮. দিহা ক. ৰাগ ॥ উচ্চাটন। দিহা ঃ ভাল গোধাৰে গোধা বিনন্দিয়া
খ. এ জমুনাৰ জলে চখি...... ।
ঘ. জমুনাৰ জলে চকি...... ।
২৮৭—২৯১. 'ক' আৰু 'খ' পুথিৰ পৰা।
২৮৯. খ. সাগৰত বৰচি.... ।

জাতিত ব্রাহ্মন সদাচাৰ নাহি তাত।
অজম্মাম নাহি ববসিতে খায় ভাত॥
হাকয়া নামতে গোধা ব্রাহ্মনত জন্ম।
বেদ-সাস্ত্র চাৰি কৰে চাণ্ডালৰ কর্ম্ম॥২৯২

সন্ধা গায়ত্রি নাহি কপালে দির্ঘ ফোতা।
পৰস্ত্রি হৰিতে তাৰ নাক গৈচে কাতা॥
নাক কান কাতা গৈচে তভো লাজ নাই।
ডাক দিয়া বোলে গোধা সুন্দৰিক চাই॥২৯৩

গোধা বোলে সুন্দৰি সত্তৰ কৰিযা আও।
তোৰ রূপ দেখি মোৰ থিৰ নোহে গাও॥
গোধা বোলে সুন্দৰি কৰহ অৱধান।
তোৰ মোৰ রূপ দেখা একয় সমান॥২৯৪

বয়সত তোৰ মোৰ অলপ অন্তৰ।
গনি চাইলে হৈচে মোৰ সত্তৰি বৎসৰ॥
তোৰ মোৰ রূপ দেখা উপাধিক নাই।
মন অনা নাভাবিযা আইস মোৰ থাই॥২৯৫

আমাৰ ঘৰত আসি ভুঞ্জা নানা সুখ।
মোক পাই পাসৰিবি মৰা স্বামিৰ দুখ॥
দুই পারে দুই গোধ কোদাল জেন হাবি।
সোন পাতা জেন দেখি গোধাৰ দুই দাবি॥২৯৬

বেউলা বোলে সুন গোধা আমাৰ বচন।
মধ্য সাগৰে ভাসো মই জাইবো কেমন॥
আমি অবলা নাৰি ভাসো একালেশ্বৰি।
তুমি আসি ভুব সোত লৈয়া জায়া ধৰি॥২৯৭
কথা সুনি গোধা বেতা গারে তৈলা কাম্প।
কামাতুৰ হৈয়া গোধা জলত দিলা ঝাম্প॥

সাগৰৰ ঢৌয়ে তাৰ দুই গোধ আচাৰে।
শিহু ঘৰিয়ালে জেন ডুবাডুবি কৰে ॥ ৯৮
বহু জত্ন কৰি গোধা বৈতে নাপাৰিয়া।
পুনৰ্ব্বাৰ নিলা গোধাক ধাৰনি উত্তায়া ॥
গোধা বোলে সুন্দৰি তুমি মোৰ মাও।
তোমাক আমাৰ দয়া নাহি তুমি শুভে যাও ॥২৯৯
তোমাৰ চৰনে সত কৌটি নমস্কাৰ।
তোমাৰ বৰে পাঞো জেন সাগৰৰ পাৰ ॥
গোধাৰ দুৰ্গতি দেখি সব গোধা হাসে।
ভুৰ মেলি জাই বেউলা মনত হৰিসে ॥৩০০
ইহ পাক চেৰাই বেউলা কৰিলা গমন।
হাকয়া গোধাৰ পাকে দিলা দৰিসন ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেউলাৰ চলন বুলি একয় লেচালি ॥৩০১

---

২৯৭ ক. খ. ঘ.   পাৰভবে মৰে গোধা ডুবাডুবি কৰি।
গোধাৰ স্ত্রি আসি তাক তোলে চুলে ধৰি ॥
কান্দিতে লাগিল গোধা গোধিনিৰ পারে ধৰি
তোমাৰ বালাই লৈয়া জাউক সুন্দৰি।
তোমাৰ কাৰণে মোৰ ৰহিল পৰাণি।
নাকে মুখে শুহ্যে জে চক্ষুয়ে পৰে পানি ॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
পৰাৰ প্ৰবন্ধ বুলি একয় লাচাৰি ॥
২৯৭—৩০১.   'ঙ' পুথিৰ পৰা।

৩৯. দিহা : মধুৰি কত ছুৰে হে ৰঙ্গ পাই ।।

পদ : হেনকালে ভুৰখান গৈলেক উজায়া ।
দুই হাত মে'ল গোধা বোলে ডাক দিয়া ।।
গোধা বোলে আজি মোৰ জাত্ৰাৰ ভৈলা ফল ।
সুন্দৰিক পাইলো ভেস্থ জেন গঙ্গাৰ জল ।।৩০২
অনন্তৰে সুন্দৰি ভাসিয়া জাই সাগৰে ।
কন্যা ভাসে জলে গোধা জাই তিৰে তিৰে ।
গোধা বোলে সুন কন্যা আমাৰ জে বানি ।।
তোৰ আগে কৈয়া দিঞো জন্মৰ কাহিনি ।।৩০৩
হেমন্ত গোধাৰ নাতি হাকুৱা গোধাৰ সুত ।
মোৰ নাম বিনন্দিয়া কাঞ্চন মালাৰ পুত ।
হালোৱা জালোৱা গোধাৰ মই গোধাবৰ ।
মোৰ তলে খাতে গোধা চয় কুৰি ঘৰ ।।৩০৪

গোধাৰ অপচেষ্টা

গোধা বোলে সুন কন্যা আমাৰেসে বানি ।
তোৰ আগে কঞো মোৰ গৃহৰ কাহিনি ।।
ইৰিনাৰ ঘৰ মোৰ বিৰিনাৰ বেৰা ।
ঠিয় হেয়া লেখি থাকো আকাসৰ তৰা ।।৩০৫
গোধা বোলে সুন কন্যা বচন আমাৰ ।
মৎস্য মাৰি তোমাক পিন্ধাইবো অলঙ্কাৰ ।।
দুই ৰোজত তোহোক দুখানি দিবো গুৱা ।
সৱেও বুলিবে তোমাক গোধাৰ ঘৰসুৱা ।।৩০৬
বেউলা বোলে সুন বেতা চক্ষু হৌক নাস ।
জেই চক্ষুই দেখি পাপি কৰা উপহাস ।।

---

৩৯ দিহা • ঘ. গোধাই দেখিয়া কন্যা ।
৩০২—৩০৬. 'খ' আৰু 'ঘ' পুথিৰ পৰা ।

বেফুলাৰ সাপে গোধাৰ চক্ষু ভৈলা অন্ধ।
পাক দিয়া বৈলা জেন তেলিয়াৰ বলধ ॥৩০৭
ইহ পাক চেৰাই জায় বিজয়া গমন।
বেকামুৱা গোধাৰ পাকে দিলা দৰিসন ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
পয়াৰ প্ৰবন্ধ বুলি এক জে লেচালি ॥৩০৮

ৰাগ ॥ পাসজ ॥ পয়াৰ ॥

৪০. দিহা: এহে মোৰ ভাল গোধা-ৰে
এ গোধা বিনন্দিয়া ॥

পদ: বেকামুৱা গোধা দেখি মনে ভৈলা ত্ৰাস।
বিকতা দসন দেখি তুলিলেক হাস ॥৩০৯
হেনকালে ভুৰখান গৈলেক উজায়া।
দুই হাত মেলি গোধাই বোলে ডাক দিয়া ॥
গোধা বোলে সুনা কন্যা অৱধান কৰ।
তোৰ মোৰ ৰূপ দেখো একে কলেবৰ ॥৩১০
তই হেন সুন্দৰিক জদি লগ পাঞো।
দিনে ৰাত্ৰি কোলে কৰি সুখে নিদ্ৰা জাঞো ॥
গধুলি কপাট মাৰি পুৱাহে খসাঞো।
মাৰেৰ ঘৰক আৰ দুনাই নপঠাঞো ॥৩১১

বেউলাৰ দ্বাৰা গোধাক অভিশাপ

মোহোৰ গৃহিনি জত তেজিবো সবাৰে।
তোহোক বিহা কৰি থাকিবো নিজ ঘৰে ॥
বেউলা বোলে সুন গোধা পাৱে হৌক বিস।
ঘৰে জাইতে গোধা বেতা নাপায় উদিস ॥৩১২
ইহপাক চেৰাই জায় বিজয়া গমন।
আৰ দুই গোধাৰ পাকে দিলা দৰিসন ॥

৩০৮– ৩১৩. 'খ' আৰু 'ঘ' পুথিৰ পৰা।

হেলা মেলা নামে গোধা তাৰা দুই ভাই।
ডাক দিয়া বোলে গোধা সুন্দৰিক চাই ॥৩১৩

হেলা বোলে সুন তুমি মেলা সরু ভাই।
মই নিবো সুন্দৰি কন্যা তোত দাই নাই ॥
মেলা বোলে সুনা তুমি জ্যেষ্ঠ সহোদৰ।
মই নিবো সুন্দৰিক দাই নাহি তোমাৰ ॥৩১৪

এত সুনি হেলাৰ মহা ক্রোদ্ধ উপজিলা।
মেলাৰ মাঠাত জাই এক লাঠি দিলা ॥
তাহা দেখি মেলা তেবে উঠিলা সত্বৰ।
এক লাঠি দিলা হেলাৰ মাঠাৰ উপৰ ॥৩১৫

চুলে ধৰি দুই ভাই কৰে মাৰামাৰি।
ভুৰ মেলি জাই ৰঙ্গে বেফুলা সুন্দৰি ॥
ইহপাক চেৰাই জায় বিজয়া গমন।
গোয়ালিয়া গোধাৰ পাকে দিলা দৰিসন ॥৩১৬

হেন কালে ভুৰখান গৈলেক উজায়া।
দুই হাত মেলি গোধা বোলে ডাক দিয়া ॥
নাচন বাগন কৰে সাগৰৰ কাসে।
সুন্দৰিক দেখি গোধা উভতনাসে নাচে ॥৩১৭

গোধা বোলে সুন কন্যা বচন আমাৰ।
তোৰ মোৰ ৰুপ দেখো একে কলেবৰ ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
গোধাৰ কথন বুলি একয় লেচালি ॥৩১৮

---

৩১৫. খ.   মেলা .. .. সোদৰ ভাই।
৩১৪—৩১৯   'খ' আৰু 'ঘ' পুথিৰ পৰা।

ৰাগ ॥ পটমঞ্জৰি ॥ লেচাৰি

৪১. দিহা : বৈয়া পৰিচয় দিয়া পৰম সুন্দৰি প্ৰিয়া
ডাকে গোধা ঘাটৰ উপৰ ॥

পদ : ভালেতো বিধাতা হেন নামক ধৰিচো তেন
সকল কাৰ্য্যক ভৈলা সিদ্ধি।
কিনো মোৰ তপফলে ভাসি আসয় সমুদ্ৰ জলে
ঘৰক আসিলা মহানিধি ॥৩১৯

দেখা কন্যা ৰাজপুত্ৰ ৰূপে গুনে অদভুত
গলে হেম হাৰ সোভাকৰে।
চাহ কন্যা এক দৃষ্টি পতা হেন কুজ পিষ্টি
বৰ মুণ্ড মাঠাৰে উপৰে ॥৩২০

হাতে পাৱে গোধ চাৰি বিচি তাৰ সাৰি সাৰি
পকা দৱা জেন দেখি গাচে।
তিৰি আচে মোৰ ঘৰ দাসি কৰি দিবো তোৰ
বৰ সুখ পাইবি কন্যা পাচে ॥৩২১

খাটত সুৱাইবো আমি গোধত তেল দিবা তুমি
গোধাক শাস্তি প্ৰদান
এহি কাৰ্য্য সকলে তোমাৰ।
দুই সন্ধ্যা অন্ন খাইবা আমাক মাত্ৰ অন্ন দিবা
ইহাত বিনে কাৰ্য্য নাহি আৰ ॥৩২২

গোধাৰ বচন সুনি বেউলা মনে মনে গুনি
হৰি হৰি বোলে মনে মনে।
পদ্মাৰতি দিয়া বৰ গোধাৰ হৈবেক কম্প জ্বৰ
সুকবি নাৰায়ন দেৱে ভনে ॥৩২৩

৩২০—৩২৫. 'খ', 'ঘ' আৰু 'ঙ' পুথিৰ পৰা

ৰাগ ॥ কেদাৰ ॥ পয়াৰ

৪২. দিহা : ঐয়ে ৰঘুনাথ বিনে কাহাত সৰন লৈবো ॥

পদ : বেউলাৰ সাপে গোধাৰ গাৱে ভৈলা কম্প ।
কামাতুৰ হৈয়া জলত দিলা ঝাম্প ॥
গোধা বোলে কন্যা তুমি কেনে কৰা দুখ ।
মোৰ ঘৰে আসি মৎস্যক কৰা ভোগ ॥৩২৪
এহিমতে কন্যাক ৰাখিতে গোধা ভাসে ।
ভুৰৰ উপৰে বেউলাৰ লাগিল তৰাসে ॥
আবুধিয়া গোধা বেতা বিবুধি লাগিলা ।
সাগৰৰ ঢউ আসি জাতিয়া ধৰিলা ॥৩২৫
কতোক্ষনে গোধা বেতা উঠিল ভাসিয়া ।
গেলেই হেন পেট ভৈলা বহু পানি খায়া ॥
তাক দেখি বেউলাই অল্প অল্প হাসে ।
তেলি গাছ হেন তাৰ দুই গোধ ভাসে ॥৩২৬
বেউলাৰ প্রতি গোধাৰ মিনতি
সাগৰৰ ঢৌৱে দুই গোধক আচৰে ।
সিসু মগৰে জেন ডুবা ডুবি কৰে ॥
বিস্তৰ জাতনা গোধাই সহিতে নাপাৰিয়া ।
পুনৰুপি গোধা গৈলা ধাৰনিত উতিয়া ॥৩২৭
গোধা বোলে সুন্দৰি তুমিসে মোৰ মায় ।
তোমাৰ মোৰ দাই নাই সুভে চলি জাঞো ॥
তোমাৰ চৰনে মোৰ সত নমস্কাৰ ।
তোমাৰ বৰে পাইবো মই সাগৰৰ পাৰ ॥৩২৮
গোধাৰ দুৰ্গতি দেখি সৱে গোধা হাসে ।
ভুৰ মেলি জাই বেউলা পৰম হৰিসে ॥
নক্ষত্ৰ সঞ্চাৰে চলে ভুৰৰ চলন ।
সম্মুখে জুৱাকৰ পাকে দিলা দৰিসন ॥৩২৯

---

৩২৭. খ. সাগৰৰ ঢৌৱে ··· ।
৩২৬—৩২৯. 'খ' আৰু 'ঘ' পুথিৰ পৰা ।

৪৩. দিহা : হয়না হে সুনিয়ো জগত মাৱ
তুমিসে আমাৰ মাৱ ॥

পদঃ
জুৱাই হাৰিয়া বৈসে সমুদ্ৰ কোলে ।
মৰিবাক আসি আচে সমুদ্ৰৰ জলে ॥
বাপেক আচিল তাৰ দেসৰ ঠাকুৰ ।
নানা বিধ ধন জন হিৰা জে প্ৰচুৰ ॥৩৩০
খেলাৰ প্ৰধান হয়ে ভুঞ্জে নাম কৰা ।
সতে সতে গ্ৰামবাসিৰ সদায় দাই ধৰা ॥
আচিল মনুস্য বৰ বাপেক তাহাৰ ।
ই বেটা জন্মিলা তাৰ কুলৰ আঙ্গাৰ ॥৩৩১
সিসুকাল হন্তে ভৈলা জুৱা পাসে মন ।
(জুৱাৰুৰ পাক) কৰা তুষ্ট কৰি দি খেলায়ে সৰ্ব্বক্ষণ ॥
নিতে নিতে খেলা হৈতে বাৰি গৈলা আসা ।
আন কৰ্ম্ম নকৰে সদাই জুৱা পাসা ॥৩৩২
নিদ্ৰাকালে স্বপ্ন দেখে বিচনাত পৰি ।
গিৰ্ গিৰ্ উঠি বোলে মুঠিৰ গৈলা কৰি ॥
জেহি হৈতে জুৱা খেলে সেহি হৈতে হাৰে ।
কোনো দিনা জিনিয়া কৰাকো নানে ঘৰে ॥৩৩৩
আনিয়া ঘৰৰ ধন বসিয়া খেলায়ে ।
সকলে হাৰিয়া বেটা সুধা হাতে জায়ে ॥
বিধাতা লাগিল তাৰ বঞ্চিবাৰ নাদে ।
সৰ্ব্বনাস ভৈলা তাৰ জুৱা পাসাৰ বাদে ॥৩৩৪

---

৪৩ * দিহা — 'ঘ' পুথিৰ পৰা, বাকী পুথিত নাই ।

৩৩০—৩১ ঘ. বাপেক আছিল তাৰ দেখৰ থাকুৰ । নানাবিধ ধনৰত্ন আছিল প্ৰচুৰ ॥ লেখাৰ প্ৰধান ধৰে ভাঞ্জন মকৰা । সাত-পাচ গ্ৰামৰ শিৰৰ দাই ধৰা । আচিল বৰ মানুহ বাপেক তাহাৰ । ই বেতা জন্মিলা তাৰ কুল কুলাঙ্গাৰ ।

ধন জন স্ত্রি পুরুষ ভূম্মি গৃহ বাৰি।
নাৰিৰ পিন্ধন বস্ত্র বেচে গোফ দাবি॥
বসতি বিনাস কৈলা জুৱাৰ কাৰন।
সর্ব্বলোকে বোলে তাক উদাস টেণ্টন॥৩৩৫
হিয়া সুখাই গৈল বেটা হৈলেক পাগল।
এহিৰূপে সাঙ্গ কৈল হাৰিয়া সকল॥
কি কাৰনে জিঞো হেন মনে মনে বোলে।
সৰিৰে নসহে দুখ মৰো গৈয়া জলে॥৩৩৬
গলাই কলসি বান্ধি সাগৰে নামিবো।
বসতিৰ জত দুখ সৱে পাসৰিবো॥
ধৰিয়া কলসি বৰ গৈয়া ধিৰে ধিৰে।
মৰিবাক জাই তেবে পসিয়া সাগৰে॥৩৩৭
সাগৰৰ পাৰে গৈয়া নামি আছে জলে।
আচম্বিতে ভুৰগোট দেখে সেহিকালে॥
মনে মনে বোলে মোৰ উলটিল কাত।
অৱস্যে পাইবোহো কিচো মাগিলে ইহাত॥৩৩৮
দুখ দসা গৈল মোৰ বিধি ভৈলা সুখি।
হৃদয়ে সুবুদ্ধি ভৈলা সতি কন্যা দেখি॥
মৰিবাৰ কার্য্যে মঞি সাগৰে নামিলো।
মোহোৰ ভাগ্যৰ বসে পুচিবাক পাইলো॥৩৩৯
টেণ্টনে বোলে চন্দ্রমুখি কৰ অবধান।
আমি দুই বাক্য বোলো তোৰ বিদ্যমান॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
জুয়াকৰ কথন বুলি একয় লাচাৰি॥৩৪০

৩৩১—৩৪০. 'ক' আৰু 'খ' পুথিৰ পৰা।

ৰাগ ॥ পটমঞ্জৰি ॥ লেচাৰি ॥

৪৪. দিহা ঃ জুৱাকুই বোলে বানি
সুনা মাৱ দুখৰ কাহিনী ॥
সুনা সাহেৰ নন্দনি এ মাৱ চন্দ্ৰ বদনি
কেনে হাস মোৰে ৰূপ দেখি ॥৩৪১
পদ ঃ বিধাতাৰ বিঘটন বিপৰিত ভৈলা মন
জুৱা পাসা খেলাই ৰাত্ৰি দিনে।
সাত পুৰুসৰ ধন জত ভৈলা উপাৰ্জ্জন
নষ্ট কৈলো জুৱাৰ কাৰনে ॥৩৪২
সম্পূৰ্ণ জে ঘৰবাৰি অনেক দুৰক জুৰি
জুৱাকৰ অনুবোধ
বিচিত্ৰ নিৰ্ম্মান মোৰ পুৰি।
হাৰিলোঁহো পুত্ৰকন্যা পাপিষ্ঠ জুৱাৰ জন্য
নষ্ট কৈলো ভজ্ঞল পুখুৰি ॥৩৪৩
সাত পাঞ্চ স্ত্ৰি মোৰ বন্ধা দিলো জ্ঞাতি ঘৰ
তাৰ অপমান কৈবো কতি।
স্ব স্বামি থাকিতে নাৰি পৰদাস কৰ্ম্ম কৰি
এতেক আমি পুৰুস জাতি ॥৩৪৪
লোকৰ মুখে অপমান কত সহিবো পৰান
সবে কৈলো চৰনে তোমাৰে।
সাত জে পুত্ৰ আচিল পৰ ঘৰে বন্ধা ভৈল
পুসিতে উপাই নাহি তাৰে। ৩৪৫

---

৪৪. * দিহা ক. জুৱাই বোলেৰে সুনা মাৱ আমাৰ বচন ভাল হে।
খ. সুন মাঞ্ঞ দুখেৰ কাহিনি ॥
'ঘ'. পুথিৰ পৰা।
৩৪১—৪৪. 'খ', 'ঘ' আৰু 'ঙ' পুথিৰ পৰা।

চৰ লাঠি মাৰি জায়　　মাথে মোৰ চুল নাই
নাম মোৰ উদাস টেণ্টন।
কৈলো বিৱৰন মোৰে　　স্বামিৰ কুসল তোৰে
আমাকে বিলাউ কিচো ধন ॥৩৪৬
বেহুলা সন্তোস হৈয়া　　কনক আঙ্গুৰি দিয়া
জুয়াৰুক বুলিলা তেখনে।
ইহাকে ভাঙ্গিয়া খায়　　জুয়া পাসা নেখেলায়
সুকবি নাৰায়ন দেৱে ভনে ॥৩৪৭

ৰাগ ॥ অহিৰ ॥ পয়াৰ

৪৫. দিহা : ই ভব সাগৰে আমি কেমনে তৰিবো।
ৰঘুনাথ বিনে কাহাত সৰন পসিবো ॥

পদ : বেউলা বোলে সুনা বাপ বচন আমাৰ।
কোৰকৰ ধন দেখা সঙ্গে নাহি মোৰ ॥৩৪৮
অঙ্গুৰি ভঙ্গাইয়া ভোজন কৰা গৈয়া।
জাবত আসিবো আমি প্ৰভুক জিয়ায়া ॥
এহি পন্থে আসিবোহো ডিঙ্গা উদ্ধাৰিয়া।
তেখনে পৰিচয় মোক দিবা ডাক দিয়া ॥৩৪৯
মনে অন্য নাভাবিবা নকৰিবা সোক।

জুৱাৰুৰ প্ৰতি বেউলাৰ করুণা

বহুধন দিয়া আমি খণ্ডাই দিবো দুখ ॥
জুয়াৰুই বোলে মাঞো জায়োক কল্যানে।
জাবত আসিবা তুমি থাকিবা ইথানে ॥৩৫০
একে স্বামি দুখে বেউলা তনু কম্পমান।
আৰ জুয়াৰুৰ দুখে দগধ পৰান ॥
বোলে পাতি হৈলো ঐতে জুয়াৰু চাতৰ।
তোমাৰ চৰন দেখি তেবে জাইবো ঘৰ ॥ ৩৫১

৩৪৫—৩৪৭. 'ক', 'খ' আৰু 'ঙ' পুথিৰ পৰা।
৩৪৮—৫১. 'ক' আৰু খ' পুথিৰ পৰা।

বেউলা বোলে অঙ্গুৰিক লভিয়া থাকস।
মোৰ বৰে তুমি পৰাজয় নপায়স ॥
জতেক হৰাইচে তোৰ জুয়া কাৰনতে।
আৰোবাৰ ঠাকুৰালি হৈবা সেতিমতে ॥৩৫২
এহি পাক এৰাই জাই বিজয়া গমন।
নাৰায়ন দেৱে কয় মনসাৰ চৰন ॥৩৫৩

৪৬. দিহা : চাজন চাজই আইচ স্যাম বৈয়া কদমতলে।
অন্তক পামক মন মোৰে ॥
চিকনতলে স্যাম কানাই আ-হা ৰে ॥

পদ : নক্ষত্র সঞ্চাৰ জেন ভুৰৰ চলন।
ধনা মনাৰ পাকে জাই দিলা দৰিসন ॥৩৫৪
ধনা বোলে মোৰ বাক্য স্বুনা মনা ভাই।
বহুদিন ভাগ্যৰ বসে কন্যা এক জাই ॥
দুই ভাই দুই নৌকা সজাইলা ত্বৰিতে।
খেৱ দিয়া গৈলা দুয়ো ভুৰৰ নিকতে ॥৩৫৫
দেখিলেক বৰঘৰ ভুৰৰ উপৰ।
ধনা মনাৰ পাক — নেতৰ পতকা উৰে দেখিতে সুন্দৰ ॥
মনা বোলে স্বুন দাদা আমাৰ বচন।
মকুৱাৰ অভিপ্রাই বুজিলো লক্ষন ॥৩৫৬
সর্পৰ ডাকুৱা জাই সাগৰে ভাসিযা।
কিচো কার্য্য নাই ভাই মকুয়া ৰাখিয়া ॥
দুষ্ট বেটা গাদিয়াল তাৰ নাম ধনা।
উড়াইতে গনিতে পাৰে পখিৰ পাখা কনা ॥৩৫৭

---

৩৫২. 'ক' আৰু 'খ' পুথিৰ পৰা।
৪৮. দিহা : ক, খ, ঘ আৰু ঙ পুথিত নাই, 'গ' পুথিৰ পৰা।
৩৫৫. ক. টোৱাল্লা দিলেক নৌকা ভুৰ জেহি ভিতে।
খ. ঘ. নৌকা চলাই দিলা দুয়ো ভুৰৰ নিকতে।
খেৱ দিয়া ... ... নিকতে। —'ঙ' পুথিৰ পৰা।
৩৫৫—৫৭. 'ক' আৰু 'খ' পুথিৰ পৰা।

ধনা বোলে মনা ভাই নৌকা ৰাখ চাঞো।
ভিয়া প্রানি আচে ভূৰে মনে গনি পাঞো॥
ডুই ভাই নায়ে থাকি নিহালিয়া চাই।
পৰম সুন্দৰি কন্যা দেখে সেহি ঠাই॥৩৫৮
ধনা বোলে কহো কথা সুনা মনা ভাই।
মোৰ বুদ্ধি পাইলো কন্যা তোৰ দাই নাই॥
মনা বোলে সুন দাদা আমি সরু ভাই।
আমি নিবো কন্যা গোট তোৰ দাই নাই॥৪৫৯
চাৰি তিৰি আচে তোৰ আতি সুলক্ষন।
এক নাৰি আচে মোৰ সিয়ো অভাজন॥
বসতি উৰাইলা তাইৰ হাৰিত খায়িতে।
এহি দোসে আমি অন্ন নাখাই তাৰ হাতে॥
গোষ্টিৰ পালক তুমি জ্যেষ্ঠ সহোদৰ।
আজ্ঞা দেহ কন্যা গোট লৈয়া জাঞো ঘৰ॥
ধনা বোলে ডুৰ বেটা কহ লঘুবানি।
তোৰ প্রানে নিতে পাৰা ইহেন পদ্মিনি॥৩৬১
বলে ধনবন্ত আমি সুঠান সুন্দৰ।
আমাৰেসে জোগ্য কন্যা আমি নিবো ঘৰ॥
কোপ কৰি মনা বেটা অগ্নি সম জলে।
অহঙ্কাৰ কৰিয়া ধনাৰ আগে বোলে॥৩৬২
জদি কন্যা নাপাঞো মই তোৰ এত কথা।
মুকুটিৰ ঘায়ে তোৰ চুৰ কৈৰো মাথা॥
আমাক নেদিয়া কন্যা তুমি নিতে চাসা।
কোন বুকৰ বলে তোৰ এমত ভাৰসা॥৩৬৩

৩৫৮—৩৬১. 'ক' আৰু 'খ' পুথিৰ পৰা

মুখ গাল ভাঙ্গো তোৰ ই চৰ চাপৰে।
তোৰ মোৰ জুদ্ধ আজি দেখোক সংসাৰে।।
স্বভাৱতে ধনা বেটা বৰতো চঞ্চল।
দন্দ পাইলে হৰে বেটা দুইগুনে পাগল ॥৩৬৪
হাস্য পৰিহাসে দুইৰো হৈল বোলাবুলি।
দুই ভাই সমে ব'জিলেক কিলাকিলি ॥
চোট বেটা গাদিয়াল বৰ জে ইতৰ।
চৰ লাঠি মাৰিলেক মাথাৰ উপৰ ॥৩৬৫
লাঠি মাৰি মনাক জেৰে নাওৰ মুৰে।
বুকে চোট পাযা মনা চট্ চটি কৰে ॥
দুখ পায়া মনা বেটা বুক দাঙ্গি উঠে।
নাৱৰ পাইকক সাখি কৰে গোটে গোটে ॥৩৬৬
লাম্ফ দিয়া ধনাৰ ঘাৰে ধৰিল কসিয়া।
নাওৰ মুৰে তল কৰি কিলায়ে পাৰিয়া ॥
নির্ঘাত মুকুটি মাৰে নাওৰ তলা ফাটে।
মুকুটিতে ধনাৰ মুখত ৰক্ত উঠে ॥৩৬৭
কসিয়া মুকুটি ধনা মাৰে মনাৰ সিৰে।
মাঠা ফুটি মনাৰ ৰক্ত পৰে ধাৰে ॥
গাদিয়াল সমে জিবা কৰয় ইঙ্গিত।
সৰ্ব্বনাস কৰে তাৰ বৰায়া সম্মত ॥৩৬৮
গাদিয়াল জনৰ সম্বন্ধ বাদ নাই।
এতবৰ বিবাদ সোদৰ দুই ভাই ॥
দুই ভাইৰ কিলা কিলি বেউলা কাম্পে ডৰে।
সকলে ৰঙ্গ চাহে কেহোয়ে নধৰে ॥৩৬৯

৩৬৪ ক. তোৰ মোৰ খুনাখুনি পাচাৰে পাৰে।
প্ৰস্তাৱত ধনা বেটা ... ...।
৩৬.—৬৬ 'ক' আৰু 'খ' পুথিৰ পৰা।

দুই ভাই কিলাকিলি কৰে বলে টানি।
পাইক সবে বোলে আমাসাৰ কিবা হানি॥
সুকবি নাৰায়ন দেবৰ সৰস পাঞ্চালি।
পয়াৰ প্ৰবন্ধ বুলি একয় লাচাৰি॥৩৭০

ৰাগ॥ বৰাৰি॥ লেচাৰি

৪৭ দিহা : পৰম সুন্দৰি নাৰি জলে ভাসে একালস্বৰি
ধনা দেখি পৰি গৈলা ভোলে।
পদ ০ এক নাৰি জলে পায়া দুই ভাই মন কৈয়া
বিবাদ লাগিল দুইৰো জলে॥৩৭১
ধনা বেটা কোপ কৰি মনাৰ কেসত ধৰি
বৰ চৰ মাৰিলেক গালে।
আমি তোৰ জ্যেষ্ঠ ভাই কন্যা গোট লৈয়া জাই
তুমিতো কেমনে নিবা বলে॥৩৭২
ধনাৰ বচন সুনি মনা বেটা বোলে পুনি
কেনে বেটা কহ বৰ কথা।
জদি কন্যা নেদা মোৰে বাহুৰি নাজাইবো ঘৰে
মোচৰি চিণ্ডিবো তোৰ মাথা॥৩৭৩
ধনা-মনাৰ কাজিয়া বেউলা বোলে পদ্মামাঞো আমাক চাৰি নাহি জাঞো
পন্থে ধনা মনা কৰে বল।
সুন মাঞো বিসহৰি আপুনি নৌকাত চৰি
দুই ভাই কৰহ নির্ম্মুল।৩৭৪
বেউলা কৈলা স্মৰন পুৰ্ব্ব সত্যৰ কাৰন
পদ্মাৱতি ভৈলন্ত সদয়।
দুই ভাই ডুবাডুবি জলে ভাসে নাও ডুবি
সুকবি নাৰায়নদেবে কয়॥৩৭৫

৩৬৭—৩৭০. 'ক' আৰু 'খ' পুথিৰ পৰা।

ৰাগ ॥ বৰাৰি ॥ পয়াৰ

৪৮. দিহা : মোকে দায়াকৰ নাৰায়নি।
তুমি নাতাৰিলে তাৰিবেক কোনি ॥

পদ : জলে পৰি ছুই জনে জৰাজৰি কৰে।
মুকুটা মুকুটি কৰে জাকে জেহি পাৰে ॥৩৭৬
ডাক দিয়া বোলে ধনা বেফুলাক চাই।
জদি কন্যা চাৰি জাৱা ধৰ্ম্মৰ দোহাই ॥
তাকে দেখি মনা বেটা মন পোৰে ছুখে।
নিৰ্ঘাত চাপৰ মাৰে ধনা বেটাৰ মুখে ॥৩৭৭
ছুই ভাই জৰাজৰি কামোৰা কামুৰি।
অৰ্দ্ধ হাস্যে বেফুলা ভুৰত দিয়া খেৰি ॥

ধনা মনাৰ সংঘৰ্ষ

সাগৰৰ জলে ভাসে তাৰা ছুই ভাই।
পদ্মাৰ কপটে তাৰ মুখে পৰে চাই ॥৩৭৮
গহন সোতৰ পাকে নিলেক ভসায়া।
ভুৰ মেলি বেউলা চলে হৰসিত হৈয়া ॥
নক্ষত্ৰ সঞ্চাৰে চলে ভুৰৰ চলন।
দেখিতে নেদেখি জাই পবন গমন ॥৩৭৯
ইহ পাক চেৰাই জাই বিজয়া গমন।
ৰঙ্গাই সাধুৰ পাকে দিলা দৰিসন ॥
ভুৰৰ উপৰে সাধু দেখিলা সুন্দৰি।
ৰঙ্গাই বায়া দিলা নাও চতুৰ্দ্দিসে কৰি ॥৩৮০

---

* ৪৮ দিহা : 'ক' পুথিত নাই। 'খ' পুথিৰ পৰা দিয়া হৈছে। 'গ'. পতিত পাবনি তুমি নাৰায়নি। ঘ. অই পাৰ কৰা হেৰ ৰঘুনাথ এ ভৱ সাগৰে। এ ভৱ সাগৰে মাও তাৰি নিয়া মোৰে ॥ ঙ. তাৰন তাৰিনী যাও এ ভয় সাগৰে। এ ভয় সাগৰে, মাতা তাৰিও আমাৰে ॥

৩৮০ খ. দেখিয়া কৌতুক বৰ ভৈলা সাধুৰ মন ॥ নৌকাতে থাকিয়া দেখে পৰম সুন্দাৰ ॥

বঙ্গাই সাধুৰ পাক

মৰা গোটা চাৰ কন্যা জলে জাওক ভাসি।
আমাৰ নৌকাত তুমি উঠা চন্দ্ৰমুখি ॥
তোক পাইলে তেজিবো গৃহৰ জত নাৰি।
ৰত্ন অলঙ্কাৰ দিবো সৰ্ব্বাঙ্গত ভৰি ॥৩৮১
তাক সুনি বেফুলাই লাগে বুলিবাৰে।
কাৰ পুত্ৰ কাৰ নাতি কিনাম তোমাৰে ॥
সাধু বোলে সুন কন্যা আমাৰ বচন।
মন দিয়া সুন কহো জত বিৱৰন ॥৩৮২
মোৰ নাম বংসধৰ বাপ সংখপতি।
জ্যেষ্ঠ ভগ্নি সোনেকা মাঞেঁা কলাবতি ॥
তাক সুনি বেফুলাই ভুৰ কৈলা ঢুৰ।
তুমি জে হোয়া মোৰ মোমাই সসুৰ ॥৩৮৩
সুকবি নাৰায়নদেবৰ সৰস পাঞ্চালি।
পয়াৰ প্ৰবন্ধ বুলি একয় লেচালি ॥৩৮৪

ৰাগ ॥ পটমঞ্জৰি ॥ পয়াৰ

৪১.দিহা : সুনিয়া কন্যাৰ বোল
বানিয়া পৰিল ভোল ॥

পদ : বেউলা বোলে সুনা বাপ বনিক কুমাৰ।
মোমাই সসুৰ তুমি হোৱাহা আমাৰ ॥
সাহে ৰাজাৰ কন্যা আমি সাসুৰি সোনাই।
মোক বিহা কৈল তাৰ কুমৰ লখাই ॥৩৮৫

---

৩৮২. সাধু বোলে ... ... বিৱৰন।—'খ' পুথিৰ পৰা।
৩৮৩—৮৪. 'ক', 'খ' আৰু 'ঘ' পুথিৰ পৰা।
৪১ দিহা : সুনিয়া .. ... ভোল।—'ক' পুথিৰ পৰা।
খ. ঘ : ৰাগ ॥ ধনশ্ৰী ॥ বেউলা বোলে সুন বাপ বনিক কুমাৰ।
মোমাই সসুৰ তুমি হয়াতো আমাৰ।

কাল ৰাত্ত্ৰে কাল নাগে খাইলেক লখাই ।
তাহাক জিয়াইতে আমি দেবপুৰ জাই ॥
ৰঙ্গাই সুনিলা তেবে বেফুলাৰ বচন ।
কেনে হেন কৈলা তুমি অকথা কথন ॥৩৮৬
চয় ভাগিন মোৰ সবে খাইল নাগে ।
ভসায়া দিলেক চান্দো গুঞ্জৰিৰ আগে ॥
বেউলাৰদ্বাৰ ৰঙ্গাই সাধুক অভিশাপ প্ৰদান
দৈবৰ নির্ব্বন্ধ কর্ম্ম নাজাই খণ্ডন ।
ৰঙ্গাই নামানে তেবে বেফুলাৰ বচন ॥৩৮৭
ভোল হৈয়া সত্য নষ্ট কৰিবাক চাই ।
বিষ্ণু বিষ্ণু বুলি বেউলা ভুৰ মেলি জাই ॥
বেউলা বোলে সতি চিন্ন জদি থাকে মোৰে ।
চয়মাস বন্দি হৌক পদ্মাই দেওঁক বৰে ॥৩৮৮
সতি কন্যাৰ বাক্য কভো খণ্ডন নাজায় ।
সাপ পায়া ৰঙ্গাই বালি চৰে ঠেকি ৰয় ॥
সুকবি নাৰায়নদেৱৰ সৰস পাঞ্চালি ।
ৰঙ্গাই সাধুৰ সাপ বুলি একয় লাচাৰি ॥৩৮৯

৫০. দিহা : ভুবন মোহন ৰূপ কলিয়া
ধৰন নাজাই প্ৰান ৰূপ দেখিয়া ॥

পদ : ৰঙ্গাইৰ জে নাও বৈলা চৰত ঠেকিয়া ।
ভুৰ মেলি জাই বেউলা হৰসিত হৈয়া ॥৩৯০
ডাক দিয়া বোলে ৰঙ্গাই বেফুলাৰ গোচৰ ।
নাজানিয়া দোস কৈলো খেমা কৰা মোৰ ॥
বেউলাৰ প্ৰতি ৰঙ্গাই সাধুৰ অনুৰোধ
আমাৰ বচন সুনা মাও সুবদনি ।
জত দোস কৈলো আমি খেমিয়ো আপুনি ॥৩৯১

---

৩৮৫. খ ঘ, সঙ্কত সাধুৰ ঝিউ সামুৰি সোনাই ।
৩৮৬ খ. ঘ. বিহা দিলা কাল নাগে গাইলা নিসা ভাগে ।
৩৮৮. ক. চয়মাস পাক ঠেকি ৰহোক বালিচৰে ।
৩৯১ ক. বাৰয় বচ্ছৰে দেসে জাঞো দিয়বে মেলানি ।

মুৰ্খ দোসে পাইলো মঞি আপুন সাজাই।
তোমাৰ বাৰ্ত্তা কৈবো আমি সোনেকাৰ ঠাই ॥
বেউলা বোলে আপুন দোসে থাকা বন্দি হৈয়া।
জাবত আসিবো মই প্ৰভুক জিয়ায়া ॥৩৯২
চয় ভাই সমে মৰা জিয়ায়া আনিবো।
তোমাৰ ভাগিন বধু সঙ্গতে বসিবো ॥
সঙ্গতে কৰিয়া জাইবো আপুন ভুবন।
তেতিক্ষনে হৈবো তোমাৰ সাপ বিমোচন ॥৩৯৩
এতেক বুলিয়া তেবে কৰিলা গমন।
তাহাক চেৰাইয়া জাই বিজয়া গমন ॥
নাৰায়ন সাধুৰ পাকে দিলা দৰিসন।
দেখে মজুকত জাই কন্যা সুসোভন ॥৩৯৪
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
সাধৰ কথন বুলি একয় লেচালি ॥৩৯৫

রাগ ॥ তুৰবসন্ত ॥ পয়াৰ

৫১. দিহা এ কন্যা মনে জুৰাই হয়।
সাধুক দেখিয়া কন্যা হয় নাৰে হয় ॥
পদ : পৰম সুন্দৰি দেখে ভুৰব উপৰে।
প্ৰজা গনে কহে নাৰায়নৰ গোচৰে ॥ ৩৯৬
সাবধানে সুন সাধু আমাৰ উত্তৰ।
কন্যা গোটা দেখি তোৰ গৰ্ভ সহোদৰ ॥
কন্যাৰূপে তোৰ ৰূপে ভিন্ন ভাব নাই।
জিজ্ঞাসিয়া চায়া দেখি সুন্দৰিৰ ঠাই ॥৩৯৭

---

৩৯২. ক. 'বেউলা বোলে কেনমতে কাৰ হেন বাৰ।
জেহিমতে আচে সেহিমতে ৰহোক বাৰ ॥২'
৩৯৩—৩৯৫. 'খ' আৰু 'ঘ' পুথিৰ পৰা।

নাৰায়নে বোলে বাক্য সুনহ সুন্দৰি।
নাৰায়ণ সাধুৰ পাক — কোথা হৈতে কোথা জাহা কাহাৰ কুমাৰি ॥
বেউলা বোলে সুনা বাপ কহো তোৰ ঠাই।
আমাৰ থানে জিজ্ঞাসিতে কিচো কাৰ্য্য নাই ॥৩৯৮
চান্দো জে সশুৰ মোৰ সাসুৰি সোনাই।
মোক বিহা কৈলা তাৰ কুমৰ লখাই ॥
কাল ৰাত্ৰি নিসা ভাগে খাইল কাল নাগে।
জিয়াইবাক জাঞোঁ আমি দেবতাৰ আগে ॥৩৯৯
উজানি নগৰে বাপ সাহে নৃপবৰ।
সুমিত্ৰা সুন্দৰি মাও বেউলা নাম মোৰ ॥
দৈবৰ নিৰ্ব্বন্ধে মোৰ এতেক দুৰ্গতি।
বিপাকে ঠেকাইছে মোক মাও পদ্মাপতি ॥৪০০
বাপ মাও ভাই সবে নাজানে ইহাৰে।
আপুনাৰ পৰিচয় দিলোহো তোমাৰে ॥
তাক সুনি নাৰায়নে লাগে বুলিবাৰ।
আমি সাহে নৃপতিৰ প্ৰধান কুমাৰ ॥৪০১
আমাসাৰ সাত ভাই নাই ভগ্নি জন।
এহি বুলি নাৰায়নে চিন্তে মনে মন ॥
বেহুলাৰ মুখ দেখি পুলকিত ভৈলা।
গদ গদ কৰি সাধু কান্দিতে লাগিলা ॥৪০২
নাৰায়ন সাধুৰ দ্বাৰা বেউলাৰ পৰিচয় লাভ — মাতৃৰ বাক্যক বেউলাই কৰিলা স্মৰন।
ভুৰৰ উপৰে বেউলাই জুৰিলা ক্ৰন্দন ॥
সুকবি নাৰায়ন দেবৰ সৰস পাঞ্চালি
বেউলাৰ ক্ৰন্দন বুলি একয় লাচাৰি। ৪০৩

৩৯৬—৩৯৮. 'ক' আৰু 'খ' পুথিৰ পৰা।

ৰাগ ॥ ভৈৰবি ॥ ল।চাৰি

৫২. দিহা : ভুৰৰ উপৰে হই নাৰায়ন আগে কই
ক্রন্দন কৰে বেফুলা সুন্দৰি।

পদ : সুনা মোৰ প্ৰান ভাই কহিবা মায়ৰ ঠাই
বেউলা গৈচে দেৱতাৰ পুৰি ।।৪০৪
জাইবো দেবৰ পুৰি ন্যায়ে জিনিম বিসহৰি
সাহসে জিয়াইবো নিজপতি।
লৈয়া সবে ধন জন পুনৰ কৰিবো গমন
মারে জেন থিৰ কৰে মতি ।।৪০৫
বেফুলাৰ বচন সুনি নাৰায়নে বোলে পুনি
স্বৰূপে লাগিয়া কহা মোতে।

বেউলাৰ ক্রন্দন

আমাসাৰ সাত ভাই সহোদৰ ভগিনি নাই
তুমি ভগ্নি ভৈলি কেনমতে ॥৪০৬
বেউলা বোলে শুন ভাই কহিলো তোমাৰ ঠাই
জেখনে বানিজ্যে গৈলা তুমি।
মারে কহি আচে মোৰে তাৰ সেস বৎসৰে
গর্ভে জন্ম লভি আচো আমি ॥৪০৭
নাৰায়নে গনি চায়ে তেৰয় বৎসৰ হয়ে
বাৰ বৎসৰ বেউলাৰ বয়স।
এমত আমি নাহি জানো নলিন কোমল তনু
তাতে এনে কৰিচা সাহস ।।৪০৮
অদভুত পৰাক্রম জানি পাচে নাৰায়ন
মনে সিটো কৰিলা নিচয়।
নাৰায়ন দেবে কয় সুকবি বল্লভে হয়
সাধু ভগ্নিৰ ভৈল পৰিচয় ।।৪০৯

---

৫২. দিহা. গ. থাকি ভুৰৰ উপৰে/নাৰায়নৰ গোচৰে ক্রন্দন কৰে বেফুলা সুন্দৰি ॥
৪০৫. খ. ঘ. হনুমাইবো বিসহাৰ...... ।
৪০৪—৪০৭. 'ক' আৰু 'খ' পুথিৰ পৰা।

ৰাগ ॥ তুৰ বসন্ত ॥ পয়াৰ

৫৩. দিহা : দুই কুলে প্ৰেমৰ ভাই ভাসে মোৰ বৰাই।
কোন কুলে ৰহিবো চাপিয়া ভাল ॥

পদ : কান্দিতে লাগিলা মায়া জালে বন্দি হৈয়া।
প্ৰানৰ দুৰ্ল্লভ বৈনি জাইতো চাৰিয়া ॥৪১০
পুৰ্ব্বৰ কথাক বৈনি কৰি সোমৰন।
নিৰ্বিচান দিলা নিয়া সাধুৰ বিদ্যমান ॥
নিৰ্ব্বিচান পায়া সাধু গুনে মনে মন।
সোকাকুন ভায়ে সাধু জুৰিলা ক্ৰন্দন ॥৪১১

নাৰায়ন সাধুৰ ক্ৰন্দন

বিসম সাহস বৈনি কৈলি কি কাৰন।
দেৱতা মনুস্যে কেনে হৈবা দৰসন ॥
মোৰ সমে উলতিয়া চলি আইস ঘৰে।
আজ্ঞা দেহ মৰা পোৰো সাগৰৰ তিৰে। ৪১২
সাঙ্খা জে সিন্দুৰ বৈনি নাপাইবা তুমি।
বস্ত্ৰ অলংকাৰ বৈনি গৰাই দিবো আমি ॥
বেউলা বোলে স্নুন ভাই আমাৰ বচন।
হেন দুষ্ট বাক্য তুমি বোলা কি কাৰন ॥৪১৩
তোমাৰ সঙ্গে উলতিয়া জদি জাঞোঁ ঘৰে।
অসতি বুলিয়া লোকে হাসিব আমাৰে ॥
কোন মুখে দৃস্য হৈবো চম্পক নগৰে।
স্ত্ৰি পুৰুসে জিজ্ঞাসিলে কি দিবো উত্তৰে ॥৪১৪
স্বামিক জিয়াইতে গৈয়া আসিলা ফিৰিয়া।
কোন লাজে অন্ন জল দিবোহো তুলিয়া ॥

---

৫৩. দিহা : ক. কান্দে সুন্দৰ সাধু। 'ক' পুথিৰ পৰা।
৪০৮—৪১২. 'ক' আৰু 'খ' পুথিৰ পৰা।

আমাক ৰাখিলে ভাই কোন কাৰ্য্য নাই ।
আজ্ঞা দিয়া প্ৰভুক লৈয়া দেবপুৰে জাই ॥৪১৫
এত সুনি নাৰায়নে বুলিলা বচন ।
বেফুলাৰ মুখ চায়া জুৰিলা ক্ৰন্দন ॥
বেফুলাৰ কাকন্য এহি মানে থঞো ।
নাৰায়নে জি কৰিলা তাৰ কথা কঞো ॥৪১৬
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি ।
বেফুলাৰ কথন বুলি একয় লেচালি ।৷৪১৭

ৰাগ ॥ ভাঠিয়ালি ॥ পয়াৰ

৫৪. দিহা ॥ অয়-এ-হৰি ঐ এ কান্দয় নাৰায়ন সাধু ॥

পদ : কান্দে নাৰায়ন সাধু বেউলাৰ মুখ চায়া ।
প্ৰানে নধৰে বৈনি জাইবো আমাক এৰিয়া ॥৪১৮

নাৰায়ন সাধুৰ আক্ষেপ প্ৰকাশ

আবুদ্ধিয়া চান্দোৰ জে বুদ্ধি নাহি চিত্তে ।
জিয়া প্ৰানি ভসাই দিলা মৰাৰ সহিতে ॥
বিসম সাগৰ ঢউ তোলপাৰ কৰে ।
জলত পৰিলে খাইব মৎস্য মগৰে ॥৪১৯
বেফুলাক চায়া সাধু কৰিলা ক্ৰন্দন ।
নাৰায়ন দেৱে কহে মনসা চৰন ॥৪২০

৫৫. দিহা ॥ কি পোচা দুখেৰ কথা ॥

পদ : ভাইৰ পায়ে ধৰি বেউলা কহে দুখেৰ কথা ।
মায়ে বাপে নাজানিলা আমাৰ অৱস্থা ॥

---

৫৪. দিহা. খ. এহে মোৰ হৰি কান্দে নাৰায়ন সাধু বেফুলাক চায়া ॥
৪১৩—৪১৮. 'ক' আৰু 'খ' পুথিৰ পৰা ।
৪১৯—৪২০. 'ক' পুথিৰ পৰা ।
৫৫. দিহা : "কি......কথা'—'ক' পুথিৰ পৰা, বাকী পুথিত নাই ।

অন্ন জল এৰিয়া ভাসিলো মৰাসনে।
ই দুখ সুনিয়া মায়ে তেজিব পৰানে ॥৪২১
পুনৰপি মায়ক নেদেখিলোহো নয়নে।
চয় ভাইক নেদেখিলো বধূ সাতজনে ॥
মায়ৰ মুখ নেদেখিলো নয়ন ভৰিয়া।
একবাৰ নেদেখিলো উজানিক গৈয়া ॥৪২২
আমাৰ দুখ সুনি মায়ে লুতিবো ধৰনি।
জদি প্ৰভু জিয়াইবোহো জাইবো দেসে পুনি॥
মায়ৰ পায়ে ধৰি কৈবো দুখৰ কাহিনি।
তেবে মায়ে ঝিয়ে এৰাইবোহো দুখ জানি ॥৪২৩
তোমাৰ চৰনে ভাই কৰো নমস্কাৰ।
মায়ৰ ঠাই নকহিবা দুখ মহাভাৰ ॥
তোমাৰ চৰনে ভাই কৰোহো কাকুতি।
মায়ত নকহিবা আমাৰ দুৰ্গতি ॥৪২৪
দিন কত থাকক মায়ে খেমাত দিয়া ভৰ।
প্ৰভুক জিয়াই আনিবো বিলম্ব নাহি মোৰ ॥
বিদাই কৰিলা বেউলা ভাতৃৰ চৰনে।
উজাই চলিলা ভুৰ পৱন গমনে ॥৪২৫
বেউলাৰ নিশ্চয়তা
মুখে বস্ত্ৰ দিয়া সাধু কৰন্ত ক্ৰন্দন।
বেহুলা বিদায় হৈয়া কৰিলা গমন ॥
ইহ পাক চেৰাই জাই বেহুলা সুন্দৰি।
অন্তৰিক্ষে দেখে পদ্মা ৰথে ভৰ কৰি ॥৪২৬

৪২১—৪২২. 'ক' আৰু 'খ' পুথিৰ পৰা।
৪২৩—৪২৭. 'ক' আৰু 'খ' পুথিৰ পৰা।

সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
বেফুলাৰ ক্ৰন্দন বুলি একয় লাচাৰি ॥৪২৭

৫৬. দিহা : আৰে জমুনাৰ জলে ঘাটে জায়না ৰে জায় না।
তোমাত পুছিলন্থ কথা পাযা-না-ৰে ॥

পদ : পদ্মা বোলে সুন নেতা আমাৰ বচন।
ব্যাঘ্ৰ ৰূপে চলা তুমি বেফুলা গোচৰ ॥
পদ্মাৰ বচনে নেতা চলিলা সত্বৰে।
ব্যাঘ্ৰ ৰূপে গৈল নেতা বেফুলাৰ গোচৰে ॥৪২৮
ভয়ঙ্কৰ ৰূপ ধৰি জাই তান কাচে।
আজি বুঝো বেফুলাৰ সত্য চিন্ন আচে ॥
নাকৰ নিশ্বাসে পদ্মা মাৰিলা হুঙ্কাৰ।
ডাক চাৰি পৃথিবি কৰয তোলপাৰ ॥৪২৯
পদ্মাৰ বচন নেতা সুনিলা শ্ৰবনে।
বাঘ ৰূপ নেতাৰতি ধৰিলা তেখনে ॥

বাঘৰ পাক

মৰা গন্ধ পায়া বাঘে কৰিলা ভাবুকি।
ভুৰৰ উপৰে থাকি বেফুলায়ে দেখি ॥৪৩০
সেহি পাক চাৰি জাই বিজয়া গমন।
সমুখে বাঘৰ পাকে দিলা দৰসন ॥
মৰাৰ গন্ধ পায়া বাঘে চাৰিলা ফোকাৰ।
ভুৰৰ উপৰে বেউলা ভৈল চমৎকাৰ ॥৪৩১
বিকল হৈলেক বাঘ মৰা গন্ধ পায়া।
মৰাৰ গন্ধে জাই বাঘ লাঙ্গুল পকায়া ॥
লাম্ফে লাম্ফে ঝাম্প দিয়া জলে গৈয়া পৰে।
ডুবা ডুবি কৰিয়া সত্বৰে উঠে তবে ॥৪৩২

৪২৮—৪৩১. 'ক' আৰু 'খ' পুথিৰ পৰা।
৫৬. দিহা : 'ক' পুথিৰ পৰা, বাকী পুথিত নাই।
৪৩২—৪৩৫. ক' আৰু 'খ' পুথিৰ পৰা।

ঢৌয়ে জাম্ভিয়া তাক জলে কৈলা তল।
পেট ফুলি উঠে বাঘ খায়া বহু জল॥
এক ঝাম্প দিয়া পৰে বেফুলাৰ কাচে।
ধৰিতে নাপাৰে কাকো ঝাম্প পাৰে মাঝে ॥৪৩৩
বাঘৰ ঝাম্প দেখিয়া কম্পিল সৰ্ব্ব গায়।
ভুৰৰ উপৰে থাকি মুখে নাহি ৰায়॥
মৰাক নাপায়া বাঘৰ ডাক মাত্ৰ সাৰ।
সাৰি হৈয়া বসিলেক সাগৰৰ পাৰ।৪৩৪
বাঘ ৰূপে ডাকি নেতা বেফুলাক বোলে।
মৰাক ফেলায়া তুমি ভাসি জায়ো জলে॥
বাৰ বৎসৰ উপবাসি আমি জত জন।
ধৰ্ম্ম চায়া মৰা দিয়া কাৰো ভোজন॥৪৩৫
উপবাসিক ভুঞ্জাইলে বৰ পুন্য বাৰে।
জদি চিত্তে নেদাহা কাৰিয়া খাইবো তোৰে॥
মৰা খায়া আমিতো তোমাক দিবো বৰ।
উত্তম পুৰুস বাচি কৰিবাহা ঘৰ॥৪৩৬
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
বাঘৰ কথন বুলি একয় লাচালি॥৪৩৭

ৰাগ॥ ভাঠিয়ালি॥ লেচাৰি

৫৭. দিহা: অৰে বেউলা অবস্যে তোমাৰ পতি খাইবো॥
পদ: জদি ইচ্ছাই নেদা এৰি সাত পাঞ্চ বাঘে ধৰি
আগে প্ৰান তোমাৰ জে লৈবো॥৪৩৮

---

৫৭. দিহা: 'ক' পুথিৰ পৰা।
ঙ. বাঘিনি স্বৰূপে মাও। বেফুলাত কৰে বাও। মৰা দিয়া কৰোহো ভক্ষন॥
৪৩৭—৫৩৯. 'ক' আৰু 'খ' পুথিৰ পৰা।

ভুৰত মৰাক দেখি বাঘে কৰে ভাবুকি
আজি তৰিবাহা কোন বুদ্ধি।
বাড়য় বৎসৰ ধৰি আহাৰ কিচো নাহি কৰি
নিকতে আনিয়া দিলা বিধি ॥৩৯

বাঘৰদ্বাৰা ভীতি প্ৰদৰ্শন

বেউলা বোলে বাঘবৰ তুমি কোন চাৰ বৰ
প্ৰভুক লৈয়া দেৱৰ পুৰে জায়।
বেউলা বোলে পদ্মা আই তোমাৰ বাপৰ দোহাই
দেখা বাঘে পন্থে ধৰি খায় ॥৪৪০
আপুনি কাণ্ডাৰ ধৰি লৈয়া চলা দেৱৰ পুৰি
আপদত কৰাহা ৰক্ষন।
পদ্মাৰ দোহাই সুনি বাঘ বল গৈলা পুনি
বেউলা কৰে বিজয়া গমন ॥৪৪১
নক্ষত্ৰৰ গতি জেন ভুৰৰ চলন তেন
চলে বেউলা সন্তৰি গমনে।
নাৰায়ন দেবে কয় সুকবি বল্লভে হয়
নিলক্ষৰ পাকে দিলা দৰসনে ॥৪৪২

ৰাগ ॥ বৰ ৰি ॥ পয়াৰ

৫৮. দিহা : পাৰ কৰা ৰঘুনাথ এ ভৱ সাগৰে।
বিসম দেখিয়া নৌকা লৈয়া জাই ॥
পদ : নক্ষত্ৰ সঞ্চাৰ জেন ভুৰৰ চলন।
নিলক্ষৰ পাকে জাই দিলা দৰসন ॥৪৪৩

---

৪৪০. 'খ' পুথিৰ পৰা।
৫৮. দিহা : খ ঘ. অ গোপিন্দ বিনে হৰি একে নাৰাখে কেউ
৪৪১—৪৪৩. 'ক' আৰু 'খ' পুথিৰ পৰা।

নিলক্ষৰ জল সব আচে ঘুৰি ঘুৰি ।
আচোক মনুস্য তাত পখি নাজাই উৰি ॥
সোল্ল প্রহৰৰ পথ জলে ধৰে পাক ।
অলক্ষিতে ঘুৰে জেন কুমাৰৰ চাক ॥৪৪৪
পুব পচিম নাই তাৰ উত্তৰ দখিন ।
দিস বিদিস নাই তাৰ একো চিন ॥
ৰাত্রি দিনে ভেদ নাই ঘোৰ অন্ধকাৰ ।
বিসাদ ভাবিয়া বেউলাই লাগে কান্দিবাৰ ॥৪৪৫
কাইমা কাচিমা ভাসে বৰ বৰ মাচ ।
নিচিলাৰ মুণ্ড ভাসে তেন্তেলিৰ গাচ ॥
একো একো চন্দা ভাসে সোল্ল পন্থৰ পথ ।
একো একো কাঙ্কাৰা ভাসে জুৰিয়া পর্ব্বত ॥৪৪৬
একো একো ডবিকিনা ভাসে জুৰি বহু দুৰ ।
পাঞ্চ জোখা মৎস্য ভাসে ই তাল খাজুৰ ॥
নিলক্ষৰ পাক মৎস্য মগৰ ভাসে ঘনে ঘনে লৰে ।
সাগৰৰ ঢৌ দেখি প্রান কম্পে ডৰে ॥৪৪৭
বেউলা বোলে সুন মাও অনন্তৰ আই ।
তোমাৰ চৰন বিনে গতি অন্য নাই ॥
পুর্ব্বে সত্য কৰি আনি আচা বিসহৰি ।
তোমাৰ কার্য্য সিদ্ধি কৰি জাইবো দেবপুৰি ॥৪৪৮
সি সব কথাক তোমাৰ নাহি সুতৰন ।
এতেক পাসগু মায়া পাতা কি কাৰন ॥
বেউলাৰ বচনে পদ্মা হৰসিত হৈলা ।
নিলক্ষৰ পাক বেউলা তেখনে চেৰাইলা ॥৪৪৯

৪৪৪—৪৪৭. 'খ' পুথিৰ পৰা । ৪৪৮—৪৪৯. 'ক' পুথিৰ পৰা ।
৪৫০. 'খ' আৰু 'ঘ' পুথিৰ পৰা ।
৪৫১—৪৫২. 'ক' পুথিৰ পৰা ।

চেৰাইলা নিলক্ষৰ পাক কৰিলা গমন।
সম্মুখে তৃপানিৰ পাকে দিলা দৰিসন ॥
তৃপানিৰ পাকে গৈয়া দিলা দৰসন।
বিসাদ ভাবিয়া বেউলা জুৰিলা ক্রন্দন ॥৪৫০
সুকবি নাৰায়ন দেবৰ সোৰস পাঞ্চালি।
বেফুলাৰ করুনা বুলি একয় লাচাৰি ॥৪৫১

ৰাগ ॥ কারুন্য ভাঠিয়ালি ॥ লেচাৰি

৫৯. দিহা : তৃপানিৰ চৰে কান্দে ভুৰে বসি ॥
পদ : ই হেন সুন্দৰ প্রভুৰ কলেবৰ
ধৰন্তে পৰয় খসি খসি ॥৪৫২
কপালৰ লেখন বিধি কৈলা বিৰম্বন
ঠেকিলা বিসম জঞ্জালে।
পায়া অপৰাধ সাপিলা দেৱৰাজ
জনম পাইলো বানিয়াৰ কুলে ॥৪৫৩
তেজিয়া স্বর্গবাস মর্ত্য সঙ্গে পৰৱেস
দম্পতি সঙ্গত আইলো।
তৃপানিৰ পাক — পায়া পতিৰ জোগ নভৈলা সুখ ভোগ
মৰাৰ সঙ্গতি আমি ভৈলো ॥৪৫৪
পদ্মাৰতিৰ অনুভাবে মনৰ অনুতাপে
ভাসিলো মই চয় মাসে।
আসায়ে আসিয়াচিলো চাহিতে হেৰুয়াইলো
কিনো মোৰ কপালৰ দোসে ॥৪৫৫

৪৫১—৪৫৬. 'খ' আৰু 'ঘ' পুথিৰ পৰা।
৪৫৭. 'ক' পুথিৰ পৰা।
খ. ঘ. নাৰায়ণ দেৱে কয়। সুকবি বল্লভে হয়।
পদ্মাৰ পদে মোৰ মতি।

মাংস প্ৰভুৰ খসি জায়　　　অস্থি লাগল পাই
পখালে লখাইৰ কায়।
অস্থি সব লইয়া　　　সাগৰে ভাসিয়া
উজাই দেৱৰ পুৰে জায় ॥৪৫৬
বেফুলা নির্ঘিন হৈয়া　　　অস্থিক পখালিয়া
ৰাখিলেক আপুনাৰ স্থানে।
নাৰায়ন দেৱে কয়　　　সুকবি বল্লভে হয়
কান্দে বেউলা নধৰে পৰানে ॥৪৫৭

ৰাগ ॥ করুন ভাঠিয়ালি ॥ পয়াৰ

৬০. দিহা : অৰে বিধি কিনো ভৈলা মোৰে
ঐ আৰে অভাগিৰ কপালে
অৰে বিধি কিনো ভৈলা মোৰে ॥

পদ : সুন সুন অহে প্ৰভু গুনেৰ সাগৰ।
আৰতো নাজাইবো আমি চম্পক নগৰ ॥৪৫৮
মস্তক খসিল প্ৰভুৰ ঝুনা নাৰিকল।
কেস টাৰ খসিল প্ৰভুৰ হাকুয়া চোৱাৰ ॥
নয়ন খসিল প্ৰভুৰ সৰগৰ তৰা।
নাসা গোট খসিল প্ৰভু চোৱৰ পাকৰা ॥৪৫৯
গল গোট খসিল প্ৰভুৰ কেতেকিৰ দিলা।
সর্ব্ব সৰিৰ খসিল প্ৰভুৰ বানিয়াৰ বালা ॥

---

৬০. দিহা 'খ', 'ঘ', 'ঙ' পুথিৰ পৰা।
'ক' আহাৰে পৰভু হে
মইতো নাৰিহে কি কাম কৰিলো পৰভু হে ॥

৪৫৯. 'ক' পুথিৰ পৰা।

৪৫৯—৪৬১. 'ক', 'ঘ' আৰু 'ঙ' পুথিৰ পৰা।

দুই বাহু খসিল প্রভুৰ মোলানৰ ঠাৰি।
দস আঙ্গুলি খসিল প্রভুৰ চম্পাফুলৰ কৰি ॥৪৬০

লখিন্দৰৰ শ পচিবলৈ ধৰা বাৰে বেউলাৰ ক্রন্দন

পিঠি খান খসিল প্রভুৰ সুকুজৰ চটা।
বুকখান খসিল প্রভুৰ চন্দনৰ পটা।
কঙ্কাল গোট খসিল প্রভুৰ হৰৰ ডুম্বৰু।
দুই উৰু খসিল প্রভুৰ কদলি সম সৰু ॥৪৬১
দুই আঠু খসিল প্রভুৰ সোৱৰ্ন্নৰ ঘিলা।
দুই কলফুল খসিল প্রভুৰ কেতেকিৰ দিলা॥
ভৰি দুই খসিল প্রভুৰ খৰম জুৰিয়া।
এহি বুলি কান্দে বেউলা গুনক বৰ্নায়া॥৪৬২
হাৰ ভৈলা ঝুনঝুন ভখুৰিল চাল।
সৰা পচা স্বামিক জিয়াইবো কত কাল॥
সকল অস্থিক কোচাই টোপলি বান্ধিলা।
টোপলাত হাত দিয়া ক্রন্দন জুৰিলা॥৪৬৩
বেউলা বোলে সুন মাৱ অনন্তৰ আই।
তোমাৰ চৰন বিনে অন্য গতি নাই॥
বেফুলাৰ ক্রন্দনে পদ্মাৰ দয়া উপজিলা।
তেতিক্ষনে নেতাৰ পাকে দৰিসন দিলা॥৪৬৪
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেফুলাৰ কথন বুলি একয় লেচালি ॥৪৬৫

ৰাগ॥ কাকুন্য॥ পয়াৰ

৬১. দিহা: প্রান বন্ধু বিৰহে হিয়া জৰ জৰ
ই দুখ মই কহিবো কাহাৰে॥

---

৬১. দিহা 'ক' পুথিত নাই, 'খ', 'ঘ' আৰু 'ঙ' পুথিৰ পৰা

পদ :

চয় মাসে লগাইৰ অস্থি পৰিল খসিয়া ।
নিৰ্ঘিন হৈয়া বেফুলাই লৱে পখালিয়া ॥
জপ্ত কৰি ধুই লৱে বত্রিস পাঞ্জৰ ।
আঠুৰ ঘিলা পৰি লৈলা সমুদ্ৰৰ ভিতৰ ॥৪৬৬
মৰাৰ গন্ধ পায়া ৰাঘোৰা আসিলেক ধায়া ।
গিলিলেক আঠুৰ চকা নিকতাতে পায়া ॥

বেউলাৰ দ্বাৰা নেতাৰ সান্নিধ্য লাভ

পুৰ্ব্ব পাকে ৰহি নেতা কাপুৰ ধোৱে ।
অৰ্দ্ধেক সাগৰ জুৰি মৰাৰ গন্ধ বৱে ॥৪৬৭
পুৰ্ব্ব পাকে কাপোৰ ধোৱে সিবৰ কুমাৰি ।
ভাঠিৰ পাকে ৰৈয়া আচে বেফুলা সুন্দৰি ।
নেতা বোলে সুন ধনা আমাৰ উত্তৰ ।
আজি নভৈলেক ধোৱা দেবৰ কাপুৰ ॥৪৬৮
আকাসত বেলি আচে তৃতয় প্ৰহৰ ।
কিমতে সুখাইবো আজি দেৱৰ কাপুৰ ॥
এত সুনি ধনা বেটা উঠিলা সত্বৰ ।
এক লৰ দিলা ধনা কাপুৰ উপৰ ॥৪৬৯
কষ্ট মন কৰি নেতা ধনাৰ দিগি চাইলা ।
কাপুৰ উপৰে ধনা ঢলিয়া পৰিলা ॥
কতো ক্ষনে ধনা আচিল অচেতন হুয়া ।
নেতাই জিয়াইলা পুনু হুঙ্কাৰ মাৰিয়া ॥৪৭০
পুনৰুপি জলে নামে সিৱৰ কুমাৰি ।
তাক দেখি হৰসিত বেফুলা সুন্দৰি ॥
মৰা পুত্ৰ জিয়াইলা আমাৰ গোচৰ ।
এহি কন্যা হস্তে জিয়াইবো লখিন্দৰ ॥৪৭১

৪৬৬—৪৬৮. 'ক' আৰু 'খ' পুথিৰ পৰা ।
৪৬৯—৪৭৩. 'খ', 'ঘ' আৰু 'ঙ' পুথিৰ পৰা ।

লখাইৰ অস্থি ৰাখে বেউলা আপুনাৰ থানে।
জলে বুৰ দিয়া ধৰে নেতাৰ চৰনে॥
নেতা বোলে সুন ধনা আমাৰ উত্তৰ।
জলৰ কুম্ভিৰে বাচা মোক কৰে বল। ৪৭২
ধনাই তুলিলা তেবে মাওৰ হাতে ধৰি।
পাৰত ধৰিয়া উঠে বেফুলা সুন্দৰি॥
কষ্ট মন কৰি নেতা ভৰিৰ দিকি চায়।
কুম্ভিৰ নোহে সুন্দৰি ধৰি আছে পায়॥৪৭৩
হেনদেখি নেতাবতি হৰসিত মন।
কন্যাৰ মুখ চাই পাছে বুলিলা বচন।
সুকবি নাৰায়নদেৱৰ সোৰস পাঞ্চালি।
পয়াৰ প্ৰবন্ধ বুলি একয় লেচাৰি॥৪৭৪

ৰাগ॥ পটমঞ্জৰি॥ লেচাৰি

৬২. দিহা : সুন্দৰিক দেখিয়া নেতা বোলেৰে হই
অভাগিক দেখিয়া নেতা বোলে॥

পদ : কাহাৰ ঝিয়াৰি নাৰি কোথা তোৰ ঘৰ বাৰি
কি কাৰণে বঞ্চা তুমি জলে।
দেৱ কন্যা বিদ্যাধৰ কোন জাতি জন্ম তোৰ
স্বৰূপ কৰি কহ বিবৰন॥৪৭৫

বেউলাৰ পৰিচয় প্ৰদান

আমিতো ধোবাৰ নাৰি বসনৰ মল ঝাৰি
আমাৰ পাৱে ধৰা কি কাৰন।

৪৭৪—৪৭৬. 'ক', 'খ' আৰু 'ঘ' পুথিৰ পৰা।

৬২. দিহা : ঙ. কোনোবা জনমৰ ফলে বিধিয়ে মিলাইলা।
আজি নেতাৰ চৰণত দৰিসন ভৈলা॥

ঘ. অ কাপোৰ ধোৱেনাৰে বে নেতাই ধুবুনি কাপোৰ ধোৱেনা॥

ঘ. ৰচেৰ নাগেৰ পাৱা।

দিব্যৰ ৰূপ দেখি তোৰ মলিন কেনে কলেবৰ
কেনে তোৰ মলিন বসন ॥৪৭৬
লাঙ্গটা হস্ত শ্ৰবন বিধোয়াৰ লক্ষন
কেনে তোৰ বিসাদ বদন।
কি কাৰনে আইলি এথা আমিতো নাজানো কথা
স্বৰূপ কৰি কহিয়ো কথন ॥৪৭৭
বেউলা বোলে সুন নেতা তুমিতো ভাণ্ডস কথা
পুৰ্ব্বাপৰ সবে তুমি জানা।
বান ৰাজাৰ কুমাৰি হঞো উসা সুন্দৰি
পদ্মাৰ কাৰ্য্যে এত বিৰম্বনা ॥৪৭ (ক)
কেস ঢুই ভাগ কৰি নেতাৰ চৰণে ধৰি
সুন্দৰি বুলিলা ভজিয়া।
চয় মাসে দুখ কৰি ভাসি আইলো দেৱ পুৰি
দেহ মোৰ প্ৰভুক জিয়ায়া ॥৪৭৮
চৰনে ধৰি বোলো তোৰে স্বামি দান দেহ মোৰে
জস পাইবা ই তিনি ভুবন ॥
সুনিয়া বেফুলাৰ কথা নেতাৰ মনে লাগে বেথা
নাৰায়ন দেৱৰ সুবচন ॥৪৭৯

৬৩. দিহা : মোৰ জীৱন ধন কলিয়া হেৰ বে
ৰসেৰ নাগেৰ দায়া ॥

পদ : বেফুলাক দেখি নেতা হৰসিত ভৈলা।
লক্ষ্য চুম্বন দিয়া কোলে তুলি লৈলা ॥
এতদেখি বেফুলাৰ হৰসিত মনে।
প্ৰনাম কৰিলেক জাই নেতাৰ চৰনে ॥৪৮০

৪৭৭—৪৭৯. 'ক' আৰু 'খ' পুথিৰ পৰা।

নেতা বোলে আয়তাই থাকা সর্ব্বকাল ।
পদ্মা বৰে জিয়োক চান্দোৰ কুমাৰ ॥
বেউলা বোলে শুন মাসি আমাৰ উত্তৰ ।
অপখালে আচে কোন দেৱৰ কাপুৰ ॥৪৮১
নেতা বোলে পখালিচো সকলে কাপুৰ ।
পদ্মাৰ কাপুৰ আচে খলাৰ উপৰ ॥
বেউলাৰদ্বাৰা পদ্মাৰ বস্ত্র প্রক্ষালন
পদ্মাৰ কাপুৰ পায়া আনন্দিত মন ।
ধুইলা পদ্মাৰ কাপুৰ উত্তম কৰিয়া ॥৪৮২
সুখায়া নৈলেক কাপুৰ আথবেথ কৰি ।
কাপুৰে অক্ষৰ লেখে চিনিতে বিসহৰি ॥
প্রথমে লিখিলেক সতেক প্রনাম ।
দ্বিতিয়ে লিখিলা সসুৰ সাসুৰিৰ নাম ॥৪৮৩
চয ভাসুৰ লেখিল সুন্দৰ লখিন্দৰ ।
সুমিত্রা সুন্দৰি লেখে সাহে নৃপবৰ ॥
পুর্ব্বাপৰ জত কথা সকলে লেখিলা ।
সাত আৱৰন দিয়া বস্ত্রক ঢাকিলা ॥৪৮৪
সুকবি নাৰায়ন দেৱৰ সোৰস পঞ্চালি ।
নেতাৰ চলন বুলি একযে লেচালি ॥৪৮৫

৬৪. দিহা ঃ ঐয়ে আজু কেনে মুকলি ধ্বনি এ
অ ঘনে বাজে হা-ৱা ॥

পদ ঃ সিৱৰ কাপুৰ নেতা তুলি নৈল মাথে ।
পদ্মাৰ কাপৰ নেতা নৈল দক্ষিন হাতে ॥

---

৪৮৪. খ. ঘ. ঙ. ভাই সসুৰ .... ।
ক. সাত আবল দিয়া বস্ত্র এৰিল ঢাকিয়া ।
৪৮০—৪৮৪. 'ক', 'খ' আৰু 'ঘ' পুথিৰ পৰা ।
৪৮৫. সুকবি নাৰায়ণ ... ...লেচালি । -'ঙ' পুথিৰ পৰা, ক, খ, গ, ঘ পুথিত নাই ।
৬৪. দিহা 'ঙ' পুথিৰ পৰা । বাকী কেইখনত নাই ।

দেৱৰ কাপোৰ লৈলা বোকলি বান্ধিয়া।
হৰসিত হৈয়া চলে বেফুলাক লৈয়া ॥৪৮৬
বেউলাৰ পৰিক্ষা নেতা চাহে বুঝিবাৰ।
কেসৰ সাখো দিয়া নেতা আগে হৈলা পাৰ ॥
বায়ু বেগে হাণ্ডি তেবে নেতা গৈলা পাৰ।
বেউলাৰ নিকতে তেবে লাগে কহিবাৰ ॥৪৮৭
সাবধানে সুনা তুমি বেফুলা সুন্দৰি।
এহি সাখো পাৰ হৈলে পাইবা দেৱৰ পুৰি ॥
নৰসিংহ সুত কবি দেৱ নাৰায়ন।
ৰচিলা পাঞ্চালি গিত পদ্মাৰ চৰন ॥৪৮৮

ৰাগ ॥ চই ॥ পদ

৬৫. দিহা : অ মোৰ হৰি-না-অ চলিলা সুন্দৰি।
হৰিসে দেৱৰ পুৰি ॥

পদ : হৰসিতে জাই বেউলা দেৱৰ পুৰে।
পদ্মাক বন্দিয়া উঠে সাখোৰ উপৰে ॥
বেউলা বোলে চন্দ্ৰ সুৰ্য্য তোৰা হৈবা সাখি।
একতিল পাপ মোৰ নাহি কতো জদি ॥৪৮৯
উপৰে কেসৰ সাখো তলে তপ্ত জল।
সতি চিন্ন আচে জদি হৈয়া জাইবো পাৰ ॥
দুই পাসে পুতিলা কেসৰ দুই খুটি।
এক গাচি কেসত বেউলা জাই উঠি ॥৪৯০

৪৮৮. ‘খ’ আৰু ‘ঘ’ পুথিৰ পৰা।
৪৮৬— ৪৮৯. ক, খ, ঘ আৰু ঙ পুথিৰ পৰা।
৪৯০. খ. ঘ. উপৰে সুতাৰ সাখো ... ... জল।

বেউলাৰ পৰীক্ষা

কেসত হাঠিয়া জাই ত্ৰাস নাহি জানি।
দুই পাসে ঢাকি উঠে জলন্ত অগনি ॥
জল ঢাকি অগ্নি উঠে অন্ধকাৰ কৰি।
লাস বেস কৰি বেউলা জাই দেৱপুৰি ॥৪৯১
সুকবি নাৰায়ন দেৱৰ কবিতা মধুৰ।
কেসৰ সাখো পাৰ হৈয়া পাইলা দেৱপুৰ ॥৪৯২

৬৬. দিহা : হয় না অ ধৰ্ম্মৰ চিতে আইলো ॥

পদ : বেফুলাক ঘৰে থৈয়া নেতাই সুন্দৰি।
কাপুৰ লৈয়া গৈলা নেতা মহাদেৱ পুৰি ॥
সিৱে বোলে সুন নেতা আমাৰ বচন।
এতেক বিলম্ব তোমাৰ হৈল কি কাৰণ ॥৪৯৩
অন্য দিনা কাপুৰ আনা দুই প্ৰহৰ গৈলে।
এতেক বিলম্ব আজি হৈল কাৰ বোলে ॥
নেতা বোলে সুন পিতা দেৱ মহেস্বৰ।
ভগ্নিৰ কুমাৰি মোহোৰ আসি আছে ঘৰ ॥৪৯৪
তাহাৰ কাৰনে মোৰ বিলম্ব এত ভৈলা।
তাহা সুনি মহাদেৱে হাসিতে লাগিলা ॥
সিৱে বোলে সুন নেতা মোক ভাণ্ড চলে।
মোৰ থানে জন্ম তোৰ ভগিনি কৈত পাইলে ॥৪৯৫

শিৱৰদ্বাৰা বেউলাৰ দেৱপুৰ আগমনীৰ বাৰ্তা লাভ

জিবা ভগিনি আছে তাৰ কন্যা নাই।
আৰ কোন ভগ্নি আছে কহা মোৰ ঠাই ॥
নেতা বোলে সুনা পিতা অনাথৰ নাথ।
স্বৰুপ কৰিয়া মই কহিবো তোমাত ॥৪৯৬

৪৯০—৪৯৩. ক. খ. ঘ পুথিৰ পৰা।
৪৯৪—৪৯৭. 'ক' আৰু 'খ' পুথিৰ পৰা।

উসা অনিৰুদ্ধ আছিল ইন্দ্রৰ নগৰে ।
মৰিয়া জন্মিলা চান্দো বনিয়াৰ ঘৰে ॥
পুর্ব্বৰ সম্বন্ধে আসি আচে মোৰ ঘৰ ।
এত সুনি হৰসিত ভৈলা মহেস্বৰ ॥৪৯৭
সিৱে বোলে সুন নেতা চলহ ত্বৰিত ।
অনেক দিন দেখা নাই উসাৰ নৃত্য গিত ॥
বিদাই হৈয়া নেতাৱতি চলিলা সত্ত্বৰ ।
বস্ত্র লৈয়া গৈল পদ্মাৰ পুৰিৰ ভিতৰ ॥৪৯৮
কাপুৰ দেখিয়া পদ্মাৰ সচকিত মন ।
আজি কেনে ধোয়া দেখি উত্তম বসন ॥
অন্য দিনা কাপুৰ ধোয়া মলিন বৰন ।
ৰাজ হংস পাখা জেন ভৈলা কি কাৰন ॥৪৯৯
কাপুৰ খসায়া চায়ে জয় বিসহৰি ।
দেখে দেৱপুৰে আইলা বেহুলা সুন্দৰি ।
মনত ভাবিয়' তেবে সিৱৰ কুমাৰি ।
মায়া ৰূপে সয়ন কৈল' জৰ উঠিল বুলি ॥৫০০
দ্বাৰত দিলেক ৰক্ষা ধেমাই দ্বাৰি ।
বাপ জন হৱে জদি তাক খাইবা ধৰি ॥
বিদাই হৈয়া নেতাৱতি চলিলা সত্ত্বৰ ।
দেৱৰ কাপুৰ দিলা প্রতি ঘৰে ঘৰ ॥৫০১
আনন্দিতে নেতাৱতি চলি জাই ঘৰে ।
কহিতে লাগিলা কথা বেহুলা গোচৰে ॥
অবস্যে জানিলো তোমাৰ কার্য্যৰ কুসল ।
নাচিবাক লাগি কন্যা চলহ সত্ত্বৰ ॥৫০২

---

৫০১. 'দ্বাৰত .. ধৰি' । — 'ক' পুথিত নাই ·

আজ্ঞা কৰি আছে পিতা দেৱ মহেশ্বৰ।
বিলম্ব নকৰ তুমি চলাহা সত্বৰ॥
বেউলা বোলে সুন মাসি কহো তোমাৰ ঠাই।
নৃত্যৰ সাজন কিছু মোৰ সঙ্গে নাই॥৫০৩
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেহুলাৰ কথন বুলি একয় লেচালি॥৫০৪

৬৭. দিহা: আগ ববাই হেৰ বাই।
আগ ববাই হেৰ মোৰ মন ব্যাকুল কৈলা বাধে॥

পদ: নেতা বোলে স্বন কন্যা নিচিন্তিবা তুমি।
নৃত্যকৰ জত দ্ৰব্য আনি দিবো আমি॥৫০৫
বুলিতে লাগিল নেতা ধনাৰ গোচৰ।
নৃত্যকৰ জত দ্ৰব্য আনহ সত্বৰ॥
জত উপাধিক দ্ৰব্য লাগিল নাচিতে।
সকলে আনিয়া দিলা বেহুলা সাখ্যাতে॥৫০৬
পুনৰপি বুলিলেক বেহুলা সুন্দৰি।
বিনা মৃদঙ্গ ধ্বনি নাচিতে নাপাৰি॥
ইন্দ্ৰৰ পুৰিক তুমি কৰিয়ো গমন।
অনিৰুদ্ধ সম বাইন আছে দুইজন॥৫০৭
বেউলাৰ নৃত্যৰ বাবে প্ৰস্তুতি
বিদ্যা বিনন্দ নামে বিদ্যা জে ভুসন।
ইন্দ্ৰপুৰে থাকে তাৰা গন্ধৰ্ব্ব দুইজন॥
বেহুলাৰ বচনে নেতা নকৰিলা আন।
দুই বাইনক আনিয়া দিলেক বিদ্যমান॥৫০৮

---

৬৭. দিহা. 'আগ ববাই — ... বাধে' — 'ক' পুথিত নাই, 'খ' আৰু 'ঘ' পুথিৰ পৰা।
ঙ. নেতা বোলে সুনা কন্যা আমাৰ উত্তৰ।
নাচিবাক লাগি তুমি চলিও সত্বৰ॥
৬৭. দিহা 'ঙ' পুথিৰ পৰা।
৫০৬—৫০৮. 'ক' আৰু 'খ' পুথিৰ পৰা।

বেহুলাক দেখি বাইনৰ সচকিত মন।
এতেক বিলম্ব তোমাৰ ভৈলা কি কাৰণ॥
বেহুলা বোলে সুন বাপ কহো তোৰ ঠাই।
সিৱৰ সাক্ষাতে চলা নৃত্য কৰো জাই॥৫০৯
সিৱপুৰে গৈলা নেতা বেহুলাক লৈয়া।
সিৱৰ সাক্ষাতে মিলে অষ্টস্ফোট দিয়া॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেহুলাৰ চলন বুলি এক যে লেচালি॥৫১০

৬৮. দিহা : অ বাইন মোৰ সাজে।
অ কন্যাই নাচে॥

পদ : নটুৱাৰ চান্দে খোপা বান্ধে উজান ভাঠি।
কেসৰ গোৰে লগাই আচে মুকুতাৰ পান্তি॥৫১১
সুৱৰ্নৰ কিঙ্কিনি সোভে সুৱৰ্নৰ বালা।
বেহুকয়া চান্দে পিন্ধে সুবৰ্নৰ কৰ্ন্নফুলা॥
সুৱৰ্নৰ কঙ্কন পিন্ধে সুৱৰ্নৰ টাৰ।
সুৱৰ্ন কিঙ্কিনি সোভে সুৱৰ্নৰ হাৰ॥৫১২
গলত তুলি পিন্ধে উসা সতেসেৰিহাৰ।
বেউলাৰ সাজন-কাচন
দুই বাহুই পিন্ধিলা সুৱৰ্নৰ চাৰি টাৰ॥
দুই হস্তে পিন্ধিলন্ত সুৱৰ্নৰ চুৰি।
দস আঙ্গুলিত পিন্ধে কনক আঙ্গুৰি॥৫১৩
বিচিত্ৰ কাঞ্চুলি দিয়া ঢাকে পয়োধৰ।
সংসাৰ লেখন আচে কাপুৰ উপৰ॥

---

৬৮. দিহা : 'অ বাইন ... ... নাচে।'—'ঙ' পুথিৰ পদ।
খ. অ মাই মালতি অ মাই ফুল।
তোমাৰ কাচে ওমবাই কৰি আছে বোল॥

অনেক প্ৰকাৰ কৰি নয়নে বান্ধিলা।
ৰক্তবৰ্ন কাঞ্চুলি তাৰ উপৰত দিলা ॥৫১৪
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেউলাৰ কাচন বুলি একয় লেচালি ॥৫১৫

৬৯. দিহা : অবালি জোৰ নাচয়, অ কন্যা নাচয়।

পদ : মিন ৰুপে নাৰায়নে জলে প্ৰৱেস কৰি।
জেন মতে চাৰি বেদ উদ্ধাৰিলা হৰি ॥
কুৰ্ম্ম ৰুপ লেখি আচে অধিক সুন্দৰ।
পৃথিবি খান ধৰি আচে পৃষ্টিৰ উপৰ ॥৫১৬
বৰাহ ৰুপ লেখি আচে তাহাৰ পাচত।
পৃথিবি খান ধৰি আচে দন্তৰ অগ্ৰত ॥
পৰসুৰাম লেখি আচে খৰ্গ চৰ্ম্ম হাতে।
একেবাৰে নিক্ষত্ৰিয় কৰিলা পৃথিবিতে ॥৫১৭

নৃত্যৰ বাবে বেউলাৰ প্ৰস্তুতি

নৰসিংহ লেখি আচে হিৰন্যাক্ষ বিদাৰ।
বটু ৰুপ লেখি আচে বলিক চলিবাৰ ॥
ৰাম ৰুপ লেখি আচে সাগৰ বন্ধন।
বানৰ বেষ্টিত লঙ্কা মধ্যে দসানন ॥৫১৮
কৃষ্ণ ৰুপ লেখি আচে অধিক সুন্দৰ।
বলোভদ্ৰ সমে বৎস ৰাখে নন্দ ঘৰ ॥
কল্কিৰূপ লেখি আচে খৰ্গ চৰ্ম্ম হাতে।
সংসাৰৰ লেখন আচয় এহিমতে ॥৫১৯

---

৫১৪. ক. ইজাৰ পৰিয়া নাৰা কমৰে বান্ধিলা।
পঞ্চ বস্ত্ৰৰ কাঞ্চুলি লোট তাহাতে পৰিলা ॥
৫১৬—৫১৯. 'ক' পুথিত নাই, 'খ' আৰু 'গ' পুথিৰ পাঠ।

নিতম্ব ঢাকিয়া দিলা কনক থাগৰ ।
গজ মুণ্ড জিনি জেন দুই পয়োধৰ ॥
স্নুবর্ন্ন কমল পিন্ধে সিৰে নপুৰ চৰনে ।
দেৰগন মোহ্ জাই বেহুলা সাজনে ॥৫২০

সুৰঙ্গ কাজল তেবে পৰিলা নয়নে ।
মুনিগন মোহ্ জায় কটাক্ষৰ বানে ॥
দুই পাসে গন্ধৰ্ব্বে মৃদঙ্গ বজাৱয় ।
অষ্টফোট দিয়া বেউলা নাচিবাক জাই ॥৫২১
অষ্টফোট তুৰ কৰি হৈলা অগ্রসৰ ।
মৃদঙ্গ ঝঙ্কাৰ দিয়া কৈল নমস্কাৰ ॥
সুকবি নাৰায়ন দেবৰ সৰস পাঞ্চালি ।
বেহুলাৰ নাচন বুলি একয় লাচাৰি ॥৫২২

৭০. দিহা : অহে মোৰ হৰি-না অ সুন্দৰি বেউলা
অ নাচে বিভোল হুয়া ॥

পদ : সিৱে হৰসিত মনে সচকিত নয়নে
মুখে মুচুকিয়া হাসে ।
সমুখ বিমুখ কৰি নৃত্য কৰে সুন্দৰি
ভঙ্গি কৰে নটুৱাৰ বেসে ॥৫২৩

---

৫২০. খ. ঢৌবণ কৰিয়া পিন্ধে নেপুৰ চৰনে ।
ঘ. ডোবন কৰিয়া আছে নেপুৰ চৰনে ।
৫২১. খ. ঘ. কুৰঙ্গ কাজল … … নয়নে ।
৭০. দিহা : আহে … .. হুয়া । -"ক" পুথিত নাই, বাকী পুথিত আছে ।
৫২৩. খ. ঘ. এই পাঠ নাই । " ক. "ঘাগত অৰুচি দিয়া ।"

সমুখ বিমুখ কৰি নৃত্য কৰে সুন্দৰি
ভঙ্গিমা জে নটুয়াৰ বেসে।
নানা গতি নৃত্য কৰে দেৱগনৰ গোচৰে
সভাখান মুহিলেক ৰসে ॥৫২৪
ঘাগৰ নেপুৰ ধ্বনি ঝামৰ ঝুমুৰ শুনি
দেৱৰ দুন্দুভি বাদ্য বাজে।
সুন্যত উড়াৱ কৰি নাচে বেউলা সুন্দৰি
মুহিলেক দেৱৰ সমাজে ॥৫২৫
কাঞ্চা সৰাত দিয়া পাৱ চমাকিয়া উঠে গাৱ
পটোয়াৰ লৈলা দেৱগনে।

বেউলাৰ নৃত্য

নটুৱা বুলনি দিয়া আখি চমকিতে হয়া
আনন্দে মুহিলা ত্ৰিভুবনে ॥৫২৬
চল ঝাণ্টে নন্দি দ্বাৰি পাঞ্চিলেক ত্ৰিপুৰাৰি
সিঘ্ৰ কৰি আন দেৱগন।
নাৰায়নদেৱে কয় সুকবি বল্লভে হয়
সৱে চায়োক বেউলাৰ নাচন ॥৫২৭

৭১. দিহা : মইতো জানিলোৰে মইতো শুনিলোৰে।
মোৰ ঘৰে নটুয়া কইনা আসিলৰে ॥
পদ : সিৱৰ বচনে চলে নন্দি জে কেসৰি।
জান দিয়া আসিলেক দেৱতাৰ পুৰি ॥৫২৮
চাৰ মুখে বাৰ্ত্তা পাইলা জত দেৱগন।
সত্বৰে চলিয়া আসে দেখিতে নাচন ॥
বিষ্ণু চলিয়া আইলা গৰুড় বাহনে।
হংস বাহনে ব্ৰহ্মা আসিলা আপুনে ॥৫২৯

---

৫২৪. 'সমুখ ... বেসে।' -'ক' পুথিত নাই, 'খ' আৰু 'ঘ' পুথিৰ পৰা।

৫২৭. ক. "দেখিবাক বেউলাৰ নাচন।

নৃত্য চাবলৈ দেৱতাদিৰ আগমন

ঐৰাবতে চৰিয়া আসিলা পুৰন্দৰ ।
ঢেকিৰ বাহনে আইলা নাৰদ মুনিবৰ ॥
বিকৃত আকাৰে আইলা জত ভুতগন ।
মহিস বাহনে আইলা ৰবিৰ নন্দন ॥৫৩০
দেৱগুৰু বৃহস্পতি আসিল আপুনে ।
নৱগ্ৰহ চলি আইলা আপোন বাহনে ॥
আকাল বিকাল আইল তাৰা দুই ভাই ।
দ্বাদস ক্ষেত্ৰ আইলা ডাকুৱা কুৰাই ॥৫৩১
ধৰ্ম্ম পুত্ৰ জুধিষ্ঠিৰ তোৰ পাঞ্চ ভাই ।
ময়ূৰ মুসকে আইলা কাৰ্ত্তিক গনাই ॥
অজে চৰি অগ্নি আইলা হৰিনে পবন ।
হনুমান বিৰ আইলা পবন নন্দন ॥৫৩২
পেঞ্চক বাহনে আইলা ষষ্ঠিকা গোসানি ।
বেঙ্গ বাহনে আইলা ভদ্ৰাই কামিনি ॥
ইন্দ্ৰ আদি চলি আইলা জত দেৱগন ।
নাৰদাদি চলি আইল জত সিদ্ধগন ॥৫৩৩
স্ত্ৰি পুৰুষ জত দেৱ আচয় সংসাৰে ।
সকলে চলিয়া আইলা নৃত্য দেখিবাৰে ॥
সিৱে বোলে নাৰদ মুনি চলহ ত্বৰিতে ।
চণ্ডিকাক লৈয়া আসা নৃত্য দেখিতে ॥৫৩৪
এত সুনি নাৰদ মুনি সত্বৰে চলিলা ।
ঢেকি বাহনে ৰথ খান সত্বৰে সাজিলা ॥
দুই কাসে দুইখান বান্ধে ভাঙ্গা কুলা ।
উপৰত বান্ধিলা পুৰান ঢেকি থোৰা ॥৫৩৫

৫৩১. ক. আকনাই সুকনাই তাৰা দুই ভাই ।
ময়ূৰ বাহনে আইল বিৰ কাৰ্ত্তিকাই ॥
৫৩২. 'ধৰ্ম পুত্ৰ … গনাই ।'—'ক' পুথিত নাই, 'খ' পুথিৰ পৰা ।

এত দেখি নাৰদ মুনি হৰসিত ভৈলা।
কন্দলৰ ঝুলি খান কান্ধে তুলি লৈলা॥
জেহি দিনা নাৰদ মুনি কন্দল নাপায়।
সেহি দিনা নাৰদৰ উপবাসে জায়॥৫৩৬
সতমুখি গঙ্গা মুনি তেখনে চেৰায়।
দুই সতিনিৰ পুৰি জথা তথা পায়॥
মনত হৰিসে তেবে সেহি মুনিবৰ।
চণ্ডিকাৰ আগে নাৰদ দিলন্ত উত্তৰ॥৫৩৭
নাৰদে বোলে মামি তোৰ নিষ্ফল জিৱন।
নিচিন্ত মনে তুমি আচা কি কাৰন॥
এক নাৰি আনি আচে দেৱ মহেশ্বৰ।
হৰসিতে নৃত্য কৰে বাৰিৰ ভিতৰ॥৫৩৮

চণ্ডিকাৰ ক্ৰোধ নাৰদৰ কথা সুনি চণ্ডিকাই বোলে।
মিথ্যা বচন বুলি মোক ভাণ্ডিচা কেৱল॥
নাৰদে বোলে সুনা মামি জদি মিচা কঞো।
আপুনাৰ মাথা গোট আপুনিয়ে খাঞো॥৫৩৯
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
চণ্ডিৰ কথন বুলি একযে লেচালি॥

৭২. দিহা : হে নাৰদৰ বানি সুনি কোপে বোলে ভবানি॥

পদ : সেহি নাৰি সঙ্গে পৃতি হৈয়াচে সিৱাই।
তাৰ এক কলা ৰূপ তোমাৰ গায়ে নাই॥
প্ৰকুপিত হৈলা চণ্ডি নাৰদৰ বচনে।
সিংহৰ পৃষ্টিত চৰি কৰিলা গমন॥৫৪০

---

৫৩৯. 'ঙ' পুথিৰ পৰা

স্বৰিতে আইলেক চণ্ডি সভাৰ ভিতৰে।
সিয়ক ক্রোদ্ধ কৰি চণ্ডি লাগে বুলিবাৰে ॥
চণ্ডি বোলে ভাঙ্গাৰা তোৰ বুদ্ধি বিপৰিত।
আমাৰ ঘৰে ভাত নাই তোমাৰ নৃত্য গিত ॥৫৪১
পৰস্ত্রিক লৈয়া তুমি কৰা নৃত্য গিতে।
উপবাসে প্রান জাই পেট পোৰে তাতে ॥
বলধে চৰিয়া তুমি বেৰায়া ঘৰে ঘৰে।
দেৱ হৈয়া কোন জনে হেন কর্ম্ম কৰে ॥৫৪২
পৰস্ত্রিক লৈয়া তুমি কৰা কদাচাৰ।
চণ্ডীৰ ক্রোধ দেবৰ সভাত তোমাৰ এতেক খাংখাৰ ॥
সুকবি নাৰায়ন দেবৰ সৰস পাঞ্চালি।
চণ্ডিৰ কথন বুলি একয় লাচাৰি ॥৫৪৩

৭৩. দিহা: ঐ এ-কি সিব জটা ভাঙ্গাৰা।
কাৰ নাৰি আনি আচা সভাৰ ভিতৰে ভাল ॥

পদ: কোপ কৰি বোলে চণ্ডি কাৰ্ত্তিকৰ মাই।
স্বৰূপ কৰিয়া ভাঙ্গাৰা কহ মোৰ ঠাই ॥
কাহাৰ কুমাৰি এহি আচিলেক কোথা।
কমন কাৰ্য্যক লাগি আসি আচে এথা ॥৫৪৪
চণ্ডি বোলে সুন সিৱ কহো তোমাৰ ঠাই।
ভিতৰে ভাণ্ডাৰে তোমাৰ কিচু ধন নাই ॥
চণ্ডীৰ দ্বাৰা শিৱক ভৎর্সনা ভাঙ্গ জে ধুথুৰা খাস আৰ সাতবাৰি।
জথা তথা হস্তে আনা পৰ ঘৰৰ নাৰি ॥৫৪৫
সিৱে বোলে সুন চণ্ডি আমাৰ বচন।
নৃত্যকিক তুষ্ট কৰ কিচো দিয়া ধন ॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
চণ্ডিৰ জিজ্ঞাসা বুলি একয় লাচাৰি। ৫৪৬

৭৪. দিহা : অ জগত গৌৰি অহে মাও।
অ প্ৰভুক জিয়াই দিয়া তুমি মোৰে ॥

পদ : চণ্ডি বোলে সুন নটি আমাৰ বচন।
কহা তুষ্ট হৈবা তুমি পাইলে কোন ধন ॥
এতস্সুনি বেহুলাৰ হৰসিত মন।
দুখৰ কথা কহো মাতা তোমাৰ চৰন ॥৫৪৭

চণ্ডীৰ ওচৰত বেউলাৰ অভিযোগ প্ৰকাশ

নাহি মাগো ধন জন নামাগো সাসন।
সত্য কৰা মাও তুমি কহো বিবৰন ॥
চণ্ডি বোলে জেহি পাইলে তুষ্ট হৈবা তুমি।
সেহি কৰ্ম্ম সত্যে সত্যে কৰি দিবো আমি ॥৫৪৮

বেউলা বোলে সুনা মাও হেমন্ত নন্দনি।
মন দিয়া সুন কহো দুখৰ কাহিনি ॥
নভৈলেক মাস পক্ষ দিন দুই চাৰি।
কাল ৰাত্ৰ পদ্মাৱতি মোক কৈল বাৰি ॥৫৪৯

নাৰি কুলে জন্ম মই বিফলে লভিলো।
স্বামি লৈয়া এক ৰাত্ৰ সুখে নবঞ্চিলো ॥
জগত গোসানি তুমি জগত ইস্বৰি।
পদ্মাৱতি মাৰিলেক মোৰ সুন্দৰ লখাই ॥৫৫০

চৰনে ধৰিয়া মাও কহো তোমাৰ ঠাই।
জদি পক্ষাপক্ষ বুঝ ধৰ্ম্মৰ দোহাই ॥
চণ্ডি বোলে সুন সিৱ আমাৰ বচন।
তোমাৰ কুমাৰি চাৰ হেন অভাজন ॥৫৫১
প্ৰথম জোৱন কন্যা পৰম সুন্দৰি।
অল্পপ বয়সে ইহাক কৰি আছে বাৰি ॥

নাহি মাগো ধন জন নমাগো সাসন।
পদ্মাক আনিয়া তুমি বুঝা বিবৰন॥৫৫২

পদ্মাক আনিবৰ বাবে দূত প্ৰেৰণ

সিৱে বোলে সুন নাৰদ আমাৰ উত্তৰ।
পদ্মাৱতিক লৈয়া আস সভাৰ ভিতৰ॥
এত সুনি নাৰদ মুনি চলিল সত্তৰ।
পদ্মা পদ্মা বুলি ডাক চাৰে উচ্চৈস্বৰ॥৫৫৩
দ্বাৰি নাগে বোলে সুন নাৰদ মহামুনি।
জৰে পৰি আচে পদ্মা তেজি অন্ন পানি॥
বিস্তৰ ডাকিয়া মুনি নাপায়া উত্তৰ।
সত্বৰে কহিল গৈয়া সিৱৰ গোচৰ॥৫৫৪
সিৱে বোলে নাৰদ মুনি জাহা আৰোবাৰ।
কাৰ্ত্তিক গনাই সঙ্গে জাউক তোমাৰ॥
পুনৰপি চলি গৈলা নাৰদ মুনিবৰ।
কপাট ঠেলিয়া গৈল পুৰিৰ ভিতৰ॥৫৫৫

পদ্মাৰ মায়াজ্বৰ

মায়াজৰে সুহ আচে অনন্তৰ মাই।
মাথে ধৰি তোলে জাই কাৰ্ত্তিক গনাই॥
হেন দেখি পদ্মাৱতি গুনে মনে মন।
কাৰ্ত্তিক গনাইক বোলে কটুৰ বচন॥৫৫৬
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
পদ্মাৰ কৌতুক বুলি একয় লাচাৰি॥

৭৫. দিহা : বিসহৰি বোলে ভাই সুন কাৰ্ত্তিক গনাই
সৰিৰ দগধ মোৰ দুখে।

পদ : দুষ্ট বেটা চন্দ্ৰধৰে কঙ্কাল ভাঙ্গিলা মোৰে
সেহি বিস উঠে মাস পক্ষে॥৫৫৭

ৰাত্ৰ দিবা আঠ প্ৰহৰ গাৱে হৈচে কম্পজৰ
শুন ভাই নাৰদ মহামুনি।
বিসম জৰৰ তাপে উঠিতে মোৰ মাথা কাম্পে
কালিহন্তে তেজিলো অন্নপানি ॥৫৫৮

নাৰদে হাত দিয়া চাৱে পানি হেন লাগ পাৱে
সুন বহিনি বচন আমাৰ।
পদ্মাৰ অভিযোগ
বৰ হৈচে কম্পজৰ হেম হেন কলেবৰ
এহি জৰে মৰন তোমাৰ ॥৫৫৯

নাৰদে বোলে পদ্মাৱতি বুঝিলো জৰৰ গতি
জদি খাৱ দধি নাৰিকল।
ঘোল পানি থৈয়া অন্ন জদি কৰহা ভক্ষন
এতিক্ষনে অন্তৰিবো জৰ ॥৫৬০

আৰ এক ঔষধ কহো মই পকা টেপোৰ টেঙা দই
জদি খাৱ প্ৰভাত সময়।
ই জৰ জাইবেক চাৰি গুচিবো মুখৰ জাৰি
তেবে ভগ্নি গুচিব সংসয় ॥৫৬১

বুলিলেক পদ্মাৱতি সুন ভাই গনপতি
মৰিব মোৰ পোৰে মহা দুখে।
চান্দোৰ ঠাই পায়া ডৰ গাৱে হৈচে কম্পজৰ
সেহি জৰ উঠে মাসে পখে ॥৫৬২

৫৫৭—৫৬০. 'ক' আৰু 'খ' পুথিৰ পৰা।

৫৬১. পদৰ পৰবৰ্তী পদ 'ঘ' আৰু 'ঙ' পুথিত :
পাঁজে আৰু পন্তা ভাতে। টেঙ্গা জালা দিবা তাতে। তাক খাবি গধুলি সময়। এহি দাৰু যেবে খাইবা। তাৰ নদিৰ কোলে ঠাই। তেবে বৈৰি গাৱৰ বল পায় ॥ আহুধানৰ আলোৱা গুৰা। ভাত দিবা আমালা চুৰা। পুৰা মালভোগ টেঙ্গা দৈ।

নাৰদে বোলে পদ্মাৱতি পুন্ন কহো জুগুতি
চলা তুমি সিৱৰ গোচৰে।
ধৰিয়া উত্তম বেস খিৰে কৰ প্ৰবেস
চল জাঞো নৃত্য দেখিবাৰে। ৫৬৩
মায়া পাতি নিদ্ৰা জায় পানি হেন হাত পায়
কেনে তুমি সিৱক ভাণ্ডা চলে।
ৰহিতে নাপাৰা তুমি নিশ্চয় কহিলো আমি
সুকবি নাৰায়ন দেৱে বোলে ॥৫৬৪

৭৬. দিহা ঃ কত মায়া কৰা দেৱি সিৱৰ কুমাৰি ॥

পদ ঃ নাৰদে বোলে সুন তুমি জয় বিসহৰি।
তোমাৰ কপট মায়া বুঝিতে নাপাৰি ॥
সিৱৰ আদেসে আমি আইলো দুইবাৰ।
তথাপি চাহা তুমি ঘৰত ৰহিবাৰ ॥৫৬৫
ভিন্ন দেসি নৰ্ত্তকি আসি নৃত্য কৰে।
নগৈলে কাতৰ বানি বুলিব তোমাৰে ॥
কাতৰ নহবা তুমি সঙ্কৰ দুহিতা।
পিতা তোমাৰ পসুপতি অখিল স্ৰজোতা ॥৫৬৬
এক লক্ষ আচে তাহাৰ কুবেৰ ভাণ্ডাৰি।
তৃভুবনে বোলে তাক ধন অধিকাৰি ॥
হেন দেবৰ কন্যা তুমি জানিয়া বিসেসে।
নৃত্যকিক দেখি আসা আন দেৱ সমে ॥৫৬৭
তোমাকে পাইবো বুলি মনৰ বাঞ্চিত।
তে কাৰনে নৃত্যকি এৰিয়া আচে নৃত্য পিত ॥
দান হস্তে জাৰ কিৰ্ত্তি সংসাৰতে নাই।
ইহ পৰলোকে ধৰ্ম্ম দান হস্তে পাই ॥৫৬৮

৫৬৫—৫৬৮. 'ক' আৰু 'খ' পুথিৰ পৰা।

দান হন্তে পাপ খণ্ডে হয়ে পুন্যবাসি।
সংসাৰত জত ধৰ্ম্ম পাইবা দ্বাৰে বসি॥
মহাৰাজা হৰিচন্দ্ৰ জন্ম সুৰ্য্য বংসে।
দানহস্তে পৃথিবি এৰি গৈলা স্বৰ্গবাসে ॥৫৬৯
দানৰ মহিমা কীৰ্ত্তন — দান ভোগ নকৰিয়া কৰ কোন কাজ।
উপহাস্য কৰিবেক দেৱৰ সমাজ॥
তোমাৰ সঙ্গে কথা কৈলে সৱে হয়ে সুখি।
স্বৰুপে চণ্ডিকাই নাম থৈচে বিসমুখি॥৫৭০
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
নাৰদৰ কথন বুলি এক যে লেচাৰি॥
৭৭. দিহা: নাৰদে বোলয়-ৰে সুনা ভগ্নি আমাৰ উত্তৰ॥
পদ: নাৰদৰ বচনে পদ্মা নেদিলা উত্তৰ।
সিৱে পঠাই আচে আমাক চলহ সত্বৰ॥
ক্রোধে পেট ফুলে পদ্মা নাৰদৰ বচনে।
প্রবোধ বাক্য বোলে নেতা পদ্মাবতি সুনে ॥৫৭১
আসি আচে দুই ভাই কাৰ্ত্তিক গনাই।
তাহাক বিমুখ কৰিতে কোনো কাৰ্য্য নাই॥
সতাই মাও বিমুখ হৈবো দেৱ পসুপতি।
ব্রহ্মা বিষ্ণু বিমুখ হৈবো জত দেৱ ইতি ॥৫৭২
সাতপাঞ্চ কথা পদ্মা মনত কৰি সাৰ।
ধনঞ্জয় নাগে লৈল ইখাট ভৃঙ্গাৰ॥
স্বেত জে চোৱাৰ নেতা লৈলা দক্ষিন হাতে।
বাম হাতে বটা লৈল কৰ্পুৰ সহিতে ॥৫৭৩

৫৬৯—৫৭৩ 'ক' আৰু 'খ' পুথিৰ পৰা।

নাৰদ গনেস কার্ত্তিক চলে তিনিজন।
আন কথা এৰি পদ্মা কৰিলা গমন ।।
বামে সিৱ বসি আচে দক্ষিনে চণ্ডিকা।
তাহাৰ মধ্যত গৈয়া পদ্মা দিলা দেখা ।।৫৭৪

বেফুলাক দেখি বৈসে আৰ মুখ কৰি।
সিৱৰ দোহাই দিলা বেফুলা সুন্দৰি ।।

বেউলা বোলে পদ্মা তোমাৰ পিতাৰ দোহাই।
আমি নৃত্য কৰো জদি চাহা অন্য ঠাই ।।৫৭৫

নৃত্য সমুখ হৈয়া বসিল জয় বিসহৰি।
পুনৰপি নৃত্য কৰে বেফুলা সুন্দৰি ।।

সুকবি নাৰায়ন দেবৰ সৰস পাঞ্চালি।
বেফুলাৰ নৃত্য বুলি একয় লাচাৰি ।।৫৭৬

৭৮. দিহা : অ নটি নাচন নাচে-ৰে মোহনি কাচে।
অ নানান বৰনে নটি নাচয় ভাল ।।

পদ : নাচে বেউলা সুন্দৰি বদন প্ৰকাসি হাসে।
অৰুন উদিত জেন কমল প্ৰকাসে ।।
খঞ্জন গমনে চলে হাতে তাল ধৰি।
সভাৰ মধ্যত থাকি নানা বেস কৰি ।।।৫৭৭

সুভাৰ সঞ্চাৰে নাচে নাহি হালে গায়।
চৰনে নেপুৰ বাজে অধিক সুহায় ।।
পৱন জিনিয়া পাক লৈলেক সোভন।
আবৰন উৰে জেন দেখে দেৱগন ।।৫৭৮

খনো উঠে খনো বসে তালে দিয়া মন।
মধু মাসে ময়ুৰে জেন ধৰিচে পেখন ।।
সভাৰ মধ্যত পাক লৈল সুসোভন।
ইন্দ্ৰ আদি মুহিলা সকলে দেবগন ।।৫৭৯

৫৭৪—৫৭৭. 'ক' আক 'খ' পুথিৰ পৰা।

ইসত্ত ভঙ্গিমা দিয়া নয়নে চায়া হাসে।
বেউলাৰ নৃত্য — বচন সুন্দৰ জেন অময়া বৰিসে॥
ৰক্তবৰ্ণ কাঞ্চুলি জেন দেখিতে সুন্দৰ।
সুবেস জিনিয়া তন্নু অতি মনোহৰ॥৫৮০
কণ্ঠে পিন্ধি আচে সুদ্ধ মকুতাৰ মালা।
কনক সিখৰে জেন সোভে চন্দ্ৰকালা॥
অসুৰ জে দানৱ দৈত্য গন্ধৰ্ব্ব বিদ্যাধৰ।
সকলে মিনতি কৰে পদ্মাৰ গোচৰ॥৫৮১
বিলম্ব নকৰ পদ্মা জিয়াউ লখিন্দৰ।
নাৰায়ন দেৱে বোলে মনসাৰ কিঙ্কৰ॥৫৮২

৭৯. দিহা: নৃত্য কৰে বেহুলা দেবৰ বিদ্যমান।
প্ৰনাম কৰিয়া নাচে দেৱৰ সন্নিধান॥

পদ: খোপাৰ উপৰে সোভে মালতিৰ মালা।
খঞ্জন গমনে চলে জেন চন্দ্ৰকালা॥৫৮৩
কনক কিঙ্কিনি সোভে আতি মনোহৰা।
কাঞ্চা সৰাত পাক লৈচে জেনয় ভ্ৰমৰা॥
দন্দুভি মৃদঙ্গ বাজে চৰনে নেপুৰ।
মেঘৰ গৰ্জনে জেন নৃত্য কৰে ময়ুৰ॥৫৮৪
সিৱে বোলে সুন নটি আমাৰ উত্তৰ।
বেউলাৰ লগত শিৱৰ কৌতুক — আলিঙ্গন দিয়া মোৰ প্ৰান ৰক্ষা কৰ॥
হেন সুনি বেউলা সতি বুলিলা বচন।
অকাৰনে কোৱা কেনে অকথা কথন॥৫৮৫
পদ্মাৰ আজ্ঞা বাসে মই আসিলো তোমাৰ থানে।
দেব সভা মধ্যে মন্দ বোলা কি কাৰনে॥
হেন সুনি চণ্ডিকাৰ কোপাবিষ্ট মন।
আমাৰ সাক্ষাতে তোমাৰ এমত লক্ষন॥৫৮৬

৫৭৮—৫৮২. ‘ক’ আৰু ‘খ’ পুথিৰ পৰা।
৫৮৩—৫৮৭. ‘ক’ আৰু ‘খ’ পুথিৰ পৰা।

এত শুনি ভোলানাথে কহিতে লাগিলা।
চণ্ডিকাৰ মুখ চাই হাসিতে বুলিলা ॥
সিয়ে বোলে শুন তুমি কার্তিকৰ মায়।
দান দিয়া নৃত্যকিক বিদায় কৰায় ॥৫৮৭
ধনৰ কাতৰে নোহে আসে দেৱপুৰি।
কালৰাত্রি ইহাৰ পতি খাইলা বিসহৰি ॥
বানৰ নন্দনি এহি নাম ইহাৰ উসা।
সত্য কৰি স্বৰ্গহস্তে আনিলা মনসা ॥৫৮৮
সিৱৰ সাখ্যাতে কহে তেবে সুৰদসা।
ডাক দিয়া পোচ দেখো কি বোলে মনসা ॥
অসুৰ দানৱ গন্ধৰ্ব্ব আৰ বিদ্যাধৰ।
সকলে কহে কথা পদ্মাবতিৰ গোচৰ ॥৫৮৯
বিলম্ব নকৰা পদ্মা জিয়াঞো লখিন্দৰ।
নাৰায়ন দেৱে কয় মনসা কিঙ্কৰ ॥

৮০. দিহা : কানাই মুকলি বজাই।
তকুৱা কদম্বৰ তলে মুকলি বজায় ॥

পদ : সিয়ে বোলে সুনা তুমি জয় পদ্মাবতি।
তুমি জন্ম কৈলে জিবে নৃত্যকিৰ পতি ॥
অসেস সাহস কৰি আইল মোৰ পুৰি।
মুহিলে সকলে দেৱ সুন্দৰি নৃত্য কৰি ॥৫৯০

শিৱৰ দ্বাৰা পদ্মাক নিৰ্দেশ

এতসুনি পদ্মাবতি বুলিলা বচন।
আমিতো নাজানো একো ইহাৰ বিৱৰন ॥
কাহাৰ কুমাৰি সিতো থাকে কোন থানে।
হেন অপবাদ দেই দেৱৰ বিদ্যমানে ॥৫৯০ক

৫৮৮—৫৯০. 'ক' আৰু 'খ' পুথিৰ পৰা।

হেন দুৰাক্ষৰ বানি কহে মোৰ ঠাই।
কোনো কালে উসাৰ মোৰ পৰিচয় নাই॥
পদ্মাবতি কহে কথা সভাৰ বিদিত।
বিনা দোসে এমত বাক্য নোহয় উচিত ॥৫৯০খ
উচিত বুলিয়া চণ্ডি বোলে বৰ ৰোসে।
নেতাই বোলে লখাই মৰে সদাগৰৰ দোসে॥
আবুধিয়া সমুৰ এহিৰ বুঢ়া বেটা।
আপুনাৰ দোসে তাৰ পাখা গৈলা কাটা ॥৫৯১
চণ্ডি ক্ৰোধে বোলে পুত্ৰৰ নিন্দা সুনি।
হাসিয়া হাসিয়া বোলে নাৰদ মহামুনি॥
আতাইৰ সম্বন্ধে পদ্মা হাস পৰিহাস।
সম্বন্ধে বুলিচে মন্দ কোপ কৰা কিস ॥৫৯২
নকৰিবা কোপ মামি খেমা কৰা দোস।
নাৰদৰ বচনে চণ্ডি ভৈলেক সন্তোস॥
এহিমতে চণ্ডি জেবে খেমা দিয়া ৰৈলা।
সুনিয়োক পদ্মাৱতি জেন কথা ভৈলা ॥৫৯৩
ইসত হাসিয়া পদ্মা বুলিলা বচন।
সিৱ বিদ্যমানে বোলে দুৰ্জ্জন বচন॥
বৈতালি কৰিয়া মিচা কহিচা উসাৰে।
বিচাৰিয়া চুন কালি দিবোহো ইহাৰে ॥৫৯৪
বানিয়া ধাউৰি বেটি কাহাৰ ভাবসে।
মোক আসি বাদ দেই সংসাৰ জে হাসে॥
নগৰিয়া বেস্যা এই দুষ্টৰ বেটি।
সভা হন্তে বাহিৰ কৰ নাক চুল কাটি ॥৫৯৫
সভা বিদ্যমানে মোক দেই অপবাদ।
পাচত মৰিবো বেটি মুণ্ডনে প্ৰমাদ॥

৫৯০খ—৫৯৫. 'খ' আক 'ঘ' পুথিৰ পৰা

আমাৰ সাখ্যাতে আসি কহয় মিচা কথা।
খণ্ডাবো খোপাৰ গৰ্ব্ব মুণ্ডায়া মাথা ॥৫৯৬
কাহাৰ বোলে বাদ মোৰে কৰহ বৈতালি।
গঙ্গাৰ কৰিবো পাৰ দিয়া চুন কালি॥
জাৰ গৰ্ব্বে বোল বেটি কহা এত বোল।
পেখন ভাঙ্গিবো আজি কাটিয়া নাক চুল ॥৫৯৭
নৃত্য-গিত পাতি আচাসা সভাক ভাবিয়া।
কৰিবো উচিত দণ্ড মাথাক মুণ্ডায়া॥
নাক চুলি কাটি পঠায়া দিবো দূৰ দেসে।
মনুস্যে দেখিয়া জেন ৰাভূ দিনে হাসে ॥৫৯৮
চণ্ডি বোলে মনসা নকহ বৰ কথা।
তোৰ বোলে বেফুলাৰ কোনে মুৰাবেক মাথা॥
আপুনাৰ গৰ্ব্বে তুমি কৰি আচা বল।
বিনা কথা মুবুজিলে কিবা ফলাফল ॥৫৯৯
নিবেদন কৰি আচে দেৱ বিদ্যমান।
দুষ্টৰ বচন তাক বোলা কি কাৰন॥
ন্যায়ে বুঝিলে জদি উষাৰ দোস হয়।
তেবেতো উচিত ফল দিবেতো সভায় ॥৬০০
চণ্ডি দেৱি সহায়ে ভাৰসা ভৈল মনে।
বেউলাৰ দ্বাৰা পদ্মাক ভৎসনা
বেফুলাই পদ্মাৰে বোলে তৰ্জ্জন বচনে॥
মোৰ দোসে তোমাক নপাৱে একো কালে।
আপুনি নিৰ্দ্দোসি হৈয়া তুমি থাকা ভালে ॥৬০১
সঙ্কৰৰ কন্যা তুমি নাম পদ্মাবতি।
সতেক দোস থাকিলে মাঞ তুমি বৰ সতি॥

৫৯৬—৫৯৭ 'ক' আৰু 'খ' পুথিৰ পৰা।
৫৯৮—৬০১. 'ক' আৰু 'খ' পুথিৰ পৰা।

বৰ দোস থাকিলে তোমাত দোস নাই।
মাস পক্ষ থাকিলে দোস সকলে মিসায় ॥৬০২
নয়নৰ ঠাৰে চণ্ডি বোলে বেকুলাৰে।
সেহি গৰ্ব্বে বেফুলাই পদ্মাক তিৰস্কাৰে ॥
আমি ভালে জানিলো জাহাৰ জেহি ধৰ্ম্ম।
হৃদয়ে কপট কৰি মুখে কৰা মৰ্ম্ম ॥ ৬০৩
আমাক বোলাহা পদ্মা সভাক হস্তুয়াইলো।
অচিদ্ৰ পদ্মাবতি তুমি থাকা ভালে ॥
আমাক বোলাহা পদ্মা নাহি কোন কাজ।
থাকিলেও নাথাকে তোমাৰ মুখে লাজ ॥৬০৪
আমাৰ বিৰম্বনা জত তোমাৰ কৰ্ম্ম ফলে।
লাজ নাহি নিলাজিনি তুমি থাকা ভালে ॥
কলাৰ চটিয়াই জেন তুলসিৰ মালা।
মহাজনৰ সিৰত থাকয় সৰ্ব্বকালা ॥৬০৫
সঙ্কৰৰ কন্যা তুমি এহি গৰ্ব্ব কৰা।
ইহেন নহৈলে তুমি কি কৰিতে পাৰা ॥
তুমি হেন কুটনি কোথাই নাহি দেখি।
সৰ্ব্বদা ধাউৰি তুমি আতি বিসমুখি ॥৬০৬
সভাৰ মধ্যত পদ্মা বসি আচে শুনি।
মহাক্রোধে পেটফুলে চক্ষুৰ পাৰে পানি ॥
কান্দিতে কান্দিতে কহে সভাৰ বিদিতে।
বানিয়া ধাউৰি বোলে সভাৰ আগতে ॥৬০৭
বেউলা বোলে মন্দমতি তুমি সে বোলায়া।
আপুনৰ মান্য তুমি আপুনি হৰায়া।
চণ্ডি বোলে মনসা কান্দ অকাৰনে।
মনৰ দুখে বুলি আচে সভা বিদ্যমানে ॥৬০৮
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
পদ্মাৰ কৰুনা বুলি একয় লেচালি ॥

৬০২—৬০৬. 'ক' আৰু 'খ' পুথিত নাই।

৮১. দিহা : অ বিধি অঘোৰ নয়নি
অ কান্দয় মনসা দেৱি ॥

পদ : তোৰ হস্তে আসি আছে বৰ দুখ পায়্যা।
দুৰবাক্য বুলি আচা দেৱক সুনায়্যা ॥
কোন দোসে বেহুলাক কৰি আচা বাৰি।
মাৰিয়া এৰিতে চাহা কৰি ফাৰিফুৰি ॥৬০৯
চাণ্ডালৰ মতি জেন কান্দিয়া বেৰায়।
মনসাৰ ক্রন্দন
কান্দিলে এৰান নাহি জিয়াইলে এৰায় ॥
কষ্ট মন কৰি পদ্মা বুলিলা চণ্ডিৰে।
বেহুলাৰ পক্ষ হুয়া সতাই কি কৰিতে পাৰে।
গৰ্ব্ব নকৰাৰ্হা চণ্ডি সুনা জত কয়।
তোমাক নাপাইলে তাইৰ কোনো কাৰ্য্য নাই ॥৬১০
চণ্ডি বোলে মনসা আৰে কি কৰিতে পাৰে।
নিজিয়াইলে লখাইক কিমতে জাইবা ঘৰে ॥
বাপৰ আসা পায়্যা কাক কৰা ধিঙ্গৰালি।
কাকো কৰা সৰ্ব্বনাস কাকো কৰা বাৰি ॥৬১১
জটিয়া ভাঙ্গাৰা বাপ ঝিউ জে ধাউৰি।
মুখৰ দোসে স্বামি জাই আচে অন্তৰি ॥
সংসাৰক দংসিয়া ফুৰা লাজ নাহি কানি।
কপটে মায়া কৰি কান্দা চক্ষুৰ নাহি পানি ॥৬১২
প্ৰবোধিয়া চণ্ডিৰে পদ্মাক বোলে সিৰে।
কষ্ট নকৰহ পদ্মা সুনা কহো তেবে ॥
সাক্ষী দেখুৱাবলৈ বেউলাক নির্দেশ
সাখি কৰোক তেবে বেহুলা সুন্দৰি।
তেবে পদ্মাবতি হৈবো তাইৰ স্বামি বৈৰি ॥৬১৩
পদ্মাৱতি বোলে এহি প্ৰমান কৰোক।
গালাগালি জত মানে এখানে থাকোক ॥

---

৮১. দিহা : 'ঘ' পুথিৰ পৰা। ৬০৭—৬১০. 'ক' আৰু 'ঘ' পুথিৰপৰা।
৬১১—৬১৫. 'ক' আৰু 'খ' পুথিৰ পৰা।

বেউলা বোলে নাপাবো মই প্রমান কৰিতে।
পদ্মা বোলে চুন কালি দিবো এথা হস্তে ॥৬১৪
চুন কালি দেঙ্খা দিয়া গংগাৰ পাৰ কৰি।
আমাৰ উচিত সাস্তি কহিতে নাপাৰি ॥
এহি বাক্য দৰসাইলো নাহি আৰ লবে।
সভাৰ ভিতৰে লোৰ বেকুলাই এবে ॥৬১৫
নাৰায়ন দেবে বোলে মনসাৰ দাস।
পদবন্ধে পাঞ্চালি কৰিলা প্ৰকাস ॥

৬২. দিহা: অ মাই তুমি বিনে অ মাই তুমি বিনে
প্ৰভুক খাইলা কিসে ॥

পদ: কাঞ্চুলি চিৰিয়া এবে সভাৰ ভিতৰে।
তোমাৰ পদ্মা কুমাৰি লোৰ ভৰ কৰে ॥৬১৬
বেউলা বোলে সুনা পদ্মা আমাৰ উত্তৰ।
তোৰ মোৰ ন্যায়ে পদ্মা লোৰ ভৰ কৰ ॥
কাঞ্চুলি চিৰিয়া লোৰ এবে বানিয়ানি।
মোৰ প্ৰভুক মাৰি আচে বেঙ্গ খাৱা কানি ॥৬১৭
মোৰ স্বামি মাৰি তুমি কোথা জাইবা সাৰি।
দেৱগনে মিলি তোমাক দিবো চুন কালি ॥
জদি জনাইতে পাৰো সুনা বিসহৰি।
জত দাই কৰি আচা দিবো লেখা কৰি ॥৬১৮
লজ্জাৰ কাৰনে লোৰ কৰে বিসহৰি।
বেউলাৰ সাখী প্ৰদৰ্শন
বেউলা সতি লোৰ কৰে তামোল-পান জুৰি ॥
অনন্তৰে লোৰ কৰে মাঞো বিসহৰি।
ছুইবো লোৰ তুলি লৈলা নাৰদে হাস্য কৰি ॥৬১৯
হেনকালে বুলিলেক দেব মহেস্বৰ।
কোন কোন সাখি আচে তাৰ নাম ধৰ ॥
বেহুলাই কহয় কথা দেৱৰ গোচৰ।
এক সাখি আচে মোৰ দেব পুৰন্দৰ ॥৬২০

আৰ সাখি আছে জম ৰবিৰ নন্দন।
অন্তকালৰ সাখি মোৰ এহি দুই জন ॥
ইহলোকৰ সাখি সঙ্গে আচে আৰ মোৰ।
পাচত জনাবো সাখি সুনা মহেস্বৰ ॥৬২১
এতসুনি মহাদেৱ হৰসিত হৈলা।
ইন্দ্ৰৰ নিকতে কথা পুচিবাক লৈলা ॥
সুকবি নাৰায়ন দেবৰ সৰস পাঞ্চালি।
সাখিৰ সোধন বুলি একয় লেচালি ॥৬২২

৮৩. দিহা : ঐ এ সিৱে বোলে পুৰন্দৰ ॥৮

পদ : সিৱে বোলে সুন পুৰন্দৰ পোচো তোমাৰ গোচৰ
নৃপ্যকি মানিলা তোমাক সাখি।
নকহিবা মিচা বানি সত্য কথা জিৱ জানি
কহা কিচু ধৰ্ম্ম জ্ঞান দেখি ॥৬২৩
সুনিয়া সিৱৰ কথা ইন্দ্ৰে কৈল হেঠ মাথা
চিন্তিয়া আচিল কতক্ষন।
পদ্মা গৈয়া আমাৰ পুৰি উসাৰে আনিলা হৰি
পুৰ্ব্ব কথা হৈল স্মৰন ॥৬২৪

ইন্দ্ৰাদি দেৱতাৰ সাক্ষ্য প্ৰদান

বুলিলেক পুৰন্দৰ পদ্মাবতিৰ গোচৰ
সুন পদ্মা আমাৰ বচন।
তুমি গৈয়া আমাৰ পুৰি অনিৰুদ্ধ উসাক আনিলা হৰি
বিবাদ কৰস অকাৰন ॥৬২৫
বুলিলেক মহেস্বৰ জম ৰাজাৰ গোচৰ
তুমি কিচো কহা বিবৰন।
সুনিয়া সিৱৰ বানি জম ৰাজা বোলে পুনি
সঙ্কা ভৈলা নৃত্যকিৰ বচন ॥৬২৬
জমে বোলে বিসহৰি অনিৰুদ্ধ উসা আনিলা হৰি
প্ৰান লৈলা সমুদ্ৰৰ-কুলে।
মোৰ সমে বাদ কৰি লৈয়া গৈলা মৰ্ত্ত্যপুৰি
সুকবি নাৰায়ন দেবে বোলে ॥৬২৭

৮৪. দিহাঃ অ এ মোৰ হৰি-না-ৰে।
কি পোচা হে মোৰ তুখৰ কথা॥

পদঃ সিৱৰ আগে বেফুলাই কান্দিয়া কহে কথা।
তোমাৰ কন্যা পদ্মা কৈলা পঞ্চম অৱস্থা॥
ইন্দ্র জমে সাখি দিলা তোমাৰ গোচৰ।
প্রভুক জিয়াইবাৰ আজ্ঞা কৰাহা সত্ত্বৰ॥৬২৮
সিৱে বোলে সুনা তুমি বেফুলা সুন্দৰি।
কমন পুন্যেৰ ফলে আইলা দেৱপুৰি॥
পদ্মাৱতি হৰিল জে কমন কাৰনে।
পুনৰপি গৈল কেনে নৰৰ ভুবনে॥৬২৯
বেউলা বোলে দৈত্য কুলে জন্ম হৈলা মোৰ।
পদ্মাৱতীৰ পৰাজয় বলি হোৱে পিতামহ পিতা বানাসুৰ॥
দানৱ নন্দনি আমি সোনিতপুৰে ঘৰ।
পদ্মা হৰি নিল মোক মৰ্ত্ত্যৰ ভিতৰ॥৬৩০
নানা ৰত্ন অলঙ্কাৰ অগৰু চন্দনে।
মুনিগনক কৰো দান সিৱৰাত্ৰি দিনে॥
সেহিতো পুন্যৰ ফলে গৈলো স্বৰ্গপুৰি।
নৃত্যকি ভেস ধৰি হৈলোহো বিদ্যাধৰি॥৬৩১
দৈৱৰ নিবন্ধ মোৰ লেখন কপালে।
নৃত্যকালে পদ্মাৱতি টুটাইল তাল॥
অবিচাৰে সাপ মোক দিলা পুৰন্দৰে।
মৰ্ত্ত্যে থাকিবা তুমি দ্বাদশ ৰৎসৰে॥৬৩২

---

৮৪. দিহা 'ঘ' পুথিত উল্লেখ থকা দ্বিতীয় দিহা :
মনেৰ দুখ মই কাহাতে কহিবো নাৰে।
চিত্তেৰ কথা মই কাহাতে জনাইবো॥

৬২৮ "ইন্দ্র …… সত্ত্বৰ।'—'ক' পুথিত নাই, 'খ' আৰু 'ঘ' পুথিৰ পৰা।

সেহিক্ষনে পদ্মাবত্তি হৰি আনিলা মোৰে ।
মাৰিয়া জন্মাইলা নিয়া বানিয়াৰ ঘৰে ॥
চান্দো জে সস্থুৰ মোৰ সাহুৰি সোনাই ।
তাৰ ঘৰে অনিৰুদ্ধ জন্মিল লখাই ॥৬৩৩
মোৰ জন্ম হৈল গৈয়া সাহে ৰাজাৰ ঘৰে ।
জত্ন কৰি বিহা কৰাইলা লখিন্দৰে ॥
বিনা অপৰাধে পদ্মা ৰাৰি কৈলা মোৰে ।
সেহিহন্তে উপবাসি ভাসিলো সাগৰে ॥৬৩৪
জত দুখ পাইলো পিত্তা কহিবো কাৰ থানে ।
ইস্বৰ জানিয়া তোমাৰ ধৰিলো চৰনে ॥
আমিতো নৃত্যকি পদ্মা তোমাৰ নন্দনি ।
পক্ষাপক্ষ এড়িয়া দেহ সুনিয়োক সুলপানি ॥৬৩৫
বেহুলাৰ বন্দনে সিৱৰ বদন প্ৰকাসে ।
সম্বন্ধ ধৰিয়া সিৱে বোলে পৰিহাসে ॥
বানৰ সম্বন্ধে নাতি হোৱাতো সুন্দৰি ।
চান্দোৰ সম্বন্ধে হোয়া নাতি জে বহাৰি ॥৬৩৬
তোৰ ৰূপ দেখি মোৰ দহে কলেবৰ ।
আলিঙ্গন দিয়া মোৰ প্ৰান ৰক্ষা কৰ ॥
সুকবি নাৰায়ন দেবৰ সোৰস পাঞ্চালি ।
সিৱৰ কৌতুক বুলি একয় লাচাৰি ॥৬৩৭

ৰাগ ॥ ঝুলনা ॥ লেচাৰি ॥

৮৫. দিহা : ঐ এ বেহুলা
প্ৰান পোৰে তোৰ ৰূপ দেখি ভাল ॥

পদ : বুলিলেক মহেস্বৰ সুন্দৰিৰ গোচৰ
আলিঙ্গন দেহ তুমি মোৰে ।

শিৱৰ দেহৰ পোৰণি বোলে বেউলা সুন্দৰি সুনা পিতা ত্রিপুৰাৰি
হেন বাক্য বোলা কেন মোৰে ॥৬৩৮
সুনিয়া সিৱৰ বানি পাচত থাকি ভবানি
কোপ কৰি লাগে বুলিবাৰ।
সোকে মৰে কেঞা ৰাৰি তাহাৰ সঙ্গে চতুৰালি
তপস্বিয়া বোলে কোন চাৰ ॥৬৩৯
চণ্ডিৰ বচন সুনি বুলিলেক সুলপানি
সত্যে না॑হ ঘাটি কোনকালে।
নাতি জে বহাৰি জানি চুপতি কৰিলো আমি
সুকবি নাৰায়ন দেবে বোলে ॥৬৪০

৮৬. দিহাঃ অ-এ বেহুলাৰ ৰূপে আকুল সুলপানি॥
পদঃ বেউলা বোলে সুনা বাপ দেৱ মহেস্বৰ।
চুপতি তেজিয়া সুনা আমাৰ উত্তৰ॥
লোৰ ফেলি আচো আমি সভাৰ ভিতৰে।
ইন্দ্র জমে সাখি দিলা তোমাৰ গোচৰে॥৬৪১
বেফুলাৰ বচন সুনিয়া মহেস্বৰ।
কোপ কৰি পদ্মাক লাগিল বুলিবাৰ॥
পদ্মাক দাবুকি দিয়া বোলে মহেস্বৰে।
তুমি হেন অভাজনি নাহিকে সংসাৰে ॥৬৪২
সভাত হাৰিলে জস টুটে সৰ্ব্বক্ষনে।
লোক মুখে অপজস ইতিনি ভুবনে॥
হেন কৰ্ম্ম কৰা তুমি দেবতা যে হৈয়া।
আপুনি ইহাৰ পতি দেহতো জিয়াইয়া॥৬৪৩

---

৬৪০. খ. ঘ. নাতিনিৰ সম্বন্ধ জানি পৰিহাস্য কৰো আমি......।
৮৬. দিহা : ক. বেফুলাৰ..... সুলপানি।
বানৰ সম্বন্ধে তুমি হোৱাতো নাতিনি॥
দ্বিতীয় দিহা. ঘ. কি-এ-কন্যা ৰূপে জলে ব্যাকুল মহেশ্বৰ॥

এতসব বিবৰন সুনিয়া সিৱৰ কথা ।
বেহুলাৰ সহায় হৈল সকল দেৱতা ॥
দেৱগনে বোলে তেবে পদ্মাৰ গোচৰে ।
বিলম্ব নকৰা পদ্মা জিয়ায়ো লখাইৰে ॥৬৪৪
তোমাৰ জতেক কথা সবে হৈল পাস ।
মনুস্যৰ সঙ্গে বাদ মৰ্যদা কৈলি নাস ॥
মহাদেৱৰ কন্যা তুমি নাবুজ আপুনে ।
নাগৰ জননি তুমি ভৈলা কি কাৰনে ॥৬৪৫
ন্যায়ে ঘাটিলে তোমাক বুঝাইবেক কেৱে ।
তোমাৰ কাৰণে মিচা ভৈলো সৰ্ব্ব দেৱে ॥
সভাপতি হৈয়া জিবা পক্ষাপক্ষি কৰে ।
আচোক অন্যৰ কাৰ্য্য সৃষ্টি নষ্ট কৰে ॥৬৪৬
সভাত বসিয়া জিটো কৰে ধৰ্ম্মক বিচাৰ ।
বিষ্ণুৰ পুৰক জাই তাৰ পুৰুষ নিস্তাৰ ॥
অধৰ্ম্ম কৰিয়া জিবা মিচা কথা কয় ।
দুৰ্ঘোৰ নৰকে মজয় নিশ্চয় তাৰ কায় ॥৬৪৭
সভাত বসিয়া জিবা পক্ষাপক্ষি কৰে ।
পঞ্চম পাতকে আসিয়া তাহ্যাক ধৰে ॥
সভাত বসিয়া জিটো বুঝে দোষৰ পৰমান ।
লোক মুখে সুনি আচো সকলে কল্যান ।৬৪৮
ন্যায়কালে মুবুলিবা চোট্টি আৰ বৰ ।
ব্ৰহ্মা বিষ্ণু জাক বুলি তাহাক নাহি দৰ ॥
সিৱৰ জে গৌৰবে তোমাক কৰি দৰ ।
মনুস্যে জিনিলে তোমাক কাৰ্য্য কৈলি বৰ ॥৬৪৯

দেৱগনৰ ৰচন সুনিয়া বিসহৰি ।
বুলিবে লাগিলা কথা গদ গদ কৰি ॥
ব্ৰহ্মা বিষ্ণু বসি আচে বাপ পঞ্চানন ।
কুবেৰ বৰুন আচে অনল পবন ।৬৫০
ইন্দ্ৰ আদি বসি আছে জত দেৱ গন ।
আমি বোলো দুই বাক্য সুনা দিয়া মন ॥
আমাৰ কৰ্ম্মফলে যুক্তি নভৈল সোমাই ।
অবিচাৰে বোলা মোক জিয়াইতে লখাই ॥৬৫১
সৃষ্টিৰ জে অধিকাৰি তুমি প্ৰজাপতি ।
তোমাৰ হস্তে উৎপন্ন প্ৰলয় জলে ইতি ॥
চতুৰ্দ্দশ ভুবনে জে জত দেব বসে ।
সবাকে স্ৰজয় ব্ৰহ্মা পঞ্চ দেৱ অংসে ॥৬৫২
আয়ু বয়স ভৈলে লোক জমপুৰে জাই ।
জাৰ জিবা অংস গৈয়া তাহাতে মিসাই ॥
লখিন্দৰৰ সৰিৰ জে তথাতে ৰহিল ।
অনলৰ অংস আসি অনলে মিসাইল ॥৬৫৩
বৰুনৰ অংস আসি বৰুনে ৰহিল ।
পবনৰ অংস গৈয়া পবনে মিসাইল ॥
লখিন্দৰৰ তেজ বিৰ্য্য সূৰ্য্য স্থানে গৈল ।
পৰম পুৰুস তাৰ সুন্য মধ্যে ৰৈল ॥৬৫৪
আৰ জদি বোলা সবে আমি অপৰাধি ।
পিতা কি বুলিব মোক লাগি আচে বিধি ॥
পদ্মাৰ সুনিলা জঁদি এতেক উত্তৰ ।
হালিতে লাগিল ব্ৰহ্মা বিষ্ণু মহেশ্বৰে ॥৬৫৫

৬৫১.খ. আমাৰ কৰ্ম্মৰ ফলে নভৈলা সোমায় ।

তিনিদেৱৰ হাসে ভৈলা দস মুখে হাস।
আকাসত চন্দ্রে জেন কৰন্ত প্রকাস ॥
সেহি পঞ্চদেৱে পদ্মাক ধৰি আচে চলে।
বিষ্ণুৰ আগে কহে তাক কৰি জোড় কৰে ॥৬৫৬

চান্দোৰ ঠাই পদ্মা পায়া আচে অপমান।
আয়ু থাকিতে লখাইৰ লৈয়া আচে প্রান ॥
ইহাৰ নাগে খাই আচে আমাক ধৰে দাই।
তেল জে থাকিতে কিবা প্রদিপ নুমাই ॥৬৫৭

পদ্মাবতি বুলিলেক দেৱতাব আগে।
ইহাৰ প্রভুক মোৰ খাইলা কোন নাগে ॥
বেউলা বোলে কাল নাগে প্রভুক খাইল মোৰ।
কালিৰ লেঞ্জ পেলাই দিলা সভাৰ ভিতৰ ॥৬৫৮

তাহা দেখি পদ্মাবতি লাগে বুলিবাৰে।
কাৰ লেঞ্জ ফেলাই বেটি ভাণ্ডস আমাৰে ॥
কিবা গুইৰ লেঞ্জ কিবা লেঞ্জ ধৰিযাৰ।
কিবা কুচিয়াৰ লেঞ্জ কিবা ইন্দুৰৰ ॥৬৫৯

পৰ্ব্বত হেন কাল নাগ থাকয় সাগৰে।
কিমতে প্রৱেস কৈলা লোহাৰ বাসৰে ॥
এত সুনি দেৱগনে বুলিলা পদ্মাৰে।
তোমাৰ জতেক নাগ আনহ সত্বৰে ॥৬৬০

এহি নেজ গোটা জাৰ লেঞ্জে জোৰা লাগে।
নিচয় জানিলো লখাইক খাইলা সেহি নাগে ॥

দেৱৰ বচন পদ্মা এড়াইতে নাপাৰে।
চৰ পঠাইয়া নাগ আনিল সত্বৰে ॥৬৬১

সিৱৰ আগে ৰহে নাগ পটোয়াৰ দিয়া।
পদ্মাৰ খাটৰ তলে কালি থাকিল লুকায়া॥
হেনকালে বুলিলেক দেৱ মহেস্বৰ।
চিন গৈয়া কোন নাগে প্ৰভুক খাইলা তোৰ॥৬৬২
এত সুনি বেফুলাৰ আনন্দিত মন।
একে একে চিনিতে লাগিল নাগ গন॥
নৰসিংহ সুত কবি নাম নাৰায়ন।
ৰচিল পাঞ্চালি কবি মধুৰ বচন॥৬৬৩

৮৭ দিহা: ঐ এ নাগ চায়ে বেফুলা সুন্দৰি॥

পদ: নাগৰ কৰে লেখা নাগৰ কৰে লেখা।
পাপিষ্ঠ কালি নাগক কোথাই পাইবো দেখা॥
সিৱৰ আদেসে বেউলা হৰসিত মন।
একে একে চাহিতে লাগিলা নাগ গন॥৬৬৪
ওৰা পিংগলা চাহিলা অদ্ভুত পয়না।
সংখৰাজ বংকৰাজ কেসৰি ধমনা॥
কেউটিয়া গোমা কাচিমা পিংগলিয়া বোৰা।
গামুয়া সামুয়া চাইলা আৰ ঘৰ চড়া॥৬৬৫
সেতুয়া নেতুয়া চাইলা বাড়োয়া বৈখৰ।
আগিয়া আগুনিয়া পলাস জলচৰ॥
মৃত্যুকাল জমকাল কাল জে ভুষন।
গোমা কাল নিমা কালি কৰ্কট নন্দন॥৬৬৬

বেউলাৰ নাগ পৰীক্ষা

উৎপল তপলা চোড়া আৰ মনিৰাজ।
সিন্দুৰিয়া বেতাল চাইলা নাগ কালৰাজ॥
আৰানি পাৰালি চাইলা বিখ্যাত বিস্নুলিয়া।
অহিৰাজ মহিৰাজ নাগ কুণ্ডলিয়া॥৬৬৭

---

৬৬৩. খ. ঘ. সুকবি নাৰায়নদেৱৰ সোৰস পাঞ্চালি।
নাগৰ লেখন বুজি একয় লেচালি॥

৬৬৭. 'খ' আৰু 'ঙ' পুথিৰ পৰা।

ফাফৰ ফোফৰ চাইলা বিভা জে সিতলা।
কাকৰি মাকৰি চাইলা নাগ জে বিমলা॥
খাকুৱা বাকুয়া চাইলা বেকৰা নাগৰি।
ধাইয়া ককুয়া গইলা নাগনা কেসৰি ॥৬৬৮
খাটুৱা বাটুয়া চাইলা বাকৰা চান্দৰা।
ভাকুয়া তৈতলা চাইলা ভুজংগ ভ্রমৰা ॥
জননিয়া চাইলা নাগ জে জম্ভৰি।
বিমুখা হংসগলা চাইলা নাগ জে কেসৰি ॥৬৬৯
খৈয়া খাকুয়া চাইলা আৰ অন্ধৰাজ।
ঝিজি কাঝা জকা চাইলা আৰ গন্ধৰাজ ॥
অসিকেতু কালকেতু কাল জে নন্দন।
খঞ্জনি জনিয়া চাইলা উৎপল পবন ॥৬৭০
ধোৰা বেকৰা চাইলা জযি সাজিমলা।
মনিৰাজ অজগৰ নাগ জে সিতলা॥
পৰ্ব্বতিয়া নাগ সব চাহিলা বিস্তৰ।
খৈয়া খনিসা চাইল পলাস জলচৰ ॥৬৭১
কাল পাণ্ডু চাহিলন্ত আৰ ব্রহ্মজাল।
কালি কমলি চাইলা আৰ উদয় কাল ॥
কালি কাল সর্প্প চাইলা ভৃংগৰাজ বংকা।
পদ্ম নাগ পদ্ম সংখ আৰ নাও বুকা ॥৬৭২
মাটিয়া মণ্ডলিয়া চাইলা বিখ্যাতিয়া বোৰা।
গোমা বিদাইৰ চাইলা নাগ ঘৰ বৰা ॥
মেঘনাল চাহিলা বেহাৰ পাটুয়াল।
অগ্নিমুখ অহিৰাজ নাগ উজিয়াল ॥৬৭৩
সপ্ত সাগৰৰ নাগ চাইলা একে একে।
পাপিষ্ট কাল নাগ তথাতে নাহি দেখে।

সপ্ত দ্বিপৰ নাগ চাহিলা জত ইতি।
সপ্ত সমুদ্রৰ নাগ চাইলা জাতি জাতি ॥৬৭৪
সিৱৰ আগে বেহুলা নাগৰ কৈলা লেখা।
পাপিষ্ঠ কাল নাগক নাপাইলা দেখা॥
নাগ নাপাই বেহুলাৰ বিসাদিত মন।
হেনকালে নেতা আসি দিলা দৰিসন ॥৬৭৫
আখিৰ ঠাৰ দিয়া নেতা বেহুলাক বোলে।
হেৰ দেখ কালিক পদ্মাৰ খাটৰ তলে॥
এত সুনি বেহুলাৰ হৰাসিত মন।
মায়া ৰূপে ভজে গৈয়া পদ্মাৰ চৰন ॥৬৭৬
নাগ লুকাইয়া ৰাখে জয় বিসহৰি।
প্ৰনাম কৰিতে জাই দেখিলা সুন্দৰি ॥
থাম্প দিয়া ধৰিলা কালিৰ লেঞ্জৰ উপৰ।
টান দিয়া বাহিৰ কৈলা সভাৰ ভিতৰে ॥৬৭৭
নাগ পায়া বেহুলাৰ আনন্দিত মন।
হাসিতে লাগিল জতেক দেৱগন॥
ব্রহ্মা বিষ্ণু হাসিলেক হৰ জে পাৰ্ব্বতি।
লজ্জা পায়া হেঠ মুণ্ড কৰে পদ্মাৱতি ॥৬৭৮
সুকবি নাৰায়নদেৱৰ সৰস পাঞ্চালি।
বেহুলাৰ কথন বুলি একয় লাচাৰি ॥

ৰাগ ॥ পটমঞ্জৰি ॥ লেচাৰি

৮৮. দিহা : বোলেতো বেউলা দেৱৰ গোচৰে।
পদ : পদ্মা নাগ থৈয়া হেঠে আমাক ভাণ্ডে কপটে
এহি নাগে প্ৰভুক খাইলা মোৰে ॥৬৭৯

---

৬৭৮. ক. মাথা নমাইল সিৱ হাসিল পাৰ্ব্বতি।

কালৰাত্রি নিসা ভাগে প্রভুক খাইল কালি নাগে
কাল লেঞ্জ আছে তাৰ সাথি।
সুৱৰ্নৰ টোপ দিয়া লাঞ্জক আছে ঢাকিয়া
দেৱগনে হাসে তাহা দেখি ॥৬৮০
লজ্জা পায়া বিসহৰি বৈলা মাঠ হেঠ কৰি
কোপ কৰি বোলে মাহেস্বৰে।
পদ্মা নিদাৰুনি তুমি নিস্বয় জানিলো আমি
ঝাণ্ট কৰি জিয়াঞো লখিন্দৰে ॥৬৮১
সুনিয়া সিৱৰ কথা পদ্মা বোলে সুন নেতা
সুন বৈনি আমাৰ উত্তৰ।

পদ্মাৰ প্রতি শিৱৰ নির্দেশ

অস্থি জে পাঞৰ নাই পাইবো গৈয়া কাৰ ঠাই
কি বুদ্ধি জিয়াঞো লখিন্দৰ ॥৬৮২
সুনিয়া পদ্মাৰ কথা সত্ত্বৰে চলিলা নেতা
কহে তবে বেফুলাৰ গোচৰ।
অস্থি দেহ আনি মোৰে বৰ্ত্তিবেক লখিন্দৰে
সভাপতি ব্রহ্মাই দেঞোক বৰ ॥৬৮৩

৮৯. দিহা : কি মতে তৰিবা ভৱ সিন্ধুৰে বেফুলা।
এই মতে তৰিবা ভৱ সিন্ধু ॥

পদ : পদ্মা বোলে কহ নেতা বেফুলা গোচৰ।
দেঞোক আনিয়া মোৰে বত্তিস পাঞৰ ॥
পদ্মাৰ বচন নেতা সুনিয়া স্রৱনে।
অস্থি মাগিতে গৈলা বেফুলাৰ স্থানে ॥৬৮৪

---

৮৯. দিহা : ঘ. ঙ. অ কলি ভৱ তৰিবাৰ সুখে।
এ ভাই ৰাম বোল মুখে ॥
খ. এ কলি ভৱ তৰাইবাৰ চুখে। এ ভাই···মুখে ॥
ঘ. বিকল্প দিহা : ঐ আৰে লয়ৰে গোবিন্দৰ নাম
অ ভাই যাবৎ চেতন থাকে ॥

নেতা বোলে শুন কন্যা আমাৰ উত্তৰ।
অস্থি দেহ আনি বৰ্ত্তিবেক লখিন্দৰ ॥
বেউলা বোলে জেহি দিনা মৰিল লখিন্দৰ।
সমুৰে পুৰিল নিয়া সাগৰৰ পাৰ ॥৬৮৫
একেস্বৰে ভাসি আইলো জলৰ উপৰ।
কৈত পাইবো লখাইৰ বত্তিস পাঞ্জৰ ॥
অসাৰ মনুস্য দেহা তিনি দিনে সৰে।
দুর্গন্ধ কৰয় আতি মাংস খসি পৰে ॥৬৮৬
মৰা তনু পায়া ভূতে কৰন্ত প্ৰবেস।
লখিন্দৰৰ শৱ আনিবলৈ পদ্মাৰ নির্দেশ
ৰাখিতে নাপাৰি মৰা বিপৰিত বেস ॥
স্ত্রি জাতি দেখি ডৰাই প্রদিপৰ চায়া।
একেস্বৰে কিমতে আসিবো মৰা লৈয়া ॥৬৮৭
আমৰা অবলা জাতি জথা তথা ভয়।
আচোক অন্যৰ কায়া জ্রিৱন সংসয় ॥
স্মসান কাষ্ঠক দেখা গুঞ্জৰিৰ তিৰে।
এত সুনি নেতাবতি ফিৰিলা সত্তৰে ॥৬৮৮
কহিতে লাগিল নেতা পদ্মা বিদ্যমান।
আপুনি ৰাখিচে তনু নকৰি দহন ॥
আমি সেহি তনু জানা অনিবা নাপাৰি।
বেউলা নেদে মৰা তোমাৰ বৰাবৰি ॥৬৮৯
এত সুনি ক্রোদ্ধে পদ্মা লাগে বুলিবাৰে।
নিজিয়াবো লখাইক চলিয়া জাইবো ঘৰে ॥
ফিৰিয়া জাওোক বেউলা চম্পালি নগৰে।
ফিৰি গৈলে বেফুলাই মোক কি কৰিতে পাৰে ॥৬৯০
সুকবি নাৰায়নদেৱৰ সোৰস পাঞ্চালি।
পদ্মাৰ কথন বুলি একয় লাচাৰি ॥

ৰাগ ॥ পটমঞ্জৰি ॥ পয়াৰ

৯০. দিহা : আমিতো নাপাৰো লখাইক জিয়াইবাৰে।
উলতি জাওক বেউলা চম্পক নগৰে ॥

পদ :. চতুর্দ্দিস ভুবনৰ সুনিঞো দেৱগন।
গনপতি হোৱে জানা পার্ব্বতি নন্দন ॥
তাৰ মস্তক চেদ ভৈলা সনিৰ দৃষ্টিতে।
আপুনি সতাই মাৱে নাপাৰে ৰাখিতে ॥৬৯১
সংসাৰত জিৱজন্তু সবাৰে বসতি।
তাহাকে পালন কৰে দেৱ প্রজাপতি ॥
চণ্ডিকা সতাইৰ কথা জগতে প্রচুৰ।
লক্ষে লক্ষে জত বধি আচয় অসুৰ ॥৬৯২
আৰ জত সতাই জে কৰিলা সংহাৰ।
এক লখাই মাৰি মোৰ এতেক খাংকাৰ ॥
ৰাবন ৰাজাক পাইল ৰামচন্দ্র বানে।
মন্দোদৰি কান্দে ৰামৰ ধৰিয়া চৰনে ॥৬৯৩
পাৱে ধৰি মন্দোদৰি কৰিল প্রনতি।
তভো কেনে নিজিয়াইল দেৱ ৰঘুপতি ॥
মথুৰাৰ ৰাজা আচিল কংস নৃপবৰ।
তাহাকে বধিলা কেনে দেৱ দামোদৰ ॥৬৯৪
কৃষ্ণৰ মাতুল সম্বন্ধ হয়ে তাৰ সনে।
পদ্মাৰ ক্রোধ
তাক কেনে নিজিয়াইলা দেৱ নাৰায়নে ॥
কামদেৱ পুৰুষ হোৱে ৰূপ অধিকাৰি।
তাকে ভস্ম কৈলা পিতা দেৱ ত্রিপুৰাৰি ॥৬৯৫
ৰাত্রি দিবা দেৱগনে স্তুতি কৰে তাৰে।
তাক কেনে নিজিয়াইল দেৱ মহেস্বৰে ॥
জতন কৰিল ৰতি প্রভু বৰ্ত্তিবাৰে।
সেহি তনু পাচে কেনে নহৈল সঞ্চাৰে ॥৬৯৬

কৃষ্ণৰ ভাগিন হয় নাম অভিমন্যু।
মহা জোদ্ধা পুরুষ জে জানে সর্ব্বজনে ॥
সপ্তৰথি বধিলেক তিক্ষুত্তৰ সৰে।
তভো তাক নিজিয়াইল দেব গদাধৰে ॥৬৯৭
এহি মতে মৰন জে আচয় সংসাৰে।
এক লখাইৰ মৰনত নসহে সৰিৰে ॥
নিজিয়াঞো লখিন্দৰ ফিৰি জাওক ঘৰে।
ফিৰি জাই বেউলাই মোক কি কৰিতে পাৰে ॥৬৯৮
পদ্মাৰ বচন নেতা সুনিয়া স্রবনে।
পুনরুপি কহে গৈয়া বেফুলাৰ স্থানে ॥
বর্ত্তিব জে লখিন্দৰ অস্থি দেহ আনি।
নাৰায়ন দেৱে বোলে মধু ৰস বানি ॥৬৯৯

৯১. দিহা ॥ কিমতে তৰিবো ভব সিন্ধু হে ৰাম।
কিমতে তৰিবো সিন্ধু ॥

পদ : নেতা বোলে সুন কন্যা তোৰ জ্ঞান নাই।
জঞ্জাল নাপাতা তুমি বর্ত্তোক লখাই ॥
তৃভুবনে পদ্মাৰ কাহাক আচে ডৰ।
কোনে কি কৰিতে পাৰে নিজিয়াইলে লখিন্দৰ ॥৭০০

বেউলাৰ প্রতি নেতাৰ উপদেশ

জদি পদ্মা চলি জাই আপুনাৰ ঘৰে।
ন্যায়ে জে জিনিয়া পাচে কি কৰিবা তাৰে ॥
মহাদেৱৰ কন্যা পদ্মা বিদিত সংসাৰে।
পদ্মাক কোপ কৰি কোনে কি কৰিতে পাৰে ॥৭০১

---

৬৯৯. ক. খ. ঙ. সুকবি নাৰায়ন দেৱে কহে সোৰস পাঞ্চালি।
পদ্মাৰ কপত বুলি একয় লেচালি ॥
৯১. দিহা : খ. ঘ. এমতে তৰাইবো ভৱসিন্ধু ঐ বেফুলা ॥
৭০০. ক. খ. ঙ. নেতা…পাষণ্ড নাপাত্তা তুমি…লখাই ॥

মনুস্য হৈয়া দেৱ সমে ন্যায় কৰা কেনে।
তোমাৰ বুদ্ধি আচে হেন বোলে কোন জনে ॥
বিধোৱাৰ দুখ খণ্ডোক তোৰ গুচোক তাপ।
ৰাণ্ডি হেন বচন নাৰিৰ বৰ পাপ ॥৭০২

লখিন্দৰৰ অস্থি আনয়ন

নেতাৰ বাক্যে বেফুলাৰ জ্ঞান উপজিলা।
লখাইৰ অস্থি লৈয়া পদ্মাৰ আগে গৈলা ॥
অস্থিক ঢালিয়া দিলা বেফুলা সুন্দৰি।
তাহা দেখি হৰসিত হৈলা বিসহৰি ॥৭০৩
বিচনা উপৰে লখাইৰ অস্থিক জে থৈয়া।
ঠাই ঠাই অস্থি সৱ ৰাখিল জোৰায়া ॥
আগম মন্ত্র পঢ়িয়া দিলেক জলপোৰা।
লখাইৰ বত্তিস পাঞ্জৰ লাগিলেক জোড়া ॥৭০৪
জি থানৰ জি অস্থি লাগিল সেহি ঠাই।
নিৰেখি দেখিলা পদ্মা আঠুৰ চকা নাই ॥
কোপ কৰিয়া পদ্মা লাগিল বুলিবাৰে।
এতেক চাতুৰি বেউলা কৰস আমাৰে ॥৭০৫
আমি হেন দেৱ নোহে লয় তোৰ মনে।
জিয়াই দিবো লখিন্দৰ অঙ্গ কৰি হিনে ॥
ভাংগাৰাৰ বোলে মোৰ টুটি গৈলা বুদ্ধি।
তোমাক কি বুলিব মোৰে লাগি গৈলা বিধি ॥৭০৬
ভাংগ খায়া ভিক্ষা পিতা মাগে ঘৰে ঘৰে।
দেৱতা বোলয় তাকে মানই সংসাৰে ॥
অন্য দেৱে কয় তেবে দেওঁহো ভৰ্চ্চাই।
পিতা হেন গৌৰবে এড়াই মোৰ ঠাই ॥৭০৭

---

৭০২. ৰ পৰবৰ্তী পদ 'ঙ' পুথি : আকাসত চন্দ্ৰ নাই নোসোভে তৰা।
জিটো নাৰিৰ স্বামি নাই জিয়ন্ততে মৰা ॥
৭০৫. ক. চিন্তিত হইল পদ্মা আণ্ঠুৰ চাকা নাই।
৭০৬. ক. তে কাৰণে ভাণ্ড তুমি অস্থিক ৰাখিয়া।

সতাই হৈয়া তুৰাক্ষৰ বুলিল ভবানি।
সৰ্পৰূপ ধৰি তাক দংসিলোহো পৰানি ॥
পিতা হৈয়া বিস্তৰ জে বুলিল অৰ্চিয়া।
তে কাৰণে জিয়াইলো হুঙ্কাৰ মাৰিয়া ॥৭০৮
ঘোৰ বিস বানে সংসাৰ কৰিতে পাৰো নাস।
মনুসা হুয়া মোক মনে কৰ উপহাস।
ইন্দ্ৰৰ ঠাই আনি আচো সত্য কৰিয়া।
সেহি কাৰণে মোৰ ঠাই জাঞো বাহুৰিয়া ॥৭০৯
পদ্মাৰ সুনিলা বেউলা নিষ্ঠুৰ বচন।
সোকাকুল ভাৱে বেউলা জুৰিলা ক্ৰন্দন ॥
সুকবি নাৰায়ন দেবৰ সোৰস পাঞ্চালি।
বেউলাৰ ক্ৰন্দন বুলি একয়ে লেচালি ।৭১০

ৰাগ ॥ কাৰুনা ভাঠিয়ালি ॥ লেচাৰি

৯২. দিহা : পদ্মাৰ চৰনে ধৰি কান্দে বেউলা সুন্দৰি
সুনা মাতা নাপাতা জঞ্জাল ॥

পদ : পদ্মাৰ চৰনে ধৰি বিনয়ে কান্দে সুন্দৰি
সুনা মাতা নাগৰ জননি।
জাবত প্ৰভুক খাইল সোকতে পাগল হৈল
এত দুখে নৰহে পৰানি ॥৭১১
তেজিলেক প্ৰভু মোৰে নাগে খাইলা তোমাৰে
কিচু নাহি খাইলো অন্ন পানি।
বেউলাৰ ক্ৰন্দন প্ৰভুৰ দাৰুন সোকে কাল উদৰৰ ভোখে
মৰি জায় আমাৰ পৰানি ॥৭১২

---

৭১০. 'পদ্মাৰ সুনিলা ... জুৰিলা ক্ৰন্দন ॥—'ক' পুথিত নাই, 'খ' আৰু 'ঘ' পুথিৰ পৰা।

৭১২—৭১৪ 'খ', 'ঘ' আৰু 'ঙ' পুথিৰ পৰা।

পদ্মাৰ চৰনে ধৰি বোলে বেউলা সুন্দৰি
স্থনা মার আমাৰ বচন।
মই কেনে দুষ্ট মতি জিয়াইতে আনিচো পতি
ঘিলা হৰি নিবো কি কাৰন ॥৭১৩
বেহুলাৰ বচন সুনি পদ্মারতি মনে গুনি
ধ্যান কৰি চাইলা তেতিক্ষন।
নাৰায়ন দেৱে কয় সুকবি বল্লভে হয়
ৰাঘোরাই ঘিলা কৰিলা ভক্ষন। ৭১৪

৯৩. দিহা: আগ মাই মাই হে
তুমি বৰ দুখিতৰ বৰদাতা ॥

পদ: চৰনে ধৰি বেউলা কৰে নানা স্তুতি।
তাক দেখি দায়া উপজিলা পদ্মারতি।
ধ্যান কৰি পদ্মারতি চাইল তৃভুবনে।
ৰাঘোৱাই আঠুৰ চকা কৰিলা ভক্ষনে ॥৭১৫
পদ্মা বোলে সুন নেতা তুমি জায়া ধায়া।
চকা গোটা আনা তুমি ৰাঘোয়া মাৰিয়া ॥
পদ্মাৰ বচনে নেতা সত্বৰে চলিলা।
ঝালো মালো দুই ভাই সঙ্গে কৰি লৈলা ॥৭১৬
আঠুৰ ঘিলাৰ সন্ধান সাগৰ জুৰিয়া ফেলাইলা ব্ৰহ্মজাল।
দৈৱ দোসে বন্দি হৈলা ৰাঘোয়া বৰাল ॥
সত্বৰে তুলিয়া তাৰ উদৰ চিৰি।
চকা গোটা বাহিৰ কৈলা সিৱৰ কুমাৰি ॥৭১৭
মৎসা গোটা মৰে দেখি সিৱৰ কুমাৰি।
পুনৰপি সিয়াইলন্ত হস্তে স্থচি ধৰি ।

---

৭১৫. ক. ৰাঘৱে ৰৰালি চাকা কৰিচে ভক্ষন।

বৰ্ত্তিয়া মৎস্য গৈলা সমুদ্ৰৰ জলে।
চাকা লৈয়া নেতায়তি পদ্মাৰ আগে মিলে ॥৭১৮
চকাপায়া পদ্মায়তি হৰসিত মন।
লখাইৰ আঠুৰ চকা লগাইলা তেখন ॥
পৃথিবিৰ অংস দিয়া সৰিৰ গৰিলা।
অস্থি চৰ্ম্ম মাংস তাতে একত্ৰ কৰিলা ॥৭১৯
কহিতে লাগিলা পদ্মা বেউলা বিদ্যমান।
জদি সত্য কৰা লখাইৰ দেঞো প্ৰানদান ॥
সুকবি নাৰায়নদেৱৰ সোৰস পাঞ্চালি।
বেফুলাৰ সত্য বুলি একয় লাচাড়ি ॥৭২০

রাগ ॥ পটমঞ্জৰি ॥ পয়াৰ

৯৪. দিহা: সত্য কৰে বেফুলা দেৱৰ বিদ্যমান ॥

পদ: সত্য কৰে বেউলা দেৱৰ বিদ্যমানে।
তেবেসে সঞ্চাৰ কৰি লখাইৰ পৰান ॥
তেবেসে লখাইক দেঞো পঠাই জিয়ায়া।
জদি পুজে চন্দ্ৰধৰে লক্ষ বলি দিয়া ॥৭২১
প্ৰত্যেক্ষ জানিয়া জদি সুপুজে আমাৰে।
বাহুৰিয়া আসিবা এথা সুঠিবা তৰে ॥

বেউলাৰ সত্য কৰণ

প্ৰথমে আমাৰ দুখ সুনহ সুন্দৰি।
ঝালো মালোৰ ঘৰে হস্তে সোনাই নিলা ঘণ্ট বৰি ॥৭২২
পুজা খাইতে গৈলো আমি আপুন মুৰ্ত্তি ধৰি।
বামে থাকি মাৰে চান্দো হেমতাল বাৰি ॥
পদ্মা বোলে সুন মাঞ দুখৰ কাহিনি।
বাম হাতে মাগিলো চান্দোৰ ফুল পানি ॥৭২৩

---

৭২০. ক. ৰক্ত চৰ্ম্ম মাংস তাৰ একত্ৰ কৰিল।

আচোক পুজিবে বেটা ৰোসে মাৰিবাৰে।
তেজিলো চম্পক নগৰ চন্দ্ৰধৰ ডৰে ॥
কৃষ্ণ যে পঞ্চমি তিথি শ্ৰাবনৰ মাসে।
ঘৰে ঘৰে পুজে আমাক সেহিসে দিবসে ॥৭২৪
তোৰ সসুৰ নিৰ্ব্বোধ বোল নাহি বুঝে।
সৰ্ব্বস্বক দকাই আনে মোক জিটো পুজে ॥
পদ্মা বোলে সুনা বেউলা আমাৰ বচন।
জদি সত্য কৰা লখাইৰ দিয়ো প্ৰান দান ॥৭২৫
বেউলা বোলে সুন মাও সত্যে কৈলো ভৰ।
অৱস্যে পুজিবো তোমাক সসুৰ সদাগৰ ॥
জদি নাপুজে তোমাক কনক কমলে।
বাহুৰি আসিবো এথা নাজাইবো ঘৰে ॥৭২৬
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
লখাইৰ জিৱন বুলি এক জে লেচাৰি ॥

৯৫. দিহা : জিয়াও জিয়াও বালা চান্দোৰ পুত।
সৰ্ব্বাঙ্গ সুন্দৰ সৰিৰ গন্ধ বানিয়াৰ সুত ॥

পদ : পদ্মাৱতি বোলে কথা সভাৰ গোচৰ।
সত্য কৈলা বেহুলা আমাৰ বৰাবৰ ॥
আমাসাক লৈয়া জাইবে চম্পক নগৰে।
লক্ষ বলি দিয়া মোক পুজিবে চন্দ্ৰধৰে ॥৭২৭
এত সুনি দেৱগন লাগে বুলিবাৰ।
সৱ কথা জানিলো জিয়ায়ো লখিন্দৰ ॥
দেৱগনৰ চৰনে কৰিলা নমস্কাৰ।
জিয়াইতে লখিন্দৰ চিন্তিল প্ৰকাৰ ॥৭২৮

---

৭২৫. পদ্মা বোলে…প্ৰানদান।—'খ' আৰু 'ঘ' পুথিৰ পৰা।

আৰোয়ান ভিতৰে তেবে থৈয়া লখিন্দৰ।
পদ্মাৱতি প্ৰৱেসিল তাহাৰ ভিতৰ ॥
ব্ৰহ্ম মন্ত্ৰ স্মৰি পদ্মা ধৰিলন্ত ধ্যান।
সিৱৰ চৰন চিন্তি জপে ব্ৰহ্ম জ্ঞান ॥৭২৯
মহা মন্ত্ৰ পঢ়ি পদ্মা মাৰিল হুঙ্কাৰ।
লখিন্দৰৰ পঞ্চপ্ৰান দিলা আগুসাৰ ॥
প্ৰান অপান ব্যান উদান সমান।
লখিন্দৰৰ পঞ্চপ্ৰান ভৈলন্ত অধিষ্ঠান ॥৭৩০

লখিন্দৰৰ পুনৰ্জীৱন লাভ

মুল মন্ত্ৰ পঢ়ি পদ্মা মাৰিল চাপৰ।
উঠিয়া বসিল লখাই চান্দোৰ কুমাৰ ॥
নাগ কৈন্যা লখিন্দৰে দেখি মাথা তুলি।
পুনৰপি লখিন্দৰ পৰি গৈল ঢলি ॥৭৩১
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
লখাই জিয়ানি বুলি একয় লাচাড়ি ॥

৯৬. দিহা : ঝাৰো বিস নাই ঐ ঝাৰো বিস আৰে ৰে হা।
লখাইৰ হাৰৰ বিস ঝাৰো পদুমাই ॥

পদ : এক হস্তে ধৰিলেক বেহুলা সুন্দৰি।
আৰ হস্তে ধৰে পদ্মা সিৱৰ কুমাৰি ॥
উৰ কৰি কাপৰ পৰে কেস মুকলিয়া।
ঝাৰিতে লাগিল পদ্মা অঘোৰ মন্ত্ৰ দিয়া ॥৭৩২
স্মৰিয়া সিৱৰ পাৱ অনল পবন।
জাৰ মন্ত্ৰে ঝাৰো মই লখাইৰ স্মৰন ॥
সুন্যে উপজিল বিস নামত কচিয়া।
বাউলে পিলেক তাক চোলত কৰিয়া ॥৭৩৩
ডকুয়া ভাসিয়া জাই জুগুনি কাৰে বায়।
মথনে উপজিল বিস পদ্মা মোচে পায় ॥

নাম নাম অবে বিস ত্রিপিনি ছুৱাবে।
ত্রিঘট তেজিয়া বিস নাম বঙ্কৰালে ॥৭৩৪

লখিন্দৰৰ বিষ-খণ্ডন

নিৰঞ্জন গুনে বিস যথা দ্যোতির্ম্ময়।
জি দ্বাবে আসিচে বিস সেহি দ্বাবে জায় ॥
তুড়ি তালি দিয়া বোলে আস্তিকৰ মাতা।
কালকুট বিস তোমাৰ জন্ম হৈলা কোথা ॥৭৩৫

ক্ষিৰ সমুদ্র মথনে মন্দাৰৰ গিৰি।
তথাতে বাসুকি নাগে চান্দে আনি জৰি ॥
টানিতে বাসুকি নাগ ঘনে চাৰে স্বাস।
এৰিল কালকুট বিস হৈয়া তৰাস ॥৭৩৬
পদ্মারতিৰ ঠাইত অঘোৰ মন্ত্র সুনি।
অক্ষয় কালকুট বিস ফোকাৰয় পানি ॥
ইঙ্গিলা পিঙ্গিলা বিস জৌতিৰ পঞ্চফনা।
ব্রহ্মদ্বাৰ জুৰিয়া জাহাৰ বয়ে থানা ॥৭৩৭
সুন্দৰি জে ছাট খানি সুন্যৰ পসাৰ।
সুন্যমধ্যে কালকুট জন্ম জে তোমাৰ ॥
বাহিৰ হুয়ো কালকুট পদ্মাবতি বারে।
জি দ্বাবে আসিচা বিস সেহিদ্বাবে জারে ॥৭৩৮
আদি নিৰঞ্জন বিস নিৰঞ্জন কাম।
অবে বে কালকুট বিস পাতালত নাম ॥
এহি বিস খায়া সিব ঢলিয়া পৰিলা।
গঙ্গা দুর্গা দুই বহিনি ডবে পলাইলা ॥৭৩৯

কেস মুকলিয়া বোলে আস্তিকৰ মাই।
সুস্থ হৈলা লখাই সর্ব্বাংগৰ বিস নাই ॥
নামিল পাতালে বিস পদ্মাৰ হুংকাবে।
উঠিয়া বসিলা লখাই সভাৰ ভিতৰে ॥৭৪০

অমৃত নয়নে পদ্মা আখিত দিলা চুম।
দুই চক্ষু প্রকাশিল গুচিল কাল ঘুম ॥
চাৰি দিসে দেখে সৱ দেৱৰ দেৱান।
লজ্জিত হইল লখাই নাহি পৰিধান ॥৭৪১
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
লখাইৰ জিৱন বুলি একয় লেচালি ॥

ৰাগ ॥ অহিৰ ॥ লেচাৰি

৯৭. দিহা ঃ দেৱৰ-পৰিধান ভুনি নেতাই দিলেক আনি
পৰিধান কৰে লখিন্দৰ।
পদ ঃ পাৰিজাত পুষ্প মালা পাইল চান্দোৰ বালা
আপুনি দিলেক পুৰন্দৰ ॥৭৪২
বুলিলেক লখিন্দৰ চম্পালি নগৰে ঘৰ
ইথানে আসিচো কি কাৰন।
অদভুত দেখি পুৰি সুনা বেফুলা সুন্দৰি
চাৰি পাসে কেনে দেৱগন ॥৭৪৩
বুলিলেক লখিন্দৰ সুন্দৰি গোচৰ
ৰাজাৰ কুমাৰ দুয়ো জন।
তোমাক কৰিলো বিয়া তুমি নিলাজনি হুয়া
দেৱৰপুৰে আইলা কি কাৰন ॥৭৪৪
বেউলা বোলে লখাই কহিবো তোমাৰ ঠাই
কাল ৰাত্রি নাগে খাইলা তোৰে।
চয় মাস দুখ কৰি ভাসি আইলো দেৱপুৰি
পদ্মাৰতি জিয়াইলা তোমাৰে ॥-৪৫

---

৭৪৫. ক. কালৰাত্রি নিসাভাগে তোমাক খাইলেক কালনাগে
প্ৰৱেসিয়া লোহাৰ বাসৰে।

লখাই প্রবোধ কৰি সতি বেহুলা সুন্দৰি
পুনৰপি জুড়িলেক নৃত্য।
নাৰায়ন দেৱে কয় সুকবি বল্লভে কয়
পদ্মাৱতি হইল চিন্তিত ॥৭৪৬

৯৮. দিহা : কদম্বৰ তলে দেখিলো কলিয়া চান্দ।
ৰমনি লাগিয়া কালা পাতি্ত আছে ফান্দ ॥

পদ : বেউলা বোলে সুনা বাপ দেৱ তৃপুৰাৰি।
নিজিলেক চয় সসুৰ আৰ ওঝা ধনন্তৰি ॥
জদি নিজিয়ায়ে পদ্মা কুমাৰ চয়জন।
স্ত্রি বদ্ধ দিয়া মৰিবো তোমাৰ বিদ্যমান ॥৭৪৭
ইহাক সুনিয়া সিৱে লাগে বুলিবাৰ।
ঝান্ত কৰি জিয়ায়ো পদ্মা ই চয় কুমাৰ ॥
বেউলা বোলে সুনা বাপ হুয়া সাৱধান।
সাগৰে ডুবিয়া আচে ডিঙ্গা চৈদ্ধ খান ॥৭৪৮
চৈধ্য ডিঙ্গা তুলি দেহ জত্ন কৰি ভৰি।
তেবেসে পুজিবো মাও চান্দো অধিকাৰি ॥
এত সুনি পদ্মাৰতি লাগে বুলিবাৰ।
পুনৰুপি লখাইক পঠাইবো জমঘৰ ॥৭৪৯
এখনে কৰিচা সত্য দেৱৰ গোচৰে।
লক্ষ বলি দিয়া চান্দো পুজিবো আমাৰে ॥
বেউলা বোলে সুনা মাও হুয়া সাৱধান।
জিয়াই দিয়া চয় কুমাৰ ডিঙ্গা চৈদ্ধ খান ॥৭৫০
তেবেসে পুজিবো তোমাক আনন্দিত হুয়া।
জায়ো ধনে জনে সাত কুমৰক লৈয়া ॥
এত সুনি পদ্মাৱতি হৰসিত মনে।
নেতা নেতা বুলি পদ্মা ডাকে ঘনে ঘনে ॥৭৫১

পদ্মাৰদ্বাৰা চয়কুমাৰ আৰু ধন্বন্তৰিৰ জীৱন-দান

---

৯৮. দিহা : খ গ. এ জয় গোপাল ৰাম এজয় গুপিন্দ হৰি ॥
ঙ. অ প্রান বোল-না-ৰে প্রান-ৰোল না ॥
৭৪৭—৭৫১ 'খ' আৰু 'গ' পুথিৰ পৰা।

হেন কালে নেতাৱতি পদ্মাৰ থানে আইলা।
সকলে বৃত্তান্ত কথা কহিতে লাগিলা॥
লখিন্দৰক জিয়াইলোহো জত জত্ন কৰি।
পুনৰুপি জিয়াই দেহ কুমাৰ ধনন্তৰি॥৭৫২
নেতা বোলে স্তুন বৈনি জয় বিসহৰি।
কেনেনো অকথা বাক্য কথা কহিচা সুন্দৰি॥
চৈদ্ধ ডিঙ্গা তুলি দেহ কুমাৰ ধনন্তৰি।
পুজিবো তোমাক তেবে চান্দো অংকাৰি॥৭৫৩
এত স্তুনি পদ্মা কহে নেতাৰ গোচৰে।
সাত গোটা স্তুকতিক আনাহা সত্বৰে॥
পদ্মাৰ বচন নেতা স্তুনিয়া স্রবনে।
ত্বৰিত গমনে চলে ৰাক্ষসিৰ বিদ্যমানে॥৭৫৪
তথা হৈতে আনিলা সাত গোটা স্তুকতি।
তাক দেখি হৰসিত ভৈলা পদ্মাৱতি॥
সাত গোটা স্তুকতিক বিসে কালা কৈলা।
মহামন্ত্র পঢ়ি পদ্মা হুঙ্কাৰ মাৰিলা॥৭৫৫
মহামন্ত্র পদ্মাৱতি লাগে জপিবাৰে।
বৰ্ত্তিলেক ধনন্তৰি ই চয় কুমাৰে॥
হাসি হাসি বোলে পদ্মা সুনাহা সুন্দৰি।
সাত গোটা বৰ্ত্তিলেক লৈয়া চলা পুৰি॥৭৫৬
এত সুনি বেহুলাই কান্দিতে লাগিলা।
চৈদ্ধ ডিঙ্গা বুঠিলেক মাও কি কৰিলা॥
জদি তুলি নেদা মোক ডিঙ্গা চৈদ্ধ খান।
গলত কটাৰি দিয়া তেজিবো পৰান॥৭৫৭

৭৫২—৭৫৬. 'খ' আৰু 'গ' পুথিৰ পৰা।
৭৫৭—৫৮. 'গ' পুথিৰ পৰা।

কান্দি কহিলেক জদি বেফুলা সুন্দৰি।
দয়া জন্মিলেক পাচে জয় বিসহৰি ॥
ডিঙ্গা তুলিবাক পদ্মা কৰিলা গমন।
সঙ্গত চলিলা তথা জত দেৱগন ॥৭৫৮
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
ডিঙ্গা তোলন বুলি একয় লেচালি ॥

ৰাগ ॥ ধনশ্ৰী ॥ লেচাৰি

৯৯. দিহা : জাই পদ্মা ডিঙ্গা তুলিবাৰে ভাল।

পদ : ঝালো মালো দুই ভাই সঙ্গে কৰি নেতাই
বাৰাক্ষেত্ৰ মাৰিল হুঙ্কাৰ ॥৭৫৯
পদ্মাৰ আদেস পায়া বাৰক্ষেত্ৰ আইলা ধায়া
পৰ্ব্বত সমান ৰূপ ধৰি।
আনিয়া ভেণ্টাইল নেতা আসিয়া নমাইলা মাথা
হৰসিত হৈলা বিসহৰি ॥৭৬০
নেতাক পাঞ্চিলা চৰ ভিম হনুৰ গোচৰ
আসিলেক পদ্মাৰ আদেসে।
ডিঙ্গা তুলিবলৈ পদ্মাৰ যাত্ৰা
জম হুতাসন লৰে আসে কালি দহে তিৰে
দেৱান কৰিয়া পদ্মা বসে ॥৭৬১
স্বেত নেত চামৰে সখি গনে বাস কৰে
নেতা পদ্মা ৰাহ দুইজনা।
চাৰিদিসে নাগগনে পৰম কৌতুক মনে
সিৰব উপৰে নাগ ফনা ॥৭৬২

---

৭৬০. ক. জক্ষগনে কতুহলে মিলে কালি দহৰ কুলে
দেৱান কৰিয়া পদ্মাবসে।

হৰসিত বিসহৰি ডাকুৰ তলপ কৰি
হস্ত ভৰি দিলা গুৱা পান।
নাৰায়ন দেৱে বোলে নামি কালি দহৰ জলে
থিৰ কৰে ডিঙ্গা চৈদ্ধ খান ॥৭৬৩

১০০. দিহা : অ কালি কৰাল বদনি মুক্তকেসি দিগম্বৰি
অসুৰনাসিনি নাৰায়নি ॥

পদ : পদ্মাৰ আদেসে ডাকুৰ নামিলেক জলে।
জলে বুৰি উঠিলেক পদ্মাৱতিৰ বোলে ॥
কহিতে লাগিল তথা পদ্মাৰ গোচৰে।
তৃস সহস্র তাল জল ডিঙ্গাৰ উপৰে ॥৭৬৪
গঙ্গাক স্মৰিয়া পদ্মা হুঙ্কাৰ মাৰিলা।
সোল্ল সত নদি পদ্মা বিদায় কৰিলা ॥
ৰথে চৰি পদ্মাৱতি দেখে বিদামান।
বালাই ঢাকিয়া আচে ডিঙ্গা চৌদ্ধ খান ॥৭৬৫
পদ্মা বোলে স্নুন বাপু বিৰ হনুমান।
একে একে তুলি আন ডিঙ্গা চৌদ্ধ খান ॥
পদ্মাৰ চৰন বিৰে বন্দিলেক সিৰে।
ডিঙ্গা তুলিবাক হনু নামিলা সাগৰে ॥ ৭৬৬
বাৰক্ষেত্র পদ্মাৱতি ঘনে ডাক চাৰে।
তাক স্নুনি হনুৰ অধিক বল বাৰে ॥
ৰথে চৰি পদ্মাৱতি দেখে বিদ্যমান।
লাঙ্গুল ধৰিয়া ডিংগা দিলা এক টান ॥৭৬৭

---

১০০. দিহা : 'ক' ৰঘুকুলে ৰমনিয় ৰাম। পৰলোকৰ বন্ধু
'খ' আৰু 'গ' পুথিৰপৰা উদ্ধৃত
৭৬৩. ক. তিনি সাত বেউ জল ডিঙ্গাৰ ওপৰে।

আগল পাগল উঠে লক্ষিপাখা খৰসাল ।
চৌধ্য ডিঙ্গা উত্তোলন
সংখচুৰ মধুকৰ উঠে বিদ্যমান ॥
দুৰ্গাবৰ উঠিলেক পদ্মাৰ আদেসে ।
চোয়াচুতি চন্দন পাট উঠে তাৰ সেসে ॥৭৬৮
তাহা দেখি হাসে পদ্মা নেতাৰ সহিতে ।
তোল তোল কৰি পদ্মা লাগিলা কহিতে ॥
জক্ষ হনুমানে পদ্মাৰ পায়া আচে বল ।
একে একে চৈদ্ধ ডিংগা তুলিলা সকল ॥৭৬৯
চৈধ্য ডিংগা দেখে সেহি ভৰা সমে আচে ।
নেতাক সম্বুধি পদ্মা বুলিলেক পাচে ॥
কহিতে লাগিলা পদ্মা নেতাৰ গোচৰ ।
অমৃত কুণ্ডৰ জল আনা মৰা জিয়াইবাৰ ॥৭৭০
পদ্মাৰ বচনে নেতা নকৰিল আন ।
অমৃত কুণ্ডৰ জল আনিলা বিদ্যমান ।
চান্দোৰ ঠাই মহাজ্ঞান আনিচিলা হৰি ।
সেহি মন্ত্রে জলপোৰা দিল বিসহৰি ॥৭৭১
হুঙ্কাৰ মাৰিয়া পদ্মা দিলা জলপোৰা ।
ডিংগাৰ মৃতক সৱে দিলা গাৱ মোৰা ॥
মুল মন্ত্র পঢ়ি পদ্মা হুঙ্কাৰ মাৰিলা ।
ডিংগাৰ উপৰে লোক বৰ্ত্তিয়া উঠিলা ॥৭৭২
চৈদ্ধ নায়ে মৰি আচে সত্তৰি হাজাৰ ।
একে একে জিয়াইল পদ্মা মাৰিয়া হুঙ্কাৰ ॥
চৈদ্ধ ডিংগাৰ লোক সৱে হৰিধ্বনি কৰে ।
পদ্মাৰ চৰনে পৰি কৰে নমস্কাৰে ॥৭৭৩

---

৭৬৮. ক. দিঘল পাগল......সংখচুৰ দুৰ্গাবৰ উঠে বিদ্যমান ॥
৭৬৯ – ৭০. 'খ' আৰু 'গ' পুথিৰ পৰা

দুলাই কাণ্ডাৰি চিনিলেক বিসহৰি।
পদ্মাৰ চৰনে পৰি দণ্ডৱত কৰি ॥
কৰ জোৰ কৰি বোলে কাণ্ডাৰি দুলাই।
সৰ্ব্বলোক আচে মাও সোমাই দ্বিজ নাই ॥৭৭৪
তাক সুনি নেতা তেবে লাগে বুলিবাৰ।
ডিংগাক ডুবাইতে গৈলা কৈলাস সিখৰ ॥
পদ্মা বোলে হনুমান চলহ ত্বৰিতে।
সিৱলিংগ আনা তুমি ব্ৰাহ্মন সহিতে ॥৭৭৫
পদ্মাৰ বচনে বিৰে নকৰিলে আন।
কৈলাসে চলিয়া গৈল বিৰ হনুমান ॥
দেখিলা কৈলাস গিৰি আতি ৰম্যস্থান।
সিব লিংগ দ্বিজ আনি দিলা বিদ্যমান ॥৭৭৬
আপুনৰ ঠাঠ দেখি হৰসিত মন।
প্ৰজাগনে সোমাইৰ পায়ে কৰিলা বন্দন ॥
নেতাৰ ঘাটে ডিংগা চপাইলা বিসহৰি।
পুনৰপি পদ্মাৱতি গৈলা দেৱপুৰি ॥৭৭৭
কহিতে লাগিল পদ্মা বেফুলা গোচৰ।
চৈদ্ধ ডিংগা তুলি দিলো লৈয়া চল ঘৰ ॥
পদ্মা বোলে সুনা তুমি সাহেৰ দুহিতা।
তৃভুবনে জানিলেক তুমিসে পতিব্ৰতা ॥৭৭৮
চয় মাস ভাসি আইলা দেৱৰ ভুবনে।
এত বৰ সাহস কৰিবো কোন জনে ॥
সাৱিত্ৰি পাইলা জেন সাধিয়া সত্যবান।
দ্ৰৌপদি দিলন্ত পাঞ্চ পাণ্ডৱৰ প্ৰান ॥৭৭৯

৭৭৯. 'খ' আৰু 'গ' পুথিৰ পৰা।
৭৭৭. ক. প্ৰজাগনে বন্দিলেক পদ্মাৰ চৰন ॥

দময়ন্তি কৈলা জেন নলৰ প্ৰতিকাৰ।
ৰতিৰ কাৰণে জেন কামৰ উদ্ধাৰ ॥
ৰৰই চাতুৰি তুমি নানা ভেস ধৰি।
মুহিলা সকলদেৱ আপুনি নৃত্য কৰি ॥৭৮০
সেহিসে কাৰণে তোমাৰ জিয়াই দিলো মৰা।
ৰত্ন সমে তুলি দিলো চৈন্দ্ধ ডিংগা ভৰা ॥
তোমাৰ তুতিত বেউলা তুষ্ট হৈলো আমি।
আজ্ঞা দিলো প্ৰভুক লৈয়া দেসে চলা তুমি ॥৭৮১
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেফুলাৰ চলন বুলি একয় লেচালি ॥

১০১. দিহা : দিয়ৰে বিদায় দেৱগন
আমি জাঞো ঘৰে ॥

পদ : দেসে জাইতে মন ভৈলা বেফুলা লখাই।
দেৱগনৰ চৰন বন্দিলা ঠাই ঠাই ॥
বিষ্ণুৰ চৰণে লখাই কৰিলা বন্দন।
অক্ষয় মুক্তিক তাক দিলা নাৰায়ন ॥৭৮২
ব্ৰহ্মাৰ চৰনে প্ৰনাম কৰিল লখায়।
ব্ৰহ্মা বোলে মোৰ বাক্যে হয়ো চিৰৰায় ॥
সিৱৰ চৰনে প্ৰনামিলা লখিন্দৰে।
পঞ্চবদনে আসির্ব্বাদ দিলা মহেস্বৰে ॥৭৮৩
বেউলা-লখিন্দৰৰ বিদায়-প্ৰাৰ্থনা
সুৰ্য্যৰ চৰনে প্ৰনামিলা লখিন্দৰ।
সুৰ্য্যে বোলে আৰোগ্য হউক কলেবৰ ॥
জমৰ চৰনে লখাই বন্দিলেক মাথে।
অক্ষয় বৰ জে তাক দিলা ৰবিসুতে ॥৭৮৪

৭৭৯—৭৮৫. 'খ' আৰু 'গ' পুথিৰ পৰা।
১০১. দিহা : 'খ' পুথিৰ পৰা, 'ক' আৰু 'গ' পুথিত নাই।

ইন্দ্র আদি বন্দিলেক জত দেৱগন।
নাৰদ আদি বন্দিলেক জত মুনিগন॥
হেন দেখি বেফুলাৰ হৰসিত মন।
দেৱগনৰ চৰনে বেউলা কৰিলা বন্দন॥৭৮৫
পাৰ্ব্বতি আদি কৰি দেৱৰ ঘৰনি।
সৱাকে প্ৰনাম কৰে মাথা তুলি তুলি॥
আসিৰ্ব্বাদ দিয়া চণ্ডি মাঠাই ধৰি তোলে।
মোৰ বাক্যে বিধোৱা নহবা একো কালে॥৭৮৬
সচিৰ চৰনে বেউলা কৰিলা বন্দন।
মাঠাই দিলেক সচি সতেক চুম্বন॥
বিদাই কৰি বেফুলাৰ হৰসিত মন:
প্ৰনাম কৰিলা গৈয়া পদ্মাৰ চৰন॥৭৮৭
হেন দেখি বিসহৰি আনন্দিত মন।
আসিৰ্ব্বাদ দিয়া পদ্মা বুলিলা বচন॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
বেফুলাৰ বিদায় বুলি একয়ে লেচালি॥৭৮৮

ৰাগ॥ পাহাৰি॥ লেচাৰি

১০২. দিহা: সুন বেউলা আমাৰ উত্তৰ ভাল॥

পদ: বন্দিলেক দেৱগন ৰঙ্গ ভৈলা সৱাৰ মন
চলে বেউলা চম্পক নগৰে।
বেফুলাৰে তুষ্ট হৈয়া নানা অলঙ্কাৰ দিয়া
দেৱগন চলি গৈলা ঘৰে॥৭৮৯

৭৮৫.—৮৮. 'খ' আৰু 'গ' পুথিৰ পৰা।
১০২. দিহা: 'ক' পুথিত নাই. 'খ' আৰু 'গ' পুথিৰ পৰা

আগে চলে বিসহৰি তাৰ পাছে ধনন্তৰি
সেসে চলে চয় জে কুমাৰ।
ভাসুৰ গনক আগ কৰি পাচত চলে সুন্দৰি
আগত চলিলা লখিন্দৰ ॥৭৯০

মুখ্য ডিঙ্গা মধুকৰ তাহাতে সিৱ লিঙ্গ ঘৰ
তাহাতে বসিলা বিসহৰি।
ৰৰ ডিঙ্গা দুৰ্গাবৰ তাতে চয় কুমৰ
লখাই বেহুলা ধনন্তৰি ॥৭৯১

পদ্মাৰ সৈতে বেউলাৰ চম্পক অভিমুখে যাত্ৰা

বন্দিয়া পদ্মাৰ পায় মেলে চৈদ্ধ খান নাৱ
নেতাৱতি পাক জে চেৰাইল।
নিলক্ষৰ পাক দিয়া নাৰায়নৰ পাক পায়া
ৰঙ্গাই সাধুৰ পাকে মিলে ॥৭৯২

সমুখে চৈদ্ধ ডিঙ্গা দেখে ৰঙ্গাই সাধু বঞ্চে দুখে
বেহুলা দেখি হৰসিত মন।
নাৰায়ন দেৱে কয় সুকবি বল্লভে হয়
লখাইৰ আগে কহে বিবৰন ॥৭৯৩

১০৩. দিহা : সাপ ভৈলা বিমোচন
চলে সাধু ৰঙ্গ মন ॥

পদ : ৰঙ্গাইৰ পাকে বেউলা চৈদ্ধ ডিঙ্গা ৰাখি।
বুলিতে লাগিল দেৱে বেউলা চন্দ্ৰমুখি ॥
বেউলা বোলে সুন প্ৰভু বচন আমাৰ।
এহি পাকে মোমা সসুৰ আচই আমাৰ ॥৭৯৪

৭৮৯—৯২ 'ক' আক 'খ' পুথিৰ পৰা।
৭৭৩ খ. নাৰায়ন দেৱে কয়। সুকবি বল্লভে হয়। হাসে বেউলা পৰম কৌতুকে ॥
১০৩ দিহা : ক. ৰঘু তিলক ৰঘু বংস মনি।
ভুবনে পুজিত তুয়া নাম খানি ॥

একেশ্বৰে তোমাক লৈয়া ভাসিলো সাগৰে।
বঙ্গাই সাধুৰ মুক্তি ক্রোধ্ধ হৈয়া চাইলা বেটা আমাক ৰাখিবাৰে॥
কোপ কৰি আমি গৈলো তাক সাপ দিয়া।
এখনো আচয় বেটা চৰত লাগিয়া ॥৭৯৫

আবুধিয়া সাধু বেটা বৰ অচিদৰ।
সংখপতিৰ পুত্র বোলয় বংসদ্ধৰ॥
বেফুলাৰ বচন সুনিয়া চিৰিকৰ।
স্বৰূপত মোমা মোৰ হয় বংসদ্ধৰ ॥৭৯৬
মোমা মোমা বুলিয়া ডাকয় চিৰিকৰ।
লৰ দিয়া আসিল হাঠিয়া বালিচৰ॥
মৰা মনুস্য বৰ্ত্তি আচে দেখে তাৰ মুখ।
বঙ্গাইৰ মনত হৈল পৰম সুখ ॥৭৯৭

ভাগিন ভাগিন বুলি জিজ্ঞাসে বচন।
চিৰিকৰে কহিলা তেবে জত বিবৰন॥
বেফুলা বুলিলা মোমা সস্তুৰ বিদ্যমান।
সঙ্গৰ লগত কিচো কৰি সন্নিধান ॥৭৯৮
জায়িতে তোমাত আমি আচোহো কহিয়া।
তে কাৰনে আসি আচো সংগে কৰি সয়া॥
চয় ভাগিন তোমাৰ আৰ জত লোক।
তোমাৰ সংগত তেবে দেখিব কৌতুক ॥৭৯৯

মোমা সস্তুৰ ভাগিনা বধু সংগে কৰিবাৰে।
বানিয়া জাতিৰ কুলে এহি ধৰ্ম্ম কৰে॥
বেউলা বোলে মোমা সস্তুৰ চল সিঘ্র কৰি।
সংগৰ সাজন সাজি আইস তৰি তৰি ॥৮০০
দুই গাল ভৰি তুমি দেহ কালি চুন।
ইহাৰ পৰ নাহি আৰ সংগৰ সাজন॥

কাল চুন দুই মুঠি ধৰি দুই হাতে ।
অনল জালিয়া দেহ আপুন মুখতে ॥ ৮০১
মোমা সমুৰ গৌৰব বুলি কিচো নাই ।
তোৰ দোসে বাপৰ মুখে পৰোক চাই ।।
ধৰ্ম্মাধৰ্ম্ম বিচাৰ নাহি বানিয়া জাতিত ॥
সদায় পৰৰ ধন হৰিবাক চিত ॥৮০২
সবাৰে চঞ্চল তুমি স্থন লঘু বেটা ।
তোৰ দোসে বাপৰ মুখে মাৰ ঝাণ্টা ॥
এদোসে তোমাৰ মুখ পুৰিবাক লাগে ।
মোমা সমুৰ গৌৰবে এৰায় মোৰ আগে ॥৮০৩
তেখনে আমাক জি বুলিচা দুৰাচাৰ ।
সাপ দিয়া তোমাক জে পঠাঞো জমঘৰ ॥
লখাই বোলে স্থন প্ৰিয়া বচন আমাৰ ।
অজ্ঞানে কৰিলা দোস কত ভৰ্চ্চ হ আৰ ॥৮০৪
চয় জে কুমাৰ আৰ ওঝা ধনন্তৰি ।
বেফুলাৰ কষ্ট খণ্ডাই প্ৰিয় বাক্য বুলি ॥
বেফুলা বোলয় স্থন বনিক কুমাৰ ।
সাপ মোচন ভৈলা চলি জাঞো ঘৰ ॥৮০৫
এতস্থনি বংসদ্ধৰ হৰসিত মনে ।
বিদায় হৈয়া চলিল আপুন ভবনে ॥
সাত ভাগিনৰ সঙ্গে কৰি কোলাকোলি ।
মোচন হৈল বংসদ্ধৰ জাই ডিঙ্গা মেলি ॥৮০৬
সেহি পাক চেড়াইল তেবে বিজয় গমন ।
ধনা মনাৰ পাকে গৈয়া দিলা দৰসন ॥
নায়ৰিয়া দেখিলা জে জলৰ উপৰে ।
দুই ভাই নৌকা তেবে সজাইল সত্বৰে ॥৮০৭

৭৭৪–৮০৭. 'ক' পুথিৰপৰা, অন্য পুথিত নাই ।

ঢাল জে ঝাগৰা লৈয়া আসে পৰিপাতি ।
সত সত পাইক আইলা হাতে খাণ্ডা জাঠি ॥
সতে সতে বেনা বাসি বজাই ৰৰা ৰৰা ।
কাৰো হাতে ডাঙ্গ বাৰি কাহাৰো ঝাগৰা ॥৮০৮
ধৰা জে পাকাড়া বৈঠা ধৰ ধৰ বুলি ।
আগে জাই ছুই ভাই কৰি ঠেলা ঠেলি ॥
অসুভ লাগিল ধনাৰ সুখে থাকিতে ।
আপুন কুবুদ্ধি বেটা জাই মৰিতে ॥৮০৯
নৌকা ফৌজে চাপি জাই ধনামনা ভাই ।
ডিঙ্গাৰ পাসে চাপি জাই পাৰিয়া দোহাই ॥
হস্তিৰ মার্গত জেন সসা কৰে বোল ।
সিংহৰ মার্গত জেন স্গালৰ বোল ।৮১০
বাৰে বাৰে দোহাই দিয়া জাই ডিংগাৰ আগে ।
জদি ডিংগা বাহ ধনা মনাৰ দোহাই লাগে ॥
ধনা মনা ছুই ভাই ঘাটৰ লস্কৰ ।
আমাৰ ঘাট মাৰি জাই কোননো বর্ব্বৰ ॥৮১১
কাহাৰ সকতি আচে ঘাট ভাংগিবাৰে ।
আমাৰ ঘাটিয়ালৰ ঘাট অনেক অন্তৰে ॥
আমি সমে বাদ কৰি নাপাৰা জাইতে ।
উচিত দান দিয়া জায়ো আপুনাৰ মতে ॥৮১২
হিলই সবদে জেন কৰ্ন্নে মাৰে টালি ।
ডাক চাৰে কটকেও মাৰ মাৰ বুলি ॥
ধনা মনাৰ ফৌজে অস্ত্র লৈয়া সবে সাজে ।
পদ্মাৰ বৰতে তেবে কটকে নাহি সাজে ॥৮১৩

---

৮০৮. 'ক', 'খ' আৰু 'গ' পুথিৰ পৰা ।

৮১২. ক. তোৰ সক্তি পাৰ মোৰ ঘাট ভাঙ্গিবাৰ ।
আমৰা ছুই ভাই ঘাটৰ সৰদাৰ ॥

চৈদ্ধ ডিংগা ৰাখিলেক তেৰা ফন্দ কৰি।
ডিংগাৰ সৈন্য গনে চাহে হুয়া সাৰি সাৰি ॥
আপুনাৰ নাৱে জাই নেতা বিসহৰি।
কুমৰ সৱে ৰংগ চাহে ওঝা ধনন্তৰি ॥৮১৪
বেহুলা লখাই ৰংগ চাহে বসিয়া কৌতুকে।
বেউলা দেখিলা তেবে ধনা মনাৰ মুখে ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
ধনাৰ কথন বুলি একয় লেচালি ॥৮১৫

১০৪. দিহা : এ গাদিয়াল আইচ নাৰে-ৰে
গাদিয়াল-আইচ ধিৰে ধিৰে।
বৈঠাৰ চাবনি গাদিয়াল মাৰে দৃঢ়তৰে ॥

পদ : বেউলা বোলে আইলা মোৰ নৌকা ধৰিবাৰে।
সংসয় আচিলা মোৰ ইহাৰ হাতৰে ॥৮১৬
আমাৰ সহায় আচে অনন্তৰ আই।
তে কাৰনে সঙ্কত এৰাইলো ইহাৰ ঠাই ॥
এতেক সুনিয়া লখিন্দৰ গৈল কোপ হৈয়া।
দুই পাসে ডিংগা দিল দুই ভাগ কৰিয়া ॥৮১৭
অসুভ লাগিল ধনাৰ কান্ধে নাচে সনি।
সনিৰ দোষে কাটা জাইতে আসিল আপুনি ॥
চাৰি দিসে জুৰিয়া ঢাকত বাৰি পৰে।
ধনা মনা দুই ভাইক চাৰি পাসে বেৰে ॥৮১৮
বুদ্ধিত বৃহস্পতি লখাই ভাল জানে সন্ধি।
চাৰি পাসে বেৰিয়া গাদিয়ালক কৈলা বন্দি ॥
বন্দি ভৈলা ধনা মনা দুই গাদিয়াল।
থাপৰৰ ঘায়ে তাৰ চিণ্ডে দুই কান ॥৮১৯

৮১৩—৮১৬. 'খ' পুথিৰ পৰা।

কেহো মাৰে লাঠি কেহো গালে মাৰে চৰ ।
নৌকাৰ মধ্যে দুই ভাই কৰে ধৰফৰ ॥
কেহো চুলি চিণ্ডে কেহো বৈঠাৰ দাঠি মাৰে ।
পৃষ্ঠে পৃষ্ঠে বান্ধিয়া ফেলিল নায়ৰ উপৰে ॥৮২০
বন্দি হৈল ধনা মনা ৰহিল পৰিয়া ।
ধনা-মনাক শাস্তি প্ৰদান চল পাইলে পলাই এক লাম্ফ দিয়া ॥
বন্দি ভৈলা ধনা মনা ৰংগ বিসহৰি ।
এহি মতে বন্দি হৌক সভাসদৰ বৈৰি ।৮২১
উত্তম জনক হিংসা কৰে জিবা জনে ।
এহি মতে তাৰ কন্ধ পৰক তেখনে ॥
ঢাক দমা সিংগা বেনা বায়ে নৰ সৰে ।
জয় বাদ্য বায়ে ডিংগা কোলত চপায়ে ॥৮২২
ধনা-মনাক তটে লৈয়া উঠে লখিন্দৰ ।
নানা বিড়ম্বমা কৰে নগৰ ভিতৰ ॥
নাৰায়ন দেৱে কয় সৰস পাঞ্চালি ।
পয়াৰ প্ৰবন্ধ বুলি একয় লেচাৰি ॥৮২৩

১০৫০ ৰাগ ॥ পটমঞ্জৰি ॥ লেচাৰি

দিহা : বুলিলেক লখিন্দৰ ধনা মনাৰ গোচৰ
আজি বেটা লাগিলা দিন তোৰে ।
পদ : পায়া মোৰ নাৰি পন্থে কৰা বাতোয়াৰি
আজি তোক পঠাইবো জম ঘৰে ॥৮২৪

৮২২—২৩. 'খ' পুথিৰপৰা ।
১০১. দিহা : ক. আজু পঠাইবো জম ঘৰে ॥
খ. পুথিৰ পৰা ।

বাম হস্তে কেসে ধৰি দক্ষিন হস্তে খড়্গ কৰি
কাটিবাক উঠিলা লখাই।
সোমাই বোলে লখিন্দৰ স্মুন বাক্য আমাসাৰ
প্ৰানিক বধিতে কাৰ্য্য নাই ॥৮২৫
নাপিত তলব কৰি ধনা মনাৰ মাথা মুৰি
কৰ লখাই নানা বিকৰথন।
হাতে লৈয়া তিক্ষ্ণ চুৰি দুই বেটাৰ কান তুৰি
চিৰিয়া কৰিলা খান খান ॥৮২৬
দাহিন হস্ত বাম কৰ কাটিলেক লখিন্দৰ
খণ্ডিলা মনৰ জত দুখ।
ধনা মনা দুই দানি তাহাৰ সংসয় স্মুনি
ভয়ে পলাই নগৰিয়া লোক ॥৮২৭
হস্ত পদ গৈল কাটা ধনা মনা হৈল বুটা
গাদিয়ালৰ ভৈলা এহিফলে।
নাৰায়ন দেৱে কয় স্মুকবি বল্লভে হয়
বেউলা দেখি হৰসিতে বোলে ॥৮২৮

ৰাগ ॥ বৰাৰি ॥ পয়াৰ

১০৬. দিহা : পাৰ কৰা ৰঘুনাথ এ ভয় সাগৰে ॥
পদ : নগৰিয়া লোক সব পলাই দেখিয়া।
লোকক ৰাখিলা লখাই নাজাইবা বুলিয়া ॥
বাপে পুত্ৰে দেখিলেক গাদিয়াল আধা কাটা।
পাক পাচক নাহি চায়ে ধনাৰ হাত কাটা ॥৮২৯

১০৬. দিহা : 'খ' পুথিৰ পৰা।
'ক'. অ কলি ভৱৰে ভাই ভৱ তৰিবাৰে সুখে
ৰাম নাম বোল মুখে ॥
৮২৯. বাপে পুত্ৰ...কাটা ॥ —'চ' পুথিৰপৰা।

তথা চাৰি মণ্ডল দুৰ্জ্জন কটোয়াল।
ডাকা চুৰি কৰিয়া পাইলা এহিফল॥
পদ্ম ফুল দিয়া লখাই সবে কটকৰে।
পদ্মাক বন্দিয়া উঠে ডিংগাৰ উপৰে॥৮৩০
ডিংগা মেলি জাই লখাই বিজয়া গমন।
জুয়াকৰ পাকে জাই দিলা দৰসন॥
জুয়াৰু হাৰিয়া আচে ধৰুয়াক দৰে।
জুয়াৰু বসিয়া আচে সাগৰৰ তিৰে॥৮৩১
হেন কালে চৈন্দ্ধ ডিঙ্গা দিলা দৰসন।
দেখিয়া জুয়াৰু জে ভৈলা হৰসিত মন॥
সাত কন্যা জত মোত গৈয়াচে কহিয়া।
অনুমানে জানো মই আসে ডিঙ্গা বায়া॥৮৩২
চিত্তে সাত পাঞ্চ ভাব মনত ভাবিয়া।
জি হৌক সি হৌক মই পোচো ডাক দিয়া॥
মাও জাইতে ধন নিতে বুলিচা আমাৰে।
সেহি হন্তে বসি আচো সাগৰৰ পাৰে॥৮৩৩
বেউলা বোলে স্থনা প্ৰভু আমাৰ বচন।
জুয়াৰুক বুলি আচো কিচো দিতে ধন॥
তাক স্থনি লখিন্দৰ নৌকা চপাইল।
লখিন্দৰৰ পায়ে পৰি দণ্ডৱত হৈল॥৮৩৪
লক্ষ মুদ্ৰা দ্ৰব্য তাক দিল লখিন্দৰ।
জুয়াৰুক কৰিল সেহি ৰাজ্যৰ ইস্বৰ॥
জয়াসংহ নামে আচিলা সেহি দেসৰ ৰাজা।
জুয়াৰুক ৰাজ্য দিলা তাক কৈলা প্ৰজা॥৮৩৫

(margin note: জুয়াৰুক প্ৰতি দয়া)

৮৩০—৩১. 'খ' পুথিৰ পৰা।
৮৩২—৮৩৬. 'খ' পুথিৰ পৰা।

তাৰ সব লোক জত আনিলা কোবাই।
জনে জনে সমৰ্পিয়া দিলেক লখাই॥
হাতে হাতে সমৰ্পিয়া দিলা লখিন্দৰ।
নাগবান নামে এক বান্ধিলা নগৰ॥৮৩৬
সেহি ৰাজ্যৰ সৈন্য আনি দিলেক তাহাৰে।
ৰাজ চিন্ন চত্ৰক আনিয়া তুলি ধৰে॥
আজি হন্তে তোমাৰা ৰাজ্যৰ এহি ৰাজা।
সকলে মিলিয়া তেবে পদ্মাৰ কৰা পুজা॥৮৩৭
লখাই বোলে আৰ জদি পাতাস জঞ্জাল।
আৰবাৰ আসিয়া সবাকে দিব সাল॥
ৰাজ্য সমৰ্পিয়া লখাই পদ্ম ফুল দিয়া।
জুয়াৰুক ৰাজ কৰি জাই ডিঙ্গা বায়া॥৮৩৮
সিয়ো পাক চাৰি জাই বিজয়া গমন।
গোধাৰ জে পাকে গৈয়া দিলা দৰসন॥
বেফুলা বোলে স্তুনা প্ৰভু কহো তোমাৰ ঠাই।
এহিতো পাকৰ কথা স্তুনহ গোসাই॥৮৩৯
এক গোধা ঝাম্পা দিলা মোক বাখিবাৰে।
পদ্মাৱতি সান্তি ৰক্ষা কৰিলা আমাৰে॥
তাহা স্তুনি লখিন্দৰ নৌকা চপাইল।
গোধাক ধৰিতে লখাই চৰ পঠাইল॥৮৪০
গোধা সব পলাইল স্ত্ৰি পুত্ৰক নাচাই।
অৰন্যৰ মধ্যে সবে ৰহিলা লুকাই॥
বিস্তৰ চাহিয়া গোধা নাপাই লখিন্দৰ।
গোধাৰ দোসে লুতিলা সৱে হাটি বজাৰ॥৮৪১
এক গোধা চলিতে নাপাৰিয়া আছে বৈয়া।
লখাইক দেখিয়া কহে মাথা লুকাইয়া॥
গোধা গুধিৰ ৰুপ দেখি হাসে লখিন্দৰে।
ইহাক মাৰিলি কোন কাৰ্য্য হৈবো মোৰ॥৮৪২

গোধাৰ গলত বান্ধে গুধিৰ তুই ঠেঙ্গ।
সাৰি কৰি পেলাই থৈলা জেন তুই বেংগ ॥
ইহপাক চেৰাই জাই বিজয়া গমন।
কাক সগুনৰ পাকে দিলা দৰসন ॥৮৪৩
পাক সৱ চেৰাইল বিবিধ প্ৰকাৰে।
গণ্ডুকি চেৰাই পাইলা গুঞ্জৰি সাগৰ ॥
গুঞ্জৰি সাগৰে ডিংগা বহে গতি কৰি।
ৰিনি ৰিনি দেখিলেক চম্পালি নগৰি ॥৮৪৪
তুই দণ্ডৰ পথ আচে চম্পালি নগৰে।
হেন কালে বেফুলাই কহে লখাইৰ গোচৰে ॥
ফুলৰ সাজিয়া দেহ প্ৰভু ফুলন বিচনি।
সাসুৰিৰ নিকটে জাইবো ভুযাজে ডুমুনি ॥৮৪৫
পদ্মাৱতি চৰনে মজিয়া ৰহোক মন।
পাপ মৃগ পলাই জাউক সিংহ দৰসন ॥

ৰাগ ॥ পটমঞ্জৰি ॥ লেচাৰি

১০৭. দিহা : বোলেতো বেফুলা প্ৰভুৰে গোচৰে ॥

পদ : লৈয়া জে পুষ্পৰ খাৰি ডুমুনিৰ বেস ধৰি
জায়ো আমি চম্পক নগৰে।
সোনাই সাসুৰি মোৰে' কেন মতে বঞ্চে ঘৰে
সম্মুৰে জে বাদ কৰে কাৰে ॥৮৪৬

---

৮৪৩. 'ইহ পাক ...... গমন।' —'খ' পুথিৰ পৰা।
ক. গোধাৰ পাক লখাই পাচত্ত কৰিয়া।
৮৪৪—৪৫. 'গুঞ্জৰি ...... নগৰে।'—'খ' পুথিৰ পৰা।
৮৪৫. খ. গ. সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
পায়াৰ প্ৰবন্ধ বুলি এক যে লেচাৰি ॥

লখাইৰদ্বাৰা বিচনি নিৰ্মাণ

সুনিয়া বেফুলাৰ বানি লখাই আছে মনে গুনি
বিচনি বোঞো খাগৰাক আনি ।
লখাইৰ আদেস পাইয়া খাগৰা আনে কাটিয়া
মুৰ্ত্তি লেখি জুৰিলা বিচনি ॥৮৪৭
পদ্মা পাসি সাৰি সাৰি অষ্ট নাগ আদি কৰি
চান্দোক নিৰ্ম্মিলা হেমতাল হাতে ।
লেখে লখাই একমনে নেতা পদ্মা দুইজনে
দুই পায় দিয়া চান্দোৰ মাথে ॥৮৪৮
পসু পখি আদি কৰি নিৰ্ম্মিলেক চিত্ৰ ধৰি
বিচনিৰ চাৰিপাসে ভৰি ।
বুইযা তুলিলা ফুল পঞ্চ কাউন কৰি মোল
লৈয়া চলে বেফুলা সুন্দৰি ॥৮৪৯
ডিঙ্গা হন্তে নামে তৰে ডোমৰ পসাৰ ধৰে
ধৰিলেক ডুমনিৰ বেস ।

বেউলাৰ ডুমুনীৰূপ ধাৰণ

মলিন বসন পৰি কৰ্নে পিতলৰ কুৰি
বালায়া পাটে বান্ধিলেক কেস ॥৮৫০
দুই চৰা কাঠ কাটি পৰিলেক বাজু উঝণ্টি
পিতলৰ খাৰু পিন্ধে হাতে ।
নাৰায়ন দেৱে কয় সুকবি বল্লভে হয়
ডোমৰ পসাৰ লৈলা মাথে ॥৮৫১

ৰাগ ॥ ধনি শ্ৰী ॥ পয়াৰ

১০৮. দিহা : বেউলা চলি লৰে ডুমুনি স্বৰূপে
বেউলা চলিল ৰে ॥
পদ : ডোমৰ পসাৰ লৈয়া সিৰৰ উপৰে ।
হেঠ মুণ্ড কৰি বেউলা জাই ধিৰে ধিৰে ॥

---

১০৮. দিহা : খ, গ : গহন চলয় বেউলা ডোমৰ পসাৰ লৈয়া ॥

চৌহাট বেডায়া জাই নগৰ ভিতৰে।
সৰ্ব্বলোকে ডাক চাৰে খাৰু কিনিবাৰে ॥৮৫২
কোনো দিসৰ বাক্য বেউলা মুসুনিলা কানে।
বিচনিক লৈয়া চলে আপুনাৰ মনে ॥
নগৰ এৰিয়া জাই সমুৰ ওৱাৰি।
লখিন্দৰৰ সাম্মাসিক কৰে অধিকাৰি ॥৮৫৩
ব্ৰাহ্মন ভট্ট দৈবজ্ঞ কৰিয়া দেৱান।
ভাণ্ডাৰ ভাঙ্গিয়া বিপ্ৰক কৰে দান ॥
বাপৰ ভাণ্ডাৰ চৈদ্ধ দৌল পৰমান।
তাৰ এক ভাণ্ডাৰ ভাঙ্গি বিপ্ৰক কৰে দান ॥৮৫৪
নটিক দিলা অলঙ্কাৰ পঞ্চা দিলা ধাই।
বিপ্ৰক দিলা লক্ষ লক্ষ দুগ্ধৱতি গাই ॥
গায়ন বায়নক দিলা সুৱৰ্ন অপাৰ।
নানা প্ৰসাদে চিত্ত তুসিলা সবাৰ ॥৮৫৫
হেন কালে ঘাটে আইল ধাই জে দুৰ্ব্বলি।
দুৰ্ব্বলীৰ লগত বেউলাৰ সাক্ষাৎ
তাৰ ঠাই জিজ্ঞাসিলা বেফুলা সুন্দৰি ॥
সাধুৰ ঘৰৰ কথা কহা তুমি ধাই।
কি কাৰনে জজ্ঞ কৰে চন্দ্ৰধৰ ৰাই ॥ ৮৫৬
দুৰ্ব্বলি কহিলা তেবে ডুমুনিৰ গাচৰে।
লখিন্দৰৰ চয়মাসি কৰে সদাগৰে ॥
এতসুনি হৰসিত বেফুলা সুন্দৰি।
হাসিতে লাগিলা বেউলা আৰ মুখ কৰি ॥৮৫৭
দুৰ্ব্বলি দেখিলা তেবে ডুমুনি হাসিতে।
ফুল খাৰি বিচনি দেখিলেক তাহৰ হাতে ॥
দুৰ্ব্বলি বোলে মোৰ বাক্য সুনিয়ো ডুমুনি।
কত মোলে বেচা ই খাৰি জে বিচনি ॥৮৫৮

৮৫৪—৮৫৫. 'গ' পুথিৰ পৰা।

ডুমুনি বোলে হেৰ দেখা নানা চিত্ৰফুল ।
পঞ্চ কাউন কৰি মোৰ বিচনিৰ মোল ॥
আড়ই কাউন কৰি বেচিবাকে পাৰি ।
বেচিবাক আনি আচো তোমাৰ ওৱাৰি ॥৮৫৯
তাহা সুনি দুৰ্ব্বলিয়ে লাগিল বুলিতে ।
বিচনি ফেলায়া দেহ দেখো মোৰ হাতে ॥
সাধুৰ ঘৰত আচে চয় বধু বাড়ি ।
তাৰা বা কিনিয়া লয় চয় গোটা খাৰি ॥৮৬০
জত ফুল তুলি আচা বিচনি উপৰ ।
উচিত মোলে কিনি লৈবো ৰাজা চন্দ্ৰধৰ ॥
তাহা সুনি বেফুলাৰ হৰসিত মন ।
খাৰি বিচনি পেলাই দিলা তেতিক্ষন ॥৮৬১
খাড়ি বিচনিক লৈযা চলি জাই পুৰে ।
পথে পায়া ৰাখিলেক ৰাজা চন্দ্ৰধৰে ॥
বিচনি দেখিয়া সাধুৰ পৰম উল্লাসে ।
ধন্য ধন্য কৰিয়া সাধু বিচনি প্ৰসংসে ॥৮৬২
নানা চিত্ৰ নানা বৰ্ন্ন বিচনিত দেখি ।
উলটি পালটি দেখে পৰম কৌতুকি ॥
দেখিলেক পদ্ম পুষ্প আচে সাৰি সাৰি ।
অষ্ট নাগ লেখি আচে জয় বিসহৰি ॥৮৬৩
চান্দোক লেখিয়া আচে হেমতাল হাতে ।
পদ্মাৰ দুই পায় দিয়া আচে চান্দোৰ মাথে ॥
বিচনি আচাৰি ফেলে চান্দো অধিকাৰি ।
বিচনি উপৰে মাৰে হেমতাল বাৰি ॥৮৬৪
চান্দোৰ গৰ্ব তভো কোপ নাহি গুচে চম্পকৰ নাথ ।
বিচনি উপৰে মাৰে লাঠি পাঞ্চ সাত ॥

---

৮৬২. 'খ' পুথিৰ পৰা ।

চৰন প্ৰহাৰে বিচনি কৰে খান খান।
চান্দো বোলে লঘু কানি পাইল অপমান ॥৮৬৫
তথাপিতো সদাগৰৰ কোপ নাহি গুচে।
থু থু কৰিয়া মুখৰ গুয়াক জে সিঞ্চে ॥
চান্দো বোলে স্নুনৰে নগৰৰ কটোয়াল।
চৌপস্থত নিয়া বিচনিক দেহ সাল ॥৮৬৬
ধৰ ধৰ বুলিয়া কসিল সদাগৰ।
কোথাক পলায়া গৈল লঘু কানিৰ চৰ ॥
এত সুনি বেফুলাই দিলা এক লড়।
মন্দিৰৰ মধ্যে গৈয়া লুকায়া ৰহিল ॥৮৬৭
তুৰ্ব্বলি চলিয়া গৈল পুৰিৰ ভিতৰে।
কহিতে লাগিল গৈয়া সোনাইৰ গোচৰে ॥
এক নাৰি আসি আছে খাৰি বেচিবাৰে।
ডোমৰ লক্ষন কিচো নেদেখিলো তাৰে ॥৮৬৮
সুলক্ষন সুচৰিতা চন্দ্ৰ জে বদনি।
বচন মধুৰ জেন কোকিলৰ ধ্বনি ॥
মনুস্যৰ এমত ৰূপ কহিতো নাহি দেখি।
দৈৱেসে বেফুলা নহে মোৰ মনে সাখি ॥৮৬৯
বেফুলাৰ হাত জেন বেফুলাৰ পায়।
ৰাজাৰ কুমাৰি হেন জলে সৰ্ব্ব গায় ॥
এত সুনি সোনাই লাগিল বুলিবাৰে।
ডাক দিয়া দ্বাৰে আনা আমি দেখিবাৰে ॥৮৭০
এত সুনি তুৰ্ব্বলিয়ো চলিল সত্বৰে।
ডুমুনিক লৈয়া গৈল খৰকি তুৱাৰে ॥
ডুমুনিক দেখি সোনাই হৰসিত মন।
পুত্ৰ বধু বুলি হেন জানিলা লক্ষন ॥৮৭১

৮৬৭—৮৭২. ক. পুথিৰ পৰা।

ডুৰ্ব্বলি বোলে সুন মায় আমাৰ বচন।
পুৰ্ব্বৰ জতেক কথা নাহিকে স্মৰন ॥
কথা পাতি ডুমুনিক ৰাখি থাকো আমি।
বেফুলাৰ পৰিক্ষা সর দেখি আসা তুমি ॥৮৭২
সোনাই বোলে থাকা তমি ডুমুনিক লৈয়া।
জাৰত নাসো আমি পৰিক্ষা সর চায়া ॥
লৰ দিয়া গৈলা সোনাই মেৰৰ ভিতৰে।
আপুনি খুলিয়া আচে চাৰিখান দ্বাৰে ॥৮৭৩
কোৰকৰ তৈলে চয় মাস চলে বাতি।
তথাপি টুটা নাই তৈল এক ৰতি ॥
ভুমিচম্পা ফুল দেখে কেচা হুয়া আচে।
বিনা অগ্নি লোহাৰ তণ্ডুল ফুলি আছে ॥৮৭৪
বেফুলাৰ পৰিক্ষা জে সকলে বুঝিয়া।
কান্দিতে লাগিলা সোনাই ডুমুনিক দেখিয়া ॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
সোনাইৰ ক্রন্দন বুলি একয় লাচাৰি ॥৮৭৫

ৰাগ ॥ ভাঠিয়ালি ॥ পয়াৰ

১০৯. দিহা : কহ কহ অৰে বধু বোলন্ত সোনাই।
কৈত এৰি আইলি মোৰ পুত্র জে লখাই ॥
পদ : কান্দিতে কান্দিতে সোনাই ওচৰ চাপিলা।
ডুমুনিৰ মুখ চাই সুধিবে লাগিলা ॥
স্বৰূপ লাগিয়া তুমি কহ মোৰ ঠাই।
জদিবা কপট কৰা ধৰ্মৰ দোহাই ॥৮৭৬

৮৭৩—৭৪. 'খ' পুথিৰ পৰা।
১০৯. দিহা 'খ' পুথিৰ পৰা, 'ক' পুথিত নাই।

বেউলা আৰু সোনাইৰ কথোপকথন

তুমি জে সাহেব কন্যা নিষ্ঠে কহা মোৰে।
কি লাগি ভাণ্ডহ তুমি আমাৰ গোচৰে॥
ইসব লক্ষন দেখি জানিলো নিশ্চয়।
ডোমৰ কন্যা বুলি তোক কোন লোকে কয়॥৮৭৭

সোনাইৰ ওচৰত বেউলাৰ পৰিচয় প্ৰদান

কৈৰবা ডুমুনি তুমি তোৰ বাপেৰ কিবা নাম।
কোন ঘাটে খেয়া দিয়া বঞ্চ কোন গ্ৰাম॥
তাক সুনি বেফুলাই বুলিলা বচন।
সত্য কথা কহো মায় সুনা বিৱৰন॥৮৭৮
উজানি নগৰে মায় সুমিত্ৰা ডুমুনি।
সাহে ডোম পিতা মোৰ প্ৰধান খেয়লি॥
ধৰ্ম্ম ঘাটে খেয়া দিয়া থাকোহো ডুমুনি।
জাতি স্বভায়ে বেচো ই খাৰি বিচনি॥৮৭৯
নাগৰ দুয়াৰে আচে সমুৰ সদাগৰ।
সাসুৰি ৰাউলিয়া আচে চম্পক নগৰ॥
জানিবাহা মায় আমি দিলো পৰিচয়।
গাৰ দুখে ডোমৰ পসাৰ লৈয়াচো মাথায়॥৮৮০
হাসিয়া হাসিয়া বেউলা বুলিলা বচন।
নিচ জাতিক চোয়া মায় কমন কাৰন॥
সাত পুৰুষে আমাৰ ঘাটৰ খেয়লি।
লখাই ডোমৰ বধু বেফুলা ডুমুনি।৮৮১
সোনাই বোলে সোকে সৰিৰ পোড়ে মোৰ।
কপট কৰিয়া মায় ভাণ্ডস আমাৰে॥
এহিতো ডোমৰ বেস পৰিচয় দিয়া।
কাৰ্য্য কথা কহ মায় জুড়াউক হিয়া॥ ৮৮২
পতিব্ৰতা সতি তুমি জানিলোহে চিন্ন।
চয় মাসৰ ভুমিচম্পা নহয় মলিন॥

৮৭৬—৭৮. 'ৰ' পুথিৰ পৰা।

বেউলা বোলে সোনাইৰ ধৰি দুই পায় ।
সাত কুমাৰ আনি আচো চৈদ্ধখান নায় ॥৮৮৩
ধনন্তুৰি ওঝা আচে জত প্ৰজাগন ।
অপচয় নাহি হয় কৰাকেৰ ধন ॥
জদি পদ্মাক মুপুজে সমুৰ সদাগৰে ।
সাত কুমাৰ তোমাৰ মুঠিবেক তবে ॥৮৮৪
পুনৰপি দেৱপুৰে কৰিবো গমন ।
নাৰায়ন দেৱে কহে পদ্মাৰ চৰন ॥

ৰাগ ॥ করুন ॥ পয়াৰ

১১০.দিহা : অই এ কান্দে সুন্দৰি সোনাই ॥

পদ : হা লখাই বুলি সোনাই কান্দে উচ্চস্বৰে ।
টঙ্কিত থাকিয়া ডাক সুনে সদাগৰে ॥
সোনাইৰ ক্ৰন্দন পুৰোহিত সমে সাধু ভাঙ্গিয়া দেৱান ।
চলিযা আসিল সাধু সোনাই বিদ্যমান ॥৮৮৫
বেফুলাৰ গলে ধৰি কৰিচে ক্ৰন্দন ।
হেনকালে চান্দো আসি দিলা দৰসন ॥
লড দিয়া বেফুলাই সোমাইলেক ঘৰে ।
চান্দো জিজ্ঞাসিল কথা সোনাইৰ গোচৰে ॥৮৮৬
চান্দো বোলে সুন প্ৰিয়া আমাৰ উত্তৰ ।
কাহাৰ কুমাৰি গৈল ঘৰৰ ভিতৰ ॥

---

১১০. দিহা : 'গ' পুথিৰ পৰা ।
ক. বেফুলা আইল দেশেৰ সুন্দৰি আইল দেসে ।
খ. ঐ প্ৰান হওনাৰে প্ৰান হওনাৰে ।

পদ্মাক পূজিবলৈ সোনাইৰদ্বাৰা চান্দোক অনুৰোধ

সোনাই বোলে সুন প্রভু চম্পাক অধিকাৰি।
এহিতো সাহেৰ কন্যা বেহুলা সুন্দৰি ॥৮৮৭
সাৱধানে সুনা প্ৰভু আমাৰ বচন।
সাত পুত্ৰ আসি আচে চৈদ্ধ ডিঙ্গা ধন ॥
সৱাকে উদ্ধাৰি আইলা সাহেৰ কুমাৰি।
লক্ষ বলি দিয়া তুমি পুজা বিসহৰি ॥৮৮৮
চন্দ্ৰধৰে সুনি তেবে পদ্মাৱতি নাম।
বিষ্ণু বিষ্ণু দস বাৰ জপে ৰাম ৰাম ॥
চান্দো বোলে সোনাই তোৰ এখনে কুমতি।
কোন কাৰ্য্যে সাধিবো পুজিয়া পদ্মাৱতি ॥৮৮৯
একবাৰ মাৰি আচো হেমতাল বাৰি।
তেবে কানিক পুজা কৰিতে নাপাৰি ॥
এখনে সোনাই কাকো নকৰিবা ডৰ।
জাৱত চণ্ডিকা মায় সহায় আচে মোৰ ॥ ৮৯০
সোনাই বোলে চৈদ্ধ ডিঙ্গাৰ লোক জন ইতি।
সকলে ডুবায়া নাস কৈল্য পদ্মাৱতি।
তোমাক কৰিল পদ্মা পঞ্চম অৱস্থা।
তেখনে চণ্ডিকামায় আচিলেক কোথা ॥ ৮৯১
পদ্মাক তুষ্ট কৈলি তোমাৰ কি কৰিবো চণ্ডি।
সাতপুত্ৰ মাৰিলেক বধু কৈলা ৰাণ্ডি।
পদ্মা সমে বাদ কৰা চণ্ডিৰ আসা পায়া।
দেখা এক পুত্ৰ চণ্ডি নিদিলা জিয়ায়া ॥৮৯২
চণ্ডি পদ্মা এক জন ৰুপ মাত্ৰ ভিন্ন।
পদ্মা সুপুজিলে আমাৰ অস্মুভৱ চিন্ন ॥
হাসিয়া বুলিলা চান্দো সুনৰে সোনাই।
ধন পুত্ৰ লৈয়া কানি আইলা মোৰ ঠাই ॥৮৯৩

৮৮৮—৮৮৯. 'খ' পুথিৰ পৰা।

জাউক ধন পুত্ৰ সিতো আমাৰ নেউচেনি ।
কণ্ঠে প্ৰান থাকে মানে সুপুজিবো কানি ॥
চান্দোৰ নিন্দাবানী জাবত চন্দ্ৰধৰ জিয়াই থাকে প্ৰানে ।
তাবত নকৰে পুজা এক চক্ষু কানে ॥৮৯৪
নিষ্ঠুৰ বচন সুনি সত্য ভঙ্গৰ দৰে ।
বেফুলা উঠিলা গৈয়া ডিঙ্গাৰ উপৰে ॥
কোপ কৰি বেফুলাই ডিঙ্গা মেল্লি যায় ।
পাত্ৰ মন্ত্ৰি গনে আসি চান্দোক বুঝায় ॥৮৯৫
এক দিনা মাত্ৰ সাধু পুজা বিসহৰি ।
ধন পুত্ৰ ঘৰে আনা চম্পক অধিকাৰি ॥
মৰা পুত্ৰ ডুবা ধন আনি দিলা বিধি ।
হেন বস্তু নাৰাখা তোমাৰ জে কুবুধি ॥৮৯৬
তাৰ সেসে বুলিলেক সোনেকা সুন্দৰি ।
এক লক্ষ বলি দিয়া পুজা বিসহৰি ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি ।
সোনাই কথন বুলি একয় লেচালি ॥৮৯৭

১১১. দিহা : এমন ভজনাৰ ৰে ।
ৰাম পদাৰবিন্দ েপনাৰে ॥
পদ : মুহি আজি মৰিবো কটাৰি কৰি ভৰ ।
স্ত্ৰি বদ্ধ হৈবো আজি তোমাৰ উপৰ ॥৮৯৮
চম্পক নগৰে বন্ধু বান্ধৱৰ সোকে ।
চৌপাসে বেৰিয়া কান্দে চান্দোৰ সম্মুখে ॥
পাচে সোনেকাৰ মাও লাগে বুলিবাৰে ।
মাও বদ্ধ দিবো আজি তোমাৰ উপৰে ॥৮৯৯

৮৯২—৮৯৬. 'খ' পুথিৰ পৰা ।
৮৯৭—৯২. 'খ' আৰু 'গ, পুথিৰ পৰা ।

চান্দোৰ প্ৰতি বসুদেৱৰ উপদেশ

সোমাই বাপ বসুদেৱ আইলা লৰে।
আসিয়া ধৰিলা বিপ্ৰে চন্দ্ৰধৰ কৰে ॥
চান্দোৰ মাথাত বিপ্ৰে দিয়া দুই হাত।
মোৰ বাক্যে পদ্মাপুজা চম্পকৰ নাথ ॥৯০০
আমাৰ বচন জদি নাৰাখা এখনে।
ব্ৰহ্ম বদ্ধ দিয়া মৰিবো তোমাৰ বিদ্যমানে ॥
সৰ্ব্বনাস হৈবো তোমাৰ ব্ৰহ্ম বদ্ধ পাপে।
দসৰথ ৰাজা মৰে অন্ধক ঋসিৰ সাপে ॥৯০১
ব্ৰহ্মসাপে অসুৰ মৰিলা জত জত।
ধৰ্ম্ম কথা কৈলো মই তোমাৰ আগত ॥
জদি পদ্মা নুপুজিয়া কৰা তিৰস্কাৰ।
সাপ দিয়া সৰ্ব্বনাস কৰিবো তোমাৰ ॥৯০২
বিপ্ৰ সবে হাতে ধৰে সুদ্ৰে ধৰে পায়ে।
পাত্ৰ মন্ত্ৰি সয়ে আসি চান্দোক বুঝায়ে ॥
তাক সুনি চন্দ্ৰধৰে দিলন্ত উত্তৰ।
নকৰিবো পুজা মই কহিলো সত্বৰ। ৯০৩
কি কৰিবো পুত্ৰ মই কি কৰিবো ধন।
নিদিবো কানিক পুজা দঢ়াই আচো মন ॥
প্ৰতিজ্ঞা আচয় মোৰ নুপুজিবো কানি।
জাবত চণ্ডিকা মোৰ সহাই আপুনি ॥৯০৪
হেন কালে আইলা চান্দোৰ বংসধৰ।
কহিতে লাগিলা কথা চান্দোৰ গোচৰ ॥
ভাল বংসে জন্ম তোৰ চান্দো সদাগৰ।
তোমাসাৰ হস্তে হোয়ে কুলৰ বিচাৰ ॥৯০৫

৯০৩—৯০৮. 'খ' পুথিৰ পৰা

কৰাহ মনুস্য হৈয়া দেৱ সমে বাদ।
সিকাৰনে সিদ্ধি নাই তোৰ একো কাজ ॥
সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
পয়াৰ প্ৰবন্ধ বুলি একয় লেচালি ॥৯০৬

১১২. দিহা· এ-মন ৰাম বোল-ৰে।
এ-মন হৰি বোল-ৰে ॥

পদ : আপুনাৰ বিবুদ্ধি নুবুঝা আপুনে।
তোত হন্তে জাতি নিন্দা ভৈলা তৃভুবনে ॥
দেৱহিংসা দেৱ নিন্দা কৰে জিবা জনে।
কুল ক্ষয় শ্ৰীভ্ৰষ্ট হয়ে দিনে দিনে ॥৯০৭

বানিয়া চয়াল তুমি কহ বৰ কথা।
পদ্মা সমে বাদ কৰা কন্ধে নাহি মাথা ॥
আজি তোৰ পুৰি সমে জায়োক পাতালে।
কি কৰিতে পাৰে তোৰ আপুনৰ বলে ॥৯০৮

আপুনি নাজানাহা জেবে পদ্মা কোন জন।
পদ্মাৰ কপটে তোৰ এত বিৰম্বন ॥
তোৰ মাথা কাটি পুজা কৰিবো পদ্মাৰে।
এহিতো প্ৰতিজ্ঞা আজি জানিবা আমাৰে ॥৯০৯

একজন মৰে জদি সত জন জিয়ে।
আসিৰ্ব্বাদ কৰে জদি পদ্মাৱতি মাৰে ॥
হেমতাল কাটি ধুপ লগাই দিবো আজি।
লক্ষ বলি পাইবেক পদ্মা তোৰ মাথা পুজি ॥৯১০

---

১১২. দিহা : 'খ' পুথিৰ পৰা।
৯০৯—১৪. 'খ' আৰু 'গ' পুথিৰ পৰা।

মোৰ নিজ হাতে মাথা কাটিবো তোমাৰে।
সেহি মাথে অগ্নিদিয়া পুজিবো পদ্মাৰে॥
বিলম্ব নকৰি তুমি কহিয়ো এখন।
পুজিবা কি নুপুজিবা পদ্মাৰ চৰন॥৯১১
এত সুনি মনে ভয় ভৈলা সদাগৰ।
মনে সাত পাঞ্চ ভাবি দেদিলা উত্তৰ॥
কোন লাজে বুলিবোহো পদ্মাক পুজিতে।
পদ্মাক পুজিবলৈ চান্দোৰ প্রতিজ্ঞা — কি সাধ্যে পুজিবো পুষ্প লৈয়া হাতে॥৯১২
আগ পাচ গুনি সাধু দিলন্ত উত্তৰ।
কৰিলো প্রতিজ্ঞা মই পদ্মাক পুজিবাৰ।
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
পয়াৰ প্রবন্ধ বুলি একজে লেচালি॥৯১৩

১১৩. দিহা : আজু কেনে মুৰুলি ধ্বনি-এ
এ ঘনে বাজে-হে-।

পদ : ৰাজাৰ সুনিলা সৱে ইসৱ উত্তৰ।
কেহো নাচে গিত গায়ে পুৰিৰ ভিতৰ॥
পাতৰ দোলাত চৰে সোনেকা সুন্দৰি।
চৌদোলে উঠিলা গৈয়া চান্দো অধিকাৰি॥৯১৪
লক্ষে লক্ষে পাইক সবে ধৰিলা জোগান।
ঠাঠ সব লৈয়া চান্দো কৰিলা পয়ান॥
পাইক সৱ আনন্দিতে চলিলা ঠাঠে।
ত্বৰিত গমনে গৈয়া পাইলা ৰাজ ঘাটে॥৯১৫
প্রজাগন সঙ্গে কৰি ৰাজ ঘাটে ৰৈয়া।
বেফুলাক ৰাখিলেক নিস্বান দেখায়া॥

৯১৩—১৭. 'ক' পুথিৰ পৰা।

বেফুলা সুন্দৰি তেবে আনন্দিত মনে।
ৰাজঘাটে ডিঙ্গা চপাইল তেতিক্ষনে ॥৯১৬
সাত পুত্ৰ দেখে সাধু বেফুলাৰ মুখ।
সৱে পাসৰিলা চান্দো ই জন্মৰ দুখ ॥
ধনন্তুৰি ওঝা দেখে ব্ৰাহ্মন সোমাই।
সত্তুৰি হাজাৰ বাইচা কাণ্ডাৰি তুলাই ॥৯১৭

পূজাৰ প্ৰস্তুতি

পদ্মাক দেখিল সাধু সিৱলিঙ্গ ঘৰে।
চক্ষু লাজে চন্দ্ৰধৰে মুখ আৰ কৰে ॥
চান্দোক মনসা দেৱি লগাইলা মোহন।
পদ্মাৰ মুখ দেখি সাধু সচকিত মন ॥৯১৮
কুবুদ্ধি গুচিল সাধুৰ মনে ভৈল তুষ্টি।
সুখান তৃনে জেন পাইলা ঘন বৃষ্টি ॥
পদ্মাক ভক্তি কৰে চান্দো মনে আনন্দিতা।
ইহা হন্তে বৰ কোন আচয় দেৱতা ॥৯১৯
মৰা পুত্ৰ ডুবা ধন আনি দিলা ঘৰে।
হেন দেৱ চাৰি আমি পুজিবো কাহাৰে ॥
আনন্দিত হৈল তেবে ৰাজা চন্দ্ৰধৰ।
আগ ভৈলা সোনেকা পদ্মাৰ গোচৰ ॥৯২০
কৰ জোড় কৰি বোলে সোনাই সুন্দৰি।
হৰসিতে উঠা মাও জয় বিসহৰি ॥
পদ্মা বোলে অসম্মতে উঠিতে নাপাৰি।
কালদণ্ড হেন দেখো হেমতাল বাৰি ॥৯২১
জদি পুজিবে সত্য কৰোক সদাগৰে।
হেমতাল ফেলায়োক গুঞ্জৰি সাগৰে ॥

৯১৮—২১. 'ক' পুথিৰ পৰা।

তাক সুনি সোনেকাই চান্দোৰ আগে জাই।
কহিতে লাগিলা দেৱি চান্দোক বুজাই ॥৯২২
লক্ষ বলি দিয়া সাধু পুজা বিসহৰি।
ধন পুত্র লৈয়া পদ্মা আইলা মোৰ পুৰি ॥
পদ্মাক পুজিতে সত্য কৰা সদাগৰ।
অন্যৱথা কৰিলে আসা এৰিবা আমাৰ ॥৯২৩

১১৪. দিহা : সত্য কৰে সদাগৰ দেৱৰ বৰাবৰ ॥

পদ : এত ভাবি সদাগৰে লাগিলা কহিতে।
পিঠি দিযা তোমাক পুজিবো বামহাতে ॥
সিৱক পুজিয়া মই আচো আগ হাতে।
সেহি হাতে তোমাক পুজিবা নাহি চিতে।৯২৪
জাতি অজাতি তুমি নকৰা বিচাৰ।
জেহি পুজে তথা জায়া পুজা খাইবাৰ ॥
গন্ধ বনিকৰ মধ্যে আমিহে কুলিন।
কোনো কালে কোনো কৰ্ম্ম নকৰিবো হিন ॥৯২৫
লোভে থাকি পদ্মা তুমি পুজা খাইতে যায়া।
দেৱতাৰ ভোগ এৰি চেঙ্গ বেঙ্গ খায়া ॥
পদ্মা বোলে চন্দ্ৰধৰ নহয় উচিত।
কেনে দুৰাক্ষৰ বাক্য বোলা অনুচিত ॥৯২৬
চান্দোৰ প্ৰতি পদ্মাৰ উপদেশ
জে পুনু সুজন হয়ে সংসয় নাহি তাৰ।
কোনো কালে দুষ্ট বাক্য মুখে নাহে তাৰ ॥
মহাদেৱৰ সিস্য তুমি হুয়া চন্দ্ৰধৰ।
ইস্বৰ সম্বন্ধি তুমি ভাই হুয়া মোৰ ॥৯২৭

৯২২—২৩. 'খ' পুথিৰ পৰা।
১১৪. দিহা : 'খ' আৰু 'গ' পুথিৰ পৰা।
৯২৭—২৮. 'খ' পুথিৰ পৰা।

সিৱৰ গৰ্ব্বত তুমি মন্দ বোলা ভাই।
ইহ পৰ কালে জানো তোৰ বুদ্ধি নাই॥
অলপ মনুস্য তুমি ধৰা বৰ চায়া।
অহঙ্কাৰি পন্থ ধৰা মোহ বল পায়া॥৯২৮
এখনে মুখৰ ৰক্ত মাৰিবাক পাৰো।
পুৰি সমে তোৰ জত সৈন্যক ধ্বংস কৰো॥
কোন দেৱৰ সক্তি আছে ৰাখিবাক পাৰে।
হৰ গোৰি আসি তোক ৰাখিতে নাপাৰে॥৯২৯
তৃদস কোটি দেৱগনে নময় চৰনে।
তুমি মাৰিলাহো মোক বৰ অপমানে॥
জত জত পদ্মাৱতি বুলিলা তৰ্জ্জিয়া।
হেথ মাথা কৰে সাধু তাহাক সুনিয়া॥৯৩০
আপুনৰ বিবুদ্ধি তুমি নুবুঝা আপুনে।
চন্দ্ৰধৰ নাম ৰাজা ধৰা কোন গুনে॥
স্বৰ্গ মৰ্ত্ত্য পাতাল জে ই তিনি ভুবনে।
সৱাক নাসিতে পাৰো বিসৰ নয়নে॥৯৩১
তেবে গৰ্ব্ব কৰা তই সঙ্কৰ ভবানি।
মোৰ বিসে দুই জন হুয়াচিল পানি॥
বাপ হেন সম্বন্ধক নুগুনিলো মনে।
কোপ কৰি তাহাৰ মই বধিলো পৰানে॥৯৩২
দেৱগনে তুতি কৰি বুলিলা ভজিয়া।
অমৃত নয়নে চাই দিলোহো জিয়ায়া॥
সতাই হুয়া মোকে বুলিলে দুষ্ট বানি।
সৰ্প্প ৰুপ ধৰি তাৰ বধিলো পৰানি॥৯৩৩

৯৩০—৩৬. 'খ' পুথিৰ পৰা।

বাপ হুয়া ভজিয়া বুলিলা মোৰ ঠাঁই ।
অমৃত নয়নে জিয়াই তুলিলো সতাই ॥
তোৰ হৰ গৌৰি দেখা এতেক অৱস্থা ।
আমি হন্তে বৰ কোন আচয় দেৱতা ॥৯৩৪
তোমাসাত দোস নাই জানিলো প্রত্যেক ।
চণ্ডিৰ বাক্যত থাকি বুলিচা অনেক ॥
সবংসে নাসিতে পাৰো বিস অগ্নিহানি ।
পাচে কি কৰিতে পাৰে সঙ্কৰ ভবানি ॥৯৩৫
আমাক বোলাহ মন্দ আপুন ববাই ।
সোনেকাৰ গর্ব্বে তই মোৰ ক্রোদ্ধ দেখা নাই ॥
তুমি নুপুজিলে মোক নুপুজে সংসাৰে ।
তেকাৰণে তোমাত মই কহিলো বিস্তৰে ॥৯৩৬
সোনাই বোলে সুন অৰে নির্ব্বোধ সদাগৰ ।
এক মনে পদ্মা পুজা অন্যয়থা নকৰ ॥
চান্দো বোলে জদি পুজা দিবো বিসহৰি ।
সুনিয়া আমাক মন্দ বুলিবেক গৌৰি ।।৯৩৭
পদ্মা বোলে জদি নিন্দা কৰয় পার্ব্বতি ।
সকলে নাসিয়া দিবো জয় পদ্মাৱতি ॥
চান্দো বোলে তেবে তোমাক পাৰিবো পুজিবাৰে ।
মোৰ নামে চন্দোয়া টনাই সিৱৰ উপৰে ।।৯৩৮
হেনকালে নেতা বোলে পদ্মাৱতিৰ ঠাই ।
কাপুৰ টনাইতে বৈনি কোনো দোস নাই ॥
এত সুনি পদ্মাৱতি কৈলা অঙ্গিকাৰ ।
আনন্দিত ভৈলা সাধু পদ্মা পুজিবাৰ ।।৯৩৯
কৰজোৰে কৰি বোলে পদ্মাৰ গোচৰ ।
এক চিত্তৰ পুজা মায় কেন গুন মোৰ ॥

চান্দো বোলে দিবো আমি নব লক্ষৰ পুজা।
পাইক সৰক আজ্ঞা দিলা চন্দ্ৰধৰ ৰাজা ॥৯৪০
নৰসিংহ সুত কবি নাম নাৰায়ন।
পুজাৰ বিধান বুলি সুনা সৰ্ব্বজন ॥

ৰাগ ॥ পটমঞ্জৰি ॥ লেচাৰি

১১৫. দিহা : ঐ অ কি পুজে সাধু একমন চিত্তে
অ পুজে চান্দো অধিকাৰি।

পদ : নানা মৃদঙ্গ ধ্বনি সংখ সিঙ্গা ৰামবেনি
বিবাদ খণ্ডিলা আজি ধৰি ॥৯৪১
উত্তম মণ্ডপ কৰি পঞ্চ বৰ্ন্ন দিলা গুৰি
মণ্ডপক আলিপন কৰি।
সুবৰ্নৰ ঘণ্টবাৰি সিংহাসনে বিসহৰি
পুজে সাধু নানা ভক্তি কৰি ॥৯৪২

চান্দোৰ দ্বাৰা পদ্মাক পূজা

উত্তম মণ্ডল কৰি গুয়া নাৰিকল ভৰি
চাৰি পাসে ৰান্ধে কলৰ ভাৰ।
হংস চাগল ভেৰা বলি দিলা মহিস পেৰা
নৃত্য গিত মঙ্গল জোকাৰ ॥৯৪৩
ঠোকা কল পদ্মৰ পত্ৰ তিল তণ্ডুল নৈলা হাত
ধুপ দিপ নৈবেদ্য আচমন।
আনো সব দ্ৰব্য জত আনিলেক সত সত
দিলা আনি পদ্মা বিদ্যমান ॥৯৪৪

---

৯৪০. খ. সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
পুজাৰ সোমৰ বুলি একৰ লেচালি ॥
১১৫. দিহা : 'খ' পুথিৰ পৰা।
৯৪৪. 'খ' পুথিৰ পৰা।

হুৰিন কালসাৰ আনি কাটে চান্দো চুৰামনি
দেই পদ্মাক থালৰ উপৰ।
নানা উপহাৰ জত তাহাক কহিব কত
লক্ষে লক্ষে দেই কপুতৰ ॥৯৪৫
আগৰ চন্দন দিয়া কনক অঞ্জলি লৈয়া
হৰিসে পুজিলা অধিকাৰি।
নিল পুষ্প বাম কৰে বিসহৰি দক্ষিন কৰে
হৰসিত হৈলা বিসহৰি ॥৯৪৬
কনক কমল ধৰি লৈলেক অধিকাৰি
পদ্মাৱতিক বন্দিলেক মাথে।
নাৰায়ন দেৱে কয় সুকবি বল্লভে হয়
পুনু বন্দে চম্পকৰ নাথে ॥৯৪৭

১১৬. দিহা : দুই হস্ত জোৰ কৰি পূজে চান্দো অধিকাৰি ॥
পদ : বামহাতে পুষ্প লৈয়া চান্দো অধিকাৰি।
ভক্তি ভাৱে পুজে সাধু নানা ভঙ্গি কৰি ॥
নেতা বোলে সুনা পদ্মা আমাৰ উত্তৰ।
চতুৰ্ভুজ ৰূপ মাও ধৰহ সত্বৰ ॥৯৪৮
নেতাৰ বচন পদ্মা সুনিলা শ্ৰবনে।
চতুৰ্ভুজ ৰূপ মায়ে ধৰিলা তেখনে ॥
চতুৰ্ভুজ ৰূপ মায়ে জেখনে ধৰিলা।
পুজা হৈতে চন্দ্ৰধৰে নয়নে দেখিলা ॥৯৪৯

---

১১৬. দিহা : ঙ. পুথিৰ পৰা।
খ. এ ভাল হৰিনাৰে পুজে মনসা দেৱি ॥
গ. পুজে চান্দো অধিকাৰী দুই হস্ত জোৰ কৰি ॥
ক. ভবানি পুজিবা গঙ্গাজলে।
ত বিনি পুজিবো সত জলে ॥
৯৪৮—৫১. 'ঘ' আৰু 'গ' পুথিৰ পৰা।

নাজানিয়া দিচো গালি কানি কানি বুলি।
এত বুলি ফিৰি সাধু কৰে কৃতাঞ্জলি ॥
বাৰে বাৰে জত মন্দ বুলিচো তোমাৰে।
সিদোসক খেমো হেন বোলাহা আমাৰে ॥৯৫০
মোৰ অপৰাধ দোস খেমা বিসহৰি।
চান্দোৰ পূজন
আজি হস্তে সবংসে তোমাক সেৱা কৰি ॥
হেমতাল কাটি সাধু লগাইলা ধুপতি।
পৰম হৰিস ভৈলা দেখি পদ্মাৱতি ॥৯৫১
ভাবে ভাৱে পদ্মপুষ্প আনিয়া জোগায়ে।
আনন্দিতে কৰে পুজা পদ্মাৰ দুই পায়ে ॥
আমিতো নাজানো মাও তুমি তৃনয়নি।
মোৰ পাপ মুখে বুলি আচো দুষ্টবানি ।৯৫২
পদ্মা বোলে কি কৰিবো বানিকৰ নন্দন।
দৈৱৰ নিৰ্ব্বন্ধন কৰ্ম্ম নাজাই খণ্ডন ॥
চণ্ডিৰ কথাত দিলা জত অপমান।
সকলে খেমিলো মই তুমি বিদ্যমান ॥৯৫৩
আজি হস্তে তোৰ মোৰ খণ্ডিলা বিপাক।
ভক্তি ভায়ে এহি ৰূপে পুজিবা আমাক ॥
ধনে ধান্যে পুত্ৰ পৌত্ৰে বাঢ়ে ঠাকুৰালি।
সভাসদক বৰ দেই জয় বিসহৰি ॥৯৫৪
পুজয় পদ্মাক জিবা ফল পুষ্প দিয়া।
ধনে ধান্যে পুত্ৰ পৌত্ৰে জাইতো বাঢ়িয়া ॥
সভাসদক বৰ দেই জয় বিসহৰি।
কহে কবি নাৰায়নে পদ্মাৰ পায়ে ধৰি ॥৯৫৫

১১৭. দিহা : হয় ঐ কি আহাৰে অত ৰাতি
কেন ৰাজপথে ভাল ॥

পদ :
পুজা সমৰ্পিয়া সাধু হোমে দিলা পুৰ্ন্না ।
লক্ষ তোলা স্বুবৰ্ন দিলা জজ্ঞৰ দক্ষিনা ॥
পিতৃৰ আৰ্জিত ধন দেউল প্ৰমান ।
এক ভণ্ডাৰ ভাঙ্গি বিপ্ৰক কৰে দান ॥৯৫৬
ভাটে পাইলা হস্তি ঘোৰা নটে পাইলা ধাই ।
ব্ৰাহ্মনে পাইল লক্ষ দুগ্ধৱতি গাই ॥
নানা উপহাৰ দ্ৰব্য গুৱা নাৰিকলা ।
অৱসেসে ভুমিদান বিস্তৰ কৰিলা ॥৯৫৭
গায়নে বায়নে পাইলা স্বুবৰ্ন অপাৰ ।
নানা প্ৰসাদে দ্ৰব্য তুসিলা সৱাৰ ॥

চান্দোৰ দান-দক্ষিণা

নব লক্ষৰ বলি দান বেদৰ বিধানে ।
আনন্দিতে দিল সাধু পদ্মা বিদ্যমানে ॥৯৫৮
হৰসিতে পদ্মা নব লক্ষ বলি খায়া ।
চান্দোৰ আগতে কহে হাসিয়া হাসিয়া ॥
পদ্মা বোলে সাবধানে স্বুন চন্দ্ৰধৰ ।
তুষ্ট ভৈলো ধন পুত্ৰ লৈয়া চলা ঘৰ ॥৯৫৯
হিৰা জে মানিক নেহ ৰতন পোৱাল ।
সোনা ৰূপা তামা কাহা বিস্তৰ পিতল ॥
হিঙ্গুল হাইতল সিন্দুৰৰ ৰৰাবৰি ।
হস্তিৰ দান্ত জাতিফল সঙ্খ মুক্তা কৰি ॥৯৬০

---

১১৭. দিহা : খ. পুথিৰ পৰা ।
ক. জয়ধ্বনি পৰে কামৰ নগৰ ।
প্ৰভু আইল আপোন দেসে ॥
প. (ক) হয়ে বোলে দেখি মনসা ।
(খ) হয়ে দান কৰেই সদাগৰ ॥

সুবর্নৰ বাত্তি কাহি সুবর্ন কুমুৰা।
এলাঞ্চি কর্পূৰ লহ আৰিবৰ গুৰা ॥
সূর্য্যমনি লহ আৰ নানা বর্ন লেখি।
উত্তম পস্থক লহ পোহনিয়া পখি ॥৯৬১
জত বস্তু তোলা তুমি আপুনি জুখিয়া।
সেস হৈয়া থাকা দ্রব্য দিবোহো পুৰিয়া ॥
সাত জে কুমৰ লহ ব্রাহ্মন সোমাই।
সত্তৰি হাজাৰ বাইচা কাণ্ডাৰি তুলাই ॥৯৬২
চৈদ্ধ খানি ডিঙা লহ লেখা জোখা কৰি।
অৱসেসে লহ তুমি ওঝা ধনন্তৰি ॥
আপুনি কাণ্ডাৰ ধৰি আনি দিলো ঘাটে।
চাহা তোমাৰ তেল এক ৰতি নাহি টুটে ॥৯৬৩
এত সুনি চন্দ্রধৰ হৰসিত মন।
ভাণ্ডাৰে ভাণ্ডাৰে তোলে চৈধ্য ডিঙাৰ ধন ॥
হৰসিতে বোলে পদ্মা সুন চন্দ্রধৰ।
বিদাই দিয়া চলি জাঞো আপোনাৰ ঘৰ ॥৯৬৪

চান্দোৰ ওচৰত পদ্মাৰ বিদায়

পদ্মাৰ বচন সুনি বোলে অধিকাৰি।
এথাতে থাকিয়ো মাও নির্ম্মি দিবো পুৰি ॥
নিতে নিতে সেৱা কৰি থাকিবো তোমাৰে।
তেবেসে মনৰ দুখ খণ্ডিবো আমাৰে ॥৯৬৫
পদ্মা বোলে চন্দ্রধৰ সুখে থাকা তুমি।
তোমাৰ পুজাত বৰ তুষ্ট হৈলো আমি ॥
সুবর্নৰ ঘটপাতি সুবর্ন আসনে।
একপুৰি নির্ম্মিয়া পুজিয়ো প্রতি দিনে ॥৯৬৬

৯৬১—৬৩. 'গ' পুথিৰ পৰা।
৯৬৪—৬৫. 'খ' পুথিৰ পৰা।

ঘটত পুজা কৰিয়া মাগি লবা বৰ।
এহি ৰূপে দেখা দিবো সিৰৰ উপৰ॥
সংসাৰ ভিতৰে তোৰ কাকো নাহি ডৰ।
আপুনি আসিবো তোৰ পুৰিৰ ভিতৰ॥৯৬৭

আপুনিয়ে পদ্মা আচো সদয় তোমাৰে।
বিপদে পৰিলি মই ধৰিবো কাণ্ডাৰে॥
কৰজোৰ কৰি বোলে চম্পকৰ পতি।
তোমাক পুজিলে হুযি হয়ে ধনপতি॥৯৬৮
তুমি সমে বাদ মোৰ লগাই দিলা চণ্ডি।
তোমাক পূজিতে চণ্ডি হাক দেই পাষণ্ডি॥
মহাদেৱৰ সিস্য আমি মন্ত্ৰত পাগল।
আমি পাগল ভৈলো দিলা হেমতাল॥৯৬৯

চণ্ডি বোলে তোৰ ঘৰে পদ্মা লৈলা বাস।
কালৰূপে সবংসে কৰিবো সৰ্ব্বনাস॥
হেমতাল দিয়া চিত্ৰ থৈলা হৰগৌৰি।
তেকাৰনে তোমাৰ ভাঙ্গিলো ঘণ্ট বাৰি॥৯৭০

তুমি সমে বাদ কৰো মোৰ বুদ্ধি নাই।
আপুনাৰ দোসে পাইলো এতেক বিলাই॥
বাৰে বাৰে ভক্ত মন্দ বুলিচো তোমাৰে।
সি দোস খেমা হেন বোলাহা আমাৰে। ৯৭১

পদ্মা বোলে খণ্ডিলা মোৰ বিবাদৰ আসা।
এক লক্ষ দোস মই খেমিলো মনসা॥
এহি সত্য কৰি তেবে পদ্মাব্ৰতি লবে।
সাতপুত্ৰ লৈয়া সোনাই পদ্মাৰ পায়ে পৰে॥৯৭২

৯৬৮. 'খ' পুথিৰ পৰা।

পদধুলা দিয়া পদ্মা বুলিলা কল্যান।
ৰথত চৰি পদ্মাৱতি ভৈলা অন্তৰ্দ্ধান॥
নৰসিংহ সুত কবি নাম নাৰায়ন।
ৰচিলা পাঞ্চালি কবি মধুৰ বচন॥৯৭৩

১১৮. দিহা : ভাল নাম খানি ৰাম প্ৰভু জন্মি
আচে দসৰথ ঘৰে॥

পদ : মাথাৰ উপৰে পদ্মা পৰম কৌতুকে।
বেউলা লখাই দেখে নেদেখয় লোকে॥
কৰজোৰে বেউলা কহে পদ্মাৰ গোচৰে।
আমাক চাৰিয়া তুমি হৈ গৈলি অন্তৰে॥৯৭৪

বেউলাৰ প্ৰতি পদ্মাৰ সান্ত্বনা বাণী

পুৰ্ব্বৰ জতেক কথা স্মৰন নাহি কেনে।
পদ্মা বোলে সব্বে জানি নিচিন্তিয়ো মনে॥
তোমাক চাৰিয়া আমি নাজাইবো স্বৰ্গপুৰ।
বুঝো কিবা ব্যৱহাৰ কৰয় সদাগৰ॥৯৭৫
পুৰোহিতে বুলিলেক চান্দোৰ গোচৰে।
পুত্ৰবধু লৈয়া তুমি চলি জায়ো ঘৰে॥
এত সুনি চন্দ্ৰধৰে লাগে বুলিবাৰে।
একখানি বাক্য বোলো সবাৰে গোচৰে॥৯৭৬
পাচত ভৰ্চ্ছিবে মোক জ্ঞাতি যে সকলে।
সাৱধানে সুনা বিপ্ৰ বচন কেৱলে॥
চান্দো বোলে সুনা গুৰু আমাৰ উত্তৰে।
পৰিক্ষা দিয়া পুত্ৰ বধু লৈয়া চলো ঘৰে॥৯৭৭
তাক সুনি বেহুলাৰ বিসাদিত মন।
পদ্মাৰ চৰন চিন্তি জুৰিলা ক্ৰন্দন॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
বেউলাৰ ক্ৰন্দন বুলি একয়ে লেচালি॥৯৭৮

১১৮. দিহা : ক. পুথিৰ পৰা, আন পুথিত নাই।
৯৬৯—৭২. 'খ' পুথিৰ পৰা।

১১৯. দিহা : কৰহস্ত জোৰ কৰি কান্দে বেউলা সুন্দৰি ॥

পদ : বেউলা বোলে স্থুন মায় অনন্তৰে আই।
তোমাৰ চৰন বিনে অন্য গতি নাই ॥
আমাক পৰিক্ষা কৰে সম্মুৰ সদাগৰে।
দোসগুন জত মাও চৰনে তোমাৰ ॥৯৭৯
পদ্মা বোলে পৰিক্ষা লহ সত্য ৰাখ তোৰে।
স্বামিৰ সঙ্গত লৈয়া জাঞো দেৱৰ পুৰে ॥
বেউলা বোলে স্থুনা মায় কহো তোমাৰ ঠাই।
মোক জদি এৰি জায় ধৰ্ম্মৰ দোহাই ॥৯৮০
পদ্মা বোলে স্থুন বেউলা কেনে চিন্তা তোৰে।
আমি পদ্মাৱতি আচো সিৰৰ উপৰে।
পৰিক্ষা লহ তুমি আনন্দিত মতি।
যুগে যুগে পৃথিৱিত ৰহোক খিয়াতি ॥৯৮১
জত পৰিক্ষা লহ সঙ্কা নাহি চিত্তে।
সেস পৰিক্ষা তই ধৰি আস এতিক্ষন ॥
পৰিক্ষা ধৰিয়া জদি মৰস পুৰিয়া।
পুনৰুপি এথা তুমি নাহিবা ফিৰিয়া ॥৯৮২
বেউলাৰ প্রতি পদ্মাৰ নির্দেশ
জদি বা পৰিক্ষা জিনি ধৰ্ম্ম কৰা ৰক্ষা।
পুনৰুপি তোৰ মোৰ আৰ নাহি দেখা ॥
পদ্মাৰ স্থুনিলা বেউলা নিষ্ঠুৰ বচন।
সোকাকুন ভাৱে বেউলা জুৰিলা ক্রন্দন। ৯৮৩
সুকবি-নাৰায়ন দেৱৰ সৰস পাঞ্চালি।
বেফুলাৰ চিন্তা বুলি একয়ে লেচালি ॥

---

১১৯. দিহা : 'গ' পুথিৰ পৰা, আন পুথিত নাই।
৯৭০. 'খ' পুথিৰ পৰা।
৯৮১. 'খ' আপুনি ৰহিচো তোৰ সিৰৰ উপৰে।
৯৮২. ক. সেস পৰিক্ষাত আমি লৈবো ৰথে।

১২০. দিহা : চিন্তে সুন্দৰি বেহুলা মৰ্ত্তালোকে বসি ।
থাকিবে নেদিলা বিধি আমি কৰ্ম্মদোসি ।।

পদ : স্বৰ্গ জাইতে বেহুলাৰ হৈল সন্নিধান ।
হৰিস বিসাদ হৈল বেহুলাৰ প্ৰান ।।৯৮৪
বিদায় লৈতে গৈল সাসুৰিৰ গোচৰে ।
চৰনে ধৰি বেহুলা লাগিলা কান্দিবাৰে ।।
বেউলা বোলে সুন মায় সাসুৰি ৰাজৰানি ।
তোমাৰ চৰনে মায় মাগোহো মেলানি ।।৯৮৫
পৰিক্ষা লৈতে জদি মৰোহো পুৰিয়া ।
পুনৰুপি কিমতে দেখিবো বাহুৰিয়া ।।
জদি পৰিক্ষাত মোক ধৰ্ম্মে কৰে ৰক্ষা ।
তথাপিতো তোমাৰ মোৰ নহৈবেক দেখা ।।৯৮৬
নানা দুখে প্ৰভু জিয়াই আনিলোহো ঘৰে ।
তাহাতে এতেক জঞ্জাল পাৰিলা সসুৰে ।।
সসুৰৰ দোস নাহি দোস আপুনাৰে ।
এত দুখ দিয়া বিধি জন্মাইল মোৰে ।।৯৮৭
তোমাৰ ঘৰত মায় আছিলো কালৰাত্ৰি ।
বেউলাৰ সন্তাপ প্ৰকাশ — কোন সুখ নবঞ্চিলো ময়ি পাপ মতি ।।
সেহি হন্তে উপবাসি পথে নানা দুখ ।
একৰাত্ৰি ঘৰে মই নবঞ্চিলো সুখ ।।৯৮৮
পিতা মাতাত জনায়োক আমাৰ দুৰ্গতি ।
মায়ৰ গলে ধৰি নবঞ্চিলো এক ৰাত্ৰি ।।
মায়ত নকহিলো মোৰ দুখৰ অৱস্থা ।
ই সব গাৱৰ দুখ নিবাৰিবো কোথা ।।৯৮৯
মায়ে জেন বাৰ্ত্তা পাইবো উজানি জুৰিয়া ।
পৰিক্ষাত তোৰ বেহুলা মৰিল পুৰিয়া ।।

৯৮৪—৯০. 'ক' পুথিৰ পৰা ।

বেহুলাৰ ক্রন্দনে সোনাইৰ বুক বিদাৰে ।
দুই চক্ষুৰ জল সোনাইৰ পৰে সত ধাৰে ।।৯৯০
কান্দিতে লাগিলা সোনাই ধাকুৰিয়া বুক ।
বেহুলাৰ গলে ধৰি মুখে দিয়া মুখ ।।
সোনাই বোলে পৰিক্ষা নিকধ কৰো আমি ।
মাও বাপ দেখিবাক উজানি চলা তুমি ।।৯৯১
বেউলা বোলে মুবুলিবা হেন কদাচাৰ ।
সংসাৰতে কুখ্যাতি জুৰি ৰহিবো আমাৰ ।।
তোমাৰ চৰনে মোৰ সত নমস্কাৰ ।
প্রান ভয় নাহিকে কৰিলো অঙ্গিকাৰ ।।৯৯২

১২১. দিহা : আনন্দিত মন হুয়া আইলা দেৱগন ।
হৰসিতে আইলা দেৱ স্বৰ্গ ভুবন ।।

পদ : পৰিক্ষা কৈব বেহুলা মর্ত্যৰ ভুবনে ।
আকাস ভৰিয়া চায়ে জত দেৱগনে ।।
সম্মুৰ হৈয়া পৰিক্ষা দিয়াব বধুৰে ।
পবন দুতে কহে গৈয়া দেৱৰ গোচৰে ।।৯৯৩
কাতৰ হৈয়া বেহুলা সৱাৰে মুখ চাই ।
চয় জায়ৰ গলে ধৰি কৰন্ত বিদাই ।।
খণ্ডাইলো বিধোয়া দুখ সকলে তোমাৰ ।
তোৰা ভাগ্যৱতি থাকা সম্মুৰৰ ঘৰে ।।৯৯৪
বিস্তৰ আসা কৰি আইলো চম্পাক নগৰে ।
মাস পক্ষ সম্মুৰে নেদিল ৰহিবাৰে ।।
পৰিক্ষাত পৰো জদি আমি জাইবো চাৰি ।
পৰিক্ষাত জিনো জদি জাইবো স্বৰ্গপুৰি ।।৯৯৫

---

৯৯১. ক. ক্রন্দন কৰে সোনাই দুই হাতে কুটে বুক ।
খ. কান্দয় সুন্দৰি সোনাই হাতে কুটে বুক ।।
গ. পুথিৰ পৰা ।
৯৯৫. খ. পাসণ্ড হৈয়া বিধি অন্তৰে আমাৰে ।

ই জন্মে তোমাৰ মোৰ আৰ দেখা নাই ।
বিদায় ভৈলোহো আমি তোমাসাৰ ঠাই ॥
এতস্মুনি বেফুলাৰ যে নিষ্ঠুৰ বচন ।
গলে ধৰি চয় জায়ে কৰন্ত ক্রন্দন ॥৯৯৬
পৰিক্ষা ধৰিতে বেফুলা ভৈলা সন্নিধান ।
চয় জায়ে বেফুলাক কৰাইলেক স্নান ॥
সুকবি নাৰায়ন দেৱৰ সৰস পাঞ্চালি ।
বেফুলাৰ পৰিক্ষা বুলি একয় লেচালি ॥৯৯৭

১১১. দিহা : উপায় বোলৰে সজনি ।
কালা ৰমনি বাসিৰ বাজনি ॥

পদ : গড়ুৰ বাহনে বিষ্ণু আসিল সিঘ্রগতি ।
হংসৰ বাহনে চড়ি আইলা প্রজাপতি ॥
ব্রহ্মা বিষ্ণু মহেস্বৰ হৈয়া এক ঠাই ।
আকাস মণ্ডলি কৰি বসে তিনি ভাই ॥৯৯৮
মুস ময়ুৰ বাহনে কৰিয়া সংহতি ।
দুই ভাই আসিল কার্ত্তিক গনপতি ॥
বিৰালৰ পৃষ্ঠত কৰিয়া আৰোহন ।
সষ্ঠি গোসানি চলি আসিলা তেখন ॥৯৯৯

বেউলাৰ পৰীক্ষা চাবৰ বাবে দেৱতা-সকলৰ প্রস্তুতি

কুর্ম্ম বাহন তেবে সাজন কৰিয়া ।
কুবেৰ বৰুন তেবে আসিল চলিয়া ॥
চাগ হৰিন পৃষ্ঠে কৰিয়া সাজন ।
দুইজন চলি আইল অগ্নি জে পবন ॥১০০০
ঐৰাবতে চড়ি আইল দেৱ পুৰন্দৰ ।
তান সংগে আইল জত সৱে বিদ্যাধৰ ॥

---

৯৯৬. ক. বিদায় হৈলো বেফুলা তোমৰা সৱৰ ঠাই ।
৯৯৮. 'ক' পুথিত নাই, 'খ' পুথিৰ পাঠ ।

পবন দেৱ আইল হেন দেখি দেৱৰাজ।
সভাৰ মধ্যত ইন্দ্রে পাইল বৰ লাজ ॥১০০১
আপুনি বাসুকি বসে নাগগন লৈয়া।
লোভ সাম্বৰিতে নৰে গড়ুৰ বিকল হিয়া ॥
সসাৰ বাহনে আসিলেক নিসাকৰ।
সপ্ত ঘোটকে চড়ি আইল দিবাকৰ ॥১০০২
অনন্ত কোটি সিদ্ধগন কৰিয়া সাজন।
বসিলেক গোৰখনাথ সুন্য আসন ॥
দেৱ গন্ধর্ব্ব জত আসিল সত্বৰ।
ঢেকি বাহনে আইলা নাৰদ মুনিবৰ ।১০০৩
তৰ ংৰি আসিলা আপুনে সৰস্বতি।
জয়া বিজয়া চলি আসিলা সিঘ্রগতি ।।
কালি কমলি আইলা সর্পত চৰিয়া।
চৌসষ্টি জোগিনি আইলা সংগত চলিয়া ॥ ১০০৪
সবাহনে চলি আইলা নৱগ্রহ গন।
মহিসে চৰিয়া আইলা জম চৈধ্যজন ॥
অনাদি চলিয়া আইলা সংসাৰ স্রজিতে।
জগত ইস্বৰ তুমি সংসাৰে পুজিত ॥ ১০০৫
সিংহ বাসনে আইলা হেমন্ত নন্দনি।
সবাহাকে আস্বাসিয়া বসিলা ভবানি ॥
বেফুলা পৰিক্ষা লয়ে দেখিবাক মনে।
দেৱ মণ্ডলি কৰি বসিল প্রতিজনে ॥১০০৬
আকাস ভৰিয়া ভৈলা দেৱতাৰ চাৰ।
গন্ধৰ্ব্বে গিত গায়ে নাচে বিদ্যাধৰ ।।

১০০২. ক. ঘোড়ষ ঘোৰাৰ পৃষ্ঠে আইল নিসাকৰ।
১০০৪. খ. আপুনি ভাৰতি আইলা চেলাৰ বাহনে।
ঢলা পাৰোয়াত লক্ষি আসিলা আপুনে ॥

আকাসে থাকিয়া ডাকি বোলয় দেৱগনে।
সাপ বিমোচন ভৈলা বৈয়া আচা কেনে ॥১০০৭
সভা মণ্ডলি কৰি বসে দেৱগনে।
ৰথে থাকি পদ্মা বোলে ৰহি আচা কেনে ॥
পৰিক্ষা লহ ৰংগ চাউক জগত ভৰি।
লোক মুখে জস থৈয়া আস সিঘ্র কৰি ॥১০০৮
আকাসি বচন স্যুনি সচকিত মন।
আথে বেথে বেফুলাই কৰিলেক স্নান ॥
পাৰ্ব্বতি আদি কৰি পুজিলা দেৱগন।
সভামধ্যে গৈয়া বেউলা দিলা দৰসন ॥১০০৯
কৰজোৰ কৰি বোলে সম্মুৰ গোচৰ।
কোন পৰিক্ষা দিবো বাপ দেহত সত্বৰ ॥
এতস্যুনি আনন্দিত ভৈলা চন্দ্রধৰ।
অষ্ট পৰিক্ষা মায় দেৱৰ গোচৰ ॥১০১০

ৰাগ ॥ পটমঞ্জৰি ॥ লেচাৰি

১২৩. দিহা: দুই ভাগ কৰি কেস নাজানো পাপৰ লেস
সাখি হৈবা জয় বিসহৰি ॥

পদ: বুলিলেক চন্দ্রধৰ সৰ্পৰ মনি কাৰিবাৰ
লহ পৰিক্ষা সাহেৰ নন্দনি।
পৰম কৌতুক কৰি সৰ্পৰ মুণ্ডত ধৰি
কাৰি লৈলা মস্তকৰ মনি ॥১০১১

---

১২৩. দিহা: 'ক' আৰু 'খ' পুথিৰ পৰা।
প. অ সাধু বৰি অদভুত সাধু
লো পৰিক্ষা মধু ॥
১১১২. 'খ' পুথিৰ পৰা।

বেউলাৰ পৰীক্ষা

পৰিক্ষা জিনিয়া সতি   হৰসিত ভৈলা মতি
        বেউলা বোলে সম্মুৰ গোচৰ।
সৰ্পৰ পৰিক্ষা জিনি   খখাইলো মস্তকৰ মনি
        দেহ আৰ পৰিক্ষা সত্বৰ ।।১০১২
চান্দো বোলে সুনা মায়   কেসৰ সাখো হাঠি জায়
        জস বৌক ই তিনি ভুবনে।
কেসৰ সাখো খুৰৰ ধাৰ   তাতে হাস্তি হৈল পাৰ
        জয় জয় বোলে সৰ্ব্বজনে ।।১০১৩
বধুৰ পৰিক্ষা দেখি   মনে মনে আচে লখি
        আৰ লৈবো ঘৃতজে কাঞ্চন ।
মিলিয়া জত পণ্ডিত   সুধিয়া আনিল ঘৃত
        জাল দিলা কৰিয়া সম্পূৰ্ণ ।।১০১৪
আংগুৰি ফেলায়া তাত   তাৰ মধ্যে দিয়া হাত
        চায়া তাক তুলিলা সুন্দৰি ।
ছুৰে থাকি প্ৰজাগন   দেখি চমকিত মন
        সৰ্ব্বলোকে বোলে হৰি হৰি ।।১০১৫
ঘৃত কাঞ্চন পৰিক্ষাক   লৈলা দেখি বেকুলাক
        হৰসিত্ত ভৈলা অধিকাৰি ।
অন্তৰিক্ষে দেৱগন   দেখি চমকিত মন
        পদ্মা হাসে ৰথে ভৰ কৰি । .০১৬
চন্দ্ৰধৰে বোলে হাসি   কিচু মাও সম্বয় ৰাখি
        আৰ এক পৰিক্ষা লৈবাৰে ।
বান্ধি চাৰি হাত পায়   সাগৰে নামিয়া জাও
        ভাস দেখো জলৰ উপৰে ।।১০১৭

১০১৫. 'খ' পুথিৰ পৰা ।
১০১৬—২১. 'খ' পুথিৰ পৰা ।

বেফুলা বোলে এহি দণ্ড জতেক প্ৰকাৰে কৰ
বেউলাৰ জল পৰীক্ষা — কেনমতে বান্ধস আমাৰে।
সুদ্ধ পাটৰ গুনে চান্দি চাৰি হাত পায় বান্ধি
ফেলাইল সাগৰৰ নিৰে ॥১০১৮

জলত নামিলা লখি সৰ্ব্বলোকে আচে দেখি
বিধাতা বিধাতা মাত্র স্মৰে।
লখাইৰ ক্ৰন্দন — লখাই কান্দে উচ্চৈস্বৰে বেফুলাক দেখিবাৰে
চক্ষুৰ নিৰ বহি ধাৱে পৰে ॥১০১৯

দুই ভাগ কৈলা জল বেফুলা নভৈলা তল
গুচিলেক সকল বন্ধন।
জত ভাসিবে পুনি পায়ত নোচোয়ে পানি
তিৰে উঠিলা ততক্ষন ॥১০২০

বেফুলাৰ কৰ্ম্ম জত চিত্তে ভাবিয়া অদ্ভুত
সৰ্ব্বলোকে হৰি হৰি ঘোসে।
বেফুলাৰ চয় জায়ে কোলে কৰি লৈয়া জায়ে
তাক দেখি লখিন্দৰে হাসে। ১০২১

সৰ্ব্বলোকে হৰি বোলে বেফুলা উঠিল জলে
ধন্য ধন্য বোলে সংসাৰে।
বোলে চম্পকৰ পতি সুন বধু মহা সতি
আন পৰিক্ষা লহতো সত্বৰে ॥১০২২

বুলিলেক সদাগৰ সুল মধ্যে থাকিবাৰ
সুন বধু আমাৰ উত্তৰ।
শূল পৰীক্ষা — লোক মুখে কৌতুক খণ্ডোক মনৰ দুখ
সুল মধ্যে আপুনি ভৰকৰ ॥১০২৩

১০২২—২৪ 'ক' পুথিৰ পৰা।

জত সিদ্ধ দেৱগন বন্দিলেক চৰনে
বসিলেক পৰম ধিয়ানে।
আসনত মন দিয়া বায়ুত পাতল হৈয়া
বহিলা বেউলা স্থূল আসনে ॥১০২৪
তাৰ সেসে চন্দ্ৰধৰে বান্ধিলেক জোৰ ঘৰে
অগ্নি-পৰীক্ষা তাতে বেউলাক কৰাইলা প্ৰৱেস।
তৈল ঘৃত বিস্তৰ ঢালি দহিলেক অগ্নিজ্বালি
নলৰিলা একগাচি কেস ॥১০২৫
এতেক পৰিক্ষা দিলা তভো মনে সঙ্কা ৰৈলা
অয়সেসে কৰিলেক তুলা।
আচা সৱে মন কৰি একভিতি তুলা তৰি
তুলা-পৰীক্ষা আৰভিতি তুলিলা বেফুলা ॥১০২৬
বেউলা বোলে প্ৰভু মোৰ পুৰ্ব্ব কথা মন কৰ
এখনে চলো স্বৰ্গপুৰি।
অন্তৰিক্ষে ৰথে থাকি পদ্মাৱতি বোলে ডাকি
সিগ্ৰে আসা বেউলা সুন্দৰি ॥১০২৭
মাথাৰ উপৰে থাকি ঘনে ঘনে বোলে ডাকি
সিগ্ৰে আসা বেফুলা কৌতুহলে।
মাটিত পেলাইলা তুলা হাসি হাসি উঠিলা বেউলা
সতি কন্যা সৰ্ব্বলোকে বোলে ॥১০২৮
পদ্মা-বেউলা আৰু লখিন্দৰৰ স্বৰ্গ গমন পৰিক্ষা সম্পূৰ্ন ভৈলা সতি কন্যা মৰসিলা
চল চল পদ্মাৱতি বোলে।
নাৰায়ন দেৱে কয় সুকবি বল্লভে হয়
লখাইক লৈয়া বেউলা চলে ॥১০২৯

১০২৭. খ. বেউলা……এখনে চলো চৰ্গপুৰি।

ৰাগ ॥ ভৈৰবি ॥ পয়াৰ

১২৪. দিহা : এ পুত্র মোৰ হৰাইল হয় ॥

পদ : আকাসত মুনি গনে বেদ ধ্বনি কৰি ।
ৰথত চৰিয়া দুয়ো বোলে হৰি হৰি ॥
বেউলা লখাই দুয়ো কৰিলা গমন ।
চান্দো সোনাই দুয়ো জনে কৰে ক্রন্দন ॥১০৩০
পুত্র পুত্র বুলি সোনাই পৰিলা ভুমিত ।
হা হা পুত্র বুলি চান্দো ভৈলা বিমোহিত ॥
চেতন পায়া সোনাই ভৈলেক হাতাস ।
কণ্ঠে প্রান নাহি জে নাসিকাৰ নিস্বাস ॥১০৩১
চয় বধু আসিয়া মাথাত ঢালে পানি ।
হেৰ দেখা লখিন্দৰ আসিলা আপুনি ॥
গোত্র বংসে বেৰি কান্দে কৰি গণ্ডগোল ।
চম্পক নগৰ জুৰি ভৈলা মহাৰোল ॥১০৩২
চয় পুত্রে বেৰি কান্দে বুলি মায় মায় ।
সোনাইৰ ক্রন্দন
হেৰ দেখা লখিন্দৰ চক্ষু মেলি চায় ॥
চেতনক লভি চক্ষু মেলিয়া সোনাই ।
কোথা গৈলা পুত্র মোৰ প্রানৰ লখাই ॥১০৩৩
হাতৰ ৰতন মোক আনি দিলা বিধি ।
অদোসত হৰুয়াইলো পুত্র গুন নিধি ॥
কান্দিচে সোনেকা নাৰি মধৰে পৰানি ।
চান্দোক ভৰ্চ্চিয়া সোনাই মনৰ অগনি ॥১০৩৪

---

১২৪. দিহা : ক. কে জুগুতি দিল চাৰিতে জননিৰে মাই ॥
গ. কান্দেই সোন্দৰ সোনাই ।
হা হা হা পুত্র বুলি মাও কান্দে ।
অ মাও কান্দে—অ মাও—হায় হায় ॥

সোনাই বোলে স্নুনৰে নির্বোধ সদাগৰ ।
তোৰ দোসে গৈলা মোৰ পুত্র লখিন্দৰ ॥
সাহেৰ কুমাৰি কন্যা নামতে বেফুলা ।
পৰম স্নুন্দৰ বধু জেন চন্দ্রকালা ॥১০৩৫
মৰা লৈয়া বধু মোৰ গৈলা দেৱপুৰে ।
সৱে মৰা জিয়ায়া আনি দিলা ঘৰে ॥
সত্তৰি হাজাৰ সৈন্য জত প্রজাগন ।
ঘৰে ঘৰে হৰসিত ভৈলা সৱাৰ মন ॥১০৩৬
সম্পুর্নে ভৰিয়া আচে চৈধ্য ডিঙ্গা খান ।
ভাণ্ডাৰে ভাণ্ডাৰে তোলে জত সোনা ধন ॥
হৰস্নুতা পদ্মা পুজিবাৰ পালো মোৰে ।
বধু সমে হৰুয়াইলো পুত্র লখিন্দৰে ॥১০৩৭
পুত্র সোকতে মই কোন থানে জাইবো ।
কোন থানে গৈলি মই লখাই পুত্র পাইবো ॥
সোনাই বোলে স্নুন প্রভু আমাৰ বচন ।
তোমাৰ কাৰনে ভৈলা আমাৰ মৰন ॥১০৩৮
নৰসিংহ স্নুত কবি নাম নাৰায়নে ।
ৰচিল পুৰান গিত পদ্মাৰ চৰনে ॥

[ভাঠিয়ালী খণ্ড সমাপ্ত]

শব্দার্থ

শব্দাৰ্থ

[কাষত থকা সংখ্যাই পৃষ্ঠাৰ ক্ৰমাংক নিৰ্দেশ কৰিছে]

অ

অংগত ৩৭ দেহাবয়ৱত, দেহত, শৰীৰত।

অকথা ৮০, ১১৫ অশোভনীয়, অশ্লীল কথা।

অকাৰন ৪=অকাৰণ ; কোনো কাৰণ নোহোৱা অৱস্থা।

অকুমাৰি ১৭=অকুমাৰী ; পুষ্পিতা নোহোৱা ছোৱালী।

অখিল ১১২ সমস্ত, নিখিল।

অগনি ৯৮ অগ্নি, জুই।

অগ্নি ৩, ৬, ১১, ২৩, ৩৬, ৯৮, ১০৬-৮৮ বেদৰ দেৱতা, বৈশ্বানৰ, হুতাশন ; অনল।

অগ্ৰত ১০৩ আগত, অগ্ৰৱৰ্তী।

অঘোৰ ১২০ প্ৰচণ্ড, ভীষণ, ভয় লগা।

—মন্ত্ৰ ১৪১, -৪২ ভয়ানক মন্ত্ৰ, সাপৰ বিষ পানীকৃত্য কৰিবপৰা মন্ত্ৰ।

অঙ্কুস ১৭ লাংচিং, গোজাকোঁহ।

অঙ্গিকাৰ ১৭৭, -৮৭=অঙ্গীকাৰ, প্ৰতিজ্ঞা

অঙ্গুৰি ৭৪ আঙুঠি।

অচিদ্ৰ ১১৯ চিদ্ৰ বা দোষ নথকা।

অচিদৰ ১৫৩ বিবেচনা বিহীন।

অজ ৩, ১০৬ যাৰ জন্ম নাই, ব্ৰহ্ম।

—ব্ৰহ্ম ৩ জন্ম-মৃত্যু বা পৰিবৰ্তন বিহীন পৰম পুৰুষ।

অতৰ্ক ৩=অতৰ্ক্য ; অচিন্ত্য, বাদানুবাদৰ বাহিৰত।

অধিকাৰি ৪, ১৩৫ =অধিকাৰী, যাৰ আধিপত্য আছে ; চন্দ্ৰধৰ বা চান্দো।

অনন্তৰ আই ৩, ৯০, ৯৩, ১১০, -৫৬, -৮৫ যি গৰাকী দেৱীৰ লীলা-মালাৰ অন্ত বা অৱধি নাই।

অনল ৩৬, ১২৭, -৪২ অগ্নি, বহ্নি ; অষ্ট বসুৰ ভিতৰত ষষ্ঠ আৰু শ্ৰেষ্ঠ বসু।

অনাথৰ নাথ ৯৯ আশ্ৰয়হীনৰ আশ্ৰয়।

অনাদি ১৮৯ আদি যাৰ নাই, যাৰ জন্ম নাই, নিত্য, শাশ্বত, ব্ৰহ্ম।

অনিৰুদ্ধ ১২, ৯৯, ১২২ কৃষ্ণৰ নাতি আৰু কামদেৱৰ পুত্ৰ ; অ-প্ৰতিৰুদ্ধ।

অনুচৰ ৪২ সেৱক, ভৃত্য ; সহগামী, সহচৰ।

অনুভাৱে ৯১ প্ৰভাৱত, সামৰ্থ্যত।

অন্তক ৭৪ যম, কাল ; নাশকাৰী, ধ্বংসকাৰী।

অন্তকাল ১২২ শেষ সময়, চৰম সময়।

অন্তভাসে ৪৯ ভিতৰত, মধ্যত।

অন্তৰ ৪৯, ১৮৪ পাৰ্থক্য ; অদৃশ্য, অন্তৰ্দ্ধান।

অন্তৰিখো ১১১ আঁতৰিম, দূৰ হৈ যাম।

অন্তৰিক্ষে ৫৫, ৮৬, ১৯১=অন্তৰীক্ষে, আকাশত।

অন্তেপুৰে ৩৬ অন্তেষপুৰ (?), অন্তঃপুৰ।

অন্নপানি ১৯, ২৬, ৪৮, ১১০=অন্ন-পানী, ভাত-পানী।

অন্যয়থা ১১৭=অন্যথা, অন্যবিধ, অন্য প্ৰকাৰ ; বিপৰীত।

অপকিৰ্ত্তি ৪৫=অপকীৰ্ত্তি, অপযশ, দুৰ্নাম, বদনাম।

অপকৃত্তি ৫১=অপকীৰ্ত্তি।

অপখালে ৯৭ ন+পখালে, নোধোৱাকৈ।

অপজস ১২৫=অপযশ।

অপবাদ ১১৬ অপযশ।

অপান ১৪১ নিম্নগামী বায়ু, গুহ্যদেশত থকা বায়ু।

অবলা ১৩৩ দুৰ্বলা।

অভাগি ৯২; ৯৫=অভাগী, ভাগ্যহীনা।

অভাগিনি ২৬, ৩৪, ৫৩=অভাগিনী, দুৰ্ভাগ্যৱতী।

অভাজন ৭৫ অপাত্ৰ, অযোগ্য।

অভিমন্যু ১৮৫ কৃষ্ণৰ ভাগিন আৰু অৰ্জুন-সুভদ্ৰাৰ পুত্ৰ, পৰীক্ষিতৰ পিতাক, উত্তৰাৰ স্বামী, চক্ৰবেহ ভেদ কৰাৰ সময়ত জয়দ্ৰথৰ হাতত এওঁৰ মৃত্যু হয়।

অময়া ১১৫=অমিয়া, অমৃত।

অমৃত ১৬, ২৫ পৌৰাণিক পৰম্পৰা মতে যাক পান কৰিলে মৃত্যু ৰহিত হয়, সুধা, পীযুষ ; দধি-দুগ্ধ-ঘৃত-মধু-শৰ্কৰাৰ সমষ্টি।

অৰন্য ৬২, ১৬১=অৰণ্য, হাবি-জংঘল, জংগল।

অৰুন ১১৪=অৰুণ, সূৰ্য্য।

অৰ্দ্ধপাস ৭=অৰ্দ্ধ পাস, পিছফাল।

অৰ্দ্ধ হাস্যে ৭৮ হাঁহো হাঁহো কৈ।

অলক্ষন ২১=অলক্ষণ, কুলক্ষণ।

অলক্ষিতে ১৪, ৯০ লক্ষ্য নকৰাকৈ, হঠাত।

অৱতৰি ৩=অৱতৰী, অৱতাৰ গ্ৰহণ কৰি।

অৱধান ৭, ৬৩, ৬৬, ৭১ মনোযোগ, কাণ পাতি শুনা কাৰ্য্য।

অৱসেসে ৪১, ১৮১=অৱশেষে, অৱশেষত।

অষ্ট ১০ আঠ সংখ্যক।

—নাগ ১০, ১৬২, অনন্ত, বাসুকি, পদ্ম, মহাপদ্ম, তক্ষক, কুলীৰ, কৰ্কট আৰু শংখ।

—পাল ২৩ অষ্ট দিশাধিপতি, অষ্ট দিশৰ অধিপতি : পূবদিশ-ইন্দ্ৰ, অগ্নিকোণ-বহ্নি, দক্ষিণ দিশ-যম, নৈৰ্ঋত কোণ-নিঋ'তি, পশ্চিম-বৰুণ, বায়ু কোণ-মৰুৎ, উত্তৰ দিশ-কুবেৰ, ঈশান কোণ-ঈশ।

—ফোট ১০২, -০৪,=অষ্টস্ফোট, অষ্ট প্ৰকাৰ নৃত্য-ভংগী।

অসতি ৮৪=অসতী, যি সতী নহয়।

অসুভ ১৩, ১৫৭=অশুভ, অমংগল-জনক।

অসুৰ ১১৫ যি দেৱতা নহয়, দেৱতা বিৰোধী ব্যক্তি, দৈত্য।

—নাসিনি ১৪৭ অসুৰ নাশিনী, দুৰ্গা, চণ্ডী।

অসেস ১১৬=অশেষ, যাৰ শেষ বা অৱধি নাই।

অস্থি ৫৮, ৯২, ৯৪, ৯৫, ১৩২ হাড়, সংস্কাৰৰ বাবে শ্মশানৰ পৰা অনা মৃতকৰ পোৰা হাড়।

অশ্বিনি কুমাৰ ৩৪=অশ্বিনী কুমাৰ, দেৱতাসকলৰ বৈদ্য।

অক্ষয় ১৫০ নাশ নোহোৱা, ক্ষয় নোহোৱা।

আ

আইস ৬৩, ৮৪ আহা।

আওতা ৪৩ আশ্ৰয় লৈ.<সং আতপত্ৰ, [আলংকাৰিক অৰ্থত]।

আকাল-বিকাল ১০৬ দুৰ্ভিক্ষ, অভাব-অনাটনৰ দেৱতা।

আকাস ১৩,৬৫,৯৮৭=আকাশ, গগন।

আখি ৩৯, ১০৫, <অক্ষি , চকু, নেত্ৰ, নয়ন।

আগমমন্ত্ৰ ১২৬ তন্ত্ৰাদিত সন্নিবিষ্ট মন্ত্ৰ।

আগৰ চন্দন ১৭৯ অগৰু চন্দন।

আগুসাৰ ২০ <অগ্ৰসৰ, আগবাঢ়ি অহা।

আঙুৰি ৭৩, ১০২, -৯১ আঙুঠি।

আচম্বিত ৩৮, ৭১ হঠাত, অতৰ্কিত।

আচা ৫,৬=আছা।

আচাৰ ১৮ চাল চলন, সামাজিক আচৰণ ব্যৱহাৰ ; ধৰ্মীয় সংস্কাৰ।

আচিলো ১৯=আছিলোঁ।

আচে ৪, ১১=আছে।

আক্ষমন ১৭৯হাত-মুখ আদি প্ৰক্ষালন।

আঞ্চোলে ৩০ আঁচলত (কাপোৰৰ)।

আঠুৰ চকা ৯৪ আঁঠুৰ ঘিলা।

আতাই ১১৭ পিতামহ, মাতামহ, সম্মানীয় পুৰুষ ব্যক্তি।

আদি ৩ সৰ্বপ্ৰথম, প্ৰাচীন।

দেৱি৩=আদি দেৱী, সৰ্ব্বশ্ৰেষ্ঠা দেৱী।

আদেশ ৯=আদেশ, নিৰ্দেশ।

আপুন ৮১, ৯২, ৯৫, ১০৫, -৭৭ <সং আত্মন্, নিজ, নিজৰ।

আপুনি ৮০, ৮৯ নিজে।

আবৰন ১১৪=আৱৰণ, ঢাকনী, আচ্ছাদন।

আবিৰ ১৮২ ফাকু, ফাগু।

আবুদ্ধিয়া ৮৫ বুদ্ধিহীন।

আবুধিয়া ৬৯, ১১৭, -৫৩ আবুদ্ধিয়া দ্ৰঃ।

আভৰন ২৯, ৩৩=আভৰণ, অলংকাৰ।

আমৰা ১৩৩ আমি, মই।

আয়তাই ৮৭ আয়তী, সধবা।

আয়তাকাল ৬০=আয়তীকাল, সধবা কাল।

আয়াগনে ৫৫=আয়তীসকলে।

আৰ ১১, ২০, ৪৬, ১২১ আৰু।

—বাৰ ১২, ১১০ আৰু এবাৰ, আকৌ।

—ভিতি ১৯৩ অন্য ফালে।

—মুখ ১১৪ মুখ আঁৰ কৰি।

আৰোয়ান ৪৬, ৫৪, ১৪১ আৰ কাপোৰ।

আৰোহন ১৮৮=আৰোহণ, তলৰপৰা ওপৰলৈ যোৱা কাৰ্য্য।

আলজায় ৪০<আলজ্, আঁউজায়।

আলিপন ১৭৮ মজিয়া, বেৰ আদিত কৰা মাংগলিক চিত্ৰকৰ্ম।

আৱৰন ১৭=আৱৰণ, ঢাকনী, কাপোৰৰ দ্বাৰা ঢকা কাৰ্য্য।

আৱিৰ্ভূতা ৩=আৱিৰ্ভূতা, অৱতীৰ্ণা; প্ৰকাশিতা।

আস ৪=আশ।

আসা ৭, ৭০, ৯১, ১৮৭=আশা।

আসি ৬=আহি।

আসিয়াচিলো ৯১ = আঁসিয়াছিলোঁ, আসিছিলোঁ।

আসির্ব্বাদ ৮, ৫৩, ১৫১=আশীৰ্বাদ, শুভকামনা।

আস্তিকৰ মাতা ১৪২, -৪৩ মনসা বা পদ্মাদেৱী। আস্তিক জৰৎকাৰু মুনি আৰু জৰৎকাৰু বা পদ্মাৰ পুত্ৰ।

আস্তেবেস্তে ২৯=আস্তেব্যস্তে, আথে-বেথে।

ই

ইজিলা ১৪২= ইজলা, দেহস্থ এবিধ নাড়ীৰ নাম।

ইচ্চাই ৮৮= ইচ্ছাই।

ইন্দ্ৰ ১২,১০৬,—১৪,—২৩,—৫১,—৮৯ ঋগ্‌বেদৰ প্ৰধান দেৱতা। বৈদিক দেৱতা সকলৰ মাজত এওঁ প্ৰধান যোদ্ধা। পৌৰাণিক যুগত ইন্দ্ৰ, ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰৰ অধীন দেৱতাৰূপে চিত্ৰিত হৈছে। ত্ৰিদেৱৰ (ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ) বাহিৰে আন দেৱৰ ওপৰত কৰ্তৃত্ব বিস্তাৰ কৰে বুলি এওঁ দেৱৰাজ।

—ৰ নগৰে ১৯, ৯৯ স্বৰ্গত।

—পুৰে ১৮, ১০১ স্বৰ্গত।

ইষ্ট ৭৬ অভিলষিত, অভিপ্ৰেত, প্ৰিয়।

ইসত ১১৫,—১৭=ঈষৎ, সামান্য, কিঞ্চিত।

ইস্বৰ ১২৪,—৮৯ = ঈশ্বৰ, ভগৱান্, ব্ৰহ্ম; শিৱ।

ইস্বৰি ১০৯=ঈশ্বৰী, অধিকাৰিণী, দুৰ্গা, লক্ষ্মী, সৰস্বতী।

ইহকাল ১২২ জন্মাৱধি মৃত্যু পৰ্য্যন্ত সময়, যিমান দিন এই পৃথিৱীত থকা যায় সিমান দিন।

ইহপাক ৬৬, ৮৬—এই পাক।

ইহেন ৫৬ এনে, এনেকুৱা।

উ

উগ্র ৫৬ ভয়ঙ্কৰ, ভয়লগা।

উচ্চ দৃষ্টি ৪০ অশোভনীয় চকু আৰু চাৱনি।

উচ্চিষ্ট ৪৪—উচ্ছিষ্ট, অৱশেষ, খাই এৰা বস্তু।

উচ্চৈস্বৰে ৩৭, ১১০ ডাঙৰ মাতেৰে, উচ্চ স্বৰেৰে।

উজানি ৮৬, ১৮৬, সাহে বজাৰ ৰাজ্য।

—নগৰে ৮২ উজনি নামৰ নগৰ, বেউলাৰ পিতাকৰ নগৰৰ নাম।

উঝাণ্টি ১৬৩ ভৰিত পিন্ধা এবিধ অলংকাৰ।

উত্তম ১৮, ১৮২ শ্ৰেষ্ঠ, উৎকৃষ্ট।

উত্ৰাবলি ৬=উত্ৰাবলী, চঞ্চলা, অস্থিৰা।

উদান ১৪১ কণ্ঠত থকা বায়ু বিশেষ।

উদিস ৬৬=উদিশ, সন্ধান উৱাদিশ।

উপবাসি ৫৬, ৮৮, ১২৪=উপবাসী, উপবাসে থকা লোক।

উপাধিক ৬৩, ১০১ শ্ৰেষ্ঠ, মনোৰম।

উপাৰিয়া ১১ উভালি।

উভনালে ৬২=ওভংনালে, ভৰি ওপৰলৈ তুলি।

উভতনালে ৬৭ ভৰি ওপৰলৈ তুলি।

উভাৰি ৪৯ উভালি।

উৰ কৰি ১৪১ বক্ষস্থল পৰ্য্যন্ত।

উসা ১২, ৯৬, ৯৯, ১১৬,—১৭—২২=উষা, বাণ ৰজাৰ কন্যা আৰু অনিৰুদ্ধৰ পত্নী।

ঋ

ঋসিগন ৩০, ৩৫—ঋষিগণ,মুনি ; বিদ্যা, সত্য, তপ আৰু শ্ৰুতি আদি যাৰদ্বাৰা নিৰূপিত হয় ; মন্ত্ৰ দ্ৰষ্টা ; ঋষিসকল।

এ

একগাচি ৯৮ এগছ (-সূতা,—চুলি।

একভিতি ১৯৩ এফালে, একেঠাই।

একাদস ২৩—একাদশ, এঘাৰ সংখ্যা।

-ৰুদ্ৰ ২৩-একাদশ ৰুদ্ৰ, এঘাৰজন ৰুদ্ৰ : অহিৰ্ব্ৰধ্ন, বিৰূপাক্ষ, ৰৈবত, হৰ, বহুৰূপ, ত্ৰ্যম্বক, সাৱিত্ৰ, জয়ন্ত, পিনাকী, অজৈক পাদ আৰু সুৰেশ্বৰ।

একালচৰি ৪০, ৫০, ৬৩=একেশ্বৰে, অকলশৰীয়াকৈ।

একালস্বৰি ৭৭=একেশ্বৰি, অকলশৰীয়া

একেস্বৰ ৩৬, ১৫৩—একেশ্বৰ, অকলশৰীয়া।

একেস্বৰি ৪০=একেশ্বৰ।

এখনে ২৪ এতিয়াই, এই মুহূৰ্ততে।

এত ৯৯ ইমান

এতদেখি ৯৬ ইয়াকে দেখি।

এতবাক্য ৫১ এনেকথা।

এতভাবি ২১ ইয়াকে ভাবি।

এত সুনি ৭, ১৪, ১৬, ১৮, ৪৭, ৮৫, ১০৯,—১৬=এতশুনি, ইয়াকে শুনি।

এতিক্ষন ১৮৫=এতিক্ষণ, এই মুহূৰ্ত্তত।

এতেক ৮২, ৯৯, ১৭৭ ইমান।

এথা ১৮৫ এই ঠাইলৈ, ইয়ালৈ।

এমন্ত ৪৭, ৭৫, ৮৩ এনেকুৱা।

এলাঞ্চি ১৮২=এলাচি।

ঐ

ঐসান্য কোনা ১৪, ২০=ঐশান্য কোণ, উত্তৰ-পূব কোন বা দিশ।

ও

ওঝা ৪২=ওজা, বৈদ্য, বেজ।

ওৱাৰি ১৫৩,—৬৪ হাউলী, ঘৰ-বাৰী।

ক

কংস ১৩৪ উগ্ৰসেনৰ পুত্ৰ, দৈৱকীৰ জ্যেষ্ঠ ভ্ৰাতৃ, কৃষ্ণৰ মোমায়েক। কংসক বধ কৰিছিল শ্ৰীকৃষ্ণই।

কঙ্কন ৪৪, ১০২,=কঙ্কণ, এপ্ৰকাৰ খাৰু।

কঙ্কালি ১৩, ৪৩ কঙ্কাল, কঁকাল।

কটক ৪১, ১৫৬ সেনা, ফৌজ।

কটাক্ষৰ বানে ১০৪ বেঁকাকৈ চোৱা দৃষ্টি, বেঁকা দৃষ্টিক বাণৰ লগত তুলনা কৰা হৈছে।

কুটিসূত্ৰ ৩=কটিসূত্ৰ, কঁকালত বন্ধা জৰী।

কটুৰ ১১০ টান, নীৰস।

কটোৱাল ১৫৯=কটোৱাল, নগৰ ৰখীয়া সেনা।

কণ্ডাৰ ৫৪ কাণ্ডাৰ দ্ৰঃ।

কতাৰি ২৪=কটাৰী।

কতি ৭২ কত।

কথন ১১৫ কথা কোৱা কাৰ্য্য কথা, উক্তি।

কথা ৪১ কোথা, ক'ত।

কদম্ব ১১৬,-৪৪ কদম গছ।

কদলি ২২, ২৯, ৯৩=কদলী, কলগছ।

কদাচাৰ ১০৮,-৮৭ কুৎসিৎ আচাৰ, অভদ্ৰ আচৰণ, অসদ্ব্যৱহাৰ।

কনক ১০২,-০৪,-১৫,-৭৯, সুবৰ্ণ, সোণ।

—কমল ১৭৯ সোণেৰে নিৰ্মিত কমল অৰ্থাৎ পদ্ম।

কন্দল ১০৭ কাজিয়া, কলহ।

কপট ৬, ১৩, ২৫, ৭৮, ১১২-১৯,-২০ শঠতা, ধূৰ্ততা, প্ৰতাৰণা।

কপাট ১৪, ৩৭ ৫৩, ১১৫ দুৱাৰ, দ্বাৰ

কপুতৰ ১৭৯=কপোতক, পাৰ চৰাই।

কভো ৮০ কেতিয়াও।

কমল ১৭, ১১৪ পদ্ম।

কমলি ১৮৯=কমলী, লক্ষ্মী।

কম্পজ্বৰ ১১১ কঁপজ্বৰ, কঁপি কঁপি উঠা জ্বৰ।

কৰ ৫১ হাত।

—জোৰ ৭, ১৭৭=কৰযোৰ, কৰপুট, হাতযোৰ।

কৰা ৭০=কড়া, এটা কড়িৰ সমান মূল্য।

কৰাল ১৪ ভয়ানক, বৃহৎ; বিকৃত; বিকট।

—বদনি ১৪৭=কৰাল বদনী, ভয়ংকৰ মূৰ্ত্তি ধাৰিণী ; কালীমূৰ্ত্তি।

কৰ্বি ৪৪,৪৬,৭০,১৬২=কড়ি, কপৰ্দক।

কবি ২২, ৯৩=কব, কলি।

করুনা ২৪=করুণা, দয়া, কৃপা, অনুকম্পা।

কৰ্ণ/কন্ন' ২২, ২৯, ১৬৩=কৰ্ণ, কাণ

—ফুলা ১০২ =কৰ্ণফুলা, কাণফুল, কাণত পিন্ধা অলংকাৰ বিশেষ।

কৰ্ম্মকাৰ ১৪, ৩৭ কমাৰ।

কৰ্ম্মদোসি ১৮৬=কৰ্মদোষী, বেয়া কাম কৰা দোষৰ বাবে দোষী।

কলফুল ৯৩=কলাফুল, আঁঠুৰ তল ভাগ।

কলা ১৬=কল।

কলা ১০৭ অংশ (চন্দ্ৰৰ ষোল ভাগৰ এভাগ)।

কলিকা ১৭ নুফুলা ফুল, ফুলৰ কলি।

কলেবৰ ৯১=কলেৱৰ, শৰীৰ, দেহ, গা।

কল্কিৰূপ ১০৩ = কল্কিৰূপ, ভগৱন্তৰ শেষ অৱতাৰ।

কল্যান ১২৬ =কল্যাণ, মংগল, শুভ।

কহা ৩১ কোৱা।

কহিতে ১১৬ কৰলৈ।

কহিব ১৭৯ ক'ব।

কহিবাৰ ৯৮ কৰলৈ।

কাইমা ৯০ সাগৰীয় মাছৰ নাম (?)।

কাউন ১৬২, —৬৪=কাওন, <সং কাৰ্ষাপণ> কাহাৱন, ষোল পোণ কড়ি বা ইয়াৰ মূল্য অৰ্থাৎ এটকা ৰূপৰ সমান। ষোল পোন ফলৰ সমষ্টি।

কাক ১১, ৫৫, ৫৬ কাউৰী।

কাঙ্কাৰা ৯০ কেঁকোৰা।

কাচিমা ৯০ এবিধ সাগৰীয় মাছ (?)।

কাচে ১১৪ পোছাক-পৰিচ্ছদ পিন্ধে [কাচনা কাচে]।

কাচে ১২, ৮৭, ৮৮ ওচৰত, কাষত, সমীপত।

কাঞ্চন ১৯১ সোণ।

কাঞ্চা ১০৫, -১৫ কেঁচা, খি শুকুৱা নাই।

কাঞ্চুলি ১০২, -১৫, -২১ স্তন আৱৰণী, বুকু চোলা, বক্ষ বান্ধনী।

কাণ্ডাৰ ৮১, ১৮২ নাৱৰ গুৰি বঠা।

কাণ্ডাৰি ৫০, ১৪৯=কাণ্ডাৰী, নাৱৰীয়া।

দুলাই ১৪৯, -৮২ দুলাই নামৰ এগৰাকী নাৱৰীয়া। চান্দো সদাগৰৰ অন্যতম প্ৰধান নাৱৰীয়া।

কাত ৭১ < সং কাত্+কৃ=কাৎকৃ ; অপমান, দুৰ্ভাগ্য।

কাতৰ ৬,১৮ পীড়িত, দুঃখিত, ব্যাকুল।

কাতৰে ১১৬ দুখত, যন্ত্ৰণাত।

কাতা ৬৩=কঁটা।

কান ১৩=কণা।

কানাই ৫, ১১৬ কৃষ্ণ।

কানি ৪২—৪৪, ১২০, -২১,-৬৬ কাণী, পদ্মাৰ বিশেষণ বাচক নাম বিশেষ।

কাপৰ ৯৭, ১৪১=কাপোৰ।

কাপুৰ ৩৭, ৯৪, ৯৭, ৯৯, ১১৭= কাপোৰ।

কাম ১৫০ (ক) কামদেৱ, (খ) কামনা, বাঞ্ছা।

—টঙ্কি ৪৬ মনোৰম টঙি বা চাংঘৰ।

—দেৱ ২১, ১৩৫, -৫০ কৃষ্ণৰ পুত্ৰ আৰু অনিৰুদ্ধৰ পিতৃ, কন্দৰ্প।

—ৰ নন্দন ১৮ কামদেৱৰ পুত্ৰ, অনিৰুদ্ধ।

কামে ১৬ কামভাৱৰদ্বাৰা আকৃষ্ট হৈ।

কামৰ ১৭=কামৰ, কামনাৰ।

কায়বাক্য ৩ দেহ আৰু কথা।

কায়া ১৩৩=কায়, দেহ, শৰীৰ।

কায়া আঙ্গুলি ২৭=কেঞা আঙুলি।

কাৰবোলে ৯৯ কাৰ কথাত।

কাৰন ৬, ৭, ৮৪, ৯৫, ১৯৫=কাৰণ, য'ৰপৰা কাৰ্য্য বা বস্তু হয়, মূল; হেতু, উদ্দেশ্য।

কাৰুন্য ৮৫=কাৰুণ্য, কৰুণা বা কৃপা লাভৰ বাবে কৰা কাকুতি।

কাৰ্ত্তিক ১০৬, -০৮, -১৩, -১৪, -৮৮ দেৱ সেনাপতি, শিৱ আৰু পাৰ্বতীৰ পুত্ৰ, ষড়ানন।

কাল ১৩২ যম, মৃত্যু; সময়, ঋতু; ক'লা বৰণ বিশিষ্ট।

কালকূট ২৭, ১৪২=কালকূট, গৰল, ৰৰবিহ।

—দণ্ড ১৭৫ যমৰ দণ্ড।

কাল নাগ ৫২ কালিনাগ।

—নাগিনি ৯, ১৮, ১৯=কালনাগিনী, কালিনাগ।

—নিদ্ৰা ২৭, ২৯ যি নিদ্ৰাই মৃত্যুৰ কাৰণ হয়।

—ৰাতৃ ২৫, ৪৩,৮০, ১০৯=কালৰাত্ৰি।

—ৰাত্ৰি ১১৬, -৩২, -৮৬ যি ৰাতিত মৃত্যু বা বিপদ ঘটে, ভয়ানক ৰাত্ৰি।

—সাৰ ১৭৯=কৃষ্ণসাৰ, হৰিণ বিশেষ।

কালা ৫, ১৪৫, -৮৮ শ্ৰীকৃষ্ণ, বাল গোপালৰ অন্য এক নাম (বিশেষণ বাচক)।

কালি ৭-১৪, ১৮, ১২৯ কালিনাগ।
১৪৫ চিয়াহী।
১৮৯ কালীদেৱী।

—দহে ৭, ৮, কালিহ্ৰদত।

—নাগ ৫, ৬, ২০, ১৩২, লখাইক দংশন কৰা সৰ্পৰ নাম।

কালিক ৫ কালিনাগক।

কালিন্দী (মাত্ৰ) ৫২ বেউলাৰ মাকৰ নাম।

কাৰৰি ৫৯ দাঁতিত।

কাষ্ঠ ১৩৩ কাঠ।

কাহা ১৮১ কাঁহ।

কাহাৰ ৩২, ৯৩, ১১৭ কাৰ।

কাহিনি ৭, ৮, ৩১, ৮৬, ১০৯=কাহিনী, ঘটনা।

কিঙ্কৰ ১৫ সেৱক, ভৃত্য, চাকৰ।

কিঙ্কিনি ১০২, -১৫, ঘুগুৰা।

কিচো ৮৯=কিছো, একোৱেই, সামান্যতম।

কিস ১১৭ কিয়, কি কাৰণে।

কিসে ১২১ কিহে।

কুচ্চ ৪০ কুচ, স্তন।

কুটনি ১১৯ কুটনী, মিছলীয়া স্ত্রী, মায়াবিনী।

কুণ্ডনাগ ৩ নাগ বিশেষ।

কুণ্ডি ২২ দুয়ো ভৰিৰ সন্ধি, <কুণ্ড+ইক।

কুৎসা ৩১ কুৰচনা, নিন্দা, বদনাম।

কুপৰ ৫৭ কূপ, কুৱা, নাদ।

কুবেৰ ১২৭ ধনাধিপতি যক্ষৰাজ কুবেৰ ব্ৰহ্মর্ষি পুলস্ত্যৰ পৌত্র আৰু পৌলস্ত্য বা বিশ্ৰবাৰ আৰু ভৰদ্বাজৰকন্যা দেৱ বর্ণিনীৰ পুত্র। দেহৰ গঠন অতিকে কুৎসিৎ বাবে এওঁৰ নাম কুবেৰ। কুবেৰৰ বাসস্থান কৈলাস।

কুমৰ ১৪১, -৮২ কুমাৰ, অবিবাহিত ডেকা।

কুমাৰি ১০, ১১৬=কুমাৰী, অবিবাহিতা গাভৰু।

কুমৰা ৩৮ < কুষ্মাণ্ড, কোমোৰা।

কুম্ভিৰ ৯৪=কুম্ভীৰ, ঘঁৰিয়াল।

কুৰঙ্গ ৩৯ হৰিণা পহু।

কুৰি ১৬৩ কাণত পিন্ধা অলংকাৰ (?)।

কুৰ্ম্ম ১৮৮ কাছ, কচ্ছপ=কূর্ম।

—ৰূপ ১০৩=কূর্মৰূপ, অৱতাৰ বিশেষ।

কুলৰ আঙ্গাৰ ৭০=কুলাংগাৰ, বংশৰ কলংক।

কুলিন ১৭৬=কুলীন, যাৰ উত্তম কুলত জন্ম।

কুলে ১২২ কূলে, নৈ বা সাগৰৰ পাৰ বা দাঁতি।

কুসল ১০০=কুশল, মংগল।

কৃষ্ণ ১৩৫ বসুদেৱ-দৈৱকীৰ পুত্ৰ আৰু কংসহন্তা, বিষ্ণুৰ পূর্ণ অৱতাৰ।

কৃষ্ণ ৰূপ ১০৩=কৃষ্ণৰূপ, দেহাৱয়ৱ বিশিষ্ট কৃষ্ণ।

কেঞ্চাবাৰি ১২১=কেঁচাবাঁৰী, ফুলতে হোৱা বিধবা, ফুলবাঁৰী

কেজানে ৩ কোনে জানে।

কেতকিৰ দিলা ২২=কেতেকী ফুলৰ মাজৰ দীঘলীয়া পাহটো, কেতেকীৰ ভিলা।

কেলি ৬১ কামক্রীড়া।

কেশ ৩৯ চুলি।

কেস ২২, ২৮, ৫১, ৯২, ৯৬, ৯৮, ১৪৩, -৯১=কেশ দ্রঃ

কেসৰি ১০৫=কেশৰী, শিৱৰ অন্যতম ভৃত্য নন্দীক কেশৰী আখ্যা দিয় হৈছে।

কৈলা ৮৮ কৰিলে।

কৈলাস ৭ পুৰাণ প্ৰসিদ্ধ পৰ্বত, মহাদেৱ আৰু কুবেৰৰ বাসস্থান। মানস সৰোবৰৰ উত্তৰ-পশ্চিম দিশত অৱস্থিত হিমালয়ৰ চূড়া।

কৈলি ৮৪ কৰিলি বা কৰিলা।

কৈল্যা ৪২ কৰিলে।

কোকিল ৩৩ কুলি চৰাই।

কোটেশ্বৰ ১২ = কোটেশ্বৰ, ধনেশ্বৰৰপুত্ৰ আৰু চান্দোসদাগৰৰ পিতাক।

কোথা ৯, ৩৪, ৪৭, ৪৯, ৮২, ৯৫, ১৪২ ক'ত কলৈ।

কোথাক ১৬৬ কোন ঠাইলৈ।

কোথাই ১২৯ ক'ত।

কোদাল ৬৩ কোৰ।

কোনি ৭৮ কোনে।

কোনে ৪৬ কোণত।

কোপ ১১৭ খং।

কোপাবিষ্ট ৫৮৬ ক্ৰোধিত।

কোৰক ৪৯, ৭৩ = কোৰোকা, পাত্ৰ বিশেষ (?)।

কোলাকোলি ১৫৫ = কোলাকুলি, আলিংগন।

কৌড়ি ৫২ = কোটি, অসংখ্য।

কৌতুক ১১০, -৮৪, -৯২ আনন্দ, ৰং-ধেমালি, হাস্য-পৰিহাস্য।

ক্ৰোদ্ধ ১০৮, -৩৪ = ক্ৰোধ, খং কোপ।

খ

খখাইলো ১৯১ = খসাইলো, খহালো, সোলোকালো।

খঞ্জন ৩৯, ১১৪ পক্ষী বিশেষ (চকুৰ উপমান)।

খণ্ডতপ ৩২ অসম্পূৰ্ণ তপস্যা বা সাধনা।

—ব্ৰত ২৬, ২৫ অসম্পূৰ্ণ ব্ৰত (পুণ্য জনক বা পাপক্ষয়কৰ কৃচ্ছ্ৰ সাধনা)

খণ্ডন ৮০ নষ্ট কৰা কাৰ্য্য, ছেদন।

খণ্ডাবো ১১৮ ছেদন কৰিম বা নষ্ট কৰিম।

খৰকি ঢুবাৰ ১১৬ পিছ ঢুৱাৰ (?)।

খৰম জুৰিয়া ৯৩—খৰমযুৰীয়া, খৰমৰ নিচিনা অৰ্থাৎ ভৰিৰ পতাৰ তলুৱাৰ মাজ ভাগ মাটিত নলগা অৱস্থা।

খৰমিয়া ৪০—খৰমীয়া, খৰমযুৰীয়া।

খৰি ৪২—খড়ি, অংকপাত কৰা, জ্যোতিষৰ গণনা বিশেষ। ফলিত জ্যোতিষ চৰ্চ্চাত খড়ি পাতি লোৱা হয়।

খৰ্গ-চৰ্ম্ম ১০৩ তৰোৱাল আৰু বাৰু।

খলা ৯৭ কাপোৰ ধোৱৰ বাবে ব্যৱহাৰ কৰা পাত্ৰ; খোলা।

খসি ৯১ খহি, সোলকি।

খসিল ৯২ খহিল।

খাখাৰ, খাংখাৰ ৪, ১০৮, -৩৪, অপযশ, বদনাম, অপকীৰ্ত্তি (আলাং-কাৰিক অৰ্থ)।

খাজুৰ ৯০ <খৰ্জুৰ, খেজুৰ।

খাণ্ডা ১১৫ খড়্গ, খৰ্গ, তৰোৱাল।

খাৰি ১৬২ খৰাহী।

খেমা ১৭, ১৮, ৫৩, ৮০, ৮৬, ১১৭= ক্ষমা, অপৰাধ বিনাশন।
খেয়লি ১৬৮ খেও দিয়া।
খেৱি ৭৮ নাৱৰ খেও দিয়া।
খোটা ৪২ গঞ্জনা।

গ

গগন ২১, ২৭ আকাশ।
গঙ্গা ১৪৩, -৪৭ পর্বতৰাজ হিমালয় আৰু তেওঁৰ পত্নী মেনকাৰ কন্যা উমা আৰু গংগা। মহাদেৱে উমা আৰু গংগা উভয়কে বিয়া কৰায়।
গজ ২২ হাতী, হস্তী, কৰী।
—মুকুতাৰ মালা ২২=গজমুক্তাৰদ্বাৰা নির্মিত মালা (প্ৰবাদ প্ৰচলিত আছে যে হাতীৰ মূৰত এবিধ মুক্তা জন্মে আৰু ইয়াৰ নাম গজ মুক্তা)।
—মুণ্ড ১০৪ হাতীৰ মূৰ।
গণ্ডুকি ১৬১—গণ্ডকী, এখন পৱিত্ৰ নদী।
গদ গদ ৮২ অস্পষ্ট কণ্ঠ স্বৰ, আনন্দ বা শোকাদি ভাৱৰ আতিশয্য-বশতঃ অব্যক্ত ধ্বনি।
গদাধৰ ১৩৫ শ্ৰীকৃষ্ণ, বিষ্ণু।
গধুলি ৬৩, ৮৩=গধূলি।
গন ৮=গণ, বহুবচনবোধক প্ৰত্যয়।
—পতি ১১১, -৩৪, -৮৮ গণ-দেৱতা-সকলৰ (আদিত্য ১২, বিশ্ব ১০, বসু ৮, তুষিত ৩৬, আভাস্বৰ ৬৪, বাত ৪৯, মহাৰাজিক ২২০, সাধ্য ১২, ৰুদ্ৰ ১১) পতি বা অধিপতি।
গনাই ১০৬, -১০, -১৩=গণাই, গণপতিদ্ৰঃ।
গনেস ১১৪=গণেশ, গণপতিদ্ৰঃ।
গন্ধ ৮৭ সুগন্ধি বস্তু।
—বনিক ৬ =গন্ধ বণিক, গন্ধ দ্ৰব্য ব্যৱসায়ী।
গন্ধৰ্ব্ব ১১, ১০১, -১৫, -৮৯ স্বৰ্গৰ গায়ক, দেৱযোনি বিশেষ।
গমন ১০৭ যাত্ৰা, গতি, প্ৰস্থান।
গৰাই ৮৪=গঢ়াই, নির্মাণ কৰি।
গৰাগৰি ৫৫ বাগৰা বাগৰি।
গৰুড় ৬, ৭, ১১৮ ঋষি কশ্যপ আৰু তেওঁৰ পত্নী বিনতাৰ পুত্ৰ, পক্ষীৰাজ, বিষ্ণুৰ বাহন, পৰম-ভক্ত।
গল ২৮ কণ্ঠ, ডিঙি, টেঁটু।
গাই ৫ গায়, ধেনু, গাভী।
গাদিয়াল ৭৪, ৭৬, ১৫৬, -৫৭,= গদিয়াল, বেপাৰী।
গায়ত্ৰি =৬৩ গায়ত্ৰী, সন্ধ্যা-বন্দনাদিত জপ কৰা ত্ৰিপাদ বিশিষ্ট মন্ত্ৰ বিশেষ।
গায়ন ১৮১ গায়ক।
গাৰ ১২ দেহত, শৰীৰত।

—ঝাৰা ১২ পা জোকাৰি দিয়া কাৰ্য্য, ঝাৰলৈ প্ৰস্তুত হোৱা।

গিত ১০০, -০৮, -৭৮=গীত।

গুঞ্জৰি ৩৯, ৪৩, ৪৬, ৮০, ১৩৩, -৬১ পৌৰাণিক বিশেষকৈ মনসাকথা-বৃত্তস্থান পোৱা সাগৰ বিশেষ।

গুজৰে ২২ গুণ্ গুণ্ কৰে।

গুধি ১৬১=গুধিনী।

গুধুনি ৬২=গুধুনী, গোধাৰ পত্নী।

গুধুলি ৪০=গধূলি।

গুন ১০, ২২, ৫৩, ৯৩=গুণ, ধৰ্ম, ভাৱ, শক্তি, ক্ৰিয়া, ভাল গুণ, উৎকৰ্ষ; গৌৰৱ।

—ৰ নিধি ৩৯, ১৯৪ বহু গুণৰ আধাৰ।

গুনি ৩৯=গুণী।

গুনে ৮৪=গুণে, ভাৱে।

গুনে ১৯২=গুণে, সকলো বচীৰে।

গুপ্ত ৬ গোপনীয়।

গুৱা ১৭৮ গুৱা, তামোল-পাণ।

গৃধিনি ৪৬, ৫৫=গৃধিনী, শগুন জাতীয় পক্ষী।

গেৰি ৪০ গেড়ি, আটাহ, চিঞৰ।

গেৰুধাৰে ৩৫ পৰ্ব্বতৰপৰা তললৈ নামি অহা পানীৰ সোঁতৰ দৰে।

গেলেইপেট ৬৯=গেলেইপেটা, বাঢ়িব নোৱাৰা, ঘুট্মুটীয়া।

গোচৰ ৮০, ৮৭, ১০১ ওচৰ, সন্মুখ, সাক্ষাৎ; অৱগতি।

গোত্ৰ ৩৮, ১৯৪ কুল, বংশ।

গোধ ৬৩, ৬৪ ভৰি উখহা ৰোগ, গুপ্ত দোষ বা পাপ।

গোধা ৬৯ গোধ ৰোগে ধৰা লোক।

—ৰ সাল ৬২ গোধাৰ শাল, গোধাৰ ছাটী।

গোবন্ধ ৩৮=গোবধ।

গোৰখনাথ ১৮৯=গোৰক্ষনাথ, শিৱ, মহাদেৱ।

গোৰয়ানি. ১২ গোৰোৱা, গোৰোহা।

গোষ্ঠ ৭৫ গৰু বন্ধা ঠাই বা খুটি, বাথান।

গোসাই ৬=গোঁসাই, শিৱ; বিষ্ণু; কৃষ্ণ।

গৌৰি ১২, ১০৯, -৭৭=গৌৰী, 'বামন-পুৰাণৰ'মতে 'পাৰ্বতী'ৰ অন্য এটা নাম গৌৰী। 'বৰাহ-পুৰাণ'ৰমতে ব্ৰহ্মাই নিজৰ শৰীৰপৰা গৌৰীক সৃষ্টি কৰি ৰুদ্ৰক দান কৰে। গৌৰীয়েই উমা।

গ্ৰহন ১৩=গ্ৰহণ, গ্ৰহ বা উপগ্ৰহৰ ছায়া পতনৰদ্বাৰা সূৰ্য্য আৰু চন্দ্ৰৰ কিয়দংশ বা সৰ্বাংশ অদৰ্শিত হোৱা কাৰ্য্য। ৰাহুৰদ্বাৰা চন্দ্ৰ-সূৰ্য্যক গ্ৰাস কৰা কাৰ্য্য।

ঘ

ঘণ্ট ৩, ১৪০ ঘট, টেকেলি, কলহ; প্ৰতিমাৰ সলনি ব্যৱহৃত আৰু পূজিত দেৱতাৰ অধিষ্ঠানভূত

মাটিৰ ঘট বা কলহ আদি।

—বাৰি ১৭৮ বাৰী, জলপাত্ৰ, জলপূৰ্ণ ঘট বা কলহ।

ঘৰনি ১৫১ = ঘৰণী, গৃহিনী, ঘৈনী।

ঘৰসুৱা ৬৫ = ঘৰশুৱা, যাৰদ্বাৰা ঘৰ শোভিত হয়।

ঘাগৰ ১০৪,-০৫ কিঙ্কিণী, ঘুগুৰা।

ঘাটিয়াল ১০৬ ঘাটোৱাল।

ঘাৰে ৭৬ গলধনত, ডিঙিৰ পাছফালে।

ঘাৱ ২১ আঘাত; দংশন।

ঘাস ৪ ঘাঁহ, বন আদি।

ঘিলা ২২, ১৩৮ আঁঠুৰ গাঁঠিৰ আগ-ফালৰ ঘূৰণীয়া হাড়।

ঘুম ১৪৩ ঘুমতি, টোপনি।

ঘৃত ২৯, ১৯৩ ঘিউ, ঘি।

—কাঞ্চন ১৯১ ঘি আৰু সোণ।

—বাতি ২১ ঘিউৰ চাকি।

ঘোসয় ৩১, ৪২ —ঘোষয়, ঘোষণা কৰে।

ঘোসে ১৯২ = ঘোষে, উচ্চ ধ্বনিৰে প্ৰকাশ কৰে।

চ

চকা ১৩৬ আঁঠুৰ ঘিলা।

চটা ২২, ৯৩ = ছটা, দীপ্তি, শোভা।

চড়ি ১৮৮ উঠি, আৰোহণ কৰি।

চণ্ডি ১৩, ১০৭—০৯, -১৭, ১৫১, -৭৭ = চণ্ডী, চণ্ড অসুৰক বধ কৰা বাবে পাৰ্বতীক চণ্ডী বোলে।

চণ্ডিকা ১২, ৪৩, ১০৬, -১৩, -১৫, -৩৬ প্ৰসিদ্ধ দৈত্য চণ্ডক বধ কৰা হেতু ভগৱতীৰ নাম হয় চণ্ডিকা।

চতি ৪৬ ঘৰৰ খুটাৰ কাণত পথালিকৈ দিয়া কাঠ বা বাঁহ, 'চেউতি'।

চতুৰ্দ্দস ভুবন ১২৭, -৩৪ = চতুৰ্দ্দশ ভুবন, সপ্ত পাতাল + সপ্ত স্বৰ্গ, সপ্ত পাতাল: অতল, সুতল, বিতল, তলাতল, মহাতল, ৰসাতল, পাতাল, সপ্ত স্বৰ্গ: ভূঃ, ভুৱঃ, স্বঃ, মহঃ, জন, তপ, সত্য।

চতুৰ্দ্দিস ৭৮ = চতুৰ্দ্দিশ, চাৰিওফালে।

চতুভাগে ৩২ = চাৰিফালে।

চতুৰ্ভুজ ১৭৯ চাৰিখন বাহু বিশিষ্ট।

চন্দা ৯০ চন্দা মাছ।

চন্দোৱা ৫৪, ১৭৭ সাধাৰণতে কোনো হিন্দু লোক মৰিলে তেওঁক সংকাৰ কৰাৰ অন্তত সেই ঠাইত বাঁহৰ আগলি চাৰিটা পুতি তাত এখন কাপোৰৰ চাৰিটা কোণ বান্ধি দিয়া হয়। ইয়াৰ নাম চন্দোৱা [দৰঙী শব্দ কোষ']।

চন্দ্ৰ ১৩, ৩৫ নিশাকৰ, শশধৰ, জোন।

—কালা ২২, ১১৫, -৯৫ = চন্দ্ৰকলা, চন্দ্ৰৰ ষোল ভাগৰ এভাগ।

—ধৰ ৪৬, ১১০, -৩৯, -৭৮ চান্দো সদাগৰ, লখাইৰ পিতাক।

—নাগ ৩ নাগ বা সৰ্পৰ নাম।

—বদনি ৪১ = চন্দ্ৰবদনী, চন্দ্ৰৰ দৰে মনোৰম মুখ যাৰ।

—মুখি ৭১, ৭৯, ১৫৩ = চন্দ্ৰমুখী, চন্দ্ৰ বদনী।

চমকিত ১০৫ ভীত, ভয়খোৱা।

চমৎকাৰ ৮৭ আচৰিত, বিস্ময়কৰ; বিজ্ঞাপন।

চম্পক নগৰ ১৪, ৪১, ৪৫, ৮৪, ১৩৪, -৬১ চন্দ্ৰধৰৰ নগৰৰ নাম।

—পতি ৪১, ১৯২ চম্পকনগৰৰ ৰজা, চন্দ্ৰধৰ বা চান্দো সদাগৰ।

চম্পালি নগৰি ৩৮, ৫৪, ১৬১ চম্পক নগৰ।

চয় ৪৯, ৫০ ছয়।

—জায় ১৮৭, -৯২=ছয় জা, বেউলাৰ স্বামীৰ ছয়জন ককায়েকৰ পত্নী।

—মাসি ১৬৪=ছয়মাসী, মৃতকৰ ছয় মাহত কৰা কৃত্য।

চয়াল ১৭৩ ছৱাল, শিশু (ল'ৰা)।

চৰ ১২৮, -৪৭, -৮১=দূত; গুপ্ত দূত।

চৰন ৩, ১৩, ১৪, ১৬, ২১, ৪০, ৮৫, ৯৬ ১১৪, -৪৮=চৰণ, ভৰি।

চৰা ৪৯ ধানৰ শিহ (?)।

চৰাচৰ ২৪ জগতৰ যাৱতীয় পদাৰ্থ—সজীৱ আৰু নিৰ্জীৱ; স্থাৱৰ-জংগম।

চৰায়ো ১৫ চৰোৱা, আগবঢ়া; আৰম্ভ কৰা।

চলিবাৰ ১০৩ = ছলিবাৰ, ছলিবলৈ, প্ৰতাৰণা কৰিবলৈ।

চল ১৫৭ সুযোগ, সুবিধা, সুচল (সু-)।

চলে ৯৯ ছলে, ছল কৰি।

চৱাল ৫১=ছৱাল।

চক্ষু ১৩, ১৯২ চকু, নয়ন।

চাগল ১৭৮ ছাগলি।

চাজই ৭৪ <সাজ, সাজ-পাৰ পিন্ধে।

চাজন ৭৪<সাজন, সাজ-পাৰ।

চাটি ৩=ছাটি, মেৰাই ধৰা।

চাণ্ডাল ৬৩ চণ্ডাল, জাতিচ্যুত মানুহ দুৰন্ত স্বভাৱৰ মানুহ।

চাণ্ডিলা ২৭=ছাণ্ডিলা, বিয়পি ধৰিলে, ছাটিলা।

চাতৰ ৭৩=ছাটৰ, চিহ্ন, চিন [ছাট মাৰি পুতি জুৱাকৰে বেউলাৰ প্ৰত্যাৱৰ্তনৰ বাবে অপেক্ষা কৰি আছিল]।

চান্দ ২২, ২৪, ১৪৪=চন্দ্ৰ, জোন।

চান্দি ১৯২=ছাণ্ডি, বান্ধি, মেৰাই।

চান্দে ১৩, ১০২, -৪২ চান্দোই, চন্দ্ৰধৰে।

চান্দো ১২—১৪, ৩৬, ৮০, ৮২, ৮৫, ৯৭, ১১১, -৪৫, -৬২, -৭৮ শিৱ আৰু চণ্ডীভক্ত, পদ্মা-পূজাৰ বিৰোধী, চম্পকৰাজ্যৰ পতি, লখিন্দৰৰ পিতৃ আৰু বেউলাৰ শহুৰেক। প্ৰতিকূল অৱস্থাত পৰি অৱশেষত তেওঁ পদ্মাক পূজিবলৈ বাধ্য হয়।

—অধিকাৰি ১২, ২০ = চান্দো অধিকাৰী।

—ৰ কুমাৰ ১৪ চান্দো সদাগৰৰ পুত্ৰ, লখিন্দৰ।

চামৰ ২২ চোৱঁৰ।

চায়া ৩৩=ছায়া, ছাঁ।

চাৰ ৮৯, ১০৫=ছাৰ, শ্ৰেষ্ঠ; মিছা, তুচ্ছ, মূল্যহীন।

চাৰন ২৩=চাৰণ, স্তুতিপাঠক, যিজনে প্ৰথিতযশা ব্যক্তিৰ কীৰ্ত্তি-কাহিনী গীতৰ মাধ্যমত প্ৰচাৰ কৰে।

চাৰি ৩ ৪, চাৰি সংখ্যা।

—বেদ ৩, ১৩৩ চাৰিখন বেদ, ঋক যজুৰ, সাম, অথৰ্ব।

—যুগ ৬ চাৰিযুগ, সত্য, দ্বাপৰ, ত্ৰেতা আৰু কলি।

চাৰি ১৩, ৩৭, ৫০=ছাৰি, ত্যাগ কৰি, এৰি।

চাৰে ৯=ছাড়ে, এৰে, ত্যাগ কৰে, মাতে।

চাৱাল ৫, ১২০=ছৱাল।

চাসা ৭৫=চাহা, ইচ্ছাকৰা, কামনা কৰা।

চাহিতে ৯১ চাওতে, আশা কৰোতে, বিচাৰোতে।

চাহে ১১ আকাঙ্ক্ষা কৰে, অভিলাষ কৰে

চিঙিবো ৭৭=ছিঙিবো, ছিঙিম।

চিঙে ১৫৭=ছিঙে, ছিঙে।

চিত্তে ৪২, ৯৯ চিত্তে, চিত্তত।

চিত্ত ১৮, ৫৩ মন, হৃদয়, অন্তঃকৰণ।

চিত্তে ১৭, ৮৫ চিত্তত, মনত।

চিদ্ৰ ১৪=ছিদ্ৰ, খুঁট, ত্ৰুটি; বিদ্ধা।

চিন্তন ৬ ধ্যান, ভাৱনা, চিন্তা।

চিন্ন ১৯, ৮০, ৮৭, ৯৮, ১৬৮=ছিন্ন, খণ্ডিত, ছেদিত।

চিৰল দন্ত ৪০=ছিৰাল দন্ত, ডাঙৰ দাঁত।

চিৰিকৰ ১৫৩=শ্ৰীকৰ, চান্দোসদাগৰৰ এজন পুত্ৰৰ নাম।

চিৰিয়া ৩৯, ৫৩=ছিৰিয়া, ফালি।

চুন-কালি ১১৭, -২১=চূণ-কালি, চূণ আৰু চিয়াহী।

চুম ১৪৩ চুম্বন, চুমা।

চুম্বন ২৮, ৯৬ চুম দ্ৰঃ।

চুৰ ৫৮ চূৰ্ণ-বিচূৰ্ণ, গুড়ি হোৱা কাৰ্য্য।

চুৰামনি ১৭৯=চূড়ামণি, মস্তকমণি; প্ৰখ্যাত লোক।

চুৰি ১০৩ খাৰু, বালা।

চুল ৩৭, ৩৯, ৬৭, ৭৩, ১১৭=চুলি।

চেদ ১৩৪=ছেদ, কটা, খণ্ড, ভাগ।

চৈদ্ধ ১৪৫=চৈধ্য, ১৪।

চোট ৪০, ৭৬ সৰু।

চোল ১৪১ আচোল।

চোৱাৰ ২২=চোৱঁৰ, চামৰ।

চৌদোল ১৭৪=চতুৰ্দোল

চৌপন্থ ১৬৫=চতুৰ্পন্থ, চাৰি আলিৰ চক।

চৌসষ্টি ১৮৯ চৌষষ্ঠি, ৬৪।

চৌহাট ১৬৩ চাৰি হাটৰ চ'ক।

জ

জগত ৬, ১৮৯ যাৰ গতি আছে (√গম্ +কিপ্); বিশ্বব্ৰহ্মাণ্ড; পৃথিৱী।

জজমান ৬৩=যজমান, যজ্ঞকাৰক, ব্ৰতী, যি ব্যক্তিয়ে দক্ষিণা দি কৰ্ম কৰায়।

জজ্ঞ ৪৭, ১৮১=যজ্ঞ, যাগ, ক্রতু, হোম।

জত ৩, ৬, ১১, ১৭৮,-৮৫=যত, যিমান।

জতন ১০, ১৩৫=যতন<যত্ন।

জতসব ২০=যতসব, যিমানবোৰ।

জতেক ৭=যতেক, যিমান আছে।

জত্ন ১৩, ৪৫, ১১৬=যত্ন, চেষ্টা।

জদি ১১, ১৮৫=যদি।

জদিবা ১৯=যদিবা, যদিও।

জদুবাই ৫=যদুবাই, যদুসকলৰ ভিতৰত শ্ৰেষ্ঠ, কৃষ্ণ।

জননি ১২৬=জননী, মাতৃ।

জম ২৩, ১২২, -২৩, ১৪৭, -৫১, -৮৯ =যম, মৃত্যুৰ অধিপতি, ধৰ্মৰাজ।

--ঘৰ ৯=যমঘৰ, যমপুৰী।

—দানি ৫৯=যমদাইনী।

—নগৰ ২৭=যম-নগৰ, যমপুৰী।

—পুৰ ১২৭=যমপুৰ, যমৰ নগৰ।

—স্থান ২৩ যমৰ স্থান, যমপুৰী।

জম্বুকি ৫৬=জম্বুকী, শৃগালী, শিয়ালিনী।

জয়ধৰ ৪৫ চান্দোৰ মন্ত্ৰী।

জয়া ১৮৯ পাৰ্বতী, পাৰ্বতীৰ সহচৰী।

জৰ ১১০=জ্বৰ।

—জৰ ৯৩ <জৰ্জৰ, বিষাদ-বেদনাৰে ক্লিষ্ট।

জৰাজৰি ৭৮ সাৰটা-সাৰটি, টনাটনি।

জল ৮৮, ৯০ পানী।

—পোৰা ১৩৬, -৪৮, -৪৯ পানীজাৰা, মন্ত্ৰপুত জল ছটিয়াই দিয়া কাৰ্য্য।

জলে ২১=জ্বলে।

জস ৪, ১৬, ১৯১=যশ, খ্যাতি, যশস্যা।

জসোদা ৫, ৬=যশোদা, নন্দৰ পত্নী আৰু শ্ৰীকৃষ্ণৰ পালিতা মাতৃ।

জক্ষ ১৪৮=যক্ষ, কুবেৰৰ অনুচৰ।

জাই ৫, ৬, ১৬=যায়।

জাইবা ৯ যাবা।

জাইবো ১৯ যাম।

জাউক ৪=যাওক।

জাঞোক ৪৫=যাওক।

জাঠি ১৫৫=যাঠি/যাঠী।

জাতনা ৬৯=যাতনা, যন্ত্ৰণা, দুখ-কষ্ট।

জাতিফল ১৮১ জাইফল, এবিধ সুগন্ধিফল।

জাত্তিয়া ৬৯=আগুৰিধৰা, ঢাকিধৰা, জাপ্তিয়া।

জাতিস্মৰ ১২, ৩২ যাৰ পূৰ্বজন্মৰ কথা মনত আছে।

জাত্ৰা ৫৩, ৬৫=যাত্ৰা, গমন, ভ্ৰমণ, গতি।

জাপ্তিয়া ৮৮ জাত্তিয়া দ্ৰঃ।

জাবত ৭৩=যাবৎ, যেতিয়ালৈকে।

জায়া ৫৩=জা, স্বামীৰ ভ্ৰাতৃৰ পত্নী।

জায়ে ১৯২=যায়ে; গৈ, যাই।

জাৰ ৭, ১০=যাৰ।

জিজ্ঞাসিয়া ৮১ সুধিপেলাই।

জিজ্ঞাসিলে ৮৪ সুধিলে।

জিতো ১৭=ঘিটো।

জিবগন ২৪=জীৱগণ, জীৱবিলাক।

জিবন ১৩৩=জীৱন।

জিবে ১১৬=জীৱে, জীৱন ঘূৰাই পাব, জী উঠিব।

জিয়াইবেক ৪৫=জীয়াইবেক, জীয়াব।

জিৱন ৬=জীৱন।

জুগনি ১৪২=যোগিনী, দেবী দুৰ্গাৰ পৰিচাৰিকা।

জুধিষ্ঠিৰ ১০৬=যুধিষ্ঠিৰ, পঞ্চ পাণ্ডৱৰ ভিতৰত জ্যেষ্ঠ। শতশৃংগ পৰ্বতত ধৰ্মৰাজৰ অনুগ্ৰহত কুন্তীৰ গৰ্ভত এওঁৰ জন্ম। সেইবাবে যুধিষ্ঠিৰ ধৰ্মপুত্ৰ আৰু ধৰ্মৰাজ ৰূপেও পৰিচিত। কৌৰৱ সকলৰ মৃত্যুৰ পিছত এওঁ হস্তিনাপুৰৰ ৰাজ সিংহাসনত অধিষ্ঠিত হয়।

জুৰা ৩৬=যুৱা, তৰুণ।

জুয়াৰু ১৫৯=জুৱাৰু, জুৱা খেলায় যি।

জুৱাই ৭০=জুৱা খেলত।

জুৱাপাসা ৭০ জুৱা আৰু পাশা খেল।

জে ৬=যে।

জেখন ৮৩=যেখন, যেতিয়া।

জেন ১৩, ২২=যেন।

জেমত ১২=যেনমত, যেনেকুৱা।

জেবেসে ১৯=যেবেসে, যদিহে।

জোগ ৩, ৬=যোগ, জীৱাত্মা আৰু পৰমাত্মাৰ সংযোগৰ মাধ্যম বিশেষ; যম, নিয়ম, ধ্যান, ধাৰণা, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ আৰু সমাধিৰ সমষ্টিয়েই অষ্টাংগ যোগ।

—মাতা ৩=যোগমাতা, পদ্মাৱতী।

জোগিনি ১৮৯=যোগিনী, দুৰ্গাৰ পৰিচাৰিকা।

জোদ্ধা ১৩৫=যোদ্ধা, যুঁজাৰু।

জোৰঘৰ ১৯৩=জৌঘৰ<জতুগৃহ।

জোৰা ১৪ দুটা বস্তুৰ মূৰ মিলাই এটা কৰা কাৰ্য্য (join)।

জোতি ২১, ৪০, ১৪২ জেউতি।

জোবন ৬১, ১০৯=যৌৱন, যুবাৰ অৱস্থা, তাৰুণ্য।

ঝ

ঝগৰ ৪২ জগৰ, অপৰাধ, দোষ, দায়।

ঝঙ্কাৰ ১০৪ জঙ্কাৰ, ধ্বনি, শব্দ।

ঝাগৰা ১৫৫ অস্ত্ৰ বিশেষ (?)।

ঝাণ্ট ৯, ১৫, ৩৭, ১৩২ সোনকাল, তৎক্ষণাৎ।

ঝাণ্টা ১৫৪, ঝাড়নী, ঝাড়ু।

ঝাণ্টে ৩১, ৪৬=ঝাণ্টে দ্রঃ।

ঝামাৰ ঝুমুৰ ১০৫ ঝম্ ঝম্ শব্দ (বাদ্য যন্ত্ৰৰ)।

ঝাম্প ৬, ২৬, ৬৩, ৬৯, ৮৭, ৮৮, ১৬১ জাপ।

ঝাৰা ১২ জাৰা।

ঝাৰি ৯৫=ঝাৰী, জাৰী, কাপোৰ আদি পৰিষ্কাৰ কৰে যি জনীয়ে।

ঝাৰিতে ১৪১ ঝাৰিবলৈ, জাৰিবলৈ।

ঝাৰিয়া ২০ ঝাৰি বা জাৰি উঠি।

ঝাল ২৪, ২৯=জাল, কটু; তীক্ষ্ণ, তীব্র।

ঝালো-মালো ১২ ১১৮ -৪৬ মনসা-পূজক, পদ্মাৰ ভৃত্য। ঝালো-মালোৰ সহায়ত পদ্মাই চান্দো সদাগৰৰ ডিঙা তুলিছিল।

ঝি ২৭ ৮৬ জী, জীয়ৰী।

ঝিয়াৰি ৯৫ জীয়ৰী।

ঝুনঝুন ৯৩ জুন্‌জুন্ (শব্দ)।

ঝুনা ২২ ৯২ শুকান নাৰিকল।

ঝুলি ৮ ২০ ১০৭ জুলি মোনা।

ট

টঙ্কি ১৬৯ চাংঘৰ।

টাৰ ৬৭, ১০২ হাতত পিন্ধা গোটা খাৰু।

টুটাইল ১২৩ টুটালে হ্রাস কৰিলে।

টেণ্টন ৭১, ৭৩ প্রবঞ্চক, টেটোন।

টোপ ১৩২ ঢাকনি।

টোপলি ৯৩ টোপোলা।

ঠ

ঠাকুৰ ৭০ মান্য ব্যক্তি, প্রভু, কর্তা; দেৱতা; গুৰু; ব্রাহ্মণ।

ঠাকুৰালি ৭৪, ১৮০ কর্তৃত্ব, প্রভুত্ব; দেৱত্ব, দেৱমহিমা

ঠাট ১৪ সৈন্য, মানুহৰ জুম।

ঠাঠ ২০, ১৪৯=ঠাট দ্রঃ।

ঠাৰে ১১৯ ইংগিতেৰে, চিন্নাৰে।

ঠেকাইছে ৮২ ঠেকত পেলাইছে, বিপদত পেলাইছে।

ঠেকিয়া ৮০ বিপদত পৰি।

ঠেকিলা ৯১ বিপদত পেলালে।

ঠেঙ্গনা ১২১ লাঠিৰে প্রহাৰ কৰি।

ঠোকৰ ২৪ আঘাত।

ঠোকাকল ১৭৮=থোকাকল, কলৰ থোক।

ড

ডৰ ১১১ ভয়, ত্রাস।

ডাক ৯, ২৪, ৮৮, ১১৬ চিঞৰি মতা মাত।

ডাকা ১৫৯=ডকা, দস্যুতা, ডকাইতি।

ডাকি ৭, ৮৮ চিঞৰি মাত মাতি।

ডাকুয়া ৪৮, ৫৪, ৭৪=ডাকুৰা।

ডাকুৰ ১৪৭ ডাঙৰ; বলী, শক্তিশালী।

ডাকুৰা-কুৰাই ১০৬ মৈৰ ডাকুৰা, নাঙলৰ কুৰ।

ডালিম্ব ১৭ ডালিম।

ডুবাডুবি ৮৭ পানীত এবাৰ বুৰ মৰা আকৌ ওলোৱা আৰু আকৌ বুৰমৰা কার্য্য।

ঢ

ঢউ ৬৯/ঢৌ ৮৮=ঢৌ, উর্মি, কল্লোল।

ঢাক ১৫৫, -৫৬ বাদ্যযন্ত্র বিশেষ।

ঢাল ১৫৫ বাৰু।

ঢাবা ৬২=ঢাবী।

ত

তটে ৬০, ১৫৭ সাগৰ বা নদীৰ তীৰত বা দাঁতিত।

তণ্ডুল ৪৯, ১৭৮ চাউল।

তৎক্ষন ৮, ১৯২ সেইমুহূৰ্ত্তত।

তত্ত্ব ৩ সত্য, প্রকৃত অৱস্থা, স্বৰূপ।

তনি ৫৪= টনি, আঁৰি।

তনাই ৪৬, ৫৪ টনি দিয়ালে, আঁৰি দিলে।

তনু ১৫, ১১০, -৩৩ শৰীৰ, দেহ।

তপফলে ৬৮ তপৰ ফলত।

তপসিনি ২৬ = তপস্বিনী, তাপসী।

তভো ২১, ৫১ তথাপি।

তম ৩<তমস্, তমোগুণ, ত্রিগুণৰ ভিতৰৰ গুণ বিশেষ।

তৰতৰি ৩৭, ১৮৯ তততৈয়া, খৰধৰ।

তৰাস ৮, ২৯, ৬৯, ১৪২ ত্রাস, ভয়, ভীতি।

তৰিতে ১১ তৰিবলৈ।

তৰে ৮৭ তৰত, বামত।

তলপ ১২ তলব দ্রঃ।

তলব ৯, ১০, ১৪৭ -৫৮ হুকুম, আদেশ।

তান ৮৭ তেখেতৰ।

তামা ১৮১= তাম।

তাৰা ১১, ৩৫, ৬৭, ১০৬ তেওঁলোক।

তৰ্জ্জন ১১৮ গৰ্জন, ডাবি দিয়া কাৰ্য্য।

তহিতে ২৫ সেই ঠাইত।

তাল ১৪৭ গভীৰতাৰ পৰিমাণ।

তাহা ৭, ৪৬, ৯৯ সেই।

তিৰিবন্ধ ৫০ তিৰীবধ।

তিৰে ৩৯, ৮৪, ১৩৩, -৪৭, -৯২ = তীৰে, পাৰত, তীৰত।

তিলেক ৩৯ তিলৰ পৰিমাণো, অকণমানো।

তিক্ষ ১৫৮ = তীক্ষ্ণ, চোকা, ধাৰথকা।

তিক্ষুত্তৰ ১৩৫ = তীক্ষ্ণত্তৰ, ৰবচোকা।

তুড়ি তালি ১১২ দুটা আঙুলিৰ ঘৰ্ষণৰ শব্দ, তিকিলিৰ শব্দ।

তুৰি ১৫৮ কাটি (?)।

তৃন ৫১ = তৃণ, বন।

তৃনয়ন ৮ = ত্রিনয়ন, শিৱ, মহেশ্বৰ।

তৃনয়নি ১৮০ = ত্রিনয়নী; দুৰ্গা; পদ্মা, মনসা।

তৃপানি ৯১ = ত্রিপানী, পানীৰ তিনিটা সোঁত য'ত লগ লাগিছে।

তৃপুৰাৰি ১৩, ১০৫, -৩৫ = ত্রিপুৰাৰি, ত্রিপুৰ অসুৰক যোনে বধ কৰিছিল, শিৱ, মহেশ্বৰ।

তৃভুবন ৭, ১০, ১২, ২১, ১১২ = ত্রিভুবন, স্বৰ্গ-মৰ্ত্য-পাতাল।

তৃলোচন ৮ = ত্রিলোচন, শিৱ।

তৃস ১৪৭ = ত্রিশ, ত্রিছ, ৩০।

তে কাৰণে ১১২, -৭৭ সেইকাৰণে।

তেখনে ৯০ তেতিয়াই।

তেজ ১৮ < √ত্যজ্, ত্যাগকৰা, এৰা।

তেতিক্ষন ৮ = তেতিক্ষণ, সেই সময়ত, তেতিয়াই।

তেন্তেলিৰ গাচ ৯০=তেন্তেলিৰ গছ।

তেবে ৭৮ তেতিয়া, তেনেহলে।

তেৰা ১৫৬ চান্দো সদাগৰৰ এজন বিষয়া।

তেলিয়া ৬৬=তেলীয়া, তেলী; তেল লাগি থকা।

তৈল ২৪, ১৯৩ তেল; সৰিয়হ, তিল আদিৰ স্নেহময় পদাৰ্থ।

তোৰা ৯৮ তোমালোক, তহঁত।

তোলপাৰ ৮৫, ৮৭ তলওপৰ, হুলস্থূলীয়া।

তোসে ২৯=তোষে, তোষণ কৰে, সন্তুষ্ট কৰে।

ত্বৰিতে ১০৮ সোনকালে।

ত্রাস ৬৬, ৯৮ ভয়।

ত্রিপিনি ১৪২=ত্রিপানী।

ত্রিপুৰাৰি ১১৫ শিব।

ত্রিভুবন ৩, ৪, ৪৫ তিনিভুবন, স্বৰ্গ, মৰ্ত্য, পাতাল।

থ

থাই ৬৩=ঠাই, স্থান।

থাপৰ ১৫৯ চৰ চাপৰ।

থাম্প ১৩১, থাপ।

থোকৰ ৪২=ঠোকৰ দ্রঃ।

দ

দকাই ১৪০=ডকাই, ডকাইতি কৰি।

দখিন ৯০=দক্ষিণ।

দগধ ১১০=দগ্ধ, পোৰা, পুৰি ছাই কৰা।

দখিলা ২৭=দংকিলা, দংশিলে।

দংসিম ২২=দংশিম।

দংসিয়া ১৪=দংশি।

দণ্ড ১৯২=শাস্তি; দমন, শাসন।

দধি ২৯ দৈ গাখীৰ।

দন্ত ৪০, ১১৩=দাঁত।

দন্দ ৭৬ বিবাদ, কাজিয়া।

দন্দিলা ২৫=দণ্ডিলা, শাস্তি দিলে।

দময়ন্তি ৩৫, ১৫০=দময়ন্তী, বিদৰ্ভৰাজ ভীমৰ কন্যা আৰু ৰজা নলৰ পত্নী।

দমা ১৫৭=দামা, অৱনদ্ধ বাদ্যযন্ত্র বিশেষ।

দম্পতি ৯১ পতি-পত্নী, স্বামী-স্ত্রী।

দৰসন ৯, ৮৪=দৰশন, <দৰ্শন, দেখা, অৱলোকন।

দৰসাইলো ১১১=দৰশাইলোঁ, দেখুৱালোঁ।

দৰিসন ৫৬=দৰিশন, <দৰ্শন।

দৰ্পণ ২২=দৰ্প'ণ, দাপোণ, আৰ্চী।

দস ৯৩=দশ, দহ, ১০।

দসৰথ ১৭২, -৮৪=দশৰথ, অযোধ্যাৰ নৃপতি শ্রীৰাম চন্দ্র আদিৰ পিতৃ।

দসাঙ্গুলি ২২=দশাঙ্গুলি, দহোটা আঙুলি।

দসানন ১০৩=দশানন, লংকাধিপতি ৰাৱণ। ব্ৰহ্মাৰ পুত্র পুলস্ত্য

তেওঁৰ পুত্ৰ বিশ্ৰবাৰ ঔৰসত কৈকসীৰ গৰ্ভত ৰাৱণৰ জন্ম। সীতাক হৰণ কৰা বাবে শ্ৰীৰামচন্দ্ৰৰ হাতত ৰাৱণ সবংশে নিধন হয়।

দসোদিস ২৮=দশোদিশ, পূব-পশ্চিম-উত্তৰ-দক্ষিণ-বায়ু-অগ্নি-নৈঋ‍‌র্ত-ঈশান-ঊৰ্ধ্ব আৰু অধঃ।

দহ ৭, ৮, ১৪৭<হ্ৰদ, সৰোবৰ।

দক্ষিন ২১ ৯৭=দক্ষিণ।

—কৰে ১৭৯ সোঁ হাত, দক্ষিণ হাত।

—হাতে ১১৩ সোঁ হাতে।

দক্ষিনা ১৮১=দক্ষিণা, গুৰু-পুৰোহিত আদিক দিয়া ধন।

দাই ৬৭, ৬৯=দায়, দোষ।

দাইনি ৫৯ দোকানী; ডাকিনী; ডাইনী।

দান ৪৭ ত্যাগ, বিসৰ্জন।

দানব ১১৫ -২২ অসুৰ, দৈত্য, দনু+অণ্ অপত্যাৰ্থত।

দানি ৫৯, ১৫৮=দাইনি দ্ৰঃ।

দান্ত ২১, ১৮১=দন্ত, দাঁত।

দাবুকি ১২৫=ডাৱকি, ভেকাহি, ডাবি, ধমকি।

দামোদৰ ৬, ১৩৪ কৃষ্ণ, বিষ্ণু, দাম (ৰচী) উদৰত যাৰ, যশোদাই শিশুকৃষ্ণৰ পেটত ৰচীৰে বান্ধিছিল, সেইবাবে তেওঁৰ এই নাম।

দায়া ৯=দয়া, মৰম, চেনেহ; অনুকম্পা।

দাৰুন ২৪=দাৰুণ, নিষ্ঠুৰ, ভয়ংকৰ, ক্ৰূৰ।

দাসি ৬৮=দাসী, সেৱিকা।

দাহিন ১৫৮=দক্ষিণ।

দিকি ৯৫ ফালে, দিশি।

দিকে ৫০ ফালে।

দিগম্বৰি ১৪৭=দিগম্বৰী, দিশেই হৈছে যাৰ অম্বৰ বা বসন (স্ত্ৰী), বিবসনা।

দিগি ৯৪ ফালে, দিশে।

দিপ ১৭৮=দীপ, চাকি।

দিবা ৬=দিন।

—কৰ ১৮৯ সূৰ্য্য।

দিব্য ৯৬ স্বৰ্গীয়, আকাশীয়; সুন্দৰ।

দিৰ্ঘ ২২, ৩৯, ৬৩=দীৰ্ঘ, দীঘল।

দিলা ৯২=ডিলা, কঠাল বা গোমধান বা কেতেকীফুলৰ মাজৰ দীঘলীয়া শাহটো।

দিস ২°, ৯০=দিশ (দশ-)।

দুগ্ধ ২৯ এৰ¹। গাখীৰ।

—ৱতি ১৬৪,-৮১=দুগ্ধৱতী, পয়স্বিনী, দুধাল।

দুত ১৮, ৪২=দূত, চৰ, বাৰ্তাবহ।

দুতয় ৯৪ দুই।

দুতিক ৬০ দ্বিতীয় জনক।

দুন্দুভি ১১৫ ঢাক বা নাগাৰা: অৱনদ্ধ জাতীয় বাদ্যযন্ত্ৰ।

দুৰ ৩৩, ৭৯=দূৰ, আঁতৰিল।

দুৰ্গা ১৪৩ পৰমা প্ৰকৃতি, ভগৱতী; শিৱপত্নী।

দুজ্জ'ন ১১৭ দুষ্ট, অসৎজন।

দুৰদসা ১১৬=দুৰ্দশা, দুৰৱস্থা।

দুৰবাক্য ১২০=দুঃবাক্য, অনুচিত বাক্য, কঠোৰ বাক্য।

দুৰাক্ষৰ ৪২, ১১৭,-৩৭,-৭৬ কঠোৰ; টান, কৰ্কশ।

দুৰ্ব্বলি ১৬৪=দুৰ্বলী, চান্দো সদাগৰৰ গৃহত থকা এজনী দাসী।

দুল্ল'ভ ৮৪ সহজে পোৱা নাযায় যাক, দুষ্প্ৰাপ্য।

দুষ্টকৰ ১১৭ দুষ্টজনৰ, অধমজনৰ, অপবিত্ৰজনৰ।

দুহিতা ৩, ১৫০, দুহিতৃ (দোহন কৰে যি) তনয়া, কন্যা, জীয়ৰী।

দৃস্য ৮৪=দৃশ্য, দেখা, প্ৰত্যক্ষ।

দেউল ১৮১ বহুত।

দেৱপুৰ ৪৪, ৮৩-৮৫ স্বৰ্গলোক।

—পুৰি ৮৯, ৯৮, ১১৬=দেৱপুৰী।

—মণ্ডলি ১৮৯=দেৱমণ্ডলী, দেৱতা-সকলে ঘূৰণীয়াকৈ বহা অৱস্থা।

—ৰাজ ৯১,-১৮৯ ইন্দ্ৰ, পুৰন্দৰ।

দেৱান ১৪৩, -৪৭ সভা।

দেৱি ১, ১৪ দেৱী।

দেসৰ ৭০, ১৬০=দেশৰ।

দেসি ১১২=দেশী।

দেসে ৮৬=দেশে, দেশত।

দৈত্য ১১৫ দিতিৰ গৰ্ভত জন্ম হোৱা কশ্যপৰ পুত্ৰ সকল, অসুৰ।

দৈবৰ নিবন্ধ ১২৩ বিধাতাৰ বিধান।

দোস ২২, ২৩, ৩৪, ৩৯, ৪০, ৪৩, ৮০ ১১৭=দোষ, দায়, অপৰাধ।

দোহাই ১৮, ৭৮, ৮৯, ১০৯, -১৪,, -৫৫ শপত, শপথ, কিৰা।

দোল ১৬৩ বহুত।

দ্বাদসক্ষেত্ৰ ১০৬=দ্বাদশক্ষেত্ৰ, বাৰক্ষেত্ৰ, বাৰখেতৰ, বিভিন্ন বাৰ স্থানত থকা গ্ৰাম্যদেৱী (অপকাৰী)।

দ্বাৰখান ৪৬ দুৱাৰখন।

দ্বাৰি ১০০, -০৫=দ্বাৰী, দুৱৰী।

দ্যোতিৰ্ম্ময় ১৪২ জ্যোতিৰ্ময়, আলোকময়।

দ্ৰৌপদি ১৫০=দ্ৰৌপদী, পঞ্চপাণ্ডৱৰ পত্নী।

ধ

ধনঞ্জয় ১৩৩ নাগৰ নাম বিশেষ।

ধনন্তৰি ৪২, ৪৩, ১৪৪, -৪৫, -৬৯= ধন্বন্তৰি, দেৱবৈদ্য, সমুদ্ৰমন্থনৰ সময়ত হাতত অমৃতভাণ্ড ধাৰণ কৰি সমুদ্ৰৰপৰা উত্থিত হৈছিল। অৱশেষত ছলনাৰ আশ্ৰয় লৈ উদয়কাল নাগৰ সহায়ত পদ্মাই ধন্বন্তৰিক বধ কৰায়।

ধনা ৯৪, ৯৫, ১০১ নেতাৰ পুত্ৰৰ নাম।

ধনা-মনা ৭৪, ১৫৫ দুজন দুষ্ট ঘাটোৱাল, 'ঘাটৰ লস্কৰ'।

ধনেস্বৰ ১২=ধনেশ্বৰ, চান্দোসদাগৰৰ, আতাক বা পিতামহ।

ধৰন নাজায় ৮০=ধৰণ নাযায়, ধৰিব

নোৱাৰি, ধৈৰ্য্য ধৰি থাকিব নোৱাৰি।

ধৰনি ৩২, ৮৬=ধৰণী, পৃথিৱী, মেদিনী

ধৰিয়াৰ ১২৮=ধৰীয়াৰ, ডাঙৰীয়াৰ।

ধৰ্মপুত্ৰ ১০৬ যুধিষ্ঠিৰ।

ধৰ্ম্মে ১০৬ ধৰ্মদেৱতা, বিষ্ণুৰ বক্ষস্থলৰ পৰা জন্ম হোৱা দেৱতা।

ধৱল ৪৬ বগা, শুভ্ৰ।

ধাই ১৮১ ধাত্ৰী, উপমাতৃ।

ধাউৰি ১১৭, -১৯, -২০=ধাউৰী, দুষ্টা, প্ৰগলভা, নিৰ্লজ্জা।

ধাকুৰিয়া ১৮৭=ঢাকুৰীয়া, ৰৰকৈ কান্দি, বুকুত চপৰিয়াই কান্দি।

ধাকুৰে মাথা ৩৭ ঢাকুৰে মাথা, মূৰত প্ৰহাৰ কৰি।

ধান্য ১৮০ ধান।

ধামাই ২০=ধেমাই দ্ৰঃ।

ধায়া ৯৪ দৌৰি।

ধাৰনি ৬৪, ৬৯ পানীৰ সোঁত।

ধিঙ্গৰালি ১২০ লোকৰ ওপৰত অনাহকতে কৰা দপ্‌দপনি।

ধুইলা ৯৭ ধোলে, পখালিলে।

ধুথুৰা ১০৮ ধঁতুৰা।

ধুপ ১৭৮=ধূপ।

ধুপতি ১৮০ ধূপাধাৰ।

ধুসৰ ৩২=ধূসৰ, মটীয়া বগা, ছাই বা ধোৱা বৰণৰ।

ধেমাই ৫, ৭, ৮, ১১, ১০০ পদ্মাৰ দূত।

ধোয়া ১০০ ধোৱা।

ন

নগৰিয়া ১১৭=নগৰীয়া, নগৰত থকা লোক।

নট ১৮১ নাচোতা।

নটি ১০১,-১৪, -১৫=নটী, নাচনী।

নটুয়া/নটুৱা ১০২, -০৪=নটুৱা, নাচনী

নদি ১৪৭=নদী, নৈ।

নন্দ ৫, ৬, ১০৩ যশোদাৰ স্বামী, কৃষ্ণৰ পালক পিতৃ।

নন্দন ১৩৪ পুত্ৰ।

নন্দনি ১১৬, -২৩=নন্দিনী, কন্যা, পুত্ৰী, জীয়ৰী।

নন্দি ১০৫ নন্দী, শিৱৰ অনুচৰ।

নপুৰ ১০৪=নূপুৰ, নেপুৰ।

নবিন ৪৫=নবীন, নতুন।

নয়ন ১১, ১০৪, -১৯ চকু, অক্ষি।

নয়নি ১২০=নয়নী, নয়নযুক্তা।

নয়বুৰি ৪৪ নয়=নও, বুৰি=কুৰি, নও কুৰি।

নৰক ১২৬ পাপীসকলৰ দুঃখ ভোগৰ স্থান, নিৰয়।

নৰসিংহ ১০৩ ভগৱানৰ নৃসিংহ অৱতাৰ (নৰ অথচ সিংহ)। এই অৱতাৰত ভগৱন্তই হিৰণ্য-কশিপুক বধ কৰিছিল।

নৰসিংহ ৯৮, ১৯৫ কবি নাৰায়ণদেৱৰ পিতাকৰ নাম।

নৰ্ত্তকি ১১২=নৰ্ত্তকী, নটী।

নল ১৫০ দময়ন্তীৰ স্বামী আৰু নিষধ ৰাজ্যৰ ৰজা।

নলিন ৮৩ পদ্ম, পদুম।

নৱগ্ৰহ ১০৬, -৮৯ ৰবি, চন্দ্ৰ, মংগল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু আৰু কেতু এই নওটা গ্ৰহ।

নাগ ৫, ৭, ১৮, ৮০, ১২৮, -২৯ সৰ্প, সাপ।

নাগৰ ৫৯ ৰসিক, কামশাস্ত্ৰ আৰু ৰমণীৰ মনোৰঞ্জনত যি পটু; নগৰত যাৰ জন্ম।

নাগিনি ৯, ১২, ৩৬=নাগিনী, স্ত্ৰীজাতীয় সৰ্প।

নাজাই ২৩=নাযায়।

নাদে ৭০=নাদিয়ে, নিদিয়ে।

নাভি ২৭ নাই, পেটৰ মাজভাগৰ গোলাকাৰ অংশ।

নায়ৰিয়া ১৫৫=নাৱৰীয়া।

নায়ে ১৪৮, -৫৭=নাৱে, নাৱত।

নাৰদ ১০৬, -১৩, -১৪, ১৫১, -৮৯ ব্ৰহ্মাৰ মানসপুত্ৰ, ত্ৰিকালদৰ্শী, ত্ৰিলোকজ্ঞ, বেদজ্ঞ আৰু আৰু তপস্বী। 'নাৰ' শব্দৰ অৰ্থ জল বা পানী, তৰ্পণৰ বাবে সৰ্বদা জলদান কৰে বুলি এওঁৰ নাম হয় নাৰদ। 'পদ্মা-পুৰাণ'ত নাৰদৰ লোকৰূপৰ বৰ্ণনাহে পোৱা যায়

নাৰায়ন (ক) ৬, ৭, ১০৩, -৩৫, -৫০= নাৰায়ণ, 'নাৰ' অৰ্থাৎ নিজৰ দেহৰূপৰ নিৰ্গত জলত যি শয়ন কৰে; বিষ্ণু।

(খ) ১৯৫ 'পদ্মা-পুৰাণ' ৰচয়িতা গৰাকীৰ নাম।

—দেৱ ৫, ৭-৯, ১৩-১৮, ২১, ২৩, ২৪ ৩৯, ৭৯, ৮৭, ৮৮=সুকবি নাৰায়ণদেৱ।

—সাধু ৮১-৮৫, ১৫২=নাৰায়ণ সাধু, বেউলাৰ জ্যেষ্ঠ ভ্ৰাতৃ, বেপাৰী বা সদাগৰ উজানি তেওঁৰ ৰাজ্য।

নাৰায়নি ৭৮, ১৪৭=নাৰায়ণী, নাৰায়ণৰ শক্তি, জীৱসমূহৰ বা তত্ত্বৰোৰৰ আশ্ৰয় ৰূপিণী। যি বিশ্বৰ সৃষ্টিকাৰিণী প্ৰকৃতি আৰু সকলোৰে পৰমা জননী আৰু যি মনুষ্যা অৰ্থাৎ মোৰ নিচিনা শক্তিশালিনী তেৱেঁই নাৰায়ণী।'

নাৰি ৩৫, ৫২, ৭১, ৭৭, ৭৯, ৯৫, ১০৭ -০৮, -৩৬ -৫৭=নাৰী, স্ত্ৰী, ৰমণী।

নাস ৪, ৩৬=নাশ, ধ্বংস, মৃত্যু।

নাসিকা ১৯৪ নাক।

নাসিতে ১৭৭=নাশিতে, ধ্বংস কৰিবলৈ।

নাহি ৯০ নাই।

নিকট ১০ ওচৰ, সন্নিকট।

নিকত ৬২, ৮৯, ৯৮, ১২২=নিকটত্ৰঃ।

নিকাৰ ৫৬, ৫৭=দুখ, কষ্ট; লাঞ্ছনা অপমান।

নিচিলা ৯০=মিছামাছ।

নিতম্ব ১০৪ শ্ৰোণী, তপিনা।

নিদাকনি ১৩২=নিদাকণী, নিষ্ঠুৰা।

নিদ্ৰা ২০ টোপনি, ঘুমটি।

—ৰঙ্গি ২০=নিদ্ৰাৰঙ্গী, নিদ্ৰাদেৱী, নিদ্ৰাৰ দেৱী।

নিধি ৫৩ ভঁড়াল, সঞ্চিত ধন, কুবেৰৰ ধনৰ ভড়াল।

নিপাতনি ২৪ নিপাত, বিনাশ।

নিৰচান ৮৪ নিচান, পতাকা।

নিৰঞ্জন ৬, ১৪২ নিৰ্মল, পৰমাত্মা।

নিৰিক্ষিয়া ২১, ২৩ নিৰিক্ষণ কৰি।

নিৰুধ ১৮৭=নিৰোধ, নিবাৰণ।

নিৰ ১৯২=নীৰ, পানী, জল।

নিৰ্ঘাত ৭৬, ৭৮ বজ্ৰাঘাত ; প্ৰচণ্ড।

নিৰ্ঘিন ৯২,৯৪<নিঃ+ঘৃণা, ঘিণ নলগা।

নিৰ্দ্দোসি ১২৮<নিঃ+দোষী, দোষ বিহীন।

নিৰ্ব্বন্ধ ১৯, ৮০ আগ্ৰহ ; নিয়ম, বিধান।

নিৰ্বন্ধন ১৮০ বিধান।

নিৰ্ব্বুধিয়া ৪১<নিঃ+বুদ্ধি, বুদ্ধিহীন।

নিলক্ষৰ পাক ৮৯-৯১ দেৱপুৰলৈ যাওতে বেহুলাই অতিক্ৰম কৰা 'পাক'বিশেষ

নিলাজিনি ১১৯=নিলাজিনী, যি তিৰোতাৰ লাজ নাই।

নিসা ১৯, ৮২=নিশা, ৰাতি, যামিনী।

—কৰ ১৮৯=নিশাকৰ, চন্দ্ৰ।

নিস্বয় ১১২ -৩২=নিশ্চয়, সন্দেহ-বিহীন, নিঃসংশয়।

নিস্বান ১৭৩=নিশান, নিচান, পতাকা ; চিহ্ন।

নিশ্বাস ৮, ১৯, ২৯, ৪৭, ৮৭, ১৯৪=নিশ্বাস, উশাহ।

নিহালি ৫৩, ৭৫ <নিহাল, জুমি জুমি চোৱা।

নুহি ১৭ নহয়।

নৃত্যকৰ ১০১=নৰ্ত্তকৰ বা নৰ্ত্তকীৰ।

নৃত্যকি ১১৬, -২২=নৰ্ত্তকী।

নেউচেনি ১৭০=নেওচনি, শাও, গৰিহনা।

নেত ৫৪, ৭৪, ১৪৭ মিহি পাটৰ কাপোৰ।

নেতা ৪, ৫, ৮৮, ৯৩-৯৯, ১৩১ -৬২ পদ্মাৰ ভগ্নী, বান্ধবী আৰু পথ প্ৰদৰ্শিকা। শিৱৰ ঘামৰপৰা নেতাৰ জন্ম।

—ৱতি ৮৭, ৯৫, ১০০ -৪১=নেতা-ৱতী, নেতাদ্ৰঃ

নেপুৰ ১০৫ -১৪ নপুৰ দ্ৰঃ।

নৈবেদ্য ১৭৮ দেৱতাৰ উদ্দেশ্যে নিবেদন কৰা দ্ৰব্য।

প

পখ ১১১=পখ, পক্ষ, এমাহৰ আধা।

পখি ৯০, ১৬২=পখী।

পচিম ৯০=পছিম, পশ্চিম।

পঞ্চ প্ৰান ১৪১=পঞ্চ প্ৰাণ প্ৰাণ, অপান, সমান, উদান, ব্যান

পঞ্চ বৰ্ন ১৭৮=পঞ্চবৰ্ণ, বগা, হালধীয়া ক'লা, ৰঙা, লোহিত।

পঞ্চম অৱস্থা ১২৩ -৭০ দশ দশাৰ পঞ্চম অৱস্থা ; মৃত্যু।

পঞ্চা ১৬৩ পঁচা, কাণপঁচা, কাণত পিন্ধা অলংকাৰ।

পঞ্চানন ১২৭ পাঁচখন মুখ যাৰ, শিৱ।

পটোৱাৰ ১০৫ -২৯ আঁৰ কাপোৰ বিশেষ (?)।

পতকা ৭৯ পতাকা, নিশান, নিচান, ধ্বজ।

পতিজোগ ৯১ পতিযোগ, পতিৰ লগত মিলিত হৈ।

—ব্রতা ৪৯, ৫৭ সতী, সাধবী, পতি পৰায়ণা।

পদুমাই ৭—পদ্মা দ্রঃ।

পদ্ম

--পত্র ১৭৮ পদুমৰ পাত।

—পুষ্প ১৮০ পদুমৰ ফুল।

পদ্মা ৩, ৫, ৭-১৪, ১৮, ১৯, ৪৩, ৫৫, ৮০, ৮৯, ৯৬, ৯৭, ১১৩ -২৯, -৪৫, -৬২, -৭৮ মনসা, পদ্ম পত্রত জন্ম হোৱা বাবে এওঁৰ নাম পদ্মা।

পদ্মাৱতি ৩-৭, ১০-১৩, ২৫, ৪১, ৮২ ১০৯, -১৩, ১৬, -১৭, -৬১= পদ্মাৱতী, পদ্মা দ্রঃ।

পদ্মিনি ৭৫=পদ্মিনী, চাৰি শ্রেণী নাৰীৰ ভিতৰত উত্তমা শ্রেণী।

পন্থে ৩৭, ৪২ ৫৫, ৮৯ পন্থত।

পবন ১০৬ -২৭ ১৪২ বায়ুদেৱতাৰ নাম।

—দূত ১৮৭ পবন দেৱতাক দূত বোলা হৈছে।

পয়াৰ প্রবন্ধ ৭৯ পয়াৰ ছন্দত ৰচিত ৰচনা।

পয়োধৰ ১০২ -০৪ স্তন, কুচ।

পৰদাস ৭২ আনৰ দাস বা চাকৰ।

পৰমান ১১৬=প্রমাণ, যাৰদ্বাৰা কোনো বিষয়ৰ প্রকৃত জ্ঞান লাভ বা সত্যাসত্য নির্ণয় কৰা যায়।

পৰৱেস ৯১=প্রৱেশ, ভিতৰলৈ যোৱা, অন্তর্নিৱেশ।

পৰস ৬১ পিন্ধা, পৰিধান কৰা।

পৰসুৰাম ১০৩=পৰশুৰাম, ভগবানৰ অৱতাৰ বিশেষ।

পৰস্ত্রি ৬৭=পৰস্ত্রী, আনৰ তিৰী।

পৰাধিন ২৩=পৰাধীন।

পৰান ১৪৬=প্রাণ, জীৱন।

পৰানি ৩২, ৪৭, ৫০, ১৩৭, -৯৪ প্রাণ।

পৰিধান ১৪৩ পিন্ধা।

পৰিপাত্তি ১৫৫=পৰিপাটি/পৰিপাটী, সুশৃঙ্খলাবদ্ধ।

পৰিয়াৰ=পৰিয়াল।

পৰিলা ১০৪ পিন্ধিলে।

পৰিহাস ১২৪ ঠাট্টা, বিদ্রূপ।

পৰিক্ষা ৪৮, ৯৮, ১৮৪=পৰীক্ষা।

পৰে ১৪১ পিন্ধে।

পসাৰ ১৬৩ পোহাৰ।

পসু ৪, ৬, ১৬২, -৮২ পশু।

—গন ২৩ পশুবিলাক।

—পতি ২৩, ১১২, -১৩ শিৱ, মহেশ্বৰ।

পক্ষাপক্ষ ১২৪ কোনো পক্ষ বা দলৰ ফলীয়া হোৱা কাৰ্য্য ।

পক্ষি ৬=পক্ষী, পখী ।

পাইক ৭৬, ৭৭, ১৫৫, -৭৮ লোকৰ মাটি খোৱা মানুহ ।

পাক ১১৪ মেৰ বা ঘূৰণ ।

পাকবা ৯২=পাকৰি, সূতালাহী ।

পাঞ্চ ৯০=পঞ্চ, পাঁচ ।

পাঞ্চিলা ১৪৬ পাচিলে ।

পাঞ্চালি ৭, ৮, ১৩, ১৬, ২৩, ২৪, ৩৯, ৪৪, ৭৯, ৮৪, ৮৮, ৯৮, ১১৩, -২৯, -৪৬ পাঁচালি, পাঁচালী, পঞ্চ অংগ যুক্ত ।

—গিত ৯৮=পাঁচালী গীত, পঞ্চ অংগ যুক্ত গীত ।

পাঞ্চি ৪২ পাচি ।

পাঞ্জৰ ২৪, ১৩২, -৩৬ হাড়-ছাল, মৰাশ ; শৰীৰ, দেহ ।

পাতাল ১৪ পাতাল, অধোভুবন ।

পান ২২=পাণ,<পৰ্ণ ।

পানি ৮, ৭, ৮, ১২, ২৩, ৩৫, ৩৬, ৬৯, ১১১, -১৯, -২০, -৯২=পানী ।

পান্তি ২১, ৪০, ১০২ শাৰী ।

পাপমতি ১৮৬ যি স্ত্ৰীৰ পাপত মন থাকে, দুষ্টমতি, কুমতি ।

পাপিষ্ঠি ১৩=পাপিষ্ঠী, পাপিষ্ঠা, পাপিষ্ঠিনী ।

পামৰ ৭৪ নৰাধম, অতি নীচ; খল; মূৰ্খ ।

পায় ১৬২,-৯২ পাৱ, পদ, ভৰি ।

পাৰ্বতি ৩০, ১৩৪, -৫১, -৭৭, -৯০= পাৰ্বতী, (পৰ্বত আত্মজা), হিমালয় আৰু মেনকাৰ কন্যা আৰু মহাদেৱৰ পত্নী । পৰ্বতৰাজ হিমালয়ৰ কন্যা হোৱা বাবে এওঁৰ নাম পাৰ্বতী ।

পালি-প্ৰহৰি ২০=পালী-প্ৰহৰী, পাল-পাতি পহৰা দিয়া মানুহ ।

পাৰন্ত ৯৫ ভৰিত ।

পাসক ৭, ১৭, ১৮=পাশক, ওচৰক, সমীপক ।

পাসণ্ড ৯০=পাষণ্ড, নৰাধম ; নাস্তিক, দুৰাচাৰী ।

পাসণ্ডি ১৮৩=পাষণ্ডী, অধৰ্মত মতি থকা স্ত্ৰী ।

পিঙ্গল ৩৯ সামান্য ৰঙা ৰঙেৰে মিহলি মুগা বৰণ ।

পিঙ্গিলা ১৪২=পিঙ্গলা, মানৱ দেহত থকা নাড়ী বিশেষ (ইড়া, পিঙ্গলা, সুষুম্না) ।

পিড়িত ২৫=পীড়িত, ক্লিষ্ট, ব্যথিত ।

পিতামহ ১২৩ পিতাকৰ পিতাক, আতা, ককাদেউতা ।

পিম্পৰা ১৪ পিঁপৰা ।

পিৰিতি ৫২=পীৰিতি, প্ৰীতি ।

পুজয় ১৯=পূজয়, পূজা কৰে ।

পুজা ১৩, ১৪=পূজা ।

পুত ৬২,৬৫ পুত্ৰ, পো ।

পুত্ৰবধু ১৮৪=পুত্ৰবধূ, পুতেকৰ বোৱাৰী ।

পুনৰপি ১৯=পুনৰবাৰ, আকৌ, দুনাই

পুনি ৫, ২৫, ৪৮, ৫১, ৮৬, ৮৯, ১১২= পুনঃ, আকৌ, দুনাই।

পুন্য ৫৬, ৮৮=পুণ্য, ভাল কৰ্মৰ গুণ, ধৰ্ম, সুকৃত।

—বাসি ১১৩=পুণ্যবাসী, পবিত্ৰ স্থানত যি বাস কৰে।

পুব ৯০=পূব।

পুৰন্দৰ ৬, ১০৬, -২০, -২২, ৪৩, -৮৮ দেৱৰাজ ইন্দ্ৰ, যিজন দেৱতাই শত্ৰুৰ পুৰী ভংগ কৰে।

পুৰান ১০৬=পুৰাণ, পৌৰাণিক আখ্যান।

—গীত ১৯৫=পুৰাণ-গীত, পুৰাণৰ গীত; পৌৰাণিক কাহিনী বিষয়ক গীত।

পুৰি ১১, ৭৮, ১৮২, -৮৩ =পুৰী।

পুৰিয়া ১৮২=পূৰিয়া, জুৰি, আগুৰি, আৱৰি।

পুৰুস ৮৮=পুৰুষ, মুনিহ মানুহ।

পুৰ্ন ৩, ৩২=পূৰ্ণ, ভৰপূৰ সম্পূৰ্ণ।

—ৰূপ ৩=পূৰ্ণৰূপ।

পুন্ন৾ ১৮১ পূৰ্ণাহুতি।

পুৰ্বৰ ১৮, ৩৬, ৮৪ পূৰ্বৰ, আগৰ, অতীতৰ।

পুৰ্বাপৰ ৯৬=পূৰ্বাপৰ, অতীত আৰু বৰ্তমান, আগ-পাছ।

পুৰ্বে ৮=পূৰ্বে, অতীতত।

পুলকিত ৮২ অতি আনন্দিত।

পুসিত্তে ৭২ পুষিত্তে, পুহিবলৈ।

পৃতি ১০৭ প্ৰীতি, পীৰিতি, ভাল পোৱা ভাব।

পৃথিৱি ১৮৫=পৃথিৱী।

পৃয়া ১৫, ২৪=প্ৰিয়া, সাদৰী, মৰমী।

পৃষ্ঠি ৪০, ১০৩, -০৭ পিঠি।

পেখন ১১৪, -১৮ ময়ূৰে নেজৰ পাখি মেলি কৰা নাচ।

পেঞ্চক ১০৬ পেচক, ফেঁচা

পেৰা ১৭৮ মস্তা ম'হ।

পোয়াল ১৮১=পোৱাল, <প্ৰবাল, বিদ্ৰুম, মূল্যবান বস্তু।

পৌত্ৰ ১৮০ নাতি।

প্ৰকাস ৬, ৪৪, ১১৪=প্ৰকাশ, ওলোৱা কাৰ্য্য, অভিব্যক্তি, প্ৰকটন।

প্ৰকুপিত ১০৭ অতিশয় ক্ৰোধান্বিত।

প্ৰজাপতি ১২৭, -৩৪, -৮৮ জীৱসমূহৰ স্ৰষ্টা, জন্মদাতা আৰু পূৰ্বপুৰুষ। 'মনুসংহিতা'ৰ মতে ব্ৰহ্মাই প্ৰজাপতি।

প্ৰত্যয় ৩০ পতিয়ন, সঁচাত, বিশ্বাস।

প্ৰদিপ ১৪, ২৮, ১৩১=প্ৰদীপ, বন্তি চাকি।

প্ৰনাম ১৩১=প্ৰণাম, সেৱা, নমস্কাৰ।

প্ৰভু ১৩, ১৭, ৮৫ ১০৯, -২১, -২৯ গৰাকী, স্বামী।

প্ৰমাদ ৩৬, ১১৭ বিপদ, মহাবিপদ, প্ৰলয়।

প্ৰমান ২১, ১২১, -৮১=প্ৰমাণ, যাৰ দ্বাৰা কোনো কথাৰ সঁচা„মিছা বুজিব পাৰি।

প্ৰলয় ৬ সৃষ্টি নাশ; ধ্বংস।

প্ৰবেস ১৪, ৩৫, ১০৩, -৩৫, -৯৩=, প্ৰবেশ, ভিতৰলৈ যোৱা কাৰ্য্য, সোমোৱা।

প্ৰসন্ন ২১ সদয়, সন্তুষ্ট, অনুকূল।

প্ৰসংসে ২৯=প্ৰশংসে, শলাগে, গুণ বৰ্ণনা কৰে।

প্ৰসাদ ২৯, ১৬৪ অনুগ্ৰহ; প্ৰসন্নতা (-গুণ)।

প্ৰহৰ ৯০, ৯৪, ৯৯ এপৰ, প্ৰায় তিনি ঘণ্টা কাল।

প্ৰহৰি ১৪, ২০=প্ৰহৰী, পৰীয়া, চকীদাৰ।

প্ৰান ৯, ১৮, ২৪, ২৭, ৮৩, ৮৪, ১০৮, -১৫, -২৭, -৪১, -৮৬, -৯৪= প্ৰাণ, পৰাণ; পঞ্চপ্ৰাণৰ এক প্ৰাণ।

প্ৰানি ২৩, ৮৫, ১৫৮=প্ৰাণী, জীৱ-জন্তু।

প্ৰানেস্বৰ ৩২, ৫৩=প্ৰাণেশ্বৰ, প্ৰাণৰ ঈশ্বৰ, স্বামী।

প্ৰানেস্বৰি ২৪=প্ৰাণেশ্বৰী, প্ৰাণৰ ঈশ্বৰী, অতিকে মৰমৰ।

ফ

ফনা ৬, ১৪২=ফণা, সাপৰ ফোট বা ফেট (hood of a snake)।

ফনি ৬=ফণী, সৰ্প, সাপ।

ফন্দ ১৫৬ বুদ্ধি কৰি, ফান্দত পেলাই।

ফলাইলা ৩৬ ফলিয়ালে।

ফলাৰ ১৬, ৩৪ জলপান, ফল-মূল আদিৰ ভোজন।

ফান্দ ১৪৪ আনক ধৰিবলৈ গোপনে কৰা যতন।

ফাৰিফুৰি ১২০ ইফাল-সিফাল কৰি, টেঙৰালি কৰি।

ফুতে ৫০=ফুটে, < স্ফুট, ফুটি যায়, ফাটি যায়।

ফুল-পানি ১৪০=ফুল-পানী।

ফেলাইলা ১৯২=পেলাইলে।

ফেলি ১২৫ পেলাই।

ফোকাৰ ৮৭ ঘনে ঘনে উশাহ লোৱা কাৰ্য্য।

ফোতা ৫৩=ফোটা, ফোট, তিলক।

ফৌজ ১৫৫ সৈন্য।

ব

বংস ৪=বংশ, গোষ্ঠী।

বঙ্কনালে ১৪২ বেঁকাবেকী কৈ।

বটুকপ ১০৩=বটুকপ, ভগবানৰ অৱ-তাৰ বিশেষ [বামন-অবতাৰ]।

বৎস ১০৩ গৰুৰ পোৱালী, দামুৰী।

বৎসৰ ৮৫,৮৮ বছৰ।

বত্তিস ১৩৬=বত্ৰিশ, বত্ৰিছ, ৩২।

বত্ৰিস ৯৪=বত্ৰিশ।

বদন ২১, ২৫, ৪০ মুখমণ্ডল।

বদ্ধ ৪৮, ৫২ বধ।

বধু ৩৬, ৪০, ৮১, ১৮০,-৯২=বধু, বোৱাৰী।

বনমালি ৬=বনমালী, কৃষ্ণ।

বনিক ১৬, ৭৯=বণিক, বেপাৰী, সাউদ, সাধু।

—নন্দন ১৬, ১৯, ৪৯=বণিক নন্দন, চন্দ্ৰধৰ।

বন্দি ৮০, ৮১, ৮৪, ১৫৭=বন্দী, আৱদ্ধ, ৰণত ধৰাপৰা মানুহ; পুৰুষভৃত্য।

বন্ধা ৭২ ধাৰ শুজিব নোৱাৰাবালৈকে কোনো এজন মানুহক চাকৰ হিচাবে ৰখা।

বৰগাছ ২২=বৰগছ।

বৰন ২২=বৰণ, বৰ্ণ।

বৰসি ৬২=বৰশী।

বৰা ৬২ গাহৰি।

বৰাই ১৭৭ অহংকাৰ।

বৰাবৰ ১৪০, -৭৬ ওচৰ, সমীপ।

বৰাবৰা ১২ ডাঙৰ ডাঙৰ।

বৰাবৰি ১৩৩, -৮১ ওচৰত, সমীপত।

বৰাল ১৩৮ বৰালি (—মাছ)।

বৰাহ ১০৩ গাহৰি।

বৰিসন ৭=বৰিষণ, বৰষুণ, বৃষ্টি।

বৰিসে ১১৫ বৰিষে, বৰ্ষণ কৰে, বৰষুণ দিয়ে।

বৰুন ১২৭=বৰুণ, জল বা পানীৰ অধিপতি, দশদিকপালৰ অন্যতম। বেদত মিত্ৰ আৰু বৰুণৰ ভিতৰত পাৰ্থক্য নাই।

বৰ্ন্ন ১৪=বৰ্ণ, বৰণ; স্বৰূপ।

বত্তিস ১৩২=বত্ৰিশ।

বৰ্ত্তিবেক ১৩২, —৩৩ বৰ্তিব, বাচিব।

বৰ্ন্নাইয়া ২২, ৯৩=বৰ্ণায়া, বৰ্ণনা কৰি।

বৰ্ব্বৰ ১৫৫ অসভ্য, নীচ।

বলি ১০৩, -২৩ দৈত্যৰাজ, বিষ্ণুভক্ত প্ৰহ্লাদৰ নাতি। তপস্যাৰ দ্বাৰা তেওঁ স্বৰ্গ আৰু পৃথিৱীৰ অধীশ্বৰ হৈ স্বৰ্গৰপৰা দেৱতা-সকলক বিতাড়িত কৰে। অৱশেষত ভগৱান বিষ্ণুৱে বামনৰূপ গ্ৰহণ কৰি ছলনাৰ সহায়ত বলিক স্বৰ্গৰপৰা পাতালপুৰলৈ প্ৰেৰণ কৰে।

বলোভদ্ৰ ৬, ১০৩ বলৰাম, অনন্তৰ অৱতাৰ। এওঁ বসুদেৱ আৰু ৰোহিণীৰ পুত্ৰ আৰু কৃষ্ণৰ জ্যেষ্ঠ ভ্ৰাতা।

বস ৪৩=বশ, অধীন।

বসন ৩৭ কাপোৰ, বস্ত্ৰ।

বসুমতি ২৩=বসুমতী, পৃথিৱী, ধৰিত্ৰী।

বহাৰি ১২৪, -২৫=বহাৰী, বধূ, বোৱাৰী।

বহিনি ১১১, -৪৩=বহিনী, ভনী।

বাইচা ১৮২ নাও বাওতা।

বাইন ১০১ বাদক।

বাজনি ১৮৮ বাদ্যৰ ধ্বনি, বাঁহীৰ নিস্বন।

বাজিলেক ৭৬ আঘাত কৰিলে।

বাজু ১৬২ কেয়ূৰ, বাহুত পিন্ধা অলংকাৰ বিশেষ।

বাঢ়য় ৮৯ বাৰ, ১২।

বাত্তি ৪৯ বত্তি, চাকি, প্ৰদীপ।

বাতোয়াৰি ১৫৮=বাটোয়াৰি, ডকাইতি।

বাদ ৫, ১০, ১১, ২৫, ১১৭, -৫৬ বদনাম, অপবাদ; তৰ্ক; বিবাদ।

—হাৰি ৫=বাদহাৰী, বিবাদত পৰাজিত হৈ।

বান ১১৬=বাণ, বাণৰজা, উষাৰ পিতৃ আৰু শোণিতপুৰৰ নৃপতি।

—কুমাৰি ১৯=বাণৰ কুমাৰী উষা।

—ৰাজা ১৯, ৯৬ বাণৰজা।

বানাসুৰ ১২৩=বাণাসুৰ।

বানি ৫, ৯, ১৭, ২৩, ২৫, ৩৪, ৪২, ১১৭, -২২=বাণী, বচন, কথা।

বানিক নন্দন ১৮০=বণিক নন্দন, চান্দোসদাগৰ।

বানিয়া ১৮, ১১৭=বণিক।

—ৰ কুলে ৯১=বণিকৰ কুলত।

—ৰ ঝি ২৭=বণিকৰ জী, বণিকৰ জীয়ৰী।

—বালা ১৯, ২৪, ৯২=বণিকৰ কন্যা, বেউলা।

—সুত ১৮=বণিকৰ সুত, লখিন্দৰ।

বাম কৰে ১৭৯ বাও হাতেৰে।

বায়ন ১৮১ বাদক।

বায়ু ২৩ বায়ুদেৱতা, পবন।

বাৰক্ষেত্ৰ ১৪৬, -৪৮ বাৰ ঠাইৰ ক্ষেত্ৰ দেৱতা, গ্ৰাম্যদেৱতা।

বাৰি ৪২, ৭১, ৯৫ বাৰী, ঘৰ-বাৰী।

বাৰি ২, ১৫, ৩১, ৩২, ৩৩, ৪৫, ১০৯, -২০, -২৪ বাঁৰী, বিধবা।

বাৰে ৮৮=বাঢ়ে, বৰ্ধিত হয়।

বাৰ্ত্তা ৮১, ১৮৬ বাতৰি, সংবাদ।

বালা ১৪৩ পুত্ৰ ('চান্দোৰ বালা')।

বালাই ১৪৭ বালিৰে।

বাসৰ ১৪, ৩২, ১২৮ ঘৰ, গৃহ।

বাশি ১৫৫, -৮৮=বাঁশী, বংশী, বাঁহী।

বাসুকি নাগ ১৪২, -৮৯ নাগৰাজ, দক্ষকন্যা কদ্ৰুৰ জ্যেষ্ঠপুত্ৰ, পিতৃৰ নাম কশ্যপ। শেষনাগ আৰু অনন্তনাগ ৰূপেও বাসুকি জনাজাত।

বাহুৰি ৭৭, ১৩৭, -৮৬, উলটি অহা কাৰ্য্য, ওভোটাই দিয়া কাৰ্য্য।

বিকটা ৬৬=বিকট, ভয়ানক।

বিকল ৮৭, ১৮৯ অসম্পূৰ্ণ; ব্যাকুল, বিবুদ্ধি।

বিঘটন ৭২ অঘটন।

বিচি ৬২, ৬৮ চম্পৰোগ।

বিজয়া ১৮৯ পাৰ্বতীদেৱীৰ সখী; ৬৪ যোগিনীৰ অন্যতমা।

বিড়ম্বন ২৪ মায়া, প্ৰতাৰণা।

বিদাৰ ১০৩ ছিৰ, ফাল, বিদীৰ্ণ কৰ।

বিদিত ১১৭ জনা, জ্ঞাত।

বিদিস ২৩, ৯০=বিদিশ, দুই দিশৰ মধ্যবৰ্ত্তী কোণ (অগ্নিকোণ)।

বিদ্যমান ১১৬, -১৭ উপস্থিত, বৰ্তমান।

বিদ্যাধৰ ২৪, ৩৫, ৯৫, ১১৫, -৮৮ গন্ধৰ্ব্ব, স্বৰ্গীয় গায়ক।

বিদ্যাধৰি ৩৫, ১২৩=বিদ্যাধৰী, স্বৰ্গীয় গায়িকা।

বিধাতা ৫৩, ৫৭, ৭২, ১৯২ বিধান কৰ্ত্তা, ব্ৰহ্মা, সৃষ্টিকৰ্তা।

বিধি ২৪, ৩৫, ৩৮, ৫৩, ৮৯, ১৮৬ যোনে বিধান কৰে, ব্ৰহ্মা।

বিধোৱা ২৯, ৩০, ৪০, ৫৩, ৯৬, ১৩৬, -৫১, -৮৭=বিধবা, বাঁৰী।

বিনন্দিয়া ৬৬=বিনন্দীয়া, আনন্দময়, অতিশয় শুৱনি।

বিনাস ৬=বিনাশ, ধ্বংস, মৃত্যু।

বিপৰিত ১০৮ বিপৰীত, বিৰুদ্ধ, ওলোটা, অসংগত।

বিপাক ১৮০ দুৰ্গতি, শঙ্কট, লেঠা।

বিপ্ৰ ১৮১ ব্ৰাহ্মণ।

বিবাদ ৪ দন্দ, হাই-কাজিয়া।

বিবুধি ৬১=বিবুদ্ধি, বুদ্ধিৰে সমাধান কৰিব নোৱাৰা।

বিভোল ১০৪ মগ্ন, মুগ্ধ।

বিমোহিত ১৯৪ মুগ্ধ।
বিৰ ১৪৭=বীৰ।
বিৰম্বন ৩৫, ৯১, ১৭৩=বিড়ম্বন দ্রঃ।
বিৰম্বনা ৯৬, ১১৯=বিড়ম্বনা, প্রতাৰণা বঞ্চনা।
বিৰাল ৪৬, ১৮৮—মেকুৰী।
বির্জ্যা ১৪=বীৰ্য্যা, বীৰ্য্যসম্ভূতা।
বির্য্য ৩, ১২৭=বীৰ্য্য, ধাতু, ৰেতস্।
বিলম্ব ১৫, ১৭, ৯৯ পলম, দেৰি।
বিৱৰন ৫, ৭, ১০,১১, ১১৬=বিৱৰণ, বৰ্ণনা।
বিষ্ণু ১১, ২৩, ৩৫, ১০৫, -২৭, -৫০,-৮৮ 'বিষ্ণু' শব্দৰ অৰ্থ ব্যাপক, সাত্ত্বিক গুণৰ অভিব্যক্তি ; বিষ্ণু নাৰায়ণ-কৃষ্ণ-বাসুদেৱ শেষলৈ একজন দেৱতাত পৰিণতি লাভ কৰে।
বিস ৪, ৭, ৮, ১০, ১১, ২৪, ১১০, -৭৭ =বিষ, গৰল, হলাহল।
—ধৰ ৬, ১১ বিষধৰ, সৰ্প, সাপ।
—বানে ১৩৭ বিষ ৰূপ বাণেৰে।
—মুখি ১১৩, -১৯=বিষমুখী, বিষযুক্ত মুখ যাৰ (স্ত্রী)।
—হৰি ৪, ৯, ১৯, ৫১, ৮৩, ৯০, ১০৯, -১৪ -১৬, -২৭, -৩১, -৪৫, -৭৭ =বিষহৰী, যি গৰাকী দেৱীয়ে বিষ হৰণ কৰে, পদ্মা, মনসা।
বিসম ৩৪, ৮৪=বিষম, অসমান, দুৰ্গম, দুঃসহ, ক্লেশকৰ।
বিসাদ ৩৩, ৩৪, ৪৩, ৯০, ১৮৬= বিষাদ, দুখ, বেদনা।
বিসাদিত ১৮, ১৮৪=বিষাদিত, দুখিত, বিষণ্ণ।
বিসেসে ১১২=বিশেষে, প্রভেদভেদে, তাৰতম্য অনুসৰি।
বিস্তৰ ৬৯, ১৮৭ অনেক, বহুত।
বিহা ১৩, ৩৫, ৪০, ৭৯, ৮২ বিৱাহ, পৰিণয়।
বিহাই ৰাতৃ ১৬ বিৱাহ ৰাত্রি, বিয়াৰ প্ৰথম নিশা।
বুক ১৩, ৯৩, ১৮৭=বুকু, হৃদয়, মৰ্ম।
বুঝা ১১০=বুজিবা।
বুঝাই ৫৩=বুজাই।
বুঝিবাৰ ১৮=বুজিবলৈ।
বুঝিলো ১০=বুজিলোঁ।
বুটা ১৫৮ চুটি-চাপৰ, খৰা-মুৰা।
বুৱা ৪৯ বোৱা।
বুৰ ৯৫ ডুব দিয়া।
বৃহস্পতি ১০৬, -৫৭ দেৱগুৰু। পৌৰাণিক যুগত বৃহস্পতি এগৰাকী ঋষি ৰূপে আত্ম প্ৰকাশ কৰিছে। মহৰ্ষি অঙ্গিৰাৰ পুত্ৰ আৰু পঞ্চম নৱগ্ৰহ। এওঁৰ পত্নীৰ নাম তাৰা।
বেউলা ১৫, ২২, ৮২-৮৫, ৮৯, ৯০, ৯৬ -৯৮ সাহেবজাৰ কন্যা আৰু লখিন্দৰৰ পত্নী।
বেকত ৬=ব্যক্ত, প্ৰকাশিত।

বেটি ১১৭=বেটী, ছোৱালী।

বেভা ৬৯=বেটা, পুত্ৰ।

বেতেনি ৪৬ বেত।

বেদ ৬ শ্ৰুতি, ধৰ্ম আৰু ব্ৰহ্মাৰ মুখ নিৰ্গত ধৰ্মজ্ঞাপক শাস্ত্ৰ। বেদ অপৌৰুষেয় অৰ্থাৎ সাক্ষাত ঈশ্বৰৰ বাণী। বেদ চাৰিখন : ঋক্, যজুঃ, সাম, অথৰ্ব।

—বিধান ১৮১ বেদৰদ্বাৰা প্ৰদৰ্শিত আচাৰাদি।

—সাস্ত্ৰ ৬৩=বেদ শাস্ত্ৰ।

বেনা ১৫৫=বীণা।

বেফুলা ১২, ১৬, ৮২-৮৫, ৮৭, ৮৮, ১০০, -১৪, -২৯, -৬২, -৮৯ বেউলা।

বেৰায়া ১০৮ ঘূৰি ফুৰি।

বেৰাস ৫৭ ঘূৰি ফুৰ।

বেষ্টিত ২২, ১০৩ পৰিবৃত।

বেস ২২, ৪৭, ১০৫, -১৪, -৬২=বেশ, সাজ-সজ্জা।

বেস্যা ১১৭=বেশ্যা, গণিকা, বাৰনাৰী।

বেহৰুয়া ১০১=বেহেৰুৱা, বেপাৰী।

বৈতালি ১১৭, -১৮ বজ্জাতি, দুষ্টালি।

বৈনি ৮৪, ৮৫, ১৩২, -৭৭=ভনী।

বৈৰি ১৫৭=বৈৰী, শত্ৰু।

বৈশ্বেশ্বৰ ১১ বিশ্বেশ্বৰ, বিশ্বৰ ঈশ্বৰ।

বোকলি ৯৮ মোনা, জুলি।

বোঞো ১৬২=বোঁও।

বোল ১১৮ বাক্য, মাত-কথা।

বোলে ১১৮ কয়।

ব্যাঘ্ৰ ১২, ৮৭ বাঘ।

ব্যান ১৪১ পঞ্চপ্ৰাণৰ ভিতৰৰ এটা প্ৰাণ।

ব্ৰত ৪৭ পুণ্যৰ কাৰণে কৰা উপবাস, পূজা আদি।

ব্ৰহ্ম ২৭ নিগুৰ্ণ পৰমাত্মা, জগতৰ কাৰণ আৰু কাৰ্য্য ; অতিশয়, বৰডাঙৰ।

—জাল ১৩৯ বৰ ডাঙৰ জাল।

—দ্বাৰ ২৭, ১৪২ মূৰত থকা ৰন্ধ্ৰ, ব্ৰহ্ম-ৰন্ধ্ৰ।

— বদ্ধ ৩৮ ব্ৰহ্ম বধ, ব্ৰাহ্মণ বধ।

—সাপ ৩০ ব্ৰহ্ম শাপ, ব্ৰাহ্মণৰদ্বাৰা দিয়া শাপ।

ব্ৰহ্মা ৬, ১১, ২৩, ৩৫, ১০৫, -২৭, -৫১ -৮৮ সৃষ্টিকৰ্ত্তা, ত্ৰিমূৰ্তিৰ অন্যতম।

ব্ৰাহ্মন ১৭, ২০, ৩৮, ১৪৯, -৮২= ব্ৰাহ্মণ

ব্ৰাহ্মনি ২৯=ব্ৰাহ্মণী।

ভ

ভখুৰিল ৯৩=ভেঁকুৰিল।

ভগ্নি ৮২, ৮৩, ১১১, -১৩=ভগ্নী, ভনী।

ভগিনি ৮৩, ৯৯=ভগিনী, ভগ্নী দ্ৰঃ।

ভঙ্গি ১০৪=ভঙ্গী, দেহাৰ ভাঁজ।

ভঙ্গিমা ১০৫, -১৫ ভঙ্গী।

ভতাৰ ৫৬, ৫৭ স্বামী।

ভদ্ৰাই-কামিনি ১০৬=ভদ্ৰাই-কামিনী, দেৱী বিশেষ।

ভব সাগৰ ৭৩, ৮৯=ভৱ সাগৰ, সংসাৰক সাগৰৰ লগত তুলনা কৰা হৈছে।

ভবানি ১০৭, -২৫, -৩৭, -৭৭, -৮৯= ভৱানী, শিৱ-পত্নী, পাৰ্বতী।

ভয় ১৫৯ <ভৱ, সংসাৰ।

ভৰ ৮৬, ১২১ নিৰ্ভৰ।

ভৰা ১৪৮ বোজা, নাৱত ভৰোৱা বস্তু।

ভৰ্চ্চাই ১৩৬ অপমান কৰি, ভৎ‍‍সনা কৰি।

ভৰ্চ্চিবে ১৮৪ অপমান কৰিব, ভৎ‍‍সনা কৰিব।

ভৰ্চ্চিয়া ১৯৪ ভৎ‍‍সনা কৰি।

ভসাই ৮৫ উটুৱায়।

ভস্ম ১১, ১৩৫ ছাই।

ভক্ষন ৭, ১৩৮ ভক্ষণ, খোৱা কাৰ্য্য।

ভাগিনা বধু ১৫৪=ভাগিন-বধূ, ভাগিনৰ পত্নী।

ভাঙ্গাৰা ১৩, ১০৮ ভাঙুৰা, শিৱ।

ভাগ্যৱতি ১৮৭=ভাগ্যৱতী, ভাগ্য-শালিনী।

ভাট ১৮১ স্তুতি পাঠক।

ভাঠি ৯৪ ভাটী।

ভাণ্ড ৯৯ ঠগ কৰ, বঞ্চনা কৰ।

ভাণ্ডস ৯৬ ঠগোৱা।

ভাণ্ডাৰ ১০৮, -৯৫ ভঁড়াল।

ভাণ্ডিচা ১০৭ -ভাণ্ডিছা, ঠগাইছা।

ভাণ্ডিলা ৩০ প্ৰতাড়না কৰিলা।

ভাতৃ ৮৬=ভ্ৰাতৃ, ভাই।

ভায়ে ৮৪, ১৭৯, -৮৫=ভাৱে।

ভাবসে ১১৭ ভাবসা কৰি।

ভাৰিয়া ১১৮ <ভাণ্ডিয়া, প্ৰতাৰণা কৰি।

ভাসিবে ১৯২ উটিব।

ভাসুৰ ৮৭, ১৫২=ভাশুৰ, ভাই শহুৰ।

ভিম ১৫৭=ভীম, দ্বিতীয় পাণ্ডৱ।

ভুতগন ১০৬—ভূতগণ, প্ৰেতযোনি বিশেষ; শিৱৰ অনুচৰসকল।

ভুবন ৭, ২২, জগৎ, সপ্ত পাতাল আৰু সপ্ত স্বৰ্গ, গৃহ, ঘৰ।

ভুমি ৪৮=ভূমি, মাটি; পৃথিৱী।

ভুৰ ৪৫, ৪৬, ৮০, ৮৯=ভূৰ, ভেল।

ভূত ১৫৩ পিশাচ, উপদেৱতা।

ভৃঙ্গ ১৪ ভোমোৰা।

ভৃঙ্গাৰ ২২, ১১৩ ভোগজৰা।

ভেন্টাইল ২৮, ১৪৬ সাক্ষাত হ'ল, দেখা দেখি হ'ল।

ভেদ ৯০ পাৰ্থক্য, প্ৰভেদ।

ভেন্ত ৬৫=ভেন্ট, সাক্ষাত।

ভেসলাস ৪৩ ছদ্মবেশ (?)।

ভোখে ১৩৮=ভোকে, ভোকত।

ভোল ৭৯ মোহিত।

ভোলানাথ ১১৬ শিৱ, মহেশ্বৰ।

ভোলে ৭৭ বিমোহিত হৈ।

ভ্ৰমৰা ১৭, ৩২, ১১৫ ভোমোৰা।

ম

মকৰন্দ ১৭ ফুলৰ মৌ।
মগৰ ৫১. ৬৯ জলহস্তী. মকৰ, জ্যোতিষৰ ৰাশিচক্ৰৰ দশম ৰাশি।
মঞ্জুস ১৫, ১৮, ৩১, ৩৭ মেৰঘৰ।
মজুক ৮১ মজু।
মজুস ২৭, ৪৪ মেৰঘৰ।
মণ্ডপ ১৭৮ বেদী।
মণ্ডল ১৫৯, -৭৮ চক্ৰ, গোলাকৃতি।
মত্ত ৬২ বলিয়া, উন্মত্ত।
মদন ১৮, ২৫ কামদেৱ, কামভাৰ।
মদমত্ত ১৭ উন্মত্ত।
মধুকৰ ১৭ মৌ মাখি।
মধুমাসে ৪৬, ১১৪ বহাগ মাহত।
মধ্যখিনি ৪০=মধ্যক্ষিণী, ক্ষীণ মধ্যা, সৰু কঁকাল বিশিষ্টা নাৰী।
মনসা ১৪, ১৫, ১৮, ২১. ৩০, ৪৪, ৮৫, ১১৬, -২০, -৮৩ মানস কৰি যাক জন্ম দিয়া হৈছিল; মানস কৰি যাক পূজা কৰা হয়; পদ্মাদেৱী।
মনি ৪, ১৯০=মণি।
মনুস্য ২২, ৩২=মনুষ্য, মানৱ।
মন্দ ১৩, ১১৫, -১৭, -৭৭ অধম, বেয়া; অহিত, অনিষ্টকাৰী।
মন্দাৰগিৰি ১৪২=মন্দৰগিৰি বা পৰ্বত, সাগৰ মথোতে দেৱাসুৰে মথনী দণ্ড ৰূপে ব্যৱহাৰ কৰা এখন পৰ্বত।
মন্দোদৰি ১৩৪=মন্দোদৰী, ৰাৱণৰ পত্নী।
ময়ুৰ ৫, ১০৬, -১৪, -৮৮=ময়ূৰ, ম'ৰা, মৈৰা।
ময়ুৰি ২০=ময়ূৰী।
মৰন ৬, ২৪. ৪০, ১১১, -৯৫=মৰণ।
মৰসিলা ১৯৩=মৰষিলা, মাৰ্জনা কৰিলে।
মৰাসনে ৮৬ মৰাৰ লগত, মৰাৰ সৈতে।
মৰুৱাৰ ৭৪ মৰা মানুহৰ (?)।
মৰ্ম্ম ১১৯ ভাৱ, তাৎপৰ্য্য; সন্তাপ, শোক; মৰম।
মস্তক ৯২, ১৯০ মূৰ।
মহা ৭ ডাঙৰ, প্ৰধান, শ্ৰেষ্ঠ।
—দেৱ ৭, ১০, ১২২, -২৬, -৮৩ দেৱতাসৱৰ ভিতৰত শ্ৰেষ্ঠ, শিৱ, মহেশ্বৰ।
—নিধি ৬৮ কুবেৰৰ অষ্টনিধিৰ ভিতৰতো শ্ৰেষ্ঠ।
—দেৱপুৰি ৯৯=কৈলাস।
—সংখ ৭=মহাশংখ, শংখ বিশেষ।
—সয় ৪৬=মহাশয়।
মহাভাৰ ৮৬ যি ভাৰ সহ্য কৰা অতিকে টান।
মহিস ১০৬, -৭৮, -৮১=মহিষ, ম'হ।
মহেশ্বৰ ৬, ১১, ৩৫, ৯৯, ১০৭, -২১, -২৯, -৮৮=মহেশ্বৰ, শিৱ, পঞ্চানন।
মাচ ৫১, ৯০=মাছ।
মাঞ ৪৬=মাও, মাতৃ, আই।
মাঝ ২১, ৫১, ৮৮=মাজ।

মাজিলা ২১ মাজিলে।
মাতুল ১৩৫ মোমা।
মান্য ১১৯ পূজনীয়, সন্মান পোৱাৰ যোগ্য।
মামি ১০৭=মামী।
মায়ত ১৮৬=মাওত, আইক, মাতৃক।
মায়াজাল ৮৪ মায়াৰূপী জাল।
—ৰূপে ১০০ ছল কৰি, ছদ্ম কৰি।
মাৰ্গ ১৫৫ পথ।
মালাকৰ ৪৩, ৪৪ যিয়ে মালা গাঁথে।
মালি ৪৪=মালাকৰ।
মাসি ৯৭, ১০১=মাহী।
মিচা ৪, ২২২=মিছা।
মিথ্যা ১০৭ মিছা।
মিন ১০৩=মীন, মাছ।
মিসাইল ১২৭ মিহলালে।
মিসায় ১১৯ মিহলায়।
মুকুটা-মুকুটি ৭৮ হাতৰ মুঠিৰে গালত কৰা প্ৰহাৰ।
মুকুটিৰ ঘাৱে ৭৫, ৭৬ হাতৰ মুঠিৰ প্ৰহাৰৰ দ্বাৰা।
মুক্তকেসি ১৪৭=মুক্তকেশী, যাৰ চুলি সদায় উন্মুক্তা।
মুক্তি ১৫০ মোক্ষ, সংসাৰ-চক্ৰৰপৰা উদ্ধাৰ।
মুক্তেস্বৰে ৫, ১২ মুক্তেশ্বৰত, 'পদ্মা-পুৰাণত উল্লেখিত পবিত্ৰস্থান বা তীৰ্থস্থান।
মুণ্ডায়া ১১৮ মুণ্ডন কৰি, মূৰ খুৰাই, মুৰি।
মুনি (জৰৎকাৰু) ৪৩ জৰৎকাৰু মুনি, পদ্মাৰ স্বামী আৰু আস্তিকৰ পিতৃ।
—ৰ কুমাৰ ১৩ আস্তিকমুনি।
মুৰাবেক ১১৮=মুৰিবেক, খুৰাব, মুণ্ডন কৰিব।
মুৰালি ২১=মুকলী, মুক্তি (?)।
মুকলি ১৭, ১১৬=মুকলী, বাঁহী।
মূলমন্ত্ৰ ১৪১=মূলমন্ত্ৰ, বীজমন্ত্ৰ।
মুস ১০৬, -৮৮=মুষ, ইন্দুৰ।
মৃগ ১৬১, পহু, হৰিণ।
মৃদঙ্গ ১২৫ অৱনদ্ধ বাদ্য যন্ত্ৰ।
মেদনি ৩৫=মেদিনী, পৃথিৱী।
মেৰ ৩৭, ৪৯ বেউলা-লখিন্দাৰক সৰ্পৰ দংশনৰপৰা ৰক্ষা কৰিবৰ বাবে চান্দোই নিৰ্মাণ কৰোৱা ঘৰ।
মৈল ৪২ মৰিল।
মোল ১৬২ মূল্য।
মোলান ২২, ৯৩ পত্নমৰ মূল।

য

যজ্ঞসূত্ৰ ৩ উপবীত, লগুণ।
যৌবন ৪৭=ডেকা কাল।

ৰ

ৰংগ ১৫৭ আনন্দ, তামচা।
ৰক্তবৰ্ন ১০৩, -১৫=ৰক্তবৰ্ণ, ৰঙা বৰণৰ।
ৰঘুনাথ ৭৩ ৰঘুকুলৰ পতি, ৰামচন্দ্ৰ।
—পতি ১৩৪ ৰামচন্দ্ৰ।
ৰঙ্গাইসাধু ৭০, ৮০, ১৫২, -৫৩ এগ-ৰাকী সদাগৰ, বেউলাৰ মোমা-শহুৰেক।
ৰজ ৩ প্ৰকৃতিৰ গুণ বিশেষ।
ৰতি ৩০, ৩২, ৪৭ শৃংগাৰ।
— ৩৫, ১৫০ কামদেৱৰ পত্নী।
— ৫২, ৫৩ বেউলাৰ এগৰাকী ধাইৰ নাম।
—ৰস ৪৭, ৬১ সংগমৰ জৰিয়তে পোৱা

আনন্দ।
ৰবি ১২১ সূৰ্য্য, দিবাকৰ, নৱগ্ৰহৰ অন্যতম।
(—) ৰ নন্দন ১০৬ যম, মৃত্যুৰ অধিপতি।
ৰমনি বাসি ১৮৮=ৰমণী বাঁশী, মনোৰম বাঁহী।
ৰম্ভা ৩৫ স্বৰ্গৰ প্ৰধান অপ্সৰা।
ৰস ১৭ কাম-ৰস।
ৰসাতল ৪ পাতাল।
ৰহি ৯৪ বৈ।
ৰক্ষন ৮৯=ৰক্ষণ, ৰক্ষা।
ৰাউল ১৪১ স্বামী, গৰাকী (?)।
ৰাও ৩৭ চিঞৰ, আৰাও মাত।
ৰাঘোৰা ৯৪, ১৩৮ <ৰাঘৱ, বৰ ডাঙৰ।
ৰাঙ্গাকুকুৰা ৪৮=ৰঙা কুকুৰা।
ৰাজ চিন্ন ১৬০ ৰাজকীয় ব ৰজাৰ চিনযুক্ত।
—ৰানি ১৮৬=ৰাজৰাণী।
ৰাজা ৪৬ ৰজা, চান্দোক সূচিত কৰিছে।
ৰাণ্ডি ২৬, ৩৪, ৩৫, ৬০, ১৩৬, -৭০=ৰাণ্ডী, বিধৱা ; বেশ্যা।
ৰাতৃ ১৩, ১৯, ২৩=ৰাত্ৰি, ৰাতি।
ৰাত্ৰি ৪৫, ৯০ ৰাতি।
ৰাবন ১৩৪=ৰাৱণ, লংকাৰ ৰজা।
ৰাম ১০৩, -৩৪ ৰামচন্দ্ৰ, দশৰথৰ পুত্ৰ আৰু সীতাৰ স্বামী, ৰাৱণ হন্তা।
—বেনি ১৭৮=ৰামবেনা, ৰামবীণা, বাদ্যযন্ত্ৰ বিশেষ।
ৰায় ১৪২=ৰাৰ, আৰাৱ।
ৰাৱ ৩১, ৩২, ৮৮ আৰাৱ।
ৰাৱল ৫৪ ডাঙৰকৈ ৰাৱ দিব পৰা।
ৰাহু ৩৫ নৱগ্ৰহৰ অন্যতম, দৈত্যবিশেষ, চন্দ্ৰ-সূৰ্য্যক গ্ৰাস কৰোতা।
ৰাক্ষসি ১৪৫=ৰাক্ষসী, দানৱী।
ৰূপ ৩, ৬, ২১, ৩৪, ৮৭, ৯৮, ১২৪, -৩৫=ৰূপ, আকাৰ, মূৰ্ত্তি সৌন্দৰ্য্য।
—ৱতি ৩৪=ৰূপৱতী, ৰূপযুক্তা নাৰী।
ৰূপা ১৮১=ৰূপ, ৰজত।
ৰুসিয়া ৭৬=ৰুষিয়া, খং কৰি, কোপ কৰি।
ৰুসিল ১১৬=ৰুষিল, খং কৰিলে।
ৰোল ৪১ ১৫৫ কোলাহল, চিঞৰ-বাখৰ।
ৰোস ১১৭ -৪০ ৰোষ, খং।
ৰোহিনি ৩৫=ৰোহিণী দক্ষৰ ২৭ জনী কন্যাৰ অন্যতমা, চন্দ্ৰৰ পত্নী।

ল

লখাই ৫, ১৫, ২২, ৮২, ৯৫, ১০৯, -২০, -৫০, -৯২ লখিন্দৰ, চান্দো-সনেকাৰ সপ্তম পুত্ৰ, বেউলাৰ স্বামী।
লখি ১৯১, -৯২=<লক্ষ্য, দেখি।
লখিন্দৰ ৯৪, ১১৫ লখাই দ্ৰঃ।
লঘুবানি ৭৫ তিৰস্কাৰ, ভৎ'সনা।
লজ্জা ১৩২=লাজ।
লণ্ডামুণ্ডা ৪৩ লেঠা-পেঠা নোহোৱা অৱস্থা, কোনো-কিছু নোহোৱা।
লয় ১৭ আচৰণ, চৰিত্ৰ (তোমাৰ-লক্ষণ ভাল নহয়।)
লস্কৰ ১৫৫ পদাতিক সৈন্য।
লহ ১৮৫ লোৱা।
লক্ষন ২১, ৪০, ৯৬, ১১৫=লক্ষণ চিন।
লাগি ৯৮ লৈ।
লাঙ্গটা ৯৬ নাঙঠ।

লাঙ্গুল ৮৭ নেগুৰ, নেজ।

লাঙুবাৰি ২০ লেজ, নেজ নেগুৰ।

লাম্ফ ৮৭, ১৫৭ লাফ্, জাপ।

লাল ২৯ লালটি।

লাসবেস ৯৯ ধুনপেচ, নাচিবৰ কাৰণে কৰা শৰীৰৰ শোভা-সৌন্দৰ্য্য।

লুণ্ঠিবো ৮৬ লুটিব, বাগৰিব।

লুণ্ঠিলা ১৬১ বাগৰি পৰিল।

লেঙ্গা ৪২, ৪৩ চান্দো সদাগৰৰ এগৰাকী কৰ্মচাৰী।

লেচালি ১০১=লেচাৰি।

লেঞ্জ ২৪, ৫২, ১৩২ নেজ।

লোৰ ১২১, -২৫ প্ৰমাণ; বাজি, পণ।

লোহাৰ ১৪, ৩২ লোৰ।

শ

শান্তি ৪৫, ৪৯=শান্তী, সতী-সাধ্বী।

শ্ৰাবন ১৪০=শ্ৰাৱণ, শাওণ মাহ।

শ্ৰীখণ্ডি ১৪=শ্ৰীখণ্ড, চন্দন কাঠ।

ষ

ষষ্ঠিকা গোসানি ১০৬= ষষ্ঠিকা গোসাঁনী, কাৰ্ত্তিকৰ পত্নী, মাতৃকা বিশেষ।

স

সংখ ১৭৮=শংখ

সংসাৰ ৬, ১৪, ১০২, -১৩, -৮৯ জন্ম-মৃত্যুৰ চক্ৰ।

সংহতি ১৮৮ সংযুতি, সংযোগ।

সংহাৰ ১০৪ বিনাস; প্ৰলয়; প্ৰত্যাহাৰ।

সখিগন ৬, ৩৩=সখীগণ।

সগুন ৩৮=শগুন

সগুনি ৪৬=শগুনী।

সঙ্কত ১৫৬=সঙ্কট, বিপদ।

সঙ্কৰ ১৪, ১১৮, -৭৭=শঙ্কৰ, মহাদেৱ, মহেশ্বৰ।

সঙ্কা ১৮৫=শঙ্কা, ভয়, সন্দেহ।

সঙ্খ ৭, ৮=শঙ্খ।

সচকিত ৩৬, ১০২ ভয়ত গা চমকা।

সচি ২১, ৩৫, ১৫১=শচী, ইন্দ্ৰানী, ইন্দ্ৰৰ পত্নী।

সঞ্চা ১২২ সঁচা।

সঞ্চাৰ ১১৪, -৩৫ গতি।

সঞ্চিত ৩৮ সাঁচি থোৱা।

সজনি ১৮৮=সজনী, সখী, সঙ্গিনী।

সত ৬৯, ১৪৭, -৭৮=শত।

সতাই ১৩, ৪২, ১১৩, -২০, -৩৪, -৭৭ বিমাতা, সতীয়া মাক।

সতি ৩১, ৫২ ৯৮, ১১৮, -৯৩=সতী, সাধ্বী।

সতেক ৯৭=শতেক।

সতেসেৰিহাৰ ১০২=সাতসৰীহাৰ।

সত্তৰ ৫, ১৪=সত্বৰ।

সত্তৰি ১৪৮=সত্তৰ, ৭০।

সত্ত্ব ৩ ত্ৰিগুণৰ শ্ৰেষ্ঠ গুণ।

সত্যবান ১৫০ শাল্বদেশৰ ৰজা দ্যুমৎসেনৰ পুত্ৰ আৰু সাবিত্ৰীৰ স্বামী।

সদাগৰ ১২, ১৯, ৩৭, ১১৭, -৮৪ চন্দ্ৰধৰ।

সদাচাৰ ৬৩ সজ ব্যৱহাৰ, সজ আচাৰ।

সনি ২৩, ১৩৪, -৫৭=শনি, নৱগ্ৰহৰ অন্যতম, সূৰ্য্যৰ পুত্ৰ ।

সনে ১১, ১০৫ সৈতে ।

সন্তোস ১১৭=সন্তোষ ।

সন্ধা ৬৩=সন্ধ্যা, দিন আৰু ৰাতিৰ সন্ধি-কাল আৰু তৎকালীন উপাসনা ।

সন্ধান ১২ অন্বেষণ ।

সন্নিধান ১১৫, -৮৬ সামীপ্য, নৈকট্য ।

সপত ৫৩= শপত, শপথ ।

সপ্ত ২৩ সাত, ৭ ।

—ঋষি ২৩—ঋষি ; মৰীচি, অত্রি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্রতু, বশিষ্ঠ ।

—ঘোটক ১৮৯ সূৰ্য্যৰ ৰথত যুক্ত সাতোটা ঘোঁৰা ।

—দ্বীপ ২৩, ১৩১=দ্বীপ, জম্বু, প্লক্ষ, শাল্মলী, কুশ, ক্রৌঞ্চ, শাক, পুষ্কৰ ।

—পাতাল ২৩ অতল, বিতল, সুতল, তলাতল, মহাতল, ৰসাতল, পাতাল ।

—ৰথি ১০৫=ৰথী, দ্রোণ, কর্ণ, শকুনি, দুঃশাসন, কৃপাচাৰ্য্য, অশ্বত্থামা, দুৰ্য্যোধন ।

—সমুদ্র ২৩, ১৩১ লবণ, ইক্ষুৰস, সুৰা, ঘৃত, দধিমণ্ড, ক্ষীৰ, স্বাদুদক ।

--সাগৰ ১৩০ সপ্ত সমুদ্র দ্রঃ ।

—স্বর্গ ২৩ ভূঃ, ভুবঃ, স্বঃ, মহঃ, জন, তপঃ, সত্য ।

সফুৰা ৫২ টেমা, বটা ।

সবংসে ১৭৭=সবংশে, বংশৰ সৈতে ।

সবাহনে ১৮৯ বাহনৰ সৈতে ।

সমান ১৪১ পঞ্চ প্রাণৰ অন্তর্গত ।

সমিপে ১৪=সমীপে, ওচৰত ।

সয়ন ১৬, ১৯=শয়ন ।

সৰন ৬৯=শৰণ ।

সৰপ ২১=সর্প ।

সৰস্বতি ১৮৯=সৰস্বতী, বিদ্যাৰ অধিষ্ঠাত্রী দেৱী ।

সৰা ১০৫, -১৫ মাটিৰ বাচন ।

সৰিৰে ১৭, ২১, ২৩, ৯২=শৰীৰে, শৰীৰত

সর্প্পৰাজ ৩ বাসুকি দ্রঃ ।

সর্ব্বদা ১১৯ সদায় ।

সর্ব্বস্ব ১৪০ সকলোবোৰ ধন-সম্পত্তি ।

সষ্ঠি গোসানি ১৮৮=ষষ্ঠিকা গোসাঁনী দ্রঃ।

সসধৰ ৩২, ৪০=শশধৰ, চন্দ্র ।

সসা ১৫৫, -৮৯=শশা, শহাপহু ।

সসুৰ ১৯, ২২, ৩২, ১১৭, -৩৩, -৮৫= শশুৰ ।

সাথি ২৩, ৯৮, ১২০, -৩২=সাথী ।

সাখো ৯৮, ৯৯, ১৯৯=সাঁকো ।

সাখ্যাতে ১০১, -১৬, -১৮=সাক্ষাতে ।

সাজ ১৬ বাচন-বর্তন ।

সাজন ১০১, -০৪, -৮৮ পিন্ধা-উৰা কৰা কাৰ্য্য ।

সাজাই ৮১ শাস্তি, দণ্ড ।

সাতপাঞ্চ ৮৮, ১২৩, -৫৯, -৭৪ কেইবাটিও (?) ।

সাতে সৰিহাৰ ৬০=সাতসৰীহাৰ ।

সাদ ১০, ২৫, ৩২<স্বাদ, আশা, আকাঙ্ক্ষা, বাসনা ।

সাধু ৮১, ৮৪, ৮৬, ১৭৭ সদাগৰ।

সাধুআনি ৩৬=সাধুৰনী, সনেকা বা সোনেকা।

সান্তি ৪৮, ১৬১=শান্তী দ্রঃ।

সান্মাসিক ১৬৩=ষান্মাসিক, ছয়মাহিলী।

সাপ ৮০, ১৯০=শাপ।

সাপি ৫=শাপিহা।

সাবিত্রি ১৫০=সাবিত্রী, সত্যবানৰ পত্নী।

সাম্বৰিতে ১৮৯=সম্বৰিতে, সম্বৰণ কৰিবলৈ।

সাৰি ২১, ১৬২ শাৰী শাৰী।

সাল ১৬০, -৬৫=শাল, পোস্তাশাল।

সাসন ১০৯, -১০ শাসন, সাহন, সাহোন, ধন-সম্পত্তি।

সাসুৰি ৩২, ৫৭, ১৮৬=শাশুৰী, শাহু।

সান্তি ১২১=শান্তি।

সাহন ৩৮ ধন-সম্পত্তি।

সাঁহেৰাজা ১২, ৮২ উজানিৰ ৰজা, বেউলাৰ পিতৃ।

—ৰ কুমাৰি ৩৪, ৩৬, ৫০=সাহেৰ কুমাৰী, বেউলা।

—ৰ নন্দনি ৩৬, ১৯০=সাহেৰ নন্দনী, বেউলা।

সাক্ষি ৩৮=সাক্ষী।

সিংগা ১৫৭, -৭৮=শিঙা, শিঙা।

সিখৰ ১১৩=শিখৰ, পৰ্বতৰ চূড়া।

সিঘ্র ৯, ১৫, ১০৫=শীঘ্র।

—গতি ১৮৮, -৮৯=সোনকালে।

সিতো ৩৫=সিটো।

সিথান ৫৪=সিতান, <শিৰঃস্থান।

সিথায়তে ৪৮ সেই ঠাইতে।

সিদ্ধগন ১০৬, -৮৯=সিদ্ধগণ, ঋষি-মুনি।

সিন্দুৰ ৮৪=সেন্দুৰ।

সিৰ ১৪৭, -৪৮, -৭৭=শিৰে, মস্তকেৰে

সিল ৩১=শিল।

সিলা ১১=শিলা, শিল।

সিৱ ৩, ৭, ৮, ১২, ৪৩, ৯৭, ৯৯, ১০৪, -০৮, -১৩, -১৫, -২৯, -৫১, -০৬ =শিৱ, মহেশ্বৰ।

—কুমাৰ ৯৪ কাৰ্ত্তিক, গণপতি।

—নন্দনি ৫৯= শিৱ নন্দিনী, মনসা, নেতা।

—পুৰে ১০২=কৈলাসত।

- ৰাত্রি ১২৩=শিৱৰাত্রি, শিৱচতুৰ্দশী।

—লিংগ ১৪৯=শিৱ লিংগ, লিংগৰূপী শিৱ।

সিয়াই ৫৮=শিয়া,, শিয়াল।

সিসু ৫, ৬, ৬৯, ৭০=শিশু; অবোধ।

—মতি ১৭=শিশুমতি।

সিস্য ১৮৩=শিষ্য।

সুকতি ১৪৫=শুকতি, শুকান মৰাশ।

সুখান ৩৫=শুকান।

সুখি ১১৩=সুখী।

সুগতি ৪০ উত্তম গতি।

সুচি ১৩৮ সুচি/সুচী, বেজী।

সুজন ১৭৬ ভাল মানুহ, সজ্জলোক।

সুঠান ৭৫ সুঠাম, শুৱনি, ধুনীয়া।
সুণ্ড ৯০=শুণ্ড, শুঁৰ।
সুত ৯৮, ১৯৫ পুত্ৰ।
সুতবন ৪৫, ৯০=সুতৰণ, সোঁৱৰণ, স্মৰণ।
সুতা ৩২, ১১৪=সূতা।
সুতাকৃত ২০=সূতাকৃত, সূতাৰ আকৃতি।
সুতি ২২ শুঁতি, শুই।
সুদ্ধ ১১৫=শুদ্ধ, পবিত্ৰ।
সুদ্ৰ ১৭২=শূদ্ৰ।
সুন ৫, ৭, ১৩২=শুন।
সুনি ১৯, ১১৭=শুনি।
সুনিয়া ৬=শুনিয়া।
সুন্য ৩৮, ১৮৯=শূন্য।
সুন্দৰি ১৬, ২০, ৪৫, ১৪৫=সুন্দৰী।
সুপুৰুস ১৮=সুপুৰুষ, সজ্জলোক, উত্তম পুৰুষ।
সুবদনি ৩৫, ৮০=সুবদনী, সুন্দৰ মুখ মণ্ডল বিশিষ্টা নাৰী।
সুবৰ্ন ২২, ১৭৮=সুৱৰ্ণ।
সুবেস ৩৯=সুৱেশ, ভালপোছাক-পৰিচ্ছদ।
সুভে ৬৯=শুভে, কোনো বিপদ-আপদ নোহোৱাকৈ।
সুমৰন ৫=সুমৰণ, সোঁৱৰণ।
সুমিত্ৰা ৮২ সাহেৰজাৰ পত্নী আৰু বেউলাৰ মাতৃ।
সুয়া ২৫=শুৱা, শোৱা।
সুৱাগি ৬২=সুভাগী, সৌভাগ্যৱতী।
সুৰ ১২=দেৱতা।
—পুৰি ১২=সুৰপুৰী, দেৱলোক।
সুৰঙ্গ ১০৪ উত্তম ৰং বা বৰ্ণ বিশিষ্ট।
সুৰতি ২৫, ৪৩ ৰতি, মৈথুন।
সুৰাসুৰ ৩৫ সুৰ+অসুৰ, দেৱতা আৰু অসুৰ।
সুৰুজ ২২, ৯৩=সুৰুজ, সূৰ্য্য।
সুৰ্য্য ৩, ১৩, ৩৫, ১৫১=সূৰ্য্য, দিবাকৰ তপন।
—বংসে ১১৩=সূৰ্য্যবংশত।
—মনি ১৮২=সূৰ্য্য মণি, উত্তম মণি বিশেষ।
সুল ১৯২=শূল।
—পানি ১২৪, -২১=শূল পাণি, শিৱ।
সুৰ্বৰ্ন ১৩২=সুৱৰ্ণ, সোণ।
সুসিতে১১=শুষিতে, শুহিবলৈ।
সুসেন বেজ ৪২ ধন্বন্তৰিৰ পুত্ৰ।
সুসোভন ৮১=সুশোভন।
সুহায় ১১৪=শোভিত হয়।
সৃগাল ১০, ৪৬, ৪৮, ১৫৫=শৃগাল, শিয়াল।
সৃগালি ৫৬ ৫৭=শৃগালী শিয়ালী।
সৃষ্টি ৬ ঈশ্বৰদ্বাৰা জগৎ ৰচনা।
সেস ৪৩, ৮৩, ১৮২, -৮৫=শেষ।
সোক ৩৪ ১২৫, -৯৫=শোক।
সোকাকন ৩৬, ১৮৫=শোকাকুল।

সোড়স মাতৃ ২৩=ষোড়শ মাতৃকা, ষোল গৰাকী দেৱী ; গৌৰী, পদ্মা, শচী, মেধা, সাৱিত্ৰী, বিজয়া, জয়া, দেৱসেনা, স্বধা, স্বাহা, শান্তি, পুষ্টি, ধৃত্তি, তুষ্টি, আত্মদেৱী, কুলদেৱী ।

সোধন ১২২=শোধন, শুদ্ধি, শুদ্ধ হোৱা ।

সোনা ১৮১, -৯৫=সোণ ।

সোনাই ১২, ২০ ৮২, ১৮৭=সনেকা, চান্দোসদাগৰৰ পত্নী আৰু লখাইৰ মাতৃ ।

সোনিতপুৰ ১২৩=শোণিতপুৰ, বাণ ৰজাৰ ৰাজ্য ।

সোনেকা ১২, ৩৬, ৪৭ সোনাই দ্ৰঃ ।

সোভন ১১৪=শোভন, শোভা, সৌন্দৰ্য্য ।

সোম ৩ চন্দ্ৰ, নিশাকৰ ।

সোমৰন ২২, ৪৫, ৮৪ সোঁৱৰণ, স্মৰণ ।

সোমাই ঠাকুৰ ৩০, ৫০, ১৮২ চান্দোৰ কুল পুৰোহিত ।

সোভাকৰ ৬৮=শোভাকৰ, শোভাকাৰক ।

সোল্ল ৫, ৯০=ষোল, ১৬ ।

সোৱৰ্ন ৯৩=সুৱৰ্ণ ।

স্ত্ৰি ৭১, ১৩৩, -৬১=স্ত্ৰী, তিৰী ।

—বন্ধ ৩৯=স্ত্ৰীবধ ।

স্বৰুপ ৪৫, ৯৫, ১১৩=স্বৰূপ, প্ৰকৃত অৱস্থা ।

স্বৰ্গপুৰি ১৮৭=স্বৰ্গপুৰী ।

স্বৰ্গহন্তে ৩৮ স্বৰ্গৰপৰা ।

স্বৰ্ন ৩২=স্বৰ্ণ, সোণ ।

স্বাদ ১৭ সুৱাদ, তৃপ্তি ।

স্বামি ১১, ১৭, ৩৪, ৩৫, ৪৯, ৮৪ ১৮৫=স্বামী, গৰাকী, প্ৰভু ।

স্বাস ১৪২=শ্বাস, উশাহ ।

স্বেত ১১৩, -৪৭=শ্বেত, বগা ।

স্মৰন ৯৬=স্মৰণ, সোঁৱৰণ ।

স্মসান ১১৪=শ্মশান, শাহনশালী, মৰিশালী ।

স্যাম ৭৪=শ্যাম ।

স্ৰবনে ৮৭, ১১৩, -৪৫=শ্ৰৱণে, কৰ্ণেৰে, কাণেৰে ।

হ

হংস ৮, ১০১, -৭৮ হাঁহ ।

—বাহন ৮, ১০৫ হাঁহৰ বাহন (ব্ৰহ্মাৰ বাহন) ।

হনু ১৪৭ গণ্ডদেশৰ উপৰিভাগ, হনুমান ।

হনুমান ১০৬, -৪৮ শ্ৰীৰামৰ সেৱক, বায়ুৰ পুত্ৰ ।

হৰ ১২, ১৩, ৩০=শিৱ ।

—গৌৰি ১২, ৪৩, ১৭৭=হৰ-গৌৰী, শিৱ আৰু পাৰ্বতী ।

—ৰিৰ্জ্যা ১৪=হৰবীৰ্য্যা, হৰৰ বীৰ্য্য সম্ভূতা ।

—সুতা ১৯৫=হৰসুতা, শিৱৰ জীয়াৰী ।

হৰসিত ৭, ১৪, ৮০, ১৪৫=হৰষিত, আনন্দিত ।

হৰি ১০৩ যোনে দুখ-যন্ত্ৰণা, মায়া-মমতা হৰণ কৰে ; বিষ্ণু ; মহাদেৱ ব্ৰহ্মা ; ইন্দ্ৰ ; বায়ু ; অগ্নি ইত্যাদি।
হৰিচন্দ্ৰ ১১৩= হৰিশ্চন্দ্ৰ, সূৰ্য্যবংশীয় ৰজা, শৈব্যাৰ স্বামী আৰু ৰোহিতাশ্বৰ পিতৃ।
হৰিতে ৬৩ হৰণ কৰিবলৈ।
হৰিস ৮৬ = হৰিষ।
হৰিহৰ ২৮ বিষ্ণু বা কৃষ্ণ আৰু শিৱ।
হস্ত ৪১, ৯৬ হাত।
হস্তি ১৭, ২০, ১৫৫, ৮১=হস্তী, হাতী।
হাইতল ৮১=হাইতাল, আকবত পোৱা এবিধ হালধীয়া বস্তু।
হাচান-হোচেন ৪৩ পদ্মাৰ লগত যুদ্ধ কৰি পৰাজিত হোৱা দুজন মুছলমান বীৰ।
হাটি-বজাৰ ১৬১ - হাটী-বজাৰ।
হাঠি ১৯১ খোজাটি।
হাণ্ঠি ১৮, ১৯১ হাঠি দ্ৰঃ।
হাতাস ১৯৪ হতাস।
হাৰি ৫ হাৰী, পৰাজিত হৈ।
হাৰি ৮৩ ৰাস্তা-পথ পৰিষ্কাৰ কৰা জাতি বিশেষ।
হাৰিত ৭৫=হাড়ীত, চকত।
হাকৰা ২২, ৯২ ডাঙৰ।
হালোয়া ৪২ হালোৱা, হালবোৱা মানুহ।
হাস-পৰিহাস ১১৭ ঠাট্টা-বিদ্ৰূপ, ঠাট্টা-মস্কৰা।
হাসে ১৮ হাঁহে।

হিঙ্গুল ১৮১=হেঙ্গুল, পাৰা আৰু গন্ধকৰ পৰা হোৱা এবিধ বস্তু।
হিন ১৭=হীন।
হিয়া ৪০ হৃদয়।
হিৰন্যাক্ষ ১০৩=হিৰণ্যাক্ষ, আদি দৈত্য হিৰণ্যাক্ষক বধ কৰিছিল ৰবাহৰূপী বিষ্ণুৱে।
হিৰা ৭০, ১৮১=হীৰা এবিধ বহু-মূলীয়া পাথৰ।
হিলই ১৫৮=হিলৈ, খাৰ-বাৰুদ।
হুঙ্কাৰ ২০, ৮৭, ৯৪ গোজৰণি, গৰ্জন।
হুতাসন ৩, ১৪৭ অগ্নি দ্ৰঃ।
হয়া ৩৫ হৈ।
—চিল ১৭৭ হৈছিল।
হেঠমুণ্ড ১৩১ তলমুৰ।
হেম ২৯, ১১১ শীত ; বৰফ।
হেমহাৰ ৬৮ সোণৰ হাৰ।
হেমতাল ১১, ৪৩, ১৪০, -৬২ চণ্ডীৰ-দ্বাৰা চান্দোসদাগৰক প্ৰদত্ত শক্তি সম্পন্ন দণ্ড বিশেষ।
হেমন্ত নন্দনি ১০৯ ৮৯=হেমন্ত নন্দিনী, পাৰ্বতী।
হৈচে ৬—হৈছে।
হৈয়াচা ৬ হৈছা।
হৈল ৯৯ হ'ল।

ক্ষ

ক্ষিতি ২৬ পৃথিৱী ; মাটি।
ক্ষিৰ সমুদ্ৰ ১৪২=ক্ষীৰ সমুদ্ৰ, সপ্ত সাগৰৰ অন্যতম সাগৰ বা সমুদ্ৰ।
ক্ষুধায়ে ১১, ১৬ ভোকত।

অধিসমীক্ষা

পদ্মা-পুরাণ—১৭

অধিসমীক্ষা

প্ৰথম অধ্যায়

সৰ্পৰপৰা মনসালৈ ঃ ঐতিহাসিক ক্ৰমাগ্ৰসৰণ

ক. ইতিহাস :

সৰ্প-পূজা বা ophiolatry কেৱল ভাৰতবৰ্ষতেই যে প্ৰচলিত তেনে নহয়, পৃথিৱীৰ বিভিন্ন সংস্কৃতিতো ইয়াৰ প্ৰসাৰ আৰু প্ৰচলন লক্ষ্য কৰা যায়। আদিম ধৰ্মীয় ধাৰণাৰ পটভূমিত সৰ্প-পূজা-পৰম্পৰাৰ উদ্ভৱ আৰু বিকাশ হোৱা স্বাভাৱিক। ফাৰ্গুছন চাহাবৰ মতে ইজিপ্ত, চিৰিয়া, মেছোপটেমিয়া, গ্ৰীছ, ইটালী, জাৰ্মানী, স্কাণ্ডিনেভিয়া, ফ্ৰান্স, গ্ৰেটবৃটেইন, আফ্ৰিকা, আমেৰিকা, পাৰস্য, কম্বোডিয়া, চীন, শ্ৰীলংকা, ভাৰতবৰ্ষ আদিত সৰ্প-উপাসনাৰ পৰম্পৰা প্ৰচলিত।[১]

সভ্যতাৰ দোকমোকালিৰ পূৰ্বৰেপৰা সৰ্পই মানৱৰপৰা শ্ৰদ্ধা-ৰতি-ভক্তি আদায় কৰি আহিছে। অকল যে সৰ্পইহে মানৱৰপৰা শ্ৰদ্ধা-ৰতি-ভক্তি আদায় কৰি আহিছে তেনে নহয়, আন আন জীৱ-জন্তুৱেও এই প্ৰসংগত তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সাধাৰণতে দুপ্ৰকাৰ জীৱ-জন্তুৱে মানৱৰপৰা শ্ৰদ্ধা আৰু ভক্তি লাভ কৰিবলৈ সক্ষম হোৱা দেখা যায়। প্ৰথমবিধ, বলবান আৰু বিপজ্জনক জীৱ-জন্তু ; যেনে : সিংহ, বাঘ, হাতী, ঘোঁৰা, বান্দৰ আদি। দ্বিতীয়বিধ, শান্ত আৰু উপকাৰী জীৱ-জন্তু ; যেনে : গৰু, কুকুৰ, কপৌচৰাই আৰু মাছ।[২] সিংহ, হাতী, বাঘ আদি বলবান আৰু বিপজ্জনক জন্তুৰ শাৰীত স্থান লাভ কৰিবলৈ সক্ষম হোৱা সৰ্পই ভাৰতবৰ্ষৰ ধৰ্মীয় ধ্যান-ধাৰণা আৰু বিশ্বাসত অতি প্ৰাচীন কালৰেপৰা বৰ্তমানলৈকে উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। পৃথিৱীৰ আন কোনো অঞ্চলতে ভাৰতবৰ্ষৰ দৰে সৰ্প-পূজাই

---

১. J. Fergusson : *Tree and Serpent Worship*, (London, 1873), pp. 1-75

২. W. Crooke : *Natives of Northern India*, (London, 1907), p. 242

জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা নাই ; অথবা বৈচিত্ৰ্যপূৰ্ণ আৰু কৌতূহল পূৰ্ণ ৰূপত (form) আত্মপ্ৰকাশ কৰিব পৰা নাই।[৩]

পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষতেই বৰ্তমান জীৱন্ত সৰ্পৰ সৰহ ভাগকেই পোৱা যায়। অন্ততঃ ৪৫০ প্ৰকাৰ সৰ্পই ভাৰতবৰ্ষৰ হাবি-বননি, নদ-নদী আদিত বাস কৰে।[৪] এইবাবেই বোধকৰোঁ ভাৰতবৰ্ষত সৰ্প-পূজাৰ প্ৰসাৰ-প্ৰচলন আৰু জনপ্ৰিয়তা তুলনামূলকভাৱে বেছি।

আদিম মানৱে গৃহীন হাবি-বননি নাইবা পৰ্বতৰ গুহাত বাস কৰিছিল। ভয়ংকৰ আৰু ক্ৰুৰ জন্তুৰ আক্ৰমণৰ বিৰুদ্ধে নিয়তভাৱে তেওঁলোকে সংগ্ৰাম কৰিবলৈ বাধ্য হৈছিল। বন্য নিষ্ঠুৰ জন্তুৰ আক্ৰমণত অথবা বিষাক্ত সৰ্পৰ মাৰাত্মক দংশনত তেওঁলোকৰ মাজৰ অনেকেই যে মৃত্যুৰ মুখত পতিত হ'বলগীয়া হৈছিল তাত মুঠেই সন্দেহ নাই। এই ভয়াবহ পৰিস্থিতিয়ে তেওঁলোকক ভাবিবলৈ বাধ্য কৰাইছিল যে, সেই ভয়াবহ আৰু মাৰাত্মক জীৱ-জন্তু বিলাক নিশ্চিতভাৱে ঐশীশক্তি সম্পন্ন। দ্বিতীয়তে, সৰ্পৰ আন আন বৈশিষ্ট্যৰাজিয়েও এই ভাব গাঢ় কৰি তোলাত যথেষ্ট পৰিমাণে ইন্ধন যোগাইছিল। এই বৈশিষ্ট্যৰাজিৰ ভিতৰত সৰ্পই অতৰ্কিতে অদৃশ্য হ'ব পাৰে। ইয়াৰ চকুৰ তিৰবিৰণি, ৰূপ-সৌন্দৰ্য্য-শক্তি, মোটৰ ভিতৰত সুমাই থকাৰ বৈশিষ্ট্য, আহাৰ নোখোৱাকৈ দীৰ্ঘকালৰ বাবে গৰ্তত সুমাই থাকিবপৰা শক্তি, ইয়াৰ জলত সম্পৃক্ত হৈ থকা ৰহস্যাবৃত বিপদ-বিঘিনি আৰু গোপনীয় অভ্যাস, সৰ্পিল গতি, ইয়াৰ দ্বিধাবিভাজিত জিহ্বাৰ প্ৰসাৰণ, সৰ্পৰ দংশনৰ আকস্মিকতা আৰু ভয়াবহতা আদিৰ বাবে আবেগ আৰু বিশ্বাস প্ৰৱণ মানুহে ভাবিবলৈ বাধ্য হৈছিল যে, সৰ্প ঐশী গুণ যুক্ত। ইয়াৰ বাহিৰেও গৃহ-বাৰী, প্ৰাচীন ভগ্নাৱশেষ, পথাৰ, পুখুৰী, জলাশয় আদিত সৰ্পই অধিষ্ঠান কৰে। প্ৰত্যূষতে খালী ভৰিৰে পথাৰত ঘূৰি ফুৰা আৰু অন্ধকাৰত জুপুৰিৰ ভিতৰত

---

৩. "The cult of the serpent in India is of special importance ; in no other part of the world is it more widely distributed or developed in more varied and interesting forms."
James Hastings (ed) : *Encyclopaedia of Religion and Ethics*, vol, xi, (NewYork, 1974), pp. 411-12

৪. *Ibid*, p. 412

দলবদ্ধ হৈ বহি থকা তিৰোতাসকলৰদ্বাৰা সাধাৰণতে আতঙ্কিত হৈ পৰা সৰ্পই মাজে সময়ে তেওঁলোকৰ বিৰুদ্ধে বিদ্বেষভাব প্ৰকট কৰে। সৰ্পৰ সুদীৰ্ঘ জীৱন আৰু ইয়াৰ মোট সলোৱাৰ বৈশিষ্ট্যই অবিনশ্বৰতা আৰু পুনৰুত্থান অথবা পৱিত্ৰকৰণৰ আদৰ্শও সূচিত কৰে। সেইহে ভাৰতৰ কোনো কোনো অঞ্চলত সৰ্পই মোট সলোৱাৰ সময়ত এটা বিশেষ উৎসৱ অনুষ্ঠিত হয়।[৫]

উপৰৰ আলোচনাৰপৰা সহজে অনুমান কৰিব পাৰি যে, মানৱৰ ভীতি বিহ্বলতা আৰু বিস্ময় বিমূঢ়তাই পৃথিৱীত সৰ্প-পূজাৰ পৰম্পৰা ৰচনাৰ পথ নিৰ্মাণ কৰে। ইয়াৰ পৰিণতিত সৰ্পই সমুন্নতি লাভ কৰিলে দেৱ-দেৱীলৈ। সৰ্পই আত্মপ্ৰকাশ কৰিলে বীৰ পুৰুষ ৰূপে, ধৰা দিলে পূৰ্ব পুৰুষ ৰূপে। কোনো কোনো জনজাতিয়ে সৰ্পক তেওঁলোকৰ কুলচিহ্ন (totem) ৰূপেও গ্ৰহণ কৰিলে। কুলচিহ্নতাই সৰ্প-পূজাৰ মূলভিত্তি নহলেও সৰ্প-পূজাৰ অনুষংগত ইয়াৰ প্ৰভাব সহজানুমেয়। সৰ্পই দেৱতাৰূপে স্থান লাভ কৰিলে—পুৰাণ-কথা (Myth), জনশ্ৰুতি (Legend) আৰু সাধুকথাত (Tales)।

দেৱ-দেৱী-ধাৰণাৰ মূল ভিত্তি পৰিদৃশ্যমান জগতত অহৰহ সংঘটিত হৈ থকা নৈসৰ্গিক ব্যাপাৰাদি আৰু সেইবোৰৰ সৈতে মানৱৰ নিবিড় সম্পৰ্ক, জীয়াই থকাৰ বাবে জাগতিক ঘটনাৱাজিৰ বিৰুদ্ধে নিয়তভাৱে চলি থকা সংগ্ৰাম, জীৱন যুদ্ধৰ সীমাহীন ব্যৰ্থতা, মানৱৰ উদ্দীপনাভৰা অভিজ্ঞতাৱাজি সৰ্ব সাধাৰণৰ নিয়ন্ত্ৰণৰ বাহিৰত হোৱা হেতু আৰু অনেক ক্ষেত্ৰত সেইবোৰৰ কাৰ্য্য-কাৰণৰ সম্পৰ্ক মানৱৰ উপলব্ধিৰ সম্পূৰ্ণ পৰিপন্থী হোৱা বাবে লগতে নৈসৰ্গিক শক্তিৱাজিক সন্তুষ্ট কৰি নিজক জীয়াই ৰাখিবৰ বাবে নানা বিশ্বাস আৰু ক্ৰিয়া-কাণ্ডৰ জন্ম হোৱাৰ অনুকূলে মত পোষণ কৰিব পাৰি।[৬]

সৰ্প-পূজাৰ উদ্ভৱ আৰু বিকাশৰ প্ৰসংগত উপৰোল্লিখিত মন্তব্যটি আংশিকভাৱেহে সত্য; যিহেতু দেব-দেৱীৰ ধাৰণাৰ মূল ভিত্তি ভয়। গতিকে সৰ্পৰ প্ৰতি থকা ভয়েই যে সৰ্পক দেৱতাৰূপে আত্ম প্ৰকাশ কৰাৰ পথ পৰিষ্কাৰ কৰি দিছে তাত সন্দেহ নাই।

ভাৰতবৰ্ষত সৰ্প-পূজা-পৰম্পৰাৰ উদ্ভৱ-বিকাশ সম্পৰ্কে নানা পণ্ডিতৰ নানা মত। ইলিয়ট স্মিথ-ৰ মতে সৰ্প-পূজাৰ পৰম্পৰা জয়জয়তে উদ্ভৱ হৈছিল

---

৫. *J.* Fergusson, *op-cit,* p. 259

৬. E. O. James : *The Concept of Diety,* (London, 1950) p. 17

আনুমানিক খৃ: পূ: ৮ম শতিকাত আৰু ফিনিচীয়সকলৰ (Phoenicians) দ্বাৰা ভাৰতবৰ্ষ, এচিয়াৰ পূৰ্বাংশ (Far East), প্ৰশান্তমহাসাগৰীয় দ্বীপপুঞ্জ আৰু আমেৰিকা পৰ্য্যন্ত সৰ্প-পূজাৰ পৰম্পৰা বিস্তাৰিত হয়।[৭] কোনো কোনো পণ্ডিতৰ মতে মধ্য-এচিয়াবাসী স্কাইথিয়ানসকলৰ জনবিস্ফোৰণৰ জৰিয়তে সৰ্প-পূজাৰ পৰম্পৰা সমগ্ৰ পৃথিৱীত বিয়পি পৰে ;[৮] যিহেতু তেওঁলোকৰ সংস্কৃতিত সৰ্প-পূজাই সুসংবদ্ধ ধৰ্মমত ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰটো-দ্ৰাবিড়সকল স্কাইথিয়ানসকলৰ বংশধৰ। প্ৰটো-দ্ৰাবিড়সকলৰ প্ৰব্ৰজনৰ লগে লগে সৰ্প-পূজাৰ পৰম্পৰাও ভাৰতবৰ্ষলৈ প্ৰব্ৰজিত হয়।[৯]

উপৰোল্লিখিত যুক্তিটো বিশেষভাৱে দুটা কাৰণত মানি লব নোৱাৰি। প্ৰথমতে, স্কাইথিয়ান সকলে সৰ্প-পূজাৰ পৰম্পৰা ভাৰতবৰ্ষলৈ অনাৰ কোনো ঐতিহাসিক প্ৰমাণ নাই। দ্বিতীয়তে, মধ্য এচিয়াত অলংকাৰ বা প্ৰতীক হিচাবে সৰ্পৰ ব্যৱহাৰ হোৱাৰ বাহিৰে ইয়াৰ পূজন পদ্ধতিৰ প্ৰচলন থকাৰ অনুকূলে কোনো ধৰণৰ ঐতিহাসিক প্ৰমাণ পোৱা নাযায়। W. Crooke-ৰ ভাষাত: "Attempts have been made to prove that serpent-worship was introduced into India by Scythian and other invaders from Central Asia. J. Tod, relying on authorities now obsolete, traced its orgin to a so-called Tak or Takshak tribe of Central Asia. But an examination of the latest authority on the Scythians shows that, while a serpent barrow and the use of the snake as an ornament or symbol are found among this people, there is no indication of a general cult of the reptile.[১০]

---

৭. G. Elliot Smith : *The Migrations of Early Culture,* (Manchester, 1916), p. 175
: *The Influence of Ancient Egyptian Civilization in the East and in America,* (London, 1916), p. 210

৮. C. S. Wave : *Serpent Worship and other Essays,* (London 1888), p. 106

৯. E. J. Rapson (ed) : *The Cambridge History of India,* Vol. 1, (Cambridge, 1922), p. 594

১০. W. Crooke : "Serpent-worship (Indian)" in *Encyclopaedia of Religion and Ethics* (henceforth abbriviated as E. R. E), Vol. XI, ed. J. Hastings, p. 412

তৃতীয়তে, জীৱ-জন্তুক উপাসনা কৰা ৰীতি পৃথিৱীৰ সৰ্বদেশৰ সৰ্বজাতিৰ মাজত প্ৰচলিত। লুব্বক-ৰ মতে সৰ্প-পূজাৰ উৎস প্ৰকৃতাৰ্থত ভয় আৰু বিস্ময়। গতিকে কোনো এটা বিশেষ নৃ-গোষ্ঠীৰ মাজত সৰ্প-পূজা-পৰম্পৰাৰ উদ্ভৱ হৈ আন আন জাতিৰ মাজত বিস্ফাৰিত নোহোৱাই স্বাভাৱিক।[১১] চতুৰ্থতে, মানৱৰ চিন্তা আৰু কল্পনাৰ ক্ষেত্ৰত সদা-সৰ্বদাই সমৰূপতা লক্ষ্য কৰা যায়।[১২] সেইবাবে লোকধৰ্ম (folk-religion) বা লোকাচাৰ অথবা লোকানুষ্ঠান আদি কেতিয়াও জাতিকেন্দ্ৰিক হ'ব নোৱাৰে, ই মানৱ কেন্দ্ৰিকহে।[১৩] সৰ্প-পূজাৰ ক্ষেত্ৰতো এই মন্তব্যটি সাৰ্থকভাৱে প্ৰয়োগ কৰিব পাৰি। গতিকে ভাৰতবৰ্ষত প্ৰচলিত সৰ্প-পূজাৰ পৰম্পৰা আন কোনো দেশৰপৰা প্ৰব্ৰজিত হোৱা নাই, স্বৰূপাৰ্থত সৰ্প-পূজা স্থানীয় ব্যাপাৰ। আমাৰ অনুমানৰ সপক্ষে ক্ৰুক-চাহাবৰ এটি মন্তব্য উল্লেখ কৰিব পাৰোঁ: "On the whole, the wide distribution and loss of life caused by the snake in India warrant the conclusion that the cult is probably local."[১৪]

খ. ভাৰতবৰ্ষ'ত সৰ্পপূজা: হিন্দুসৃষ্টিতত্ত্বত (Hindu cosmology) সৰ্প লিংগৰ প্ৰতীক নহয়, নাইবা ইহুদীয় খৃষ্টান (Judeo Christian) বিশ্বাসত স্থান পোৱাৰ দৰে ই চয়তানৰ প্ৰতিনিধিত্বও নকৰে। ইয়াৰ বিপৰীতে হিন্দু সকলৰ বিশ্বাসত সৰ্পই জ্ঞান, পূৰ্বপুৰুষ, মানৱ আৰু গোৰক্ষক তথা ধনৰক্ষকৰ প্ৰতিনিধিত্বহে কৰে।[১৪ক]

বৈদিক দেৱতা সূৰ্য্য (বিষ্ণু) আৰু সৰ্পৰ মাজত সম্পৰ্ক লক্ষ্য কৰা যায়। সূৰ্য্য-পূজকসকলৰ কুল-চিহ্ন সৰ্প। তেনেদৰে সূৰ্য্যবংশীয় ৰজাসকলৰো

---

১১. J. Lubbock: *The Origin of Civilisation and the Primitive Condition of Man* (London, 1889), p. 269

১২. A. C. Haddon: *The Wondertngs of Peoples* (Cambridge, 1911), p. 10

১৩. E. W. Hopkins: *The History of Religions* (New York, 1918), p. 16

১৪. W. Crooke, *op-cit*

১৪.ক. Heinrich Zimmer: 'The Goddess' in *Myths and Symbols in Indian Art and Civilization*, ed Joseph Campbell (New York, 1946), pp, 59-68

কুল-চিহ্ন সৰ্প। অকল ভাৰতবৰ্ষতেই নহয় চীন, পশ্চিম আফ্রিকা, পেৰু, বেবিলন, চিৰিয়া, গ্ৰীচ, ইজিপ্ত, ইউৰোপ আদি দেশৰ প্ৰাচীন নৃপতি সকলে নিজকে সূৰ্য্য বংশীয় বুলি দাবী কৰে আৰু তেওঁলোকৰ কুল-চিহ্নও সৰ্প। দ্বিতীয়তে, সূৰ্য্য-উপাসনা আৰু সৰ্প-পূজাৰ মাজত বিশেষকৈ আচাৰ-অনুষ্ঠানৰ ক্ষেত্ৰত সাদৃশ্য লক্ষ্য কৰিব পাৰি।[১৫] সৰ্প-দেৱতা জ্ঞান, জ্যোতি, সৃষ্টি, প্ৰজনন আদিৰ অধিপতি। তৃতীয়তে, বৃষ্টিদাতা আৰু বৃষ্টি নিয়ামক ৰূপেও সৰ্প-দেৱতাৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। তেনেদৰে সূৰ্য্য দেৱতাও জ্ঞান, জ্যোতি, সৃষ্টি, প্ৰজনন আৰু বৃষ্টি-দেৱতা। এই ফালৰপৰা দেখা যায় যে সূৰ্য্য-দেৱতা আৰু সৰ্প-দেৱতাৰ মাজত গুণ আৰু কৰ্মৰ ফালৰপৰা সম্পৰ্ক অস্বীকাৰ কৰিব নোৱাৰি। সূৰ্য্য আৰু বিষ্ণুৰ মাজতো একত্ব পৰিলক্ষিত হয়। বিষ্ণুৰ অৰ্থ ব্যাপক, সূৰ্য্যও ব্যাপক। সূৰ্য্য দেৱতাই বৈদিক যুগতেই বিষ্ণুৰূপে আত্ম প্ৰকাশ কৰে। বিষ্ণুৰ লগতো সৰ্প-দেৱতাৰ সম্পৰ্ক বিশেষকৈ পৌৰাণিক যুগত অবিসম্বাদিত। শেষ নাগৰ ওপৰত বিষ্ণুৱে শয়ন কৰে, সেইবাবে বিষ্ণুৰ আন এটি নাম শেষশায়ী বিষ্ণু।

শৈৱ, শাক্ত, তান্ত্ৰিক, বৈষ্ণৱ, বৌদ্ধ, জৈন আদি ধৰ্মমাৰ্গৰ লগত সৰ্পৰ সম্পৰ্ক সৰ্বজন স্বীকৃত। শিৱৰ প্ৰতীক লিংগৰ লগত সৰ্প বিজৰিত। শিৱই নাগ বা সৰ্পপৰিধান কৰে। সেইবাবে শিৱ 'নাগভূষণ' ৰূপেও পৰিচিত। নাগ বা সৰ্পৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰক্ষিত হৈ অহা বাবেই তেওঁক 'নাগেশ্বৰ' ৰূপে পূজা কৰা হয়। অঞ্চল বিশেষে নাগৰূপত শিৱক অৰ্চনা কৰা দেখা যায়। শ্ৰাৱণ মাহৰ ২৪ আৰু ২৫ তাৰিখে ভক্ত সকলে পূজা-অৰ্চনা আগবঢ়ায় মহাদেৱক 'নাগেশ্বৰ' অৰ্থাৎ সৰ্প-দেৱতাৰূপে।[১৬] 'মহাভাৰত'ত বৰ্ণিত শিৱই কোমৰবন্ধ, কৰ্ণ-আভৰণ, উপবীত ৰূপে সৰ্প পৰিধান কৰে আৰু বহিঃ আভৰণ ৰূপে সৰ্পচৰ্ম পৰিধান কৰে।[১৭] সৰ্পৰাজ বাসুকিয়ে শিৱৰ কণ্ঠ সততে আৱৰি থাকে।[১৮] এই প্ৰসংগত উল্লেখযোগ্য যে শিৱ, সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসাৰ পিতৃ। আনকি ধন্বন্তৰিক বধ কৰোঁতেও মনসাই শিৱৰপৰাহে

---

১৫. C. F. Oldham : *The Sun and the Serpent* (London, 1905), p. 183

১৬. J. Fergusson, *op-cit*, p. 79

১৭. J. Muir : *Original Sanskrit Texts*, Vol. IV, (London), p. 191

১৮. J. Ph. Vogel : *Indian Serpent-Lore*, (Delhi, 1972), p. 202

উদয়কাল নাগক লাভ কৰিছে। ইয়াৰ পৰা সহজেই অনুমান কৰিব পাৰি যে, সৰ্পৰ লগত শিৱৰ গভীৰ সম্পৰ্ক। আনকি শৈৱ সকলে সৰ্প-পূজাক তেওঁলোকৰ ধৰ্ম-মাৰ্গৰ অপৰিহাৰ্য্য অংগ ৰূপে গ্ৰহণ কৰি আছিছে। মূঠতে আদিতে শিৱ আৰু সৰ্পক অবিভাজ্য ৰূপত পূজা কৰা হৈছিল বিশেষকৈ ভাৰতবৰ্ষত।[১৯]

যদিও বৈষ্ণৱ সম্প্ৰদায়ৰ লগত সৰ্পৰ সম্পৰ্ক শৈৱ সম্প্ৰদায়ৰ দৰে প্ৰগাঢ় নহয়, তথাপি মূঠেই সম্বন্ধ নোহোৱা নহয়। বৈষ্ণৱ মাৰ্গৰ অন্যতম প্ৰধান দেৱতা বিষ্ণু শেষশায়ী। পুৰাণ-কথাৰ (Myth) পৰা অনুমান কৰিব পাৰি যে, শেষনাগ বিষ্ণুৰ এক অভিব্যক্তি মাথোন। জগৎ সংহাৰৰ অন্তত ভগৱান বিষ্ণুৱে শেষনাগৰ ওপৰত শয়ন কৰি থাকে। এই অৱস্থাত তেওঁ 'শেষ নাৰায়ণ' ৰূপে পৰিচিত। বিষ্ণুৰ পূৰ্ণ অৱতাৰ কৃষ্ণক বসুদেৱে নন্দৰ ঘৰলৈ নিবৰ সময়ত শেষ নাগ বা বাসুকি নাগে ছত্ৰৰূপে ভগৱন্তক বৃষ্টিৰপৰা ৰক্ষা কৰিছিল। শংকৰদেৱৰ ভাষাত :

বৰিষে কণিকা মেঘে উপৰত গাজে।
ফণায়ে ধৰিলা ছত্ৰ আসি সৰ্পৰাজে।।[২০]

'ভাগৱত-পুৰাণ'ৰ মতে বাল কৃষ্ণই নিষ্ঠুৰ আৰু ক্ৰুৰ কালীয় নাগক যুদ্ধ কৰি পৰাজয় কৰে আৰু কালীয় হ্ৰদৰপৰা খেদি পঠিয়ায়। প্ৰচলিত জনশ্ৰুতি মতে কৃষ্ণ আৰু কালীয় নাগৰ যুদ্ধ অনুষ্ঠিত হৈছিল মথুৰাৰ নিকটস্থ কালীয় হ্ৰদত। বৰ্তমানো এই অঞ্চলৰ লোকে নাগ-লীলা নামৰ এটি উৎসৱ পালন কৰে। উৎসৱৰ লগতে অনুষ্ঠিত হয় নৌকাৰ শোভাযাত্ৰা।[২১] কৃষ্ণৰ জ্যেষ্ঠ ভ্ৰাতৃ বলৰাম শেষনাগৰ অৱতাৰ ৰূপে পৰিগণিত। বলৰামৰ মৃত্যুৰ মুহূৰ্তত তেওঁৰ আত্মাটো সৰ্পৰূপে মুখেৰে নিৰ্গত হৈছিল।[২২] বৈষ্ণৱ সম্প্ৰদায়ৰ লগত সৰ্প-পূজা একীভূত হোৱাৰ নিদৰ্শন পোৱা যায় শ্ৰাৱণ-পূৰ্ণিমাত দক্ষিণ উৰিষ্যাত অনুষ্ঠিত বলদেৱ-পূজাৰ জৰিয়তে। এই উৎসৱত

---

১৯. P. K. Maity : *Historical Studies in the Cult of the Goddess Manasā*, (Calcutta, 1966), p. 25
২০. নবীন চন্দ্ৰ শৰ্মা (সম্পা) শংকৰদেৱৰ 'আদি দশম', পদ ১০২
২১. J. ph. Vogel, *op-cit*, p. 91
২২. J. M. Macfie : *Myths and Legends of India* (Edinburgh, 1924), p. 161

মাটিৰে সৰ্পৰ প্ৰতিমা এটি নিৰ্মাণ কৰি বলদেৱ ৰূপে পূজা কৰা দেখা যায়।[২৩] বৈষ্ণৱ ধৰ্মৰ অন্যতম সংস্কাৰক ৰামানুজাচাৰ্য্যকো শেষ নাগৰ অৱতাৰ ৰূপে শ্ৰদ্ধা কৰা কৰা হয়।[২৪]

শাক্ত সম্প্ৰদায়ৰ লগতো সৰ্পৰ সম্পৰ্ক অক্ষুণ্ণভাৱে ৰক্ষিত হৈ আহিছে। মহিষাসুৰক বধ কৰাৰ প্ৰসংগত সৰ্পই দেৱী দুৰ্গাক সহায় কৰিছিল। চণ্ডী, চামুণ্ডা আৰু কালীদেৱীৰ লগতো সৰ্পৰ সম্পৰ্ক অস্বীকাৰ কৰিব নোৱাৰি। দক্ষিণ ভাৰতৰ কালী মন্দিৰত সৰ্পৰ প্ৰতিমা স্থাপন কৰা ৰীতি অধুনাও প্ৰচলিত।[২৫]

বৌদ্ধধৰ্ম বিশেষকৈ ভাৰতবৰ্ষৰ লোকায়ত সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত বৌদ্ধধৰ্মত সৰ্প বা নাগৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। বুদ্ধদেৱৰ সমসাময়িক মগধৰ নৃপতিসকল নাগজাতি সম্ভূতহে আছিল। অৱশেষত এই নৃপতিসকলে বৌদ্ধধৰ্ম গ্ৰহণ কৰে।[২৬] কোনো কোনো পণ্ডিতৰ মতে নাগ-কুলৰ ধৰ্মীয় আদৰ্শৰ লগত বুদ্ধদেৱৰ ধৰ্মীয় আদৰ্শৰ সাধাৰণ সাদৃশ্য লক্ষ্য কৰিব পাৰি।[২৭] হিন্দুসকলৰ মাজত প্ৰচলিত জনশ্ৰুতি বিশেষৰ মতে গৌতম বুদ্ধ আছিল নাগবংশ সম্ভূত।[২৮] প্ৰাচীন বৌদ্ধসকলে নাগক জলদেৱতা (water spirit) ৰূপে পূজা কৰিছিল।[২৯] অৱশ্যে ফাৰ্গুছন চাহাবৰ মতে বুদ্ধদেৱে সৰ্প-সম্প্ৰদায়ৰ সৈতে সম্পূৰ্ণভাৱে সম্পৰ্ক পৰিহাৰ কৰে; কিন্তু শেষৰ ফালে অৰ্থাৎ বুদ্ধদেৱৰ তিৰোধানৰ পিছত আনুমানিক খৃঃ ১ম শতিকাৰ আৰম্ভণিত বৌদ্ধ সম্প্ৰদায়ৰ লগত পুনঃ সৰ্প সম্প্ৰদায় (snake-cult) একীভূত হৈ পৰে।[৩০] ফাৰ্গুছন চাহাবৰ অনুমান সম্পূৰ্ণ ভাবে সত্য বুলিব

২৩. P. K. Maity, *op-cit*, p. 29

২৪. W. J. Wilkins : *Modern Hinduism* (London, 1887) pp. 59-60

২৫. E. Thurston : *Castes and Tribes of Southern India*, Vol. II, (Madras, 1909), p. 406

২৬. J. Fergusson, *op-cit*, pp. 64, 67

২৭. C. S. Wake, *op-cit*, pp. 91-92

২৮. *Ibid*, p. 92

২৯. V. A. Smith : *History of Fine Art in India and Ceylon* (Oxford, 1911), p. 10

৩০. J. Fergusson, *op-cit*, p. 444

নোৱাৰি এই কাৰণেই যে, এই সময়ত ভাৰতবৰ্ষৰ উচ্চ শ্ৰেণীৰ লোকেও সৰ্প-পূজা কৰিবলৈ লৈছিল, গতিকে সৰ্প-পূজা পৰিহাৰ কৰাৰ প্ৰশ্ন মুঠেই উঠিব নোৱাৰে।[৩১] বৌদ্ধ-পৰম্পৰাত এনে কিছুমান জনশ্ৰুতিৰ প্ৰচলন আছে—যিবোৰত বুদ্ধদেৱ আৰু নাগৰ মাজত থকা সম্পৰ্কৰ বিবিধ বৰ্ণনা পোৱা যায়।[৩২] মহাযান বৌদ্ধসকলৰ মাজত সৰ্পদেৱী ৰূপে জাংগুলীক পূজা কৰা হয়।[৩৩]

জৈনধৰ্ম আৰু ধৰ্মীয়কৃত্যৰ লগতো সৰ্প জৰিত। ভাৰতৰ প্ৰায়বিলাক জৈন মন্দিৰত সৰ্পৰ প্ৰতিমা লক্ষ্য কৰা যায়।[৩৪] জিন পাৰ্শ্বনাথৰ প্ৰতীকৰূপে সৰ্পৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি।[৩৫] জৈনসকলৰ মাজত প্ৰচলিত বিশ্বাসমতে পাৰ্শ্বনাথৰ নাম উচ্চাৰণ কৰিলে সৰ্পৰ বিষ পানীকৃত্য হৈ পৰে। পৰম্পৰামতে পাৰ্শ্বনাথ মাতৃৰ গৰ্ভত থাকোতে তেওঁৰ মাকে কাষতে (পাৰ্শ্ব) এডাল সাপ দেখা পাইছিল আৰু সেইবাবে সন্তানটিৰ নামো ৰখা হয় পাৰ্শ্বনাথ।[৩৬] পাৰ্শ্বনাথে তপস্যা কৰি থকা অৱস্থাত ধৰমুণৰপৰা তেওঁক ৰক্ষা কৰিছিল সৰ্পৰাজ ধৰণেন্দ্ৰ অথবা ধৰণে তেওঁৰ পত্নী পদ্মাৱতীৰ সৈতে। পদ্মাৱতীয়ে পাৰ্শ্বনাথৰ মস্তকৰ উপৰত এটি শ্বেতছত্ৰ ধাৰণ কৰিছিল।[৩৭] সপ্তম তীৰ্থাংকৰ সুপাৰ্শ্বৰ মূৰ্তিৰ লগত ফণা বিশিষ্ট সৰ্প সংযুক্ত হৈ আছে।[৩৮]

ইয়াৰ পৰা দেখা যায় যে, স্থানীয় সৰ্প ধৰ্মমত (Snake-cult) আৰু সৰ্প-দেৱতাই (Snake spirits) অৰ্থাৎ নাগ-নাগিনীয়ে হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মমত আৰু পুৰাণ-কথা বৃত্তত সমাহৰণ প্ৰক্ৰিয়াৰ সংযোগত প্ৰৱেশ লাভ কৰিবলৈ সক্ষম হৈছে।

ভাৰতবৰ্ষত যে অতি প্ৰাচীন কালৰেপৰা সৰ্প-পূজাৰ প্ৰচলন আছিল তাৰ নিদৰ্শন পোৱা যায় সিন্ধু উপত্যকাৰ মহেঞ্জোদাৰো আৰু হৰপ্পা সভ্যতাত।

৩১. P. K. Maity, *op-cit*, p. 31
৩২. J. Ph. Vogel, *op-cit*, pp. 95-96
৩৩. P. K. Maity, *op-cit*, p. 32
৩৪. J. Ph. Vogel, *op--cit*, p. 270
৩৫. *Ibid*, p. 104
৩৬. P. K. Maity, *op-cit* p. 33
৩৭. J. G. Buhler : *On the Indian Sect of the Jainas*, (London, 1903), p. 64
৩৮. A. P. Karmarkar : *The Religions of India*, Vol. 1 (India, 1950), p. 171

মহেঞ্জোদাৰোত প্ৰাপ্ত নামমুদ্ৰা (Seals), মৃণ্ময় পাত্ৰ আদিৰ সংযোগত সৰ্প-পূজাৰ স্পষ্ট আভাস পাব পাৰি।[৩৯] প্ৰাপ্ত নামমুদ্ৰা দুটাৰ এটাত যোগাসনত উপবিষ্ট দেৱতা আৰু আনটোত স্তুতিৰত নাগমূৰ্তি পৰিকল্পনা কৰা হৈছে। শিৱ আৰু নাগৰ সম্পৰ্ক সৰ্বজনবিদিত। ৰুদ্ৰ-শিৱৰ উদ্ভৱ আৰু বিকাশত আদিম মানৱৰ সৰ্প-পূজা আৰু যাদু-বিদ্যাই যে, ক্ৰিয়া কৰিছিল তাত সন্দেহ নাই।[৪০]

লিংগৰ লগতো সৰ্পৰ সম্পৰ্ক বিদ্যমান। মনোসমীক্ষকসকলৰ মতে লিংগৰ প্ৰতীকাত্মক প্ৰকাশ সৰ্প। অন্যহাতে সৰ্প আৰু বৃক্ষৰ মাজতো নিবিড় সম্পৰ্ক বিদ্যমান। সৰ্পৰ অধিষ্ঠান বৃক্ষ, গতিকে সৰ্পৰ লগত বৃক্ষৰ যোগসূত্ৰ স্থাপন কৰাৰ প্ৰসংগত অস্বাভাৱিকতা থাকিব নোৱাৰে। আনকি সৰ্পই-বৃক্ষৰ অধিপতি দেৱতা ৰূপেও স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এই সন্দৰ্ভত ৱগেল-ৰ (J. Ph. Vogel) এটি মন্তব্য প্ৰণিধানযোগ্য : 'Serpent worship, as we find it here, is therefore closely associated with tree worship. Some times the snake is supposed actually to reside in the tree and in all probability was originally conceived as its spirit.'[৪১] মহেঞ্জোদাৰো আৰু হৰপ্পা সভ্যতাত উদ্‌ঘাটিত নিদৰ্শনৰ ভিত্তিতেও সৰ্প আৰু বৃক্ষৰ মাজত থকা গভীৰ সম্পৰ্কৰ প্ৰমাণ পোৱা যায়। গতিকে মহেঞ্জোদাৰো আৰু হৰপ্পা সভ্যতাৰ পূৰ্বৰেপৰা যে, ভাৰতবৰ্ষত সৰ্প-পূজাৰ পৰম্পৰা চলি আছিল তাত সন্দেহৰ অৱকাশ নাই।

সাম্প্ৰতিক মনসা-পূজাৰ নামত প্ৰচলিত সৰ্প-পূজাৰ লগতো সিজু গছৰ সম্পৰ্ক ৰক্ষিত হৈ আহিছে। সেইহে মনসা-পূজাৰ অনুষংগত সিজু গছকো (Euphorbia neriifolia) পূজা কৰাৰ ৰীতি অসম, পশ্চিমবংগ, বাংলাদেশ আদিত প্ৰচলিত। সৰ্প-বিষ নিবাৰণৰ বাবে সিজুৰ পৰা নিৰ্গত হোৱা দুগ্ধ সদৃশ ৰস অতিকে প্ৰয়োজনীয়। এগৰাকী পণ্ডিতে লিখিছে : "The milky juice (of *Euphorbia neriifolia*) is extremely

---

৩৯. J. Marshall : *Mohenjo-Daro and the Indus Civilization*, Vol. 11, (London, 1931), p. 395

৪০ R. G. Bhandarkar : *Vaisnavism, Saivism and Minor Religious Systems*, (Varanasi, 1965), pp. 114-15

৪১. J. ph. Vogel, *op-cit*, pp. 270-71

copious, and is used for various medicinal purposes. It is a drastic purgative, and is considered a valuable cure for earache. Mixed with soot it is applied to the eyes for ophthalmia, and mixed with syrup it is given to cure asthma and bronchitis. It is also used as a remedy for warts, and is commonly believed to be an antidote to snake-bite and hydrophobia."[৪২] বোধকৰোঁ এই কাৰণেই সিজুগছত সৰ্পক পূজা কৰা হয়। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, সৰ্পৰ লগত শিৱৰ সম্পৰ্ক অতি গভীৰ। সৰ্পৰ অধিষ্ঠান সিজুগছক শিৱ বা বাথৌদেৱতাৰো প্ৰতীক ৰূপে বৰো-কছাৰী-বিলাকে পূজা কৰে। এই সন্দৰ্ভত এণ্ডেল-ৰ (S. Endle) এটি উক্তি উল্লেখ কৰা হ'ল : "He (Bathau, the household god) is never represented in idol form, but is well in evidence through his living symbol, the *siju* (*hiju*) tree (*Euphorbia Splendens*), which is often to be seen in the Kachari homestead surrounded by a circular fence of split bamboo. Among the Meches of Goalpara, almost every home, it is said, has its *Bathau* (*siju*) though in Darrang it is less frequently met with."[৪৩] দক্ষিণ ভাৰতত আঁহত গছৰ লগত সৰ্পৰ সম্পৰ্ক লক্ষ্য কৰিব পাৰি।[৪৪]

সৰ্প জলৰ দেৱতা। হ্ৰদ, জলাশয়, পুখুৰী, নদী আদিৰ জলৰক্ষকৰূপে সৰ্প পৰিচিত। কাশ্মীৰীসকলৰ লোকমানসত সৰ্প জলাধিপতি। তেওঁলোকৰ মাজত প্ৰচলিত বিশ্বাস অনুসৰি উপযুক্ত সময় আৰু বিধিমতে সৰ্পক পূজিলে সময়মতে আৰু নিয়মীয়াভাৱে বৰষুণ হয়। এই প্ৰসংগত সৰ্প বৃষ্টি আনয়নৰ দেৱতা। দ্বিতীয়তে, সৰ্প শস্য ৰক্ষক দেৱতা। সৰ্প-পূজাৰ জৰিয়তে শস্যৰ প্ৰাচুৰ্য্য বৃদ্ধি হয়। উৰ্বৰতাবাদৰ (fertility-cult) লগতে যে সৰ্পৰ গভীৰ সম্পৰ্ক

৪২. A. P. Benthall : *The Trees of Calcutta and Its Neighbourhood* (Calcutta, 1933), p.370

৪৩. S, Endle : *The Kacharis* (Delhi, 1975), p. 36

৪৪. আশুতোষ ভট্টাচাৰ্য্য (সম্পা) : বাইশ কবিৰ মনসা মঙ্গল, ভূমিকা, পৃ. ৩৯

ৰক্ষিত হৈ আছিছে তাৰ আভাস ইয়াৰপৰা পাব পাৰি।[৪৫] দক্ষিণভাৰতত প্ৰচলিত পৰম্পৰা অনুসৰি উল্লেখ কৰিব পাৰি যে, সন্তানহীনা ৰমণীয়ে নাগ প্ৰতিষ্ঠা কৰিবলৈ সথাথ তুলিলে সন্তান লাভ কৰিব পাৰে। মন্ত্ৰপূত নাগমূৰ্ত্তি অংকিত ফলক একোখন নাদৰ ভিতৰত ৰখা হয় প্ৰাণ প্ৰতিষ্ঠাৰ বাবে। নিৰ্ধাৰিত সময় পাৰ হৈ যোৱাৰ অন্তত সেই ফলকখন নাদৰপৰা তুলি আনি নিম বা আঁহত গছৰ গুৰিত মণ্ডপ নিৰ্মাণ কৰি তাত প্ৰতিষ্ঠা কৰে। সন্তানহীনা ৰমণীয়ে যদি প্ৰতিদিনে ১০৮ বাৰকৈ একেৰাহে ঢুকুৰি পাঁচ দিন সেই মণ্ডপটো প্ৰদক্ষিণ কৰে তেন্তে তেওঁ সন্তান লাভ কৰিবলৈ সক্ষম হয়।[৪৬] সৰ্পবধ অনুৰ্বৰতাৰ কাৰণ। তেনে অৱস্থাতো যদি কোনোবা ৰমণীয়ে সৰ্পবধ কৰে তাৰ প্ৰায়শ্চিত্ত স্বৰূপে ৰমণী গৰাকীয়ে বধ কৰা সৰ্পডালৰ মূৰ্তি এটা নিৰ্মাণ কৰি সেই মূৰ্তিটো দাহ কৰি অন্ত্যেষ্টিক্ৰিয়া সম্পাদন কৰিলে তেওঁ পুনৰ উৰ্বৰতা লাভ কৰিব পাৰে।[৪৭] কাশ্মীৰৰ লোক বিশ্বাসত সৰ্পই কল্যাণকামী আৰু অকল্যাণকামী উভয় দেৱতাৰ দ্বৈত ভূমিকা গ্ৰহণ কৰিছে। বিধিমতে পূজা-অৰ্চনা নাপালে সৰ্পদেৱতা ক্ৰোধান্বিত হোৱা স্বাভাৱিক। সৰ্পৰ ক্ৰোধৰ বাবে শিলাবৃষ্টি, তুষাৰপাত, প্ৰলয়ংকৰী বান-পানী আদি হ'ব পাৰে। কাশ্মীৰৰ সংস্কৃতিত সৰ্প, নদ-নদী, স্ৰোত ধাৰাৰ উৎস।[৪৮] সৰ্প গৃহদেৱতা আৰু পূৰ্বপুৰুষ ৰূপেও পৰিচিত। এচিয়া, আফ্ৰিকা, আমেৰিকা আদিৰ লোকায়ত সমাজত প্ৰচলিত জনশ্ৰুতি মতে মৃত পূৰ্বপুৰুষে সৰ্পৰূপ পৰিগ্ৰহ কৰি বংশধৰ সকলক চাবলৈ আহে।[৪৯] সৰ্প ধন-সম্পত্তিৰ অধিপতিও। সৰ্পৰ মস্তকত মুক্তা থাকে আৰু সৰ্পই হীৰা-সোণ আদিৰ ৰক্ষক ৰূপেও ভূমিকা গ্ৰহণ কৰে।[৫০]

আলেকজেণ্ডাৰে ভাৰতবৰ্ষ আক্ৰমণ কৰাৰ পূৰ্বৰেপৰা পঞ্জাৱত সৰ্প-পূজাৰ পৰম্পৰা জীৱন্তভাৱে চলি আছিল। পঞ্জাৱৰ লোকধৰ্ম আৰু লোকবিদ্যাত

---

৪৫. J. ph. Vogel, *op-cit*, p. 220

৪৬. *Ibid*, p. 270

৪৭. William Crooke : *The Popular Religion and Folklore of Northern India* (henceforth abbreviated as *P.R.*F Vol. 1, (Delhi, 1978), p. 226

৪৮. J. ph. Vogel, *op-cit*, p. 220

৪৯. H. Spencer : *Principles of Sociology*, Vol. I, (London, 1885), p. 315

৫০. J. Hastings (ed) *E. R.* E, vol. xl, p. 399

(folklore) বৰ্তমানো সৰ্প-পূজাৰ সমল অন্তৰ্নিহিত ।[৫১] গাঢ়ৱাল অঞ্চলত সৰ্প-পূজাৰ লোকপ্ৰিয়তা অস্বীকাৰ কৰিব নোৱাৰি। বেনাৰসত থকা নাগ-কূপৰ জৰিয়তে নাগ-পূজা বা সৰ্প-পূজাৰ প্ৰচলন আৰু জনপ্ৰিয়তাৰ পৰিচয় পোৱা যায়। এলাহাবাদত অৱস্থিত বাসুকি মন্দিৰৰ প্ৰধান বিগ্ৰহ বাসুকি নাগ। নাগ পঞ্চমীত এই মন্দিৰত নাগ-পূজা ৰাজহুৱাভাৱে অনুষ্ঠিত হয়। প্ৰচলিত বিশ্বাসমতে প্ৰয়াগ-স্নান সম্পূৰ্ণ নহয় যদিহে সৰ্পৰাজ বাসুকি মন্দিৰ দৰ্শন কৰা নহয় ।[৫২]

বিহাৰত কৃষিজীৱীসকলৰ মাজতহে সৰ্প-দেৱতাৰ পূজা প্ৰচলিত। শাওণ মাহত জাকজাক তিৰোতাই নিজকে নাগিনী অৰ্থাৎ নাগৰ পত্নীৰূপে সাজি কাচি সৰ্পৰ মহিমা বিশিষ্ট গীত-পদ আবৃত্তি কৰি প্ৰায় তিনিদিন (২½ দিন) গাৱঁৰ মানুহৰ ঘৰে ঘৰে ভিক্ষা মাগি ফুৰে। এই সময় ছোৱাত তেওঁলোকৰ বাবে গৃহপ্ৰৱেশ আৰু নিমখ ভক্ষণ নিষিদ্ধ ।[৫৩]

মধ্যপ্ৰদেশ আৰু মধ্যভাৰততো সৰ্প-পূজা বিশেষভাৱে প্ৰচলিত। সাগৰত নাগপঞ্চমী তিথি উপলক্ষে মন্দিৰত বা সৰ্পৰ গৰ্তত অথবা সৰ্পৰ প্ৰতিমা নিৰ্মাণ কৰি ব্যক্তিগত বা সামূহিকভাৱে পূজা কৰা দেখা যায়। কৈকাৰিসকলৰ সমাজত বাসুকী (সৰ্পৰ ৰাণা) আৰু ফেটীসাপ গৃহ দেৱতা। মধ্য ভাৰতৰ অঞ্চল বিশেষে প্ৰতিঘৰ মানুহৰ ঘৰৰ সন্মুখত সৰ্পবেদী থাকে আৰু বেদীত প্ৰাত্যহিক আৰু বাৎসৰিকভাৱে সৰ্প-দেৱতাক পূজা কৰা ঐতিহ্য প্ৰচলিত ।[৫৪]

মেঘালয়ৰ খাছিসকলৰ মাজতো সৰ্প-পূজাৰ পৰম্পৰা অতি প্ৰাচীন কালৰে পৰা চলি আহিছে। ইউ-থ্লেন-পূজাত (U-Thlen) স্বৰূপাৰ্থত সৰ্প দেৱতাকহে বলি সহ উপাসনা কৰা হয় ।[৫৫] হেষ্টিংগছ-ৰ মতে ইউ-থ্লেন নামৰ প্ৰকাণ্ড সৰ্পক তাহানি নৰবলিৰদ্বাৰা সন্তুষ্ট কৰা হৈছিল : "...the most remarkable form of serpent worship is that of U-Thlen, a gigantic snake which demands to be appeased by the sacrifice of human

---

৫১. J. ph. Vogel, *op-cit*, p. 263
৫২. *Ibid*, p. 267
৫৩. *Ibid*, p. 268
৫৪. J. Hastings (ed) *op-cit*, p. 413
৫৫. B. K. Barua : *A Cultural History of Assam* (Gauhati, 1969), p. 218

victims, and for whose sake, even in recent times, murders have been committed."[৫৬]

মণিপুৰৰ মেইতেইসকলৰ মাজৰ এটা গোষ্ঠীৰ (clan) পূৰ্বপুৰুষ পাখঙ্-বাই সৰ্প ৰূপত অৱতীৰ্ণ হৈছিল। নাংশা (nangshā) অৰ্থাৎ শিলত অংকিত বৃহদাকাৰ সৰীসৃপ বিশেষে তেওঁলোকৰ দেশৰ সৌভাগ্যৰ প্ৰতীকৰূপে শ্ৰদ্ধা আদায় কৰি আহিছে।[৫৭] সৰ্প ৰূপী পাখঙ্গবাক (Pākhangba) কৌলিক দেৱতা (ancestral spirit) ৰূপে মেইতি ৰমণীসকলে পূজা কৰে।[৫৮]

লুচাইসকলৰ মাজত প্ৰচলিত বিশ্বাস মতে সৰ্পৰ কুণ্ডলীত বহি মানুহে স্বৰ্গ লাভ কৰিব পাৰে।[৫৯] জীৱন্ত সৰ্পক পূজা কৰা পৰম্পৰা বাভাসকলৰ মাজতো চলিছিল। পুৰণি কালত এটা ভয়াত প্ৰকাণ্ড সৰ্প এডালে বাস কৰিছিল। সেই অঞ্চলৰ অধিবাসীসকলে (অৰ্থাৎ বাভাসকলে) সেই দেশৰ ৰজাৰূপে সৰ্পডালক শ্ৰদ্ধা আৰু ভক্তি কৰিছিল। সৰ্পৰাজৰ মনোতুষ্টিৰ বাবে বাইজে বছৰে বছৰে নানা কৰভাৰ, খাদ্য-সামগ্ৰী আৰু সুন্দৰী ছোৱালী উছৰ্গা কৰিছিল। কোনো কোনোৰ মতে সৰ্পৰাজৰ উদ্দেশ্যে বছৰে বছৰে এজন ল'ৰা আৰু এজনী ছোৱালীক বলি দিছিল।[৬০]

উপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে, লোকধৰ্ম আৰু পৰম্পৰাত নাগ দেৱতাৰ স্থান তাৎপৰ্য্যপূৰ্ণ। উত্তৰ ভাৰতৰ প্ৰায়বোৰ অঞ্চলতে জীৱন্ত সৰ্প-পূজা ৰূপগতভাবেহে প্ৰচলিত, যিহেতু সৰ্পৰ নামত কোনো দেৱতা, সাধু আদিক উপাসনা কৰা হয় ক্ৰূৰ সৰ্পৰ মাৰাত্মক দংশনৰ পৰা ৰক্ষা পাবলৈ। কোনো কোনো অঞ্চলত আকৌ প্ৰাচীন সৰ্প দেৱতাই আত্মপ্ৰকাশ কৰিছে বতৰ-দেৱতা অথবা জল-দেৱতাৰূপে। মণি, চম্পা আদি অঞ্চলত জীৱন্ত সৰ্প-পূজা কৰাৰ পৰম্পৰা বৰ্তমানো অবিচ্ছিন্নভাৱে চলি আছে। প্ৰকৃত

---

৫৬. J. Hastings, *op-cit*, p. 413
৫৭. T. C. Hodson : *The Meitheis* (Delhi, 1975), pp. 100-01
৫৮. *Ibid*, p. 110
৫৯. *Census of India*, 1911, iii, Assam, pt. i, p. 140f
৬০. *Ibid*, I, p. 145
মণি ৰাভা : 'সৰ্পদেৱতা' (দেৱ-দেৱী আৰু ৰাভা সমাজ, প্ৰবীণ কুমাৰ ৰাভা সম্পাদিত, বন্দাপাৰা, কামৰূপ, ১৯৮৯), পৃ. ৪৯-৫০

সৰ্প-পূজা অৰ্থাৎ জীৱন্ত সৰ্পক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ধৰ্মীয় কৃত্যৰ নিদৰ্শন পোৱা যায় পশ্চিম আৰু দক্ষিণ ভাৰতত। গুজৰাটৰ কাঠিয়াৰি অঞ্চল জীৱন্ত সৰ্প-পূজাৰ বাবে প্ৰসিদ্ধ। সমগ্ৰ দক্ষিণ ভাৰততেই অসংখ্য সৰ্প-মন্দিৰ দেখা যায়। সৰ্প-মন্দিৰৰ বাহিৰেও নগৰ বা গাঁৱৰ বা গৃহৰ প্ৰৱেশদ্বাৰত অসংখ্য সৰ্প-মূৰ্তি অংকিত ফলি দেখা যায়। আনকি চোতালৰ চাৰিচুকত তেনে ফলি ৰখা ৰীতি বৰ্তমানো প্ৰচলিত। গছৰ তল, পুখুৰীৰ পাৰ আদিতো সৰ্প-মূৰ্তি অংকিত ফলি ৰখা দেখা যায়। দক্ষিণ ভাৰতত নিম গছৰ তলত নাগ-প্ৰতিষ্ঠা কৰা দস্তুৰ নোহোৱা নহয়।

সময়ৰ অগ্ৰগতিৰ লগে লগে নাগত মানৱ ৰূপ আৰোপ কৰিবলৈ কৰা প্ৰচেষ্টাৰ পৰিণতিত নাগ মূৰ্তিত নাগৰ লগতে মানৱ মূৰ্তিও সংমিশ্ৰিত হৈ সংকৰ ৰূপ পৰিগ্ৰহ কৰিলে। এনে ৰূপত নাগমূৰ্তিৰ উৰ্ধ্ব অংশ মানৱ,অধঃ অংশ সৰ্প। এই সংকৰ মূৰ্তিক সৰ্প দেৱতাৰ পশু-নৰ ৰূপ অৰ্থাৎ therioanthropomorphic form বুলিব পাৰি। দক্ষিণ আৰু উত্তৰ ভাৰতত নাগদেৱতাক পশু-ৰূপত অৰ্থাৎ theriomorphic form ত পূজা-উপাসনা কৰাৰ পৰম্পৰা অধুনাও প্ৰচলিত। সৰ্পদেৱতাৰ নৰ-পশুৰূপক দক্ষিণ ভাৰতৰ অঞ্চল বিশেষে মুদামাদেৱী বোলে। বিজয় নগৰৰ ধ্বংস প্ৰাপ্ত ভাস্কৰ্য্যৰ মাজত সৰ্প-মাতাৰ মূৰ্তি এটি পোৱা গৈছে। মূৰ্তিটোৰ দুয়োখন হাতত দুডাল সাপ।[৬১] সৰ্প-দেৱতাক পুৰুষ আৰু স্ত্ৰীদেৱীৰ ৰূপত অংকন কৰাৰ প্ৰৱণতা দক্ষিণ ভাৰতৰ কলাত স্পষ্ট।

সৰ্প-পূজাৰ পৰম্পৰা নিশ্চিতভাৱে লোকায়ত পৰম্পৰাৰপৰা উত্থিত। আদিতে কৃষক, মাছমৰীয়া, আদিবাসী অৰ্থাৎ বৰ্ণ হিন্দু ভিন্ন অন্য সম্প্ৰদায়ৰ মাজতহে সৰ্প পূজা সীমিত আছিল। আনকি সৰ্প-পূজাৰ পূজাৰীসকলো আছিল অব্ৰাহ্মণ। এই সন্দৰ্ভত ৱগেলৰ এটি উক্তি বিচাৰ্য্য: "The attendants of the Nāg temples are a *pūjārī*, or priest, who is not neccessarily a Brahmin but mostly belongs to the prevailing agricultural class, and one or more *chelās* (Skt. che*t*aka) or 'disciples' who may belong to any caste and, indeed, are sometimes low-caste people. According to popular notions

---

৬১. J. ph. Vogel, *op-cit*, p. 272

'the *chelā* is a more important personage than the *pūjāri* ; for it is he who at the time when rain is needed becomes possessed by the deity who is supposed to prophesy through his mouth."[৬২]

ছুৰা অঞ্চলৰ নাগ-মন্দিৰৰ পূজাৰীসকলো অব্ৰাহ্মণ খেতিয়ক।[৬৩] দাৰা-গঞ্জৰ বাসুকি-মন্দিৰৰ পূজাৰীও অব্ৰাহ্মণ।[৬৪] তেনেদৰে বিহাৰৰ খেতিয়ক শ্ৰেণীৰ লোকেহে সৰ্প-দেৱতা নাগক পূজা কৰে।[৬৫] অসম আৰু বংগদেশত প্ৰচলিত সৰ্প-দেৱী মনসাৰ-পূজা আদিতে অনুন্নত জাতিৰ মাজতহে সীমিত আছিল আৰু শেষত এই পূজা স্ত্ৰী আচাৰ বা ব্ৰত ৰূপে চলি আছিল। তেনে অৱস্থাত সৰ্প-পূজা বা সৰ্পদেৱী-পূজাৰ পুৰোহিত, ব্ৰাহ্মণ নোহোৱাই স্বাভাৱিক।

গ বৈদিক সাহিত্যত সৰ্প :

উপৰৰ আলোচনাৰপৰা সহজে অনুমান কৰিব পাৰি যে, সৰ্প-পূজা বৈদিক-পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত নহয়। এই কাৰণেই সৰ্প সম্প্ৰদায়ৰ (snake-cult) উল্লেখ 'ঋগ্বেদ'ত পোৱা নাযায়। অৱশ্যে 'ঋগ্বেদ'ত 'সৰ্প' আৰু 'অহি' পদ দুটাৰ উল্লেখ পোৱা যায়—দেৱ শত্ৰু বৃত্ৰক (মেঘক) নিৰ্দেশ কৰাৰ প্ৰসংগত।[৬৫ক] যেনে :

ক. ইন্দ্ৰস্য নু বীৰ্য্যাণি প্ৰবোচং যানি চকাৰ প্ৰথমানি বজ্ৰী।
অহন্নহিমন্ব পস্তৰ্দ প্ৰৱক্ষণা অভিনত্ পৰ্বতানাম্।[৬৬]

[বজ্ৰধাৰী ইন্দ্ৰই প্ৰথমতে সম্পাদন কৰা পৰাক্ৰমমূলক কামবোৰ বৰ্ণনা

---

৬২. J. ph Vogel, *op-cit*, p. 248
৬৩. *Ibid*, p. 249
৬৪. Manier, M. Williams : *Religious Thought and Life in India* (London, 1887), p. 323
৬৫. G. A. Grierson : *Bihar Peasant Life* (Calcutta, 1885), p. 404f.
৬৫.ক. A. A. Macdonell : *Vedic Mythology*, (Delhi, 1981) pp. 152-53
৬৬. ঋগ্বেদ ১।৩২।১

কৰোঁ : তেওঁ (ইন্দ্ৰই) অহিক (বৃত্ৰ / মেঘ) বধ কৰিছিল আৰু তাৰ পিছত বৰ্ষণ কৰিছিল, বহনশীল পৰ্বতীয়া নদী সমূহৰ পথ ভেদ কৰি দিছিল ।]

খ. অহন্নহিং পৰ্বতে শিশ্ৰিয়াণং ত্বষ্টাস্মৈ বজ্ৰং স্বৰ্যতক্ষ ।
ৱাশ্ৰা ইৱ ধেনবঃ স্যন্দমানা অঞ্জঃ সমুদ্ৰৱ জগ্মুৰাপঃ ॥[৬৭]

[ইন্দ্ৰই পৰ্বতাশ্ৰিত অহিক বধ কৰিছিল, ত্বষ্টাই ইন্দ্ৰৰ বাবে সুদূৰপাতী বজ্ৰ নিৰ্মাণ কৰিছিল ; তাৰ পিছত যেনেকৈ গাই গৰু দৌৰি দৌৰি দামুৰিৰ পিছে পিছে যায় তেনেদৰে ধাৰাবাহী জলে দ্ৰুতগতিত সাগৰৰ অভিমুখে গতি কৰিছিল ।]

গ. দাস পত্নীৰহি গোপা অতিষ্ঠন্নিৰুদ্ধা আপঃ পণিনেৱ গাবঃ ।
অপাং বিলমপিহিতং যদাসীদ্বৃত্ৰং জঘন্বা অপ তদ্বৱাৰ ॥[৬৮]

[পণিৰদ্বাৰা গাইগৰু বিলাক গুপ্ত হৈ আছিল, বৃত্ৰপত্নীসকল অহিৰদ্বাৰা ৰক্ষিত হৈ নিৰুদ্ধ হৈছিল আৰু জলৰ বহনদ্বাৰ ৰুদ্ধ হৈ আছিল, বৃত্ৰক বধ কৰি ইন্দ্ৰই সেইদ্বাৰ খুলি দিছিল ।]

ইন্দ্ৰ আৰু দেৱতাসকলৰ শত্ৰুৰূপে অহি[৬৯] অথবা অৰ্বুদ[৭০] চিত্ৰিত হোৱাৰ উদাহৰণ 'ঋগ্বেদ'ৰ বিভিন্ন সূক্তত পোৱা যায়। সৰ্পৰ অৰ্থ সূচিত হোৱাৰ প্ৰসংগত 'ঋগ্বেদ'ত 'অৰ্বুদ' পদটি প্ৰয়োগ কৰা হৈছে। এইখন বেদতেই অহিৰবুধ্ন্য[৭১] পদটিৰ প্ৰয়োগ লক্ষ্য কৰা যায়, যাৰ অৰ্থ অহি ।[৭২] 'যজুৰ্বেদ'ত 'সাপ'ক বুজোৱাৰ ক্ষেত্ৰত 'সৰ্প' পদৰ প্ৰয়োগ পৰিদৃষ্ট হয় । অৱশ্যে 'যজুৰ্বেদ'ত উল্লেখ থকা মন্ত্ৰৰ জৰিয়তে সৰ্পৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে যদিও ইয়াক পূজা বা উপাসনা ৰূপে আখ্যা দিয়া টান ।[৭৩]

বেদত থকা উল্লিখনবোৰৰপৰা আন নহলেও এটা কথা ঠাৱৰ কৰিব পাৰি যে, অসুৰ, দস্যু, দানৱ আদিৰ জৰিয়তে আৰ্য্যসকলৰ বিৰুদ্ধে ঠিয় হোৱা আৰ্য্য

৬৭. ঋগ্বেদ ১।৩২।২
৬৮. ঋগ্বেদ ১।৩২।১১
৬৯. ঋগ্বেদ ১।৩২।১১ ; ১।১০৩।২,৭ ; ১।১৩০।৪ ; ২।১৩।৫
৭০. ঋগ্বেদ ১।৫১।৬ ; ২।১১।২০ ; ২।১৪।৪
৭১. ঋগ্বেদ ৪।৫৫।৬, ৬।৪৯।১১ ; ৬।৫০।১৪
৭২. ঋগ্বেদ ১০।৬৪।৪
৭৩. মৈত্ৰায়ণী সংহিতা ২।৭।১৫

পূৰ্ব ভাৰতীয় উপজাতিসমূহক ইংগিত কৰা হৈছে। বিজেতা আৰ্য্যসকলে বিজিত উপজাতিসমূহৰ মাজত প্ৰাচীন কালৰেপৰা পৰম্পৰাগতভাৱে চলি অহা সৰ্প-পূজাক সম্পূৰ্ণভাবে বিতাৰণ কৰিবলৈ ব্যৰ্থ প্ৰয়াস কৰাৰ স্পষ্ট ইংগিত পোৱা যায় পৰবৰ্তী বৈদিক মন্ত্ৰত-য়'ত সৰ্প-পূজাৰ স্পষ্ট ইংগিত পোৱা যায়।[৭৪]

'অথৰ্ববেদ'ত বিষ-প্ৰতিকাৰ-কুশল দেৱতাসকলক প্ৰাৰ্থনা কৰা হৈছে— সৰ্পৰ আক্ৰমণৰপৰা আত্মৰক্ষা কৰিবলৈ। সৰ্পৰ মাৰাত্মক দংশনৰপৰা ৰক্ষা পৰিবৰ বাবে অসিত নামৰ কৃষ্ণবৰ্ণ বিশিষ্ট সৰ্পাধিপতি তিৰশ্চিৰাজি (তিৰ্য্যক দিশৰ ফালে যাৰ বলয়), বভ্ৰুবৰ্ণ স্বজ (নিজে যি জন্মে) আদি সৰ্পৰ প্ৰতি নমস্কাৰ জনোৱা হৈছে। আনকি সৰ্পৰ মুখখন যাতে ৰুদ্ধ হৈ থাকে তাৰ বাবেও নমস্কাৰ কৰা দেখা যায়।[৭৫]

ভৈষজ্যৰদ্বাৰা সৰ্প বিষ নিবাৰণ আৰু মন্ত্ৰৰদ্বাৰা সৰ্পবিষৰ চিকিৎসা কৰ্মত মধুক্ৰীড় অভিমন্ত্ৰিত হোৱাৰ উল্লেখ পোৱা যায় 'অথৰ্বেদ'ত।[৭৬] 'অথৰ্ববেদ'ত সৰ্পৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে যদিও সৰ্পই পূৰ্ণ দেৱতা বা দেৱী ৰূপত পূজা বা উপাসনা লাভ কৰিবলৈ সক্ষম হোৱা নাই। অৱশ্যে পৰবৰ্তী বৈদিক সাহিত্যত গন্ধৰ্ব আৰু আন আন অৰ্দ্ধদেৱ-দেৱীৰ (Semi god and goddess) দৰে সৰ্পদেৱতাই স্থান লাভ নকৰাকৈ থকা নাই। এই জাতীয় অৰ্দ্ধদেৱতাই পৃথিৱী, আকাশ আৰু স্বৰ্গত বিচৰণ কৰে।[৭৭] 'অথৰ্ববেদ'ত নিৰ্দিষ্ট সৰ্প দেৱতাক স্তুতি কৰাৰ উল্লেখো নথকা নহয়।[৭৮]

উপৰৰ আলোচনাৰপৰা সহজেই অনুমান কৰিব পাৰি যে, আৰ্য্যসকলে যদিও পোনতে সৰ্প-পূজাৰ বিৰোধিতা কৰিছিল তত্ৰাচ শুদ্ধিৰ মাধ্যমত তেওঁলোকে সৰ্প-পূজাক ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু উপসনা-পৰিক্ৰমাত স্থান দিবলৈ বাধ্য হৈছিল আৰু এই কাৰণেই পৰবৰ্তী কালত ৰচিত হোৱা ধৰ্মশাস্ত্ৰত

৭৪. P. K. Maity, *op-cit*, p. 17
৭৫. অথৰ্ববেদ ৩।১-৩
৭৬. অথৰ্ববেদ ৬।২।১।৪-৬
৭৭. বাজসনেয় সংহিতা ১৩।৬
তৈত্তিৰীয় ব্ৰাহ্মণ ৩।১, ১৭
৭৮. অথৰ্ববেদ ১১।৯
A. A. Macdonell : *Vedic Mythology*, p.153

সৰ্প-পূজাৰ উল্লেখ পোৱা যায়। 'গৃহ্যসূত্ৰ'ত কোৱা হৈছে যে, বাৰিষাৰ চাৰিমাহ গৃহপতিৰ সৈতে পৰিয়ালবৰ্গ মাটিত শোৱা নিষিদ্ধ। শাওণ মাহৰ পূৰ্ণিমা তিথিত ধৰ্মীয় অনুষ্ঠান এটি উদ্‌যাপন কৰি পৰিয়ালৰ প্ৰত্যেক জন সদস্যই উচ্চ শয্যাত শয়ন কৰা উচিত। আঘোণ মাহৰ পূৰ্ণিমা তিথিত 'প্ৰত্যৱৰোহণ' নামৰ এটি ধৰ্মীয়কৃত্য উদ্‌যাপন কৰি আকৌ আনুষ্ঠানিকভাৱে মাটিত শয়ন কৰিবলৈ এইখন সূত্ৰত কোৱা হৈছে। শাওণ মাহৰ পূৰ্ণিমাত সৰ্পক সন্তুষ্ট কৰিবৰ বাবে 'শ্ৰাৱণ-যজ্ঞ' উদযাপন কৰিব লাগে। ইয়াৰ পিছৰে পৰা গৃহস্থৰ পৰিয়ালবৰ্গই মাটিত শোৱা ৰীতি পৰিহাৰ কৰি উক্ত তিথিৰপৰা আঘোণ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা 'প্ৰত্যৱৰোহণ' কৃত্যলৈকে প্ৰতিদিনে সৰ্প ভয় নিবাৰণৰ অৰ্থে সৰ্পৰ উদ্দেশ্যে পূজা-উপাসনা আগবঢ়োৱা উচিত।[৭৯] 'বৌধায়ন-গৃহ্যসূত্ৰ'ত সৰ্প ভয় নিবাৰণৰ অৰ্থে 'সৰ্পবলি' নামৰ কৃত্য পালন কৰিবলৈ কোৱা হৈছে।[৮০] 'সৰ্পবলি' যজ্ঞ বা কৃত্য সম্ভৱ অনুষ্ঠিত হৈছিল শ্ৰাৱণৰ পূৰ্ণিমা তিথিত। 'নাগ পঞ্চমী'য়ে 'সৰ্পবলি' যজ্ঞৰ পৰম্পৰা বৰ্তমানো অব্যাহতভাৱে ৰক্ষা কৰিছে।

'মহাভাৰত'ত নাগ বা সৰ্পৰ জন্ম সম্পৰ্কীয় এটি সৃষ্টিমূলক পুৰাণ-কথা (creation myth) পোৱা যায়। উক্ত পুৰাণ-কথাটিৰ কথাংশ (motif) সমূহ তলত দিয়া হ'ল :

জগৎ সৃষ্টিৰ পূৰ্বে প্ৰজাপতিৰ বাহিৰে আন একো নাছিল। উত্তৰাধিকাৰী সূত্ৰে প্ৰজাপতিৰ পদবী লাভ কৰিলে কশ্যপে। প্ৰজাপতি ব্ৰহ্মাৰ কন্যা কদ্ৰু আৰু বিনতাক কশ্যপে বিয়া কৰালে। এদিনাখন প্ৰজাপতি কশ্যপে কদ্ৰু আৰু বিনতা উভয়কে মনোমত বৰ প্ৰাৰ্থনা কৰিবলৈ নিৰ্দেশ দিলে। তদনুক্ৰমে কদ্ৰুৱে প্ৰাৰ্থনা কৰিলে এহেজাৰ সৰ্প পুত্ৰ ৰূপে পাবলৈ আৰু বিনতাই প্ৰাৰ্থনা কৰিলে সৰ্পকুলক ধ্বংস কৰিবৰ বাবে যোগ্যবান দুটি পুত্ৰ। কশ্যপে উভয়ৰে প্ৰাৰ্থনা মঞ্জুৰ কৰি 'তথাস্তু' বুলি কলে। পাঁচশ বছৰৰ মূৰত কদ্ৰুই প্ৰসৱ কৰিলে এহেজাৰ কণী আৰু সেই কণীৰপৰা শেষ, বাসুকি আদি নাগৰ জন্ম হ'ল। বিনতায়ো দুটি কণী প্ৰসৱ কৰিলে আৰু সেই কণীৰপৰা ক্ৰমে অৰুণ আৰু গৰুড়ৰ জন্ম হ'ল। ইন্দ্ৰৰ ঘোঁৰাটোৰ নেজভাল বগা নে ক'লা—এই বিষয়টোক লৈ এদিন দুয়ো সতিনীয়েকৰ মাজত কথাৰ কটাকটি হ'ল। বিনতাই কলে

৭৯. আশ্বলায়ন গৃহ্যসূত্ৰ ২।১।৯
৮০. বৌধায়ন গৃহ্যসূত্ৰ ৩।১০।২

বোলে ইন্দ্ৰৰ ঘোঁৰাটোৰ নেজডাল বগা। কদ্ৰুৱে কলে বোলে নহয়, দেৱৰাজৰ ঘোঁৰাটোৰ নেজডাল ক'লা। অৱশেষত কথাটোৰ চয়-নিশ্চয় কৰিবৰ বাবে দুয়ো সতিনীয়েকে সিদ্ধান্ত কৰিলে, লগতে সিদ্ধান্ত কৰা হ'ল যিজনী পৰাজিত হ'ব তেওঁ বিজিতা জনীৰ দাসী হ'ব লাগিব। কদ্ৰুৰ নিৰ্দেশমতে তেওঁৰ পুত্ৰ সৰ্প-বিলাকে ইন্দ্ৰৰ ঘোঁৰাৰ নেজডাল মেৰাই পেলালে। পূৰ্বৰ চুক্তিমতে দুয়ো সতিনীয়েক গ'ল—ঘোঁৰাটোৰ ওচৰলৈ। চুক্তি অনুসৰি বিনতা কদ্ৰুৰ দাসী হবলৈ বাধ্য হ'ল। অৱশেষত গৰুড়ে স্বৰ্গৰপৰা অমৃত আনি মাতৃ বিনতাক দাসীত্বৰপৰা উদ্ধাৰ কৰে। শক্ৰৰদ্বাৰা সেই অমৃত অপহৃত হোৱা বাবে কদ্ৰুৱে তেওঁৰ পুত্ৰসবক অভিশাপ দিয়ে। সমুদ্ৰ মন্থনৰ সময়ত অনন্ত আৰু বাসুকি নাগে দেৱ দানৱ উভয়কে সহায় কৰে।[৮১]

পৰীক্ষিতৰ ব্ৰহ্মশাপ, তক্ষক নাগৰদ্বাৰা পৰীক্ষিতক দংশন, পৰীক্ষিতৰ পুত্ৰ জন্মেজয়ৰ সৰ্পযজ্ঞ, আস্তিক মুনিৰদ্বাৰা সৰ্পকুল ৰক্ষা আদিৰ বৰ্ণনাও 'মহাভাৰত'ত পোৱা যায়।[৮২]

ইন্দ্ৰ-বৃত্ৰ-পুৰাণ-কাহিনীৰ (myth) লগত জন্মেজয়ৰ সৰ্পযজ্ঞৰ সাদৃশ্য নথকা নহয়। এই দুয়োটা পুৰাণ-কাহিনীৰ জৰিয়তে সৰ্প-উপাসনাৰ প্ৰতি আৰ্য্যসকলে পোষণ কৰা কঠোৰ মনোভাৱৰ আভাস পাব পাৰি।[৮৩] অৱশ্যে এই অনুমান সম্পূৰ্ণভাৱে মানি লোৱা টান এই কাৰণেই যে, বৈদিক দেৱতা ইন্দ্ৰই ইতিমধ্যে সৰ্পৰক্ষকৰ ভূমিকাও গ্ৰহণ কৰিছে—যিহেতু জন্মেজয়ৰ সৰ্পযজ্ঞৰ পৰিণতিত তক্ষকে ইন্দ্ৰৰ ৰাজসিংহাসনৰ তলত আশ্ৰয় লাভ কৰিছিল। দ্বিতীয়তে, ইন্দ্ৰ-বৃত্ৰ মিথটো জন্মেজয়ৰ সৰ্প-যজ্ঞতকৈ অনেক প্ৰাচীন। এইফালৰপৰা ইন্দ্ৰ-বৃত্ৰ আৰু জন্মেজয়ৰ সৰ্পযজ্ঞ উভয় পুৰাণ-কথাৰ মাজত যোগসূত্ৰ স্থাপন কৰা টান।

ঘ. সৰ্প-পূজাৰ পদ্ধতি

ভাৰতবৰ্ষত প্ৰচলিত সৰ্প-পূজা-পদ্ধতিক প্ৰধানভাৱে চাৰিটা ভাগত ভগাব পাৰি। যেনে :

১. জীৱন্ত সৰ্প-পূজা (theriomorphic form),

২. সৰ্পবলি কৃত্য,

৮১. মহাভাৰত, আদিপৰ্ব ১৫-১৮

৮২. মহাভাৰত, আদি ৩১৮-৩৭, ৪৬-৫৩

৮৩. A. P. Karmarkar, *op-cit*, p. 190

৩. নাগমূৰ্তিৰ-পূজা (therioanthropomorphic form) আৰু

৪. নৰ ৰূপত পূজা (anthropomorphic form)।

১. জীৱন্ত সৰ্প-পূজা (Theriomorphic form) : অতি প্ৰাচীন কালত যে, ভাৰতবৰ্ষত জীৱন্ত সৰ্পক পূজা কৰা হৈছিল তাৰ পৰিচয় পোৱা যায় গ্ৰীক-সকলৰ লেখাত। Aelian-এ লিখিছে যে, আলেকজেণ্ডাৰে ভাৰতবৰ্ষ আক্ৰমণ কৰাৰ সময়ত দেখিবলৈ পাইছিল যে, পৰাজিত ভাৰতীয়সকলৰ অনেকে অন্য জন্তুৰ লগতে সৰ্পকো পূজা কৰিছিল। সাধাৰণতে পৰ্বতৰ গুহাত জীৱন্ত বিশাল সৰ্প এডাল ৰাখি পৰম শ্ৰদ্ধা আৰু ভক্তিসহ উপাসনা কৰা হৈছিল। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, খৃ. পূ ৪ৰ্থ শতিকা বা ইয়াৰ পূৰ্বৰে পৰা পঞ্জাবত জীৱন্ত সৰ্প-পূজা কৰাৰ পৰম্পৰা প্ৰবহমান আছিল।[৮৪] অকল ভাৰতবৰ্ষতেই নহয় পৃথিৱীৰ বিভিন্ন সংস্কৃতিতো প্ৰাচীন কালত জীৱন্ত সৰ্পক পূজা-উপাসনা কৰা হৈছিল। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, অসমৰ ৰাভাসকলেও অতীততে গুহাবাসী জীৱন্ত সৰ্পক নৰবলি সহ উপাসনা কৰিছিল। সাপৰ ওজা (medicine-man) বা ওজা জাতীয় লোকে সৰ্প পুহিছিল আৰু সৰ্প ধৰিবৰ বাবে যাদুমূলক কৃত্য উদ্‌যাপন কৰিছিল আৰু সৰ্পৰ লগত জৰিত এই যাদুমূলক কৃত্যাদিয়েই পৈ শেহাস্তত ধৰ্মমতত (cult) পৰিণতি লাভ কৰিব পাৰে।[৮৫]

২. সৰ্পবলি কৃত্য : 'গৃহ্যসূত্ৰ'ত 'সৰ্পবলি' কৃত্যৰ বিস্তৃত বৰ্ণনা দিয়া হৈছে। সৰ্পক সন্তুষ্ট কৰিবলৈ শ্ৰাৱণ মাহৰ পূৰ্ণিমাত যি কৃত্য অনুষ্ঠিত হয় সেয়ে 'সৰ্পবলি' কৃত্য। 'সূত্ৰ'ৰ সময়ত সৰ্পক পূজা কৰাৰ বিভিন্ন পদ্ধতিৰ সৃষ্টি হৈছিল।[৮৬] এনে পদ্ধতিৰ ভিতৰত 'বলিহৰণ কৃত্য' উল্লেখযোগ্য। 'বলিহৰণ' প্ৰাত্যহিক বা নিত্য কৃত্য—যি কৃত্যত অন্যান্য দেৱ-দেৱীক পূজা-বলি দিয়াৰ বাহিৰেও বাস-গৃহ বা উপাসনা-গৃহৰ কোণত সৰ্প-দেৱতা বাসুকিৰ উদ্দেশ্যে পূজা এভাগ দিয়া হয়। 'বলিহৰণ কৃত্য'ৰ লগত সাধাৰণভাবে মিল থকা পদ্ধতিৰ প্ৰচলন ভাৰতৰ বিভিন্ন স্থানত দেখা দেখা যায়। এইবোৰ অঞ্চলত মাটি বা

৮৪. P. K. Maity, *op-cit,* P. 36

৮৫. *Ibid*

৮৬. Apte, V. M : *Social and Religious Life in the Gṛhya-Sūtras* (Bombay, 1954), pp. 119-22

গোবৰবে নাগ বা সৰ্পৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰি অথবা ঘৰৰ বেৰ নাইবা মজিয়াত সৰ্পৰ চিত্ৰ অংকন কৰি পূজা কৰে।[৮৭]

৩. **নাগমূৰ্তিৰ পূজা :** সৰ্প বা নাগৰ মূৰ্তি নিৰ্মাণ কৰি পূজা কৰাৰ পৰম্পৰা অতিকে প্ৰাচীন। এনেধৰণৰ মূৰ্তিৰ প্ৰধান বৈশিষ্ট্য মানৱ-সৰ্প উভয় মটিফৰ সমাহৰণ অৰ্থাৎ এই জাতীয় মূৰ্তিৰ আধা অংশ মানৱ বা মানৱী বাকী আধা অংশ সৰ্প। নৰ-সৰ্প মটিফ বিশিষ্ট (therioanthropomorphic) মূৰ্তি-পৰম্পৰাই নৃ-ৰূপত সৰ্পদেৱতাৰ মূৰ্তি কল্পনাৰ পথ সুগম কৰি দিছে।

৪. **নৃৰূপত সৰ্প পূজা :** সময়ৰ অগ্ৰগতিৰ লগে লগে সৰ্পদেৱতাই নৃৰূপ পৰিগ্ৰহ কৰি দেৱীৰূপত পূজা লাভ কৰিবলৈ সক্ষম হ'ল বিশেষকৈ অসম, বংগদেশ, বাংলাদেশ, বিহাৰ, পূব উত্তৰ প্ৰদেশ, গুজৰাত, মহাৰাষ্ট্ৰ আদিত। এই গৰাকী দেৱীয়েই মনসা, পদ্মা, বিষহৰী আদি নামেৰে পৰিচিতা।

৮৭. W. Crooke, *op-cit,* pp. 272-73

দ্বিতীয় অধ্যায়

সৰ্পদেৱী মনসা ঃ উৎপত্তি ঃ বিকাশ আৰু পৰম্পৰা

ক. সৰ্পদেৱী মনসা :

মনসা দেৱীৰ ৰূপকল্পনা সৰ্প-পূজাৰ এক উন্নত অভিব্যক্তি। মনসাক প্ৰতিষ্ঠা কৰা হৈছে উষা আৰু নক্তী, অশ্বিন্‌সকল, সোম, গন্ধৰ্ব আৰু অপ্সৰা, শ্ৰী আৰু সৰস্বতী, আৰায়ী আৰু নিঋ'তি এনে বৈদিক দেৱ-দেৱী আৰু দেৱী-ভূত বা অৰ্দ্ধদেৱীভূত ধাৰণাৰ ওপৰত। পাহাৰৰ পৰা আবিৰ্ভূতা কম্বোজ কন্যাৰ ধাৰণা পূৰ্ব বৈদিক যুগৰ আৰু এই ধাৰণাৰ পৰা ইয়াৰ সম্পৰ্ক যে, অসমৰ কোঁচ, মেচ, বৰো আদি গোষ্ঠীৰ লগত আছিল তাক ধৰিব পাৰি।

দ্বিতীয়তে, বৌদ্ধধৰ্মৰ অৱনতিৰ সময়ত হিন্দু দেৱ-দেৱী আৰু বৌদ্ধ দেৱ-দেৱী উভয়ৰ মাজত সমাহৰণ প্ৰক্ৰিয়া চলিছিল আৰু তাৰেই পৰিণতিত বৌদ্ধধৰ্মত স্থান লাভ কৰা জাংগুলী দেৱীয়ে মনসা ৰূপেৰে আত্মপ্ৰকাশ কৰা স্বাভাৱিক।

তৃতীয়তে, লোকধৰ্মত স্থানপোৱা লোক দেৱী, স্থানীয় অথবা গ্ৰাম্য দেৱীৰ ধাৰণাৰ লৈতে সৰ্পদেৱীৰ ধাৰণা একীভূত হৈ মনসা দেৱীৰ উদ্ভৱ আৰু বিকাশ হ'ব পাৰে।[১] স্বৰূপাৰ্থত দক্ষিণ ভাৰতৰ 'মাৰিয়ম্মন' আৰু উত্তৰ ভাৰতৰ 'মনসা', গ্ৰাম্য বা স্থানীয় দেৱতাৰ আঞ্চলিক জনপ্ৰিয় অথবা সাৰ্বিকীকৰণৰ পৰিণতি মাথোন।[২] এই কাৰণেই মনসাৰ চাৰিত্ৰিক অভিব্যক্তিত গ্ৰাম্যদেৱতাৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়।

প্ৰথমতে, গ্ৰাম্যদেৱতাবিলাক প্ৰায়ে স্ত্ৰীদেৱতা। হেনৰি হোৱাইটহেডৰ মতে দক্ষিণ ভাৰতৰ সৰহ সংখ্যক গ্ৰাম্যদেৱতাই স্ত্ৰীদেৱী।[৩] সৰ্পদেৱতা মনসাও স্ত্ৰীদেৱতাহে।

---

১. A. Bhattacharyya : *The Sun and the Serpentlore of Bengal* (Calcutta, 1977), p. 134

২. David Kinsley : *Hindu Goddesses* (Delhi, 1987), p. 197

৩. H, Whitehead : *Village Gods of South India*, (Delhi, 1976), PP. 17-18

দ্বিতীয়তে, গ্ৰাম্যদেৱতাৰ নৃৰূপ বিশিষ্ট প্ৰতিমা নাথাকে। অৱশ্যে সৰ্পদেৱী মনসাৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম দেখা যায়; যিহেতু মনসাৰ নৃৰূপ বিশিষ্ট প্ৰতিমাৰ প্ৰসাৰতা লক্ষ্য কৰা যায়।

তৃতীয়তে, গ্ৰাম্যদেৱতাই কোনো এখন গাওঁ বা অঞ্চল বিশেষৰ জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখে। লাহে লাহে এনে শ্ৰেণীৰ দেৱীয়ে সাৰ্বিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে মহতী দেৱীত্ব (Great Devihood) লাভ কৰে। মনসা বিশেষ এক অঞ্চলৰ গ্ৰাম্যদেৱী, কিন্তু সাৰ্বিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে তেওঁ মহতী দেৱীত্ব লাভ কৰিছে।

চতুৰ্থতে, গ্ৰাম্যদেৱতাই মাৰি-মৰক, অপায়-অমংগল বিদূৰণ কৰোতা আৰু সুখ-শান্তি প্ৰদাতা উভয় দেৱতাৰ ভূমিকা সম্পাদন কৰে। মনসাৰ চাৰিত্ৰিক অভিব্যক্তিতো এই উভয়ভূমিকাই গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। কল্যাণ প্ৰদাতা আৰু অকল্যাণ কামিতা উভয় প্ৰকাৰ্য্যই মনসাৰ চৰিত্ৰত বৰ্তমান।

Lynn E. Gatwood-ৰ মতে মনসা দেৱী, কিন্তু বৰ্তমান অৱস্থাত তেওঁৰ প্ৰতিমা, প্ৰকৃতি আৰু পূজা-পদ্ধতি স্পষ্টভাবে বুজা কষ্টকৰ।[৪] দেৱীৰ অভিব্যক্তিত বৰ্তমান থকা পাঁচোটা বৈশিষ্ট্যৰ ভিতৰত চাৰিটা বৈশিষ্ট্য মনসাৰ অভিব্যক্তিত পৰিদৃষ্ট হয়। এই দিশৰ ফালৰপৰা মনসাক দেৱী বোলাত আপত্তি থাকিব নোৱাৰে। মনসাৰ নীতিশাস্ত্ৰীয় প্ৰকৃতিত (ethical nature) একীকৃত দ্বিমুখী (unified bipolarity) বৈশিষ্ট্য স্পষ্ট; যিহেতু এফালে তেওঁ সৰ্প সদৃশ ভয়াবহ, অন্যহাতে তেওঁ প্ৰাণ ৰক্ষক। সৰ্প দংশন জনিত মৃত্যুৰপৰা ৰক্ষিকা হিচাবে তেওঁৰ অধিকাৰৰ সীমা গাঁও পৰ্য্যন্ত বিস্তৃত। তেওঁৰ সামাজিক আৰু লৈঙ্গিক প্ৰতীকৰ প্ৰসংগত বৈদিক ব্যাখ্যাৰ অভাৱ আৰু আপাত দৃষ্টিভংগীত তেওঁৰ পূজাত কঠোৰ তপশ্চৰ্য্যাৰ প্ৰাধান্য নাই। তেওঁৰ বৈৱাহিক স্বাতন্ত্ৰ্য পত্নীকৰণ ক্ৰিয়াৰদ্বাৰা উপক্ৰান্তিত। পৌৰাণিক ব্যাখ্যাৰ (mythic elaboration) দ্বাৰা তেওঁক বৈদিক পৰম্পৰাৰ লগত সম্পৃক্ত পদ্মা অথবা বিষ্ণুপত্নী লক্ষীৰ লগত একত্ৰীকৰণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। মূৰ্ত্তিকলাত শেষনাগশায়ী বিষ্ণুৰ চৰণত লক্ষীয়ে পূজা কৰি থকা দেখা যায়।[৫] ইয়াৰ

৪. Lynn E, Gatwood : *Devi and the Spouse Goddess* (Delhi, 1985), P. 128

৫. Heinrich Zimmer : 'The Goddess' in *Myths and Symbols in Indian Art and Civilization*, ed. Joseph Cambell, (New York, 1946), p. 61

বিপৰীতে মনসাকৃত্যৰ পৰিসীমাই সিন্ধু গছকহে সামৰে। সৰ্পক আহবান কৰা, গৰুৰ গোৱৰত মনসাক উপাসনা কৰা আদি নগ্নতাৰ প্ৰতীক। পূজাৰ প্ৰসংগত মনসাক পত্নীদেৱীৰূপে আহ্বান কৰা হয়। এই ফালৰ পৰা দেখা যায় যে, মনসাত মহাদেৱী অৰ্থাৎ পত্নীদেৱীৰ বৈশিষ্ট্য প্ৰকটিত হৈছে। ইয়াৰ বাহিৰে মনসাৰ অভিব্যক্তিত, স্বতন্ত্ৰ সত্ত্বাসম্পন্না দেৱীৰ বৈশিষ্ট্য ৰক্ষিত হোৱা দেখা যায়।[৬]

সময়ৰ অগ্ৰগতিত মনসা-ধৰ্মমতৰ লগত মনসা-কথাবৃত্ত সম্পৃক্ত হৈ পৰিল। মনসা দ্বৈতাদেৱী, এহাতে তেওঁ মাৰি মৰক, অপায়-অমঙ্গল নাশিনী, সুখ-শান্তি, ধন-দৌলত, পুত্ৰ-ভাৰ্য্যা প্ৰদায়িনী; অন্যহাতে তেওঁ মৃত্যু, বিনাশ আৰু দুৰ্ভাগ্যৰদেৱী। মনসা-কথাবৃত্তৰ উদ্ভৱ-বিকাশ আৰু ক্ৰমাগ্ৰসৰণৰ পূৰ্বেই দেৱী গৰাকীয়ে দ্বৈতাদেৱীৰ অভিব্যক্তি আৰু কাৰ্য্যকৰ্ত্ৰীৰ ৰূপ পৰিগ্ৰহ কৰিছিল, তত্ৰাচ তদানীন্তন বিশ্বাসত অন্য দ্বিতীয় এগৰাকী দেৱীৰ ভূমিকাৰ কথাও অস্বীকাৰ কৰিব নোৱাৰি, অৱশ্যে এই গৰাকী দেৱীৰ ভূমিকা তেনেই সীমিত আছিল। সেই দেৱী গৰাকী বৰ্তমানো মনসা-কথাবৃত্তৰ পৰা চ্যুত হোৱা নাই, তেৱেঁই নেতা, মনসাৰ ভনীয়েক, বান্ধৱী, দাৰ্শনিক আৰু পথ-প্ৰদৰ্শক।

কোনো কোনো পণ্ডিতৰ মতে মনসা-পদটো দ্ৰাবিড়ীয় ভাষা সম্ভূত। দক্ষিণ ভাৰত দ্ৰাবিড়ীয় দেশ নামেৰেও পৰিচিত। কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, তামিল ৰাজ্য আদিত সৰ্পদেৱী মঞ্চাম্মা, মুদাম্মা, নাগম্মা বা বালনাগম্মা আদি ৰূপে পৰিচিত।[৭] মঞ্চাম্মা পদৰ পৰা মনসা পদটো আহিব পাৰে। অন্যহাতে সায়নাচাৰ্য্যৰ মতে পুংলিংগবাচক 'মনস্' পদটো 'ঋগ্বেদ'ত সন্নিবেশিত হৈছে।[৮] চন্দ্ৰগোমিনেও 'মনসা' নামটো উল্লেখ কৰিছে প্ৰবচন ৰূপে: 'মনসো নাম্নি।' পাণিনিৰ 'অষ্টাধ্যায়'তো মনসা পদটোৰ উল্লেখ পোৱা যায়; 'মনসো সংজ্ঞায়াম্।' বৌদ্ধ সাহিত্যতো মনসাৰ আন এটি অভিব্যক্তিৰ আভাস পোৱা যায়—তেওঁ বিষনাশিনী দেৱী; যেনে: 'অমলে বিমলে নিৰ্মলে মনসে মহা-মনসে অচ্যুতে অদ্ভুতে মুক্তে জীৱতে ৰক্ষ স্বাস্তিং সৰ্বোপদ্ৰৱেভ্যঃ স্বাহা।' 'মহামনস্' পদটো বিজয়ী দেৱতাসকলৰ বিশেষণ ৰূপে প্ৰয়োগ কৰা হৈছে

---

৬. Lynn E. Gatwood, *op-cit*, p. 128

৭. আশুতোষ ভট্টাচাৰ্য্য (সম্পা): বাইশ কবিৰ মনসা-মঙ্গল, ভূমিকা, পৃ. ১২

৮. ঋগ্বেদ ৫।৪৪।১০

'ঋগ্বেদ'ত।[৯] 'মনসা' পদটো নিঃসন্দেহে 'মনস্' শব্দৰ লগত সম্পৰ্কযুক্ত। 'মনস্' শব্দৰ অৰ্থ মন। গতিকে ইয়াৰ লগত 'কৌশিক সূত্ৰ'ত উল্লেখ থকা মনাই দেৱীৰ সম্বন্ধ স্থাপন কৰিব পাৰি। 'কৌশিক-সূত্ৰ'ত মনাইয়ে দেৱীৰ বিশেষত্বসমূহ লাভ কৰিছে, যেনে: 'মনায়ৈ তন্তুম প্ৰথমং পশ্যং।'

'মনসা' পদটো 'মনস্' শব্দৰ তৃতীয়াৰ একবচন ৰূপ। ইয়াৰ অৰ্থ-মনৰদ্বাৰা বা মনেৰে। নাম সূচিত কৰাৰ প্ৰসংগত তৃতীয়া বিভক্তিৰ প্ৰয়োগ ব্যাকৰণ সিদ্ধ নহয়। অভিধেয়াৰ্থত সংস্কৃত ব্যাকৰণৰ সূত্ৰ অনুযায়ী প্ৰথমা বিভক্তিহে প্ৰয়োগ কৰা হয়। তেনে অৱস্থাত 'মনসা' পদৰ প্ৰয়োগো ব্যাকৰণ দুষ্ট হ'ব নোৱাৰে, যিহেতু 'মনসা সৃষ্টা দেৱী' অৰ্থাৎ মনৰ পৰা যাৰ উৎপত্তি। শিৱৰ মনৰপৰা উৎপত্তি হোৱা দেৱী গৰাকীয়েই মনসা।

'ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ' আৰু 'দেৱীভাগৱত-পুৰাণ'ৰ মতে মনসাদেৱীৰ জন্ম হৈছিল মহৰ্ষি কশ্যপৰ মনৰ পৰা। সেইবাবে দেৱীগৰাকীৰ নাম মনসা: "কন্যা সা চ ভগৱতী কশ্যপস্য চ মানসী। তেনেয়ং মনসাদেৱী মনসা যা চ দীব্যতি॥"[১০]

তেওঁৰ নাম কিয় 'মনসা' হ'ল আৰু তেওঁক কিয় দেৱী আখ্যা দিয়া হয় তাৰ কৈফিয়তো দুয়োখন পুৰাণে প্ৰায় একেদৰে দিছে: তেওঁ মনেৰে পৰমাত্মা পৰমেশ্বৰৰ ধ্যান কৰে, সেইবাবে তেওঁ 'মনসা' আৰু তেওঁ মানৱৰ মনত ক্ৰীড়া কৰে, সেই হেতু তেওঁ দেৱী ৰূপে প্ৰসিদ্ধা: 'মনসা ধ্যায়তে যা বা পৰমাত্মা-নমীশ্বৰম্। তেন সা মনসাদেৱী যোগেন তেন দীব্যতি॥'[১১]

মনসাই তিনি যুগ ধৰি পৰমাত্মা শ্ৰীকৃষ্ণৰ উদ্দেশ্যে তপস্যা কৰি সিদ্ধা যোগিনী ৰূপে আত্ম প্ৰকাশ কৰে: "আত্মাৰামা চ সা দেৱী বৈষ্ণৱী সিদ্ধযোগিনী। ত্ৰিযুগঞ্চ তপস্তপ্তা কৃষ্ণস্য পৰমাত্মনঃ॥'[১২]

'দেৱী-ভাগৱত' আৰু 'ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ'ৰ মতে মনসা শিৱৰ কন্যা নহয়, শিষ্যাহে, সেইবাবে মনসাৰ আন এটা নাম 'শৈৱী': 'শিৱশিষ্যা চ সা দেৱী

---

৯. ঋগ্বেদ ১০।১০৩।৯

১০. 'সা চ কন্যা ভগৱতী কশ্যপস্য চ মানসী। তেনৈব মনসাদেৱী মনসা বা চ দীব্যতি॥'—দেৱীভাগৱত ৯।৪৭।৩৯

১১. ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ, প্ৰকৃতি খণ্ড ৪৫।৩
দেৱীভাগৱত ৯।৪৭।৪০

১২. ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ, প্ৰকৃতিখণ্ড ৪৫।৪; দেৱীভাগৱত ৯।৪৭।৪১

তেন শৈৱীতি কীর্ত্তিতা।'[১৩]

'দেৱী-ভাগৱত' আৰু 'ব্রহ্মবৈৱর্ত্তপুৰাণ'ৰ মতে ভগবান শ্রীকৃষ্ণই সর্বপ্রথমে মনসা-পূজা কৰাইছিল আৰু কৰিছিলে।[১৪] ইয়াৰ পিছত ভগবান শিৱ আৰু কশ্যপৰদ্বাৰা মনসা দেৱী পূজিতা হয়।[১৪ক]

ইয়াৰ বিপৰীতে মনসাৰ লোক কথাৰত্ত আৰু 'পদ্মা-পুৰাণ'ৰ মতে মনসা শিৱৰ বীর্য্য সম্ভূতা কন্যা। মনসাৰ জন্ম কোনো স্ত্রীৰ গর্ভত হোৱা নাছিল। বিল্বফলৰ সৈতে গৌৰীৰ স্তন যুগলৰ সাদৃশ্য শিৱৰদ্বাৰা পৰিলক্ষিত হোৱাৰ লগে-লগে তেওঁৰ বীর্য্যপাত হয়। শিৱই স্ববীর্য্য সৰোবৰস্থ পদ্ম-পত্ৰত স্থাপন কৰে। পদ্ম-নলাৰে সেই বীর্য্য যায় পাতালপুৰলৈ। পাতালত বাসুকি নাগে নির্মাণিৰ জৰিয়তে শিৱৰ সাদৃশ্যত মনসাক সৃষ্টি কৰে। গতিকে শিৱৰ বীর্য্যৰপৰা মনৰ ইচ্ছানুসাৰে মনসাক সৃষ্টি কৰা বাবেই বোধকৰোঁ 'মনসা সৃষ্টা দেৱী' ৰূপে অভিহিত হৈছে। নাৰায়ণ দেৱৰ 'পদ্মা-পুৰাণ'ৰ মতেও মনৰ পৰা মনসাদেৱীৰ জন্ম : 'মনত জন্মিলা কন্যা নাম জে মনসা।' অন্যহাতে মনকৰৰ মতে 'সতাই মাৰুক' দংশন কৰা বাবেহে দেৱী গৰাকীৰ নাম মনসা : 'মাৰুক ডংকিয়া ভৈলা মনসাই নাম।'

অসমৰ পাতি ৰাভা সকলৰ ধর্মীয় বিশ্বাসত মনসাদেৱী সর্প-দেৱী নহয়, তেওঁ অনাদি গোঁহাইৰ নিশ্বাসৰ পৰা জন্ম লাভ কৰা এগৰাকী দেৱী :

'জিনি পুত ধিয়ানত যায় তাক গোঁহায় বৈয়া চায়
তাক দেখি তেজ নিঃসৰে ॥
তেজ নিঃসৰিলা মনসা কামানি হৈলা
উপজিলা গোঁহায়ৰ দাইন পাশে।'[১৫]

পাতিৰাভা সকলৰ মাজত প্রচলিত মনসাদেৱীৰ জন্ম সম্পৰ্কীয় পুৰাণ-

---

১৩. ব্রহ্মবৈৱর্ত্ত-পুৰাণ, প্রকৃতিখণ্ড, ৪৫।৮ , দেৱীভাগৱত ৯।৪৭।৪৫

১৪. 'বাঞ্ছিতঞ্চ দদৌ তস্যৈ কৃপয়া চ কৃপানিধিঃ।
পূজাঞ্চ কাৰয়ামাস চকাৰ চ স্বয়ং প্রভুঃ ॥—দেৱীভাগৱত ৯।৪৭।৪৩
ব্রহ্মবৈৱর্ত্ত-পুৰাণ, প্রকৃতিখণ্ড ৪৫।৬

১৪ ক. দেৱীভাগৱত ৯।৪৮।২২
ব্রহ্ম বৈৱর্ত্ত-পুৰাণ, প্রকৃতিখণ্ড ৪৬।২৩

১৫. প্রাণেশ্বৰ ৰাভা (সম্পা) : মায়াৱন্তী বিষহৰি, পৃ. ৪১

কথাৰ লগত বংগীয় কবি জগজীৱনৰ 'মনসা-মংগল'ত বৰ্ণিত মনসাৰ জন্ম সম্পৰ্কীয় কথাবৃত্তৰ হুবহু মিল দেখা যায়।

অনাদি গোঁসাইৰ জ্বলন্ত চিতাত জাপ দি মনসাই আত্মহত্যা কৰে আৰু ইয়াৰ পিছত তেওঁ দুৰ্গা ৰূপে হেমগিৰি ঋষিৰ ঘৰত জন্ম গ্ৰহণ কৰে।১৬ সৰোবৰত ৰাজহংসাদিৰ ক্ৰীড়াৰ দ্বাৰা মহাদেৱৰ মন বিচলিত হৈ উঠে আৰু ইয়াৰ পৰিণতি স্বৰূপে তেওঁৰ ৰেতঃপাত হয়। মহাদেৱে তেওঁৰ নিৰ্গত বীৰ্য্য পদ্ম-পত্ৰত স্থাপন কৰে আৰু পদ্ম-নলাৰে গৈ সেই কাম পাতাল পুৰত উপনীত হয়। সেই ৰেতৰপৰা জন্ম হয় পদ্মাৱতীৰ।১৭ সুকবি নাৰায়ণ দেৱৰ মতেও পদ্মপত্ৰত জন্ম হোৱা দেৱী গৰাকীৰ নাম পদ্মাৱতী: 'পদ্মপত্ৰে জন্ম হৈলা পদ্মাৱতী নাম থৈলা।'

'দেৱী-ভাগৱত'ত উল্লেখ আছে যে, কশ্যপঋষিৰ মানস কন্যা মনসাই লক্ষ্মীদেৱী বা কমলাদেৱী। অৰ্থাৎ মনসা আৰু লক্ষ্মী বা কমলাৰ মাজত সমাহৰণ প্ৰক্ৰিয়া সংঘটিত হোৱাৰ লিখিত প্ৰমাণ এইখনি পুৰাণত পোৱা যায়:

> যে ত্বাং ন পূজয়িষ্যন্তি নিন্দন্ত্য জ্ঞানতো জনাঃ।
> লক্ষ্মীহীনা ভৱিষ্যন্তি তেষাং নাগভয়ং সদা॥
> ত্বং স্বয়ং সৰ্বলক্ষ্মীশ্চ বৈকুণ্ঠে কমলালয়া।
> নাৰায়ণাংশো ভগবান্ জৰৎকাৰুমুৰ্নীশ্বৰঃ।।১৮

শ্ৰী, লক্ষ্মী, কমলা-এই তিনিও গৰাকী সৌভাগ্যৰ দেৱী। একীকৰণ প্ৰক্ৰিয়াৰ সংযোগত লক্ষ্মীৰ লগত শ্ৰী আৰু কমলা নিমজ্জিত হোৱা স্বাভাৱিক। এটি মূৰ্ত্তিত মনসা গজবাহিনীৰূপে চিত্ৰিত হৈছে। এই ৰূপত তেওঁ গজলক্ষ্মী, মূলতঃ সম্ভৱ নাগলক্ষ্মী; যিহেতু নাগৰ অৰ্থ সাপ আৰু হাতী উভয়ে হব পাৰে। 'পৌমাৱঈ চৰিঅ' নামৰ জৈন সাহিত্যতো সৰ্পৰ অধিষ্ঠাত্ৰীদেৱীক 'পৌমাৱঈ' (পদ্মাৱতী) আখ্যা দিয়া দেখা যায়। তেওঁ কচ্ছপ দৈত্য কমঠাসুৰৰ পত্নী। কচ্ছপ আৰু ধৰ্মদেৱতাৰ সম্পৰ্ক অনস্বীকাৰ্য্য। কচ্ছপৰ পত্নী হিচাবে পদ্মাৱতীৰ লগত ধৰ্মদেৱতাৰ সম্পৰ্ক অস্বীকাৰ কৰিব নোৱাৰি। লোক-বিশ্বাসত ধৰ্ম-দেৱতাই মনসা ৰূপে অৱতীৰ্ণ হৈছিল। এইকালৰপৰা মনসা ধৰ্মদেৱতাৰ শক্তি।

---

১৬. প্ৰাণেশ্বৰ বাড়া (সম্পা), প্ৰা. উ. গ্ৰ, পৃ. ৫৭-৫৮
১৭. উ. গ্ৰ. পৃ. ১৬২
১৮. দেৱী-ভাগৱত ৯।৪৮।১৩৩-৩৪

অন্যহাতে পদ্মাদেৱীও ধৰ্মদেৱতাৰ অৱতাৰ বিশেষ। এই কাৰণেই বোধকৰোঁ মনসা বা পদ্মাৱতী-পূজাৰ অনুষংগত ধৰ্মদেৱতাকো এভাগ পূজা আগবঢ়োৱা হয়।

পদ্মানামটো আহিছে পদ্মৰপৰা। পদ্মৰ লগত সম্পৰ্ক বিজৰিত দেৱী গৰাকীয়েই পদ্মা। জলধৰ্মমতত (Water-cult) গন্ধৰ্ব আৰু অপ্‌সৰাৰ মাজত বৰ্তমান থকা সম্বন্ধৰ তাৎপৰ্য্য দেখুৱাবলৈ 'পদ্ম-পত্ৰ'ৰ উল্লেখ পোৱা যায়। "অথৰ্ববেদ'ৰ বৈৰাজ স্তোত্ৰত ইয়াৰ আভাস পোৱা যায়; যেনে: "সোদক্ৰামৎ সা গন্ধৰ্বাপ্সৰস আগচ্ছৎ তাং গন্ধৰ্বাপ্সৰস উপাহ্বয়ন্ত পুণ্যগন্ধ এহীতি ॥ তস্যাশ্চিত্ৰৰথঃ সৌৰ্য্যবৰ্চসো বৎস আসীৎ পুষ্কৰপৰ্ণং পাত্ৰম্ ॥"[১৯]

লোক-পৰম্পৰা আৰু লিখিত পৰম্পৰাত প্ৰচলিত মনসাৰ নাম সমূহৰ ভিতৰত তলত উল্লেখ কৰা বাৰটা নাম 'ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ' আৰু 'দেৱী-ভাগৱত'ত পোৱা যায়। যেনে: (১) জৰৎকাৰু, (২) জগদ্‌গৌৰী, (৩) শৈৱী, (৪) বৈষ্ণৱী, (৫) নাগেশ্বৰী, (৬) নাগভগিনী, (৭) বিষহৰী, (৮) সিদ্ধ-যোগিনী, (৯) মহাজ্ঞানযুতা (১০) আস্তিক মাতা (১১) মনসা আৰু (১২) জৰৎকাৰু প্ৰিয়া।[২০]

মনসা দেৱীৰ চাৰিত্ৰিক আৰু প্ৰকাৰ্য্যাত্মক দিশৰ প্ৰতি লক্ষ্য ৰাখি তেওঁক বিষহৰী* আখ্যা দিয়া হৈছে। স্বৰূপাৰ্থত বিষহৰী নাম (বিশেষ্য) নহয় গুণবাচক উক্তিহে (epithet)। বিষনাশ কৰে বুলি দেৱীগৰাকীৰ নাম বিষহৰী। বিষহৰি বা বিষহৰী পদটোৱে দুটা অৰ্থ নিৰ্দেশ কৰে: (ক) বিষধৰ (বিষ কঢ়িওৱা) আৰু 'বিষহৰ' (বিষ নাশক)। প্ৰথম ব্যুৎপত্তি বিশেষে সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসাক ইংগিত কৰে, লগতে বিষ যিজনীয়ে ধাৰণ কৰে সেই দেৱী গৰাকীকো বুজাব পাৰে (বিষধাত্ৰী)। দ্বিতীয় ব্যুৎপত্তিটোৱে মনসাক পৰোক্ষভাৱে জীৱন-দাত্ৰী দেৱীৰূপে প্ৰতিষ্ঠা প্ৰদান কৰে; অৰ্থাৎ এই দেৱী গৰাকীয়ে বিষ হৰণ বা নাশ কৰিব পাৰে।

---

১৯. অথৰ্ববেদ ৮।৬।৫-৬

২০. ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ, প্ৰকৃতি খণ্ড ৪৫।১৫-১৬
দেৱী-ভাগৱত পুৰাণ ৯।৪৭।৪৯-৫২

* 'বিষহৰী' পদটো ব্যাকৰণ সন্মত নহয়, সংস্কৃত 'বিষহৰ' শব্দৰ স্ত্ৰীলিংগ ৰূপ 'বিষহৰা' আৰু 'বিষহাৰী' পদৰ স্ত্ৰীলিংগ ৰূপ 'বিষহাৰিণী' হোৱা বিধেয়। গতিকে সংস্কৃতত 'বিষহৰী' শব্দটো অৰ্বাচীন প্ৰয়োগ যেন লাগে।

'মহাভাৰত'ৰ মতে বিষহৰী, বিদ্যা বিশেষহে, যাৰ সহায়ত সৰ্পৰ বিষ নাশ কৰিব পাৰি। যেনে :

ইত্যুক্ত্বা সৃষ্টিকৃদ্ দেৱস্তং প্ৰসাৰ্য্য প্ৰজাপতিম্ ।
প্ৰাদাদ্ বিষহৰীং বিদ্যাং কশ্যপায় মহাত্মনে ॥[২১]

[এই বুলি কৈ সৃষ্টিকৰ্তা ব্ৰহ্মাই প্ৰজাপতি কশ্যপক প্ৰসন্ন কৰি সেই মহাত্মাক সৰ্পৰ বিষ নাশ কৰিব পৰা বিদ্যা প্ৰদান কৰিলে।]

শেষলৈ বিষহৰী বিদ্যা যুক্তা নাগকন্যা গৰাকীয়েই বিষহৰীৰূপে আত্ম প্ৰকাশ কৰিলে আৰু মনসাৰ লৈতে তেওঁ একীভূতা হৈ পৰিল। সেই কাৰণে আস্তিকমুনিৰ মাতা জৰৎকাৰুকো বিষহৰী আখ্যা দিয়া হৈছে। নাগকন্যা আৰু বাসুকিৰ ভগ্নী স্বৰূপে তেওঁ বিষহৰণ কৰিব পাৰে। এই কাৰণে তেওঁৰ নাম বিষহৰী। 'ব্ৰহ্মবৈবৰ্ত-পুৰাণ' আৰু 'দেৱী-ভাগৱত'ৰ মতেও বিষ হৰণ কৰিবলৈ সমৰ্থা বাবেই দেৱী গৰাকীৰ নাম বিষহৰী।[২২]

সুকবি নাৰায়ণদেৱে তেওঁৰ 'পদ্মা-পুৰাণ'ত 'বিষহৰণ কাৰী'ৰ অৰ্থ নিৰ্দেশ কৰাৰ প্ৰসংগত 'বিষহৰী' গুণবাচক নামটো প্ৰয়োগ কৰিছে। মনসা দেৱীৰ চাৰিত্ৰিক বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে দেখা যায় যে, বিষ-সংযোগ আৰু 'বিষ-হৰণ' এই দুয়োটা গুণেই তেওঁৰ চৰিত্ৰত বৰ্তমান। উদাহৰণ স্বৰূপে মাহীমাক চণ্ডিকা, শিৱ, চন্দ্ৰধৰৰ ছয়পুত্ৰ লখাই আদিক বিষহৰীৰদ্বাৰা বধ কৰোৱা হৈছে আৰু বিষহৰীৰ দ্বাৰাই তেওঁলোকক পুনৰ্জীৱন প্ৰদান কৰা হৈছে।

মনসাৰ আন এটি উল্লেখযোগ্য গুণবাচক উক্তি (epithet) হৈছে জৰৎকাৰু। 'মহাভাৰত'ৰ মতে বাসুকি ভগ্নী-নাগকন্যা গৰাকীৰ নাম জৰৎকাৰু :

'বাসুকেঃ সৰ্পৰাজস্য জৰৎকাৰুঃ স্বসা কিল।'[২৩]

'জৰা' শব্দৰ অৰ্থ ক্ষয় আৰু 'কাৰু' শব্দৰ অৰ্থ দাৰুণ। দাৰুণ বা কঠোৰ তপস্যাৰদ্বাৰা যি নিজৰ শৰীৰ ক্ষয় কৰিছিল তেৱেঁই জৰৎকাৰু। জৰৎকাৰু পদে যাযাবৰ কুলোত্তৱ ঋষি আৰু বাসুকি ভগ্নী-নাগকন্যা (মনসা) উভয়কে বুজায়। যেনে :

---

২১. মহাভাৰত ১।২১।১৬
২২. 'বিষং সংহৰ্ত্তুমীশা সা তেন বিষহৰীতি সা।।' ব্ৰহ্মবৈবৰ্ত্ত-পু. প্ৰ. খ, ৪৫।১০
'বিষং সংহৰ্ত্তুমীশা যা তেন বিষহৰী স্মৃতা।' দেৱীভাগৱত-পুৰাণ ৯।৪৭।৪৭
২৩. মহাভাৰত ১।৩৮।১৬

'জৰেতি ক্ষয়মাহুৰ্বৈ দাৰুণং দাৰুসংজ্ঞিতম্ ।
শৰীৰং কাৰু তস্যাসীৎ তৎ স ধীমাঞ্শনৈঃ শনৈঃ ॥
ক্ষপয়ামাস তীব্ৰেণ তপসেত্যত উচ্যতে ।
জৰৎকাৰুৰিতি ব্ৰহ্মণ্ বাসুকেৰ্ভগিনী তথা ॥'[২৪]

জৰৎকাৰু মুনিৰ দৰে বাসুকি-ভগ্নী জৰৎকাৰুৰো তপস্যাৰদ্বাৰা শৰীৰ কৃশ হৈছিল : 'সনাম্নী তব কন্যেয়ং স্বসা মে তপসাম্বিতা ।'[২৫]

'ব্ৰহ্মবৈবৰ্ত-পুৰাণ' আৰু 'দেৱীভাগৱত'ৰ মতেও মনসাদেৱীৰ শৰীৰ তপস্যাৰদ্বাৰা বাৰ্দ্ধক্যগ্ৰস্ত আৰু ক্ষীণকায় হোৱা বাবে শ্ৰীকৃষ্ণই দেৱীগৰাকীক 'জৰৎকাৰু' নাম দিছিল । যেনে :

জৰৎকাৰু শৰীৰঞ্চ দৃষ্ট্বা যাং ক্ষীণমীশ্বৰঃ ।
গোপীপাতৰ্নাম চক্ৰে জৰৎকাৰুৰিতি প্ৰভুঃ ॥
বাঞ্ছিতঞ্চ দদৌ তস্যৈ কৃপয়া চ কৃপানিধিঃ ।[২৬]

'মহাভাৰত'ৰ মতে স্বৰ্গগত পিতৃসকলৰ সন্তুষ্টিৰ অৰ্থে আৰু বাসুকিৰ অনুৰোধ ৰক্ষা কৰিবৰ বাবে জৰৎকাৰুৱে[২৭] একে নাম বিশিষ্ট বাসুকি-ভগ্নী জৰৎকাৰুক[২৮] পৰিণয় কৰিবলৈ প্ৰতিশ্ৰুত হ'ল দুটা চৰ্তত : (ক) পত্নীৰ ভৰণ পোষণৰ দায়িত্ব তেওঁ গ্ৰহণ নকৰে ; আৰু (খ) পত্নীয়ে তেওঁৰ কোনো অপ্ৰিয় কাম কৰিব নোৱাৰিব, ব্যতিক্ৰম হলেই তেওঁ পত্নীক ত্যাগ কৰিব :

'ন ভৰিষ্যেঽহমেতাং বৈ এষ মে সময়ঃ কৃতঃ ।
অপ্ৰিয়ং চ ন কৰ্তব্যংকৃতে চৈনাং ত্যজাম্যহম্ ॥'[২৯]

অৱশেষত জৰৎকাৰু ঋষিৰ বিবাহ সম্পাদিত হ'ল নাগকন্যা জৰৎকাৰুৰ সৈতে । ভৰণ-পোষণৰ দায়িত্ব ললে জ্যেষ্ঠ ভ্ৰাতৃ বাসুকিয়ে । ঋষি জৰৎকাৰুৱে পত্নীৰ ঋতু ৰক্ষা কৰিলে আৰু তেওঁ গৰ্ভৱতী হ'ল । তেনে অৱস্থাত এদিন কিবা কাৰণত ক্ষুণ্ণ হৈ বিমলিপৰত পত্নীৰ কোলাত মূৰ থৈ তেওঁ শোৱাৰ লগে লগে

---

২৪. মহাভাৰত ১।৪০।৩-৪

২৫. মহাভাৰত ১।৪৭।২ ; ২৬. ব্ৰহ্মবৈবৰ্ত-পুৰাণ, প্ৰ. খ. ৪১।৫-৬
দেৱী-ভাগৱত ৯।৪৭।৪২

২৭. 'যাযাবৰকুলে ধীমান্ ভৱিষ্যতি মহানৃষিঃ ।
জৰৎকাৰুৰিতি খ্যাতস্তপস্বী নিয়তেন্দ্ৰিয়ঃ ॥'—মহাভাৰত ১।৩৮।১২

২৮. 'মম কন্যা সনাম্নী যা ভৈক্ষ্যৱচ্চোদিতা ভৱেৎ ।
তবেয়ং চৈব যাং বাহং তাংমে কন্যাং প্ৰয়চ্ছৎ ॥'

২৯. মহাভাৰত ১।৪৭।৩

চকা পাটত বহিবলৈ উপক্ৰম কৰা দেখি সন্ধ্যা ভংগ হোৱাৰ ভয়ত জৰৎকাৰুৱে স্বামী জৰৎকাৰুক জগাই দিলে। শান্তি ভংগ কৰাৰ অপৰাধত স্বামী জৰৎকাৰুৱে পত্নীক পৰিত্যাগ কৰিলে। সেই মুহূৰ্তত জৰৎকাৰুৰ পত্নীয়ে তেওঁৰ গৰ্ভ ৰক্ষা কৰিবৰ বাবে স্বামীক অনুৰোধ কৰিলে। তদনুক্ৰমে জৰৎকাৰু ঋষিয়ে পত্নীৰ গৰ্ভত হাত দি কলে: 'অয়ং অস্তি।' সেইবাবে জৰৎকাৰু ঋষিৰ বীৰ্য্য সম্ভূত আৰু পত্নী জৰৎকাৰুৰ গৰ্ভজাত পুত্ৰ সন্তানটিৰ নাম হ'ল আস্তিক (আস্তীক)।[৩০]

'মহাভাৰত', 'ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ' আৰু 'দেৱীভাগৱত'ৰ মতে মনসা কশ্যপৰ মানস কন্যা আৰু জৰৎকাৰু, বাসুকি-ভগ্নী, জৰৎকাৰু-পত্নী আৰু আস্তিক-মাতা। 'মহাভাৰত'ত 'মনসা' আৰু জৰৎকাৰু'ৰ মাজত একত্ৰীকৰণ কৰিবলৈ প্ৰয়াস কৰা দেখা নাযায়। অন্যহাতে 'ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ' আৰু 'দেৱীভাগৱত'ত মনসা আৰু জৰৎকাৰুৰ মাজত একত্ব স্থাপন কৰিছে।

সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত মনসা কশ্যপৰ মানস কন্যা নহয়, শিৱৰহে আৰু ঋষি জৰৎকাৰুৱে মনসাক বিয়া কৰোৱা বাবে তেওঁৰো নাম হ'ল জৰৎকাৰু। 'পদ্মা-পুৰাণ'ৰ মতেও মনসাই জৰৎকাৰু আৰু আস্তিকৰ মাতা। দ্বিতীয়তে, অসম, বংগদেশ আদিত প্ৰচলিত মনসা-কথা বৃত্তত উল্লেখ আছে যে, শিৱইহে তেওঁৰ জীয়েক মনসাক জৰৎকাৰুৰ লগত বিয়া দিছিল, বাসুকিয়ে দিয়া নাই।

'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ' আৰু 'দেৱী-ভাগৱত'ত মনসা 'জগদ্‌গৌৰী' নামেৰেও পৰিচিতা। মনসাদেৱী স্বৰ্গ, নাগলোক, পৃথিৱী, ব্ৰহ্মলোক আৰু সমগ্ৰ জগতত গৌৰী-গৌৰবৰ্ণা আৰু মনোৰমা আছিল। সেইবাবে তেওঁ 'জগদ্‌গৌৰী' নামেৰে পৰিচিতা হয়।[৩১] 'পদ্মা-পুৰাণতো এই নামটোৰ উল্লেখ পোৱা যায়: 'জগত-গৌৰিৰ সনে, বাদ কৰ অকাৰনে, কিছো ৰক্ষা নাপাইবোহো তোৰে ॥'

'মনসা' বৈষ্ণৱী নামেৰেও পৰিচিতা। মনসা আছিল অতিকে বিষ্ণু ভক্তি পৰায়ণা। সেইবাবে তেওঁ 'বৈষ্ণৱী' ৰূপেও অভিহিতা।[৩২]

---

৩০. মহাভাৰত ১।৪৭।৪-৪৩

৩১. স্বৰ্গে চ নাগলোকে চ পৃথিব্যাং ব্ৰহ্মলোকতঃ।
ভৃশং জগৎসু গৌৰী সা সুন্দৰী চ মনোহৰা ॥
জগদেগাৰীতি বিখ্যাতা তেন সা পূজিতা সতী।'—ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ, প্ৰ. খ., ৪৫।৭-৮; দেৱী-ভাগৱত ৯।৪৭।৪৪-৪৫

৩২. 'বিষ্ণুভক্তাতীৱ শশ্বদ্ বৈষ্ণৱী তেন নাৰদ।' -ব্ৰহ্মবৈৱৰ্ত্ত-পু, প্ৰ. খ, ৪৫।৯
'বিষ্ণু ভক্তাতীৱ শশ্বদ্বৈষ্ণৱী তেন কীৰ্ত্তিতা।' -দেৱীভাগৱত ৯।৪৭।৪৬

'নাগেশ্বৰী' নামেৰেও মনসা জনাজাত এই কাৰণেই যে, তেওঁ জন্মেজয় নৃপতিৰদ্বাৰা উদ্‌যাপিত সৰ্পযজ্ঞত সহোদৰ নাগবিলাকৰ জীৱন ৰক্ষা কৰিছিল : "নাগানাং প্ৰাণৰক্ষিত্ৰী যজ্ঞে পাৰিক্ষিতস্য চ। নাগেশ্বৰীতি বিখ্যাতা সা নাগভগিনীতি চ।'৩৩

বাসুকিৰ ভগ্নী বুলি মনসা নাগভগিনীৰূপে জনাজাত।৩৪ মনসা সিদ্ধ-যোগিনী নামেৰেও পৰিচিতা, যিহেতু তেওঁ মহাদেৱৰ পৰা সিদ্ধযোগ লাভ কৰিছিল : 'সিদ্ধযোগং হৰাৎ প্ৰাপ্য তেন সা সিদ্ধযোগিনী।'৩৫

গোপনীয় মহাজ্ঞান, মৃত সঞ্জীৱনী আদি বিদ্যাত মনসা নিপুণা, সেইবাবে তেওঁ মহাজ্ঞানযুতা ৰূপে পৰিচতা।৩৬

আস্তিক (আস্তীক) মুনি মনসাৰ একমাত্ৰ পুত্ৰ। সেইবাবে তেওঁক আস্তিক মাতাও বোলে।৩৭

মনসাৰ উপৰোল্লিখিত গুণ বাচক উক্তি বা নামৰ বাহিৰেও আৰু কেইটিমান নামৰ প্ৰয়োগ মৌখিক বা লিখিত পৰম্পৰাত প্ৰচলিত হৈ থকা দেখা যায়। এই নামবোৰেও মনসাৰ চাৰিত্ৰিক অভিব্যক্তিৰ আভাস দিব পাৰে। উদাহৰণ স্বৰূপে এনে ধৰণৰ কেইটিমান নামৰ উল্লেখ তলত কৰা হ'ল। যেনে :

কানী : মনসা বা পদ্মাদেৱী জনসমাজত কানী নামেৰেও পৰিচিতা। সাধাৰণতে চন্দ্ৰধৰে কানী নামটোৰে সৰ্প-দেৱী মনসাক ভৰ্ৎসনা কৰিছিল :

'সাতপুত্ৰ মৈল মোৰ খণ্ডিল ঝগৰ।
চুন কালি পৰক কানিৰ মুখৰ উপৰ ॥
পুত্ৰ মৈল বুলি জদি খোটা দেই কানি।
তাইৰ জত জত খোটা আমি ভাল জানি ॥৩৮

---

৩৩. দেৱীভাগৱত ৯।৪৭।৪৬-৪৭ ; ৩৪. দে. ভা. ৯।৪৭।৪৭
ব্ৰহ্মবৈৱৰ্ত্ত, প্ৰ. খ. ৪৫।৯-১০ ; ব্ৰ. বৈ. প্ৰ. খ. ৪৫।১০
৩৫. দে. ভা. ৯।৪৭।৪৮ ৩৬. দে. ভা. ৯।৪৭।৪৮
ব্ৰ. বৈ. প্ৰ. খ. ৪৫।১১ ব্ৰ. বৈ. প্ৰ. খ. ৪৫।১১-১২
৩৭. দে. ভা. ৯।৪৭।৪৯
ব্ৰ. বৈ. প্ৰ. খ. ৪৫।১২-১৩
৩৮. পদ্মা-পুৰাণ (ভাটীয়ালী খণ্ড), পদ ১৮৩

আৰু, 'একবাৰ মাৰি আচো হেমতাল বাৰি।
তেবে কানিক পুজা কৰিতে নাপাৰি ॥'[৩৯]

মাহীমাক চণ্ডীয়ে হাতৰ খাৰুৰে আঘাত কৰি মনসাৰ এটি চকু কণা কৰে, সেইবাবে তেওঁ কানী ৰূপেৰে পৰিচিতা :

'মাঞো নাহি বাপ হৰ দুষ্টালি সতাইৰ বৰ
এক চক্ষু কৰি আচে কান।'[৪০]

'ঋগ্বেদ'ত অলক্ষ্মী বা দুৰ্ভাগ্যৰ প্ৰতীক এগৰাকী দেৱীৰ উল্লেখ পোৱা যায়, তেওঁ কানী আৰু তেওঁক পৰ্বতলৈ যাবলৈ কোৱা হৈছে :

"অৰায়ি কাণে বিকটে গিৰিং গচ্ছ সদান্বে।'[৪১]

দুখ-দুৰ্ভাগ্যৰ (অৰ্থাৎ অলক্ষ্মী) দেৱী অৰায়ীৰ লগত মাৰি-মৰক আৰু দুখ-দুৰ্ভাগ্যৰ দেৱী মনসাৰ সাদৃশ্য পৰিলক্ষিত। অৰায়ীৰ দৰে মনসাও কানী। অৰায়ীৰ নিচিনাকৈ মনসাকো সন্তুষ্ট কৰি বিদায় দিয়া হয়। 'ঋগ্বেদত'-উল্লিখিত দেৱী গৰাকীৰ নাম অৰায়ী, বিশেষণ কানী। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, অৰায়ীদেৱীৰ ধাৰণা মনসাৰ অভিব্যক্তিত (এটা চকু কণা)সোমাইছে।

জাঙলী (জাঙ্গুলী) : বংগীয় মনসা কবি বিপ্ৰদাসৰ ৰচনাত মনসাৰ পৰিৱৰ্তে জাঙলী (জাঙ্গুলী) নাম বিশেষৰ প্ৰয়োগ দেখা যায়। 'সাধনমালা' নামৰ গ্ৰন্থত জাঙলী বা জাঙ্গুলী বিষ নাশিকা। তেওঁ শবৰ বালিকা আৰু আহিছে পৰ্বতৰ পৰা (তুলনীয় চৰ্য্যাপদ)। তেওঁ কিৰাত বালিকাৰো প্ৰতিনিধিত্ব কৰিছে।[৪২] 'অথৰ্ববেদ'ত সৰ্পৰ বিষ নাশক ভেষজ-বিদ্যাত পাৰ্গতা এগৰাকী কিৰাত কন্যাৰ উল্লেখ পোৱা যায় :

'কৈৰাতিকা কুমাৰিকা সকা খনতি ভেষজম্।
হিৰণ্যয়ীভিৰভ্ৰিভিৰ্গিৰীণামুপ সানুষু ॥'[৪৩]

শবৰ বা কিৰাত বালিকাই ক্ৰমবিৱৰ্তনৰ ধাৰাত মনসাদেৱীৰূপে আত্মপ্ৰকাশ কৰিব পাৰে। 'অথৰ্ববেদ'ত বিষনাশিকা দেৱীজনীক অনা-আৰ্য্য কৃষ্ণবৰ্ণা উৰুগূলাৰ পুত্ৰিকা বোলা হৈছে। উৰুগূলা কিৰাত কন্যা। যেনে :

---

৩৯. উ. গ্ৰ., পদ ৮৯০
৪০, উ. গ্ৰ., পদ ৪২
৪১, ঋগ্বেদ ১০।১৫৫।১
৪২. সাধনমালা ১১৯, ১২০, ১২১

'উৰুগূলায়া দুহিতা জাতা দাস্যাসিক্ন্যা ।
প্রতঙ্কং দদ্রুষীণাং সর্ব'াসমৰসং বিষম্ ।।'[৪৪]

সপ'ৰ বিষ নাশিকা আৰু সপ'কুলৰ শাসিকা স্বৰূপে 'কুৰুকুল্লা' নামৰ এগৰাকী দেৱীৰ উল্লেখ পোৱা যায় তান্ত্রিক বৌদ্ধ পৰম্পৰাত। 'কুৰুকুল্লা' নামটো বৈদিক 'উৰুগূলাৰ পৰা উদ্ভৱ হ'ব পাৰে। আকৌ বৈদিক পৰম্পৰাতে 'উৰুগূলা' পদ বা নামটো আহিব পাৰে 'অৰুদিয়ান' পৰম্পৰাৰ পৰা।

জ'াঙ্গুলী বিদ্যা'ত পাৰ্গত লোকজন সাধাৰণতে 'জাঙ্গুলিক' বা 'জাঙ্গলিক' ৰূপে পৰিচিত। 'জাঙ্গুলিক' বা 'জাঙ্গলিক'ৰ লিখিত উল্লেখ পোৱা যায় 'হৰ্ষচৰিত'ত। জাঙ্গুলিকসকল বিষবৈদ্য বা বিষৰ ওজা। তেওঁলোক ৰজা বা ৰাজকুমাৰৰ ওচৰলৈ নিয়মমতে আহিব লাগিছিল। 'জাঙ্গুলী' বা 'জাঙ্গুলিক' সকল 'জঙ্গল'ৰ লগত জৰিত। বৈদিক মন্ত্রত সপ'বিষৰ বিৰুদ্ধে কোৱা হৈছে যে, বিষক মৰুভূমিময় ঠাইলৈ ('ধন্বন্') পঠিয়াই শুকান (অৰস) কৰা হওক। 'অথৰ্ববেদ'ত উল্লেখ থকা 'জাঙ্গিড' শব্দৰ লগত 'জাঙ্গুলী' বা 'জাঙ্গলিক' পদৰ কিবা নহয় কিবা সম্পৰ্ক থাকিব পাৰে।

জগতী : পশ্চিম বংগ আৰু বাংলাদেশত মনসাদেৱীৰ সাধাৰণ পৰিচিত নাম জগতী। ইয়াৰ সমান্তৰাল ভাবে এইবোৰ অঞ্চলত 'জগত-গৌৰী' নামটোৰ সমাদৰো নথকা নহয়; যিহেতু পশ্চিমবংগ আৰু বাংলাদেশত সৰ্প-দেৱীক 'জগত-গৌৰী' ৰূপেহে পূজা কৰে।[৪৫]

'জগতী' পদটো 'জাগৃতী' পদৰ পৰা উদ্ভৱ হৈছে। মনসা সজাগতা সম্পন্না দেৱী। এই কাৰণে বোধকৰোঁ তেওঁক 'জগতী' আখ্যা দিব পাৰে। স্বৰূপাৰ্থত 'জগতী', মনসাৰ নাম নহয়, বিশেষণ বাচক উক্তিহে। বিপ্রদাসে 'জাগুলী' নামটোও প্ৰয়োগ কৰিছে আৰু এই পদটোও সম্ভৱ 'জাগৃতী'ৰ পৰা আহিছে। অন্যহাতে মনসা বাচক 'জাঙ্গুলী' পদৰ পৰাও এই পদটো আহিব পাৰে।[৪৬]

তোতলা (তোতোলা) : অসম, উত্তৰবংগ, বাংলাদেশ, বিহাৰ আদিত

৪৩. অথৰ্ববেদ ১০।২।১৩-১৪
৪৪. উ. গ্ৰ. ৫।১৩।১৮
৪৫. 'ব্ৰহ্মবৈৱৰ্ত-পুৰাণ' আৰু' দেৱীভাগৱত'ত উল্লেখ থকা 'জগত-গৌৰী' নামটোৰ ব্যুৎপত্তিগত অৰ্থ দিয়া হৈছে।
৪৬. 'জাগুলী'ৰ ব্যাখ্যা দ্ৰঃ।

সৰ্পদেৱী মনসাক বুজাবৰ বাবে 'তোতলা' বা 'তোতোলা' পদ বিশেষৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। তান্ত্ৰিক মহাযান ধৰ্ম-পন্থত (cult) 'তাৰা' নামৰ এগৰাকী দেৱী লক্ষ্য কৰা যায়। তেওঁ 'তুত্তাৰা' নামেৰেও পৰিচিতা। তান্ত্ৰিক মহাযান ধৰ্মশাখাৰ পৰম্পৰাত প্ৰচলিত এটা মন্ত্ৰত এইদৰে পোৱা যায়: 'ওম্ তাৰে তুত্তাৰে তুৰে হুম্ ফট্।' শেষত 'তাৰা' আৰু 'তুত্তাৰা'ই বৈদিকীকৰণ প্ৰক্ৰিয়াৰদ্বাৰা (Sanskritization) 'ত্বাৰিতা' ৰূপ পৰিগ্ৰহ কৰি তান্ত্ৰিক-ব্ৰাহ্মণ্য ধৰ্ম-পৰম্পৰাৰ পৰিসীমাত স্থান লাভ কৰিবলৈ সক্ষম হ'ল। তুত্তাৰা'ৰ লগত তোতলা'ৰ কিবা সম্পৰ্ক থাকিব পাৰে। 'তুত্তাৰা' শব্দৰপৰা 'তোতলা' শব্দৰ উদ্ভৱ হৈছে বুলিও ভবাৰ থল নোহোৱা নহয়।

অসমৰ মনসা কবি মনকৰে পদ্মাক বুজাবলৈ তেওঁৰ কাব্যত 'তোতোলা' পদটো ব্যৱহাৰ কৰিছে। যেনে:

'তোতোলাৰ চৰণে বন্দি গাই মনকৰ'।

ব্ৰহ্মাণী: বৈদিক পৰম্পৰাৰ লগত মনসা পৰম্পৰাক সম্পৃক্ত কৰিবলৈ কৰা প্ৰচেষ্টাৰ আভাস পোৱা যায়—সৰ্পদেৱী মনসাক 'ব্ৰহ্মাণী' আখ্যা দিয়াৰ পৰা। বৈদিক পৰম্পৰা অনুসৰি ব্ৰহ্মাণী অৰ্থাৎ সৰস্বতী প্ৰজাপতিৰ (ব্ৰহ্মাৰ) কন্যা। আপেক্ষিক ভাবে নব্য পুৰাণ-কথাত (myth) সৰস্বতী ব্ৰহ্মাৰ স্ত্ৰী আৰু সেইবাবে তেওঁ ব্ৰাহ্মীৰূপে পৰিচিতা হয়: 'ভাৰতী ভাৰতং গত্বা ব্ৰাহ্মী চ ব্ৰহ্মণঃ প্ৰিয়া।'[৪৭] 'শ্ৰীশ্ৰীচণ্ডী'ত সপ্তমাতৃকাৰ প্ৰসংগত ব্ৰহ্মাণী' 'নামটোৰ উল্লেখ পোৱা যায়।[৪৮] সৰস্বতীক ব্ৰাহ্মী বা ব্ৰহ্মাণী আখ্যা দিয়াত একপ্ৰকাৰে আপত্তি উঠিব নোৱাৰে; কিন্তু মনসাক ব্ৰহ্মাণী বোলাত আপত্তি উঠা স্বাভাৱিক। পিছে অসমৰ মনসা কবি মনকৰ আৰু নাৰায়ণদেৱেও সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসাক ব্ৰহ্মাণী বুলিছে; যেনে:

মনকৰ: 'বাহুড়া ব্ৰহ্মানি সৱক দেন্ত বৰ।'

---

৪৭. ব্ৰহ্মবৈবৰ্ত্ত-পু, প্ৰ. খ. ৭/২

৪৮. হংসযুক্তৱিমানাগ্ৰে সাক্ষসূত্ৰকমণ্ডলুঃ।
আয়াতা ব্ৰহ্মণঃ শক্তিৰ্ব্ৰহ্মাণী সাহভিধীয়তে॥
স্বামী জগদীশ্বৰানন্দ (সম্পা): শ্ৰীশ্ৰীচণ্ডী, (কলিকতা, ১৯৭২), ৮/১৫
কোনো কোনো পণ্ডিতৰ মতে বৈদিক আৰু মহাকাব্যীয় সাহিত্যত ব্ৰহ্মাণীৰ উল্লেখ পোৱা যায়।

নাৰায়ণদেৱ : 'অ ব্ৰহ্মানি মাই অপৰাধ ক্ষমা কৰা
মোৰে বাহুৰে পদোমাই।'

ইয়াৰ পৰা সহজেই অনুমান কৰিব পাৰি যে, পদোমাই অৰ্থাৎ পদ্মাৱতী বা মনসাই ব্ৰহ্মাণী। অন্যহাতে অসমৰ পাতিৰাভা সকলৰ মাজত নাগদেৱী পদ্মাৱতী বৰমানী (<ব্ৰহ্মাণী) ৰূপেহে পৰিচিতা। যেনে :

ক. থাকি আছে কাঁহাৰী সুৱৰ্ণ সিংহাসন।
শিতানে বসিয়া পদ্মা দেখুৱায় স্বপন ॥
কিতো কৰা কাঁহাৰী তই নিশ্চিন্তে থাকিয়া।
বৰমানীৰে তাল-নেপুৰ দিয়োৰে গঢ়াইয়া ॥[৪৯]

খ কিতো কৰা মাৰেয়া তই নিশ্চিন্তে থাকিয়া।
বঞ্জনী পুৰালে লাগে বৰমানী পুজিবা ॥[৫০]

গ. অ' মাৰেয়া পুজয় বিষহৰিৰে।
অ হায়ৰে জয় জয় বাহুৰা বৰমানী ॥[৫১]

বৈদিক দেৱী সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী। অৰ্বাচীন দেৱী মনসাত সৰস্বতীৰ গুণ আৰু বৈশিষ্ট্য আৰোপিত হ'ল, যিহেতু মনসাদেৱীক পূজিলে মাৰি-মৰক, অপায় অমংগল নাশ হোৱাৰ উপৰিও ধন লাভ হয় (লক্ষ্মী) আৰু বিদ্যালাভ হয় (সৰস্বতী)। সৰস্বতীৰ গুণ আৰোপিত হোৱা বাবে মনসাকো ব্ৰহ্মাণী আখ্যা দিব পাৰে। মনসাক আৰ্য্যায়িতা কৰাৰ ই এক সাৰ্থক প্ৰচেষ্টা।

বাহুৰা (বাহুড়া) : সৰ্প-দেৱী মনসা বা পদ্মাক বুজাবৰ বাবে কবি দুৰ্গাবৰে, 'বেহুলী' নামটো প্ৰয়োগ কৰিছে তেওঁৰ 'মনসাকাব্য'ত : "পোঞা বেহুলী মঙ্গল যে কৰন্ত সদায়" বাক্যটোত উল্লেখ কৰা 'পোঞা' (পদ্মা) আৰু 'বেহুলী' পদ দুটাই মনসা-বিষহৰীক বুজাইছে। 'বেহুলী' পদটোৰ বিকাশ হৈছে 'বেহুলা' (বেহুলা+ঈ) পদৰ পৰা। সুনীতি কুমাৰ চেটাৰ্জীৰ মতে 'বেহুলা' পদটো বিধুৰা পদৰপৰা উদ্ভৱ হৈছে। 'বিধুৰা' পদৰ অৰ্থ পৰিত্যক্ত ৰমণী, বিধবা, অকলশৰীয়া নাৰী। মনসা বা পদ্মাদেৱীৰ কথা-বৃত্তৰ বিষয়বস্তুত দৃষ্টি সম্পাত কৰিলে দেখা যায় যে, তেওঁ পৰিত্যক্তা নাৰী ;

---

৪৯. প্ৰাণেশ্বৰ ৰাভা (সম্পা) : মায়াৱন্তী বিষহৰি (কাচাদল, ১৯৮৭), পৃ.৪
৫০. উ. গ্ৰ., পৃ. ৬
৫১. উ. গ্ৰ., পৃ. ৯

বিয়াৰ প্ৰথম নিশাই স্বামীয়ে তেওঁক পৰিত্যাগ কৰিছিল।[৫২] সেইবাবে তেওঁক 'বিধুৰা' আখ্যা দিয়াৰ যুক্তি নোহোৱা নহয়। 'বিধুৰা' পদেই 'বাহুড়া' বা 'বাহুৰা' পদলৈ পৰিবৰ্তিত হ'ব পাৰে।

বিদ্যাৰতীৰ পদাৱলীত 'ব্যাড়ী' পদ বিশেষৰ উল্লেখ দেখা যায়। 'বাহুৰা' আৰু 'ব্যাল' পদৰ সংমিশ্ৰণত 'ব্যাড়ী' শব্দৰ সৃষ্টি হ'ব পাৰে। 'ব্যাড়ী' শব্দৰ অৰ্থ বাড়ী, ৰাৰী (বিধবা)। কবি নাৰায়ণ দেৱৰ ৰচনাত মুক্তেশ্বৰ তীৰ্থত বেউলাক শাপ দিয়াৰ প্ৰসংগত মনসাদেৱীক ৰাৰী ভিৰোতা ৰূপে চিত্ৰণ কৰাৰ লগত 'বাহুৰা' বা 'বাহুড়া' পদৰ মিল থাকিব পাৰে। যেনে :

'আপুনি বিধবা তই পৰকো কৰা ৰাণ্ডি।
বিধবা নহস তই দুৰাচাৰী ভাণ্ডি।।'

মনকৰ আৰু নাৰায়ণদেৱেও মনসা-পদ্মাৱতীক বুজাবৰ বাবে 'বাহুড়া' বিশেষণ বাচক উক্তিটি প্ৰয়োগ কৰা দেখা যায়। যেনে :

মনকৰ : 'বাহুড়া ব্ৰহ্মানি সৱক দেন্ত বৰ।"

নাৰায়ণদেৱ : 'হাতে সংখ ডণ্ড ধৰিয়া নামিলা বাহুৰে জয় ব্ৰহ্মানি।'

পণ্ডিৰাভা সকলৰ বিষহৰী-কথাবৃত্তত পৰম্পৰাগত ভাৱে প্ৰচলিত 'গীত-পদ'ত 'বাহুৰা' নামটোৰ প্ৰয়োগ দেখা যায়।[৫৩]

মঞ্চমা : 'মৰ্ত্য-মাৰ্তৃ' শব্দৰপৰা 'মঞ্চমা' পদৰ বিকাশ হব পাৰে।[৫৪] দক্ষিণ ভাৰতত প্ৰচলিত মনে-মঞ্চমা, নাগম্মা, মুদাম্মা আদি নামেৰে সৰ্পদেৱীক ইংগিত কৰা হৈছে। ইয়াৰ ভিতৰত 'মনেমঞ্চমা' নামটো বিশেষভাৱে উল্লেখযোগ্য। মহীশূৰৰ নিকটস্থ মন্দিৰ এটাৰ ভিতৰত থকা গৰ্তত জীৱন্ত সৰ্প এডালে বাস কৰি আছিছে বুলি বিশ্বাস প্ৰচলিত। এই সৰ্পডালৰ নামেই

৫২. "ভেৰে ৰাপ তৃপুৰাৰি বিয়া দিলা জত্ন কৰি
মুনিৰ কুমাৰ মাতি আনি।
পাপিষ্ঠিৰ কৰ্ম্মৰ ফলে প্ৰভু চাৰি গৈল মোৰে
এক ৰাতৃ নভৈল বসতি॥"—পদ্মা-পুৰাণ, ভাটীয়ালীখণ্ড, পদ ৪৩

৫৩. 'অ হায়ৰে জয় জয় বাহুৰা ৰৰমানী।'—মায়াৱতী বিষহৰি, পৃ. ৯

৫৪. মৰ্ত্য+মাতৃ>*মচ্চ, স্বতঃস্ফূৰ্ত নাসিক্যকৰণৰ জৰিয়তে মঞ্চমা।

মনে-মঞ্চমা।[৫৫] কোনো কোনো পণ্ডিতে আকৌ 'মঞ্চমা' শব্দৰ পৰাই 'মনসা' শব্দৰ উদ্ভৱ হোৱাৰ সপক্ষে যুক্তি দৰ্শায়।[৫৬] মনসাৰ দৰে মঞ্চমাও গ্ৰাম্য দেৱী। সৰ্প-পূজাৰ পৰম্পৰা দ্ৰাবীড় সকলৰপৰা অহা বুলি ভৱা পণ্ডিত গোষ্ঠীৰ মতে স্থানীয় দেৱী মঞ্চমাৰ সাৰ্বিকীকৰণ প্ৰক্ৰিয়াৰ পৰিণতিত মনসাদেৱীৰ জন্ম।

মাৰিম্মা বা মাৰম্মা : মাৰিম্মা বা মাৰম্মা কলেৰা-হাইজা আদি মাৰি-মৰকৰ দেৱী।[৫৭] মাৰম্মাৰ সাতজনী ভনী।[৫৮] মাৰম্মা বা মাৰিম্মাৰ প্ৰকাৰ্য্যাত্মক পৰিসৰৰ লগত সৰ্পদেৱী মনসাৰ সাদৃশ্য বৰ্তমান। মাৰম্মা বা মাৰিম্মাৰ দৰে মনসাও মাৰি-মৰকৰ দেৱী। নামনি অসম, মণিপুৰ আদি বিভিন্ন অঞ্চলত বৰ্তমানো মনসাক অপায়-অমংগল, মাৰি-মৰকৰ দেৱীৰূপে পূজা কৰে আৰু এইবাৰেই মনসা-পূজাক মাৰে বা মাৰৈ পূজা বোলে। গতিকে নামগতভাৱে নহলেও বিষয়গত আৰু কাৰ্য্যগত ভাৱে মাৰিম্মা বা মাৰম্মা আৰু মনসাৰ মাজত সাদৃশ্য দেখা যায়।

নাগমাতা : অসম, বংগদেশ, বাংলাদেশ আদিত মনসাদেৱী নাগমাতা ৰূপেও পৰিচিতা। সুকবি নাৰায়ণ দেৱেও মনসাদেৱীক নাগমাতা ৰূপে আখ্যা দিছে। 'বন্দনা-পদ'তো মনসাই 'নাগমাতা' ('সমস্ত নাগৰ তুমি মাতা') স্বৰূপে আত্ম প্ৰকাশ কৰিছে। সংস্কৃতত দেৱীগৰাকী 'নাগমাতৰম্বিকাং ৰূপে স্তুত হোৱা দেখা যায়। মনসা সৰ্পৰ দেৱী, বাসুকিৰ ভগ্নী, নাগকন্যা,

৫৫. "At the end of this week the Mane Manchi-Shrine, which remains closed all the year, is opened. It contains a hole resembling an ant-hill, which is said to be the abode of an unknown serpent, to which the name of Mane Manchamma is given. Prayers are offered here, chiefly by the men that are to swing on the Sidi, but also by the man that performs the "Human Sacrifice ceremony," which is now a semblance, not reality."
Henry Whitehead : *The Village Gods of South India,* (Delhi, 1976), pp. 81-82

৫৬. ইতিমধ্যে আলোচনা কৰা হৈছে।

৫৭. H. Whitehead, *op-cit*, p. 29

৫৮. *Ibid*, p. 32

নাগকুলৰ ঈশ্বৰী আৰু আস্তিকমাতা। আস্তিকে জন্মেজয়ৰ সৰ্প যজ্ঞৰপৰা সৰ্পকুলক ৰক্ষা কৰিছিল। এইবাবে মনসাক নাগমাতা আখ্যা দিয়া হৈছে।

দ্বিতীয়তে, শিৱবীৰ্য্যা মনসাক বাসুকি আদি নাগকুলে পৰমেশ্বৰী ৰূপে গ্ৰহণ কৰিছিল বাবেও তেওঁ নাগমাতা।

"সহস্ৰ নালে গৈয়া বীৰ্য্য পাতাল ভুৱন।
বাসুকিৰ নিকটে গৈয়া দিলা দৰিশন॥
* * *
ধ্যান কৰি বাসুকি জানিলা ততক্ষণ।
মহাদেৱ বীৰ্য্য আইল পাতাল ভুৱন॥
* * *
চাৰিখান হস্ত দিলা তিনিটা নয়ন।
শিৱৰ লক্ষণে কন্যা কৰিলা নিৰ্মাণ॥
* * *
নিৰ্ম্মিলা কন্যা তেবে মহা ৰূপৱতী।
শুভক্ষণে জন্ম হৈলা দেৱী পদ্মাৱতী॥
সহস্ৰ নালে গৈয়া বীৰ্য্য পাতাল ভুৱন।
পদ্মাৱতী জন্ম কথা শুন দিয়া মন॥
নাগলোকে পায়া কন্যা কৰিলা গঠন।
সেহি হেতু নাগমাতা ঘোষে সৰ্ব্বজন॥"[৫৯]

নাগলোকৰ দ্বাৰা নিৰ্মিতা হোৱা বাবে শিৱবীৰ্য্যা মনসাৰ নাম ৰখা হ'ল নাগমাতা।

নাৰায়ণী : মনসা-কথাবৃত্তত দেৱী গৰাকী নাৰায়ণী ৰূপেও পৰিচিতা। নাৰায়ণৰ পত্নী লক্ষ্মীয়েই নাৰায়ণী বা কমলা। পদ্মপত্ৰত জন্ম হোৱাৰ বাবে লক্ষ্মীৰ এটা নাম কমলা বা পদ্মা। মনসাৰ জন্মও পদ্মপত্ৰত, গতিকে তেওঁ পদ্মা বা কমলা। লক্ষ্মী আৰু মনসাৰ মাজত পৰৱৰ্তী কালত একত্ৰীকৰণ প্ৰক্ৰিয়াই স্থান পাইছিল। ইয়াৰ পৰিণতি স্বৰূপে মনসাই ধন-সম্পত্তি, ঐশ্চৰ্য্য-বিভূতিৰ দেৱী ৰূপে আত্মপ্ৰকাশ কৰিছিল অৰ্থাৎ লক্ষ্মী ৰূপেও সৰ্পদেৱী মনসা পূজিতা হৈছিল। সেইবাবে তেওঁ নাৰায়ণী। মনসা-বন্দনা-পদত উল্লেখ আছে : 'ত্ৰিজগত জননী, শিৱসুতা নাৰায়ণী, বিনা নাৰী জন্ম তোমাৰ॥' 'নাৰায়ণ অংশে' জন্ম হোৱা বাবে মনসাৰ নাম নাৰায়ণী হ'ব পাৰে।

---

৫৯. পদ্মা-পুৰাণ, পূজা-খণ্ড, পৃ ৮ক-খ

যোগমাতা : মনসাক 'যোগমাতা' আখ্যা দিয়া দেখা যায় বিশেষকৈ নাৰায়ণ দেৱৰদ্বাৰা ৰচিত এটি 'বন্দনা-পদ'ত :

"অতৰ্ক মহিমা জত বেদেও নাপাৰে তত্ত্ব
জোগমাতা হংস ৰথে গতি ॥'[৬০]

'ব্ৰহ্মবৈৱৰ্ত্ত-পুৰাণ' 'দেৱীভাগৱত' আদিত মনসাক 'সিদ্ধযোগিনী', অৰ্থাৎ যোগত সিদ্ধি লাভ কৰিছে যি ; এই ফালৰপৰা মনসাই 'যোগমাতা' ৰূপে ভূমিকা গ্ৰহণ কৰা স্বাভাৱিক ।

বিধু-বদনী : মনসা-কথাবৃত্তত বিশেষকৈ 'পদ্মা-পুৰাণ'ত মনসাদেৱীৰ বিশেষণ বাচক শব্দ ৰূপে 'বিধু-বদনী'ৰ প্ৰয়োগ দেখা যায় ; যেনে :

'অ বিধু বদনী, অ পদ্মা নয়নী
অধমক ৰাখিয়ো মাও প্ৰাণ নাশিনী মাতা ।"

বিধু আৰু বদনীৰ অৰ্থ ক্ৰমান্বয়ে চন্দ্ৰ আৰু মুখ যুক্তা অৰ্থাৎ চন্দ্ৰৰ দৰে মনোৰম মুখ বিশিষ্টা । মনসাৰ মুখমণ্ডল যে চন্দ্ৰৰ দৰে মনোৰম আছিল তাৰ আভাস ইয়াৰপৰা পাব পাৰি ।

ইয়াৰ বাহিৰেও সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত মনসাৰ গুণবাচক বিশেষণৰূপে প্ৰয়োগ কৰা আৰু কেইটিমান নাম পোৱা যায় । এনেধৰণৰ নামৰ ভিতৰত বেঙখাইতী, ধেমেনা ভতাৰী আদিয়েই উল্লেখযোগ্য । এই নাম-বোৰ সাধাৰণতে চন্দ্ৰধৰে প্ৰয়োগ কৰিছে মনসাৰ প্ৰতি নিজ অন্তৰৰ ক্ৰোধ, ঘৃণা, বিদ্বেষ, তাচ্ছিল্য আদি ভাব প্ৰকাশ কৰিবৰ বাবে । যেনে :

'জানিলো আমাক প্ৰতি কানীৰ আছে ডৰ ॥
ধেমেনা ভতাৰী বুলি নিদিবহে খোটা ।
তে কাৰণে দিয়া আছে লাউ এক গোটা ॥'

বেঙখাইতী : সৰ্পই বেঙ খায়, গতিকে সৰ্পৰ দেৱী মনসায়ো বেঙ খোৱা স্বাভাৱিক । দেৱী মনসাই বিশেষ মুহূৰ্তত সৰ্পৰূপ ধাৰণ কৰি প্ৰতিদ্বন্দ্বীজনক বধ কৰাৰ একাধিক উদাহৰণ পোৱা যায় । আনকি সৰ্পৰূপে তেওঁ মহাদেৱ আৰু চণ্ডিকাকো দংশন কৰিছিল :

'সতাই হুয়া মোকে বুলিলে দুষ্টবানি ।
সৰ্প ৰূপ ধৰি তাৰ বধিলো পৰানি ॥'[৬১]

দ্বিতীয়তে, মাজে সময়ে যে মনসাই দেৱতাৰ ভোগ এৰি সৰ্পৰ ভোগ বেং-

৬০. পদ্মা-পুৰাণ, ভাটীয়ালীখণ্ড, পৃ. ৩
৬১. উ. গ্ৰ., পদ ৯৩৩

চেং আদি খাই ফুৰে তাৰ আভাস পোৱা যায়—চন্দ্ৰধৰৰ উক্তিৰ পৰা :

'লোভে থাকি পদ্মা তুমি পুজা খাইতে যায়া।
দেৱতাৰ ভোগ এৰি চেঙ্গ বেঙ্গ খায়া।'[৬২]

মূঠতে সৰ্পৰ দেৱী হোৱা বাবে অথবা সৰ্পৰ ক্ৰূৰতা মনসাৰ চাৰিত্ৰিক বৈশিষ্ট্যত বৰ্তমান থকা বাবেই সৰ্পৰ খাদ্য বেং ভেওঁকো খুওৱা হৈছে।

ধেমেনা ভতাৰী : পদ্মা বিদ্বেষী চন্দ্ৰধৰে সৰ্পদেৱী মনসাক গালি পৰাৰ প্ৰসংগত এই নামটোৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। মনসা বা পদ্মাৰ বৈবাহিক জীৱনৰ অসংগতিৰ প্ৰতি লক্ষ্য কৰি এই গালি আষাৰেৰে তেওঁক উপহাস কৰা হৈছে। মনসাৰ স্বভাৱ ইমানেই ভাল আছিল যে, যুৱতীকালত তেওঁক বিয়া দিবলৈ শিৱই উপযুক্ত দৰা বিচাৰি নাপাই শেষত বিয়া দিলে যাযাবৰকুলীয় বৃদ্ধ জৰৎকাৰুৰ লগত। কিন্তু বিধিৰ কি বিড়ম্বনা বিয়াৰ নিশাই অৰ্থাৎ বিয়েই বাত্তিৰ দিনাই জৰৎকাৰুৱে তেওঁৰ পত্নীক পৰিত্যাগ কৰি তপোবনলৈ গুচি গ'ল।

'ধেমেনা-ভতাৰী' গালিষাৰ বিশেষকৈ পশ্চিম অসমৰ লোক ভাষাত প্ৰচলিত। সাধাৰণতে বিবাহিত স্বামীৰ লগত সম্পৰ্ক ছেদ কৰি আন পুৰুষৰ লগত সম্পৰ্ক স্থাপন কৰি ফুৰা তিৰোতাক ধেমেনা-ভতাৰী আখ্যা দিয়া দেখা যায়। 'ধেমেনা' শব্দৰ অৰ্থ উপযাচি পৰ পুৰুষৰ গৃহলৈ ঘৰ কৰিবলৈ অহা তিৰোতা। 'ধেমেনী' অনা প্ৰথা অসমৰ লোকজীৱনত বৰ্তমানো প্ৰচলিত। কোনো এজনী তিৰোতাৰ বিবাহিত স্বামীৰ মৃত্যুৰ পিছত আন এজন পুৰুষে বিধবা তিৰোতা জনীক নিজৰ তিৰোতা ৰূপে অনাকে 'ধেমেনী অনা' বোলে।

বিবাহযোগ্যা গাভৰুক পিতাক-মাকে যাচি বিয়া দিয়া কাৰ্য্যই গাভৰু গৰাকীৰ সন্মান অনেক পৰিমাণে ক্ষুণ্ণ কৰে বিশেষকৈ লোক সমাজত। যি গাভৰুৰ স্বভাৱ-চৰিত্ৰ ভাল তেওঁক দৰাঘৰীয়াই খুজি-মেলি বিয়া কৰায়। অন্য-হাতে স্বভাৱ-চৰিত্ৰত খুন থকা গাভৰুক যাঁচিহে বিয়া দিব লগীয়া হয়। তেনে ধৰণে যাঁচি বিয়া দিয়া তিৰোতাক স্বামীৰ পৰিয়ালৰ লোকে 'যাঁচি খাইতী' বা 'ধেমেনী' বুলি গালি পাৰে।

দ্বিতীয়তে, উপযুক্ত বয়সত কোনো এগৰাকী গাভৰুক বিয়া দিব নোৱাৰিলে আৰু সেই গাভৰুজনীৰ সমনীয়া আন বিলাক ছোৱালীৰ বিয়া হৈ যোৱাৰ পিছত গাভৰুজনীক বিয়া দিলেও গাভৰুগৰাকীক 'ধেমেনী' বোলা দেখা যায়। বিবাহোপযোগী বয়স পাৰ হৈ যোৱাৰ পিছত (কুৰি হলেই বুঢ়ী) বিয়া দিয়া

---

৬২. উ, গ্ৰ., পদ ৯২৬

মানে ধেমেনী অমাহে। অক্ষহাতে যি বিবাহিতা স্ত্রীয়ে নিজ স্বামীৰ কথামতে চলা-ফুৰা নকৰে, স্ত্রীধর্মপালন নকৰি লাজ-চৰম ক্ষুণ্ণ কৰি যাবে তাবে লগত চেলবেলাই ফুৰে তেওঁকো 'ধেমেনী' বা 'ভতেৰী' বুলি উপহাস কৰা দেখা যায়।

উপযুক্ত বয়সত বিয়া দিব নোৱাৰি অলপ বয়স হোৱাত মনসাক যঁাচি বিয়া দিয়া হৈছিল জাৰৎকাৰৰ লগত। মুনিয়ে মনসাক বিয়া কৰাইছিল এটা চুক্তিত—মনসাই তেওঁৰ শান্তি ভংগ কৰিব নোৱাৰিব। পিছে 'ফুল-শয্যা'ৰ দিনাখনেই মনসাই তেওঁৰ স্বামীৰ শান্তিভংগ কৰিলে, পৰিণতি স্বৰূপে জৰৎ-কাৰুৱে পত্নীক পৰিত্যাগ কৰিলে: 'কালৰাত্রি বিবাহ কৰি এৰি গৈলা মুনি।'[৬৩]

তৃতীয়তে, দেৱী মনসাই নিজৰ স্বার্থ সিদ্ধিৰ বাবে পৰপুৰুষৰ লগতো সম্পর্ক স্থাপন কৰিবলৈ অগ্রসৰ হোৱাৰ প্রমাণ পোৱা যায়। আনকি 'মহাজ্ঞান' হৰণ কৰাৰ অনুষংগত মনসাই চন্দ্রধৰৰ লগত অবৈধ সম্পর্ক স্থাপন কৰিবলৈ আগ বাঢ়িছিল। ইয়াৰপৰা সহজে অনুমান কৰি পাৰি যে, পৰপুৰুষৰ লগত মনসাই অনুচিত সম্পর্ক স্থাপন কৰাৰ অভিনয় কৰিছিল। সেইবাবে চান্দোসদাগৰে খঙৰ কোপত মনসাক 'ৰাৰ ভতেৰী,' 'ভতেৰী,' 'ধেমেনা-ভতেৰৌ' আদি গালি পাৰিছিল :

'পত্নে জাইতে হালোয়া মনুষ্যে কৈলা বল।'[৬৪]
'তেখনে জানিলো কানিব নাই লজ্জামতি।
জেখনে আমাৰ ঠাই মাগিলা সুৰতি॥'[৬৫]

'সহাই মোৰ ভগৱতি, তান পাৱে কৰো নতি, ধেমেনা ভতাৰিক কিবা।'[৬৬]

উপৰোল্লিখিত নাম, বিশেষণ বাচক উক্তি আৰু গালিৰ জৰিয়তে যে লোকায়ত পটভূমিৰপৰা উত্থিতা সর্পদেৱী-মনসাৰ চাৰিত্রিক আৰু প্রকার্য্যাত্মক অভিব্যক্তি প্রকাশ কৰিবলৈ প্রয়াস কৰা হৈছে তাত সন্দেহ নাই। এই নাম, বিশেষণ বাচক উক্তি আৰু গালিবোৰৰ ইতিহাস বা ঐতিহ্যৰ বিচাৰ-বিশ্লেষণ কৰিলে দেখা যায় যে, মনসা বা পদ্মাৰ কোনোটো নহয় কোনোটো নাম বৈদিক বা মহাকাব্য বা বৈদিক তান্ত্রিকতাৰ যুগত সোমাই পৰে। মনসা-পদ্মাৰ নাম

৬৩. পদ্মা-পুৰাণ-ভাটীয়ালীখণ্ড, পদ ১৮৫
৬৪. উ. গ্র, পদ ১৮৪
৬৫. উ. গ্র., পদ ১৮৬
৬৬. পদ্মা-পুৰাণ, পৃ. ১০৪ৰ.

আৰু বিশেষণবাচক উক্তিৰ মাজত অন্তৰ্হিত হৈ থকা বিভিন্ন ধ্যান-ধাৰণাৰ ভিত্তিত জন্মলাভ কৰিলে মনসা-পদ্মা-বিষহৰীৰ কথাবৃত্তই। মনসা-পদ্মাদেৱীকো অন্যান্য দেৱ-দেৱীৰ সমানে স্থান বা মৰ্য্যাদা দিবলৈ সৃষ্টি কৰা হ'ল 'পদ্মা-পুৰাণ'ৰ। হিন্দুধৰ্মৰ দেৱ দেৱীৰ পৰম্পৰাত মনসা কিন্তু অৰ্বাচীন দেৱী।

খ. অন্য দেৱ-দেৱীৰ লগত মনসাৰ সম্পৰ্ক :

স্থানীয় গ্ৰাম্যদেৱী মনসাই সাৰ্বিকীৰূপ পৰিগ্ৰহণৰ পথ পৰিক্ৰমাত বিভিন্ন দেৱ-দেৱীৰ লগত বৈপৰীত্যপূৰ্ণ অথবা সমভাবাপন্ন নাইবা মিত্ৰভাবাপন্ন সম্পৰ্ক ৰক্ষা কৰি আহিছে। এইসকল দেৱ-দেৱীৰ ভিতৰত শিৱ, ইন্দ্ৰ, যম, ধৰ্মঠাকুৰ, চণ্ডিকা, গংগা, শীতলা আদি উল্লেখযোগ্য। নব্যাদেৱী মনসাই পূৰ্বৰেপৰা বিশেষ-ভাবে প্ৰাধান্য লাভ কৰি অহা দেৱ-দেৱীৰ পৰিসীমাৰ মাজত আত্মপ্ৰতিষ্ঠা লাভ কৰাৰ অনুষংগত তেওঁ বিভিন্ন প্ৰতিকূল অৱস্থাৰ সন্মুখীন হ'বলৈ বাধ্য হৈছে; আনকি তেওঁ দেৱী-সুলভ কোমলতা পৰিহাৰ কৰি অতিকে কঠোৰা হবলৈও বাধ্য হৈছে। নব্যা দেবী মনসাই হিন্দু দেৱকুলত (Pantheon) স্থান লাভ কৰাৰ প্ৰসংগত তেওঁ ইতিপূৰ্বে ধৰ্মীয় ধ্যান-ধাৰণাত স্থান লাভ কৰি অহা দেৱ-দেৱীৰ লগত সম্পৰ্ক ৰক্ষা কৰিবলৈ বাধ্য হোৱা স্বাভাৱিক।

শিৱ আৰু মনসা

নব্য ভাৰতীয় ভাষা বিশেষকৈ অসমীয়া, বঙলা আদিত ৰচিত আৰু মৌখিক তথা লিখিত পৰম্পৰাত প্ৰচলিত মনসা-কথাবৃত্তত মনসা শিৱৰ বীৰ্য্য জাতা : "সিৱ বিৰ্য্যে অৱতৰি, নিজ পুৰ্নৰূপ ধৰি, দেৱ নাগ নৰৰ বন্দিতা।"[৬৭] সুকুমাৰ সেনৰ মতে আপেক্ষিকভাবে প্ৰাচীন মনসা-কথাবৃত্তত মনসা শিৱৰ পত্নী। শিৱই তেওঁৰ পিতৃ ধৰ্মদেৱতাৰ স্থান লাভ কৰাৰ লগে লগে শিৱ আৰু মনসাৰ পূৰ্ব সম্পৰ্কৰ সলনি হয়।[৬৮] ইয়াৰ প্ৰমাণ স্বৰূপে চণ্ডী আৰু মনসাৰ বিবাদলৈ

৬৭. পদ্মা-পুৰাণ, ভাটীয়ালী খণ্ড, পৃ. ৩

৬৮. সুকুমাৰ সেন : বাংলা সাহিত্যেৰ ইতিহাস, ১ম খণ্ড (কলিকতা, ১৯৪৮), পৃ. ১০৯
মন কৰিবলগীয়া যে, চণ্ডিকাই সতিনী বুলি ভাবিহে মনসাৰ এটা চকু কণা কৰিছিল :
"সভাই সতিনি বুলি, মাৰিয়া কঙ্কন বাৰি, এক চক্ষু কৰি আচে কান ॥'
পদ্মা-পুৰাণ, পৃ. ৩৭ খ

আওলিয়াব পাৰি। কিন্তু চণ্ডীৰ লগত এই বিবাদৰ অন্যতম কাৰণ নব্যাদেৱী মনসাৰ অভ্যুদয়হে। শিৱই মনসাক আলিংগন কৰিবলৈ বিচৰাও সত্য। মনসাই নিজকে শিৱৰ কন্যা বুলি পৰিচয় দিয়াতো শিৱ ক্ষান্ত হোৱা নাই। তেনে অৱস্থাত মনসাই সৰ্পৰূপে শিৱক দংশন কৰে আৰু তেওঁ ঢলি পৰে। ইন্দ্ৰাদি দেৱতাসৱৰ অনুৰোধ ক্ৰমে মনসাই শিৱক পুনৰ্জীৱন প্ৰদান কৰে। তেনে অৱস্থাত মনসাৰ লগত শিৱৰ অবৈধ সম্পৰ্ক থাকিব নোৱাৰে।

মনসা-পূজাৰ প্ৰসাৰ আৰু ক্ৰমাগ্ৰসৰণত শিৱৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। শিৱই নিজেই মনসাক কৈছিল যে, তেওঁ দেৱতা, অসুৰ আৰু মানৱৰদ্বাৰা পূজিতা হব। শিৱৰ অন্যতম ভক্ত চান্দোৰ সৈতে মনসাৰ বিবাদৰ মূল কাৰণ চান্দোৰ পৰা মনসাৰ পূজা লাভৰ প্ৰচেষ্টা। চান্দো বৰ্ণহিন্দুৰ প্ৰতিনিধি আৰু তেওঁ ক্ষমতা-শালী ভূপতি। চান্দো বা চন্দ্ৰধৰে নব্যাদেৱী মনসাক পূজিলে বৰ্ণহিন্দুৰ বিশ্বাসত স্থান পোৱা আৰু পূজাৰ্হা দেৱীৰ শাৰীত মনসাই স্থান পোৱা স্বাভাৱিক। সেইবাবে ছলে-বলে, কলে-কৌশলে মনসাই চন্দ্ৰধৰৰপৰা পূজা আদায় কৰিবলৈ প্ৰয়াস কৰিছে। স্বয়ং মনসাদেৱীয়েই চন্দ্ৰধৰক কৈছিল ঃ

"তুমি নুপুজিলে মোক নুপুজে সংসাৰে।
তেকাৰনে তোমাত মই কহিলো বিস্তৰে॥"৬৯

চন্দ্ৰধৰৰ চৈধ্য ডিঙা সাগৰত বুৰুৱাৰ প্ৰসংগতো মনসাই শিৱৰ অনুমোদন লাভ কৰিছে। এই সন্দৰ্ভত শিৱই মনসাক কৈছিল যে, চান্দো তেওঁৰ অন্যতম ভক্ত। গতিকে মনসাই যেন চান্দোক বধ নকৰে। ধন্বন্তৰিক বধ কৰিব নোৱাৰিলে মনসাই চন্দ্ৰধৰৰ ছয়পুত্ৰ বধ কৰাব নোৱাৰে। সেইবাবে তেওঁ পিতৃ শিৱৰ ওচৰলৈ গৈ উদয়কাল নাগ প্ৰাৰ্থনা কৰিছে—ওজা ধন্বন্তৰিক বধিবৰ বাবে। অৱশেষত মনসাৰ মনোবাঞ্ছা পূৰণ কৰি শিৱই মনসাক উদয়কাল নাগ প্ৰদান কৰিছে। চন্দ্ৰধৰৰ ছয়পুত্ৰ বধৰ প্ৰসংগতো মনসাই শিৱৰ অনুমোদন লাভ কৰিছে। ঋষি জৰৎকাৰুৰ লগত মনসাৰ বিবাহ সম্পাদন কৰিছে শিৱই। শিৱই বিষ খাই ঢলি পৰোতে মনসাই তেওঁৰ চেতনা ঘূৰাই আনিছে। চন্দ্ৰধৰৰ পুত্ৰ লখিন্দৰক বধ কৰিবৰ বাবে কালিনাগক অনাৰ প্ৰসংগত ঐন্দ্ৰজালিক শক্তি সম্পন্ন শংখটো দি শিৱই মনসাক সহায় কৰিছে ঃ

৬৯. পদ্মা-পুৰাণ, ভাটীয়ালীখণ্ড, পদ ৯৩৬

"সিৱৰ আগে কহে পদ্মা কৰ জোৰ কৰি।
তোমাৰ পাসক আইলো বৰ আসা কৰি॥
এত সুনি মহাদেৱে পুচিলা কাৰন।
পদ্মাৱতি কহে তেবে জত বিৱৰন॥
* * *
পূৰ্ব্বে সুনি আচো তোমাৰ সঙ্খৰ কাহিনী।
সঙ্খ ধ্বনি সুনি বিসমানে হৰে পানি॥
হাসি হাসি তৃনয়নে বুলিলা বচন।
ঝুলি হস্তে সঙ্খ সিৰে দিলা তেতিক্ষন॥[৭০]

দেৱপুৰীত শিৱৰ মধ্যস্থতাত মনসাই লখিন্দৰকে আদি কৰি চান্দোৰ ছয়-কুমাৰ, ধন্বন্তৰি আদিক জীয়াই দিয়াৰ উপৰিও কাণ্ডাৰী-বাইচা আদিকে ধৰি চৌধ্যখন ডিঙা তুলি দিয়ে। ইয়াৰ পৰা বুজিব পাৰি যে, চন্দ্ৰধৰৰদ্বাৰা মনসা-পূজা কৰাৰ পথ প্ৰস্তুতিত শিৱৰ ভূমিকা গুৰুত্ব পূৰ্ণ। শিৱৰ কৃপাতেই শৈৱবিলাকেও মনসাক পূজিবলৈ ধৰে। মুঠতে মনসা-কথাবৃত্তত শিৱ-মনসাৰ মাজত পিতা-পুত্ৰীৰ সম্পৰ্ক ৰক্ষিত হৈ আহিছে।

ইন্দ্ৰ আৰু মনসা

ইন্দ্ৰ বৈদিক দেৱতা। 'ঋগ্বেদ'ত দেৱতাসৱৰ মাজত ইন্দ্ৰৰ স্থান প্ৰথম। বৈদিক-দেৱতা ইন্দ্ৰই মনসাক শ্ৰদ্ধা কৰি উষা-অনিৰুদ্ধক তেওঁৰ হাতত অৰ্পণ কৰা আৰু চন্দ্ৰধৰৰ ডিংগা ডুবুৱাৰ ক্ষেত্ৰত দেৱেন্দ্ৰই মনসাক সহায় কৰাৰ জৰিয়তে অনুমান কৰিব পাৰি যে, অবৈদিক দেৱী মনসাই ক্ৰমে বৈদিক দেৱতাৰ শাৰীত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

যম আৰু মনসা

বৈদিক দেৱতা যম মৃত্যুৰ অধিপতি। প্ৰাণীসমূহৰ মৃত্যুৰ পিছত জীৱৰ অধিকাৰী হয় যম। উষা-অনিৰুদ্ধক স্বৰ্গৰপৰা আনি মনসাই জ্বলন্ত চিতাত ভস্ম কৰি জীৱ দুটা নিজৰ হাতলৈ আনে। এই সন্দৰ্ভত যমৰ লগত মনসাৰ যুদ্ধ হয় আৰু মনসাৰ হাতত যমে পৰাজয় বৰণ কৰে। বৈদিক আৰু পৌৰাণিক পৰম্পৰা খৰ্ব কৰি মনসাই যমৰ অধিকাৰো নিজৰ হাতলৈ আনিবলৈ সক্ষম হয়।

---

৭০. উ. গ্ৰ., পদ ১৯-২০

অবৈদিক দেৱী মনসাই যে বৈদিক দেৱতাক অপসাৰিত কৰি আনকি বৈদিক দেৱতাৰ উৰ্দ্ধত নিজক প্ৰতিষ্ঠা কৰিবৰ বাবে শক্তি সঞ্চয় কৰিছিল তাৰ আভাস ইয়াৰপৰা পাব পাৰি।

ধৰ্মদেৱতা আৰু মনসা

ধৰ্মদেৱতা বৈদিক বা পৌৰাণিক দেৱতা নহয়, লোক দেৱতাহে। লোক-দেৱতা ধৰ্মৰ লগতো সৰ্পদেৱী মনসাৰ সম্পৰ্ক ৰক্ষিত হৈ আহিছে বিশেষকৈ মনসা-কথাবৃত্তত। প্ৰকৃতাৰ্থত ধৰ্মদেৱতাই কোনো এক বিশেষ দেৱতাক প্ৰতি-নিধিত্ব নকৰে, বৰং ঈশ্বৰত্বৰ (god head) সাধাৰণ ধাৰণাহে প্ৰকাশ কৰে অথবা জগতৰ সাৰ্বভৌম দেৱতাক প্ৰতিনিধিত্ব কৰে। এই ফালৰপৰা তেওঁ ঈশ্বৰত্বৰ ধাৰণা অথবা সাৰ্বভৌম দেৱতাৰ লগত জৰিত।[৭১] ধৰ্মদেৱতাৰ উদ্ভৱ আৰু বিকাশত হিন্দু আৰু বৌদ্ধ ধাৰণাৰ সংমিশ্ৰণ পৰিলক্ষিত হয়। 'ধৰ্মমংগল কাব্য'ৰ মতে ধৰ্মৰ নিশ্বাসৰপৰা মনসাৰ জন্ম। এইফালৰপৰা মনসা, ধৰ্মৰ আদ্যাশক্তি স্বৰূপা। বিপ্ৰদাসৰ 'মনসা-বিজয়'ত পদ্মাৱতী (মনসা) ধৰ্মৰ অৱতাৰ বিশেষ।[৭২]

অসমত প্ৰচলিত আৰু মনসা-পূজাৰ লগত জৰিত 'বন্দনা-পদ'ত একাধিক ধৰ্মৰ উল্লেখ পোৱা যায়। যেনে:

দিহা: আহে ধৰম উপজিলা লো পদ পৰম জীৱন ॥

পদ: মৎস্য কূৰ্ম নৰসিংহ বামন পৰশু (শু) ৰাম
হলিৰাম বৰাহ চিৰিৰাম (শ্ৰীৰাম)।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম ॥
প্ৰথম কলিৰ শেষে এক ধৰ্ম উপজিলা
ব্ৰহ্মা বুলিয়া নাম থৈলা।
ব্ৰহ্মাণ্ডৰ ভিতৰে মহাপণ্ডিত বোলাইবো
বেদ শাস্ত্ৰ তেওঁৰ হাতে দিলা ॥

৭১. S. B. Dasgupta : *Obscure Religious Cults*, (Calcutta, 1976), p. 284

৭২. বিপ্ৰদাস: মনসা-বিজয়, সুকুমাৰ সেন সম্পাদিত, (কলিকতা ১৯৫৩), পৃ. ২২৮

দ্বিতীয় কলিৰ শেষে এক ধৰ্ম উপজিলা
বিষ্ণু বুলিয়া নাম থৈলা।
শ্ৰীবিষ্ণু ৰূপ ধৰি প্ৰজাক পালিবো হৰি
শঙ্খ চক্ৰ তেওঁৰ হাতে দিলা ॥
তৃতীয় কলিৰ শেষে আৰু ধৰ্ম উপজিলা
মহেশ বুলিয়া নাম থানি।
দেৱৰ মধ্যত সাৰ মহেশ্বৰ নাম যাৰ
গঙ্গা দুৰ্গা যাহাৰ ঘৰণী ॥
চতুৰ্থ কলিৰ শেষে আৰু ধৰ্ম উপজিলা
গুৰুক নমানিবো শিষ্যে।
কলিৰ যুগত আসি ধন লোভী ৰাজা হৈবো
প্ৰজাক পালিবো বৰ দুখে ॥
পঞ্চম কলিৰ শেষে আৰু ধৰ্ম উপজিলা
নামানিব বৃদ্ধ বাপ মাওঁ।
পাটীৰ ভাৰ্য্যাই হায় স্বামীক নামানয়
পৰ পুৰুষে কাঢ়ি যাই বাওঁ ॥
ষষ্ঠ কলিৰ শেষে আৰু ধৰ্ম উপজিলা
ভাই হৈ বৈনীক কৰে বল।
আয়ু শ্ৰী নাশ হৈবো দুৰ্ঘোৰ নৰকে যাইবো
মানৱীৰ জীৱন নিষ্ফল ॥
সপ্তম কলিৰ শেষে আৰু ধৰ্ম উপজিলা
নিৰ্ব্বলীক কৰিবেক বল।
গাই গীত চন্দ্ৰপতি ধৰ্মৰ চৰণে ৰতি
সুকবি নাৰায়ণদেৱে গায়।
নাৰায়ণ দেৱে কয় সুকবি বল্লভে হয়
প্ৰণাম কৰো ধৰ্ম দেৱৰ পায় ॥[৭৩]

মনসা-পূজাৰ লগত ধৰ্মদেৱতাৰ পূজা অপৰিহাৰ্য্য। ধৰ্মদেৱতা আৰু মনসাৰ মাজত যে, অতীতৰেপৰা সম্পৰ্ক ৰক্ষিত হৈ আহিছে তাৰ আভাস মনসা-পূজা আৰু ইয়াৰ লগত জৰিত গীত-পদৰপৰা সহজে পাব পাৰি। ধৰ্মদেৱতাৰ পূজা-উপাসনা লোকসমাজত প্ৰচলিত হৈ থকা সময়তেই মনসাধৰ্মমতৰো অভ্যুদয়

৭৩. মনসা-পূজাৰ পদ (৺ ভদ্ৰকান্ত শৰ্মাৰদ্বাৰা সংৰক্ষিত পুথি) পৃ. ১৭খ-১৮খ

হয়। শুদ্ধিৰ মাধ্যমত অৱশেষত ধৰ্মদেৱতা আৰু মনসাৰ মাজত নিবিড় সম্পৰ্ক ৰক্ষা কৰি উভয়কে ব্ৰাহ্মণ্য ধৰ্মৰ পৰিসীমাত সামৰি লোৱা হয়।

চণ্ডিকা আৰু মনসা

মনসাৰ নব্য আখ্যান মতে চণ্ডিকা বা চণ্ডী মনসাৰ মাহীমাক আৰু মনসা চণ্ডীৰ সতীয়া কন্যা। অন্যহাতে এই আখ্যানভাগৰ পৌৰাণিক ৰূপৰ মতে মনসা চণ্ডীৰ সতিনী বুলি সুকুমাৰ সেনে কব খোজে।[৭৪] কিন্তু কোনো লিখিত প্ৰমাণে মনসাক শিৱৰ পত্নী বুলি নকয়। মনসাৰ লগত চণ্ডীৰ বিবাদৰ সূত্ৰপাত হয়—মনসাৰ পৰিচয় নাজানি সতিনী বুলি ভাবি কংকণৰ প্ৰহাৰেৰে চণ্ডীয়ে মনসাৰ এটা চকু কণা কৰাৰপৰা।[৭৫] শিৱ আৰু চণ্ডীৰ পূজক চন্দ্ৰধৰৰপৰা মনসাই পূজা লাভ কৰিবলৈ কৰা প্ৰচেষ্টাত বাধা প্ৰদান কৰে চণ্ডীয়ে। তেওঁ চন্দ্ৰধৰক 'হেমতাল' প্ৰদান কৰি পূজা খাবলৈ প্ৰচেষ্টা চলোৱা মনসাক প্ৰহাৰ কৰিবলৈ কঠোৰভাবে নিৰ্দেশ দিয়ে। ইয়াৰ আভাস চন্দ্ৰধৰৰ উক্তিৰ পৰা পোৱা যায়ঃ

''কৰজোৰ কৰি বোলে চম্পকৰ পতি।
তোমাক পূজিলে দুখি হয় ধনপতি॥
তুমি সমে বাদ মোৰ লগাই দিলা চণ্ডি।
তোমাক পূজিতে চণ্ডি হাক দেই পাসণ্ডি॥
মহাদেৱৰ সিস্য আমি মন্ত্ৰত পাগল।
আমি পাগল ভৈলো দিলা হেমতাল॥
চণ্ডি বোলে তোৰ ঘৰে পদ্মা লৈলা বাস।
কালৰূপে সবংসে কৰিবো সৰ্ব্বনাস॥
হেমতাল দিয়া চিদ্ৰ থৈলা হৰ গৌৰি।
তে কাৰনে তোমাৰ ভাঙ্গিলো ঘণ্টবাৰি॥
তুমি সমে বাদ কৰো মোৰ বুদ্ধি নাই।
আপুনাৰ দোসে পাইলো এতেক বিলাই॥[৭৬]

---

৭৪. সুকুমাৰ সেন, প্ৰা. উ. গ্ৰ.

৭৫. ''সতাই সতিনি বুলি, মাৰিয়া কঙ্কন বাৰি, এক চক্ষু কৰি আচে কান॥''
পদ্মা-পুৰাণ (Ms), পৃ. ৩৭ খ.

৭৬. পদ্মা-পুৰাণ-ভাটীয়ালীখণ্ড, পদ ৯৬৮-৭১

শিৱ-মহাদেৱৰ ভক্ত আৰু চণ্ডী-গংগাৰ অনুৰক্ত চন্দ্ৰধৰে অৱশেষত বুজিবলৈ বাধ্য হৈছে যে, মনসাৰ দৰে ক্ষমতাসম্পন্ন আন দ্বিতীয় গৰাকী দেৱতা বা দেৱী নাই :

পদ্মাক ভক্তি কৰে চান্দো মনে আনন্দিতা।
ইহা হন্তে বৰ কোন আচয় দেৱতা ॥
মৰা পুত্ৰ ডুবা ধন আনি দিলা ঘৰে।
হেন দেৱ চাৰি আমি পুজিবো কাহাৰে ॥৭৭

বেউলা দেৱপুৰত উপস্থিত হোৱাৰ পিছত চণ্ডীয়ে মনসাক তীব্ৰভাৱে ভৎসনা কৰাৰ লগতে শিৱকো নিন্দা কৰিবলৈ ভ্ৰূক্ষেপ কৰা নাই।৭৮

মনসাৰ লগত চণ্ডীৰ বৈৰীভাৱ থাকিলেও মাজে-সময়ে তেওঁ মনসাক সহায় নকৰাকৈও থকা নাই। উদাহৰণ স্বৰূপে ধন্বন্তৰিক বধ কৰিবৰ বাবে মনসাই শিৱৰ ওচৰত উদয়কাল নাগ প্ৰাৰ্থনা কৰা পৰিস্থিতি বিশেষলৈ আঙুলিয়াব পাৰি। মনসাৰ প্ৰাৰ্থনা অগ্ৰাহ্য কৰি শিৱই কলে যে, জগতৰ মংগলৰ বাবে সমুদ্ৰৰ বক্ষৰপৰা উত্থিত ধন্বন্তৰিক বধ কৰিবৰ বাবে তেওঁ কেতিয়াও উদয়কাল নাগ পদ্মাক দিব নোৱাৰে। উপায়ন্তৰ নেদেখি চণ্ডীৰ বুদ্ধিমতে পদ্মাই মাটিত বাগৰি বাগৰি কান্দিবলৈ ধৰিলে। কান্দোতে কান্দোতে মনসাৰ বস্ত্ৰ সোলকি পৰিল আৰু তেওঁৰ গুপ্ত অংগ ব্যক্ত হ'ল। হেন সময়তে চণ্ডী তাত উপস্থিত হৈ শিৱক ভৎসনা কৰিবলৈ ধৰিলে আৰু উদয়কাল নাগ মনসাক দিবলৈ তেওঁ শিৱক অনুৰোধ কৰিলে। তদনুক্ৰমে শিৱই মনসাৰ প্ৰাৰ্থনা পূৰণ কৰিলে।৭৯

---

৭৭. উ গ্ৰ., পদ ৯১৯-২০ ; ৭৮. উ গ্ৰ., পদ ৬১১-১২

৭৯. পদ্মাৰ কৰুনা দেখি চণ্ডিৰ লাগে দায়া। কহিতে লাগিলা চণ্ডি পদ্মা দিসে চায়া॥ চণ্ডি বোলে তোৰ বাপ ভাঙ্গাৰা লোচন। লজ্জাপায়া আজ্ঞা দিব খসায়া বসন॥ কান্দিতে কান্দিতে পদ্মাৰ বসন খসিল। তাহা দেখি মহাদেৱ হেঠ মাঠ কৈল॥ হেঠ মাঠে ৰৈল শিৱ হাসিল ভবানি। নাৰায়ন দেৱে কহে মধুৰস বানি॥

* * *

চণ্ডি বোলে সুন শিৱ জটিয়া ভাঙ্গাৰা। পদ্মাক লাঙ্গটা দেখা সভাৰ ভিতৰ॥
পকিল মাথাৰ চুল মুখে পকা দাৰি। কন্যাক চাহিতে বৰ ওঝা ধনন্তৰি॥

* * *

চণ্ডিৰ বচন শিৱে সুনিলা শ্ৰৱনে। হেঠ মাথে বোলে কিচো পদ্মাৰ সদনে॥
তেজস. ক্ৰন্দন বাচা পিন্ধস বসন। আজ্ঞা দিলো নাগ লৈয়া কৰহ গমন॥

পদ্মা-পুৰাণ (Ms), পৃ. ৭১খ—৭৬ক

ইয়াৰপৰা দেখা যায় যে, চণ্ডীৰ লগত মনসাৰ সম্পর্ক সহানুভূতিপূর্ণ নহলেও শত্রুতাৰ বিশিষ্টও নহয়।

গংগা আৰু মনসা

গংগাদেৱীৰ লগতো মনসাৰ সম্পর্ক লক্ষ্য কৰিব পাৰি। ভাৰতীয়-পৌৰাণিক কথাবৃত্ত অনুসৰি গংগা আৰু মনসা উভয়েই নাগ, জল আদিৰ অধিষ্ঠাত্রী দেৱী। প্রতিমা কলাৰ ফালৰপৰা কব পাৰি যে, গংগামূর্তিৰ লগত নাগ-নাগিনীৰ মূৰ্ত্তিও সংযোজিত। মনসা-কথাবৃত্ত অনুসৰি চণ্ডী আৰু গংগা উভয়ে শিৱৰ পত্নী। গংগাই মনসাৰ প্ৰতি সহানুভূতিৰ ভাব পোষণ কৰিছিল।

মনসাৰ লগত গংগাৰ সম্পর্কৰ আভাস পোৱা যায় শাস্ত্রীয় আৰু লৌকিক মনসা-পূজাত মনসাৰ লগতে গংগাক পূজা-উপাসনা আগবঢ়োৱাৰ পৰা। দক্ষিণ কামৰূপৰ কেওটপাৰাত (আজাৰাৰ ওচৰত অৱস্থিত) অনুষ্ঠিত মনসা বা মাৰৈ-পূজাত মনসা-পদ্মাৰ লগতে গংগাদেৱীৰ মূর্তি নির্মাণ কৰি পূজা কৰাৰ পৰম্পৰা জীৱন্তভাবে প্ৰচলিত।

চন্দ্ৰধৰৰ ডিঙা বুৰুৱাৰ প্ৰসংগত গঙ্গাই পদ্মাক সহায় কৰিছে। লখিন্দৰৰ পুনৰ্জীৱন লাভৰ অন্তত বেউলাৰ অনুৰোধ ক্ৰমে মনসাই চান্দোসদাগৰৰ জলমগ্ন চৌধ্য ডিঙা তোলাৰ প্ৰসংগতো গংগাদেৱীৰ ভূমিকা লক্ষ্য কৰিব পাৰি :

"গঙ্গাক স্মৰিয়া পদ্মা হুক্কাৰ মাৰিলা।
সোল্লসত নদি পদ্মা বিদায় কৰিলা॥"[৮০]

শীতলা আৰু মনসা

মনসাৰ লগত শীতলাৰ সম্পর্ক অস্বীকাৰ কৰিব নোৱাৰি। পৰম্পৰীণ কাহিনী আৰু 'স্কন্দ-পুৰাণ'ৰ মতে শীতলা মনসাৰ দুহিতা। কাৰুণ্যৰাগত মনসাৰ মন-প্ৰাণ প্ৰেম-ভক্তিত নিমজ্জিত হ'ল। তা-না-বি-য়া ৰাগত অনাদিও নিমগ্ন। তেওঁৰ শৰীৰত প্ৰেমভাব উপজিল। মনসাৰ ভক্তিত অনাদি পৰম সন্তুষ্ট হ'ল। সদাশিৱেও কাৰুণ্যৰাগত ৰাম-নাম কীৰ্তন কৰিবলৈ ধৰিলে। ৰাম-নাম উচ্চাৰণ কৰি মনসাৰ শৰীৰ মাৰ্জন কৰাৰ লগে তেওঁৰ নয়ন যুগলৰপৰা প্ৰেমজল স্ৰবিত হ'ল। সেই প্ৰেমজল ঘৰ্মজলৰ সৈতে মিশ্ৰিত হৈ মনসাৰ নাভিমূলত

৮০. নাৰায়ণদেৱ : পদ্মা-পুৰাণ : ভাটীয়ালীখণ্ড, পদ ৭৬৫

থিতাপি ললে আৰু তৎমুহূৰ্ত্তত মনসাৰ মাভিত জন্ম হ'ল অষ্ট কন্যাৰ। এইদৰে অষ্টকা শীতলাৰ জন্ম হয়।[৮১]

দ্বিতীয়তে, মনসাৰ দৰে শীতলাও মাৰি-মৰক, অপায়-অমংগল, ৰোগব্যাধি বিনাশিনী দেৱী। এইকাৰণেই মনসাৰ লগতে শীতলা বা বসন্তদেৱীকো পূজা কৰা হয় বিশেষকৈ দৰং আৰু পূব কামৰূপৰ অঞ্চল বিশেষে।

সৰস্বতী আৰু মনসা

ইতিমধ্যে আলোচনা কৰি অহা হৈছে যে, বৈদিক মহাদেৱী সৰস্বতীৰ গুণ-কৰ্ম আৰু বৈশিষ্ট্য নব্যাদেৱী মনসাৰ চাৰিত্ৰিক বৈশিষ্ট্যত কিছু পৰিমাণে আৰোপিত হৈছে। ইয়াৰ বাহিৰেও মনসাই পৌৰাণিক দেৱ-দেৱীৰ পৰিধিত প্ৰৱেশ কৰাৰ অনুষংগত সৰস্বতীয়ে মনসাক বিশেষ মুহূৰ্ত্তত সহায়-সাহায্য আগবঢ়াইছে। বিশেষকৈ চন্দ্ৰধৰে দ্বিতীয়বাৰ বণিজ যাত্ৰাৰ (ৰৰ বণিজ) সময়ত পদ্মাৰ নিৰ্দেশত সৰস্বতীয়ে চন্দ্ৰধৰৰ কণ্ঠত প্ৰৱেশ কৰি তেওঁক উচিত-অনুচিত বিচাৰ কৰিবলৈ অক্ষম কৰি তুলিছে আৰু ইয়াৰ পৰিণতিত চন্দ্ৰধৰে দৈৱজ্ঞক মাৰ-ধৰ কৰি পাঁজি-পুথি ছিঙি পেলাই নিজৰ বিপৰ্য্যয়ৰ পথ সুগম কৰি তুলিছে। যেনে :

'চান্দো বোলে সুন তোৰা আমাৰ বচন।
বানিজ্য জাইবোহো আমি কৰ সুভক্ষন ॥
দসমি মঙ্গল বাৰ দগ্ধ যোগ হয়।
হেন দিনে ডিঙ্গা মেলা উচিত নহয় ॥
দুষ্ট সৰস্বতি পদ্মা তাৰ মুখে দিলা।
কোপ কৰি পাঁজি ছিৰি দৈৱজ্ঞ মাৰিলা ॥'[৮২]

উপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে, নব্যাগতা দেৱী মনসাই বিভিন্ন দেৱ-দেৱীৰ লগত সম্পৰ্ক ৰক্ষা কৰি বিভিন্ন প্ৰতিকূল পৰিস্থিতিক আয়ত্তাধীন কৰি পৌৰাণিক দেৱ-দেৱীৰ শাৰীত স্থান লাভ কৰিবলৈ সক্ষম হ'ল।

৮১. জয়ৰাম দাস : শীতলা, পদ ১১৭-২৩

৮২. নাৰায়ণদেৱ : পদ্মা-পুৰাণ (Ms), পৃ. ১৫ক

গ. মনসাদেৱী আৰু মনসা পূজাৰ ক্ৰমবিকাশ :

পূজকসকলৰ সামাজিক প্ৰতিষ্ঠা অনুসৰি মনসা-ধৰ্মমতো এটা স্তৰৰপৰা আন এটি স্তৰলৈ ক্ৰমবিৱৰ্ত্তিত হবলৈ ধৰে। এই পৰিবৰ্তনৰ সাধাৰণ আভাস মনসা-কথাবৃত্তৰপৰা পোৱা যায় ; যিহেতু মনসা-কথাবৃত্তত সন্নিবেশিত পাঠৰ অধিকাংশকেই সামাজিক পটভূমিৰ আধাৰত ব্যাখ্যা কৰিব পাৰি।

মনসাৰ প্ৰথম পূজক আছিল গৰখীয়াসকল। বিপ্ৰদাসৰ মতে মনসাই পোনতে তেওঁৰ ধৰ্মমত প্ৰচাৰ কৰিছিল গৰখীয়াসকলৰ মাজত।[৮৩] বাংলাদেশত প্ৰচলিত নাৰায়ণদেবৰ মনসা-গীত-পদ অনুসৰি শিৱৰ লগত আহি থাকোতে বাটতে গৰখীয়াবিলাকক মনসাদেৱীয়ে গাখীৰ খোজে। কিন্তু গৰখীয়াবিলাকে তেওঁক গাখীৰ নিদিলে। ইয়াৰ পৰিণতি স্বৰূপে মনসাৰ বিষদৃষ্টিত গৰখীয়া-সকলৰ বেছিভাগেই মৃত্যুৰ মুখত পৰে। শিৱৰ নিৰ্দেশমতে মৃত গৰখীয়াসবৰ পিতাক-মাকে মনসাক পূজা কৰাত মৃত গৰখীয়াসকলে প্ৰাণ ঘূৰাই পায়।

অসমত প্ৰচলিত নাৰায়দেৱৰ গীত-পদ অনুসৰি চুজন ৰাখোৱাল অৰ্থাৎ গৰখীয়াই জয়জয়তে মনসাক পূজা কৰিছিল। যেনে :

দিহা : অহে মোৰ হৰি-না-ল পূজে মনসা দেৱী ॥

পদ : এক চিত্ত মন কৰি পূজে ৰাখোৱাল গিৰি
আনন্দিতে পূজে বিষহৰি।
পূজাৰ সম্ভাৰ জত প্ৰজিলেক সতে সত
প্ৰথমে আনিলা ঘট বাৰি ॥[৮৪]

দক্ষিণ কামৰূপৰ ছয়গাওঁ অঞ্চলত (বাটা গুচি গাঁও) প্ৰচলিত পৰম্পৰা অনুসৰি গৰখীয়াসকলে পোনতে মনসাদেৱীক পূজা কৰিছিল। বৰ্তমানো আঘোণ মাহৰ শুক্লপক্ষৰ সোমবাৰে গৰখীয়াসকলে মনসাদেৱীক পূজা কৰে। এই পূজা 'গৰখীয়া মাৰৈ' নামেৰে পৰিচিত। প্ৰচলিত পৰম্পৰামতে এজনী অচিনাকী বুঢ়ীক গৰখীয়াসকলে নিতৌ গাখীৰ দিছিল। এদিন গৰখীয়াসকলে বুঢ়ীক গাখীৰ নিদিলে। ইয়াৰ পৰিণতি স্বৰূপে গৰখীয়াইঁতৰ গৰুবিলাক হেৰাল। ব্ৰাহ্মণক মাতি অনা হ'ল। তেওঁ চাই-চিন্তি কলে যে, বুঢ়ীজনী

---

৮৩. বিপ্ৰদাস, প্ৰা. উ. গ্ৰ., পৃ. ৫৯-৬৩

৮৪. মনসা-পূজাৰগীত (৺ ভদ্ৰকান্ত শৰ্মাৰদ্বাৰা সংৰক্ষিত পুথি), পৃ. ২৪খ-২৬খ

বিষহৰীৰ বাহিৰে আন কোনো নহয়। ছলনা কৰি গৰুবিলাক নি তেওঁ কেঁকোৰাৰ গাতত লুকাই থৈছে। গৰখীয়াইঁতে ফৰিং বলি দি মনসাক পূজি হেৰোৱা গৰুবোৰ ঘূৰাই পালে।[৮৫]

অন্য এক পৰম্পৰা অনুসৰি মনসাক সৰ্বপ্ৰথমে পূজিছিল বাচাই নামৰ খেতিয়ক এজনে। এই পৰম্পৰা বিশেষৰ বৰ্ণনা পোৱা যায় নাৰায়ণদেৱ আৰু বিজয়গুপ্তৰ ৰচনাত। নাৰায়ণদেৱৰ মতে পুষ্পধাৰীত মনসাৰ জন্ম হোৱাৰ পিছত শিৱই নিজৰ জীয়েকক চিনিব পাৰি কৰণ্ডীত ভৰাই ঘৰলৈ লৈ গ'ল। বাটতে বাচাই নামৰ খেতিয়ক এজনে মনসাক উপহাস কৰে। ক্ৰোধান্বিতা মনসাই বিষদৃষ্টিৰে চাই বাচাইক বধ কৰে। অৱশেষত বাচাইৰ মাকে লক্ষ বলি দি মনসাক পূজিবলৈ প্ৰতিশ্ৰুত হয়। মনসাৰ কৃপাত বাচাই জী উঠে। প্ৰতিজ্ঞা মতে লক্ষ বলি দি বচাইয়ে মনসাক পূজা কৰে।[৮৬]

বিজয়গুপ্তৰ মতে শিৱই মনসাক পুষ্প কৰণ্ডিকাৰ ভিতৰত আনে নেদেখাকৈ লৈ ঘৰলৈ আহি থাকোতে বাটতে বাঁচাইৰ ঘৰত প্ৰৱেশ কৰি পূজা-মণ্ডপৰ চালত কৰণ্ডিটো আঁৰি থৈ তেওঁ নদীৰ ঘাটলৈ গ'ল গা ধোবলৈ। অবিবাহিত বাচাই পথাৰৰপৰা আহি কৰণ্ডিটো নমাই আনিলে। কৰণ্ডিৰ ভিতৰত সুন্দৰী কন্যা এজনী দেখা পাই বাচাইয়ে বিয়া কৰাবলৈ মন মেলিলে। মনসাই বিষ নয়নেৰে চাই বাচাইক বধ কৰে। তেনে সময়তে শিৱ উপস্থিত হ'লহি। শিৱৰ নিৰ্দেশমতে বাচাইৰ মাকে বলি সহ মনসাক পূজিবলৈ প্ৰতিজ্ঞা কৰে। অৱশেষত বাচাই জী উঠিল আৰু তেওঁ বলি সহ মনসাক পূজা কৰে।[৮৭]

মনসাৰ প্ৰভাৱৰ পৰিধি ক্ৰমশঃ মৎস্যজীৱীসকলৰ সমাজ পৰ্য্যন্ত বিস্তৃত হ'ল। ইয়াৰ প্ৰমাণ স্বৰূপে মনসা-কাহিনীত স্থান পোৱা ঝালো-মালো নামৰ দুজন মৎস্যজীৱী-চৰিত্ৰলৈ আঙুলিয়াব পাৰোঁ। পদ্মাক পূজা কৰি ঝালো-মালো বিপদ-বিঘিনি মুক্ত আৰু ধন-সম্পত্তিৰ অধিকাৰী হৈছিল :

দিহা : অয় অকি অয় বায় অত বাতি
কেনে ৰাজপন্থে ভাল ॥

৮৫. সংবাদদাতা : শ্ৰীপ্ৰাণেশ্বৰ নাথ, বাটাগুচি, ছয়গাঁও, ২০।৯।৮৩

৮৬. মনসা-পূজাৰ পদ (৺ ভদ্ৰকান্ত শৰ্মাৰদ্বাৰা সংৰক্ষিত পুথি), পৃ. ৫ক
পদ্মা-পুৰাণ (Ms), পৃ. ৩৫খ

৮৭. P. K. Maity : *Historical Studies in the Cult of the Goddess Manasā*, pp. 172-73

পদ :

পদ্মাক পূজে ঝালো-মালো এক মন চিতে।
নানান বাদ্য ভাণ্ড সৱ লাগিল বাজিতে॥
অগৰু চন্দন আৰু কুঙ্কুম কস্তুৰি।
ৰক্তচন্দন লৈলা পদ্মপুষ্প ভৰি॥
ই তুল তুলসী লৈলা আৰু সিজু ডাল।
ভক্তিভাৱে কৰে পূজা বাৰিষাৰ কাল॥
কৃষ্ণ পঞ্চমী তিথি শ্ৰাৱণৰ মাসে।
পদ্মাক পূজে ঘৰে ঘৰে হৈয়া উপবাসে॥
সিন্দুৰে মাসিয়া পুষ্প হস্তে কৰি লৈলা।
ভক্তি কৰি পদ্মাৱতীক পূজিতে লাগিলা॥
নৈবেদ্যক দিলা নিয়া ৰাখিয়া পদ্মপত্ৰে।
ঘৃতৰ সহস্ৰ বাতি জ্বলাইলা ত্বৰিতে॥
ঘনে ঘনে জোকাৰ কৰিলা চাৰিকাষে।
বলি দান দিবাক আনিলা অৱশেষে॥
হস্তে ধৰি আনিলেক লোহাৰ খৰ্গখান।
লক্ষে লক্ষে বলি দেই বিধিৰ বিধান॥
শতে শতে দিলা নিয়া নানান উপহাৰ।
পূৰ্ণ কৰি অন্ন দিলা থালৰ উপৰ॥
এহিমতে নিতে নিতে পূজে পদ্মাৱতী।
পুষ্পাঞ্জলি কৰি ঝালো কৰিলা প্ৰণতি॥
সদয় হৈয়া বৰ দিলা জয় পদ্মাৱতী।
ৰাজা সম ভৈলা ঝালো বাঢ়িলা সম্পত্তি॥
ঝালো মালো সুখী ভৈলা পদ্মাৱতীৰ বৰে।
নাৰায়ণদেৱে কয় মনসাৰ কিঙ্কৰে॥[৮৮]

মৎস্যজীৱীসকলে অহৰহ নদ-নদী, জলাশয় আদিৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলিব লগা হয়—নিজৰ বৃত্তিৰ বাবে। নদ-নদী, জলাশয় আদি সৰ্পৰ নিবাস স্থল। সৰ্পৰ বোষত পৰি মৎস্যজীৱীসকলৰ মাজৰ অনেকে যে প্ৰাণ হেৰুৱাব লগা হয় তাত সন্দেহ নাই। তেনে অৱস্থাত সৰ্পৰ মাৰাত্মক আক্ৰমণৰপৰা

৮৮. মনসা-পূজাৰ গীত (৺ ভদ্ৰকান্ত শৰ্মাৰদ্বাৰা সংৰক্ষিত পুথি) পৃ. ২৫ক-২৬ক

ৰক্ষা পাবৰ বাবে তেওঁলোকে সৰ্প-দেৱী মনসাক পূজা কৰা স্বাভাৱিক। মৎস্যজীৱীসকলে বাস কৰা অঞ্চলত সেয়ে মনসা-পূজাৰ পয়োভৰ বেছি। হাজোৰ ওচৰৰ কৈবৰ্তপাৰা, নলবাৰী ওচৰৰ বৌমাৰি, দক্ষিণ কামৰূপৰ আজাৰাৰ নিকটস্থ কেওটপাৰা আদি মৎস্যজীৱীয়ে বাস কৰা অঞ্চলত শ্ৰদ্ধা আৰু ভক্তিৰে মনসা-পূজা উদ্‌যাপন কৰা দেখা যায়।

মনসা-পূজাই লাহে লাহে স্ত্ৰী আচাৰৰূপে উচ্চশ্ৰেণীৰ স্ত্ৰী সমাজত প্ৰৱেশ কৰিবলৈ সক্ষম হ'ল। উচ্চ শ্ৰেণীৰ স্ত্ৰীসমাজৰ প্ৰতিনিধি স্বৰূপা চন্দ্ৰধৰৰ পত্নী সোনেকাই মৎস্যজীৱীসকলৰ স্ত্ৰীসৱৰপৰা মনসা দেৱীৰ বল-বীৰ্য, শক্তি-সামৰ্থ্য আৰু মাহাত্ম্য-মহিমাৰ বিষয়ে শুনি চান্দো সদাগৰৰ শুভ প্ৰত্যাবৰ্তন কামনা কৰি আন বানিয়াৰ নাৰীসৱৰ লগত ঘট পাতি মনসাক পূজা কৰিছিল, যেনে :

দিহা : অ পূজয় মনসা দেৱী।

পদ : এক চিত্ত মন কৰি পূজে সোনাই সুন্দৰী
শুভক্ষণে থাপি ঘণ্ট বাৰি।
যতেক বানিয়াৰ নাৰী পিন্ধিলা পাতৰ শাৰী
দেখিতে আসিলা বিষহৰী ॥
সঙ্গে লৈয়া নাৰীগণ কৌতুক কৰিয়া মন
সোনাই কৰিলা যোৰহাত।
হংস যে ছাগল ভেৰা বলি দেই মহিষ পেৰা
পদ্মাৱতী দেখা দিলা তাত ॥
বিষহৰী দিলা বৰ আসিবো তোমাৰ সদাগৰ
আনিবেক নানান ৰত্ন ধন।
নাৰায়ণ দেৱে কয় সুকবি বল্লভে হয়
নাৰায়ণ দেৱৰ সুবচন।[৮৯]

শৈৱ চান্দো সদাগৰে মনসাৰ ঘট হেমতালৰ প্ৰহাৰেৰে চূৰ্ণ-বিচূৰ্ণ কৰি সোনেকাক মনসা পূজা কৰিবলৈ উপৰ্য্যুপৰি বাধা-নিষেধ কৰিলেও মনসাৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু ভক্তিৰ ভাব তিলমানো নকমিল। সেয়েহে মনসাৰ শক্তি-ক্ষমতাৰ বিষয়ে সোনেকাই চান্দো সদাগৰক সকীয়াই দি কৈছিল যে, চণ্ডী

৮৯. মনসা-পূজাৰ গীত (৺ ভদ্ৰকান্ত শৰ্মাৰদ্বাৰা সংৰক্ষিত পুথি), পৃ. ২৬ক-খ

আৰু মনসাৰ মাজত স্বৰূপার্থত কোনো পার্থক্য নাই, কেৱল দুয়োৰে মাজত ৰূপৰ (form) ক্ষেত্ৰতহে পার্থক্য দেখা যায় ; যেনে :

সোনাই বোলে চৈন্দ্ধ ডিঙ্গাৰ লোকজন ইতি।
সকলে ডুবায়া নাস কৈলা পদ্মাৱতি ॥
তোমাক কৰিল পদ্মা পঞ্চম অৱস্থা।
তেখনে চণ্ডিকা মায় আছিলেক কোথা ॥
পদ্মাক তুষ্ট কৈলি তোমাৰ কি কৰিবো চণ্ডি।
সাত পুত্ৰ মাৰিলেক বধু কৈলা ৰাণ্ডি ॥
পদ্মা সমে বাদ কৰা চণ্ডিৰ আসা পায়া।
দেখা এক পুত্ৰ চণ্ডি নিদিলা জিয়ায়া ॥
চণ্ডি পদ্মা এক জন ৰূপ মাত্ৰ ভিন্ন।
পদ্মা নুপুজিলে আমাৰ অসুভৰ চিন্ন ॥১০

সাহে ৰজাৰ কন্যা বেউলায়ো শিশুকালৰেপৰা মনসা দেৱীক উপাসনা কৰিছিল। মনসাৰ কৃপাত বেউলাই চন্দ্ৰধৰে দিয়া লোহাৰ তণ্ডুল সিজাই দিছিল। বেউলা-লখিন্দৰৰ বিবাহ-কৃত্য চলি থকাৰ সময়ত সৰ্প দেখা পাই লখিন্দৰ অচেতন হৈ ঢলি পৰে। উপায়ন্তৰ নেদেখি বেউলাই পুৰোহিতৰ অনুমতি লৈ ঘৰৰ ভিতৰলৈ গৈ মনসাক-পূজা কৰে। মনসাৰ কৃপাত লখিন্দৰে চেতনা ঘূৰাই পায়।

উপৰৰ আলোচনাৰপৰা সহজে অনুমান কৰিব পাৰি যে, মনসাই নিম্ন শ্ৰেণীৰ স্ত্ৰীসমাজৰপৰা আৰম্ভ কৰি উচ্চশ্ৰেণীৰ স্ত্ৰীসমাজ পৰ্য্যন্ত পূজিতা হবলৈ সক্ষম হোৱাৰ উদাহৰণ বিৰল নহয়। মনসা-পূজাৰ গতি-প্ৰগতি আৰু বিস্তাৰ-প্ৰক্ৰিয়া চলিয়েই থাকিল। ইয়াৰ পৰিণতি স্বৰূপে উচ্চবৰ্ণৰ পুৰুষ-সমাজতো মনসা-দেৱীয়ে স্থান লাভ কৰিলে। উচ্চবৰ্ণ আৰু শৈৱ তথা চণ্ডীৰ ভক্ত চন্দ্ৰধৰে মনসা-পূজাৰ প্ৰসাৰ আৰু সমাদৰ প্ৰতিহত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিও অৱস্থাৰ মেৰপাকত তেওঁ মনসাৰ পাদ-প্ৰান্তত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ল। আনকি শিৱ-পূজক অৰ্থাৎ শৈৱসকলেও নব্যাদেৱী মনসাক শিৱ-কন্যা ৰূপে গ্ৰহণ কৰি অৰ্থাৎ শৈৱ আৰু মনসাধৰ্মমতৰ মাজত শান্তিপূৰ্ণ সহ-অৱস্থান স্থাপন কৰিবলৈ বাধ্য হ'ল। শিৱ-পূজক চন্দ্ৰধৰে

১০. পদ্মা-পুৰাণ-ভাটীয়ালীখণ্ড, পদ ৮৯১-৯৩

মনসাক বাওঁহাতেৰে পূজাকৰাৰ জৰিয়তে বামাচাৰ মাৰ্গৰ লগতো যে, মনসা-পূজাৰ কিবা নহয় কিবা সম্পৰ্ক আছিল তাৰ আভাস পাব পাৰি। সাধাৰণতে বৈদিক পদ্ধতিৰে কৰা পূজা-উপাসনাক দক্ষিণাচাৰ আৰু অবৈদিক পৰম্পৰাৰে সম্পাদিত পূজা-উপাসনাক বামাচাৰ বোলে। মনসা বৈদিক মহাদেৱী নহয়, তেওঁ অবৈদিক দেৱী, সেইফালৰপৰা তেওঁৰ পূজা উপাসনা বামাচাৰ পদ্ধতিৰে সম্পাদিত হোৱাই স্বাভাৱিক। অৱশ্যে পৰবৰ্তীকালত শুদ্ধিৰ মাধ্যমত মনসাক দক্ষিণাচাৰ পদ্ধতিৰে পূজা কৰাৰ পৰম্পৰাও প্ৰতিষ্ঠা নোহোৱাকৈ নাথাকিল। লোকদেৱী মনসাক আদিতে লৌকিক পদ্ধতিৰেই (বামাচাৰ) পূজা কৰা হৈছিল। লাহে লাহে শাস্ত্ৰীয় পদ্ধতিৰেও (দক্ষিণাচাৰ) মনসাক পূজা কৰিবলৈ লোৱা হ'ল। মনসাৰ শাস্ত্ৰীয় পূজা পদ্ধতিতো কিন্তু লোকায়ত পূজা-পদ্ধতিৰ স্পষ্ট প্ৰভাৱ লক্ষ্য কৰিব পাৰি। মনসা-কথাবৃত্তৰ মতে শাস্ত্ৰীয় পদ্ধতিৰে মনসাক সৰ্বপ্ৰথম পূজা কৰিছিল শ্ৰীমধু ঋষিয়ে :

দিহা : অ-য়ে ব্ৰহ্মা বিষ্ণু মহেশ তোমৰা তিনিজন।
পাতিলা সমাজ থান বিষ্ণুৰ ভুবন ॥

পদ : পূৰ্ব সাগৰৰ পাৰে বিষ্ণুৰ ভুবন।
তাহাত আছিলা ঋষি শ্ৰীমধু সূদন ॥
পূজা নাই দেখি পদ্মাৰ চিন্তা হৈলা মন।
ব্ৰহ্মাৰ নিকটে পদ্মা কৰিলা গমন ॥
পদ্মাক দেখিয়া ব্ৰহ্মা বুলিলা বচন।
কি কাৰণে আইলা মাও আমাৰ ভোৱন ॥
পদ্মাবোলে শুনা বাপ দেৱ প্ৰজাপতি।
মোৰ পূজা কৰিবাৰ কৰাহ যুগুতি ॥
ব্ৰহ্মা বিষ্ণু মহেশেও বুলিলা বচন।
শ্ৰীমধু ঋষিৰ স্থানে পূজা আৰম্ভণ ॥
ধাৱল হংসৰ পিঠিত দিলা দুই পাও।
লাহৰি খেলাই গৈলা পদ্মাৱতি মাও॥
দুই দণ্ডে পাইলা যাই যৈত আছে মুনি।
চক্ষু মেলি আগত দেখিলা কন্যা খানি ॥[৯১]

---

৯১. মনসা-পূজাৰ গীত-পদ (৺ভদ্ৰকান্ত শৰ্মাৰ দ্বাৰা সংৰক্ষিত পুথি), পৃ. ২২খ

মনসাদেৱীৰ ক্ষমতাৰ পৰিসৰ কেৱল হিন্দুসকলৰ সমাজতেই আৱদ্ধ হৈ থকা নাই, যিহেতু মুছলমানসমাজ পৰ্য্যন্ত মনসাৰ ক্ষমতাৰ পৰিসৰ বিস্তৃত হোৱা দেখা যায়।

আমাৰ এই অনুমান মনসা-কথাবৃত্তৰ পাঠৰ ওপৰত প্ৰতিষ্ঠিত। হিন্দু গৰখীয়াসকলে মণ্ডপ পাতি আৰু ঘটাদি স্থাপন কৰি মনসাদেৱীক পূজা কৰা দেখি কাৰ্জিৰ (কাজীৰ) গৰখীয়াসকল বিদ্বেষ পৰায়ণ হৈ পূজাৰ ঘটাদি ভাঙিবলৈ অগ্ৰসৰ হোৱাত দুয়োপক্ষৰ মাজত হুতাহুতি হ'ল। পৰাজিত মুছলমান গৰখীয়াসকলে কাজীৰ ওচৰত অভিযোগ দিলে। অনুৰূপে কাজীয়ে হস্তিনাপুৰৰ ৰজা 'হাসান-হুসন'ক জনালেগৈ ঃ

হিন্দুৰ ৰাখাল সৱে পূজে বিসহৰি।
কাৰ্জিৰ ৰাখালে তাক সহিতে নাপাৰি ॥
কি কাৰনে ভূত-পূজা কৰে দিনে দিনে।
ভূতক পূজিলে সিদ্ধি হৈব কোন কামে ॥
এতবুলি ঘটবাৰি ভাঙ্গিবাৰ জাই।
হিন্দুৰ ৰাখাল সৱে ধৰিয়া ৰাখই ॥
ধৰাধৰি মাৰামাৰি ভৈল সেহি ক্ষনে।
কাৰ্জিৰ ৰাখাল সৱে আইল মাৰনে ॥
বিস্তৰ মাৰ খাই কাৰ্জিত কহিল।
ভূত পূজে হিন্দু সৱে আমাক মাৰিল ॥[১২]

'হাসান-হুসনে' সৈন্যসকলক নিৰ্দেশ দিলে হিন্দু গৰখীয়াসকলক বান্ধি-ধৰি আনিবলৈ। তদনুৰূপে সৈন্যসকলে হিন্দু গৰখীয়াসকলক আক্ৰমণ কৰি পূজাৰ ঘটবাৰি ভাঙি কেইজনমান গৰখীয়াক বান্ধি ধৰি লৈ গ'ল। নেতাৰ মুখেৰে এই সংবাদ পাই পদ্মাই নাগ সৈন্যসহ 'হাসান-হুসনৰ' পুৰী অৱৰোধ কৰিলে। যুদ্ধত সসৈন্যে হাসান আৰু হুসনে মৃত্যু বৰণ কৰিবলৈ বাধ্য হ'ল ঃ

হাসন হুসন দুইত জনাইলেক কান্দি।
হুকুম দিলেক তাৰা ৰাখাল আন বান্ধি ॥
সৈন্য সাজি আসিলন্ত বিনা নদি তিৰে।
দেখে পদ্মা পূজা কৰে জত ৰাখোআলে ॥

১২. পদ্মা-পুৰাণ (Ms), পৃ. ৪৫খ

কাজিৰ ৰাখালে আসি দিলেক দেখায়া ।
চাৰি দিসে কাজি ভেবে ধৰিল বেড়িয়া ॥
কাজি বোলে নিতে ভুত্ত পুজিল ৰাখালে ।
উঠিয়া আসিল কাজি ৰাখাল নিহালে ॥
মাৰিল ৰাখাল কাজি ভাঙ্গে ঘটবাৰি ।
পলাই ৰাখাল সৱে চাৱে ফিৰি ফিৰি ॥
পুজা ঘট বাৰি কাজি জেহি ক্ষনে পাই ।
নানা বিকর্থনা কৰি ভাঙ্গিয়া পেলাই ॥

*   *   *

এক চাপে সাজিয়া জতেক নাগগন ।
হস্তিনাপুৰক লাগি কৰিলা গমন ॥[১৩]

*   *   *

এত সুনি হাসন হুসনে বৰ বোসে ।
পদ্মাই সহিতে বন কৰিবো আৰসে ॥
পদ্মা পুজা পৃথিবিত নথৈবো আৰ ।
সাজ সাজ বুলি সৈন্য ভৈল আগুসাৰ ॥[১৪]

*   *   *

হাসন হুসনক পদ্মা বিস চক্ষে চাইল ।
সেহিক্ষনে দুই ভাই ঢলিয়া পৰিল ॥[১৫]

'হাসন-হুসন'ৰ মৃত্যুৰ বাতৰি দূতমুখে পোৱাৰ লগে লগে মাতৃ ফতমা বিবিয়ে বধূসকলক লগত লৈ কান্দি কান্দি যুদ্ধ ক্ষেত্ৰলৈ ঢাপলি মেলিলে। পুত্ৰ 'হাসন-হুসন'ৰ করুণ-পৰিণতিত বিষাদ-ব্যথিতা মাতৃ ফতমাবিবিয়ে হাতযোৰ কৰি পদ্মাৰ ওচৰত পুত্ৰদ্বয়ৰ দোষ-অপৰাধ মৰিষণ কৰিবলৈও কাবৌ-কোকালি কৰিলে ঃ

দূতে বাৰ্ত্তা জনাইলেক বিবিৰ গোচৰে ।
বিয়াকুল হৈয়া বিবি আসিল সত্বৰে ॥
বিয়াকুল হৈয়া আইল বিবি জে ফতমা ।
দেখে বনে পৰি আছে ভাই দুই জনা ॥

---

১৩. পদ্মা-পুৰাণ (Ms), পৃ. ৪৬ ক

১৪. উ.গ্ৰ, পৃ. ৪৬খ

১৫. উ. গ্ৰ পৃ. ৪৭ ক

পদ্মাক স্তবন কৰে হস্ত জোৰ কৰি ।
নাগৰ জননি মাঞ্জি সঙ্কৰ কুমাৰি ।।
তোমাৰ বিসে ঢলি পৰে দেব মহেস্বৰ ।
হেন জন সনে কেবা কৰিব সমৰ ॥
চণ্ডি ঢলি পৰিচয় জাৰ কোপ চক্ষে ।
তৃভুৱনে কোন জনে হৈবেক সমুখে ।।
দোষ কৈল পুত্রে মোৰ ক্ষেমা একবাৰ ।'[১৬]

বিবিৰ স্তুতিত সন্তুষ্টা মনসাই কলে যে, তেওঁক পূজিবলৈ প্রতিজ্ঞা কৰিলৈ 'হাসন-হুসনে' পুনৰ জীৱন ঘূৰাই পাব :

হাসিয়া বুলিলা পদ্মা বচন সুসাৰ ।।
পদ্মা বোলে মাসি সুন বোল দুই চাৰি ।
তোমাৰ তনয়ে মোৰ পূজা নষ্ট কৰি ।।
পূজা নষ্ট কৰে মোৰ মাৰিল ৰাখাল ।
মণ্ডপ ভাঙ্গিয়া মোৰ কৈল চাৰখাৰ ।।
তেবে আমি জিয়াঞো হাসন হুসন ৰাজা ।
সত্যকৰ দেহ মোক নৱ লক্ষ পূজা ॥[১৭]

ফতমা বিবিয়ে তদনুক্রমে মনসাক পূজিবলৈ প্রতিজ্ঞা কৰাৰ লগে লগে মৃতপুত্র 'হাসন-হুসন' উঠি বহিল আৰু মনসাৰ চৰণ যুগলত প্রণাম জনাই নৱলক্ষ বলি দি তেওঁক পূজিবলৈ 'হাসন-হুসনে'ও প্রতিজ্ঞা কৰিলে :

ধুলা ঝাৰি দুই ভাই চক্ষু মেলি চাই ।
সত্বৰে প্রনাম কৈল পদ্মাৱতি পায় ।।
পদ্মাৱতি বোলে ভাই নকৰিবা ডৰ ।
নৱ লক্ষ পূজা দিয়া মোক তুষ্ট কৰ ।।
তোমৰা পূজাহা জনি এক চিত্তমনে ।
তেবেতো পূজিব মোক জত প্রজাগনে ।।
নৱ লক্ষ পূজা ভগ্নি দিবো এতিক্ষন ।
পদ্মাৰ বচনে বোলে হাসন হুসন ।।[১৮]

---

১৬. উ. গ্র. পৃ. ৪৭ক ; ১৭. উ. গ্র, পৃ. ৪৭খ
১৮. উ. গ্র.

সিজুগছত থিতা মনসাক হাসন-হুসনে নৰলক্ষ বলি সহ পূজা-উপাসনা আগবঢ়ালে :

সিজু বৃক্ষে থিতা দেখি জয় বিসহৰি।
হাসন হুসনে পূজা কৰে জত্ন কৰি।।[৯৯]

* * *

পূজা কৈল সাৱধান, দিলা বলি বিধান, দুই ভাই কৰিয়া ভকতি।[১০০]

ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, অসম, বংগদেশ, বিহাৰ আদি অঞ্চলৰ নিম্ন শ্ৰেণীৰ সমাজত বিশেষকৈ লোকায়ত সমাজত বিশ্বাস আৰু আচাৰ-অনুষ্ঠানৰ প্ৰসংগত হিন্দু-মুছলমানৰ মাজত সাধাৰণ বুজাবুজিৰ ভাব চলি আহিছিল। জাতিতাত্ত্বিক (ethnographical) দৃষ্টিভংগীৰ ফালৰপৰা চালে দেখা যায় যে, অসম, বংগদেশ, বিহাৰ আদি অঞ্চলৰ প্ৰায়বিলাক মুছলমানেই নিম্নশ্ৰেণীৰ হিন্দুৰপৰা ধৰ্মান্তৰিত হোৱা লোক। বৌদ্ধধৰ্মালম্বী অনেক লোকৰ বিশেষকৈ নিম্ন শ্ৰেণীৰ লোকেও ইছলামধৰ্ম গ্ৰহণ কৰিছিল।[১০১] আনকি 'শূন্য-পুৰাণ'তো এনে ধৰ্মান্তৰণৰ আভাস পোৱা যায়। যেনে :

'ধৰ্ম হৈল্যা জবন ৰূপি, মাথাএত কাল টুপি, হাতে সোভে ত্ৰিৰুচ কামান।
চাপিআ উত্তম হয়, ত্ৰিভুৱনে লাগে ভয়, খোদাৰ বলিয়া এক নাম।।
নিৰঞ্জন নিৰাকাৰ, হৈলা ভেস্ত অৱতাৰ, মুখেত বলেত দম্বদাৰ।
জতেক দেৱতাগন, সভে হয়্যা একমন আনন্দতে পৰিল ইজাৰ।।
ব্ৰহ্মা হৈল মহাঁমদ, বিষ্ণু হৈলা পেকাম্বৰ, আদম্ফ হৈল সুলপানি।
গনেশ হইয়া গাজী, কাৰ্ত্তিক হৈল কাজি, ফকিৰ হইল্যা জত মুনি।।

* * *

আপুনি চণ্ডিকা দেবি, তিহুঁ হৈল্যা হায়াবিবি, পদ্মাৱতী হল্য বিবিনূৰ।
জতেক দেৱতাগন, হয়্যা সভে একমন, প্ৰবেশ কৰিল জাজপুৰ।।[১০২]

---

৯৯. উ. গ্ৰ
১০০ উ. গ্ৰ, পৃ ৪৮ক
১০১. A. Karim : *Social History of the Muslims in Bengal*, (Dacca, 1959), p. 158
P. K. Maity, *op-cit*, p. 183
১০২.. ভক্তিমাধৱ চট্টোপাধ্যায় (সম্পা) : শূন্য-পুৰাণ, (কলিকতা, ১৯৭৭), শ্ৰীনিৰঞ্জনেৰ ৰুষ্মা, পদ ৬-১০

হিন্দুধৰ্মত স্থান পোৱা দেৱ-দেৱীয়ে ইছলামিক পৰিৱেশৰ লগত সংগতি ৰাখি আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হোৱাৰ অন্তৰালত যে, ইছলামধৰ্মত ধৰ্মান্তৰিত হিন্দুসকলৰ মাজত পূৰ্বপুৰুষ সকলৰ ধৰ্মীয় ধ্যান-ধাৰণাই অজানিত ভাবেই ক্ৰিয়া কৰি আছিল তাৰ আভাস পোৱা যায়।[১০৩]

প্ৰচলিত বিশ্বাসমতে ছয়গাঁৱৰ অন্তৰ্গত বাটাগুচি গাৱঁৰ গৰখীয়া থানত অনুষ্ঠিত গৰখীয়া মাৰৈ-পূজা-পৰম্পৰাৰ চলতি কৰে মুছলমানসকলে। পূজা অনুষ্ঠিত হয় ৰাতি আৰু এই পূজাত পশ্চিম মুৱাকৈ দেৱীক পূজা কৰা দেখা যায়। পূজাত ব্ৰাহ্মণ পুৰোহিতৰ স্থান নাই, অব্ৰাহ্মণ দেউৰী বা মোল্লাৰহে ভূমিকা লক্ষ্য কৰিব পাৰি। হিন্দু সকলৰ পূজাৰ দৰে এই পূজাতো ওজাপালি দেওধনী আদি অনুষ্ঠিত হৈছিল। এই পূজাত মহ-পঠা-পাৰ আদি বলি দিয়া নহয়, কপৌ চৰাইহে বলি দিয়া হয়। দেওধা বা আনলোকে কপৌ বলি নিদিয়ে, ওজাইহে দিয়ে। গৰখীয়া মাৰৈ-পূজাত মনকৰ-দুৰ্গাবৰ বা নাৰায়ণ-দেৱৰ দ্বাৰা ৰচিত গীত-পদ গোৱা নহয়, এশ্ৰেণীৰ সুকীয়া গীত-পদহে গোৱা দেখা যায়।[১০৪] ইছলামধৰ্মী প্ৰায়বিলাক সাপৰ বেজেই মনসাপূজা কৰে।[১০৫] নগাঁও জিলাৰ লংকা অঞ্চলৰ ইছলামধৰ্মীয় সাপৰবেজ আৰু সাপ-ধৰোতাসকলেও জয়জয়তে মনসা-দেবীক পূজিহে সাপধৰা বা সাপৰ বিষ জৰা-ফুকা কৰাৰ ক্ষেত্ৰত আগবাঢ়ে। মনসা-পূজাৰ অনুষংগত দেৱীগৰাকীৰ মাহাত্ম্য-সূচক গীত-পদ গোৱা মুছলমান ওজাৰ প্ৰচলন পশ্চিমবংগ, বাংলাদেশ,[১০৬] ধুবুৰী জিলা, দৰং জিলা আদিত আছিল বা বৰ্তমানো আছে। দৰঙৰ পৰশু সেখ ওজা ইছলাম ধৰ্মী লোক আছিল। পৰশু ওজাই বজা ঘৰীয়া ওজাৰূপে প্ৰসিদ্ধি লাভ কৰিছিল। তেওঁ মাৰৈ পূজাৰ বাবে প্ৰসিদ্ধ ওজা আছিল। সেইবাবে তেওঁ বাস কৰা গাঁওখনৰ নামো হৈছিল মাৰৈ। পৰশু ওজাৰ পুত্ৰ-পৌত্ৰাদি-সকল বৰ্তমানো মাৰৈ গাঁৱতে বাস কৰে। পৰশু ওজাই বজোৱা ঢোল-তাল-

১০৩. P. K. Maity, *op-cit*, pp. 183-84

১০৪. সংবাদদাতা : শ্ৰীপ্ৰাণেশ্বৰ নাথ, বাটাগুচি, ছয়গাঁও, ২০।১।৮৩

১০৫. (—) : শ্ৰীপ্ৰবীণ ৰাজবংশী, শিলগুৰি, বামুন্দী, ২১।৩।৯১
শ্ৰীৰাজবংশীৰ পিতাকক সাপে দংশন কৰিছিল। হাজোৰ ইছলামধৰ্মী বেজ এজনে পোনতে মনসাদেৱীক পূজা দিহে তেওঁক জৰা-ফুকা কৰিছিল। এইদৰে শ্ৰীৰাজবংশীৰ পিতাকৰ বিষ নিৰাময় হৈছিল।

১০৬. P. K. Maity, *op-cit*, p. 184-85

বলি কটা খৰ্গ বা দাখৰ আদিও তেওঁৰ বংশধৰৰ ঘৰত সযতনে ৰক্ষিত হৈ আছিছে। পাঁচযোৰা ৰজাঘৰীয়া ওজাৰ (থানু, মেঘো, লেতেৰা, বৈহগু আৰু পৰশু) ভিতৰত পৰশু আছিল অন্যতম।[১০৭] দৰং জিলাৰ তুৰেই, পথৰুঘাট, শুখুনাবৰী আদি অঞ্চলতো মুছলমান ওজা আছিল।

হাজোৰ ওচৰৰ সনিয়াদি গাঁৱৰ মহঃ জাহিৰুলহকৰ পিতাক ৺ দীপৰ সেখ, ৺ দীপৰ সেখৰ পিতাক ৺ পুৰাসেখ আৰু ৺ পুৰাসেখৰ পিতাক গংগা সেখ। গংগা সেখ আৰু এওঁৰ পুতেকৰ দিনত ব্যক্তিগত আৰু ৰাজহুৱাভাৱে ২/৩ দিনীয়াকৈকে মাৰে-পূজা বা মনসা-পূজা অনুষ্ঠিত হৈছিল। অৱশ্যে তেওঁলোকৰ মাজত বলি-পূজাৰ প্ৰচলন নাছিল, ফুল-পূজাহে প্ৰচলন আছিল। পূজাৰী, ওজাপালি, দেওধা, ঢুলীয়া, কালীয়া আদি সকলোৱেই আছিল মুছলমান। মহঃ জাহিৰুলহকৰ মতে তেওঁলোকে এতিয়া মনসা বা মাৰে-পূজা নকৰে; কিন্তু তেওঁলোকৰ মাজত এতিয়াও বেউলা-লখিন্দৰৰ গীত বা 'পদ্মা-পুৰাণ'ৰ গীত আবৃত্তি কৰাৰ পৰম্পৰা বিদ্যমান। এজন ওজা, এজন দাইনা পালি আৰু দুজন পালিয়ে তাল নবজোৱাকৈ মনসা-বেউলা-লখিন্দৰৰ গীত গায়।[১০৮]

পশ্চিমবংগ, পূৰ্ববংগ বা বাংলাদেশ, উত্তৰ বংগ আদি অঞ্চলৰ অৰ্থাৎ বঙলাভাষী মুছলমান সকলৰ মাজত প্ৰায়ে মনসা-পূজাৰ প্ৰচলন দেখা যায়। আমাৰ এই অনুমানৰ সপক্ষে প্ৰদ্যোৎ কান্তি মাইটিৰ এটি উক্তি উপস্থাপন কৰিব পাৰোঁ: Thus it is not surprising to find the Bengali Muslims worshipping Manasā. Snakes are objects of fear to all peple, so it is to be expected that Manasā should be worshhipped by people of all castes and creeds to guard against snake bite in a country where many People die from it each year. Bengali Muslims were no less enthusiastic than Hindus in copying the old Bengali manuscripts of the Poems depicting the power of the goddess. It is also of interest to note that "the literature of ballads—of the Manasā cult and of folklore generally—are

১০৭. সংবাদদাতা: বৰওজা শ্ৰীথানুৰাম কলিতা (১০৫), পিঠাখোৱা পাৰা, দৰং, ২।২।৭১ [শ্ৰীওজাৰ ইতিমধ্যে মৃত্যু হৈছে।]

১০৮. (—): মহঃ জাহিৰুল হক (৫২), সনিয়াদি গাঁও, ২৮।১১।৭৮

(sic) almost entirely in the hands of Mahomedans in Eastern Bengal" In Eastern Bengal and Assam down to to the first quarter of the Present century there were Professional Muslim singers who sang songs in honour of Manasā. It is also reported that Muslims of west Bengal still directly or indirectly Participate in the worship of Manasā."[১০৯]

অসমত প্ৰচলিত মনসা-পূজাৰ পৰম্পৰা খিলঞ্জীয়া নে সাংস্কৃতিক সমন্বয়ৰ সংযোগত আন অঞ্চলৰ পৰা আহিছে এই বিষয়ে দুটা মতবাদ (Theory) পোৱা যায়। প্ৰথমটো মতবাদ অনুসৰি গারো, খাছিয়া আদি মাতৃতান্ত্ৰিক সমাজত প্ৰচলিত সৰ্প দেৱীৰ পূজা-পৰম্পৰাৰ লগত বৌদ্ধ আৰু হিন্দু সংস্কৃতিৰ সংমিশ্ৰণৰ পৰিণতিত অসম, বংগদেশ আৰু বাংলাদেশত মনসা-বিষহৰীয়ে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছে।[১১০] এই ফালৰ পৰা কব পাৰি যে, পুৰণি অসমৰ পৰা মনসা-পূজাৰ পৰম্পৰা বংগদেশলৈ বিস্তাৰিত হৈছে। এই মতবাদৰ অনুকূলে আন এগৰাকী পণ্ডিতেও এনেদৰে মন্তব্য আগবঢ়াইছে : "এনেবোৰ কথাৰ মাজত আমি কব বিচাৰোঁ-মনসা-পূজা সম্ভৱতঃ পুৰণি কামৰূপ-ৰাজ্যৰ পশ্চিম ফালে কোনো স্থানত উদ্ভৱ হৈছিল আৰু তাৰ পৰা ক্ৰমে পূব আৰু পশ্চিমফালে ই বিস্তৃতি লাভ কৰিছিল।"[১১১]

দ্বিতীয়টো মতবাদমতে মনসা-পূজাৰ পৰম্পৰা অসমলৈ প্ৰৱজিত হয় বংগদেশৰ পৰা। এই মতবাদটোৰ সমৰ্থনকাৰী বিৰিঞ্চিকুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে মুছলমান আক্ৰমণকাৰীসকলৰ লগে লগে মনসা-পূজাৰ পৰম্পৰা বংগদেশৰ পৰা অসমলৈ বিস্তাৰিত হয়। তেওঁলোকৰ ভাষাত; "খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা কামৰূপত মুছলমান আক্ৰমণ সঘনে হবলৈ ধৰে আৰু বহুতো মুছলমানে ইয়াত স্থায়ীভাৱে বসতি কৰিবলৈকো লয়। এই দৰে ঘনাই আক্ৰমণ আৰু অহা-যোৱাৰ ফলত বংগদেশত প্ৰচলিত লৌকিক ধৰ্ম পদ্ধতিও অসমত সোমায়।"[১১২] মনসা-পূজাৰ পৰম্পৰাই অসমত প্ৰৱেশ

১০৯. P. K. Majty ; *op-cit*, p. 185

১১০. আশুতোষ ভট্টাচাৰ্য্য (সম্পা) : মনসা-মংগল, ভূমিকা, পৃ. ১৩

১১১. হৰিনাথ শৰ্মাদলৈ : অসমত শক্তি-সাধনা আৰু শাক্ত-সাহিত্য, (বৰপেটা, ১৯৮৩), পৃ. ১৯৮

১১২. বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পাদিত) : মনসা কাব্য, (নলবাৰী, ১৯৫১), পাতনি, পৃ ৩১

কৰাৰ সন্দৰ্ভত উল্লেখ কৰা উপৰোল্লিখিত মন্তব্যটো সম্পূৰ্ণভাবে গ্ৰহণ কৰিব নোৱাৰি ; যিহেতু কোনো লিখিত বা ঐতিহাসিক প্ৰমাণে মন্তব্যটোৰ সাৰৱত্তা স্বীকাৰ নকৰে ; দ্বিতীয়তে, মুছলমান আক্ৰমণ কেৱল নামনি অসমতে সীমিত হৈ থকা নাছিল, উজনি অসম পৰ্য্যন্ত এই আক্ৰমণ বিস্তৃত হৈছিল ; কিন্তু মনসা পূজাৰ পৰম্পৰা কেৱল নামনি অসমতে সীমিত হৈ থাকিল। মনসা-পূজাৰ পৰম্পৰা-প্ৰৱৰ্তনৰ লগত মুছলমান আক্ৰমণৰ সম্পৰ্ক থকা হেঁতেন ই উজনি অসম পৰ্য্যন্ত বিস্তৃত হ'ব লাগিছিল ; কিন্তু বাস্তৱক্ষেত্ৰত তেনে হোৱা নাই। গতিকে মুছলমান আক্ৰমণকাৰীৰ দ্বাৰা অসমলৈ মনসা-পূজাৰ পৰম্পৰা প্ৰৱৰ্তিত হোৱা বুলি কৰা অনুমানটো মানি লব নোৱাৰি।

বংগদেশৰ লগত অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক মুছলমান আক্ৰমণৰ পূৰ্বৰপৰাই অব্যাহত আছিল। স্বৰূপাৰ্থত সাংস্কৃতিক সমাহৰণ, ঐতিহাসিক বিস্ফাৰণ প্ৰক্ৰিয়া আৰু জন প্ৰব্ৰজনৰ জৰিয়তেহে মনসা-পূজাৰ পৰম্পৰাই খৃঃ দশম-একাদশ শতিকা মানত বংগদেশৰ পৰা অসমলৈ প্ৰৱৰ্তিত হয়।

দ্বিতীয়তে, মনসা-পূজাৰ পৰম্পৰাই নামনি অসমৰ বিশেষ এক সাংস্কৃতিক মণ্ডলতহে (অৰ্থাৎ নামনি অসম, অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলা আৰু নৱগঠিত দৰং জিলাত) খোপনি পুতিবলৈ সক্ষম হৈছে। বিশেষকৈ কোচ নৃপতিসকলৰ সাংস্কৃতিক মণ্ডলৰ ভিতৰতে মনসা-পূজাৰ পৰিসৰ সীমিত। পূৰ্বৰেপৰা লোকায়ত দেৱী ৰূপে অৰ্চিতা সৰ্পদেৱী মনসাই বিশ্বসিংহ-নৰনাৰায়ণ আদি প্ৰথিতযশা কোচ-নৃপতিৰ ৰাজত্ব কালৰ পৰা শাস্ত্ৰীয় পদ্ধতিৰে পূজিতা হয় আৰু ৰজা-প্ৰজা সৱেও পূজা কৰিবলৈ লয়। এই সময়তেই পূৰ্বৰেপৰা মৌখিক পৰম্পৰাত প্ৰচলিত হৈ থকা মনসা-কথাবৃত্তই লিখিত ৰূপ পৰিগ্ৰহ কৰে।

শাস্ত্ৰীয় বিধানেৰে মনসাদেৱী পূজাৰ্হা হোৱাৰ পূৰ্বে ব্ৰতৰ পৰিসীমাত এই দেৱী পৰাকীয়ে স্থান অধিকাৰ কৰিছিল। লাহে লাহে মনসাদেৱীয়ে শাস্ত্ৰীয় বিধানেৰে পূজা লাভ কৰিবলৈ ধৰিলে আৰু মনসা-পূজাৰ বিধিও ৰচিত হ'ল। খৃঃ ১৫শ শতিকাৰ পূৰ্বৰে পৰা যে, পশ্চিম অসমত শাস্ত্ৰীয় বিধানেৰে মনসা-পূজা উদ্‌যাপিত হৈছিল তাৰ স্পষ্ট আভাস পোৱা যায় মহামহোপাধ্যায় দামোদৰ মিশ্ৰকৃত 'গঙ্গাজলম্' (১৩৫৬ শকাব্দ, খৃ. ১৪৩৪

চন) নামৰ ধৰ্মশাস্ত্ৰ খনৰপৰা। এই গ্ৰন্থখনিত কোৱা হৈছে যে, শ্ৰাৱণ মাহৰ কৃষ্ণা পঞ্চমী তিথিত আপদ-বিনাশনৰ বাবে সিজু গছ স্থাপন কৰি মনসা দেৱীক পূজা কৰা উচিত। সৰ্বকামনা পূৰণৰ বাবেও মনসা দেৱীক পূজা কৰা বিধেয় ঃ

"শ্ৰাৱণে কৃষ্ণ পঞ্চম্যাং কৃষ্ণস্বাপাদনন্তৰম্।
পূজয়েন্মনসা দেৱীং স্নুহী বিটপ সংস্থিতাম্ ॥
কৃষ্ণস্বাপাৎ পৰে পক্ষে মিথুনে কৰ্কটে পিবা।
পঞ্চম্যাং মনসা দেব্যঃ পূজনং সৰ্বকামদম্ ॥"[১১৩]

ঘ মনসাৰ মূৰ্তি কলা ঃ

মূৰ্তিকলাৰ ফালৰপৰা অনুমান কৰিব পাৰি যে, খৃঃ ৯ম-১০ম শতিকাৰ পূৰ্বৰেপৰা অসমত মনসা-পূজাৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে। খোৰ'ল-পাৰাৰ সূৰ্য্যপাহাৰত মনসাৰ এটি মূৰ্তি পোৱা গৈছে। পণ্ডিতসকলৰ মতে প্ৰাপ্ত মূৰ্তিটো খৃঃ ৯ম-১০ম শতিকাৰ মূৰ্তি-কলাৰ নিদৰ্শন।[১১৪] মূৰ্তিটোৰ দুয়োকাষে দুজনী নাগকন্যা। দেৱী মূৰ্তিটো দণ্ডায়মান আৰু মস্তকৰ উপৰত সৰ্পৰ ছত্ৰ স্পষ্টভাৱে দেখা যায়। দ্বাদশ হস্ত বিশিষ্টা এই মূৰ্তিটোৰ মস্তকভাগ কিৰীটীৰে পৰিশোভিত।

নগাঁৱৰ শিলঘাটত প্ৰাপ্ত দ্বিহস্ত বিশিষ্টা নাগেন্দ্ৰ বাহিনী মনসাৰ মূৰ্তি এটি অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৈছে। মূৰ্তিকলাৰ ফালৰপৰা এই মূৰ্তিটো খৃঃ ১০ম-১১শ শতিকা মানৰ যেন লাগে। অষ্ট নাগে মূৰ্তিটোৰ মস্তকৰ উপৰত ছত্ৰৰূপে বিৰাজ কৰি আছে। দেৱীমূৰ্তিটিৰ দুয়োকাষে দুজনী নাগকন্যা আৰু নাগকন্যা দুজনীৰ সোঁৱে-বাঁৱে সৰ্পই আবৰি আছে। সূৰ্য্য পাহাৰতো এনে লক্ষণ বিশিষ্ট আন এটি মনসামূৰ্তি পোৱা গৈছে। প্ৰাপ্ত দেৱী মূৰ্তিটো খৃঃ ৯ম-১০ম শতিকাৰ যেন লাগে।

শোণিতপুৰ জিলাৰ অন্তৰ্গত গহপুৰৰ নিকটস্থ কলয়নী থানত আগ্নেয় শিলত খোদিত আৰু দ্বিত্ব দল বিশিষ্ট পদ্মপুষ্পৰ উপৰত ললিতাসন ভংগীত

১১৩. ৰমানাথ গোস্বামী (সম্পা) : দামোদৰ মিশ্ৰকৃত 'গংগা জলম্', ২য় খণ্ড, (শালকোচা, ১৩৪৩ সন), পৃ ৪১

১১৪. K. N. Datta (ed) *Aspects of the Heritage of Assam*, (Guwahati, 1959), Plate V.

উপবেশিতা মনসা-মূৰ্তি এটি পোৱা হৈছে। বৰদ মুদ্ৰা ভংগী বিশিষ্ট সোঁহাতেৰে তেওঁ এটা ফলধাৰণ কৰি আছে। বাওঁহাতত আছে এডাল সাপ। জতামুকুট কুণ্ডল, হাৰ, মালা, বলয়, কংকণ, নেপূৰ আদি আভৰণ পৰিহিতা এই দেৱী মূৰ্তিটিক অধোবস্ত্ৰ ৰূপে পিন্ধোৱা হৈছে কটিমেখলা আৰু কটিবস্ত্ৰ। মূৰ্তিটোৰ উভয় ফালে এডাল উত্তৰীয় আছে। সপ্ত ফণাযুক্ত সৰ্প এডাল মূৰ্তিটোৰ উপৰত ছত্ৰৰূপে শোভিত। দেৱী মূৰ্তিটোৰ সোঁ আৰু বাঁওফালে ক্ৰমে শ্মশ্ৰু যুক্ত ক্ষীণ বৃদ্ধলোক এজন আৰু কিৰীটীযুক্ত পুৰুষ এগৰাকীৰ মূৰ্তিও অঙ্কিত হোৱা দেখা যায়। বৃদ্ধলোকজনৰ মূৰ্তিটোৱে মনসাৰ স্বামী জৰৎকাৰু মুনি আৰু কিৰীটীযুক্ত পুৰুষ মূৰ্তিটোৱে মনসাদেৱীৰ পুত্ৰ আস্তিকক (আস্তীক) প্ৰতিনিধিত্ব কৰিব পাৰে। অৱশ্যে কিৰীটিযুক্ত মূৰ্তিটোৱে মনসা ভ্ৰাতৃ সৰ্পৰাজ বাসুকিকো প্ৰতিনিধিত্ব কৰিব পাৰে।[১১৫] একে ধৰণৰ একাধিক মনসাৰ মূৰ্তি শোণিতপুৰ জিলাৰ ফুলবাৰী দেৱালয় আৰু নগাঁও জিলাৰ অন্তৰ্গত মাধৱ পাহাৰৰ বিষ্ণুথান আৰু লক্ষ্মীথানত পোৱা গৈছে।[১১৬]

অলপতে নগাঁও জিলাৰ জখলাবন্ধাৰ নিকটস্থ হাতীমূৰা মন্দিৰৰ ভগ্নাৱশেষৰ মাজত আন এটা মনসাৰ মূৰ্তি আৱিষ্কৃত হৈছে। দেৱীগৰাকী ললিতাসন ভংগীত দ্বিত্ব দল বিশিষ্ট পদ্মপুষ্পত উপৱেশিতা। ওলম্বিত দক্ষিণ পাদ পদ্মপুষ্পৰ উপৰত স্থাপিত। মনসাধ্যানবৰ্ণিত অলংকাৰ আৰু বেশ-ভূষা পৰিহিতা দেৱী গৰাকীৰ মস্তকৰ উপৰত সপ্তফণা যুক্ত চন্দ্ৰতাপ বৰ্তমান। দেৱী গৰাকীৰ দক্ষিণফালে ক্ষীণকায় আৰু শ্মশ্ৰুবিশিষ্ট এগৰাকী বৃদ্ধ উপবেশিত। এই মূৰ্তিটোৱে যে, মনসা-বিষহৰীৰ স্বামী জৰৎকাৰুক প্ৰতিনিধিত্ব কৰিছে তাত সন্দেহ নাই। দেৱীগৰাকীৰ বামহাতে অৰ্ধপৰ্য্যংক ভংগীত পদ্মপীঠৰ উপৰত উপবেশিত আন এটি মূৰ্তি অংকিত হৈছে। মূৰ্তিটোৰ মস্তক ভাগ মুকুটেৰে শোভিত। এই মূৰ্তিটো বাসুকিৰ। উপৰোল্লিখিত মনসা-মূৰ্তিটো খৃঃ দ্বাদশ শতিকাত নিৰ্মিত বুলি ঠাৱৰ কৰিব পাৰি।[১১৭]

---

১১৫. M. Deva Choudhury : 'Serpent Worship and Manasā Icons in Assam' in *Aspects of History and Culture*, ed. R. D. Choudhury. et. al, (Delhi, 1991), pp. 209-10

১১৬. Ibid, p. 210

১১৭. Ibid

সংস্কৃত পৰম্পৰা অনুসৰি মনসা দেৱী হংস বাহনা, অষ্ট নাগযুক্তা তথা নানা নাগেৰে ভূষিতা :

'ওঁ দেৱীমম্বামহীনাং শশধৰবদনাং চাৰুকান্তিং বদান্যাং।
হংসারূঢামুদাৰামৰুণিতবসনাং সৰ্ব্বদাং সৰ্ব্বদৈৱ ॥
স্মেৰাস্যাং মণ্ডিতাঙ্গীং কনকমণিগণৈর্নাগৰত্নৈৰনেকৈ--
ৰ্বন্দেঽহং সাষ্টনাগামুৰুকুচযুগলাং ভোগিনীং কামৰূপাম্ ॥[১১৮]

সুকবি নাৰায়ণ দেৱৰ মতে মনসা দেৱী চাৰিহস্তযুক্তা, ত্ৰিনেত্ৰা, হংসবাহনা, যোগমাতা, হংসৰথচাৰিণী :

'বন্দোমাতা পদ্মাৱতি, আদি দেৱি ভাগৱতি, অজ ব্ৰহ্ম সিৱৰ দুহিতা।
সিৱ বিৰ্য্যে অৱতৰি, নিজ পুনৰ্ৰূপ ধৰি, দেৱ নাগ নৰৰ বন্দিতা॥
সোম সূৰ্য্য হুতাসন, জ্বলে তিনি নয়ন, চাৰিবেদে বাহু চাৰিখান।
কেজানে তোমাৰ তত্ত্ব, তুমি ৰজতম সত্ত্ব, অগ্নিসম বস্ত্ৰ পৰিধান॥
কুণ্ড নাগে কটি সুত্ৰ, চন্দ্ৰনাগে যজ্ঞ সুত্ৰ, সৰ্পৰাজে মাথাই ধৰে চাটি।
অভৰ্ক মহিমা জত, বেদেও নাপাৱে তত্ত্ব, জোগমাতা হংস ৰথে গতি॥
ত্ৰিভুৱনে বন্দিতা, ঘণ্টে হয় আৱিভুৰ্তা, কৃপাকৰা মনস্তৱ আই।
কায়বাক্য কৰি মনে, ভাবি পদ্মাৰ চৰনে, বিপ্ৰ জানকি নাথে গায়॥[১১৯]

অজনজাতীয় হিন্দুসকলৰ মাজত চাৰিভুজযুক্তা মনসাদেৱীৰ মূৰ্তি নিৰ্মাণ কৰি পূজা কৰাৰ পৰম্পৰা প্ৰচলিত। এনে মূৰ্তি-পৰিকল্পনাত মনসাদেৱীৰ সোঁৱে-বাঁৱে দুজনী নাগকন্যা থাকে আৰু দেৱীগৰাকীৰ মস্তকৰ উপৰত সৰ্প-ছত্ৰ থাকে।

অঞ্চল বিশেষে মনসামূৰ্তিৰ সলনি অষ্টনাগৰ মূৰ্তি, ত্ৰিশূল, দাখৰ আদিক মনসাৰ প্ৰতীকৰূপে পূজা কৰা দেখা যায়।

ও. মনসা-পূজাৰ লোকপ্ৰিয়তা :

সৰ্পৰ-দেৱী মনসা-পূজাৰ পৰম্পৰা অজনজাতীয় আৰু জনজাতীয় হিন্দু উভয়ৰে মাজত প্ৰচলিত। দক্ষিণ কামৰূপৰ বৰো-কছাৰী, পাতিৰাভা আৰু হাজং সকলেও মনসা-বিষহৰী-বৰমানীক উপাসনা কৰে। উত্তৰ কামৰূপ

---

১১৮. পুৰোহিত-দৰ্পণ, ২য় খণ্ড, পৃ. ২৩৭
১১৯. পুৰোহিত-দৰ্পণ, ২য় খণ্ড, পৃ. ২৩৭
১২০. পদ্মা-পুৰাণ, ভাটীয়ালী খণ্ড, পৃ. ৩

আৰু দৰঙৰ বৰো-কছাৰী সকলৰ মাজতো বিষহৰী পূজা প্ৰচলিত। বৰো-কছাৰী সকলৰ সমাজত সৰ্পদেৱী মনসাৰ পূজা মাৰাই দেৱীৰ পূজা বা মাৰাই পূজা ৰূপে পৰিচিত। অতীততে বৰো-কছাৰীসকলৰ মাৰাই পূজাত নৰবলি পৰ্য্যন্ত দিয়া হৈছিল। অৱশ্যে বৰ্তমান নৰ-বলিৰ সলনি ম'হ বলিহে দিয়া দেখা যায়। তেওঁলোকৰ সমাজত সাধাৰণতে ফাগুন বা বহাগ মাহৰ পৰা আৰম্ভ কৰি শাওণ মাহৰ যি কোনো কৃষ্ণপক্ষৰ ৰাতি মাৰাই-পূজা অনুষ্ঠিত হ'ব পাৰে। ম'হ বলিৰ বাহিৰেও মাৰাই-পূজাৰ অনুষংগত এহাল মাগুৰ মাছ, কবিং এহাল আৰু কুকুৰা চৰাই এহাল বলি দিয়া উচিত। বৰো-কছাৰীসকলৰ মাজত প্ৰচলিত বিশ্বাসমতে মাৰাই পূজা কমবয়সীয়া ল'ৰা-ছোৱালীয়ে চোৱা নিষেধ। তেওঁলোকৰ সমাজত মাৰাই-পূজা ৰাজহুৱা আৰু ব্যক্তিগতভাৱেও অনুষ্ঠিত হয়।[১২০] উত্তৰ কামৰূপৰ কোনো কোনো অঞ্চলৰ বৰো-কছাৰীসকলে মাৰাই-পূজা উপলক্ষে পঠা, পাৰ হাঁহ, নৈবেদ্য আদিৰে মজুত পূজা কৰি মজুখন নদীত উটুৱাই দিয়ে।[১২১] ইয়াৰ বাহিৰেও বৰো-কছাৰীসকলে এপৰীয়া অৰ্থাৎ এদিনীয়া আৰু তিনিদিনীয়া মাৰাই পূজা কৰে।[১২২]

দক্ষিণ কামৰূপৰ বৰো-কছাৰী আৰু পাতিৰাভাসকলে ব্যক্তিগত আৰু ৰাজহুৱা ভাবে মাৰৈ বা মাৰাই পূজা উদ্‌যাপন কৰে। সাধাৰণতে জেঠ মাহত মাৰৈ পূজা অনুষ্ঠিত হয় আৰু তিনি দিন আৰু তিনি ৰাতি পৰ্য্যন্ত এই পূজা চলে। 'মাৰে-গান'ৰ ওজা (ওজা) বা পৰম্পৰাগত ভাবে চলি অহা দেউৰীয়ে পূজাৰীৰ ভূমিকা সম্পাদন কৰে।

দক্ষিণ গোৱালপাৰাৰ পাতিৰাভা সকলৰ মাজতো মাৰৈ বা মাৰাই-পূজাৰ পৰম্পৰা অবিচ্ছিন্ন ভাৱে প্ৰবহমান। তেওঁলোকৰ সমাজত অতীততে ৰাজহুৱা ভাৱে মণ্ডপ নিৰ্মাণ কৰি অৰ্থাৎ 'মাৰেঘৰ' নিৰ্মাণ কৰি, মজু, প্ৰতিমা আদি প্ৰতিষ্ঠা কৰি সাতদিন, সাতৰাতি পৰ্যন্ত মাৰে-পূজা কৰা হৈছিল। বৰ্তমান অৱশ্যে সাতদিন, সাত ৰাতিৰ পৰিবৰ্তে তিনিদিন, তিনিৰাতিহে এই পূজা চলে।

---

১২০. ভবেন নাৰ্জি : বড়ো- কছাৰীৰ সমাজ আৰু সংস্কৃতি, (গুৱাহাটী, ১৯৭১), পৃ ১২৪-২৫

১২১. সংবাদদাতা : শ্ৰীমধু বড়ো (৩৮), হাজো

১২২. মধু বড়ো : 'বড়ো-পদ্ধতিৰে মাৰৈ পূজা' (সোণালীজয়ন্তী উৎসৱ—স্মৃতি গ্ৰন্থ, অনন্ত কুমাৰ শৰ্মা সম্পাদিত, (গেৰুৱা, ১৯৯২), পৃ. ১১

অৱস্থা বুজি এদিন এৰাতি বা এদিনৰ ভিতৰতে মাৰে-পূজা সমাপ্ত হ'ব পাৰে। দীৰ্ঘদিন ব্যাপী অনুষ্ঠিত মাৰে বা মাৰাই পূজাক 'ভৰ মাৰে' বোলে। মাত্ৰ এদিন এৰাতিৰ ভিতৰতে সমাপ্ত হোৱা মাৰে-পূজাক 'ফুল মাৰে' আৰু মাত্ৰ এদিনৰ ভিতৰতে শেষ হোৱা মাৰেক 'এক বেলিয়া মাৰে' বা 'জাগাৰ দিয়া' বোলে। পাতিৰাভা সকলৰ সমাজত প্ৰচলিত 'বিষহৰী' প্ৰতিমাৰ সোঁৱে-বাৱে' সৰস্বতী আৰু লক্ষ্মীদেৱীৰ মূৰ্তি থাকে। কুহিলাৰে নিৰ্মাণ কৰা 'মঞ্জু' পাতিৰাভা সকলৰ মাৰে পূজাৰ অপৰিহাৰ্য্য অংগ। কুহিলাৰ সলনি বগা কাগজেৰেও মঞ্জু নিৰ্মাণ কৰা দেখা যায়। সাধাৰণতে পাতিৰাভা সকলৰ মাজত মাৰে-পূজাৰ অনুষংগত তিনি প্ৰকাৰ মঞ্জুৰ প্ৰচলন লক্ষ্য কৰিব পাৰি; যেনে: ডুমাক, কামানি আৰু পাট। পাটমজুক সিকি মঞ্জু আৰু সোলা মঞ্জুও বোলে। মঞ্জুৰ অভাৱত টেপাৰি বা পেটাৰিৰেও কাম চলাব পাৰি।[১২৩] পাতিৰাভা সকলৰ মাৰে-পূজাৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আৰু বিধি-ব্যৱস্থাত অজনজাতীয় হিন্দু সকলৰ মাৰে-পূজাৰ প্ৰভাৱ স্পষ্ট। অৱশ্যে পাতিৰাভাসকলৰ মাৰে-পূজাৰ পূজাৰী অব্ৰাহ্মণ।

গোৱালপাৰা অঞ্চল, বৰকো, উত্তৰ কাছাৰ আদিত বাস কৰা হাজংসকলৰ ধৰ্মীয় বিশ্বাসতো সৰ্পদেৱী মনসা-বিষহৰীৰ স্থান তাৎপৰ্য্যপূৰ্ণ। সচৰাচৰ গোটেই শাওণ মাহটোতেই হাজংসকলৰ মাজত মনসা পূজা চলে। মজু অথবা আগলতি কলপাত নাইবা বেদীত হাজংসকলে মনসা পূজা কৰে।[১২৪] সমগ্ৰ গোৱালপাৰা অঞ্চলতেই (অবিভক্ত গোৱালপাৰা) মনসা বা মাৰৈ বা মাৰাই পূজাৰ পূৰ্ণ পয়োভৰ। এই অঞ্চলত সৰ্প-দেৱী মনসা, পদ্মা (পদ্দা), অজাঙ্কৰ, কাণী বিষহৰী, বৰ্‌মানী (<ব্ৰহ্মাণী) আদি ৰূপে পৰিচিতা। মনসা সৰ্প দেৱী ৰূপেই যে পূজিতা তেনে নহয় কল্যাণ দাত্ৰী দেৱী ৰূপেও মনসা সৰ্বত্ৰৰ মাজত পৰিচিতা।[১২৫] অকল ইমানেই নহয়, অবিভক্ত গোৱালপাৰাৰ লোকায়ত সমাজৰ প্ৰতিঘৰ হিন্দুৱে গৃহদেৱী ৰূপেও বিষহৰী-মনসাৰ ভূমিকা মন কৰিবলগীয়া। প্ৰতিঘৰ মানুহৰ উপাসনা-গৃহত মনসা

---

১২৩. প্ৰাণেশ্বৰ বাড়া (সম্পা): মায়াৰতী বিষহৰি, ভূমিকা, পৃ ০১—০৩

১২৪. সংবাদদাতা: শ্ৰীধ্ৰুৱৰাং হাজং (৫২), বৰকো, ১৭।৮।৯২

১২৫. বীৰেন্দ্ৰ নাথ দত্ত (সম্পা): গোৱালপৰীয়া লোকগীত সংগ্ৰহ, (যোৰহাত, ১৯৭৪), পৃ ১

ঘট প্ৰতিষ্ঠা কৰা দেখা যায়। ঘটেই মনসাক প্ৰতিনিধিত্ব কৰিব পাৰে।[১২৬] এই অঞ্চলত প্ৰচলিত মনসা-পূজা মাৰাই বা মাৰে বা মাৰৈ নামেৰেও পৰিচিত।[১২৭] অসমৰ চাহ বাগিচাৰ সমাজ জীৱনতো মনসা পূজাৰ সমাদৰ লক্ষ্য কৰা যায়। সাধাৰণতে তেওঁলোকৰ সমাজত শ্ৰাৱণ মাহৰ নাগপঞ্চমী অথবা ভাদ মাহৰ শেষৰ দিনটোত (অৰ্থাৎ ভাদ-আহিনৰ সংক্ৰান্তিত) ঘট স্থাপন কৰি এদিনীয়াকৈ বা সৰহ দিনীয়াকৈ মনসাপূজা কৰাৰ পৰম্পৰা প্ৰচলিত। পূজাত সচৰাচৰ 'ঝাপান' উঠে। কঁহুৱা বনেৰে প্ৰস্তুত আৰু 'ঝাপান'ত ব্যৱহৃত 'কড়ৰা' ডাল সৰ্পৰ প্ৰতীকৰ বাহিৰে আন একো নহয়।[১২৮] বৰাক উপত্যকাৰ জনজাতীয় আৰু অজনজাতীয় হিন্দুসকলৰ মাজতো মনসা-পূজা প্ৰচলিত। অঞ্চল বিশেষে মনসা-পূজাই 'নৌকাপূজা' ৰূপে কল্প লৈছে। অতীততে এই পূজা সাতদিন চলিছিল, বৰ্তমান এদিন এৰাতি বা তিনিদিনৰ ভিতৰতে সমাপ্ত হয়।[১২৯]

খাচিয়া-জয়ন্তীয়া আৰু গাৰো সকলৰ মাজতো সৰ্পদেৱী-পূজা-পৰম্পৰাৰ প্ৰচলন আছিল।[১৩০] মণিপুৰৰ মেইতেই সকলৰ ধৰ্মীয় বিশ্বাসৰ পৰিসীমাত স্থান পোৱা দেৱীসকলৰ মাজত 'মাৰৈ' দেৱীও উল্লেখযোগ্য। তেওঁলোকৰ বিশ্বাসত মাৰৈ' মাৰি-মৰকৰ দেৱী।[১৩১] মনসা বা পদ্মাদেৱীও মাৰি-মৰকৰ

১২৬ দ্বিজেন নাথ : 'গোৱালপৰীয়া সমাজত মাৰাই পূজা' (গোৱালপৰীয়া লোকসংস্কৃতিত এভুমুকি) ভবেশ দাস সম্পা, গুৱাহাটী, ১৯৮৮, পৃ. ৬৮

১২৭. বীৰেন্দ্ৰ নাথ দত্ত (সম্পাদিত) উ. গ্ৰ
দ্বিজেন নাথ, উ. প্ৰবন্ধ

১২৮. সুশীল কুৰ্মী : চাহ বাগিচাৰ জীৱন আৰু সংস্কৃতি, (যোৰহাট, ১৯৯১), পৃ. ১২৪

১২৯. সংবাদদাতা : শ্ৰীসুহাগমণি বৰ্মন, চিলচৰ, ৮৷৩৷৯১

১৩০. আশুতোষ ভট্টাচাৰ্য্য (সম্পা) : মনসা-মঙ্গল, ভূমিকা, পৃ. ১২—১৩

১৩১. "Mother goddess ..Durga puja, kali-puja, ambuvaci (earth's menstrual period), worship of *Marai* (during the epidemic), etc. which are the equivalents of Bengal and Assam."
M. Kirtisingh : 'Shakta Worship in Manipur' (paper presented in the Seminar on Shaktism in Eastern Indian Literature, Sahitya Akademi and Asom Prakashan Parishad, 1989, (unpublished), p. 10

দেৱী। অন্যহাতে ভেওঁ সৰ্পদেৱীৰ ধ্যান ধাৰণাৰ লগতো সম্পৃক্ত। মণিপুৰত প্ৰচলিত 'মাবৈ দেৱী'ৰ ধাৰণাৰ পৰিসীমাত সৰ্পদেৱীও অন্তৰ্হিত; যিহেতু এই ৰাজ্যৰ অঞ্চল বিশেষে 'মনসাদেৱী'ক নিৰ্দেশ কৰিবৰ বাবে 'মাৰে' বা 'মাৰাই' পদটো ব্যৱহাৰ কৰে।

অবিভক্ত গোৱালপাৰা, কামৰূপ আৰু নৱগঠিত দৰংজিলাৰ অজনজাতীয় হিন্দুসকলৰ মাজতো মনসা-পূজা মাৰে-পূজা, ৰূপে পৰিচিত। কামাখ্যাধাম, ডিমৰীয়া, ক্ষেত্ৰি, সোণাপুৰ, পছৰীয়া, গেৰুয়া, পাঁচৰ্গাও, বামুণ গুৱালকুছি আজৰা, কেওটপাৰা, ৰঙামাটি, গৰল ভট্টাপাৰা, ধনামুখ আদিত মনসা-পূজা বিষহৰী-পূজা ৰূপেও পৰিচিত। কামাখ্যাধাম, বামুণ গুৱালকুছি আদিত ব্যক্তিগতভাৱে বিষহৰী পূজা উদ্‌যাপন কৰাৰ উপৰিও ৰাজহুৱাভাৱে এই পূজা উদ্‌যাপিত হয়। কামাখ্যাধামত শাওণৰ শেষদিনা বিষহৰী-পূজা আৰম্ভ হৈ ভাদ মাহৰ দ্বিতীয় দিনা পূজাৰ সামৰণি পৰে। কামাখ্যাধামত বিষহৰী-পূজা আৰম্ভ হোৱাৰ এদিন পিছত পছৰীয়া, গেৰুৱা, পাঁচৰ্গাঁৱ আদিত মনসা-পূজা আৰম্ভ হয়। দক্ষিণ কামৰূপৰ মনসাথান আৰু মন্দিৰ বিলাকতো শাওণ মাহত মাৰে বা মনসা-পূজা অনুষ্ঠিত হয় ৰাজহুৱা ভাৱে। দৰং আৰু পূব কামৰূপতো ব্যক্তিগত আৰু ৰাজহুৱাভাৱে মনসা-পূজা উদ্‌যাপিত হোৱা দেখা যায়। দৰঙত মনসা পূজা এদিনীয়া, দুদিনীয়া, তিনিদিনীয়া অথবা ইয়াতকৈ দীৰ্ঘদিন ব্যাপী অনুষ্ঠিত হয়। সাধাৰণতে এদিনত শেষ হোৱা মনসা পূজাক একপৰীয়া দুদিনত শেষ হোৱা মনসা-পূজাক গোটাৰং আৰু তিনিদিনীয়া পূজাক ৰাঙলীপূজা বোলে। তিনিদিনতকৈ অধিক দিন ব্যাপী অনুষ্ঠিত হোৱা মনসা-পূজাকহে এই অঞ্চলত 'মাৰেই' বা 'মাবৈ' পূজা বোলে। দৰঙত মনসা পূজাৰ সলনি 'গোসানী সেৱা' পদটোৰহে অধিক ব্যৱহাৰ দেখা যায়। দ্বিতীয়তে, দৰঙত 'মনসা পূজাত'কৈ 'ৰং-পূজা'ৰ জনপ্ৰিয়তাহে তুলনামূলকভাৱে বেছি। পূজাৰ জৰিয়তে দেৱীক 'ৰঙ্গ' বিধান কৰা হয় বাবেই বোধকৰোঁ পূজাটোৰ নাম ৰং পূজা। ৰং-পূজা দুবিধ: (ক) এপৰীয়া ৰং আৰু (খ) গোটা ৰং। বলি-বিহীন পূজাক বোলা হয় 'ফুল-পূজা'।

দৰঙৰ অন্তৰ্গত মংগলদৈৰ উত্তৰে অৱস্থিত ওদোলা অঞ্চলৰ জনসাধাৰণে বাৰিষা প্ৰথম গোচ লোৱা আৰু আঘোণ মাহত ধানৰ আগ অনা—এই দুদিনত

১৩২. সংবাদদাত্ৰী: শ্ৰীমতী ৰাহিনী সিংহ (৩৪), ইম্ফল, ১০।১০।৯২

বিষহৰী পূজা কৰে। মনসা-পূজা বা পদ্মাদেৱী-পূজা অথবা ৰংপূজাৰ লগত এই পূজাৰ কোনো ধৰণৰ সম্পৰ্ক নাই। শাস্ত্ৰীয় বিধান অনুসৰিও দেৱীগৰাকীক পূজা কৰা নহয়, পৰিয়ালৰ মুৰব্বী পুৰুষজনে ভঁড়ালঘৰৰ সমুখত বা চোতালৰ মাজত বেদী এটা নিৰ্মাণ কৰি তাৰ ওপৰত আগলি কলপাত এখন পাৰি তাত মাহ-চাউল নানাবিধৰ ফল আদি আগবঢ়ায় নৈবেদ্যৰূপে।[১৩৩] এই প্ৰসংগত বিষহৰীয়ে সৰ্পদেৱীৰ ভূমিকা গ্ৰহণ কৰা নাই, শস্যদেৱী লক্ষ্মীৰহে ভূমিকা গ্ৰহণ কৰিছে। দৰঙৰ জনজাতি সকলৰ মাজত অনুষ্ঠিত মনসা-পূজাৰ নিদৰ্শন স্বৰূপে মুৰাদেও-মন্দিৰত প্ৰতিবছৰে ৰাজহুৱাভাৱে পালিত মনসা-পূজালৈ আঙুলিয়াব পাৰোঁ। বহাগৰ প্ৰথম দোমাহী অৰ্থাৎ গৰু দোমাহীৰ দিনা এই মন্দিৰত মনসা পূজা উদ্‌যাপন কৰা হয়। পূজা সম্পাদন কৰে জনজাতীয় দেউৰীয়ে। দেউৰীয়ে কুকুৰা চৰাই বলি দিয়ে আৰু ইয়াৰ তেজেৰে উপস্থিত ৰাইজৰ কপালত ফোঁট দিয়ে। অতীতত মুৰাদেও মন্দিৰত অনুষ্ঠিত মনসা পূজাত নৰ বলিও দিয়া হৈছিল।[১৩৪] এই মন্দিৰত শিৱৰাত্ৰিত অনুষ্ঠিত শিৱ-পূজাৰ অনুষংগতে ভগৱতী মনসাক এভাগ পূজা দিয়াটো অপৰিহাৰ্য্য। ওদোলাত বাৰ্ষিকভাৱে পালিত বাঁহ-বিয়া বা বাঁহ-পূজা-কৃত্যৰ অনুষংগতো মনসা-পূজা অনুষ্ঠিত হয়। বহাগ মাহৰ ১৪ আৰু ১৫ তাৰিখে দুদিনীয়াকৈ ও দালাত মনসা পূজা বা মাৰেই পূজা উদ্‌যাপিত হয়। এই পূজাত ব্ৰাহ্মণ পুৰোহিতৰ ভূমিকা লক্ষ্য কৰা যায়। দৰঙৰ জনজাতিসকলৰ বিশেষকৈ বৰো-কছাৰীসকলৰ সমাজত প্ৰচলিত মনসা-পূজাত সিজু গছ বা এই গছৰ ডাল এটি অপৰিহাৰ্য্য। সিজু গছ বাথৌ বুঢ়া বা বুঢ়ীৰ প্ৰতীক। বুঢ়ী অৰ্থাৎ পাৰ্বতীয়েই মনসা, গতিকে মনসা-পূজাতো সিজু অপৰিহাৰ্য্য।[১৩৫]

দৰঙৰ বাভাসকলৰ মাজতো মনসা-পূজাই পৰম্পৰাগতভাৱে সমাদৰ লাভ কৰি আহিছে। অজনজাতীয় হিন্দুসকলৰ মনসা-পূজাৰ প্ৰভাৱ বাভাসকলৰ মনসা পূজাৰ সংযুজিত দেখা গলেও, পূজাৰীৰ ভূমিকা গ্ৰহণ কৰে দেউৰীয়ে

---

১৩৩. সংবাদদাতা : শ্ৰীবিজয় শৰ্মা, চপাই, মংগলদৈ

১৩৪. (—) : উক্ত সংবাদ দাতা।

১৩৫. (—) : শ্ৰীমনিয়া বড়ো (৭৫), টেপাখাট, ২৮।৯।৮৮ (শ্ৰীবিজয় শৰ্মাৰ 'দৰং জিলাৰ উৎসৱ-অনুষ্ঠানৰ অধ্যয়ন' নামৰ অপ্ৰকাশিত গৱেষণা গ্ৰন্থৰ পৰা উদ্ধৃত, পৃ ২২২)

(অর্থাৎ ৰাভা দেউৰীয়) ।[১৩৬]

সাধাৰণতে দৰঙত ফাগুন-চ'ত মাহৰপৰা আৰম্ভ কৰি শাওণ ভাদ মাহ পৰ্য্যন্ত মনস-পূজা উদ্‌যাপিত হোৱা দেখা যায়। অৱশ্যে অন্য সময়তো যে, এই পূজা পালিত হ'ব নোৱাৰে—এনে কোনো বান্ধাধৰা নিয়ম নাই। দৰঙৰ 'পদ্মাঝাৰ' মনসা পূজাৰ বাবে বিখ্যাত।

ইয়াৰ বাহিৰেও অবিভক্ত কামৰূপ, গোৱালপাৰা আৰু নৱগঠিত দৰং জিলাত শুভকাৰ্য্য অৰ্থাৎ বিয়া বাৰু, উপনয়ন-চূড়াকৰণ আদি কৃত্যৰ আগদিনা অৰ্থাৎ অধিবাসৰ দিনা নাইবা দুদিন পূৰ্বে এদিনীয়াকৈ বা এদিন এৰাতি ব্যাপী মনসা পূজা অনুষ্ঠান কৰে। এই প্ৰসংগত মনসাই কল্যাণ কাৰিণীদেৱীৰ ভূমিকা গ্ৰহণ কৰা স্বাভাৱিক।

চ. মাৰাই : মাৰে : মাৰেই : মাৰৈ :

সৰ্পদেৱী মনসা বা বিসহৰী-পূজাক কিয় মাৰাই বা মাৰে অথবা মাৰেই নাইবা মাৰৈ পূজা বোলে—এই বিষয়ে আলোচনা কৰাটো বোধকৰো অপ্ৰাসংগিক নহ'ব।

বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে পোনতে মনসা-পূজা কৰিছিল মৰিয়া বা মাৰিয়াবিলাকে, সেইবাবে এই পূজাক 'মাৰে' বা 'মাৰৈ' পূজা আখ্যা দিয়া হয়। তেওঁলোকৰ কথাৰে এনেদৰে কব পাৰি : 'কামৰূপ, মংগলদৈ অঞ্চলত এটা জন প্ৰবাদ আছে যে, মৰিয়াবিলাকে পোন প্ৰথমে মনসাদেৱীৰ পূজা কামৰূপত প্ৰবৰ্তন কৰে।'[১৩৭] 'মনসা-কাব্য'ৰ সম্পাদকদ্বয়ে লিখিত প্ৰমাণৰ আধাৰত এই অনুমানটোৰ ন্যায্যতা প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰিছে। মনকৰে তেওঁৰ 'মনসা-গীত'ত উল্লেখ কৰিছে :

'মণ্ডপত জাগোক ৰতনৰ চাৰি বাতি।
মাঢ়েয়া মাড়লি জাগোক জতেক বৰতি ॥'[১৩৮]

---

১৩৬. সংবাদদাতা : শ্ৰীদুখুৰাম ৰাভা (৫০), বালিপাৰা, ২১।১১।৮৭, শ্ৰীবিজয় শৰ্মাৰ উ. গ্ৰ.ৰ পৰা উদ্ধৃত, পৃ. ২৪৩

১৩৭. বিৰিঞ্চিকুমাৰ বৰুৱা আৰু আৰু সত্যেন্দ্ৰনাথ শৰ্মা (সম্পা) : মনসা-কাব্য, পৃ. ৯

১৩৮. উ. গ্ৰ., পৃ. ৩

তেনেদৰে সুকবি নাৰায়ণদেৱেও 'পদ্মা-পুৰাণ'ৰ পূজা-খণ্ডত উল্লেখ কৰিছে :

(ক) ঘট পাই মাৰিয়াৰ ৰংগ ভৈল মন।
প্ৰণাম কৰিয়া ঘট লৈলা তেতিক্ষণ ॥'১৩৯

(খ) 'তেতিক্ষণে পাইলা আসি মাৰিয়াৰ পুৰি ॥
মাৰিয়া মাৰিয়া বুলি ডাকিতে লাগিলা।
তেতিক্ষণে মাৰিয়াই দৰশন দিলা ॥'১৪০

(গ) পূজা পানী খাই শিৱৰ তুষ্ট ভৈলা মন।
মাৰিয়াক ভাল বৰ দিলা তেতিক্ষণ ॥'১৪১

(ঘ) পূজাপাঠ কৰে মাৰিয়া বেদমন্ত্ৰ পঢ়িয়া।
শিৱদেৱ নামে জলফুল দেহৰে ঢালিয়া ॥'১৪২

(ঙ) অ ব্ৰহ্মাণী মাও
অপৰাধ ক্ষমা কৰা মোৰে পদুমাই।
অপৰাধ ক্ষমা কৰি চলি যায় বিষহৰী ॥
সৰ্বদোষে কৰা পৰিত্ৰাণ।
মাৰিয়াৰ যত দোষ বামুণৰ যত দোষ ॥
গায়নৰ যত দোষ সভাসদৰ যত দোষ।
শত দোষ ক্ষমা কৰি চলি যায় বিষহৰী ॥১৪৩

(চ) জাগ জাগ মণ্ডপখান জাগ এহিমানে।
মাৰিয়া মাৰিনি জাগে সপ্তম নিয়মে ॥১৪৪

উপৰৰ উদ্ধৃতি বোৰৰপৰা সহজে অনুমান কৰিব পাৰি যে, 'মাৰিয়া' পদে কোনো এটা বিশেষ জাতিক বুজোৱা নাই; মাড়ে বা মাৰেদেৱী অৰ্থাৎ মনসাদেৱীৰ উপাসক গৰাকীকহে ইংগিত কৰিছে। আনকি পাতিবাভাসকলৰ মাজত মুখপৰম্পৰা প্ৰচলিত ('মুখ-পুৰাণ' বৰ্ণিত) বিষহৰী বা ব্ৰহ্মাণীগীততো 'মাৰেয়া' পদে 'মাৰে-পূজা' কৰোতা (পূজাৰী নহয়, গৃহস্থৰ মুৰব্বীজন) জনকহে বুজাইছে :

---

১৩৯. ৺চিন্তাৰাম ওঝাৰদ্বাৰা সংৰক্ষিত 'পদ্মা-পুৰাণ'ৰ 'পূজা-খণ্ড'ৰ পৰা।

১৪০-৪৩. উ. পুথি

১৪৪. সুকবি নাৰায়ণদেৱ : পদ্মা-পুৰাণ (Ms), পদ ২৩২

(ক) থাকি আছে মাৰেয়া সুবৰ্ণ সিংহাসন।
শিতানে বসিয়া পদ্মা দেখুৱায় সপোন ।।
কিতো কৰা মাৰেয়া ভই নিশ্চিন্তে থাকিয়া।
ৰঞ্জনী পুৱালে লাগে বৰমানী পূজিবা ।।
সেই কথা শুনি মাৰেয়া নাথাকিলে বৈয়া।
যোৰ গুৱা-পাণ লল মাৰেয়া আঞ্চলে বান্ধিয়া ।।'[১৪৫]

(খ) 'অ' মাৰেয়া পূজয় বিষহৰিৰে
অ' হায়ৰে জয় জয় বাহুৰা বৰমানী ।।[১৪৬]

ইয়াৰপৰা ঠাৱৰ কৰিব পাৰি যে, 'মাৰিয়া' বা 'মাৰৈয়া' বা 'মাকৰা' অথবা 'মাৰেয়া' পদবদ্বাৰা মনসা-পূজা কৰোতা জনহে সূচিত হৈছে। 'মাৰেয়া' বা 'মাৰিয়া'ৰ পত্নীক বুজোৱাৰ প্ৰসংগত 'মাৰৈয়ানী' বা 'মাৰেয়ানী' পদটোৰ প্ৰয়োগ দেখা যায়।

'মাৰে' পদৰ সম্ভাব্য ব্যাখ্যা:

'মাৰে' পদটোৰ ব্যাখ্যা বিভিন্নজনে বিভিন্নভাৱে দিয়া দেখা যায়। এই বিষয়ে তলত আলোচনা কৰা হ'ল:

(ক) মনসাদেৱীক মাৰে দেৱী আখ্যা দিয়া হৈছে। দক্ষিণ ভাৰতৰ ধৰ্মীয় বিশ্বাসত স্থান পোৱা মাৰি-মৰকৰ দেৱী মাৰিম্মাৰ[১৪৭] লগত গুণ-কৰ্ম বৈশিষ্ট্যৰ ফালৰপৰা মনসাদেৱীৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি। মাৰি-মৰক, অপায়-অমংগলৰ দেৱী ৰূপেও মনসাক পূজা-উপাসনা কৰা দেখা যায়। এই ফালৰপৰা মনসাক মাৰেদেৱী আখ্যা দিয়া হ'ব পাৰে।

(খ) মাধৱচন্দ্ৰ গোস্বামীৰ মতে 'মাৰে' পদটো সংস্কৃত 'মাতৃ' শব্দৰপৰা উদ্ভৱ হ'ব পাৰে। 'মাতৃ'ৰপৰা উদ্ভৱ হোৱা 'মাৰ' শব্দৰ শেষত 'এ' প্ৰত্যয় যোগ হৈ 'মাৰে' পদৰ উদ্ভৱ হ'ব পাৰে। 'মাৰে' বা 'মাৰাই' ৰোগ-ব্যাধি,

---

১৪৫. প্ৰাণেশ্বৰ বাভা (সম্পা): উ. গ্ৰ, পৃ. ৬
১৪৬. উ. গ্ৰ, পৃ. ৯
১৪৭. H. Whitehead: *The Village Gods of South India*, pp. 16-17

মাৰি-মৰক, বসন্ত-হাইজা আৰু সৰ্প-দংশনৰ নিচিনা ভয়াবহ অপমৃত্যুৰ অধিষ্ঠাত্ৰী দেৱী।[১৪৮]

(গ) সুকুমাৰ সেনে 'মাৰে' আৰু 'মাৰৈ' পদ দুটাৰ বিকাশৰ ইতিহাস এনেদৰে দেখুৱাইছে ; মাৰে, মাৰৈ > সং মণ্ডপিকা,* মণ্ডপিক > *মণ্ডৱিক > * মণ্ডৱিঅ > *মণ্ডইঅ > *মণ্ডাই > মাৱাই > মাৰই, সংশ্লেষণ প্ৰক্ৰিয়াৰদ্বাৰা 'মাৰে'। তেওঁৰ মতে 'মাতৃ' শব্দৰপৰা 'মাৰে' বা 'মাৰৈ, পদৰ উদ্ভৱ হোৱা নাই।[১৪৯]

(ঘ) লিপি প্ৰযুক্ত শিলৰ মনসা মূৰ্তি এটা উত্তৰ বংগত পোৱা হৈছে। এহ, কে, সৰস্বতীয়ে উৎকীৰ্ণ লিপিৰ পাঠটো এনেদৰে উদ্ধাৰ কৰিছে : 'ভট্টিনামট্টুৰ।'[১৫০] 'মাৰে', 'মাৰৈ' পদৰ লগত 'ভট্টিনামট্টুৰ'ৰ কিবা সম্পৰ্ক থাকিব পাৰে।

প্ৰকৃতাৰ্থত 'মাৰে' নাইবা 'মাৰাই' অথবা 'মাৰৈ' পদটো অসমীয়া বাক্যাংশ 'মাৰি মৰক'ৰ পৰাহে উদ্ভৱ হৈছে। মাৰি-মৰকৰ অধিষ্ঠাত্ৰী দেৱী গৰাকীয়েই 'মাৰে, 'মাৰাই অথবা মাৰৈদেৱী। সৰ্পদেৱী মনসাৰ অকাৰুণিক (Malevolent) দিশৰ সৈতে মাৰৈদেৱীৰ সম্পৰ্ক অধিক স্পষ্ট।

---

১৪৮. M. C. Goswami : 'An Annual Shamanistic Dance' in *Journal of the University of Gauhati,* vol. XI, Science, ed. M. Neog (Gauhati, 1960), p. 88.

১৪৯. S, Sen : "A Note on the Etymology of Certain Words in connection with Manasā Worship in *Ibid,* p. 58

১৫০. *Journal of the Asiatic society of Bengal,* No. 28, p. 28.

তৃতীয় অধ্যায়

মনসাদেৱীৰ লগত জৰিত ধৰ্মীয় কৃত্যাদি ঃ উৎসৱ-অনুষ্ঠান

মনসা-পূজা কোন সময়ত, কেনেকৈ আৰু কি পদ্ধতিৰে সম্পাদন কৰিব লাগে তাৰ আভাস মনকৰ-দুৰ্গাবৰৰ 'মনসাকাব্য' আৰু সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত পোৱা যায়। সাধাৰণতে বাৰিষাকাল মনসা-পূজাৰ বাবে প্ৰশস্ত। যেনে ঃ

'পূজা বিষহৰি একচিত্তে কৰি শতদল কমল ফুলে।
মাটিৰ ভাড়ি সিজুৰ ডালি পূজে বাৰিষাৰ কালে ॥'[১]

প্ৰত্যেক বছৰে বাৰিষা কালত বিশেষকৈ শাওণ মাহত নাগমাতা পদ্মাৱতীক পূজা কৰা বিধেয়। আহাৰ আৰু শাওণৰ সংক্ৰান্তিৰ পঞ্চমী তিথিতো দেৱী গৰাকীক পূজা কৰা উচিত। যেনে ঃ

'বৰিষেক অন্তৰে বাৰিষা সময়ত।
চাৰিদিন পূজিবেক শ্ৰাৱণ মাসত ॥
দুই সংক্ৰান্তিৰ দুই পঞ্চমী পূজিবা।
পদ্মাই সুপ্ৰসন্ন সুখত থাকিবা ॥'[২]

নাৰায়ণদেৱৰ মতেও বাৰমাহৰ ভিতৰত বাৰিষাকাল মনসা-পূজাৰ বাবে উত্তম। বাৰিষাকালৰ ভিতৰতো আকৌ শাওণ মাহৰ কৃষ্ণা পঞ্চমী তিথি অৰ্থাৎ নাগপঞ্চমী তিথিটো পদ্মা-পূজাৰ বাবে সৰ্বোত্তম যিহেতু শ্ৰাৱণ-কৃষ্ণা-পঞ্চমী পদ্মাদেৱীৰ জন্মতিথি। যেনে ঃ

(ক) কৃষ্ণা পঞ্চমী তিথিত শাওণ মাসত।
পদ্মাক পূজেই ঘৰে ঘৰে সেই দিবসত ॥'[৩]

মৎস্যজীৱী ঝালো-মালোক মনসা পূজা কৰিবলৈ পৰামৰ্শ দিয়াৰ অনুষংগত স্বয়ং মনসাদেৱীয়েই কৈছিল ঃ

---

১. বিৰিঞ্চিকুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পা) ঃ মনসাকাব্য, পৃ. ১১
২. উ. গ্ৰ., পৃ ২৬
৩. নাৰায়ণদেৱ ঃ পদ্মা-পুৰাণ, পূজাখণ্ড, পৃ. ৫৩ক

"কদলি পদ্মৰ পত্ৰ আৰু সিজুডালে।
বলি দিয়া তেৰা পুজি বাৰিষাৰ কালে ॥
শ্ৰাৱনৰ কৃষ্ণা জে পঞ্চমি তিথি পায়া।
পদ্মাৰ জনম তিথি তোৰে দিলো কৈয়া ॥"[৪]

শাস্ত্ৰীয় পৰম্পৰামতেও শ্ৰাৱণৰ কৃষ্ণা পঞ্চমী মনসা-পূজাৰ বাবে প্ৰশস্ত।[৫]

আহাৰ মাহৰ পূৰ্ণিমাৰ পৰবৰ্তী পঞ্চমী তিথিক নাগপঞ্চমী বোলে। শাস্ত্ৰকাৰসকলে গৌণ শ্ৰাৱণৰ কৃষ্ণা পঞ্চমীকো নাগপঞ্চমীৰূপে নিৰ্দেশ কৰিছে। এই উভয় তিথিতে অষ্টনাগৰ সৈতে মনসাদেৱীক পূজা কৰিলে সৰ্পভয় নাথাকে।[৬]

'দেৱী-পুৰাণ'ৰ মতে জনাৰ্দন হৰিৰ শয়ন (হৰিশয়ন) কৰাৰ পিছৰ কৃষ্ণপক্ষৰ পঞ্চমী তিথিয়েই নাগপঞ্চমী। এই পঞ্চমী তিথিত গৃহাঙ্গনত সিজুগছ স্থাপন কৰি তাত মনসাদেৱীৰ অষ্টনাগৰ সৈতে পূজা কৰা উচিত। ভাদমাহৰ কৃষ্ণা পঞ্চমী পৰ্য্যন্ত মনসাদেৱীক পূজা কৰিলে সৰ্পভয় নাথাকে:

'সুপ্তে জনাৰ্দনে কৃষ্ণে পঞ্চমীং ভৱনাঙ্গনে।
পূজয়েন্মনসা দেৱীং স্নুহীবিটপসংস্থিতাম্।'[৭]

বাৰিষাকালত মনসা পূজা অনুষ্ঠিত হোৱাৰ বাহিৰেও বছৰটোৰ আন আন ঋতুতো এই পূজা উদ্‌যাপিত হোৱা দেখা যায়, কিন্তু তিথিৰ প্ৰসংগত শাস্ত্ৰীয় বিধান কঠোৰ ভাবে পালন কৰা হয়, অৰ্থাৎ কৃষ্ণাপঞ্চমী তিথিত মনসা পূজা অনুষ্ঠিত হবই লাগিব। অৱশ্যে কোনো শুভকাৰ্য্যৰ (যেনে: চূড়াকৰণ, উপনয়ন, বিবাহ) পূৰ্বদিনা অৰ্থাৎ অধিবাসৰ দিনা অথবা অধিবাসৰ পূৰ্বৰ দিনা ঋতু, মাহ, পক্ষ আৰু তিথি-পৰম্পৰাৰ প্ৰতি লক্ষ্য নকৰাকৈ যিকোনো ঋতু, মাহ, পক্ষ বা তিথিত মনসা-পূজা অনুষ্ঠিত হ'ব পাৰে। অন্যহাতে অসমৰ বিভিন্ন মনসা মন্দিৰ আৰু থানত বিষহৰীৰ নিত্য পূজাও অনুষ্ঠিত হয়।

---

৪. উ. পু.

৫. ৰমানাথ গোস্বামী (সম্পা): মহামহোপাধ্যায় দামোদৰ মিশ্ৰ 'কৃত্য গঙ্গা জলম্', ২য় খণ্ড, পৃ ৪১

৬. পুৰোহিত-দৰ্পণ, ২য় খণ্ড, পৃ. ২৩৬-৩৭

৭. উ. গ্ৰ.ৰ পৰা উদ্ধৃত, পৃ. ১৩৭

উদাহৰণ স্বৰূপে দক্ষিণ কামৰূপৰ গড়ল-ভট্টাপাৰাত প্ৰতিষ্ঠিত মনসা-মন্দিৰত নিত্য পূজা কৰা হয়।৮

স্বৰূপাৰ্থত অসমত প্ৰচলিত মনসা-উপাসনাৰ পৰম্পৰাক সাধাৰণভাৱে দুটা ভাগত ভগাব পাৰি, (ক) ব্ৰত আৰু (খ) উপাসনা বা পূজা। পি. বি. কানে-ৰ মতে "ঈশ্বৰ বা বৈয়ক্তিক ঈশ্বৰৰ (personal god) দ্বাৰা আৰোপিত হোৱা বুলি ভবা নীতি-নিয়ম বা ধৰ্মানুষ্ঠানৰ নাম ব্ৰত।'৯ ব্ৰত সাধাৰণতে নাৰী সমাজত প্ৰচলিত। শাস্ত্ৰীয় বিধান অথবা পুৰোহিতৰ ভূমিকা ব্ৰত পৰিসীমাত প্ৰায়ে লক্ষ্য কৰা নাযায়। দৰাচলতে লোকসমাজত প্ৰচলিত ব্ৰত, উপাসনাদিয়ে স্মৃতিকাৰ অথবা ধৰ্মশাস্ত্ৰ-প্ৰণেতাসকলৰ জৰিয়তে স্মৃতি বা ধৰ্মশাস্ত্ৰত প্ৰৱেশ লাভ কৰি নতুন ৰূপ পৰিগ্ৰহ কৰে; কিন্তু লোকসমাজত প্ৰচলিত সেই ব্ৰতাদিত পূৰ্ব-ৰূপৰ আভাস পাব পাৰি। বোধকৰোঁ এই কাৰণেই ধৰ্মশাস্ত্ৰ বা পুৰাণত উল্লেখ থকা ব্ৰতৰ সংখ্যাতকৈ লোক জীৱনত প্ৰচলিত ব্ৰতৰ সংখ্যা যথেষ্ট বেছি।

লোকসমাজৰপৰা উত্থিত হৈ মনসা-ব্ৰত-পৰম্পৰাই শাস্ত্ৰীয়ব্ৰত বা পূজা পৰম্পৰাত প্ৰৱেশ কৰা স্বাভাৱিক। চন্দ্ৰধৰৰ পত্নী সোনেকা, তেওঁৰ বোৱাৰীসকল আৰু সখীয়েক আদি নাৰীসকলে ঘট প্ৰতিষ্ঠা কৰি কৰা মনসা-উপাসনাই মনসা-ব্ৰতৰ ধাৰণা স্পষ্টতৰ কৰি তোলে। ব্ৰত-কথা অৰ্থাৎ পাঁচালী-শ্ৰৱণ ব্ৰতৰ অন্যতম বৈশিষ্ট্য। মনসা-ব্ৰতৰ লগে লগে সোনেকাদিয়ে পাঁচালীও শ্ৰৱণ কৰিছে :

"মণ্ডপ বান্ধিল তাতে পৰম সুন্দৰ।
নানা চিত্ৰ কৈল তাতে কামটঙ্কি ঘৰ ॥
সেহি ঘৰে পদ্মাঘট থাপি সুভক্ষনে।
চাৰি পাসে নানা দ্ৰব্য বান্ধিল জতনে ॥
স্নান কৰি গঙ্গা জলে সোনাই সুন্দৰি।
সুদ্ধভাৱে পূজিতে লাগিল বিসহৰি ॥

---

৮. সংবাদদাতা : শ্ৰীবৰদাকান্ত শৰ্মা (৪১) পূজাৰী, গড়ল-ভট্টাপাৰা মনসা-মন্দিৰ, ২।১২।৯২

৯. "... laws or ordinances supposed to be laid down by all gods or by individual gods."
P. V. Kane : *History of Dharmaśāstra*, Vol. V, (Poona, 1958), p. 21

ধুপ দিপ ঘৃত দুর্ব্বা নৈবেদ্য সজাইয়া।
ব্রত কথা সুনে সোনাই সখিগন লৈয়া ॥
সুভক্ষনে পদ্মাঘট থাপিয়া জতনে।
পুজিচে মনসা দেবি এক চিত্ত মনে ।।

* * *

পদ্মপুষ্প সিজুডালে কদলিৰ ফলে।
নাৰিগন সমে কৈল মঙ্গল আচাৰে ।।'১০

মনসা-ব্রত-সংযুতিৰ অন্যতম এককবোৰ এনেধৰণে ভাগ কৰি দেখুৱাব পাৰি : উপবাস, ঘটস্থাপন, নৈবেদ্য-উপহাৰাদি স্তুতি আৰু পাঁচালী শ্রবণ। বৰ্তমানো কামাখ্যাধাম, বামুণগুৱালকুছি আদিত মনসা-ব্রত-পৰম্পৰাব চলতি দেখা যায়। নাৰী-ব্রত স্বৰূপে প্রচলিত মনসা-ব্রতে সময়ৰ অগ্রগতিত সাৰ্বিক (universal) ৰূপ পৰিগ্ৰহ কৰি পূজাৰূপে পুৰুষ সমাজত বিশেষকৈ বৰ্ণ হিন্দু সমাজত প্রবেশ কৰে।[১১]

মনসা-পূজা সাধাৰণতে তিনিটা পদ্ধতিত উদ্‌যাপন কৰা দেখা যায় : (ক) শাস্ত্রীয় বা পৌৰাণিক পদ্ধতিৰে, (খ) লৌকিক পদ্ধতিৰে আৰু (গ) জনজাতীয় পদ্ধতিৰে।

(ক) শাস্ত্রীয় পদ্ধতি বা পৌৰাণিক পদ্ধতি :

মহাভাৰত, দেৱীভাগবত, দেৱী-পুৰাণ, ব্রহ্মবৈবৰ্ত পুৰাণ আদি শাস্ত্রীয় বা পৌৰাণিক পৰম্পৰাৰ সক্রিয় ধাৰক আৰু বাহক গ্রন্থ আৰু তন্ত্রাদিৰ ওপৰত প্রতিষ্ঠিত পূজা-বিধিবদ্ধাৰা প্রদর্শিত পদ্ধতি অনুসাৰে ব্রাহ্মণ পুৰোহিতৰ জৰিয়তে আৰু গীত বাদ্য-নৃত্যৰ মাধ্যমত যি মনসা পূজা অনুষ্ঠিত হয় তাক শাস্ত্রীয় বা পৌৰাণিক মনসা বা পদ্মা-পূজা বোলা হয়। অবিভক্ত কামৰূপ, গোৱালপাৰা,

১০ নাৰায়ণদেৱ : পদ্মা-পুৰাণ (Ms), পৃ. ৫৫ খ-৫৬ ক

১১. কামৰূপ জিলাৰ বিজলীঘাটৰ প্রসিদ্ধ দেওধা শ্রীনৃপেন দাসৰ (২৯) মতে দেওধাসকলে গোটেই শাওণমাহটোতে 'বৰত' (ব্রত) পালিব লাগে। সেইবাবে শাওণমাহত বা এই মাহৰ কৃষ্ণা পঞ্চমী তিথিত উদ্‌যাপিত মনসা-পূজাই প্রকৃততে বৰত বা ব্রত। শাওণ মাহৰ বাহিৰে আন মাহত অনুষ্ঠিত মনসা-পূজাহে প্রকৃতার্থত পূজা বা মাৰৈ (৩১।১০।৯২)।

নৱ গঠিত দৰং জিলাৰ গ্ৰাম্যবিলাক অজনজাতীয় হিন্দুৰ দ্বাৰা উদ্‌যাপিত মনসা-পূজাত শাস্ত্ৰীয় বা পৌৰাণিক পদ্ধতিৰ গভীৰ প্ৰভাৱ লক্ষ্য কৰা যায়। এই পদ্ধতিৰ পূজা পৰিক্ৰমাত লোকায়ত সমলে যে স্থান পোৱা নাই তেনেও নহয়।

শাস্ত্ৰীয় বা পৌৰাণিক পূজা পদ্ধতিৰ সাংস্কৃতিক একককবোৰ এনেদৰে বিশ্লেষণ কৰি দেখুৱাব পাৰি: (ক) গন্ধ-অধিবাস, (খ) জগোৱা বা জাগনী বা জাগেনী, (গ) ঘট স্থাপন, (ঘ) প্ৰতিমা স্থাপন, (ঙ) প্ৰতিমাৰ চক্ষুদান আৰু প্ৰাণ প্ৰতিষ্ঠা, (চ) জল আনয়ন, (ছ) মহাস্নান, (জ) ধৰ্মপূজা, (ঝ) শিৱ, দুৰ্গা, মহালক্ষ্মী, সৰস্বতী, অষ্টকাশীতলা, যোগিনী আদি দেৱ-দেৱী-পূজন (ঞ) মাতৃকান্যাস, ধ্যান, বাহ্যমাতৃকাধ্যান, পীঠন্যাস আদি (ট) ষড়ংগ আৰু ষোড়শোপচাৰেৰে দেৱীক পূজন, (ঠ) প্ৰাৰ্থনা, কৃতাঞ্জলি, পুষ্পাঞ্জলি, (ড) বলিশান্তি, খৰ্গপূজন, বলি-উছৰ্গা (ঢ) হোম (ণ) পাঁচালী-শ্ৰৱণ-কীৰ্ত্তন অৰ্থাৎ গীত-বাদ্য-নৃত্য (ত) দেৱী বিসৰ্জন আৰু ঘট-প্ৰতিমা আদি জলত নিক্ষেপণ।

মনসা-পূজাৰ বাবে নাগঘট বা মনসা ঘট স্থাপন অপৰিহাৰ্য্য। প্ৰতিমা-স্থাপন কৰিও মনসা পূজা কৰা হয়। প্ৰতিমা স্থাপন কৰিলেও স্বৰূপাৰ্থত দেৱীক পূজা কৰা হয় ঘটত। প্ৰতিমা নোহোৱাকৈও পূজা হ'ব পাৰে, কিন্তু ঘট নোহোৱাকৈ পূজা হ'ব নোৱাৰে। তদ্ৰূপ মজু বা মজুক নিৰ্মাণ কৰিও মনসা দেৱীক পূজা কৰা দেখা যায়। মজু বা মজুক পূজাতো ঘট অপৰিহাৰ্য্য। মজু বা মজুক নিৰ্মাণ কৰি ইয়াৰ ভিতৰত বা কাষতে ঘট প্ৰতিষ্ঠা কৰা হয়। সাধাৰণতে ওচৰাওচৰিকৈ দুটা বেদী নিৰ্মাণ কৰা হয়—এটা ওখ আৰু দীঘলীয়া, এইবেদীটোত প্ৰতিমা বা মজু বা মজুক প্ৰতিষ্ঠা কৰে আৰু ইয়াৰ পৰা এহাতমান পশ্চিমে বৰ্গাক্ষেত্ৰাকাৰ আন এটা বেদী নিৰ্মাণ কৰি ইয়াৰ ওপৰত পঞ্চগুড়িৰে সৰ্বতোভদ্ৰমণ্ডল অঙ্কন কৰি সিন্দুৰৰ ফোঁট দিয়া দেৱীঘট এটি প্ৰতিষ্ঠা কৰা হয়। বেদীটোৰ চাৰিওকাষে পঞ্চ গুৰিৰে মণ্ডল দিয়া হয়। ঘটৰ পশ্চিমে মাটি বা ধাতুৰে নিৰ্মিত এটা ডাঙৰ পাত্ৰ ৰাখে জলপাত্ৰ হিচাবে। ইয়াৰ পশ্চিমে কুশাসনৰ ওপৰত পুৰোহিতে উপৱেশন কৰে।

সাধাৰণতে তিনিদিন বা তাতকৈ অধিকদিন পৰ্য্যন্ত বিস্তৃত মনসা বা পদ্মা-পূজাক মাৰে পূজা বোলে। মাৰে পূজাৰ প্ৰথম দিনা গধূলি পৰত গন্ধ-অধিবাস আৰু জগোৱা কৃত্য সম্পাদিত হয়। জগোৱা কৃত্য চলি থকা সময়ত ওজাপালিয়ে ঢোল-তাল আদি বাদ্যযন্ত্ৰেৰে দেৱীক জাগৃত কৰে আৰু

পুৰোহিতৰ লগে লগে ওজাপালিয়েও জগোৱা গীত-পদ আবৃত্তি কৰে। শেষৰ দিনটোক সামৰণি বোলে। সামৰণিৰ দিনা ৰাতিপুৱা পুৰোহিতে মন্ত্ৰদ্বাৰা আৰু ওজাপালিয়ে গীত-পদেৰে দেৱীক বিসৰ্জন দিয়ে। মাজৰ কেইদিন অযুগ্ম বিশিষ্ট দিন হোৱা উচিত (যেনে: এদিন, তিনিদিন, পাঁচদিন, সাতদিন, নওদিন, এঘাৰদিন, তেৰদিন ইত্যাদি)। মাজৰ কেইদিনৰ প্ৰত্যেকদিনাই দেৱীক ষোড়শোপচাৰেৰে পূজা কৰা হয়। জাগনী বা গন্ধ-অধিবাসৰ পিছদিনা ঘট, প্ৰতিমা আদিৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়—বাকী কেইদিন আৰু এই কৃত্যটি সম্পাদন কৰা নহয়। দ্বিতীয় দিনাই মাৰিয়াই কেইদিন পূজা কৰিব তাৰ উল্লেখ পুৰোহিতে সংকল্প কৃত্যত কৰে। প্ৰত্যেক দিন পূজাতে ম'হ বলিৰ বাহিৰে পঠা ছাগলি, মতা হাঁহ, পাৰ আদি বলি দিয়া হয়। প্ৰতিদিনে অনুষ্ঠিত পূজাত হোমকৃত্য সম্পাদিত নহয়। সামৰণিৰ আগদিনাখনক ভৰপূজা বা ভৰদক বোলে। এইদিনা হোমকৃত্য অনুষ্ঠিত হয় আৰু আন আন বলিৰ লগতে ম'হ বলিও দিয়া হয়। সাধাৰণতে মনসা পূজাৰ অনুষংগত পেৰা বা মতাম'হ, পঠাছাগলি, মতাহাঁহ, পাৰ, মাগুৰমাছ, কোমোৰা, কুঁহিয়াৰ, মানকচু, ৰবাবটেঙা আদি বলি দিয়া দেখা যায়। ওজাৰ পালি বা দেওধাৰ জৰিয়তে দাখৰদ্বাৰা বলিছেদন কৰা হয়। বলি দিয়াৰ সময়ত মাৰৈয়া বা মাৰিয়া, মাৰৈয়ানী, তেওঁলোকৰ পো-জী, বোৱাৰী, নাতি নাতিনী—আদিয়ে গলবস্ত্ৰ হৈ অষ্টাংগে দেৱীক প্ৰণাম কৰি থাকে। আন বলিৰ শেষতহে ম'হ বলি দিয়া বিধেয়। ম'হৰ ছেদিত মুণ্ড মাৰিয়াই মূৰত তুলি নি দেৱীৰ পাদ প্ৰান্তত অৰ্পণ কৰে। বলি দিয়াৰ সময়ত ঢুলীয়া, তালুৱৈ, কালিয়া আদিয়ে ঢোল-তাল-কালি বজাই থাকে। মাৰিয়াৰ বাহিৰেও ওচৰচুবুৰীয়া সকলে নিজ নিজ নামত উছৰ্গা কৰাই হাঁহ-পাৰ আদি বলি দিয়ায়। মাৰিয়া আৰু তেওঁৰ পৰিয়ালবৰ্গক বলিৰ তেজেৰে কপালত ফোট দিয়া হয়। মুণ্ড ছেদিত ম'হৰ গাঁৰি অংশ গাৰো আদি জনজাতীয় লোকে নিয়ে আৰু বাকীবোৰৰ গাঁৰি অংশৰ মঙহেৰে ব্যঞ্জন প্ৰস্তুত কৰি পূজাত উপস্থিত থকা প্ৰায়বিলাক লোকেই ভোগ হিচাপেগ্ৰহণ কৰে।[১২]

আৰম্ভণি আৰু সমাপ্তিৰ দুয়োদিনকে ধৰি মাজৰ অযুগ্ম দিন কেইদিন যোগ কৰি যি যোগফল পোৱা যায়—সিয়েই মাৰৈ পূজাৰ দৈৰ্ঘ্য ৰূপে

১২. নলবাৰী জিলাৰ অন্তৰ্গত জাহাগাঁৱৰ শ্ৰীনৰেণ ডেকাৰ (৪৭) ঘৰত অনুষ্ঠিত মাৰৈ-পূজাৰ অনুষংগত সংগ্ৰহ কৰা সমল (৩০।১০।৯২)।

বিবেচিত। সাধাৰণতে মাৰৈ পূজা পোন্ধৰ দিনীয়াকৈ পালন কৰাৰ প্ৰমাণো নোহোৱা নহয়। দৰং জিলাৰ অন্তৰ্গত উলাবাগাঁৱৰ ৺দধিৰাম চহৰীয়াই পোন্ধৰ দিনীয়া মাৰৈ-পূজা কৰিছিল।[১৩] দৰঙীৰজা আৰু তেওঁলোকৰ বংশধৰ সকলেও পোন্ধৰ আৰু একৈছদিনীয়া মাৰৈ-পূজা উদ্‌যাপন কৰাৰ প্ৰমাণ পোৱা যায়।[১৪] দৰঙৰ হিন্দুঘোপা মৌজাৰমৌজাদাৰ ৺লক্ষ্মীকান্ত ডেকা আৰু তেওঁৰ পুত্ৰ শ্ৰীভুবন চন্দ্ৰ ডেকাই ক্ৰমে সাত আৰু পাঁচদিনীয়াকৈ মাৰৈ পূজা কৰিছিল।[১৫] এদিনীয়া বা এপৰীয়া আৰু দুদিনীয়া বা গোটা বংপূজা অথবা মনসা-পূজাত দেৱীক এদিন মাত্ৰ পূজা কৰা হয়। বলি-বিধান নোহোৱাকৈও মনসা-পূজা অনুষ্ঠিত হ'ব পাৰে। মাৰৈপূজাৰ 'ভৰ' বা 'ভৰদক' মঙ্গলবাৰ বা শনিবাৰে অনুষ্ঠিত হোৱা উচিত।[১৬]

মনসাপূজাত সৰ্পদেৱী মনসাক পূজা কৰাৰ আগে লগে ধৰ্মদেৱতাকো পূজা দিব লাগে। সাধাৰণতে মনসা বেদীৰ উত্তৰে কিছুদূৰত শীতলাৰ বেদী আৰু এই দুয়োটা বেদীৰ সোঁ মাজতে এটা বেদী নিৰ্মাণ কৰ হয়। এই বেদীটোৰ নাম ধৰ্মদেৱতাৰ বেদী। এই বেদীত পিঠাগুৰি ৰ মণ্ডল দি তাত এটা ঘট প্ৰতিষ্ঠা কৰ হয় আৰু ইয়াৰ নাম ধৰ্মদেৱতাৰ ঘট। মনসা পূজাৰ বিধিত ধৰ্মদেৱতাৰ স্বৰূপ এনেদৰে বৰ্ণিত হৈছে: 'ওম্ ধৰ্মায় ধৰ্মসম্ভবায় অজ্ঞানায়জ্ঞানসংগমে সৰ্বাপদবিমুক্তায়অকাৰ্যামঙ্গলহেতবে। ওম্ ধৰ্ম সৰ্বদেবাত্মং নাৰায়ণং ৰূপাত্মানং চতুৰ্ভুজং মহাবলং সৰ্বযজ্ঞ স্বৰূপং সৰ্বধৰ্ম পৰায়ণং বিষ্ণুদং এবং ধ্যাত্বা শ্ৰীধৰ্মদেৱতায় নমঃ।'[১৭]

অৰ্থাৎ ধৰ্মদেৱতা ধৰ্ম প্ৰতিষ্ঠাকাৰী, জ্ঞানময়, সৰ্ব আপদৰপৰা মুক্তকাৰী, পৰম মংগলকৰ। তেওঁ দেৱশ্ৰেষ্ঠ নাৰায়ণৰ ৰূপযুক্ত অথাৎ চাৰিভুজযুক্ত যজ্ঞ স্বৰূপ আৰু ধৰ্মপৰায়ণ।

'মনসা-পূজাৰ বিধিত কোৱা হৈছে যে, ধৰ্মদেৱতা নানা বস্ত্ৰবিভূষিত, কমন্দ, কৌমোদকী চক্ৰ আৰু শংখেৰে তেওঁৰ চাৰিখনভুজ সুশোভিত। এই বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি সহজে কৰ পাৰি যে, ধৰ্মদেৱতা আৰু বিষ্ণু

১৩-১৫ সংবাদদাতা: শ্ৰীথানুৰাম কলিতা (১০৫), ২২।৭১

১৬. (—) শ্ৰীৰাঘৱ শৰ্মা (৬২), মাধৱপুৰ, আৰিকুছি, ৩০।১০।৯২

১৭. 'মনসা-পূজাৰবিধি', দৰঙৰ হাজৰিকাপাৰাৰ ৺ইন্দ্ৰনাথ শৰ্মাৰদ্বাৰা সংৰক্ষিত।

দৰাচলতে অভিন্ন। পুৰোহিতে ধৰ্মদেৱতাক পূজা কৰাৰ সময়ত ওজাপালিয়েও বহা অৱস্থাত এইগৰাকীদেৱতাৰ পূজা সম্পৰ্কীয় গীত-পদ এনেদৰে গায় ঃ

দিহা ঃ ধৰম পূজা লওৰে নামিয়া দেৱবৰ।
শীঘ্র কৰি লৌ পূজা মণ্ডপৰ ভিতৰ ।।

পদ ঃ ধৰ্ম ধৰ্ম বুলি মাৰিয়াই কৰে স্মৰণ।
স্বৰ্গত থাকি ধৰ্মদেও লৰিলা আসন ।।
ধবল আসন আৰ ধবল চক্র খান।
ধবল ছত্রে নামি আইলা ধৰ্ম নাৰায়ণ ।।
মণ্ডপে আসিয়া ধৰ্ম উপস্থিত ভৈলা।
মাৰিয়া মাৰিয়া বুলি ডাকিতে লাগিলা।
তেতিক্ষণে মাৰিয়াই আসি দৰশন দিলা ।।
অগৰু চন্দনে মণ্ডপ পবিত্র কৰিলা।
চোদোলে কদলি পুতি পূজা আৰম্ভিলা ।।
ধূপ দীপ নৈবদ্য পাতিলা শাৰি শাৰি।
এ জয় জোকাৰে পূজেই দুই হাত যুৰি ।।
পূজা কৰে মাৰিয়াই জয় জোকাৰ দিয়া।
ধৰ্মদেও নামে জল ফুল দিলা নিয়া ।।
মাথাত তুলিয়া দিলা বঙ্গনীয়া ফুল।
কপালত বান্ধি দিলা কাম যে সিন্দুৰ ।।
পূজা কৰি মাৰিয়াই জয় জোকাৰ দিয়া।
ধৰমদেৱৰ নামে বলি উছৰ্গিয়া ।।
যাই যাই পাইলা ভূমি গগনে উৰিয়া।
সুগতি মাৰিয়াত থাকিল পৰিয়া ।।
এক মুঠি ফুল আনি আজুলি ভৰিয়া।
ধৰমদেৱ নামে ফুল দেহৰে ঢালিয়া ॥
পূজা-পানী খাই ধৰ্মদেৱৰ তুষ্ট ভৈলা মন।
মাৰিয়াক ভাল বৰ দিলা তেতিক্ষণ ॥
গোহালিৰ গৰু বাঢ়ক ভড়ালত বাঢ়ক ধান।
ৰজাই প্রজাই গিৰি হোক বহু মান ॥

বৰ দিয়া ধৰমদেৱৰ তুষ্ট ভৈলা মন।
আপোনাৰ মণ্ডপ লাগি কৰিলা গমন ॥[১৮]

বিষ্ণু স্বৰূপ ধৰ্মদেৱতাৰ নামত বলি কটা নহয়, এৰি দিয়াহে হয়। সাধাৰণতে ধৰ্মদেৱতাৰ নামত বগা পাৰ এযোৰ আৰু বগা পঠা এটা এৰি দিয়া দেখা যায়। এই গৰাকী দেৱতাৰ পূজাত বগাফুলৰ প্ৰয়োজন।

ধৰ্মদেৱতাৰ বেদীৰ উত্তৰ ফালে সামান্য দূৰত নিৰ্মাণ কৰা বেদীত প্ৰতিমা প্ৰতিষ্ঠা কৰি অথবা প্ৰতিমা নোহোৱাকৈ ঘট প্ৰতিষ্ঠা কৰি অপায়-অমংগলৰ দেৱী আৰু মনসাৰ কন্যা শীতলাক পূজা কৰা হয়।[১৯] শীতলা পূজাৰ বাবে সুকীয়া পুৰোহিতৰ প্ৰয়োজন। অৱশ্যে মনসা-পূজাৰ পুৰোহিতেই ধৰ্মদেৱতাৰ পূজাও সম্পন্ন কৰে। ধৰ্মদেৱতাৰ উদ্দেশ্যে বগা পাৰ আৰু বগা পঠা এৰি দিয়াৰ নিচিনাকৈ শীতলাদেৱীৰ উদ্দেশ্যেও এযোৰ বগা পাৰ উৰুৱাই দিয়ে আৰু এটি বগা পঠা ছাগলি এৰি দিয়ে। শীতলা-পূজাতো বগা ফুলৰ প্ৰয়োজন। পুৰোহিতে শীতলাদেৱীক পূজা কৰি থকাৰ সময়ত ওজাপালিয়ে শীতলাদেৱীৰ জন্ম আৰু মাহাত্ম্য সম্পৰ্কীয় গীত-পদ (মিথ ধৰ্মী) আবৃত্তি কৰে।

অষ্টনাগ-পূজন মনসা পূজাৰ অপৰিহাৰ্য্য অংগ। পুৰোহিতে অষ্টনাগক পূজা কৰাৰ সময়ত ওজাপালিয়ে বহা অৱস্থাত তলৰ গীতটো তাল বজাই আবৃত্তি কৰে :

দিহা : অ নাগ পূজা লোৱে নাগিনী সঙ্গে লৈয়া।
অষ্টনাগ পূজা লো মণ্ডপে বসিয়া ॥

পদ : অষ্টনাগক পূজা কৰা সহস্ৰ যে ফণা।
কৃতাঞ্জলি কৰি পূজা নাগ যত জানা।
অনন্তক কৰা পূজা সৰ্পৰ অধিকাৰী।
যাৰ শত ফণা আছে ত্ৰিভুবন জুৰি।
বাসুকিক কৰা পূজা হৰৰ কণ্ঠত।
বসুমতী লৈয়া আছে যাহাৰ উদৰত ॥

---

১৮. পদ্মা-পুৰাণ, পুজাখণ্ড, পৃঃ ১৩ ক-খ ; দৰঙৰ পিঠাখোৱা পাৰাৰ ৺ফটিক চন্দ্ৰ কলিতাৰ (ওঝা) ঘৰত প্ৰাপ্ত।

১৯. মনসাদেৱীৰ লগতে শীতলাদেৱীক পূজা কৰাৰ পৰম্পৰা সকলো অঞ্চলতে দেখা নাযায়।

পদ্মনাগক কৰা পূজা দেখিতে সুন্দৰ।
মহাপদ্মক কৰা পূজা বিখিনি অন্তৰ॥
কৰ্কটক কৰা পূজা উৎপলৰ সুত।
বৈকালক কৰা পূজা নাগ অদভুত॥
তক্ষকক কৰা পূজা সহস্ৰ যে ফণা।
কালিনাগক কৰা পূজা মুখে অগ্নি কণা॥
উৎপলক কৰা পূজা যত বিষধৰ।
কোনো কালে সৰ্প ভয় নহৈব তাৰ ঘৰ।
ঊনৈশ কোটি নাগৰ মই নপাইলোহো নাউ।
পাঞ্চবাৰ ফুল মই সবাৰ নামে দেও॥
পূজা পানী কৰা মাৰিয়া জয় জোকাৰ দিয়া।
অষ্ট নাগৰ নামে জল দেহবে ঢালিয়া॥
পূজা-পানী খাই নাগৰ তুষ্ট ভৈলা মন।
মাৰিয়াক ভাল বৰ দিলা তেতিক্ষণ।[২০]

মাৰে-পূজা বা মনসা-পূজাৰ অনুষংগত ধৰ্মদেৱতা, শীতলা আৰু অষ্টনাগক পূজা কৰাৰ বাহিৰেও গণেশ, শিৱ, নাৰায়ণ, চন্দ্ৰ-সূৰ্য্য, বাৰ নক্ষত্ৰ, কূৰ্ম, বসুমতী, গংগা, দুৰ্গা, লক্ষ্মী, সৰস্বতী, সুভাচেনী, নেতাবতী, বুঢ়া গোসাঁই, কাৰ্ত্তিক, থানৰ দেৱতা, মাধৱ, ভৈৰবী, জগন্নাথ, গ্ৰামদেৱতা, কুবিৰ, জলকোঁৱৰ, থানোৱাল বিদ্যাধৰ, গন্ধৰ্ব, কিন্নৰ, মনাইদেউ, চণ্ডিকা, পাতালৰ ষোল্লশ নাগিনী আদি পৌৰাণিক আৰু লোকায়ত দেৱ-দেৱীৰ উদ্দেশ্যে পুৰোহিতে পূজা আগবঢ়ায়, লগে লগে পূজাৰ লগত সম্পৰ্ক ৰাখি ওজাপালিয়েও বন্দনা-গীত আবৃত্তি কৰে। এনেধৰণৰ বন্দনা-গীতৰ উদাহৰণ স্বৰূপে তলত শুভাচেনীৰ বন্দনা-গীতটো দিয়া হ'ল ঃ

দিহা ঃ অ মাও শুভাচেনী মঞ্চত নামিলা।
সুবৰ্ণৰ পঞ্চফুলে পূজা আৰম্ভিলা॥

পদ ঃ শুভাচেনী শোভাচেনী শশী বদনী।
একে লগে নামি আইলা দুইয়ো ভগিনী॥

---

২০. পদ্মা-পুৰাণ, পূজাখণ্ড, ৺ভদ্ৰকান্ত শৰ্মাৰ (বলদেৱৰপাৰা) দ্বাৰা সংৰক্ষিত পৃ. ২৭ ক-খ

মণ্ডপে আসিয়া দুই উপস্থিত ভৈলা ।
মাৰিয়া মাৰিয়া বুলি ডাকিতে লাগিলা ।।
মাৰিয়া মাৰিয়া ডাকে ঘনে ঘন ।
তেতিক্ষণে মাৰিয়াই দিলা দৰিশন ।।
অগৰু চন্দনে ঠাই পবিত্র কৰিলা ।
সুবৰ্ণৰ পঞ্চফুলে পূজা আৰম্ভিলা ॥
পাঞ্চ মুঠি ফুল দিয়া আঞ্জলি ভৰিয়া ।
শুভাচেনী নামে ফুল-পানী দেহৰে ঢালিয়া ॥
পূজা খাই শুভাচেনী ৰঙ্গ ভৈলা মন ।
মাৰিয়াক ভাল বৰ দিলা তেতিক্ষণ ॥
গোহালিত গৰু বাঢ়ক ভৰালত ধান ।
ৰাজাই প্ৰজাই গিৰি হৌক বহুমান ।।
বৰদিয়া শুভাচেনী ৰঙ্গ ভৈলা মন ।
আপোন মণ্ডপে লাগি কৰিলা গমন ।[২১]

জগোৱাৰ প্ৰসংগত পুৰোহিতে মন্ত্ৰৰ সহায়ত মণ্ডপ, ৰভা আদি জগায় আৰু ওজাপালিয়েও গীত-পদৰ জৰিয়তে তাল, পটা, তামোল-পাণ, ঢেকী আদিৰ জন্মবৃত্তান্ত সম্পৰ্কীয় নৈদানিক গীত-পদ গোৱাৰ উপৰিও সৃষ্টি পাতন, মধু কৈটভৰ জন্ম আৰু বিষ্ণুৰদ্বাৰা নিধন, ঘটনিৰ্মাণ, মণ্ডপ জাগন আদি বিষয়ক গীত-পদ আবৃত্তি কৰে ।

পূজাৰ আৰম্ভণিতে পুখুৰী, নদী বা আন জলাশয়ৰপৰা ঘট আৰু টেকেলিত দেৱীৰ পাদ্য, অৰ্ঘ্য, আচমন, স্নান আদিৰ অৰ্থে পুৰোহিতৰ তত্ত্বাবধানত আনুষ্ঠানিক আৰু পৰম্পৰাগত ভাবে জল তোলে । জল তোলাৰ প্ৰসংগত ওজাপালি, ঢুলীয়া, কালিয়া, দেওধনী বা দেওধা আদিয়ে সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰে । জল তোলাৰ সময়ত ওজাপালিয়ে কেইটমান গীত-পদ গায় । ইয়াৰ নাম জলবুকৰা পদ । জল বুকৰাৰ অনুষংগত জলদেৱতাকো পূজিব লাগে ।

শাস্ত্ৰীয় পূজাত মনসাদেৱীক পূজা কৰা হয় আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক এই ত্ৰিতাপৰ বিমুক্তিৰ বাবে আৰু সৌভাগ্য-সন্ততি,বিপুলধন-

২১. পদ্মা-পুৰাণ, পূজাখণ্ড, বলদেৱপাৰাৰ ৺ভদ্ৰকান্ত শৰ্মাৰ ঘৰত সংৰক্ষিত

ধান, আয়ু-আৰোগ্য প্ৰাপ্তিৰ অৰ্থে। গীত-বাদ্য, শ্ৰৱণ-কীৰ্ত্তন আৰু মন্ত্ৰাদিৰ দ্বাৰা গণপতি আদি দেৱতা আৰু অষ্টনাগৰ সৈতে মনসাদেৱীক পূজা কৰা উচিত।

পূজাৰ অনুষংগত মনসাদেৱীক তোতোলা, হৰসুতা, পাতালবাসিনী, নাগমাতা, আস্তিকমুনিৰ্মাতা, মহাঘোৰা, অঘোৰা, চণ্ডা, প্ৰচণ্ডা, উগ্ৰচণ্ডা, অতিচণ্ডা, বিশালাক্ষী, সূক্ষ্মা, বেতালী, গতিদাত্ৰী, মুক্তিদাত্ৰী, ভক্তিদাত্ৰী, ধনদাত্ৰী, পুত্ৰদাত্ৰী চামুণ্ডা, চৰ্চ্চিকা, চণ্ডিকা, পাৰ্বতী, জয়ন্তী, মাহেশ্বৰী, বৰাহী, সৰস্বতী, গঙ্গা, মহালক্ষ্মী, জৰৎকাৰু মুনিপত্নী, কালৰূপা, ঔষধিৰূপিণী, ভগৱতী, পদ্মা, হংসবাহিনী, জগদাৰিণী, সুপ্ৰভা, ত্ৰিনেত্ৰা, সৰ্বসিদ্ধিদায়িনী ৰূপে স্তুতি কৰা হয়। অঞ্চল বিশেষে মনসা পূজাৰ লগত সংগতি ৰাখি কুমাৰী পূজাও কৰা দেখা যায়।

গেৰুৱা, পাৰ্বতীয়, বামুণ শুৱালকুছি, কামাখ্যাধাম আদিত অনুষ্ঠিত মনসা পূজা, জাগৰণ আৰু সামৰণিৰ দিনকেইটাক ধৰি পাঁচ দিন চলে। দুৰ্গা পূজাৰ পৰিসৰো পাঁচ দিন। দুৰ্গাপূজাৰ লগত সংগতি ৰাখি উপৰোল্লিখিত স্থান কেইখনত মনসা পূজা পাঁচদিনীয়াকৈ পালন কৰা হয়। আনকি দুৰ্গা পূজাৰ নিচিনাকৈ মনসা পূজাতো সন্ধি পূজা কৰে।[২২]

পূজাৰ সামৰণিত পুৰোহিতৰ মন্ত্ৰ আৰু ওজাপালিৰ গীতেৰে মনসাদেৱীক বিদায় দিয়া হয় ইয়াৰ লগে লগে ধানপূৰ্ণ দোলনি বা দুণৰিটো পূজাখলাৰ পৰা মাৰিয়াই মূৰত তুলি নি আনুষ্ঠানিক ভাবে ভড়ালঘৰৰ পিৰালিত স্থাপন কৰে। এই প্ৰসংগতো ওজাপালিয়ে ঢোল-তাল আদি বজায়।

অঞ্চল বিশেষে আকৌ কলৰ মজু নিমাণ কৰি তাত ব্ৰাহ্মণ পুৰোহিতৰদ্বাৰা ষোড়শোপচাৰেৰে মনসাদেৱীক পূজা কৰি মজুখন নদীৰ সোঁতত এৰি দিয়া হয়। সামুহিকভাবে অকল্যাণ বিদুৰণ কৃত্যৰ লগত মজুপূজাৰ সম্পৰ্ক লক্ষ্য কৰিব পাৰি।

পূজাৰ অন্তত নিয়নিৰ পৰা গোটেই ৰাতিটো ওজাপালিয়ে মনসা-কথাবস্তুৰ বৰ্ণনা বিশিষ্ট গীত-পদ (পদ্মা-পুৰাণ) আবৃত্তি কৰে আৰু গীত-পদৰ লগত সম্পৰ্ক ৰক্ষা কৰি দেওধনী বা দেওধাই নৃত্য প্ৰদৰ্শন কৰে।

২২. সংবাদদাতা : শ্ৰীশৰত চন্দ্ৰ শৰ্মা (৮৭), গেৰুৱা, ১৬।৮।৯২

(খ) লৌকিক পদ্ধতি ঃ

যি মনসা পূজাত তন্ত্র-মন্ত্র-যন্ত্র আদি নাথাকে, যি পূজাত ব্ৰাহ্মণ পুৰোহিতৰ প্ৰয়োজন নাই, যি পূজাত হোমাদিকৃত্য আৰু গীত-বাদ্য-নৃত্যাদি নাথাকে, যি পূজাত বলি আদিৰ প্ৰয়োজন নাই তেনে পূজাক লৌকিক পদ্ধতিৰে কৰা মনসা পূজা আখ্যা দিব পাৰি। সাধাৰণতে সাপৰ ওজা বা বেজ আৰু সৰ্প ধৰোতা জনে এনে পদ্ধতিৰে মনসা দেৱীক পূজা কৰে। অঞ্চল বিশেষে এনে পদ্ধতিৰে সম্পাদন কৰা মনসা পূজাক আসুৰিক পূজাও বোলে। বোৱা উঠাৰ দিনা অথবা ধানৰ আগ অনাৰ দিনা নাইবা কাঁচি উঠাৰ দিনা অৰ্থাৎ ধানকটা শেষ হোৱাৰ দিনা পৰিয়ালৰ মূৰব্বীজনে ভঁড়াল ঘৰৰ সন্মুখত আগলতি কলপাত এখন পাৰি তাত চাকি-বন্তি, ধূপ-দীপ আদি জ্বলাই মাহ-চাউল আৰু ফুল-তুলসী আদি আগবঢ়াই মনসা বা বিষহৰীৰ উদ্দেশ্যে। এনে পূজাত পুৰোহিত বা দেউৰী বা বিধি বা তন্ত্ৰৰ প্ৰাধান্য মুঠেই নাথাকে নাইবা গীত-বাদ্য-নৃত্যৰো প্ৰয়োজন নাই। এই প্ৰসংগত পৰিয়ালৰ মূৰব্বীজনেই পুৰোহিত আৰু মাৰিয়া উভয়ৰ দ্বৈত ভূমিকা গ্ৰহণ কৰে।

অঞ্চল বিশেষে কলৰ দোনাৰে নিৰ্মিত মজুত মাৰি-মৰকৰ দেৱী মনসাৰ উদ্দেশ্যে বিবিধ নৈবেদ্য আৰু হাঁহ-পাৰ, পঠা ছাগলি আগবঢ়াই বাইজে গীত-পদ গাই গাই শোভাযাত্ৰা কৰি সেই মজুথন সোঁতাল নদীৰ পানীত উটুৱাই দিয়ে – বিপদ বিঘিনি, মাৰি-মৰক বিদূৰণৰ বাবে। এনে পূজাতো ব্ৰাহ্মণ পুৰোহিত বা তন্ত্ৰ বিধিৰ প্ৰয়োজন নাথাকে।

স্থান বিশেষে আকৌ বিশেষকৈ কোনো এঘৰ মানুহৰ ঘৰত পৰিয়ালটোৰ কল্যাণ কামনা কৰি 'সুকনানি পঢ়োৱা' বা 'গীত গাৱা' অনুষ্ঠান পাতে। এই অনুষ্ঠানৰ প্ৰসংগত গৃহস্থৰ বৰ মৈণীজনীয়ে গা পা ধুই উঠি গোসাঁই ঘৰত বা ভঁড়াল ঘৰৰ সন্মুখত আগলতি কলপাত এখন পাৰি তাত মাহ-চাউল, ফল মূল আদি উপকৰণ আগবঢ়াই ধূপ-দীপ, চাকি-বন্তি জ্বলাই দিয়ে মনসাদেৱীৰ উদ্দেশ্য। বাহিৰত ছয় সাতজন মানুহৰ ভিতৰৰে এজনে বহা অৱস্থাত 'পদ্মা পুৰাণ'ৰ কোনো এটা খণ্ডৰপৰা পদ লগাই দিয়ে ওজাপালিৰ ওজাৰ দৰে আৰু বাকী কেইজনে ওজাপালিৰ পালিৰ নিচিনাকৈ বহা অৱস্থাতে সৌহাতেৰে তাল বজাই সেই পদৰ দিহা অংশ দোহাৰে। পদ গোৱা দলটোৰ চাৰিওফালে ওচৰ চুবুৰীয়া লোকসকল দৰ্শক বা শ্ৰোতা ৰূপে বহে। কিছু সময় গীত-পদ গোৱাৰ

অনুষ্ঠানটোৰ সামৰণি পৰে। গৃহস্থৰ পৰিয়াল বৰ্গই সেৱা কৰে আৰু উপস্থিত শ্ৰোতাবিলাকৰ ভিতৰৰে সৰহ সংখ্যকে আশীৰ্বাদ দিয়ে। মাহ-চাউল, ফল মূল আদি গ্ৰহণ কৰি সকলোৱে বিদায় লয়। ওজাপালিৰ নিচিনাকৈ গীত বা পদ গোৱা দলটোক যৎকিঞ্চিৎ অৰিহণা দিব লাগে। এই প্ৰসংগতো পূজাৰী বা দেউৰীৰ প্ৰাধান্য নাই অথবা বিধি বা তন্ত্ৰৰো প্ৰয়োজন নাই। এনে লৌকিক মনসা পূজা গুৱালকুছি, দৰং আদিত বৰ্তমানো প্ৰচলিত।

(গ) জনজাতীয় পদ্ধতি ঃ

বৰো, পাতিৰাভা, হাজং আদি জনজাতিৰ মাজত প্ৰচলিত, পৰম্পৰাগত জনজাতীয় পদ্ধতিৰে আৰু জনজাতীয় দেউৰী বা পুৰোহিতৰদ্বাৰা সম্পাদিত মনসা পূজাক জনজাতীয় পদ্ধতিৰে কৰা মনসা পূজা বুলিব পাৰি। জনজাতীয় মনসা পূজাত তন্ত্ৰ বা বিধি নাথাকে অথবা ইয়াত যজ্ঞ বা হোমৰো প্ৰচলন নাই। অৱশ্যে শাস্ত্ৰীয় পদ্ধতিৰে কৰা মনসা পূজাৰ দৰে জনজাতীয় পদ্ধতিৰে কৰা মনসা বা বিষহৰী-পূজাতো পাঁচালী গাত শ্ৰৱণ-কীৰ্তন কৰা হয় আৰু ঢোল-তাল আদি বাদ্য বজোৱা হয়। সাধাৰণতে শাস্ত্ৰীয় পদ্ধতিৰে সম্পাদিত মনসা-পূজাত গাহৰি, কুকুৰা আদি বলি দিয়া নহয়; ইয়াৰ বিপৰীতে জনজাতীয় পদ্ধতিৰে কৰা মনসা-পূজাত গাহৰি, কুকুৰা আদি বলি দিয়া দেখা যায়। জনজাতীয় পদ্ধতিৰে কৰা পূজাতো প্ৰতিমা অথবা মজু প্ৰতিষ্ঠা কৰা দেখা যায়। শাস্ত্ৰীয় পদ্ধতিৰে কৰা পূজাৰ নিচিনাকৈ জনজাতীয় পদ্ধতিৰে কৰা পূজাতো ঘট স্থাপন কৰা হয়। জনজাতীয় পদ্ধতিৰে সম্পাদিত মনসা পূজাত সংস্কৃতত ৰচিত মন্ত্ৰাদিৰ প্ৰচলন নাই, তেওঁলোকৰ ভাষাত মুখ পৰম্পৰা প্ৰচলিত এক প্ৰকাৰ মন্ত্ৰৰদ্বাৰাই পূজা কৰা হয়।

পাতিৰাভাসকলৰ মাজত প্ৰচলিত 'ভৰমাৰে' আৰম্ভ হয় সন্ধিয়াৰ পৰা। এই দিনটো গন্ধ-অধিবাস আৰু জাগনী বা জাগৰণী বা জগোৱা ৰূপে পৰিচিত। অধিবাস আৰু জাগনীৰ অনুষংগত দেউৰীয়ে দেৱীক পূজা কৰাৰ লগে লগে ওজাপালিয়েও বহা অৱস্থাতে সৰস্বতী-বন্দনা, তাল-সৃষ্টি আদিৰ গীত-পদ গায়। অৱশ্যে তাল সৃষ্টিৰপদ নোগোৱালৈকে পালিয়ে তাল বজাব নোৱাৰে। অধিবাসৰ দিনা ওজাপালিয়ে গীত পদ বহা অৱস্থাত গোৱা বাবে এই গীত-পদবোৰৰ নাম 'বহনি সিৰষ্টি'ৰ গীত-পদ।

পিছ দিনা নিচেই পুৱাতে পূজাৰ বাবে প্ৰয়োজন জলৰ আৰু জল আনিবৰ বাবে ঘটৰ। সেইবাবে ৰাতিপুৱাতে ওজাপালিয়ে 'কুমাৰ' আৰু 'ঘট' নিৰ্মাণৰ গীত-পদ গায়। ইয়াৰ পিছতেই আনুষ্ঠানিকভাবে আৰম্ভ হয় জলঅনা কৃত্যৰ। ওচৰতে থকা জলাশয়লৈ বয়ৰাতীসকলে হাতত ঘট একোটি লৈ যাত্ৰা কৰে। বয়ৰাতীৰ লগত থাকে দেউৰী, ওজাপালি, দেধানী বা দধানী, ঢুলীয়া আৰু আন আন দৰ্শকসকল। জল আনিবলৈ যাওঁতে বাটে বাটে ওজাপালিয়ে গীত-পদ আবৃত্তি কৰি যায়, দেধানীয়ে নাচে আৰু ঢুলীয়াই ঢোল বজায়। জলাশয়ৰ ঘাটত দেউৰীয়ে নাগিনা পূজা কৰে আৰু ওজাপালিয়ে 'দেওঁ নামানি' বা দেও নমোৱাৰ গীত গাই দেৱ-দেৱীক ঘাটলৈ নমাই তেওঁলোকক বলি-বিধানেৰে পূজা কৰে। পূজাৰ অন্তত বিভিন্ন দেৱ-দেৱীৰ নামত ঘটত পানী ভৰাই সকলোৱে পূজা মণ্ডপ অভিমুখে যাত্ৰা কৰে আৰু দেউৰীয়ে বিভিন্ন দেৱ-দেৱীৰ নামত জলপূৰ্ণ ঘটবোৰ স্থাপন কৰে। মজু স্থাপনৰ অন্তত মাৰেয়াই নিজেই মজুৰ চক্ষুদান কৃত্য সম্পাদন কৰে। মজুৰ সন্মুখত দেউৰীয়ে দেৱীৰ উদ্দেশ্যে বলি-বিধান আগবঢ়াই পূজা কৰে। আবেলি ওজাপালিয়ে 'সৃষ্টিপাতন'ৰ গীত-পদ গায়। সন্ধিয়াৰ পূৰ্বে দেৱীৰ উদ্দেশ্যে পুনৰ বলি বিধান আগবঢ়ায়। সেইদিনা গোটেই নিশাটো ওজাপালিৰ গীত-পদ আৰু দেধানীৰ নাচ অবিৰামভাবে চলে।

পিছদিনা ৰাতিপুৱা দেউৰীয়ে পূৰ্বৰ দৰে পূজা কৰে ওজাপালিয়ে বহা অৱস্থাত পূজাৰ গীত-পদ গায়। আবেলিৰ পৰা গোটেই ৰাতিটো ওজাপালিৰ গীত-পদ-অভিনয় আৰু দেধানীৰ নৃত্য আৰু অভিনয় চলে। তৃতীয় নিশা দেধানী ভৰদকত পৰে আৰু পঞ্চম দিনা নিচেই ৰাতিপুৱাতে ওজাই জাৰি-ফুকি দেধানীক ভৰদৰপৰা তোলে। ইয়াৰ পিছত ওজাপালিয়ে লখাইৰ ছয় ভাইক জীয়াই তোলা, চান্দৰ বাৰ ডিঙা উদ্ধাৰ আদি বিষয়ক গীত-পদ পৰিৱেশন কৰে। গীত-পদ গোৱা শেষ হোৱাৰ লগে লগে ওজাপালিয়ে পুনৰ 'দেওনামানি'ৰ গীত-পদ গায়। এই সময়ত দেধানীয়ে ৰণচণ্ডীৰ মূৰ্তি ধাৰণ কৰি কান্ধত বলিৰ পঠা লৈ তাণ্ডৱ-ভংগীত নৃত্য প্ৰদৰ্শন কৰে। তেনে সময়তে দেউৰীয়ে খৰ্গ ধাৰণ কৰি দেৱীৰ নামত বিভিন্ন বলি ছেদন কৰে।

পূজা আৰু বলি বিধানৰ অন্তত দেউৰী, ওজাপালি, দেধানী, ঢুলীয়া, বয়ৰাতী আদি সকলোৱে নিকটস্থ জলাশয়ত মজু, প্ৰতিমা, ঘটাদি বিসৰ্জন দি গা-পাধুই আকৌ পূজা স্থলীলৈ ঘূৰি আহে। ইয়াৰ পিছতো দেধানীয়ে "হাতত

ফুলীয়া বিচন কাখে দোণডালি' লৈ ডুমুনীৰ বেশত নৃত্য আৰম্ভ কৰে আৰু ওজাপালিয়ে গীত-পদ গায়। চান্দসদাগৰে বাওহাতেৰে দেৱীক পূজা কৰা, অজগৰৰ নেজ কাটি এৰি দিয়া আদি বিষয়ক গীত-পদ ওজাপালিয়ে গোৱাৰ পিছতহে 'ভৰমাৰে'ৰ সামৰণি পৰে।[২৩]

এদিনীয়া বা এবেলিয়া মাৰে-পূজাত মঞ্জু স্থাপন কৰি বলি বিধান দি নিৰ্দিষ্ট সময়ৰ ভিতৰতে পূজাৰ সামৰণি পেলোৱা হয়। এনে পূজাত ওজাপালিয়ে 'দুৰ্গাজনম' বিষয়ক গীত-পদ গাই উঠি 'দেও নামানি'ৰ গীত-পদ গায়। ফুল-মাৰে'ৰ অনুষংগত প্ৰথম দিনা নিশা গন্ধ-অধিবাস আৰু 'জাগনী' নৃত্য সম্পাদন কৰা হয়। পিছদিনা 'জল আনয়ন' আদি কৃত্যৰ অন্তত দেউৰীয়ে দেৱীক পূজা কৰে। ওজাপালিয়ে 'চান্দবণিজ'ৰ গীত-পদ গাই উঠি 'দেওনামানি'ৰ পদ গায় আৰু এই সময়তে দেউৰীয়ে দেৱীৰ উদ্দেশ্যে বলি-বিধান আগবঢ়ায়।[২৪]

হিন্দুধৰ্মী বৰোসকলৰ মাজত এদিনীয়া বা এপৰীয়া আৰু তিনিদিনীয়া মনসা-পূজাৰ পৰম্পৰা প্ৰচলিত। সাধাৰণতে ফাগুনমাহত মঞ্জু আৰু ঘট প্ৰতিষ্ঠা কৰি মাৰে বা মনসা-পূজা কৰা হয়। মনসা দেৱীক পূজা কৰাৰ পূৰ্বে গৃহ দেৱতাক পূজা দিবই লাগিব। বাথৌনীঘৰত স্থাপন কৰা মাইমাও নাইবা লক্ষ্মীদেৱীৰ থানত নাইবা ঘৰৰ পূবফালে প্ৰতিষ্ঠা কৰা থানত অথবা চোতালৰ পূব-ফালে থকা সিজুগছৰ নিচেই ওচৰতে থকা মণ্ডপত গৃহদেৱতাক পূজা কৰে। ইয়াৰ পিছতে মাৰৈ-পূজা বা মনসা-পূজাৰ মণ্ডপত প্ৰধান পুৰোহিত বা দেউৰী আৰু সহায়ক বা পালি দেউৰীয়ে পূজাৰ যা-যোগাৰ কৰে। পানী-তোলা বা জল আনয়ন কৃত্য বৰোসকলৰ মাজত প্ৰচলিত মাৰৈ-পূজাৰ অপৰিহাৰ্য্য অংগ। আনুষ্ঠানিকভাৱে জল আনয়ন কৃত্যত সাধাৰণতে মাৰিয়াৰ গৃহিণী, এজনী বৈৰাথী (ব্ৰতিনী), মহাদেৱৰ প্ৰতীকধাৰী, ঢুলীয়া, কালিয়া আৰু অন্যান্যলোকে অংশ গ্ৰহণ কৰে। জলাশয়ৰ ঘাটত পোনতে ঘাই দেউৰীয়ে জলদেৱতাৰ উদ্দেশ্যে পূজা আগবঢ়ায় আৰু পানীত নামি তেওঁৰ হাতত থকা কটাৰীৰে ঘূৰণীয়াকৈ পানীৰ উপৰিভাগত এটি চিন দি তাতে জলদেৱতা অৰ্থাৎ জলকুবেৰৰ নামত এটা মুদ্ৰা অৰ্পণ কৰে। পইচা জলত দিয়াৰ উদ্দেশ্য হ'ল জলদেৱতাৰপৰা জল কিনি লোৱা। ইয়াৰ অন্তত দেউৰীয়ে ধৰ্মৰ কলহ আৰু সক ডিঙিৰ ঢুগ্‌ঢুগী

২৩. প্ৰাণেশ্বৰ বাভা (সম্পা): মায়াৰন্তা বিষহৰি, ভূমিকা, পৃ. ০২-'০৭
২৪. উ. গ্ৰ., পৃ. '০৭

এটাত পানী ভৰাই তেওঁৰ মূৰৰ উপৰেৰে মাৰিয়াৰ পত্নীৰ হাতত দিয়ে। পালি দেউৰীয়ে কুমাৰৰদ্বাৰা নির্মিত টেকেলিত পানী ভৰাই লৈ পিছলৈ নোচোৱাকৈ পূজাস্থলী মুখে যাত্রা কৰে আৰু বাকীবিলাকে তেওঁক অনুসৰণ কৰে। মাৰিয়াৰ পত্নীয়ে জলপূর্ণ ধর্মৰ কলহটো বাওঁ কাষত লয় আৰু সোঁহাতেৰে দুগ্‌দুগীৰ পানী বাটে বাটে ছটিয়াই আহে। ঘাই দেউৰীৰ আগে আগে মহাদেৱৰ প্রতীকধাৰী গৰাকী আৰু বৈৰাথী আহি থাকে। শেষত অহাজনে কোৰেৰে মাটি কাটি চিন ৰাখি আহি থাকে। জলপূর্ণ কলহ, ঘট আদি পূজাস্থলীত স্থাপন কৰা থাপনাত আলফুলকৈ থয়। আগলতি কলপাত এখনত পূজাৰ দ্রব্যবোৰ আগবঢ়ায়। পূজা চলি থকা সময়ত ঢুলীয়াই ঢোল বজায় আৰু ইয়াৰ অন্তত ওজাপালি উঠে।

পূজাৰ সময়ত আৰু বলি-বিধানৰ পূর্বে ওজাপালিয়ে গীত-পদেৰে দেৱতা-সকলক পূজা মণ্ডপলৈ নমাই আনে। ইয়াৰ পিছতে গণেশ, শিৱ, মনসা আদি দেৱ দেৱীসকলৰ উদ্দেশ্যে পাৰচৰাই, মতাহাঁহ, পঠা ছাগলি, মাগুৰ মাছ, হাঁহ-কণী, পেৰা বা মতাম'হ, মতাকুকুৰা, কুঁহিয়াৰ আদি বলি দিয়া হয়।[২৫] বলিৰ অন্তত ওজাপালি আৰু দেওধা বা দেওধনী উঠে। মাৰৈ-পূজাৰ 'ভৰ' বা 'ভৰদক'ৰ দিনা অথবা এপৰীয়া পূজাৰ দিনা সন্ধিয়াৰ ফালে কছাৰী-পূজা বা চামুণ্ডা পূজা অনুষ্ঠিত হয়। সাধাৰণতে এপৰীয়া পূজা শনিবাৰ বা মংগলবাৰে উদ্‌যাপিত হয় আৰু তিনিদিনীয়া মাৰৈ পূজাৰ 'ভৰ' বা 'ভৰদক' যাতে মংগলবাৰ বা শনিবাৰে অনুষ্ঠিত হ'ব পাৰে তালৈ লক্ষ্য ৰাখি এই পূজাৰ দিন ঠিক কৰা হয়।

মাৰে-পূজাৰ সামৰণিত অনুষ্ঠিত হয় লক্ষ্মীবৰণ কৃত্য। এই কৃত্যৰ প্রসংগত জহা চাউল পূর্ণ দুণবিটো ওজাপালি আৰু ঢুলীয়াৰ গীত-বাদ্যৰ মাজেৰে আনুষ্ঠানিক ভাবে ৰান্ধনী ঘৰৰ মণ্ডপলৈ নিয়া হয়।

উপৰৰ আলোচনাৰপৰা দেখা যায় যে, বৰো সকলৰ মাৰৈ পূজা পদ্ধতিৰ লগত অজনজাতীয় হিন্দু সকলৰ সমাজত প্রচলিত মাৰৈ পূজা-পদ্ধতিৰ গভীৰ সাদৃশ্য বর্তমান।[২৬]

---

২৫. মধু বড়ো : 'বড়ো পদ্ধতিৰে মাৰৈ পূজা' (স্মৃতি গ্রন্থ, সোণালী জয়ন্তী উৎসৱ), পৃ. ১১-১২

২৬. মধু বড়ো, উ. প্র. পৃ. ১২

হাজংসকলে মজুসাজি বা প্রতিমা নির্মাণ কৰি আৰু ঘট প্রতিষ্ঠা কৰি গোটেই শাওন মাহৰ বিভিন্ন দিনত ব্যক্তিগতভাৱে পদ্মা দেৱীক পূজা কৰে। শাওণ আৰু ভাদৰ সংক্রান্তিৰ দিনা ৰাজহুৱাভাবে এদিনীয়া বা তিনিদীয়া বা পাঁচ দিনীয়াকৈ মাৰে-পূজা অনুষ্ঠিত হয়। হাজংসকলৰ মাৰৈ বা পদ্মা-পূজা তেওঁলোকৰ মাজৰে দেউৰী এজনে সম্পন্ন কৰে। পাৰ, হাঁহ, পঠা ছাগলি, মতাম'হ আদি বলি দিয়াৰ পৰম্পৰাও তেওঁলোকৰ মাজত প্রচলিত। পূজাৰ অনুষংগত ওজাপালি ধর্মী অনুষ্ঠান এটিয়ে 'পদ্মা-পূৰাণ'ৰপৰা গীত-পদ গায়। এই অনুষ্ঠানটে.ৰ নাম 'গীতালুগান'। পাতিৰাভাসকলৰ নিচিনাকৈ হাজংসকলৰ মাজতো 'দধনী'ৰ (দেওধনী) পৰম্পৰা প্রচলিত। চাৰিওফালে চাৰিটা ডাঙৰ কলপুলি পুতি তাৰ সোঁমাজতে মজু আৰু ঘট প্রতিষ্ঠা কৰি তেওঁলোকৰ পৰম্পৰা অনুসৰি ভগৱতীক পূজা কৰে। পূজাৰ লগে লগে পঞ্চতী আয়তীয়ে গীতালু গানৰ সংগীসকলৰ লগত মজুৰ চাৰিফালে নাচি নাচি ঘূৰি থাকে।২৭

অসমৰ চাহ বাগিচাৰ জনজাতিসকলৰ মাজত প্রতিবছৰে ভাদমাহৰ শেষ দিনটোত অর্থাৎ ভাদ আৰু আহিনৰ সংক্রান্তিত মনসা-পূজা অনুষ্ঠিত হয়। অৱশ্যে স্থান বিশেষে শাওণ মাহৰ কৃষ্ণা পঞ্চমী অর্থাৎ নাগপঞ্চমীতো মনসা পূজা পাতে। মনসাৰ প্রতিমা আৰু ঘট স্থাপন পূজাৰ অপৰিহার্য্য অংগ। ব্রাহ্মণ পুৰোহিতৰদ্বাৰা পূজা সম্পাদিত নহয়। তেওঁলোকৰ ভিতৰৰে এজনে পুৰোহিত বা দেউৰীৰ কর্ম সম্পাদন কৰে। ঝুপান-অনুষ্ঠান তেওঁলোকৰ মাজত প্রচলিত মনসা-পূজাৰ প্রয়োজনীয় অংগ। দেৱীক বিসর্জন দিয়াৰ পূর্বে তেওঁলৈ মাগুৰ মাছেৰে ৰন্ধা আঞ্জা পইতা ভাতৰ সৈতে আগবঢ়োৱা হয়। সাধাৰণতে দেৱীক আসৈ নিদিবৰ বাবেই তেওঁক পইতা ভাত দিয়া হয়। পূজাত ঢোল, ধুমচা (ডাঙৰ ঢোল), তাল আদি বাদ্য-বাজন প্রয়োজনীয়। পূজাৰ লগে লগে 'মনসা-মংগল' বা 'পদ্মা-পুৰাণ'ৰ গীত পদ আবৃত্তি কৰা হয়। সাধাৰণতে পুৰোহিতে বহা অৱস্থাত গীত-পদ লগাই দিয়ে আৰু পালিসকলে হাতেৰে তাল বজাই সেই গীত-পদ দোহাৰে।২৮

---

২৭. সংবাদদাতা : শ্রীৰাধা মোহন হাজং (৬০), বকো, ১৭।৮।৯২
: শ্রীমতী বেহুলা হাজং (৩০) [দধনী], ধূপধৰা, ১৭।৮।৯২

২৮. সুশীল কুর্মী : চাহ বাগিচাৰ জীৱন আৰু সংস্কৃতি, পৃ. ১২৪

উৎসৱ-অনুষ্ঠান

ব্যক্তিগত বা সামূহিক বা ৰাজহুৱাভাৱে উদ্‌যাপিত মনসা-পূজা অথবা ৰমানী পূজা বা মাৰৈ-পূজাই উৎসৱ-অনুষ্ঠানৰ দাবী পূৰণ কৰিব পাৰে। বিশেষধৰণৰ তাৎপৰ্য্য বিশিষ্ট সময়ত অনুষ্ঠিত অনুষ্ঠানৰ পৌনঃপুনিকতাই উৎসৱ।[২৯] এইখিনিতে মনত ৰাখি থোৱা উচিত হ'ব যে, উৎসৱ-অনুষ্ঠানক বিশেষ ধৰণৰ আচৰণ ৰূপে আখ্যা দিব নোৱাৰি। স্বৰূপাৰ্থত উৎসৱ-অনুষ্ঠান-বোৰ পৰম্পৰাগত আচৰণৰ সংযুক্তিহে। উৎসৱ-অনুষ্ঠানৰ সংযুক্তিৰ বিভিন্ন একক বোৰ এনে ধৰণৰ : গীত-পদ, নৃত্য-অভিনয়, সভা-মেলা, পৰম্পৰাগত পোছাক পৰিচ্ছদ আৰু আভৰণাদি, খোৱা-লোৱা, ভোজ-ভাত, প্ৰতিমা বা বিগ্ৰহ বা ঘটসহ শোভাযাত্ৰা, পৰম্পৰাগত বাদ্যযন্ত্ৰৰ ব্যৱহাৰ, দূৰ-দূৰণিৰ পৰা অহা আৰু স্থানীয় বহুলোকৰ সমাগম, ধৰ্মীয় কৃত্য আদি। উৎসৱ-অনুষ্ঠানৰ এই আটাইবোৰ এককৰেই বিদ্যমানতা লক্ষ্য কৰিব পাৰি মনসা-পূজা বা মাৰৈ-পূজাত। এই-ফালৰ পৰা মনসা-পূজা বা মাৰৈ-পূজাক উৎসৱ আখ্যা দিয়াত আপত্তি নুঠাই স্বাভাৱিক।

মনসা-পূজাত বিশেষভাৱে প্ৰাধান্য লাভ কৰে ধৰ্মীয় কৃত্য আৰু ইয়াৰ লগত জৰিত পৰিবেশ্যকমাই। পূজাত অৰ্থাৎ ধৰ্মীয়কৃত্যত অংশ গ্ৰহণ কৰিবৰ অৰ্থে দূৰ-দূৰণিৰপৰা লৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী আদি আহে। কামাখ্যাধামত অনুষ্ঠিত মাৰে-পূজা বা দেৱধ্বনি-উৎসৱত অংশ গ্ৰহণ কৰিবৰ বাবে কোচবিহাৰ, পশ্চিমবংগ আনকি উৰিষ্যাৰ পৰাও মানুহ আহে।[৩০] গড়ল ভট্টাপাৰা, বেওটপাৰা, দুধকুঁৱৰা, খাটলপাৰা, পছৰীয়া, পেকুৱা আদি বিভিন্ন থানত অনুষ্ঠিত মাৰে-পূজাতো আন আন জিলা বা মহকুমাৰপৰা আহিও অনেক লোকে মাৰৈ-পূজাৰ ধৰ্মীয় কৃত্যৰাজিত আন্তৰিকতাৰে ভাগ লয়। ওচৰ-চুবুৰীয়া লোকৰতো কথাই নাই। কামাখ্যাধামত ৰাজহুৱাভাবে অনুষ্ঠিত মাৰে বা বিষহৰী পূজাক 'দেৱধ্বনি উৎসৱ' আখ্যা দিয়া হয়। হাতত খৰ্গ, বেতৰ মাৰি আদি লোৱা 'দেওধা' বা দেৱধ্বনি বা ঘোঁৰা বা ফকীৰ নৃত্যই ইয়াত প্ৰাধান্য লাভ কৰে। পূজা আৰু দেবধ্বনি নৃত্যৰ অনুষংগত ঢোল,

---

২৯. R. J. Smith : 'Festivals and Celebrations' in *Folklore and Folklife*, ed. RM. Dorson, (Chicago. 1972), p. 159

৩০. সংবাদদাতা : শ্ৰীজয়দেৱ শৰ্মা (৫২), কামাখ্যাধাম, ১৫।৮।৯২

তাল, নাগাৰা (নাগেৰা), কালি আদি পৰম্পৰাগত বাদ্যযন্ত্ৰ বজোৱা হয়। তেনেদৰে পছৰীয়া, গেকৰা, পাঁচগাঁও, বামুণ গুৱালকুচি, দুধকুঁৱৰী, কেওটপাৰা, গৰল ভট্টাপাৰা আদিত অনুষ্ঠিত মাৰে-পূজাৰো প্ৰধান আকৰ্ষণ দেৱধ্বনি বা দেওধা বা দেউলা। দৰং, গোৱালপাৰা আদিত অনুষ্ঠিত মাৰে-পূজাৰ প্ৰধান আকৰ্ষণ ওজাপালি আৰু দেওধনী। হাজংসকলৰ পদ্মা পূজা বা মাৰে-পূজাতো প্ৰাধান্য লাভ কৰে গীতালুগাত আৰু দধনীয়ে। চাহ বাগিচাৰ সমাজত উদ্‌যাপিত মনসা-পূজাত 'ঝুপান' অপৰিহাৰ্য। 'ঝুপান' পদটো সম্ভৱ বাংলা শব্দ ঝানপান' বা 'ঝাপান' শব্দৰ পৰা আহিব পাৰে। পশ্চিমবংগ আৰু বাংলাদেশত অনুষ্ঠিত মনসা-পূজাৰ অনুষংগত ঝানপান' বা 'ঝাপান' উৎসৱ অনুষ্ঠিত হয়।[৩১] মনসা-পূজাৰ প্ৰসংগত 'ঝাপান' উৎসৱ অনুষ্ঠিত হলেও প্ৰকৃতাৰ্থত ই ধৰ্মনিৰপেক্ষ উৎসৱ। 'ঝাপান উৎসৱ'ত সাপৰ ওজা বিলাকে পোহা সাপৰ সহায়ত বিভিন্ন কৌশলপূৰ্ণ খেল প্ৰদৰ্শন কৰে। চাহজনজাতিৰ মাজত উদ্‌যাপিত মনসা-পূজাৰ অনুষংগত অনুষ্ঠিত ঝুপান-উৎসৱত[৩২] সাপৰ ওজাই সৰ্পৰ সহায়ত খেল নেদেখুৱায়, দেখুৱায় কহুৱা বনেৰে নিৰ্মিত তিনি-চাৰিহাত দীঘল ফয় বা 'কড়ৱা'ৰ সহায়ত। মাৰে-পূজা উপলক্ষে স্থান বিশেষে নাওখেলো অনুষ্ঠিত হয়।

মাৰে-পূজাৰ কেইদিনত অঞ্চল বিশেষে যাত্ৰা-পাটি, চিনেমা, চাৰ্বাচ আদিও প্ৰদৰ্শন কৰা হয়। স্থান বিশেষে পালনাম, নাগেৰা নাম আদিও অনুষ্ঠিত হয়। মাৰে-থলাৰ ওচৰে-পাজৰে মেলা বহে। মেলাত খোৱা লোৱা সামগ্ৰী, পোছাক-পৰিচ্ছদ, বাচন-বৰ্তন, খেলা-ধূলাৰ বয়বস্তু, কুমাৰে প্ৰস্তুত কৰা মাটিৰ বাচন, পূজাৰ সামগ্ৰী আদি বিক্ৰি কৰা হয়। মাৰে-পূজা উপলক্ষে নতুন পোছাক-পৰিচ্ছদ কিনা হয় আৰু বিভিন্ন পৰিয়ালে আলহীৰ বাবে পৰম্পৰাগত খাদ্যও প্ৰস্তুত কৰে। ঘৰ-দুৱাৰ, চোতাল বাৰী আদি পৰিষ্কাৰ কৰা হয়। পূজাৰ কেইদিন ওচৰ চুবুৰীয়ালোকে পৰম্পৰাগত পোছাক-পৰিচ্ছদ পৰিধান কৰে।

দুৰ্গা পূজাৰ অনুষংগত প্ৰকাশ পোৱা প্ৰায়বোৰ উৎসৱৰ আচৰণেই মাৰে পূজাৰ ক্ষেত্ৰতো প্ৰকাশ পায়।

---

৩১. P. K. Maity : *Historical Studies in the Cult of the Goddess Manasā*, p. 305

৩২. ঝাপান>ঝুপান, আ>উ।

চতুর্থ অধ্যায়

পাঞ্চালী-গীত : মনসা সাহিত্য : মনসা কবি সকল

ক. ধৰ্মীয়কৃত্য আৰু পুৰাণ-কথা (Myth and Ritual)

সাধাৰণতে ধৰ্মীয় বিশ্বাসৰ আধাৰত ধৰ্মীয়কৃত্য বা পূজা-উপাসনা আদিৰ উদ্ভৱ। এইকাৰণেই লোকবিশ্বাসক ধৰ্মীয় কৃত্য, ক্রিয়া-কাণ্ড, আচাৰ-অনুষ্ঠান অথবা পূজা-উপাসনাৰ চনদ বুলিব পাৰি। যিবিলাক আচাৰ-অনুষ্ঠান, ৰীতি-নীতিত কিছু পৰিমাণে ঐন্দ্ৰজালিক আৰু ধৰ্মীয় প্ৰচ্ছন্ন শক্তি অংগীভূত হৈ থাকে –সেইবিলাকক সাধাৰণতে ক্রিয়া কাণ্ড বা আচাৰ-পদ্ধতি অথবা পূজা-উপাসনা বোলে।[১] সৰ্পৰ মাৰাত্মক দংশন আৰু মাৰি-মৰকৰপৰা নিজক ৰক্ষা কৰি ধন-জন পুত্ৰ আদি লাভ কৰিবৰ বাবে সৰ্প দেৱী মনসাক পূজ কৰিব লাগে বুলি লোকায়ত সমাজত পৰম্পৰাগতভাবে বিশ্বাস প্ৰচলিত হৈ আছিছ আৰু এই বিশ্বাসৰ আধাৰত জন্ম লাভ কৰিছে মনসা বা বিষহৰী-পূজাই। ইয়াৰ পৰা দেখা গ'ল যে, লোকবিশ্বাসৰ লগত ধৰ্মীয় কৃত্যৰ সম্পৰ্ক অতিকৈ গভীৰ। আকৌ ধৰ্মীয়কৃত্য বা পূজা-উপাসনাৰ লগত এটা বা তাতকৈ অধিক পৰম্পৰাগত কাহিনী সম্পৃক্ত হৈ থাকে আৰু এই কাহিনীৰ নামেই পুৰাণ-কথা বা গুণ-কথা বা মিথ (Myth)।

পুৰাণ-কথা বা মিথ আদিম মানৱৰ প্ৰাণৰ ভাষা। আদিম মানৱে ভাষাৰ মাধ্যমত সম্পূৰ্ণভাৱে প্ৰকাশ কৰিব নোৱাৰা জাগতিক ব্যাপাৰবাজিক মিথ বা মিথলজি অথবা-পুৰাণ কথাৰ জৰিয়তে প্ৰকাশ কৰিছিল। ইতিহাস সৃষ্টিত মিথৰ ভূমিকা নিশ্চিতভাৱে গুৰুত্বপূৰ্ণ। এৰমিনি ডব্লিউ ভোজেলিন-এ (Erminie W. Voegelin) মিথ বা পুৰাণ-কথাৰ সূত্ৰ এনেদৰে দিছে : 'A story, presented as having actually occurred in a previous age, explaining the cosmological and supernatural traditions of a people, their gods, heroes, cultural traits, religious beliefs etc.'[২]

---

১. "Customs that have acquired considerable magical and sacred potency are known as rituals." R M. Dorson (ed) : *Folklore and Folklife*, p 3

২. E W. Voegelia : 'Myth' in *Standard Dictionary of Folklore*, ed. M. Leach, (New York, 1972,), p. 778

অৰ্থাৎ, প্ৰাচীন কালত উৎপত্তি হোৱা আৰু সত্য বুলি গণ্যকৰা পৰম্পৰাগত কাহিনীৰ নাম মিথ। কোনো জন গোষ্ঠীৰ সৃষ্টিতত্ত্ব আৰু অলৌকিক পৰম্পৰা, তেওঁলোকৰ বিশ্বাসত স্থান পোৱা দেৱ-দেৱী আৰু বীৰ পুৰুষৰ কাৰ্য্যাৱলী তথা সেই জনগোষ্ঠীৰ সাংস্কৃতিক লক্ষণ, ধৰ্মীয় বিশ্বাস আদিয়েই মিথৰ উপজীব্য।

মিথবোৰ ভাষাৰদ্বাৰা গঠিত, ই বৰ্ণনামূলক কাহিনীৰ ৰূপত প্ৰচলিত। মিথ গদ্য-পদ্য উভয়তে ৰচিত হ'ব পাৰে। যিখন সমাজত যিটো মিথৰ চলতি দেখা যায় সেইখন সমাজৰ জনসাধাৰণে এই মিথটি বা মিথবোৰক দূৰ অতীতত সংঘটিত জাগতিক ব্যাপাৰৰ সত্য ঘটনাৰ বৰ্ণন ৰূপে বিবেচনা কৰে আৰু সেই সমাজৰ সদস্যসকলে বিশ্বাসৰ আধাৰত পৰম্পৰাগতভাৱে মিথবোৰৰ প্ৰতি শ্ৰদ্ধাৰভাৱ পোষণ কৰি আহিছে। অজ্ঞান, সন্দেহ অথবা অবিশ্বাস আদি খণ্ডনৰ বাবে প্ৰয়োজনীয় প্ৰামাণিক ব্যাখ্যাৰ সমল ৰূপেও মিথবোৰ গ্ৰহণ কৰা দেখা যায়। মিথবোৰ স্বৰূপাৰ্থত যুক্তিবিহীন মতবাদৰ (dogma) মূৰ্ত ৰূপ নাথোন। এইবোৰ সৃষ্টিতত্ত্ব বিষয়ক বৰ্ণনাৰে ঋদ্ধ। মিথবোৰ প্ৰায়ে ধৰ্মীয় অনুষংগৰ (context) সৈতে সম্পৃক্ত। মিথৰ প্ৰধান চৰিত্ৰবোৰ সাধাৰণতে দেৱ-দেৱী বা দেৱানুগৃহীত ব্যক্তি। জগৎ সৃষ্টি, মানৱৰ উৎপত্তি, মৃত্যুৰ বৰ্ণন, চৰাই-চিৰকতি আৰু জন্তু আদিৰ জন্ম, ভৌগোলিক বৈশিষ্ট্য, নৈসৰ্গিক ঘটনা আদিৰ যথাযথ বৰ্ণন মিথবোৰত পোৱা যায়। দেৱ-দেৱীৰ বিভিন্ন কাৰ্য্যাৱলী, তেওঁলোকৰ প্ৰেম-প্ৰণয়, তেওঁলোকৰ পাৰিবাৰিক সম্পৰ্ক, যুঁজ-বাগৰ, কাজিয়া-পেচাল, সৌহাৰ্দ্য, জয়-পৰাজয় আদিৰ সাংগোপাংগ বৰ্ণন মিথৰ অন্যতম লক্ষণ মিথ-এ ধৰ্মীয় ক্ৰিয়া-কাণ্ডৰ অন্তৰ্নিহিত অৰ্থ আৰু সেইবোৰৰ লগত জড়িত নিষিদ্ধ আচৰণৰ সম্যক পৰিচয়ো দিব পাৰে।[৩]

মিথ বা পুৰাণ-কথাৰ বিষয়ে আলোচনা কৰাৰ লগতে জনশ্ৰুতি বা লেজেণ্ড (Legend) সম্পৰ্কেও জনা উচিত হ'ব, যিহেতু মনসা-কথাবৃত্তত মিথৰ লগতে জনশ্ৰুতিমূলক কাহিনীৰো স্থিতি লক্ষ্য কৰা যায়। লেজেণ্ড বা জনশ্ৰুতিমূলক কাহিনীৰ সূত্ৰ এনেদৰে দিব পাৰি : ধৰ্মীয় প্ৰসংগ বা ভোজমেলত গেয় বা আবৃত্ত সাধুপুৰুষ বা ছহীদৰ জীৱনবৃত্তৰ বৰ্ণনেই জনশ্ৰুতিমূলক কাহিনী বা legend। জনশ্ৰুতিমূলক কাহিনী বৰ্ণনাত্মক, ইয়াৰ জৰিয়তে সত্য ঘটনাৰ

৩, William R. Bascom : *Contributions to Folkloristics*, (Meerut, 1981), p. 98

লগত পৰম্পৰাগত সমস সংযোগ কৰি ব্যক্তি, স্থান বা ঘটনা আদিৰ বৰ্ণনা দিয়া দেখা যায়। মিথ আৰু জনশ্ৰুতিৰ মাজৰ সীমাৰেখা অনেক ক্ষেত্ৰত অস্পষ্ট। মিথৰ দৰে লেজেণ্ডও বাস্তৱৰ ওপৰত প্ৰতিষ্ঠিত। মিথৰ সত্যতা নিৰ্ভৰ কৰে ইয়াত স্থান পোৱা দেৱ-চৰিত্ৰসমূহৰ ওপৰত থকা শ্ৰোতাসকলৰ বিশ্বাসৰ গভীৰতাত।[8] মিথৰ তুলনাত লেজেণ্ড কিছুপৰিমাণে অৰ্বাচীন। মিথৰ দৰে লেজেণ্ড বা জনশ্ৰুতিমূলক কাহিনীত ধৰ্মনিষ্ঠতাৰ (Sacredness) প্ৰাধান্য লক্ষ্য নকৰিলেও ধৰ্মীয়ভাবৰ প্ৰাধান্য নথকা নহয়। জনশ্ৰুতিমূলক কাহিনীৰ প্ৰধান চৰিত্ৰবোৰ মানৱ। বক্তা আৰু শ্ৰোতাৰ দৃষ্টিত মিথৰ দৰে লেজেণ্ডবোৰো সত্য। মিথত সাধাৰণতে বৰ্তমানৰ লগত সাদৃশ্য নথকা এখন বেলেগ জগতৰ বৰ্ণনা পোৱা যায়। ইয়াৰ বিপৰীতে জনশ্ৰুতিমূলক কাহিনীত বৰ্তমান জগতৰ লগত কিছুপৰিমাণে সাদৃশ্য থকা আন এখন জগতৰ পৰিচয় পাব পাৰি। জন প্ৰব্ৰজন, যুদ্ধ-বিগ্ৰহ, জয়-পৰাজয়, অতীতৰ বীৰ পুৰুষসকলৰ কাৰ্য্য-কলাপ, সিংহাসন আৰোহণ বা অধিকাৰ কৰণ আদিৰ সাংগোপাংগ ইতিবৃত্তৰ বাঙ্ময় ৰূপ পৰিদৃষ্ট হয় জনশ্ৰুতিমূলক কাহিনীত। ইতিহাস, স্থানীয় বুৰঞ্জী পৰম্পৰাগত কাহিনী, ভূত প্ৰেত, পৰী, সাধু-সন্ত আদি বিভিন্ন দিশৰ ওপৰত এইবিধ কাহিনীয়ে আলোকপাত কৰিব পাৰে।[5]

মিথ আৰু জনশ্ৰুতিমূলক কাহিনীৰ লগতে পৰম্পৰাগত সাধুকথাৰ বিষয়েও দুষাৰ কোৱাটো অপ্ৰাসংগিক ন'হব - যিহেতু মনসা বা বিষহৰী-কথাবৃত্ত এই তিনিবিধ বৰ্ণনাত্মক কাহিনীৰ সমষ্টি মাথোন। অৱশ্যে মনসা বা বিষহৰী কথাবৃত্তত জনশ্ৰুতিমূলক কাহিনী আৰু সাধুকথাই কাহিনীমূলক গীত বা বেলেড (Ballad) ৰূপত স্থান পাইছে। দ্বিতীয়তে, মিথ বা পুৰাণ-কথায়ো মনসা-কথাবৃত্তত বেলেড (mythical ballad) ৰূপত হে স্থান লাভ কৰিছে। সাধুকথাৰ (tale) সূত্ৰ এনেদৰে দিব পাৰি : মুখ পৰম্পৰা প্ৰচলিত গদ্যধৰ্মী আৰু কল্পিত কাহিনীয়েই সাধুকথা।[6] সাধুকথাৰ জৰিয়তে সাধাৰণতে যুক্তিবিহীন মতবাদৰ প্ৰৱণতা প্ৰকাশ নাপায় আৰু ইয়াৰ সংযোগত প্ৰায়ে ঐতিহাসিক ঘটনাৰো আভাস পোৱা নাযায়। সাধুকথা যিকোনো সময়তে আৰু ঠাইতে ৰচিত হ'ব পাৰে। এইবোৰ প্ৰায়ে ধৰ্মনিৰপেক্ষ বা লৌকিক।

---

৪. Maria Leach (ed) : *Standard Dictionary of Folklore*, (New York, 1972), p. 612

৫ William R. Bascom, *op-cit*, p. 98

কাহিনীমূলক গীত বা বেলেডতো একোটা কাহিনী থাকে আৰু এইবোৰ নিশ্চিতভাবে পদ্যত ৰচিত হয়। সাধুকথা আবৃত্ত, বেলেড গেয়। পৰম্পৰাগত গদ্যধৰ্মী কাহিনীৰ শ্ৰেণীবিভাজনৰ লগত সংগতি ৰাখি কাহিনীমূলক গীত বা মালিতাক (Ballad) সাধাৰণতে তিনিটা উপশ্ৰেণীত বিভক্ত কৰিব পাৰি : (ক) পুৰাণ-কথামূলক বেলেড (Mythical ballad), (খ) জনশ্ৰুতিমূলক বেলেড (Legendary ballad) আৰু (গ) কাল্পনিক বেলাড (Imaginary ballad)।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, ধৰ্মীয়কৃত্যৰ (Ritual) সৈতে মিথৰ সম্পৰ্ক অতিকৈ গভীৰ। ব্ৰিন্টন-ৰ মতে প্ৰত্যেকটো ধৰ্মীয়কৃত্যই মুখ্যতঃ মিথৰ ওপৰত প্ৰতিষ্ঠিত।[৭] ফ্ৰয়ড (Freud), ৰেইক (Reik) আদি মনো-সমীক্ষকৰ দৃষ্টিতো মিথ, ধৰ্মীয়কৃত্যৰ বৰ্ণনা মাথোন। মিথ আৰু ধৰ্মীয়কৃত্য উভয়ৰ মাজত বোৱজ-এ (Boas) ধৰ্মীয়কৃত্যৰ ওপৰত আপেক্ষিকভাবে অধিক গুৰুত্ব দিলেও তেওঁ কবলৈ কুণ্ঠাবোধ কৰা নাই যে, ধৰ্মীয়কৃত্য আৰু মিথ অংগাংগীভাৱে সম্পৃক্ত। প্ৰত্যেকটো কৃত্যৰ লগতে বিভিন্ন ধৰণৰ ব্যাখ্যামূলক মিথ বিজৰিত। ধৰ্মকৃত্যৰ বিভিন্ন আচৰণ-বৰ্ণনৰ প্ৰচেষ্টাত একেটা মিথৰেই বিভিন্ন পাঠৰ (text) উদ্ভৱ হ'ব পাৰে।[৮] কালৰ সোঁতত ধৰ্মীয়কৃত্যৰ বিলুপ্তি ঘটিলেও ইয়াৰ লগত জৰিত মিথ মুখপৰম্পৰা প্ৰচলিত হৈ থাকে। বৰ্তমানৰ সমাজত প্ৰচলিত পৰম্পৰাগত মৌখিক সাধুকথা, লোকবিশ্বাস, অন্ধ-বিশ্বাস (superstitions), কাহিনীমূলক গীত আৰু আধুনিক সাহিত্যৰ কোনো কোনো ৰূপ (form) প্ৰাচীন ধৰ্মীয়কৃত্যৰ লগত সম্পৃক্ত মিথৰ অনুবৰ্তিতাৰ বাহিৰে আন একো নহয়।[৯] মিথ আৰু ধৰ্মীয়কৃত্য পৰস্পৰেই পৰস্পৰৰ পৰিপূৰক বাবেই যে উভয়ৰ মাজত নিবিড় সম্পৰ্ক ৰক্ষিত হৈ আহিছে

৬. "Folktales are prose narratives which are regarded as fiction." William R. Bascom, *op-cit*, p. 97

৭. Daniel G. Brinton : *Religions of Primitive Peoples*, (New York, 1897), p. 173

৮. Franz Boas : *Race, Language and Culture*, (New York, 1940), p 342

৯. Stanley Edgar Hyman : "The Ritual View of Myth and the Mythic" in *Myth : A Symposium*, ed Thomas Sebeok, (Indiana University Press. 1958), pp. 84-94
Fitz Roy Richard Somertset Raglan : "Myth and Ritual" in *Myth : A Symposium*, pp. 76-83

তেনে নহয়, উভয়ে যুক্তিবিহীন মতবাদৰ (dogma) ওপৰত প্ৰতিষ্ঠিত বাবেই মিথ আৰু ধৰ্মীয়কৃত্যৰ মাজত সম্পৰ্ক স্থাপিত হৈছে। স্পাইৰো-ৰ (Spiro) মতে ধৰ্মীয় পদ্ধতিৰ জ্ঞানাত্মক অভিধাৰণা অবিহনে ধৰ্মীয়কৃত্য আৰু মিথৰ মাজত থকা সম্পৰ্ক অবিশ্লেষ্য আৰু অৰ্থহীন হৈয়ে থাকিব। যুক্তিগতভাবে আৰু মনস্তাত্ত্বিক দৃষ্টিভংগীৰে চালে অনুমান কৰিব পাৰি যে, ধৰ্মীয়কৃত্যৰ পূৰ্বস্তৰত বৰ্তমান থাকে যুক্তিবিহীন মতবাদ (dogma)। ধৰ্মীয়কৃত্য মূল কৰণীয় বিষয় আৰু ইয়াৰ ফলপ্ৰদ উদ্দেশ্য লাভৰ বাবে মিথ অনুষ্ঠিত হয়। যুক্তিবিহীন মতবাদে (dogma) অলৌকিক শক্তিৰ লগত থকা মানৱৰ সম্পৰ্ক প্ৰকাশ কৰাৰ বাহিৰেও মানুহে কি কৰিলে এই সম্পৰ্ক অব্যাহত থাকিব আৰু ইয়াৰপৰা কিদৰে লাভবান হব পাৰিব তাৰ সংকেত দিয়ে।[১০] মিথ, যুক্তিবিহীন মতবাদ (dogma) আৰু ধৰ্মীয়কৃত্যৰ সংযোজক সেঁতু, যিহেতু মিথে উভয়ৰে অৰ্থাৎ যুক্তিবিহীন মতবাদ আৰু ধৰ্মীয়কৃত্যৰ অন্তৰালত থকা উদ্দেশ্য আৰু অৰ্থ ব্যাখ্যা কৰে।[১১]

বৰ্তমানৰ ধুবুৰী জিলাৰ অঞ্চল বিশেষে বিশ্বাস প্ৰচলিত হৈ আছে যে, অনাবৃষ্টিৰ সময়ত বৃষ্টিদাতা হুদুমদেৱতাক নৃত্য-গীত আদিৰে পূজা কৰিলে বৰষুণ হয়। এই বিশ্বাসেই হ'ল যুক্তিবিহীন মতবাদ। তেনেদৰে সোণোৱাল কছাৰীসকলৰ মাজত পৰম্পৰাগতভাবে বিশ্বাস প্ৰচলিত হৈ আছে যে, বসন্তকালীন বিহু উৎসৱৰ সময়ত বাইথদেৱতাৰ পূজাৰ অনুষংগত হাইদাং-গীত আবৃত্তি কৰিলে বৰষুণ হয়। ই সোণোৱাল কাছাৰীসকলৰ যুক্তিবিহীন মতবাদ (dogma)। সৰ্প দেৱী মনসা বা বিষহৰীক গীত-পদ-নৃত্যৰ সৈতে পূজা কৰিলে সৰ্পভয় নিবাৰণ হোৱাৰ উপৰিও মাৰি-মৰক, অপায়-অমংগল বিদূৰিত হয় আৰু ধন-জন-পুত্ৰ-কন্যা লাভ কৰিব পাৰি বুলি মনসা বা বিষহৰী পূজকসকলৰ মাজত পুৰুষ পৰম্পৰা বিশ্বাস প্ৰচলিত হৈ আহিছে। এই বিশ্বাস মনসা বা বিষহৰী-পূজকসকলৰ প্ৰসংগত যুক্তিবিহীন মতবাদ ৰূপে আত্মপ্ৰকাশ কৰিছে। মনসা বা বিষহৰী-পূজাৰ লগত জড়িত পুৰাণ কথাবৃত্তই (Mythology) মনসা বা

১০. Melford Spiro : 'Religion and the Irrational" in *Symposium on New Approaches to the Study of Religion*, ed. June Helm, (University of Washington, 1964), p. 103

১১. Annemarie De Waal Malefijt : *Religion and Culture*, (London, 1969), pp. 188-89

বিষহৰীৰ জন্ম, সৰ্পৰ লগত তেওঁৰ সম্পৰ্ক, তেওঁৰ শক্তি-সামৰ্থ্য আৰু মাহাত্ম্য, তেওঁৰ পূজনবিধি আদিৰ যথাযথ ব্যাখ্যা দিয়ে। মনসা ব বিষহৰীৰ লগত জৰিত ধৰ্মীয়কৃত্য সামাজিকভাবে উদ্দেশ্য প্ৰণোদিত বা আভিপ্ৰায়িক ; যিহেতু মনসা বা বিষহৰী পূজা ৰ জৰিয়তে উপাসকসকলৰ অভীষ্ট সিদ্ধি হয়।

মেজিক বা যাদু, উৎসব, ধৰ্মীয়কৃত্য, কৰ্ম-কাণ্ড আৰু সামাজিক সংযুতিৰ চনদ বা ব্যৱহাৰিক নিৰ্দেশক ৰূপ নাইবা হুকুম নাম ৰূপ মিথবোৰৰ সামাজিক প্ৰকাৰ্য্য (function) তাৎপৰ্য্যপূৰ্ণ।[১২] মনস বা বিষহৰী পূজাৰ লগত জৰিত পুৰাণ কথাবৃত্তই মনসা-পূজা পৰম্পৰাক অধিক শক্তিশালী কৰাৰ উপৰিও ইয়াত মৰ্য্যাদা আৰোপ কৰিছে। মনসা-পূজা সম্পৰ্কীয় গৃহীত বা স্বীকৃত প্ৰতিমানৰ বিৰুদ্ধে অসন্তুষ্টি বা সন্দেহ প্ৰৱণতাই গাকৰি উঠিলে অথবা এই প্ৰতিমানক কোনোৱাই ধৰ্মীয় নে ধৰ্মনিৰপেক্ষ বুলি প্ৰশ্ন তুলিলে পূজাৰ লগত সম্পৃক্ত মিথ, লেজেণ্ড আদিয়ে উক্ত প্ৰতিমানৰ প্ৰমাণীকৰণ বা মান্য কৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়।

পূজা বা ব্ৰতৰ অনুষংগত গেয় বা আবৃত্ত মিথ-লেজেণ্ড আদিক অন্যপ্ৰকাৰে গুণ-কথা-কীৰ্ত্তন আখ্যা দিব পাৰি। গুণ কথ আবৃত্তি আৰু শ্ৰবণ পৰম্পৰাৰ উৎস স্বৰূপ বৈদিককৃত্যলৈ আঙুলিয়াব পাৰি। বৈদিক যজ্ঞৰ পৰিপূৰ্ণতাৰ বাবে ৪ জন ঋগ্‌বেদী, ৪ জন যজুৰ্বেদী আৰু ৪ জন সামবেদী ব্ৰাহ্মণৰ প্ৰয়োজন। ঋগ্‌বেদী ব্ৰাহ্মণৰ কৰ্তব্য হোম সম্পাদন, যজুৰ্বেদী ব্ৰাহ্মণৰ ৰুদ্ৰ-মন্ত্ৰ আবৃত্তি আৰু সামবেদী ব্ৰাহ্মণৰ কৰ্তব্য বৈদিক মন্ত্ৰ আবৃত্তি কোনো কোনো পণ্ডিতৰ মতে সামবেদী ব্ৰাহ্মণৰদ্বাৰা আবৃত্ত বৈদিক মন্ত্ৰৰপৰা ব্ৰত বা পূজা উপাসনাদিৰ অনুষংগত দেৱ-দেৱীৰ গুণ-কথা ব ব্ৰত কথা অথবা পাঞ্চালী আবৃত্তি—পৰম্পৰাৰ উদ্ভৱ হৈছে।[১৩] ব্ৰত বা পূজা-উপাসনাৰ অনুষংগত গেয় বা আবৃত্ত পুৰাণ-কথাবৃত্তক গুণ কথা বা ব্ৰত কথা বা পাঞ্চালী বা পাঁচালী আখ্যা দিব পাৰি।

১২. "Myth serves as a warrant, a charter, and often even a practical guide."
B. Malinowski : *Myth in Primitive Psychology*, (New York. 1926), p. 29

১৩. A. B. Keith : *The Religion and Philosophy of the Vedas and the Upanisads*, (Harvard Oriental Series, vol. 31, 1925), p. 300 ff

খ. মনসা কথাবৃত্ত বা মনসা-গীত বা মনসা-সাহিত্য

মনসা বা বিষহৰী-পূজা পৰম্পৰাৰ অনুষংগত মনসা-বিষহৰী-কথাবৃত্তৰ জন্ম। সৰ্প-দেৱী মনসা বা বিষহৰী পূজাৰ (কৃত্য) প্ৰমাণীকৰণৰ প্ৰয়াসত মনসা-কথাবৃত্ত অৰ্থাৎ মনসা-মিথৰ সৃষ্টি হোৱা স্বাভাৱিক। আদিতে এই মিথ বা পুৰাণ-কথা মৌখিক পৰম্পৰাত প্ৰচলিত হৈছিল। এইবোৰ গীতাল বা ওজাপালি বা গায়কে পালিৰ সহায়ত বিশেষকৈ তাল বাদ্যযন্ত্ৰ বজাই গাইছিল বা আবৃত্তি কৰিছিল। মনসা বা বিষহৰী পূজা-পৰম্পৰা প্ৰব্ৰজিত হোৱাৰ লগে লগে ইয়াৰ লগত সম্পৃক্ত পুৰাণ-কথাও প্ৰব্ৰজিত হৈছিল। পুৰাণ-কথাৰ আদি ৰূপত নতুন কথা বা কথাংশই প্ৰৱেশ লাভ কৰিছিল আৰু এইদৰে আঞ্চলিক বিভিন্ন ৰূপ অনুসৰি মনসা-কথাবৃত্তই আঞ্চলিক ৰূপ পৰিগ্ৰহ কৰিছিল। সেইবাবে বিহাৰ, পশ্চিমবংগ, পূৰ্ববংগ অৰ্থাৎ বৰ্তমানৰ বাংলাদেশ, গোৱালপাৰা, কামৰূপ, দৰং আৰু পাতিৰাভাসকল বাস কৰা অঞ্চলত মনসা-পূজাৰ লগত জড়িত পুৰাণ-কথাই বৈশিষ্ট্যপূৰ্ণ ৰূপ গ্ৰহণ কৰা দেখা যায়। মনকৰ আৰু দুৰ্গাবৰ উভয়ে মনসা-কথাবৃত্ত গায়ক বা ওজা আছিল। তেওঁলোকে মৌখিক পৰম্পৰাত প্ৰচলিত মনসা-কথাবৃত্তক লিখিত ৰূপ প্ৰদান কৰে। তেনেদৰে সুকবি নাৰায়ণ দেৱও খৃঃ সপ্তদশ শতিকাত নামনি অসমত মুখ পৰম্পৰা প্ৰচলিত মনসা-কথাবৃত্তক লিখিত ৰূপ দি 'পদ্মা-পুৰাণ'ৰ সৃষ্টি কৰে। দক্ষিণ কামৰূপ আৰু বৰ্তমানৰ গোৱালপাৰা জিলাৰ পাতিৰাভাসকলৰ মাজত প্ৰচলিত বিষহৰী-কথাবৃত্তই লিখিত ৰূপ পৰিগ্ৰহ কৰে প্ৰাণেশ্বৰ ৰাভাৰ জৰিয়তে। ইতিমধ্যে-উল্লেখিত মনসা-কথাবৃত্তৰ লিখিত ৰূপত বিভিন্নতা দেখা যায় – এই কাৰণেই যে, এইবোৰ মনসা-কথাবৃত্তৰ আঞ্চলিক মৌখিক ৰূপৰ লিখিত ৰূপ মাথোন।

সময়ৰ অগ্ৰগতিত মনসা-কথাবৃত্তত যে নতুন নতুন কথা বা কথাংশ বা পৰিস্থিতিয়ে প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল তাৰ নিৰ্দৰ্শন পোৱা যায় মনকৰ আৰু দুৰ্গাবৰৰ জৰিয়তে লিখিত ৰূপ পৰিগ্ৰহণ কৰা 'মনসাকাব্য' আৰু নাৰায়ণদেৱে লিখিত ৰূপ দিয়া 'পদ্মা-পুৰাণ'ৰ বিষয়বস্তুৰ তুলনাৰ সংযোগত। এই প্ৰসংগত পাতি-ৰাভাসকলৰ মাজত মুখে মুখে প্ৰচলিত আৰু প্ৰাণেশ্বৰ ৰাভাৰ জৰিয়তে লিখিত ৰূপ লাভ কৰা 'মায়াৰন্তী বিষহৰি'য়েও তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

গ. পাঞ্চালী সাহিত্য

পাঞ্চালী সংগীত শৈলী আৰু পাঞ্চালী সাহিত্য অতি প্ৰাচীন কালৰেপৰা মুখ পৰম্পৰা প্ৰচলিত হৈ আহি মধ্যযুগীয় অসমীয়া আৰু বঙলা লিখিত সাহিত্য-পৰম্পৰাত আত্ম প্ৰকাশ কৰাৰ অনুকূলে মত পোষণ কৰিব পাৰি। বৰ্তমানলৈকে প্ৰাপ্ত প্ৰমাণৰ আধাৰত নিসন্দেহে কব পাৰিয়ে, খৃঃ ১৫শ-১৬শ-শতিকাৰ প্ৰথিতযশা কবি মনকৰ, পীতাম্বৰ, দুৰ্গাবৰ আদিৰ জৰিয়তে পাঞ্চালী-সংগীত বা সাহিত্য পৰম্পৰাই লিখিত ৰূপত ধৰা দিয়ে। অসমীয়া পাঞ্চালী কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ কবি মনকৰে তেওঁৰ নিৰ্মিতি বিশেষক পাঞ্চালী আখ্যা দিছে। যেনে ঃ

(ক) হাতে নজানো মই তাল মঞ্জিৰা
মুখে নজানো মই গীত।
পোঞ্চাৰ পাঞ্চালী মই যে নজানো
আপুনি দিয়োক চিত ॥'[১৪]

(খ) ধন্বন্তৰাৰ গোসাই সাজিলা মুণ্ডি আলি।
মনকৰে ৰচিলেক বিহাৰ পাঞ্চালী ॥[১৫]

তেনেদৰে কবি দুৰ্গাবৰেও তেওঁৰ 'মনসা-গীত'ক 'পাঞ্চালী' বুলিছে : যেনে ঃ

প্ৰনাম কৰোহো গোসাঁনিৰ চৰনত।
শ্ৰাৱনেৰে শিত্ত এহিমানে সমাপতি ॥
পেহুলাইৰ পাঞ্চালি এহিমানে সমাপতি।
বিষহৰিক বন্দি দুৰ্গ বৰে নিগদতি ॥'[১৫ক]

দ্বিতীয়তে, নাৰায়ণদেৱৰ নিচিনাকৈ দুৰ্গাবৰেও 'লেছাৰী' পদটো প্ৰয়োগ কৰিছে, যেনে ঃ

''পদুমাই সুপ্ৰসন্নে কবি দুৰ্গাবৰে ভণে
সুৰস লাচাৰী বিতোপন ॥'[১৬]

---

১৪ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পা) ঃ মনসা কাব্য, (গুৱাহাটী, ১৯৫১), পৃ ১

১৫. উ গ্ৰ পৃ ৫১

১৫ ক শ্ৰী যমুনা মালাকাৰৰ পৰা প্ৰাপ্ত।

১৬. মনসা কাব্য, পৃ. ১২০

মনকৰ আৰু দুৰ্গাবৰৰ সমসাময়িক কবি পীতাম্বৰ দ্বিজেও তেওঁৰ 'উষা-পৰিণয়' কাব্যখনিক 'পাঞ্চালী' আখ্যা দিছে। যেনে :

(ক) মোৰ দোষ মৰসিয়ো সংসদ লোকে।
    ৰচিবো পাঞ্চালি তাতে জত দোষ থাকে।[১৭]

(খ) ৰতিৰস বিসেস কহিতে নাজুআই।
    পড়িব পাঞ্চালি গুৰু গৌৰৰ সভায়ে।।[১৭ক]

তেনেদৰে সুকবি নাৰায়ণদেৱেও তেওঁৰ ভাষা-পুৰাণ (পদ্মা-পুৰাণ) খনিক 'পাঞ্চালী' বা 'পাঁচালী' বুলিছে ; যেনে :

(ক) সুকবি নাৰায়ন দেৱৰ সোৰস পাঞ্চালি।
    বেউলাৰ চলন বুলি একয় লেচালি ।।[১৮]

(খ) সুকবি নাৰায়ণ দেৱৰ সৰস পাঞ্চালি।
    পয়াৰ প্ৰবন্ধ বুলি একয় লাচাৰি।[১৯]

বিশেষ এশ্ৰেণীৰ গীতক 'পাঁচালী' বা 'পাঞ্চালী' আখ্যা দিয়াৰ তাৎপৰ্য্য কি ?

কোনো কোনো পণ্ডিতৰ মতে 'পাঁঞ্চালী' বা 'পাঁচালী' পদটো সংস্কৃত 'পাঞ্চালিকা'ৰ পৰা উদ্ভৱ হৈছে। 'পাঞ্চালিকা' পদৰ অৰ্থ পুতলা। 'পুতলা-নাচ'ৰ লগত জৰিত গীতেই 'পাঞ্চালী' বা পাঁচালী'। বিশেষকৈ লোকায়ত সমাজত এইবিধ পৰিৱেশ্য কলাৰ সমাদৰ লক্ষ্য কৰা যায়। মহেশ্বৰ নেওগৰ ভাষাত : "And it is quite probable that this form of poetry was connected with the ancient amusement of puppet-play, especially popular in the countryside."[২০]

চণ্ডিকা-পূজাৰ অনুষংগত 'পাঞ্চালিকা' পদটোৰ উল্লেখ পৰিদৃষ্ট হয় 'কালিকা-পুৰাণ'ত। পুৰাণ খনিত উল্লেখ কৰা হৈছে যে, শুক্লপক্ষৰ পুষ্যানক্ষত্ৰ

---

১৭. মহেশ্বৰ নেওগ (সম্পা): উষা-পৰিণয় কাব্য, (গুৱাহাটী, ১৯৫৯), পদ. ২১

১৭ ক. উ. গ্ৰ , পদ. ১৬১

১৮. পদ্মা-পুৰাণ : ভাটীয়ালী খণ্ড, পৃ. ৬৪

১৯. উ. গ্ৰ., পৃ. ৭৭

২০. M. Neog : "Assamese Literature Before Śankaradeva' in *Aspects of Early Assamese Literature*, ed. B. Kakati, (Gauhati University, 1953), p. 471

যুক্ত তৃতীয়া তিথিত চণ্ডিকাদেৱীক 'পাঞ্চালিকা বিহাৰ' আৰু শিশু কৌতুকেৰে উপাসনা কৰা বিধেয়। যেনে :

"পুষ্যা নক্ষত্ৰযুক্তা তু তৃতীয়া যদি লভ্যতে।
তস্যাং পূজ্যা সদা দেৱী চণ্ডিকা শংকৰেণ সহ॥
পাঞ্চালিকাবিহাৰাদ্যৈঃ শিশূনাং কৌতুকৈস্তথা।
বৈৱাহিকেন বিধিনা মোহয়েচ্চণ্ডিকাং শিৱাম্॥"[২১]

অৰ্থাৎ পুষ্যানক্ষত্ৰযুক্ত তৃতীয়া তিথি যদি সমাগত হয় তেনেহলে সেই দিনটোত মহাদেৱ আৰু চণ্ডীক উপাসনা কৰা উচিত। শিশুসকলৰ কৌতুক, পুতলা বিয়া আৰু বিৱাহ বিধিৰ দ্বাৰা শিৱ-পাৰ্বতী বিমোহিত হোৱা বিধেয়।

উপৰৰ শ্লোক দুটিত উল্লেখিত 'পাঞ্চালিকা 'পদটোৱে পুতলানাচ নাইবা পাঁঞ্চালী অথবা পাঁচালী গোৱা বা আবৃত্তি কৰা শৈলী বিশেষক ইংগিত কৰিছে। 'বৃহদ্ধৰ্ম পুৰাণ'তো পাঞ্চালী-গীতৰ উল্লেখ পোৱা যায়।[২২] এই ফালৰপৰা সহজে অনুমান কৰিব পাৰি যে, অতি প্ৰাচীন কালৰেপৰা পাঞ্চালী-গীতৰ পৰম্পৰা প্ৰবহমান।

কোনো পুৰাণ-কথা আবৃত্তি কৰাৰ প্ৰসংগত দৰ্শকৰ সুবিধাৰ অৰ্থে অৰ্থাৎ দৃশ্য আৰু শ্ৰব্য দুয়োটা দিশৰ দাবী পূৰণ কৰিবৰ বাবে শ্ৰব্যৰ লগতে দৃশ্যৰ সমলো সংযোগিত হ'ব পাৰে। ইয়াৰ পৰিণতি স্বৰূপে পুৰাণ-কাহিনীৰ আবৃত্তিৰ লগে লগে ইয়াৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি পুতলানাচ আনুষ্ঠেয় কৰা সাঙুৰি দিয়া হ'ল। এই পৰম্পৰাৰ সুযোগ্য ধাৰক আৰু বাহক হ'ল বৰ্ত্তমানৰ ওজাপালি অনুষ্ঠান। ওজাপালি অনুষ্ঠানে বিশেষকৈ মনসা বা বিষহৰী পূজাৰ লগত জৰিত ওজাপালিয়ে মনসা বা বিষহৰী-কথা বৃত্ত আবৃত্তি কৰাৰ লগে লগে কাহিনীভাগৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি নৃত্য আৰু অভিনয় প্ৰদৰ্শন কৰে অথাৎ পুতলা নাচৰ দৰে ধৰ্মীয়কৃত্যৰ লগত সম্পৃক্ত মিথ বা পুৰাণ-কথাক চাক্ষুষ বা দৃশ্য ৰূপ প্ৰদান কৰে। 'পুতলা নাচ', 'পাঞ্চালিকাবিহাৰ' নামেৰে পৰিচিত। গতিকে 'পাঞ্চালিকা বিহাৰ'ৰ লগত জৰিত 'পুৰাণ-কথাই' 'পাঞ্চালী-গীত' ৰূপে কল্প সলালে। এই ফালৰপৰা দেৱ-দেৱীৰ গুণ-কথা বা মহিমা প্ৰকাশক প্ৰাচীন কাহিনী বা 'পুৰাণ-কথা'ই যে 'পাঞ্চালী'

---

২১. পঞ্চানন তৰ্কৰত্ন (সম্পা) : কালিকা-পুৰাণ, (কলিকতা, ১৩৮৪ সন), ৮৬।১৩৩-৩৪

২২. বৃহদ্ধৰ্ম পুৰাণ, মধ্যখণ্ড ১৪।১১

বা পাঁচালীগীত' ৰূপে আত্মপ্ৰকাশ কৰিছে তাত সন্দেহ নাই। এই অনুমানৰ সপক্ষে সুকুমাৰ সেনৰ এটি উক্তি উল্লেখ কৰিব পাৰি: "These early Bengali devotional narrative poems are classed as *pāñcāli* or *pāñcālikā* which originally meant 'doll' or 'puppet'. The name indicates that at the beginning the devotional songs sung and poems recited were supported by a puppet show. Even now a Puppet show in Bengal is accompanied by a recital of the story in verse punctuated by a beating of drums and clapping of cymbals. An abridged and painted version of such puppet show is the painted scroll ('pata') depicting the same stories as in the devotional narratives. The man showing the scroll tells the story in crude (often *extempore*) verse as he unrolls it. This scroll show was once very popular in West Bengal. Bāṇa has mentioned such a show of *Yamapaṭa* in his *Harṣa carita*."[২৩]

সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে "পুতলা নাচ'ৰ সূত্ৰধাৰৰ আদৰ্শতে বোধকৰোঁ কথক বা ওজাই কোনো পৌৰাণিক কাহিনীযুক্ত গীত বা কাব্য নাচ গান আৰু অংগী ভংগীৰ যোগেদি সামাজিকৰ আগত ৰূপায়িত কৰিছিল কাৰণেই হয়তো সেই শ্ৰেণীৰ কাব্যই পাঁচালী নাম পালে।"[২৪]

পাঞ্চালী সংগীতক কেন্দ্ৰ কৰি বংগদেশীয় পণ্ডিত সকলৰ মাজতো মতানৈক্য দেখা যায়। হৰিপদ চক্ৰবৰ্তীয়ে তেওঁৰ বিশিষ্ট গ্ৰন্থ 'দাশৰথি ও তাহাৰ পাঞ্চালী' নামৰ গ্ৰন্থত পাঞ্চালী সংগীত ধাৰাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে। পাঞ্চালী শৈলী মুখ্যতঃ ধৰ্মীয় ভক্তি প্ৰধান অৰ্থাৎ পুৰাণ-কথা জাতীয় আৰু সমাজ সম্পৰ্কীয় গীত। ৰাস-লীলা, কৃষ্ণ-লীলা, মহাভাৰত আদি পাঁচালী ধৰ্মীয় ভক্তি প্ৰধান সংগীত আৰু মনসা, ধৰ্মঠাকুৰ, মংগলচণ্ডী, বিদ্যাসুন্দৰ আদি পাঁচালী সমাজ সম্পৰ্কীয় সংগীত। পুৰণি বঙলা পদ-কৰিতা আদি পাঁচালী ৰূপে পৰিচিত। তেওঁৰ মতে 'পাঁচালী পদটোৱে

২৩. Sukumar Sen : *A History of Bengali Literature*, (New Delhi, 1960), pp. 21-22

২৪. সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, (গুৱাহাটী, ১৯৮৪), পৃ, ১০৯

দেখুৱাই দিয়ে যে, দুই-এটা পুৰণি বঙলা ছন্দৰ ক্ষেত্ৰত আমি পাঞ্চাল বা কনৌজ দেশৰ ওচৰত ঋণী।" দীনেশ সেনেও এই মতটোকে পোষণ কৰে। প্ৰাকৃত সাহিত্যত পাঞ্চাল নামৰ এবিধ ছন্দৰ প্ৰচলন দেখা যায়। অলংকাৰ শাস্ত্ৰত উল্লেখ থকা গৌড়ী, বৈদৰ্ভী আদিৰ দৰে পাঞ্চালী ৰচনাৰ শৈলী বিশেষ।[২৫] ভৰত মুনিৰ 'নাট্য শাস্ত্ৰ'ত 'পাঞ্চালী,' নাট্যপ্ৰবৃত্তি বিশেষ, যেনে :

'চতুৰ্বিধা প্ৰবৃত্তিশ্চ প্ৰোক্তা নাট্য প্ৰয়োগতঃ।
আৱন্তী দাক্ষিণাত্যা চ পাঞ্চালী চৌড্ৰমাগধী।।'[২৬]

অৰ্থাৎ, আৱন্তী, দাক্ষিণাত্যা, পাঞ্চালী আৰু ওড্ৰ-মাগধী নাট্য প্ৰবৃত্তিৰ এই বিভাজন চতুঃপ্ৰকাৰ বৃত্তিৰ (যেনে : ভাৰতী, সাত্বতী, কৈশিকী আৰু আৰভটী) ওপৰত প্ৰতিষ্ঠিত। পাঞ্চালী প্ৰবৃত্তি পাঞ্চাল, শূৰসেন, কাশ্মীৰ, হস্তিনাপুৰ, বাহ্লীক, শাকল, মদ্ৰ, আৰু উশীনৰ দেশত প্ৰচলিত। এইবিধ প্ৰবৃত্তিত সাত্বতী আৰু আৰভটী শৈলীৰ প্ৰাধান্য লক্ষ্য কৰিব পাৰি। নৃত্য-গীত আৰু খোজৰ অত্যধিক্য পাঞ্চালী প্ৰবৃত্তিৰ অন্যতম বিশেষত্ব। ওজাপালিৰ লগত জৰিত পাঞ্চালী-সংগীততো নৃত্য, গতি আৰু খোজৰ স্থিতি বিশেষভাৱে লক্ষ্য কৰা যায়। গতিকে আমি অনুমান কৰিব পাৰোঁ যে, পাঞ্চালী, পাঞ্চালী শৈলীত ৰচিত সংগীত বিশেষ। এই ফালৰপৰা চাবলৈ গলে পাঞ্চালী-সংগীতৰ পৰম্পৰা *নাট্য-শাস্ত্ৰ*তকৈও প্ৰাচীন।

ধৰ্মানন্দ ভাৰতীৰ মতে 'পাঞ্চালী' পদটো 'ই'-কাৰন্তহে হোৱা উচিত আৰু এই 'পাঞ্চালী'ৰ জন্ম হৈছিল ৰাঢ়দেশত। 'পাঞ্চাল' পদৰ অন্তত প্ৰয়োগ হোৱা 'অলি' প্ৰত্যয়টোৰ অৰ্থ 'মধুকৰ' বা 'মৌ-মাখি'। প্ৰাচীন কালত কলা-কুশল লোকক 'অলি', 'মধুকৰ', ভ্ৰমৰ' ৰূপে জনা গৈছিল। বাংলা মহাভাৰত'ৰ অনুবাদক কাশীৰাম দাসৰ পূৰ্বে আনকি তেওঁৰ সময়তো কাশীৰাম দাসৰ সম্প্ৰদায়ৰ অনেক লোকে 'পাঞ্চালি' উপাধি লাভ কৰিছিল। 'পাঞ্চালি' উপাধিধাৰী লোকসকলে লোক-নৃত্যৰ সহায়ত ছড়া, তৰ্জা, ঝুমুৰ আদি পৰিৱেশ্য কলা-শৈলী পৰিৱেশন কৰিছিল : "সং সাজিয়া নাচিত এবং তামাসা কৰিত।" তেওঁলোক আছিল অখ্যাত কবি, তেওঁলোকে প্ৰয়োজন

২৫. হৰিপদ চক্ৰবৰ্তী : দাসৰথি ও তাহাৰ পাঞ্চালী, (কলিকতা, ১৩৬৭ সন), পৃ. ৪৫

২৬. আৰ. এছ. নাগৰ (সম্পা) : নাট্যশাস্ত্ৰ, (দিল্লী, ১৯৮৪), ১৩/৩৭

বশতঃ আকস্মিকভাৱে পাঞ্চালী'ৰ গীত-পদ ৰচনা কৰিব পাৰিছিল। পুৰণি কালৰেপৰা চলি অহা পাঞ্চালী-শৈলীৰ ওপৰত নিৰ্ভৰ কৰি দাসৰথি ৰয়ে পাঞ্চালীৰ এক নতুন শৈলীৰ সৃষ্টি কৰিছিল।[২৭]

উপৰৰ আলোচনাৰ পৰা বিনাদ্বিধাই অনুমান কৰিব পাৰি যে, পাঞ্চালী পৰম্পৰাগত প্ৰাচীন শৈলী আৰু বৰ্তমান ইয়াৰ পৰিবৰ্তিত নতুন শৈলীৰো সৃষ্টি হৈছে।

কোনো কোনো পণ্ডিতৰ মতে পাঁচ অংগযুক্ত সংগীত শৈলীৰ নাম পাঞ্চালী। পাঞ্চালী-সংগীতৰ পঞ্চ অংগ এনেদৰে নিৰ্দেশ কৰিব পাৰি : গান, সাজ, গীতৰ দ্বৈত অনুশীলন, গীতৰ ৰচনা ৰীতি আৰু নৃত্য। সুকীয়া আৰু সুনিৰ্দিষ্ট গায়ন-পদ্ধতিৰ বাবেই এইবিধ সংগীত শৈলীক পাঞ্চালী বোলে। পণ্ডিত হৰেকৃষ্ণ মুখোপাধ্যায়ৰ মতে ক্ষুদ্ৰ গীতি নাইবা সংকীৰ্ণ-গীতি অথবা ৰূপক-গীতৰপৰা পাঞ্চালী-সংগীত শৈলীৰ উদ্ভৱ হৈছে। এই প্ৰসংগত তেওঁ পণ্ডিত নৰহৰি চক্ৰৱৰ্তীৰ 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থৰপৰা তলৰ পদ কেইটি উল্লেখ কৰি দেখুৱাইছে :

"তাল ধাতু-যুক্ত বাক্য মাত্ৰ ক্ষুদ্ৰ গীত।
ধাতু পূৰ্বে উক্ত উদ্‌গ্ৰাহাদি যথোচিত ॥
শুদ্ধ সালগেৰ প্ৰায় ক্ষুদ্ৰ গীত হয়।
ইথে অন্ত্যানুপ্ৰাস প্ৰশস্ত শাস্ত্ৰে কয় ॥
ক্ষুদ্ৰ-গীত ভেদ চাৰি চিত্ৰপদা আৰ।
চিত্ৰকলা ধ্ৰুবপদা পাঞ্চালী প্ৰচাৰ ॥"[২৮]

এই প্ৰসংগত মন কৰিব লাগিব যে, নৰহৰি চক্ৰৱৰ্তীয়ে তেওঁৰ সময়ত প্ৰচলিত পাঞ্চালী-সংগীতৰ বিশেষত্বৰ প্ৰতি দৃষ্টিপাত কৰিহে এইবিধ সংগীত ধাৰাৰ সংজ্ঞা উপস্থাপন কৰিছে। পাঞ্চালী-সংগীতৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে তেওঁৰ গ্ৰন্থই আমাক বিশেষ ভাবে জানিবলৈ নিদিয়ে।[২৯]

---

২৭. হৰিপদ চক্ৰৱৰ্তী, প্ৰাগুক্ত গ্ৰন্থ

২৮. স্বামী প্ৰজ্ঞানানন্দৰ *A Historical Study of Indian Music* গ্ৰন্থৰ পৰা উদ্ধৃত, পৃ. ২০৪

২৯. Swami Prajnanananda : *A Historical Study of Indian Music* (New Delhi, 1981), p. 204

স্বামী প্ৰজ্ঞানানন্দৰ মতে ঝুমুৰী গীতৰ লগত পাঞ্চালী-সংগীতৰ মিল নাই। তেনেদৰে মংগল-গান আৰু পদাৱলীৰ লগতো পাঞ্চালী-সংগীতৰ সাদৃশ্য চকুত নপৰে। অৱশ্যে বিষম ধ্ৰুৱাৰ লগত পাঞ্চালী-সংগীতৰ মিল দেখা যায়; যিহেতু বিষম ধ্ৰুৱাৰ নিচিনাকৈ পাঞ্চালী-সংগীতো সম, অৰ্ধসম আৰু বিষম এই তিনিটা ভাগত বিভক্ত কৰিব পাৰি।[২৯] পণ্ডিত হৰেকৃষ্ণ মুখোপাধ্যায়ৰ মতে পাঞ্চালী-সংগীতৰ নিৰ্দিষ্ট নাম আৰু বিশেষত্ব নাই, যিহেতু কৃষ্ণ-মংগল, শিৱ-মংগল, ধৰ্ম-মংগল, মনসা-মংগল, চণ্ডী-মংগল আৰু অন্যান্য মংগল-গীতি, পাঞ্চালীৰ সুৰ আৰু তালত গোৱা হয়। এই প্ৰসংগত মন কৰিব লাগিব যে, পাঞ্চালী-সংগীত আৰু মংগল-গীতি উভয়ৰে মাজত সাংস্কৃতিক দিশত পাৰ্থক্য স্পষ্ট।[৩১]

বংগীয় লৌকিক সাহিত্যক দুটা ভাগত ভগাব পাৰি: (ক) ধামালী আৰু (খ) লৌকিক পাঞ্চালী। ধামালী মৌলিক আৰু প্ৰাচীন যদিও লোক সমাজত এই বিধ সাহিত্য অবৈধ। ইয়াৰ বিপৰীতে পাঞ্চালী বৈধ। লৌকিক পাঞ্চালী আকৌ দুটা ভাগত বিভক্ত, যেনে: প্ৰাচীন আৰু আধুনিক। দাসৰথি ৰয়ৰ পাঞ্চালীয়ে আধুনিক পাঞ্চালীৰ প্ৰতিনিধিত্ব কৰে। মংগল-চণ্ডী, সূৰ্য্য আৰু মংগল-গীত (মনসা-মংগল, চণ্ডী-মংগল, ধৰ্ম-মংগল, নাথ-মংগল) আদি প্ৰাচীন পাঞ্চালী সংগীতৰ নিদৰ্শন। কোনো কোনো পণ্ডিতৰ মতে 'কৃত্তিবাসী ৰামায়ণ' আৰু 'কাশীদাসী মহাভাৰত'কো পাঞ্চালীৰ পৰিসীমাত ধৰিব পাৰি।[৩২]

উপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে, আবৃত্তি কৰিব পৰাকৈ বা গাব পৰাকৈ ৰচনা কৰা গীত-পদক বংগদেশত পাঞ্চালী বা পাঁচালী বোলে। কৃত্তিবাসৰ 'ৰামায়ণ' আৰু কাশীৰাম দাসৰ 'মহাভাৰত'ক এইবাবেই 'পাঁচালী' আখ্যা দিয়া হৈছে। আশুতোষ ভট্টাচাৰ্য্যৰ মতে দেৱ

৩০. হৰিপদ চক্ৰবৰ্ত্তী, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৭
৩১. Swami Prajnanananda, *op-cit*
৩২. তাৰাপদ ভট্টাচাৰ্য্য: বংগ সাহিত্যেৰ ইতিহাস, (কলিকতা, ১৯৬২), পৃ. ৮-১০

দেৱীৰ গৌৰৱ-গৰিমা বিশিষ্ট আৰু কাহিনী সম্বলিত গীত-পদেই বংগদেশত পাঞ্চালী বা পাঁচালী ৰূপে পৰিচিত।[৩৩]

ওজাপালি অনুষ্ঠানে গোৱা গীত-পদক অসমত পাঞ্চালী বা পাঁচালী বোলে। গতিকে কথক আৰু পালি অৰ্থাৎ ওজাপালি আনুষ্ঠেয় কলাই আবৃত্তি বা গাব পৰা পৰম্পৰাগত গীত-পদক পাঞ্চালী বা পাঁচালী বোলাই যুক্তি সংগত।[৩৪] এই প্ৰসংগত প্ৰশ্ন উঠিব পাৰে—ৰাম সৰস্বতীয়ে ৰচনা কৰা বধকাব্য সমূহো ব্যাহ গোৱা বা ব্যাহৰ ওজাপালিয়ে অভ্ৰান্তভাৱে আবৃত্তি কৰে। তেনেদৰে ভৱদেৱ বিপ্ৰৰ 'নাগাক্ষযুদ্ধ', ৰঘুনাথ মহন্তৰ 'অদ্ভুত ৰামায়ণ' আদি পুথিৰ পদো ব্যাহ ওজাপালিয়ে আবৃত্তি কৰে তথাচ এইবোৰক পাঞ্চালী আখ্যা দিয়া হোৱা নাই। অন্যহাতে ওজাপালি অনুষ্ঠানে আবৃত্তি নকৰা "শ্ৰীশ্ৰীসত্যনাৰায়ণ দেৱৰ পাঁচালী', 'শ্ৰীশনিদেৱৰ পাঁচালী' 'শ্ৰীত্ৰিনাথৰ পাঁচালী, 'শ্ৰীশ্ৰীশীতলা-পাঁচালী' আদিকো পাঁচালী আখ্যা দিয়া হৈছে। এই প্ৰসংগত মন কৰিব লাগিব যে, ৰাম সৰস্বতীৰ বধকাব্যৰাজি, ভৱদেৱ বিপ্ৰৰ 'নাগাক্ষযুদ্ধ' নাইবা ৰঘুনাথ মহন্তৰ 'অদ্ভুত ৰামায়ণ' আদি গীতৰ শৈলীত (ৰাগ-তালযুক্ত) ৰচিত হোৱা নাই; যিহেতু তাত দিহা বা স্থায়ী বা পদ আদিৰ বিভাজন নাই আৰু ৰাগ-তাল আদিও সংযোজিত হোৱা নাই। গতিকে 'বধকাব্য', 'নাগাক্ষ-যুদ্ধ', 'অদ্ভুত ৰামায়ণ' আদি পাঞ্চালী-সংগীত শৈলীত ৰচিত হোৱা নাই। ইয়াৰ বিপৰীতে মনকৰ-দুৰ্গাবৰৰ 'মনসা-গীত' বা 'মনসাকাব্য', দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ', পীতাম্বৰ দ্বিজৰ 'উষা-পৰিণয় কাব্য', নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' আদিত প্ৰায়ে দিহা বা স্থায়ী, পদ আদিৰ বিভাজন থকাৰ উপৰিও ৰাগ-তালৰ উল্লেখ আছে, অৰ্থাৎ এইবোৰ গীতৰ শৈলীত ৰচিত। সেইবাবে 'গীতিৰামায়ণ', উষা-পৰিণয় কাব্য,' 'মনসা গীত' বা 'মনসাকাব্য', 'পদ্ম-পুৰাণ' আদিক পাঁচালী বা পাঞ্চালী আখ্যা দিয়া হৈছে।

'পঞ্চ' শব্দৰ পৰা 'পাঞ্চালী' বা 'পাঁচালী' পদৰ উদ্ভৱ হব পাৰে। ৰূপাৰ্থত পাঞ্চালী-সংগীত পঞ্চ অংগযুক্ত। ইতিমধ্যে পাঞ্চালী-সংগীতৰ পঞ্চ

---

৩৩. আশুতোষ ভট্টাচাৰ্য্য: বংগীয় লোক-সংগীত ৰত্নাকৰ, তৃতীয় খণ্ড, (কলিকতা, ১৯৭৭), পৃ. ১০৫৮-৫৯

৩৪. S. N Sarma: *Epics and Purāṇas in Early Assamese Literature*, (Gauhati, 1972), p. 83

অংগৰ বিষয়ে উল্লেখ কৰি অহা হৈছে। পাঞ্চালী গীত-পদ গোৱা ওজাপালি অনুষ্ঠানৰ লগত জৰিত সংগীতো পঞ্চ অংগ যুক্ত। যেনে :

(ক) আৰোহণ : হ—তা না—ঋ—ঋতা।
'হ' বৰ্ণে তু গণাধ্যক্ষঃ।
'তা' বৰ্ণে তু সদাশিৱঃ।
'না' বৰ্ণে তু মহামায়া (ভবানীশ্চ)।
'ৰি' (ঋ) বৰ্ণে তু কংস বৈৰী কৃষ্ণঃ
'ৰিতা' (ঋতা) বৰ্ণে তু গন্ধৰ্ব ॥

(খ) গুৰু বন্দনা,
(গ) পদ বা পুথিৰ পদ,
(ঘ) ৰাগ-ৰাগিণী,
(ঙ) ভণিতা।

পাঞ্চালী বা পাঁচালী গীত-পদ গাবলৈ বা আবৃত্তি কৰিবলৈ অতি কমেও পাঁচজন ব্যক্তিৰ প্ৰয়োজন। প্ৰধান গায়কৰ নাম ওজা (=মূল গায়ক), এজন দাইনাপালি (=দোহোৰা বা পালি) আৰু তিনিজন সহায়ক পালি। ওজাই দিহাটো লগাই দিয়ে আৰু পালিবিলাকে ধৰে। ওজাই পাঁচালীৰ দিহাটো বিলম্বিত লয়ত গায় আৰু পালিসকলে সেই দিহাটো দ্ৰুত লয়ত ধৰে।

সেইদৰে ওজাপালি অনুষ্ঠানৰ লগত জৰিত পাঞ্চালী-গীতত পঞ্চ প্ৰকাৰ নৃত্য, পঞ্চ প্ৰকাৰ তাল আদিৰ বিদ্যমানতা অস্বীকাৰ কৰিব নোৱাৰি। ইয়াৰপৰা বুজিব পাৰি যে, পাঞ্চালী-সংগীতত 'পঞ্চ' পদটোৰ গুৰুত্বপূৰ্ণ ভূমিকা লক্ষ্য কৰা যায়। বোধকৰোঁ সেইকাৰণেই পঞ্চ অংগ বিশিষ্ট গীতক পাঞ্চালী বোলা হৈছে।

কোনো কোনো পণ্ডিতে অনুমান কৰে যে, 'পাঞ্চালী' বা 'পাঁঞ্চালী' পদটো সংস্কৃত 'পদ' শব্দৰপৰা আহিছে। তেওঁলোকৰ মতে ওজাপালি অনুষ্ঠানে পদ বা ভৰি চালনা কৰি অৰ্থাৎ ভৰিৰে তাল ৰাখি যি গীত-পদ আবৃত্তি কৰে সিয়েই পাঞ্চালী এই মতটো গ্ৰহণযোগ্য নহয় এই কাৰণেই যে, ব্যাহৰ ওজাপালিয়েও পদ বা ভৰি চালনা কৰি অৰ্থাৎ ভৰিৰে তাল ৰাখি গীত-পদ আবৃত্তি কৰে, কিন্তু তেওঁলোকে গোৱা গীত-পদক অতীততে পাঞ্চালী বুলিলেও বৰ্তমান নোবোলে।

আউনীআটীসত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীবিষ্ণুচন্দ্ৰদেৱ গোস্বামীৰ মতে 'নাট্যশাস্ত্ৰ'ত উল্লেখিত পঞ্চ প্ৰকাৰ 'চালী', পঞ্চপ্ৰকাৰ তাল পঞ্চপ্ৰকাৰ পাদ চালনা বিশিষ্ট ওজাপালিয়েই পাঞ্চালী ওজাপালি আৰু এই ওজাপালিয়ে গোৱা গীতেই পাঞ্চালী গীত। 'সংগীত-ৰত্নাকৰ'ত 'চালী' বা 'চাৰী'ৰ সূত্ৰ এনেদৰে দিছে :

"কোমলং সবিলাসং চ মধুৰং তাল লাস্য যুক্।
নাতিক্ৰুতং নাতিমন্দং তাস্ৰতা প্ৰচুৰং তথা ॥
পাদোৰু কটি বাহুনাং যৌগপদ্যেন চালনম্।"[৩৫]

বংগদেশীয় পণ্ডিতসকলৰ মতে পাঞ্চালী, পাঞ্চালদেশত প্ৰবহমান এক সংগীত-শৈলী মাথোন। পাঞ্চালদেশত প্ৰচলিত পাঞ্চালী-সংগীত শৈলীৰ আদৰ্শত ৰচিত গীত-পদক পাঞ্চালী বা পাঁচালী সংগীত আখ্যা দিয়া হৈছে।[৩৬] 'নাট্য-শাস্ত্ৰ'ত উল্লেখ থকা 'পাঞ্চালী' প্ৰবৃত্তিৰ লগত যে পাঞ্চালী-সংগীতৰ সম্পৰ্ক নিবিড় তাৰ আভাস ইয়াৰপৰা পাব পাৰি। দ্বিতীয়তে, পুতলা নিৰ্মাণৰ বাবে প্ৰসিদ্ধ দেশ স্বৰূপে সুকুমাৰ সেনে পাঞ্চাল দেশলৈ আঙুলিয়াইছে। সেইবাবে 'পুতলা'ক 'পাঞ্চাল' (অৰ্থাৎ পাঞ্চালিকা) বোলা হৈছে। পুতলা অৰ্থাৎ 'পাঞ্চালিকা'ৰ লগত জৰিত গীতেই পাঞ্চালী-সংগীত।[৩৭]

শংকৰদেৱৰ পূৰ্বৰেপৰা যে, অসমত পাঞ্চালী-সংগীতৰ পৰম্পৰা জীৱন্তভাৱে প্ৰবহমান আছিল তাত সন্দেহ নাই। আনকি শংকৰদেৱৰ শিষ্য মথুৰা দাস বুঢ়া আটাই ওঠৰজন সংগীৰ ‍ৈসতে পাঞ্চালী-সংগীত শৈলীত 'ৰামায়ণ' গাই ফুৰিছিল।[৩৮] শংকৰদেৱৰ সান্নিধ্যলৈ অহাৰ পিছৰেপৰা তেওঁ পাঞ্চালী সংগীত-শৈলীত ওজাপালি গাবলৈ এৰি কীৰ্তনীয়া ওজাপালি গাবলৈ ধৰে।[৩৯]

শংকৰদেৱৰ পূৰ্বে দুৰ্গাবৰ কায়স্থই পাঞ্চালী-সংগীত-শৈলীত 'গীতি-ৰামায়ণ' ৰচনা কৰিছিল আৰু ইয়াৰ গীত-পদ ব্যাহ্ ওজাপালিয়ে গাইছিল :

---

৩৫. এছ. সুব্ৰহ্মণ্য শাস্ত্ৰী (সম্পা): শাৰংগদেৱ কৃত সংগীতৰত্নাকৰ (মাদ্ৰাজ, ১৯৪৩), ৭/১২০৭

৩৬. সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ১০৯

৩৭. S. Sen, *op-cit*, p. 21

৩৮. উপেন্দ্ৰ চন্দ্ৰ লেখাৰু (সম্পা): কথা গুৰুচৰিত, (নলবাৰী, ১৯৫২), পৃ. ২৬৫

৩৯. M. Neog : *Sankaradeva and His Times*, (Gauhati University, 1965), pp. 136-37

'দুৰ্গাবৰী গাওঁতে কামৰূপীয়া, দৰঙ্গীয়া গায়কসকলে বামকৰতাল আৰু খঞ্জৰীৰ তালত গায়। বৰপেটাৰ ফালে ইয়াৰ লগত চেৰেঙা আৰু দোতাৰাও ব্যৱহাৰ কৰা দেখিছোঁ। চেৰেঙাৰ লগত দুৰ্গাবৰীৰ গীত দৰাচলতে বৰ শুৱলা হয়। দুৰ্গাবৰী গীতৰ তাল মুঠে দুটা : খেমটা আৰু কাহাৰবা। ইয়াৰ সুৰ আৰ্য্যবড়ো।"[৪০] দুৰ্গাবৰী ওজাপালি, ব্যাহ ওজাপালিৰ এটি উপশ্ৰেণী। তেনেদৰে পীতাম্বৰ দ্বিজৰ 'উষা-পৰিণয় কাব্য'ৰ গীত-পদো পাঞ্চালী-সংগীত শৈলীত ব্যাহ ওজাপালিয়ে অতীততে গোৱাৰ অনুকূলে মত পোষণ কৰিব পাৰি। নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ পৰিণতি স্বৰূপে যে, পাঞ্চালী-সংগীত ধাৰা কিছু পৰিমাণে ব্যাহত হৈছিল তাত সন্দেহ নাই, যিহেতু এই সময়ছোৱাৰ অসমীয়া কবিসকলে পাঞ্চালী সংগীত শৈলীত গীত-পদ ৰচিবলৈ প্ৰয়াস কৰা দেখা নাযায়। উদাহৰণ স্বৰূপে আমি বিদ্যানন্দৰ 'ঠাকুৰ-চৰিত'লৈ আঙুলিয়াব পাৰোঁ। শংকৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰ বিষ্ণুপুৰ সত্ৰত থকা সময়ত বিদ্যাই ওজা নামৰ এজন ভক্তৰ ঘৰলৈ তেওঁ নিমন্ত্ৰিত হৈ গৈছিল। চতুৰ্ভুজ ঠাকুৰ আৰু ভক্তবৃন্দৰ উপস্থিতিত 'নুখিয়া ওঝা'ই পাঞ্চালী সংগীত শৈলীত কীৰ্ত্তন কৰিবলৈ ধৰিলে। পাঞ্চালী-সংগীত গোৱা দেখি চতুৰ্ভুজ ঠাকুৰ সভাৰপৰা উঠি গ'ল :

> 'পাঞ্চালীৰ চন্দে গীত গাইবাক লাগিলা।
> সুনি আতা তেখনে সভাৰ উঠি গৈইলা ॥'[৪১]

অৱশ্যে 'পাঞ্চালী সংগীত' শৈলী যে নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত অসমৰ পৰা সম্পূৰ্ণভাবে বিদূৰিত হৈছিল তেনে নহয়। মনসা বা পদ্মা-পূজাৰ লগত জৰিত গীত-পদ সম্পূৰ্ণভাবে পাঞ্চালী সংগীত শৈলীৰ ওপৰত প্ৰতিষ্ঠিত। দ্বিতীয়তে, আউনীআটীৰ দৰে প্ৰসিদ্ধ বৈষ্ণৱ সত্ৰতো পাঞ্চালী সংগীত শৈলীৰ প্ৰচলন আৰু সমাদৰ লক্ষ্য কৰা যায়। পাঞ্চালী-সংগীত শৈলী-যুক্ত পৰিৱেশ্য কলাৰ প্ৰচলন অসমত থকাৰ উপৰিও উৰিষ্যা, বংলাদেশ আদিতো দেখা যায়। আউনীআটী-সত্ৰত প্ৰচলিত 'পাঞ্চালী ওজাপালি' পৰিৱেশ্য কলাৰ লগত সম্পৃক্ত সংগীত পৰম্পৰা পাঞ্চালী শৈলীৰ ওপৰত প্ৰতিষ্ঠিত। পাঞ্চালী ওজাপালিৰ একোটি দলত এজন ওজা আৰু কেইজনমান পালি থাকে। ওজাই বাওঁহাতেৰে চামৰ ঢুলায় বা নচুৱায় আৰু সোঁহাতেৰে এযোৰ মন্দিৰা বজায়। পালিসকলৰ কেই-

---

৪০. কীৰ্ত্তিনাথ শৰ্মা বৰদলৈ : সুৰ-পৰিচয়, (যোৰহাট, ১৯২৮), পৃ. ১০
৪১. মহেশ্বৰ নেওগ সম্পাদিত 'উষা-পৰিণয় কাব্য'ৰপৰা উদ্ধৃত, ভূমিকা, পৃ' ৩৫

অনমানে মৃদংগ বজায়। এওঁলোক বায়নৰূপে পৰিচিত। বাকীকেইজন পালিয়ে ওজা বা গায়নক গীত গোৱাত সহায় কৰে। এওঁলোকে দুয়োহাতেৰে তাল বজায়। 'ভাগৱত-পুৰাণ' বা অন্য পুৰাণৰ পৰা পাঞ্চালী ওজাপালিয়ে গীত-পদ গায়। আন আন ওজাপালি ৰূপত স্থান নোপোৱা সাবক-চৰিত্ৰৰ স্থান পাঞ্চালী ওজাপালিৰ এক অন্যতম বৈশিষ্ট্য ৪২

পাঞ্চালী-ওজাপালি অনুষ্ঠানৰ বাহিৰেও আউনীআটীসত্ৰত পাঞ্চালী গায়ন-বায়ন নামৰ আন এবিধ পৰিবেশ্য কলাৰ প্ৰচলন আছে। এই অনুষ্ঠান দুটাৰ মাজত পাৰ্থক্য নোহোৱা নহয়। প্ৰথমবিধ শুকমুখী আৰু দ্বিতীয়বিধ শুকমুখী নহয়। সত্ৰাধিকাৰ গোস্বামীৰ মতে আউনীআটীসত্ৰত প্ৰচলিত পাঞ্চালী ওজাপালি আৰু পাঞ্চালী-গায়ন-বায়ন উভয় পৰিবেশ্যকলাৰ সংগীত-শৈলীৰ আদৰ্শ হাজোৱালী সংগীত।

উপৰৰ আলোচনাৰপৰা বিনাদ্বিধাই অনুমান কৰিব পাৰোঁ যে, নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগে লগে মহাকাব্যীয় কাহিনী পাঞ্চালী-সংগীত শৈলীত ৰচনা কৰাৰ পৰম্পৰা নিশ্চয় হলেও নৱবৈষ্ণৱ আন্দোলনৰ পূৰ্বে অসমত মহাকাব্যীয় কাহিনীও পাঞ্চালী-সংগীত শৈলীত ৰচিত হৈছিল। এই প্ৰসংগত সত্যেন্দ্ৰ নাথ শৰ্মাই সমীচীন মন্তব্য প্ৰকাশ কৰিছে : "There fore, it may be surmised that during the period preceding the advent of neo-Vaisnavism, in Assam, the people were entertained and instructed by the *ojāpāli* rendering of the *pācāli-kāvyas* dealing with the epic themes on the one hand and by narrative kāvyas suitable for recitation on the other."৪৩

অসমীয়া পাঁচালী সাহিত্যক বিষয়বস্তুৰ কালৰপৰা তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি ; যেনে : (ক) মহাকাব্যীয় পাঁচালী সাহিত্য, (খ) মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য আৰু (গ) বিবিধ বিষয়ক পাঁচালী সাহিত্য।

(ক) মহাকাব্যীয় পাঁচালী সাহিত্য :

'মহাভাৰত', 'ৰামায়ণ' আৰু 'পুৰাণ'ৰ বিষয়বস্তুৰ আধাৰত ৰচিত পাঁচালী সাহিত্যক মহাকাব্যীয় পাঁচালী-আখ্যা দিব পাৰি। এই শ্ৰেণীৰ পাঁচালী

৪২. নবীনচন্দ্ৰ শৰ্মা : অসমৰ ওজাপালি, (যোৰহাট, ১৯৯১), পৃ. ৩৭-৩৮
৪৩. S. N. Sarma : *op-cit*, p. 84

সাহিত্যৰ উদাহৰণ স্বৰূপে দুৰ্গাবৰ কায়স্থৰ 'গীতি-ৰামায়ণ' আৰু পীতাম্বৰ দ্বিজৰ 'উষা-পৰিণয় কাব্য'লৈ আঙুলিয়াব পাৰি। ইয়াৰ বাহিৰেও গংগাদাস, সুবুদ্ধি-ৰায়, ভবানীদাসৰদ্বাৰা ৰচিত 'অশ্বমেধপৰ্ব' নামৰ পুথিখনিকো মহাকাব্যীয় পাঁচালী সাহিত্যৰ পৰিসৰত ধৰিব পাৰি।[৪৩]

(খ) মনসা বা বিষহৰী বিষয়ক পাঁচালী-সাহিত্য :

মনসা বা বিষহৰী বিষয়ক পাঁচালী-সাহিত্যৰ পৰিধয়ে মনকৰ আৰু দুৰ্গাবৰৰ 'মনসা-গীত' বা 'মনসা-কাব্য', নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ', ষষ্ঠীবৰৰ 'মনসা-পুৰাণ' প্ৰাণেশ্বৰবাভাৰদ্বাৰা সংকলিত 'মায়াৱন্তী বিষহৰি' আদি সামৰে।

(গ বিবিধ বিষয়ক পাঁচালী সাহিত্য :

উপৰোল্লিখিত শ্ৰেণী দুটাৰ পৰিধিৰ ভিতৰত সামৰিব নোৱাৰা পাঁচালী-সাহিত্য বাজিক বিবিধ বিষয়ক পাঁচালী সাহিত্য আখ্যা দিব পাৰি। এই পাঁচালীসমূহৰ বিষয়বস্তু বিভিন্ন উৎসৰ পৰা গ্ৰহণ কৰা হৈছে। কোনো কোনো ক্ষেত্ৰত আকৌ পুৰাণৰ বিষয়বস্তুৰ লগত মৌখিক পৰম্পৰাত প্ৰচলিত মিথ, লেজেণ্ড, সাধুকথা বা কাহিনীমূলক গীত বা বেলেডৰ বিষয়বস্তু সংমিশ্ৰণ কৰাৰ প্ৰৱণতাও স্পষ্ট। এই শ্ৰেণীৰ পাঁচালী সাহিত্যৰ, উদাহৰণ স্বৰূপে বিশ্বেশ্বৰদ্বিজ-কৃত 'শ্ৰীশ্ৰীসত্যনাৰায়ণৰ পাঁচালী', জয়ৰামদাসৰ 'শ্ৰীশ্ৰীশীতলা-পাঁচালী,' অজ্ঞাত কবিৰ (ৰাম সৰস্বতী ?) 'শ্ৰীশ্ৰীলক্ষ্মী চৰিত্ৰ পাঁচালী, শ্ৰীশ্ৰীশনিদেৱৰ পাঁচালী', 'ত্ৰিনাথ পাঁচালী,' দীন দ্বিজবৰৰ 'মাধৱ-সুলোচনা'[৪৪] আদি উল্লেখ কৰিব পাৰোঁ।

৪৩ক. M. Neog : "Assamese Literature Before Śankaradeva" in *Aspects of Early Assamese Literature*, ed. B. Kakati, (Gauhati University, 1953), p. 46

৪৪. "মালিনী কহিলা মাধৱৰ ৰূপ গুণ। দ্বিজবৰে ৰচিলা পাঞ্চালী সবে শুন ॥"
(পৃ. ১০৭৬)
"নটীগণে নৃত্য কৰে নটে গাৱে গীত। দ্বিজবৰে ৰচিলা পাঞ্চালী মনোনীত ॥"
(পৃ. ১০৮০)
হেমচন্দ্ৰ গোস্বামী (সম্পা) : অসমীয়া সাহিত্যৰ চানেকি, (কলিকতা বিশ্ববিদ্যালয়, ১৯২৪)

ঘ. মনসা কথাবৃত্তৰ সংযুতি

অসম, বংগদেশ আদিত প্ৰচলিত মনসা বা বিষহৰী কথাবৃত্তৰ সংযুতি বিভিন্ন সাংযুতিক এককৰ যোগ মাথোন। এই কথাবৃত্তৰ অন্যতম প্ৰধান তিনিটা একক এনেদৰে নিৰ্দেশ কৰিব পাৰি ; যেনে ; (ক) সৃষ্টিমূলক মিথ (খ) জনশ্ৰুতিমূলক কাহিনী বা লেজেণ্ড আৰু (গ) সাধুকথা।

(ক) সৃষ্টিমূলক মিথৰ সাংযুতিক উপএককবোৰ এনেদৰে দেখুৱাব পাৰি : সৃষ্টিপাতন দেৱতাসৱৰ জন্ম, দুৰ্গা-পাৰ্বতী-গংগা-মনসা-নেতা আদিৰ জন্ম বিষয়ক বৰ্ণনা।

(খ)(i) জনশ্ৰুতিমূলক কাহিনীৰ সাংযুতিক উপএককবোৰৰ পৰিসীমাত চান্দোসদাগৰৰ জন্ম, সোনেকাৰ সৈতে তেওঁৰ বিৱাহ, চান্দোৰ বণিজ যাত্ৰা, সদাশিৱৰভক্ত আৰু চণ্ডীৰ উপাসক চান্দোৰ সৈতে মনসা বা বিষহৰীৰ বিবাদ, মনসা বা বিষহৰীৰ ছলনাত চান্দোৰ নানা নিৰ্য্যাতন ভোগ ; লখিন্দৰৰ সৈতে চান্দোৰ সাতপুত্ৰক মনসা বা বিষহৰীৰদ্বাৰা নিধন, অৱশেষত বিষম পৰিণতিৰ সন্মুখীন হৈ চান্দোৰদ্বাৰা মনসা বা বিষহৰীক পূজন।

(ii) বেউলা-লখিন্দৰ সম্পৰ্কীয় কাহিনী। বেউলা-লখিন্দৰ-জনশ্ৰুতিমূলক কাহিনীটোত প্ৰাচীনত্ব, গাম্ভীৰ্য্য আৰু বিশ্বাসযোগ্যতা আৰোপ কৰাৰ প্ৰয়াসেৰে ইয়াৰ লগত সংযোজিত হৈছে উষা-অনিৰুদ্ধ মিথটো।

(গ) মনসা বা বিষহৰী কথাবৃত্তত কেইবাটিও সাধুকথাৰ স্থিতি লক্ষ্য কৰা যায়, যেনে : গৰখীয়াৰ কথা, ঝালোমালাৰ কথা, যমদাইনীৰ কথা, গোধাৰ কথা, বণাই সাধুৰ কথা, নাৰায়ণ সাধুৰ কথা ইত্যাদি।

চান্দোসদাগৰ আৰু বেউলা-লখিন্দৰ সম্পৰ্কীয় দুয়োটা কাহিনীয়েই সুকীয়া সুকীয়া কাহিনী। তেনেদৰে মনসা বা বিষহৰী সম্পৰ্কীয় পুৰাণ-কথা (myth) জাতীয় কাহিনীটোও সুকীয়া কাহিনী। মনসা-পূজাৰ মাহাত্ম্য বৰ্ণন কৰাৰ প্ৰয়াসেৰে তিনিওটা কাহিনীক একত্ৰিত কৰি ইয়াৰ লগত বিভিন্ন সাধুকথা সংযোজন কৰি মনসা বা বিষহৰী কথাবৃত্তৰ সৃষ্টি কৰা হৈছে আৰু অসম, বংগদেশ আৰু বিহাৰৰ বিভিন্ন অঞ্চলৰ লগত এই কথাবৃত্তৰ কোনোটো নহয় কোনোটো উপাংগ সংযোগ কৰিবলৈ প্ৰয়াস কৰা দেখা যায়। উদাহৰণ স্বৰূপে

দক্ষিণ কামৰূপৰ ছয়গাঁওক চান্দোসদাগৰৰ চম্পক বা চম্পাৰ্তি (পাণ্ডিবাভা-সকলৰ মতে চম্পাৰ্তি) নগৰৰ লগত সমীকৰণ কৰিবলৈ যত্ন কৰা দেখা যায়। তেনেদৰে দৰঙৰ হৰিশিঙাৰ নিকটস্থ বৰ্তমানৰ ওদালাক বেউলাৰ পিতৃ শাহেৰজাৰ ৰাজধানী উজানি নগৰৰ লগত একত্রিত কৰা হয়। তেনেদৰে হাজোৰ কেদাৰ, ধুবুৰীচহৰ (নেতাই ধুবুনীঘাট,) ছয়গাঁৱৰ মেৰঘৰ আৰু চণ্ডিকা মন্দিৰ, চান্দভুৰি বিল আদিৰ সৈতে মনসা বা বিষহৰী কথাবৃত্তক সংযোগ কৰা হৈছে।

ঙ. মনসা-কথাবৃত্তৰ প্ৰধান কাহিনীবোৰৰ স্থান নিৰ্ণয় :

বঙলা-পৰম্পৰামতে বৰ্ধমান জিলাৰ চম্পকনগৰত চান্দোসদাগৰৰ জন্ম হৈছিল। ইয়াৰ ওচৰেৰে প্ৰবাহিত নৈখনৰ নামো বেহুলা। প্ৰচলিত বিশ্বাসমতে মৃত স্বামীক ভেলত তুলি এইখন নৈৰে বেউলা দেৱপুৰলৈ গৈছিল। ত্ৰিপুৰাৰ চম্পকনগৰ, বগুড়াৰ মহাস্থান, দিনাজপুৰৰ কাঞ্চনগৰ, দাৰ্জিলিঙৰ বঙীত নামৰ নদীৰ পাৰ, কামৰূপৰ নাটকাচল অৰ্থাৎ হাজো আদি স্থানতো চান্দোসদাগৰৰ জন্ম হৈছিল বুলি জনশ্ৰুতি প্ৰচলিত।[৪৪ক] দক্ষিণ কামৰূপৰ চম্পক নগৰতো (বৰ্তমানৰ ছয়গাঁও) চান্দোৰ জন্ম হোৱাৰ অনুকূলে মতপোষণ কৰা হয়।

বোগ্ৰা জিলাৰ মহাস্থানগড়ত বেউলাৰ বাসগৃহৰ ধ্বংসাৱশেষ আবিষ্কৃত হৈছে বুলি স্থানীয়ভাবে বিশ্বাস কৰা হয়।[৪৫] মালদাহ জিলাৰ চম্পাই নগৰত চান্দোসদাগৰে বাস কৰিছিল বুলিও স্থানীয়ভাৱে বিশ্বাস প্ৰচলিত হৈ আছে। এইখন জিলাতে নেতাই কাপোৰ ধোৱা-ঘাট থকাৰ অনুকূলেও জনশ্ৰুতি প্ৰচলিত। বীৰভূমৰ অধিবাসীসকলৰ দৃষ্টিত সেই অঞ্চলত মনসা-ভক্তিৰ স্বীকৃতি স্বৰূপে বেউলাৰদ্বাৰা এটি উৎসৱ অনুষ্ঠিত হৈছিল আৰু এই উৎসৱৰ পৰম্পৰা বৰ্তমানো সেই অঞ্চলত জীৱন্তভাবে প্ৰবহমান। চিটাগঙত মেৰঘৰ নিৰ্মাতা কালু কমাৰৰ ঘৰ আছিল বুলি বিশ্বাস কৰা হয়।[৪৬] বিহাৰৰ ভাগলপুৰ জিলাৰ চম্পা বা চম্পকনগৰ চান্দোসদাগৰৰ বাসস্থান আছিল বুলি সেই অঞ্চলত বিশ্বাস প্ৰচলিত।

৪৪ক. খাঁ চৌধুৰী আমানতউল্লা আহমদ : কোচবিহাৰৰ ইতিহাস, প্ৰথমখণ্ড, (কলিকতা, ১৯৯০), পৃ. ১১ (পাদটীকা)

৪৫. P.K. Maity : *Historical Studies in the Cult of the Goddess Manasā*, p. 131

৪৬. D. C. Sen : *History of Bengali Language and Literature*, (University of Calcutta, 1911), p. 256

দ্বিতীয়তে, চম্পা বা চম্পকনগৰৰ নাতিদূৰত্ব উজানিত বেউলাৰ জন্ম হৈছিল।[৪৭] কামৰূপৰ ধৰ্মপাল ৰজাই ভাগলপুৰৰপৰা কেইগৰাকীমান সদ ব্ৰাহ্মণক আনি গুৱালকুছিত স্থাপন কৰে। ভাগলপুৰীয়া ব্ৰাহ্মণৰ জৰিয়তে মনসা-পূজা আৰু ইয়াৰ লগত জৰিত মনসা-কথাবৃত্ত অসমলৈ প্ৰব্ৰজিত হোৱাৰ অনুকূলে মত পোষণ কৰিব পাৰি। এই অনুমানৰ সপক্ষে কব পাৰিযে, গুৱালকুছি বৰ্তমানো মনসা-পূজাৰ শক্তিশালী কেন্দ্ৰ।[৪৭ক]

দীনেশচন্দ্ৰ সেনৰ মতে মনসা বা বিষহৰী-কথাবৃত্তৰ আদি ৰূপৰ (Archetype) উদ্ভৱ হৈছিল বিহাৰত আৰু ই পৰিপূৰ্ণতা লাভ কৰে পশ্চিম বংগদেশ আৰু পূৰ্ববংগত (বৰ্তমানৰ বাংলাদেশত)।[৪৮] জন প্ৰব্ৰজনৰ লগে লগে এই কাহিনীভাগ অসমলৈ বিস্ফাৰিত হয় আৰু অসমৰ স্থানীয় পৰিৱেশত কাহিনীভাগে কিছুপৰিমাণে সুকীয়া বৈশিষ্ট্য লাভ কৰে।

তলত দিয়া কাৰণ কেইটাৰ বাবে বিহাৰতেই মনসা-কথাবৃত্তৰ আদিৰূপৰ Archetype) উদ্ভৱ হোৱাৰ অনুকূলে আশুতোষ ভট্টাচাৰ্য্যই মত পোষণ কৰে :

(১) বিহাৰী-পাঠত বেউলা-লখিন্দৰৰ কাহিনীভাগহে পোৱা যায়। বংগদেশ বা অসমত প্ৰচলিত মনসা-কথাবৃত্তৰ লগত জৰিত পুৰাণ-কথা (Myth) আৰু জনশ্ৰুতিমূলক কাহিনী আৰু সাধুকথাবোৰ পোৱা নাযায়। গতিকে মনসা-কথাবৃত্তৰ আদিৰূপ নিশ্চিতভাবে বিহাৰৰপৰা বংগদেশ আৰু অসমলৈ প্ৰব্ৰজিত হৈছিল।

(২) বিহাৰী মনসাকাব্যৰ পাঠত বৰ্ণিত মনসা-পূজা পদ্ধতিৰ লগত বৰ্তমানৰ বীৰভূম জিলাত প্ৰচলিত মনসাপূজাৰ সাদৃশ্য চকুত লগা। বিহাৰী মনসা-পূজা-পৰম্পৰাত মনসাৰ লগতে তেওঁৰ চাৰিজনী ভনীয়েককো পূজা কৰা হয়। বীৰভূম জিলাতো মনসাৰ সৈতে তেওঁৰ চাৰিজনী ভনীয়েকক পূজা কৰে।[৪৯]

---

৪৭. নিখিল নাথ ৰায় : মুৰ্শিদাবাদেৰ ইতিহাস, ১ম খণ্ড, (কলিকতা, ১৩০৯ সন), পৃ. ৮০

৪৭ক. ভাবতচন্দ্ৰ দাস : অসমীয়া সাহিত্য-বুৰঞ্জী (মনসাশাখা), পৃ. ৫৭

৪৮. দীনেশচন্দ্ৰ সেন : বংগ সাহিত্য পৰিচয়, ১ম খণ্ড, (কলিকতা বিশ্ববিদ্যালয়, ১৯১৪), পৃ. ১৭৩

৪৯. আশুতোষ ভট্টাচাৰ্য্য : বাংলা মংগল কাব্যেৰ ইতিহাস, (কলিকতা, ১৯৫৮), পৃ. ২০৫-০৮

বিহাৰত পোনতে মনসা-কথাবৃত্ত মৌখিক পৰম্পৰাত চলি আছিল আৰু জন প্ৰব্ৰজনৰ লগে লগে মনসা-পূজাৰ সৈতে মনসা-কথাবৃত্ত বংগদেশলৈ প্ৰব্ৰজিত হয় আৰু তাৰ পৰা তদনুক্ৰমে অসমলৈ বিস্তাৰিত হয় আৰু ইয়াৰ পৰবৰ্তীকালত কবিসকলে ইতিমধ্যে লোকসমাজত মনসা-পূজাৰ অনুষংগত প্ৰচলিত কাহিনী-ভাগক লিখিত ৰূপ দিয়ে। কিন্তু পৰম্পৰাগত মৌখিক মনসা-কথাবৃত্তৰ মৌখিক প্ৰক্ৰিয়া চলিয়েই থাকিল। তাৰে এটা প্ৰক্ৰিয়াৰ স্থিতি আৰু প্ৰচলন অসমৰ পাতিবাভা আৰু হাজংসকলৰ মাজত জীৱন্তভাবেই চলি আছে।

এই প্ৰসংগত দক্ষিণ-ভাৰতত প্ৰচলিত 'মনসা-পূজা' আৰু ইয়াৰ লগত জৰিত কথাবৃত্তলৈ আওকাণ কৰাটো নিশ্চিতভাবে অযুক্তিকৰ। চন্দ্ৰধৰ বা চান্দোসদাগৰ বিহাৰ, বংগদেশ বা অসমৰ হব পাৰে ; কিন্তু বেউলাক অসম বা বংগদেশ বা বিহাৰৰ কন্যা বুলিব নোৱাৰাৰ সপক্ষেও দুই-এজন পণ্ডিতে কৰলৈ বিচাৰে। প্ৰকৃতাৰ্থত বেউলা দক্ষিণভাৰতৰ কন্যা। বেউলাৰ দৰে সাহসী কন্যা অসম, বংগদেশ বা বিহাৰত পোৱা টান। নৃত্যৰ সহায়ত দেৱতাক পূজা-অৰ্চনা কৰাৰ ঐতিহ্য দক্ষিণ ভাৰতত তুলনামূলকভাৱে শক্তিশালী। গতিকে বেউলা দক্ষিণভাৰতৰ কন্যা হোৱাই স্বাভাৱিক।[৫০]

দক্ষিণ ভাৰতত গ্ৰাম্যদেৱী অম্মৱৰুক অংকম্মৰূপত (অৰ্থাৎ মনসা-ৰূপত) পূজা কৰা হয়। মনসা-পূজাৰ লগত জৰিত কথাবৃত্তৰ দৰে অম্মৱৰুৰ পূজাৰ অনুষংগত অনুৰূপ কথাবৃত্ত জৰিত। গতিকে মনসা-কথাবৃত্তৰ জন্ম দক্ষিণভাৰতত হোৱাই স্বাভাৱিক।[৫১]

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, দ্ৰাবিড়ীয় দেৱী মঞ্চমাৰ নাম আৰু উপাসনা পদ্ধতিৰ লগত মনসা দেৱীৰ নাম আৰু পূজা-পদ্ধতিৰ মাজত সাদৃশ্য আছে। অসমৰ অঞ্চল বিশেষে মনসা দেৱীক 'মঞ্চা'দেৱীও বোলে। এইকাৰণৰ

---

৫০. কে এম্. সেন : 'বাংলায় মনসা-পূজা, (প্ৰবাসী, আষাঢ়, ১৩২৯ সন), পৃ. ৩৮৪-৮৫
আশুতোষ ভট্টাচাৰ্য্য : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২০৩
নিখিল ৰঞ্জন ৰায় : বাংগালীৰ ইতিহাস, আদি পৰ্ব, (কলিকতা, ১৩৫১ সন), পৃ. ৭৬৬
P. K. Maity, *op-cit*, p. 137

৫১. H. Whitehead : *The Village Gods of South India*, pp. 126-37

পৰা মনসা নামটো অসম বংগদেশ আদিলৈ দক্ষিণভাৰতৰ পৰা আহিব পাৰে।[৫২] এনেদৰে চালে মনসা-পূজা আৰু ইয়াৰ লগত জৰিত কথাবৃত্ত দক্ষিণ-ভাৰতৰপৰা বিহাৰ, বংগদেশ, অসম আদিলৈ অহা যেন লাগে।[৫৩]

ঐতিহাসিক দৃষ্টিভংগীৰ ফালৰপৰা চালেও দেখা যায় যে, সেনবংশীয় ৰজাসকলৰ ৰাজত্ব কালৰেপৰা বংগদেশত মনসা-পূজা-পৰম্পৰাৰ শুভাৰম্ভণি হয়। সেনবংশীয় ৰজাসকল দক্ষিণভাৰতৰপৰা বংগদেশলৈ আহিছিল আৰু তেওঁ-লোকৰ লগে লগে মনসা-পূজাৰ পৰম্পৰাও বংগদেশলৈ আহে।[৫৪]

মনসা-পূজা আৰু ইয়াৰ লগত জৰিত কথাবৃত্ত দক্ষিণভাৰতৰপৰা বংগ-দেশলৈ অহা প্ৰমেয়ৰ (hypothesis) বিৰুদ্ধে বিভিন্ন পণ্ডিতে মাত নমতাকৈও থকা নাই। গতিকে মনসা-পূজা আৰু ইয়াৰ লগত জৰিত কথাবৃত্তৰ উৎসভূমি ৰূপে নিৰ্দিষ্ট এটা অঞ্চললৈ আঙুলিয়াব নোৱাৰি।

চান্দোসদাগৰ আৰু বেউলা-লখিন্দৰ জনশ্ৰুতিমূলক কাহিনী দুটাৰ ঐতি-হাসিকতা নুই কৰিব নোৱাৰি। এই কাহিনী দুটিৰ জনপ্ৰিয়তাৰ অন্তৰালত যে, বাস্তৱতাৰ স্পৰ্শ আছে তাত সন্দেহ নাই। ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত নোহোৱাহেঁতেন কাহিনী দুটা ইমান জনপ্ৰিয় নহ'লহেঁতেন আৰু ইমান দিনে জীৱন্ত ৰূপত প্ৰচলিত হৈ নাথাকিলহেঁতেন। বেউলাৰ কাহিনীয়ে মনসা-কথা-বৃত্তত প্ৰাধান্য লাভ কৰাৰ বাহিৰেও পৰম্পৰাগত মৌখিক কাহিনী গীত বা মালিতাতো (ballad) সামান্য পৰিবৰ্ত্তিত ৰূপত স্থান পাইছে।[৫৫] শৈৱধৰ্ম প্ৰাচীন আৰু মধ্যযুগীয় অসম তথা বংগদেশৰ শক্তিশালী ধৰ্মমাৰ্গ আছিল। চন্দ্ৰধৰে শৈৱধৰ্মৰ বাহিৰে আন স্থানীয় দেৱ-দেৱীৰ ধৰ্মমতবাদৰ প্ৰচাৰ আৰু প্ৰসাৰত বাধা আৰোপ কৰিছিল। চান্দোৰ উল্লেখ বিভিন্ন কাহিনীমূলক গীত

---

৫২. N. K. Bhattasali : *Iconography of Buddhist and Brahmanical Sculptures in the Dacca Museum*, (Dacca, 1929), p 221
নিখিল বঙ্গ ৰায়, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩৬৬
৫৩. P. K. Maity, *op-cit*, p. 141
৫৪. N. K. Bhattasali, *op-cit*, p. 224
৫৫. D. C. Sen (ed) : *Eastern Bengal Ballads*, (University of Calcutta, 1926), pp. 130-88

আৰু সাধুকথাতো পোৱা যায়। দীনেশচন্দ্ৰ সেনৰ মতে চন্দ্ৰধৰ খৃঃ ৭ম-৮ম শতিকাৰ এজন বিখ্যাত সদাগৰ আছিল।[৫৬]

'ৰামায়ণ' মহাকাব্যৰ কাহিনীভাগ পল্লবিত হৈছে ৰামৰ বনবাস আৰু ৰাৱণৰদ্বাৰা সীতা-হৰণ ঘটনাক কেন্দ্ৰ কৰি। এই কাহিনী ভাগ সূত-পৌৰাণিক-গাথকৰ মুখ-পৰম্পৰা প্ৰচলিত কাহিনীমূলক গীত অথবা মৌখিক মহাকাব্যৰ আধাৰত ৰচিত। তেনেদৰে মুখ-পৰম্পৰা প্ৰচলিত ৰজা সদৃশ সদাগৰ চন্দ্ৰধৰ বা চান্দোৰ নুমলীয়া পুত্ৰৰ ফুলশয্যাৰ নিশা সৰ্প-দংশনত মৃত্যু হোৱাৰ করুণ কাহিনীক কেন্দ্ৰ কৰি 'মনসাকাব্য' বা 'পদ্মা-পুৰাণ'ৰ মূল কাহিনী ভাগ পল্লবিত হৈছে। 'ৰামায়ণ'ৰ কাহিনীভাগৰ যিদৰে ঐতিহাসিক মূল্য আছে তদ্ৰূপ চান্দো-সদাগৰ আৰু বেউলা-লখিন্দৰৰ মূল কাহিনীভাগৰো ঐতিহাসিক সত্যতা বৰ্তমান। চান্দোসদাগৰ আছিল গন্ধবণিকসকলৰ অন্যতম প্ৰধান। বৰ্তমানো বংগদেশৰ গন্ধবণিকসকলৰ মাজত চান্দো আৰু বেউলাৰ কাহিনীভাগ সত্য ঘটনাৰ বিবৃত ৰূপে গ্ৰহণ কৰা দেখা যায়।[৫৭] এই কাহিনীভাগত স্থান পোৱা প্ৰধান প্ৰধান চৰিত্ৰবিলাকে তদানীন্তনৰ সদাগৰ শ্ৰেণীক প্ৰতিনিধিত্ব কৰিব পাৰে।

কোনো কোনো পণ্ডিতে পূৰ্ব বংগৰ ৰজা চন্দ্ৰদেৱ বা চন্দ্ৰৰজাৰ (খৃঃ ৯৭৫-১০০০ চন) লগত চন্দ্ৰধৰ বা চান্দোসদাগৰক একত্ৰীকৰণ কৰিবলৈ প্ৰয়াস কৰিছে[৫৮] যদিও ইয়াক অভ্ৰান্ত বুলিব নোৱাৰি। আন যি কি নহওক চান্দোসদাগৰ আৰু বেউলা সম্পৰ্কীয় জনশ্ৰুতিমূলক কাহিনী দুটিৰ আদিৰূপটো (Archetype) বংগদেশত মুছলমান শাসন প্ৰবৰ্তন হোৱাৰ পূৰ্বৰেপৰা মুখপৰম্পৰা চলি আছিল।[৫৯]

মনসা-কথা-বৃত্তৰ সমীক্ষাত্মক অধ্যয়নৰ জৰিয়তে অনুমান কৰিব পাৰি যে, চন্দ্ৰধৰ আৰু বেউলা সম্পৰ্কীয় কাহিনী দুটিৰ আদি ৰূপৰ সৃষ্টি নোহোৱাৰ

---

৫৬. দীনেশচন্দ্ৰ সেন : বংগ সাহিত্য পৰিচয়, ১ম খণ্ড, পৃ ১১৬

৫৭ টি. ছি. দাসগুপ্ত : প্ৰাচীন বাংলা সাহিত্যেৰ ইতিহাস (কলিকতা বিশ্ববিদ্যালয় ১৯৭১), পৃ. ৯৪

৫৮. N. K. Bhattasali, *op-cit*, p, 225

৫৯. P. K. Maity. *op-cit*, p. 167

পূৰ্বেই গৰখীয়া, খেতিয়ক, মাছমৰীয়া আদিৰ লগত সম্পৃক্ত কাহিনীবোৰ মনসা দেৱীৰ পূজাৰ লগত বিজৰিত হৈ আত্মপ্ৰকাশ কৰিছিল বিশেষভাৱে নিম্নবৰ্ণৰ হিন্দুসকলৰ সমাজত। খৃঃ নৱম শতিকামানত বংগদেশত মনসা-পূজাৰ পৰম্পৰা আৰম্ভ হৈ তদানীন্তনৰ অসম বিশেষকৈ নামনি অসম পৰ্য্যন্ত বিস্তৃতি লাভ কৰে আৰু এই সময়তেই মনসা কথাবৃত্তবো জন্ম হয় : যিহেতু ধৰ্মীয়কৃত্য আৰু মিথ বা পুৰাণ-কথাই প্ৰায় একেলগে আৰু একে সময়তে জন্ম লাভ কৰে। মুছলমান শাসন বংগদেশত প্ৰবৰ্ত্তিত হোৱাৰ পৰিণতি স্বৰূপে হাচান-হোচেন সম্পৰ্কীয় কাহিনীভাগো মনসা-কথাবৃত্তৰ অংগীভূত হয়।

চান্দো সদাগৰে খৃঃ দ্বাদশ-ত্ৰয়োদশ শতিকাৰ পশ্চিম অসম আৰু বংগদেশৰ বণিক বা সদাগৰ শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰিব পাৰে। চান্দোৰ দৰে বণিক বা সদাগৰ গোৱালপাৰা-কামৰূপত থকাৰ অনুকূলে মত পোষণ কৰিব পাৰি। তেনেদৰে বেউলা আৰু লখিন্দৰেও এই সময়ৰ অসমীয়া ভেকা-গাভৰুৰ প্ৰতিনিধিত্ব কৰিব পাৰে। যি দেশৰ বীৰাংগনাই স্বামীহন্তা বিদেশী আক্ৰমণকাৰীৰ ওপৰত স্বহস্তে নিৰ্মম প্ৰতিশোধ লবলৈ ভ্ৰূক্ষেপ কৰা নাছিল, সেইদেশৰ ৰমণীয়ে স্বামীক পুনৰ্জীৱন দান দিয়াৰ প্ৰসংগত অনন্য আৰু অননুকৰণীয় সাহসৰ পৰিচয় দিয়াত আচৰিত হ'বলগীয়া একো নাই।

চ. মনসা কবিসকল :

মনসা বা পদ্মা-পূজা কৃত্যৰ লগত সম্পৃক্ত মনসা বা পদ্মা-কথাবৃত্ত ধৰ্মীয়কৃত্য আৰু মিথ) মুখ পৰম্পৰ প্ৰচলিত হৈ আছিল আৰু মনসা-পূজাৰ লগে লগে মনসা মিথ বা পুৰাণ-কথা ভাগো (মনসা-কথাবৃত্ত) প্ৰত্ৰজিত হৈছিল। মনসা-পূজাৰ অনুষংগত এই পুৰাণ-কথা (গীত-পদৰ সমষ্টি) পৰম্পৰাগত গায়ক গীতাল বা গীদাল বা গুণিন বা গায়েন বা ওজাপালিয়ে নৃত্য-অভিনয় আৰু বাদ্যযন্ত্ৰসহ আবৃত্তি কৰিছিল বা গাইছিল। আদিতে মনসা-কথাবৃত্ত এইদৰে পৰম্পৰাগত গায়ক সকলৰ মুখ পৰম্পৰা চলি আছিল। লাহে লাহে মনসা-কথাবৃত্তই বৈশিষ্ট্যপূৰ্ণ একোটি আঞ্চলিক ৰূপ পৰিগ্ৰহ কৰিলে। এই আঞ্চলিক ৰূপবোৰৰ মাজত নতুন নতুন কথা বা সমলে প্ৰৱেশ নকৰাকৈও নাথাকিল। কোনো কোনো লিখিব জনা গায়ক বা গায়েন বা ওজাই নিজৰ সুবিধাৰ বাবে আৰু তেওঁৰ বা তেওঁলোকৰ শিষ্য গায়ক বা গায়েন বা ওজাৰ সুবিধাৰ বাবে নিজে জনা মনসা-কথাবৃত্তসম্পৰ্কীয় গীতধৰ্মিক লিখিত ৰূপ দিলে। এইদৰে

মনসা-কথাবৃত্তৰ ওপৰত প্ৰতিষ্ঠিত বিভিন্ন পুথি বিভিন্ন কবি বা ওজাৰ নামত প্ৰচলিত হ'ল। আকৌ কোনো কোনো পণ্ডিত কবিয়েও বিভিন্ন গায়ক বা গায়েন বা ওজাপালিৰ মুখ-পৰম্পৰা প্ৰচলিত মনসা-কথাবৃত্ত সম্পৰ্কীয় গীত-পদবোৰ সংগ্ৰহ কৰি লিখিত ৰূপ দিলে।

মুখপৰম্পৰা প্ৰচলিত ৰামায়ণ-কাহিনী বিশিষ্ট কাহিনীমূলক গীত বা লোক মহাকাব্যক মহৰ্ষি বাল্মীকিয়ে লিখিত ৰূপ দিয়া বাবে ই লিখিত ৰামায়ণ ৰূপে পৰিচিত হোৱাৰ নিচিনাকৈ মুখ পৰম্পৰা প্ৰচলিত মনসা-কথাবৃত্তয়ো বিভিন্ন গায়ক বা গায়েন বা ওজা আৰু পণ্ডিত কবিৰ জৰিয়তে লিখিত ৰূপ পৰিগ্ৰহ কৰি সেই গায়ক বা পণ্ডিত কবিৰ ৰচনা ৰূপে পৰিচয় লাভ কৰিলে। মনকৰ নিজে ওজা আছিল। তেওঁৰ আয়ত্তৰ ভিতৰত থকা গীত-পদ খিনিক তেওঁ লিখিত ৰূপ দিয়াৰ বাবে ইয়াৰ নাম হ'ল 'মনকবী' বা মনকৰ বিৰচিত 'পদ্মা-পুৰাণ' বা 'মনসাকাব্য'। তেনেদৰে দুৰ্গাবৰো আছিল প্ৰখ্যাত ওজা। দুৰ্গাবৰে তেওঁৰ মুখত থকা গীত-পদ খিনিক লিখিত ৰূপ দিয়াৰ পৰিণতিত জন্ম হ'ল 'দুৰ্গাবৰী'ৰ অৰ্থাৎ দুগাবৰ কৃত 'পদ্মা-পুৰাণ' বা 'মনসাকাব্য'ৰ। সুকবি নাৰায়ণ দেৱ ব্যৱসায়িক ওজা নাছিল, যদিও তেওঁ গান্ধৰ্ববিদ্যা ওজাপালি কলাত সুদক্ষ আছিল। প্ৰচলিত বিশ্বাসমতে দৰঙী ৰজাৰ অনুৰোধমতে তেওঁ কেইবাযোৰা ওজাপালিক শিকাই-বুজাই এই বিদ্যাত পাৰংগদ কৰি তুলিছিল। জনশ্ৰুতিৰ-মতে দৰঙী ৰজা ধৰ্মনাৰায়ণৰ অনুৰোধমতে ওজাপালিৰ সুবিধাৰ্থে তেওঁ 'পদ্মা-পুৰাণ'খন ৰচনা কৰে তদানীন্তনৰ ওজাপালি সকলৰ মুখ-পৰম্পৰা প্ৰচলিত গীত-পদৰ ওপৰত নিৰ্ভৰ কৰি। এইদৰে জন্ম হ'ল 'সুকনানি' বা 'সুকনান্নী' বা পদ্মা-পুৰাণ'ৰ। শ্ৰীহট্ট জিলাৰ বিভিন্ন অঞ্চলত প্ৰচলিত গীত-পদক লিখিত ৰূপ দিয়ে ষষ্ঠীবৰে। স্বৰূপাৰ্থত মনকৰ, দুৰ্গাবৰ, নাৰায়ণ দেৱ আৰু ষষ্ঠীবৰ আছিল মনসা-গীতৰ বিশিষ্ট ধাৰক আৰু বাহক। ওজা-পৰম্পৰা প্ৰচলিত গীত-পদবোৰে আপেক্ষিকভাৱে পৰবৰ্তী কালত কিদৰে লিখিত ৰূপ পৰিগ্ৰহ কৰে তাৰ প্ৰকৃষ্ট নিদৰ্শন স্বৰূপে প্ৰাণেশ্বৰ ৰাভাৰ দ্বাৰা সংকলিত আৰু সম্পাদিত 'মায়াৱন্তী বিষহৰি' গ্ৰন্থখনলৈ আঙুলিয়াব পাৰোঁ।

অসমত যি প্ৰক্ৰিয়াত মুখ-পৰম্পৰা প্ৰচলিত মনসা কথাবৃত্তই লিখিত ৰূপ পৰিগ্ৰহ কৰিলে তদ্ৰূপ বিহাৰতো 'বিহুলা কথা', 'বিহুলা কা কথা' বা 'বিষহৰী চৰিত্ৰ', 'বিহুলা কা গীত', 'বিহুলা-বিষহৰী' আদি গ্ৰন্থৰ জৰিয়তে বিহাৰ অঞ্চলত গায়ক বা গায়েনৰ মুখ-পৰম্পৰা প্ৰচলিত মনসা-কথাবৃত্তই লিখিত ৰূপ

পৰিগ্ৰহ কৰে। তদ্ৰূপ বংগদেশত প্ৰচলিত মনসাৰ লগত জৰিত 'পুৰাণ-কথা' আৰু জনশ্ৰুতি মূলক কাহিনীয়ে হৰিদত্ত, নাৰায়ণদেৱ, বিজয় গুপ্ত, বিপ্ৰদাস, দ্বিজবংশীদাস, কেতকাদাস ক্ষেমানন্দ, জগজ্জীৱন ঘোষাল, জীৱনমৈত্ৰ, বিষ্ণু-পাল, বংশীদাস আদি লেখক-কবিৰ জৰিয়তে লিখিত ৰূপ লাভ কৰে।

মনসা-কথাবৃত্তই বিভিন্ন অঞ্চলৰ গায়ক-গায়েন-ওজা বা পণ্ডিত কবিৰ জৰিয়তে লিখিত ৰূপ লাভ কৰিলেও ইয়াৰ মৌখিক ৰূপ অবিচ্ছিন্নভাবে প্ৰবহমান হৈ থাকিল। এই কাৰণৰ পৰা মনসা-কথাবৃত্তই মৌখিক আৰু লিখিত সাহিত্য উভয়ৰে দাবী পূৰণ কৰিব পাৰে। সেইবাবে বিহাৰ, বংগদেশ, অসম আদিত মনসা-কথাবৃত্ত বা গীত-পদ মৌখিক আৰু লিখিত উভয় ৰূপতে প্ৰচলিত। অসমৰ প্ৰসংগতো ওজা পৰম্পৰা এই গীত-পদ বিভিন্ন ৰূপত চলি আহিছে। ওজাসকলে গুৰু পৰম্পৰা এই পদবোৰ মুখে মুখে শিকে। সেই বাবে অসমৰ প্ৰসংগত মনসা-গীতৰ প্ৰচলনৰ ক্ষেত্ৰত পুথিতকৈ ওজা পৰম্পৰা প্ৰচলিত মৌখিক ৰূপৰ ওপৰতহে বিশেষভাৱে গুৰুত্ব দিয়া দেখা যায়। সেইবাবেই দৰঙৰ সুকনানি ওজাপালিৰ পদৰ লগত উত্তৰ গোৱালপাৰা বা উত্তৰ কামৰূপ বা দক্ষিণ কামৰূপৰ সুকনানি বা মনসা-গীত গোৱা ওজাপালিৰ গীত-পদৰ মাজত পাৰ্থক্য দেখা যায়। আনকি দৰঙৰ সুকনানি ওজাপালিৰ গীত-পদৰ প্ৰসংগতো এই পাৰ্থক্য প্ৰকটিত নোহোৱাকৈ থকা নাই। ওজা পৰম্পৰা প্ৰচলিত গীত-পদক কোনোবা এজন ওজাই লিখিত ৰূপ দিয়া প্ৰতিলিপি এটাৰ ওপৰত নিৰ্ভৰ কৰি দৈৱচন্দ্ৰ তালুকদাৰে তেওঁৰ দ্বাৰা সংকলিত আৰু সম্পাদিত 'সুকনানী পদ্মাৱতী'ৰ৬০ পাঠ প্ৰস্তুত কৰিছিল আৰু প্ৰয়োজন বশতঃ তদানীন্তনৰ সুকনানি ওজাপালিৰ মুখৰপৰা পদ সংগ্ৰহ কৰি উক্ত পাঠটোৰ লগত সংমিশ্ৰণ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত সংৰক্ষিত সুকবি নাৰায়ণ দেৱ বিৰচিত পুথিৰ গীত-পদৰ লগত দৈৱচন্দ্ৰ তালুকদাৰ-সম্পাদিত 'সুকনানী পদ্মাৱতী'ৰ গীত-পদ হুবহু নিমিলে। গতিকে মুখপৰম্পৰা প্ৰচলিত গীত-পদে লিখিত ৰূপ লাভ কৰিলেও যে, তাৰ মুখপৰম্পৰা সঞ্চৰিত হৈ থকা প্ৰক্ৰিয়া অব্যাহত হৈ থাকে তাৰ প্ৰকৃষ্ট নিদৰ্শন মনসা-পূজাৰ লগত জৰিত গীত-পদবোৰ অথবা মনসা-কথাবৃত্ত। Francis Lee Utley ৰ ভাষাৰে কবলৈ গলে : "...a folksong may be written

৬০. শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ (সম্পা) : সুকনানী-পদ্মাৱতী, (গুৱাহাটী, ১৯৬৪), পৃ. ১২

down from oral sources in a West Virginia "ballet" book, or printed in New York or London on a broadside, or in songster. If it gets back into oral tradition it is still a folksong."৬১

ক. মনকৰ

সাম্প্ৰতিকলৈকে উদ্ধাৰ হোৱা মনসা-কথাবৃত্তৰ লিখিত পৰম্পৰাৰ নিদৰ্শন স্বৰূপে মনকৰৰ দ্বাৰা ৰচিত 'পদ্মা-পুৰাণ' বা 'মনসা-পুৰাণ' বা 'মনসা-কাব্য' বা 'মনকৰী'লৈ আঙুলিয়াব পাৰি। অৱশ্যে মনকৰে তেওঁৰ নিৰ্মিতি বিশেষক 'পদ্মা-পুৰাণ' বা 'মনসা পুৰাণ' অথবা 'মনসা-কাব্য নাইবা 'মনকৰী' আখ্যা দিয়া নাই, তেওঁ 'পদ্মাইৰ-গীত' 'পাঞ্চালি' আৰু 'শ্ৰাৱনেৰ গিত'হে বুলিছে; যেনে:

(ক) মনকৰে ৰচিলেক পদ্মাইৰ গীত।৬২
(খ) মনকৰে ৰচিলেক বিহাৰ পাঞ্চালি॥৬৩
(গ) মনকৰে ৰচিলেক শ্ৰাৱনেৰ গিত।৬৪

মনকৰৰদ্বাৰা ৰচিত খণ্ডিত ছপা পুথিত সন্নিবিষ্ট গীত-পদখিনিৰ পৰা দেখা যায় যে, কবিয়ে তেওঁৰ নিৰ্মিতিক 'পুৰাণ' বা 'কাব্য' ৰূপে আখ্যা নিদি 'গীত' ৰূপেহে আখ্যা দিবলৈ প্ৰয়াস কৰিছে; যিহেতু 'গীত' পদটিৰ পৌনঃ-পুনিকতা আটাইতকৈ বেছি, কাৰণ এই পদটি পুথি খনিত অতি কমেও আঠবাৰ উল্লেখ কৰা হৈছে। এই কাৰণৰপৰা মনকৰৰ নিৰ্মিতি বিশেষক 'মনসা বা 'পদ্মাৱতীৰ গীত' আখ্যা দিয়াহে সমীচীন।

প্ৰচলিত পৰম্পৰা অনুসৰি কবি মনকৰে নিজৰ ব্যক্তিগত সামান্য পৰিচয় গীত-পদৰ মাজেৰে নিদিয়াকৈ থকা নাই। তেওঁ নিজৰ পৰিচয় দিয়াৰ

---

৬১. Francis Lee Utley "A Definition of Folklore" in *American Folklore*, ed. Tristram Potter Coffin, (Washington, 1968) p. 12

৬২. বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পা): মনসা-কাব্য, পৃ. ১৯

৬৩. উ. গ্ৰ., পৃ. ৫১

৬৪. উ. গ্ৰ., পৃ. ৭০

প্ৰসংগত উল্লেখ কৰিছে যে, তেওঁৰ মাতৃৰ নাম আছিল কালিন্দ্ৰী, যেনে: "কালিন্দ্ৰী মায়ৰ গুণ সুজন নাযায়।"[৬৫] মনকৰে তেওঁৰ পিতাকৰ নাম ক'তোৱে উল্লেখ কৰা নাই; যদিও আজাক অৰ্থাৎ পিতামহৰ (grand father) নাম কিন্তু উল্লেখ কৰিছে; যেনে: "কামৰূপৰ কামাখ্যা বন্দো ঢেকেৰিআৰ নাতি।"[৬৬] ইয়াৰপৰা অনুমান কৰিব পাৰি যে, তেওঁ প্ৰাচীন কামৰূপৰ লোক আছিল। কৰিয়ে উল্লেখ কৰা 'ঢেকেৰিআৰ নাতি' বাক্যাংশৰ অৰ্থ অলপ খোঁকোজা লগা। কালিৰাম মেধিয়ে এই বাক্যাংশৰ ওপৰত নিৰ্ভৰ কৰি মনকৰক ঢেকেৰীয়া ৰজাৰ নাতি ৰূপে আখ্যা দিছে। তেখেতে ঢেকেৰীয়া ৰজাক তাম্ৰশাসন এখনত উল্লেখ থকা ঢেক্কৰী বিষয়ৰ মহামাণ্ডলিক ঈশ্বৰ ঘোষৰ বংশ বুলি কব খোজে। তাম্ৰশাসন খনত চন-তাৰিখৰ উল্লেখ পোৱা নাযায়। অৱশ্যে এই তাম্ৰশাসন খনৰ সময় আনুমানিক খৃঃ দ্বাদশ শতিকা বুলি কব পাৰি।[৬৭] তাম্ৰশাসন খনত উল্লেখ থকা 'ঢেক্কৰ' বিষয় বা পৰগনা প্ৰাচীন কামৰূপৰ পশ্চিমাঞ্চলৰ অংশ বিশেষ মাথোন। বংগীয় পণ্ডিত সকলে অন্যহাতে ৰাঢ় অৰ্থাৎ পশ্চিমবংগৰ অঞ্চল বিশেষকহে 'ঢেক্কৰ' পৰগণা বুলিব খোজে। তাম্ৰশাসন খনত উল্লেখ থকা ঈশ্বৰ ঘোষ প্ৰাচীন কামৰূপ ৰাজ্যৰ পশ্চিম অঞ্চলৰ সামন্ত ৰজা আছিল বুলি কোৱাত আপত্তি উঠিব নোৱাৰে, কিন্তু 'মনকৰী'ত উল্লেখ থকা 'ঢেকেৰিআৰ নাতি' যে ঈশ্বৰ ঘোষৰ বংশধৰ আছিল তাৰ কোনো প্ৰমাণ নাই।[৬৮] দ্বিতীয়তে, মনকৰ 'ঢেকেৰিআৰ নাতি' হোৱাহেঁতেন তেওঁ কেতিয়াও কমতা ৰজাক বন্দনা নকৰিলেহেঁতেন।

প্ৰকৃতাৰ্থত 'ঢেকেৰিআ' বা 'ঢেকেৰীয়া' পদটো 'ঢেক'ৰ (অৰ্থাৎ ৰাগ-ৰাগিণী) বিশেষণ বাচক ৰূপ। যিজনে 'ঢেক' দিয়ে বা ৰাগ টানে অৰ্থাৎ ৰাগ-ৰাগিণী প্ৰয়োগ কৰি গীত-পদ গায় তেওঁক 'ঢেকেৰীয়া' বোলে। মনকৰ আছিল ওজা বা গীতাল। তেওঁৰ আজাক বা পিতামহ ওজা বা গীতাল আছিল বুলি অনুমান কৰিব পাৰি। সেইবাবে তেওঁ জনসমাজত 'ঢেকেৰীয়া' ৰূপে পৰিচয় লাভ কৰিছিল। গতিকে মনকৰেও নিজকে 'ঢেকেৰীআৰ নাতি' বুলিব পাৰে।

---

৬৫. উ. গ্ৰ., পৃ. ২

৬৬. উ. গ্ৰ., পৃ. ১৭

৬৭. সত্যেন্দ্ৰ নাথ শৰ্মা: পুৰণি সাহিত্য অধ্যয়ন, (গুৱাহাটী, ১৯৮৮), পৃ. ১২৩

৬৮. উ. গ্ৰ.

কালিৰাম মেধি,[৬৯] ভাৰত চন্দ্ৰ দাস[৭০] আদি পণ্ডিতৰ মতে মনকৰ খৃঃ দ্বাদশ-ত্ৰয়োদশ শতিকাৰ লোক। কবি নিজেই এইদৰে কৈছে :

"কামতাইৰ ৰাজা বন্দো ৰাজা জল্লেশ্বৰ।
একশত মহিষি বন্দো অঠাৰ কুমৰ॥"[৭১]

এই উক্তিটিৰ পৰা অনুমান কৰিব পাৰি যে, মনকৰ 'ৰাজা জল্লেশ্বৰ'ৰ ৰাজত্ব কালৰ লোক। জল্লেশ্বৰ প্ৰাচীন কামৰূপৰ নৃপতি আছিল আৰু জল্লেশ্বৰ তেওঁৰ ৰাজধানী আছিল। বৰ্তমানৰ জলপাইগুৰিয়েই তাহানিৰ জল্লেশ্বৰ নগৰ। নৃপতি জল্লেশ্বৰ আছিল শৈৱ আৰু তেওঁ এটা শিৱ-মন্দিৰ (জল্লেশ্বৰ মন্দিৰ) নিৰ্মাণ কৰোৱাইছিল।[৭২] 'স্কন্দ-পুৰাণ'ত জল্পনামধাৰী কোনো এজবাকী নৃপতিয়ে শিৱ-পূজা কৰাৰ বৰ্ণনা পোৱা যায়। পূজাৰ বলত তেওঁ শিৱ-লিংগত লীন হৈছিল। তেতিয়াৰ পৰাই শিৱ-লিংগৰ নাম হ'লো জল্লেশ্বৰ হ'ল।[৭৩] 'কালিকা-পুৰাণ'ত উল্লেখ আছে যে, পৰশুৰামৰ ভয়ত সন্ত্ৰাসিত হৈ কিছুমান ক্ষত্ৰিয়ই 'ম্লেচ্ছ' ৰূপে আত্মগোপন কৰি আত্মৰক্ষাৰ্থে "জল্পীশ শিৱ'ত শৰণ লৈছিল আৰু আৰ্য্য ভাষা-ভাষী হোৱা সত্বেও তেওঁলোকে ম্লেচ্ছ ভাষা ব্যৱহাৰ কৰিছিল।[৭৪] 'কলিকা-পুৰাণ'খন খৃঃ দশম শতিকাত ৰচিত হোৱাৰ অনুকূলে মত পোষণ কৰিব পাৰি। এই কালৰপৰা জল্লেশ্বৰকো প্ৰাচীন ৰজা বুলিব লাগিব। খেন বা খ্যান বংশৰ প্ৰথম ৰজা নীলধ্বজে ৰাজধানী কমতাপুৰৰ সৈতে কমতা ৰাজ্য প্ৰতিষ্ঠা কৰে। তেওঁৰ নাতি নীলাম্বৰক হুছেইন চাহে খৃঃ ১৪৯৬ চনত পৰাজয় কৰে। এই অপূৰ্ব সুযোগতে বিশ্বসিংহই 'কামতেশ্বৰ' উপাধি গ্ৰহণ কৰি নিজকে কমতা অথবা পশ্চিম কামৰূপৰ নৃপতি ৰূপে ঘোষণা কৰে।[৭৫] খৃঃ ষোড়শ শতিকাৰ কোচবিহাৰৰ কোচ ৰজাসকলে নিজৰ ৰাজ্যক বুজাবৰ বাবে কমতা বা কামতা নামটো প্ৰয়োগ

---

৬৯. উ. গ্ৰ., পৃ. ১২৪
৭০. ভাৰত চন্দ্ৰ দাস : অসমীয়া সাহিত্য-বুৰঞ্জী (মনসা-শাখা), পৃ. ১
৭১. বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পা) : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৭
৭২. গুণাভিৰাম বৰুৱা : আসাম বুৰঞ্জী, (গুৱাহাটী, ১৯৭২), পৃ. ৩২-৩৩
৭৩. বাণীকান্ত কাকতিৰ 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা'ৰ ৩ পৃষ্ঠাত উল্লেখিত।
৭৪. কালিকা-পুৰাণ ৭৭।৩০-৩১
৭৫. খাঁ চৌধুৰী আমানত উল্লা আহম্মদ : কোচবিহাৰেৰ ইতিহাস, পৃ. ৮৭

কৰিছিল ; অর্থাৎ খৃঃ ষোড়শ শতিকাত কোচবিহাৰৰ কোচ ৰজা সকলকেই কমতা বা কামতা ৰজা বোলা হৈছিল।[৭৫ক] কোচ-কমতাৰ ৰজা হৈ বিশ্বসিংহই কমতেশ্বৰী দেৱীৰ মন্দিৰ নতুনকৈ নির্মাণ কৰাইছিল।[৭৬] বিশ্বসিংহৰ ভ্রাতৃ শিশু বা শিৱসিংহই জলপাইগুৰিত এখন নতুন ৰাজ্য স্থাপন কৰি সামন্ত ৰজা স্বৰূপে ৰাজত্ব কৰিছিল। "জলপাইগুৰিৰ বর্তমান জমিদাৰ 'ৰায়কট' বংশ এই শিশু বা শিৱসিংহৰ বংশধৰ।"[৭৭] ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, মনকৰে সম্ভৱত বিশ্বসিংহকেই জল্লেশ্বৰ আৰু কমতাইৰ নৃপতি ৰূপে আখ্যা দিছে। 'দৰংগ ৰাজবংশাৱলী'ৰ মতে বিশ্বসিংহৰ প্রধান মহিষী ১৮ গৰাকী আৰু তেওঁৰ পুত্রও ওঠৰজন। ৰজা বিশ্বসিংহৰ যে, ১৮ গৰাকী ৰাণী আৰু ১৮ জন পুত্র আছিল সেই বিষয়ে দুর্গাবৰৰ ৰচনাতো ইংগিত পোৱা যায় ; যেনে

"কমতা ঈশ্বৰ বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো অঠৰ কোঁৱৰ ॥"[৭৮]

কমতাৰ নৃপতি বিশ্বসিংহৰ পুত্রৰ সংখ্যাৰ প্রসংগত মনকৰ, দুর্গাবৰ আৰু 'দৰংগ ৰাজবংশাৱলী'ৰ ভিতৰত পার্থক্য নাই কিন্তু পার্থক্য লক্ষ্য কৰিব পাৰি পত্নীৰ সংখ্যাৰ ক্ষেত্রত। মনকৰ আৰু দুর্গাবৰে ক্রমে ১০০ আৰু ৪৮ জনী মহিষীৰ কথা উল্লেখ কৰিছে আৰু ইয়াৰ বিপৰীতে 'দৰংগ ৰাজবংশাৱলী'ত ১৮ গৰাকী ৰাজমহিষীৰ উল্লেখ পোৱা যায়। এই পৰস্পৰ বিৰোধী উক্তি তিনিটাৰ পৰা অনুমান কৰিব পাৰি যে, বিশ্বসিংহৰ প্রধান মহিষী আছিল ১৮ জনী আৰু বাকী কেইজনী আছিল তেওঁৰ উপ মহিষী।[৭৯]

উপৰৰ আলোচনাৰ পৰা ঠাৱৰ কৰিব পাৰি যে, মনকৰ আৰু দুর্গাবৰ উভয়ে বিশ্বসিংহৰ ৰাজত্ব কালৰ কবি। সেইটৰ মতে বিশ্বসিংহই ৰাজপাট

৭৫ক. Edward Gait : *A History of Assam*, (Calcutta, 1967) p. 43ff.

৭৬. নবীন চন্দ্র শর্মা (সম্পা) সূর্য্যখড়ি দৈৱজ্ঞ বিৰচিত 'দৰংগ ৰাজবংশাৱলী' (গুৱাহাটী, ১৯৭৩), পদ ২০৮-০৯
সত্যেন্দ্র নাথ শর্মা, প্রাগুক্ত গ্রন্থ, পৃ. ১২৬

৭৭. উ. গ্র.

৭৮. বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্র নাথ শর্মা, প্রাগুক্ত গ্রন্থ, পৃ. ৮৫

৭৯. সত্যেন্দ্র নাথ শর্মা, প্রাগুক্ত গ্রন্থ

আৰোহণ কৰে খৃঃ ১৪১৫ চনত আৰু তেওঁৰ মৃত্যু হয় খৃঃ ১৫৪০ চনত।[৮০] খাঁ চৌধুৰী আমানত উল্লা আহমদৰ মতে বিশ্বসিংহই আনুমানিক খৃঃ ১৪১৬ চনত সিংহাসন আৰোহণ কৰে আৰু খৃঃ ১৫৩৩ চনত মৃত্যুৰ মুখত পৰে।[৮১]

পণ্ডিতে মনকৰ আৰু দুৰ্গাবৰ যে, এই সময়ছোৱাৰ অৰ্থাৎ খৃঃ ১৫৪০ চনৰ ভিতৰত উদ্ভৱ হৈছিল তাত সন্দেহ নাই। দ্বিতীয়তে, মনকৰ আৰু দুৰ্গাবৰ যে, পুৰণি পশ্চিম অসম অৰ্থাৎ কোচ-কমতা অঞ্চলৰ লোক আছিল তাৰ পূৰ্ণ পৰিচয় পোৱা যায় কবি দুগৰাকীৰ নিৰ্মিতিত প্ৰতিফলিত হোৱা জীৱন-সমাজ-সংস্কৃতি আৰু সংস্কৃতিৰ প্ৰত্যক্ষ বাহক ভাষাৰ সংযোগত। তৃতীয়তে, বিশ্বসিংহই হিন্দুধৰ্ম গ্ৰহণ কৰি কামাখ্যা-নীলাচলৰ কামাখ্যা মন্দিৰ পুনৰ্নিৰ্মাণ কৰায় আৰু কামাখ্যা মন্দিৰৰ পূজা-উপাসনাৰ সুবিধাৰ বাবে কনৌজ, বৈনাৰস, বংগদেশ আদিৰপৰা কুলীন ব্ৰাহ্মণ আনে।[৮২] বিশ্বসিংহৰ পৃষ্ঠপোষকতাত আৰু ব্ৰাহ্মণ সকলৰ জৰিয়তে কামাখ্যাত মনসা বা বিষহৰী পূজাই প্ৰাধান্য লাভ কৰে আৰু এই পূজাৰ অনুষংগত গায়কসকলে গোৱা গীত-পদ অৰ্থাৎ মনসা-গীতকেই মনকৰ আৰু দুৰ্গাবৰে লিখিত ৰূপ প্ৰদান কৰে। কামাখ্যাধামত মনসা-পূজাৰ অনুষংগত গীত গোৱা ঐতিহ্য বৰ্তমানো জীয়াই পৰম্পৰা ৰূপে প্ৰচলিত। আধুনাও গোটেই শাওণ মাহটো ধৰি কামাখ্যাধামৰ প্ৰতিঘৰ মানুহে ব্যক্তিগত ভাবে মনসা-পূজা কৰে আৰু পূজাৰ অনুষংগত মনসা-গীত গায়। ইয়াৰ বাহিৰেও শাওণ-ভাদমাহৰ সংক্ৰান্তিৰ পৰা তিনিদিন ব্যাপী কামাখ্যা মন্দিৰত ৰাজহুৱাভাবে মনসা-পূজা অনুষ্ঠিত হয় আৰু পূজাৰ অনুষংগত মনকৰ আৰু দুৰ্গাবৰৰদ্বাৰা ৰচিত 'মনসা-গীত'ৰ পুথিৰ পৰা গীত গায়। বামুণ গুৱালকুছিতো মনসা-পূজাৰ প্ৰসংগত মনকৰ আৰু দুৰ্গাবৰৰদ্বাৰা ৰচিত 'মনসা-গীত' পুথিৰপৰা গীত গায়। এই দুখন ঠাইৰ বাহিৰে অসমৰ আন ঠাইত মনসা-পূজাৰ অনুষংগত মনকৰ আৰু দুৰ্গা-বৰৰদ্বাৰা ৰচিত 'মনসা-গীত'ৰপৰা গীত গোৱাৰ ঐতিহ্য আছে বুলি শুনা নাযায়। এইফালৰ পৰাও মনকৰ আৰু দুৰ্গাবৰ বিশ্বসিংহৰ আমোলৰ কবি বুলিব পাৰি।

---

৮০. Edward Gait, *op-cit*, pp. 48-50

৮১. খাঁ চৌধুৰী আমানতউল্লা আহমদ, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৮৭

৮২. Edward Gait, *Loc-cit*, p. 50

মনকৰে 'মনসা-গীত' ৰচনা কৰিলেও হৰ-গৌৰী, হৰ, গৌৰী সৰস্বতী আৰু পঞ্চদেৱতাৰ প্ৰতি শ্ৰদ্ধা-ভক্তি নিবেদন কৰিছে। পৌনঃপুনিকতাৰ ফালৰপৰা মনকৰৰ 'মনসা-গীত'ত 'হৰ-গৌৰী'ৰ উল্লেখ সৰ্বাধিক, যিহেতু 'মনসা-গীত'ৰ বিভিন্ন স্থানত হৰ-গৌৰীৰ প্ৰতি অতি কমেও ১০ বাৰ শ্ৰদ্ধা নিবেদন কৰা দেখা যায়। ইয়াৰ পিছতে মনসাৰ প্ৰতি ১২ বাৰ, গৌৰী বা দুৰ্গাৰ প্ৰতি ৫ বাৰ, সৰস্বতীৰ প্ৰতি ৩ বাৰ আৰু হৰ তথা পঞ্চদেৱতাৰ প্ৰতি ১ বাৰকৈ শ্ৰদ্ধা-ভক্তি নিবেদন কৰা হৈছে। এই ফালৰপৰা মনকৰ মুখ্যতঃ হৰ-গৌৰীৰ সেৱক, যদিও আন দেৱ-দেৱী, যেনে: মনসা, নাৰায়ণ, ব্ৰহ্মা, গংগা, লক্ষ্মী, কামাখ্যা আদিৰ প্ৰতিও তেওঁৰ আনুগত্য প্ৰকাশ নোপোৱাকৈ থকা নাই। আনকি তেওঁ লৌহিত্য অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি নিবেদন কৰিছে; যেনে:

'সৰ্বতীৰ্থ লৌহিত্য বন্দো সপতি সাগৰ।'[৮৩]

বুদ্ধদেৱৰ প্ৰতি কবিয়ে আনুগত্য প্ৰকাশ কৰা নাই যদিও 'বুদ্ধৰূপ'ৰ উল্লেখ কিন্তু তেওঁৰ নিৰ্মিতিত লক্ষ্য কৰিব পাৰি; যেনে:

(ক) 'চায়া বৈলা দেৱৰ্দ্দেৱ বৌদ্ধৰূপ হয়া।[৮৪]

(খ) চায়া বৈলা গোসাই জে বৌদ্ধৰূপ হয়া।[৮৫]

কৃষ্ণ-কথাবৃত্তত সঘনে উল্লেখ থকা 'বৃন্দাবন', 'কদমতলা', 'দ্বাৰকাপুৰী' আদি শব্দৰ প্ৰয়োগো মনকৰৰ নিৰ্মিতিত লক্ষ্য কৰা যায়।

গায়ক বা ওজা পৰম্পৰা মুখে মুখে চলি অহা 'মনসা-গীত'খিনি যে মনকৰে কোনোবা এগৰাকী গুৰু-গায়ক বা ওজাৰপৰা শিকিছিল তাৰ আভাস তলৰ পংক্তি দুয়ৰপৰা পাব পাৰি:

'গুৰুজনক বন্দিয়া গাইবো গুৰুতে দিয়া চিত্ত।
হাতে তাল জন্ত্ৰ ধৰি নিতে সিখাই গিত ॥'[৮৬]

'মনসা-গীত'ৰে মনসা-পূজাৰ অনুষংগত সামাজিকজনৰ উপস্থিতিত অৰ্থাৎ সভাত গোৱা হৈছিল তাৰ আভাসো মনকৰে দিছে:

---

৮৩. মনসাকাব্য, পৃ. ১৭
৮৪. উ. গ্ৰ., পৃ. ৭৪
৮৫. উ. গ্ৰ., পৃ. ৭৫
৮৬, উ. গ্ৰ., পৃ ২

"সৰ্ব্ব জন বন্দিয়া গাইবো গুৰুৰে তুই পাৱ।
তাত পাচে বন্দিয়া গাইবো এসৱ সভাও ॥'৮৭

'মনসা-গীত'যে ওজাপালি বা গীতালে তাল-মন্দিৰা বজাই গাইছিল তাৰ আভাসো মনকৰৰ ৰচনাৰপৰা পোৱা যায়, যেনে :

"হাতে নজানো মই তাল মন্দিৰা
মুখে নজানো মই গীত।"৮৮

মনকৰৰদ্বাৰা ৰচিত সম্পূৰ্ণ পুথিখন ছপা হৈ ওলোৱা নাই, পুথিখনৰ খণ্ডিত ৰূপ এটিহে বিৰিঞ্চিকুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ সম্পাদনাত ছপা হৈ ওলাইছে (প্ৰথম প্ৰকাশ, ১৯৫১)। অৱশ্যে মনকৰৰদ্বাৰা ৰচিত সম্পূৰ্ণ 'মনসা পুৰাণ' বা 'মনকৰী' পুথিখনৰ হাতেলিখা প্ৰতিলিপি কামাখ্যাধামৰ কেইবাটিও পৰিয়ালত সংৰক্ষিত হৈ আছে। বামুণ গুৱালকুছিতো এই পুথিখনৰ একাধিক প্ৰতিলিপি পোৱা যায়। ছপাপুথিখনৰ ওপৰত নিৰ্ভৰ কৰি কব পাৰি যে, মনকৰে মনসা-কথাবৃত্তৰ পৰিধিয়ে সামৰা তলত দিয়া বিষয়বোৰৰ বৰ্ণনা পৰিৱেশন কৰিছে, যেনে : সৰস্বতীবন্দনা (মংগলাচৰণ), গুৰুবন্দনা, মনসা-পূজাৰ লগত জৰিত মণ্ডপ, ঘট, মাৰৈয়া, মাৰৈয়ানী, বৰন্তী, চামৰ, চন্দ্ৰতাপ, পেটাৰী, গীতাল আদিৰ জাগৰণ, সৃষ্টিপাতন, দেৱ-দেৱীসকলৰ জন্ম, পদ্মা আৰু পদ্মা-পূজাৰ সময় আৰু প্ৰয়োজনীয় সামগ্ৰীৰ আভাস, হেমন্তঋষিৰ তপস্যা আৰু দুৰ্গাৰ উৎপত্তি, হৰ-পাৰ্বতীৰ বিবাহ, পদ্মাৰ জন্ম, পুষ্পবনলৈ শিৱৰ যাত্ৰা, পুষ্পবনৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য্যৰদ্বাৰা কামপীড়িত শিৱৰ বীৰ্য্যস্খলন আৰু সেই বীৰ্য্য সৰোবৰৰ পদ্ম-পত্ৰত স্থাপন আৰু পদ্ম-নলাৰে বীৰ্য্যৰ পাতাল প্ৰৱেশ আৰু সেই বীৰ্য্যৰপৰা মনসা বা পদ্মাৰ জন্ম, মনসাক দেখি শিৱৰ কাম-মোহপ্ৰাপ্তি আৰু পিতা-পুত্ৰীৰ পৰিচয়, মক্ষিকা ৰূপ গ্ৰহণ কৰি শিৱৰ কৰণ্ডীত মনসাৰ প্ৰৱেশ, কৰণ্ডীসহ শিৱৰ কৈলাস যাত্ৰা আৰু শিৱৰদ্বাৰা মক্ষিকাৰূপিণী মনসাসহ কৰণ্ডীটো ঘৰৰ চালৰ উপৰত ৰক্ষণ আৰু সন্দেহৰশতঃ গংগা-দুৰ্গাৰদ্বাৰা শিৱৰ কৰণ্ডী পৰীক্ষাৰ বাবে প্ৰস্তুতি, শিৱৰ খৰমত উঠি দুৰ্গাই শিৱৰ কৰণ্ডী পৰীক্ষা কৰিবলৈ গংগাৰ অনুমতি বিচৰাৰ লগে লগেই হঠাৎ ছপা পুথিখনৰ সামৰণি পৰা হেতু উক্ত পৰিস্থিতিটোৰ বৰ্ণনা অসম্পূৰ্ণ হৈ থকাৰ উপৰিও কাহিনীভাগ তথা পুথিখনো অসম্পূৰ্ণ হৈ থাকিল।

---

৮৮. উ. গ্ৰ., পৃ. ১.
৮৯. উ. গ্ৰ., পৃ. ১৫

মনকৰৰ হুপা পুথিখনিত চান্দো-সদাগৰ বা বেউলা-লখিন্দৰ সম্পৰ্কীয় জনশ্ৰুতিমূলক কাহিনীভাগ মুঠেই বৰ্ণিত হোৱা নাই। কবিয়ে যে, এই কাহিনী দুটা বৰ্ণনা কৰিছিল বা কৰিবলৈ মনস্থ কৰিছিল তাৰ আভাস অৱশ্যে এই হুপা পুথিখনৰ পাব পাৰি ; যেনে :

"মায়ক ডংকিয়া ভৈল মানসাই।
কাঞ্চৰ মেড়ত পশি ডংকিবো লখাই ॥'৮৭

মনকৰৰ 'মনসা-জন্ম' সম্পৰ্কীয় কাহিনীভাগৰ লগত সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত বৰ্ণিত মনসা-জন্ম' বিষয়ক কাহিনীভাগৰ বৈসাদৃশ্য দেখা যায়। নাৰায়ণদেৱৰ মতে 'শ্ৰীফল' দেখি পাৰ্বতীৰ স্তনলৈ মনত পৰি শিৱৰ কামমোহ উপজে আৰু তাৰ পৰিণতি স্বৰূপে তেওঁৰ বীৰ্য্য স্খলিত হয় আৰু সেই বীৰ্য্য পদ্ম-পত্ৰত স্থাপন কৰে। পদ্ম-নলাৰে পাতাল-পুৰত প্ৰৱেশ কৰা শিৱ-বীৰ্য্যৰপৰা সৰ্পৰাজ বাসুকিয়ে নিৰ্মাণী দেৱীৰদ্বাৰা শিৱৰ সাদৃশ্যত মনসাদেৱীক সৃষ্টি কৰে। ৰূপ-যৌৱন সম্পন্না পদ্মাক দেখি শিৱই তেওঁৰ ওচৰত আলিংগন বিচাৰে। পিতৃৰ অনুচিত ব্যৱহাৰত ক্ৰোধান্বিতা মনসাই বিষ-চক্ষুৰে দৃষ্টিপাত কৰি শিৱক অচেতন কৰে। অৱশেষত ইন্দ্ৰাদি দেৱতাৰ অনুৰোধ ক্ৰমে মনসাই শিৱক পুনৰ্জীৱন দান কৰে। শিৱই কৰগৌত ভৰাই মনসাক কৈলাসলৈ লৈ যাওঁতে বাটত বাচাই মনসাক পূজা কৰে। শিৱই মনসা-সহ কৰগৌটো কৈলাসৰ এজোপা সিজু গছত আঁৰি থয়। নাৰদৰ টুটকীয়া কথাত পতিয়ন গৈ চণ্ডীয়ে কৰগৌটো সিজু-গছৰপৰা নমাই আনি সতিনী বুলি ভাবি কংকণৰ প্ৰহাৰদ্বাৰা মনসাৰ এটা চকু কণা কৰে। ইয়াৰ পৰিণতিত মনসাই সৰ্প ৰূপে চণ্ডীক দংশন কৰে। অৱশেষত শিৱৰ অনু-ৰোধত মনসাই চণ্ডীক পুনৰ্জীৱন দান কৰে।

ইয়াৰ বিপৰীতে মনকৰৰ শিৱৰ মন চঞ্চল হৈ উঠিছিল পুষ্পবনৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য্য বিশেষকৈ সৰোবৰত হংস-হংসিনীৰ কামক্ৰীড়া দেখি। তেনে অৱস্থাত তেওঁৰ বীৰ্য্যপতিত হয় আৰু সেই বীৰ্য্য তেওঁ পদ্ম-পত্ৰত স্থাপন কৰে। পদ্ম নলাৰে শিৱ-বীৰ্য্য যায় পাতালপুৰলৈ আৰু তাতেই পদ্মাৰ জন্ম হয়। এই প্ৰসংগত বাসুকি বা নিৰ্মাণীৰ ভূমিকা মুঠেই নাই। ৰূপ-যৌৱন সম্পন্না পদ্মাক দেখি মনকৰৰ শিৱই শ্লীলতাৰ সীমা অতিক্ৰম কৰি ধৰ্ষণকাৰীৰ পৰ্য্যায়লৈ নামিছে। অৱশেষত বাসুকিৰ উপস্থিতিহে মনসাক আসন্ন বিপদৰপৰা ৰক্ষা

৮৭, উ. গ্ৰ.

কৰিছে। এই প্ৰসংগত নাৰায়ণদেৱে শ্লীলতাৰ সীমা অতিক্ৰম কৰা নাই। মনকৰৰ মতেও শিৱই মনসাক মক্ষিকা ৰূপেৰে কৰণীত ভৰাই দিছে। মনকৰৰ দুৰ্গাৰ দিচিমাকৈ নাৰায়ণদেৱৰ দুৰ্গাই শিৱৰ খৰমত উঠি শিৱই আঁখি থোৱা কৰণী পৰীক্ষা কৰা নাই।

তেনেদৰে সৃষ্টিপাতন, জাগৰণ, পদ্মা-পূজা আৰু পূজাৰ সামগ্ৰী, হৰ-গৌৰীৰ বিবাহ আদিৰ প্ৰসংগতো মনকৰৰ লগত নাৰায়ণদেৱৰ বৈসাদৃশ্য চকুত লগা। নাৰায়ণদেৱে বন্দনা-গীত, পূজাৰ গীত আৰু দঁকৰ গীতো ৰচনা কৰিছে। মনকৰৰ নিৰ্মিতিত এনে বিধৰ গীত পোৱা নাযায়।

নাৰায়ণদেৱৰ ৰচনাত নৈদানিক বৃত্তান্তমূলক (etiological narratives) অনেক কাহিনী পোৱা যায়। ইয়াৰ বিপৰীতে মনকৰৰ ৰচনাত মাত্ৰ এটাহে এনেধৰণৰ কাহিনী পোৱা যায়। উদাহৰণ স্বৰূপে আমি 'বাঘৰ জন্ম' লৈ আঙু লিয়াব পাৰোঁ।[১০]

মনকৰ স্বভাব কবি, তেওঁৰ গীতত স্বাভাৱিকতাৰ প্ৰাধান্য চকুত লগা বৈশিষ্ট্য। সংস্কৃত পৰম্পৰা অনুসৰণকাৰী কবিৰ ৰচনাৰ দৰে মনকৰৰ গীতত গুৰু-গম্ভীৰ ভাষা, অলংকাৰৰ প্ৰাচুৰ্য্য আৰু শৈলীৰ অযথা জটিলতা নাই। লোক কাব্যৰ শৈলী, বৈশিষ্ট্য, অকৃত্ৰিমতা আৰু প্ৰবহশীলতা মনকৰৰ ৰচনাত বিদ্যমান। লোকগীতৰ আধাৰত মনকৰৰ গীতবোৰ ৰচিত। প্ৰত্যেকটো গীতৰ আৰম্ভণিতে ৰাগ-ৰাগিণীৰ উল্লেখ নাথাকিলেও দিহাৰ উল্লেখ আছে। পাঞ্চালী গীতত সাধাৰণতে ৰাগৰ উল্লেখ থাকে। এইফালৰপৰা অনুমান কৰিব পাৰি যে, মনকৰৰ মূল পুথিত প্ৰত্যেকটো গীতৰ লগত বিশেষ একোটি ৰাগ ৰূপ সংযোজিত হৈছিল। কামাখ্যা আৰু বামুণগুৱালকুছিত সংৰক্ষিত মনকৰৰ 'মনসা-গীত'ৰ প্ৰত্যেকটি গীতৰ লগত ৰাগ-ৰূপৰ উল্লেখ কৰা আছে।

'মনসা-গীত'ৰ গীতখিনিৰ সাংগীতিক বৈশিষ্ট্য অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যেৰে দিহা বা ধ্ৰুপদৰ শেষত ৰে, জে, নাহাৰে আদি সাংগীতিক গুণযুক্ত শব্দৰূপ (word form) প্ৰয়োগ কৰা হৈছে। কাব্যৰসৰ ভিতৰত গীতখিনিত শৃংগাৰ আৰু হাস্যৰসৰ প্ৰাধান্য লক্ষ্য কৰা যায়। শৃংগাৰ ৰসৰ বৰ্ণনাই অনেক ক্ষেত্ৰত শ্লীলতাৰ সীমা পাৰ হোৱা যেন লাগে। হাস্যৰসো প্ৰায়ে স্থূল। অৱশ্যে এনেধৰণৰ বৰ্ণনাই সামাজিকক অপাৰ্থিব আনন্দ প্ৰদান কৰে। মনকৰৰ ভাষা

---

১০. উ. গ্ৰ. পৃ. ২৭

সৰল সহজ আৰু প্ৰত্যক্ষ। কল্পনা প্ৰৱণতা আৰু সাংগীতিক লয়ৰ অকৃত্ৰিম প্ৰবাহ মনকৰৰ নিৰ্মিতিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য।

মনকৰৰ নিৰ্মিতত মহাকাব্য বা পুৰাণ সদৃশ বিস্তৃতি নাই, আছে কাব্য সদৃশ ঘটনা সংহতি।

(খ) দুৰ্গাবৰ

মনসা কথাবৃত্ত পৰম্পৰাক লিখিত ৰূপ দিবলৈ সফল প্ৰয়াস কৰা দ্বিতীয়জন অসমীয়া কবি দুৰ্গাবৰ, মনকৰতকৈ বয়সত সৰু হলেও সমসাময়িক। মনকৰৰ নিচিনাকৈ দুৰ্গাবৰেও 'কোচ কমতা'ৰ ৰজা বিশ্বসিংহৰ প্ৰশস্তি কীৰ্ত্তন কৰিছে; যেনে :

"কমতা ঈশ্বৰ ৰাজাবন্দো বিশ্বসিংহ নৃপবৰ।
আঠ চল্লিশ মহিষী বন্দো অঠৰ কোৱৰ ॥"[১১]

ইয়াৰপৰা বুজিব পাৰি যে, দুৰ্গাবৰে বিশ্বসিংহৰ পৃষ্ঠপোষকতাত অথবা ৰাজত্বকালত 'মনসা-গীত' (মনসাকাব্য) খনি ৰচনা কৰিছিল। 'মনসা গীত' (বা 'মনসাকাব্য') খনিৰ বাহিৰেও তেওঁ 'গীতি ৰামায়ণ' নামৰ আন এখনি পুথি ৰচনা কৰে। এই পুথিখনিত কবিৰ পৰিচয় সূচক বৰ্ণনা পোৱা নাযায়। অৱশ্যে প্ৰায় প্ৰতিটো গীত বা পয়াৰ শেষত এনেদৰে উল্লেখ কৰিছে :

(ক) ৰাম পদ আশে ভণে দুৰ্গাবৰ দাস ॥[১২]
(খ) শাস্ত্ৰে শুনি আছো কথা সকলো ছইবেক বেথা
ভণে কবি দুৰ্গাবৰ দাস ॥[১৩]

ৰচনা শৈলী, সাংগীতিক পৰিপূৰ্ণতা আৰু ভাব-ভাষাৰ বৈশিষ্ট্যৰ ফালৰ পৰা 'মনসা গীত'খনি কবিৰ প্ৰথম ৰচনা আৰু 'গীত ৰামায়ণ' দ্বিতীয় ৰচনা যেন লাগে।

দুৰ্গাবৰে 'গীতি ৰামায়ণ'ত তেওঁৰ পিতৃ পৰিচয় নিদিলেও 'মনসা গীত'খনিত এনেদৰে দিছে :

---

১১. উ. গ্ৰ , পৃ. ৮৫
১২. মহেশ্বৰ নেওগ (সম্পা) : গীতি ৰামায়ণ (গোলাঘাট, ১৯৬২), পদ ৭৬
১৩. উ. গ্ৰ., পদ. ১৭৮

"শ্ৰীকায়স্থ চন্দ্ৰধৰ তান পুত্ৰ দুৰ্গাবৰ
বিৰচিলা গীত বিতোপন ।'[১৪]

ইয়াৰপৰা বুজিব পাৰি যে, দুৰ্গাবৰ কায়স্থ কুলোদ্ভৱ আৰু তেওঁৰ পিতৃৰ নাম আছিল চন্দ্ৰধৰ (চন্দ্ৰযৰ ?) কায়স্থ । কবি দুৰ্গাবৰে তেওঁৰ আন এগৰাকী পৃষ্ঠপোষকৰ নামো উল্লেখ কৰিছে :

(ক) "বাহুবল শিকদাৰ গন্ধৰ্ব অৱতাৰ ।
কবি দুৰ্গাবৰে গীত কৰিলা প্ৰচাৰ ॥'[১৫]

(খ) 'সুগন্ধ পুষ্পত যেন মালতী সুবাস ।
বংশৰ মধ্যত বাহুবলৰ প্ৰকাশ ॥

প্ৰভি দেৱ বৰে পুত্ৰ পাইলেক প্ৰধান ।
কবি দুৰ্গাবৰে গীত কৰিলা ব্যাখ্যান ॥'[১৬]

(গ) 'বাহুবল সিকদাৰ যে পোঞা সুপ্ৰসন্নে ।
চিৰজীয়ি হৌক কবি দুৰ্গাবৰ ভণে ॥'[১৭]

উপৰৰ উদ্ধৃতি কেইটিৰপৰা বুজিব পাৰিযে, বাহুবল শিকদাৰ গন্ধৰ্বৰ অৱতাৰ আছিল ; অৰ্থাৎ তেওঁ সংগীত বিদ্যাত পাৰংগদ আছিল । কবি দুৰ্গাবৰে এইগৰাকী বাহুবল শিকদাৰৰপৰা সংগীত বিদ্যা শিকিছিল বুলি অনুমান কৰিব পাৰি । দ্বিতীয়তে, 'গীত' ৰচনা কৰাৰ প্ৰসংগত বাহুবল শিকদাৰৰপৰা দুৰ্গাবৰে অনুপ্ৰেৰণা লাভ কৰিছিল অথবা এইগৰাকী শিকদাৰে সংগীত-বিদ্যা-চৰ্চাৰ প্ৰসংগত দুৰ্গাবৰক পৃষ্ঠপোষকতা দিছিল । বাহুবল শিকদাৰৰ পৰিচয় বিতংভাবে জনা নাযায় । সম্ভৱ তেওঁ চিলাৰায়ৰ তলত সৈনিক বিভাগত কাম কৰা এগৰাকী উপসেনাপতি আছিল ।

বিষয় বিশ্বাসীৰ মতে হাজো মৌজাৰ কোনো এখনি সৰু গাঁৱত কায়স্থ কুলত দুৰ্গাবৰৰ জন্ম হৈছিল ।[১৮] অন্যহাতে দুৰ্গাবৰে তেওঁৰ 'মনসা-গীত'ত উল্লেখ কৰিছে :

---

১৪. ভাৰত চন্দ্ৰ দাস, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৮১
১৫. উ. গ্ৰ.
১৬. মনসা কাব্য, পৃ. ৯৫
১৭. উ. গ্ৰ., পৃ. ১১৮
১৮. মহেশ্বৰ নেওগ (সম্পা) : গীতি ৰামায়ণ, ভূমিকা, পৃ. ১৩

'কবি দুর্গাবরে বিরচিলা অনুপাম।
পর্বত গ্রহন নীলগিরি যার নাম॥
নীলাচল নামে গ্রাম সংসারতে সার।
আছয় পার্বতী অসুরর ক্ষয়ংকার॥'[৯৯]

গতিকে দুর্গাবরে নীলগিরি বা নীলাচল অর্থাৎ কামাখ্যাধামত থাকি 'মনসা-গীত' বা 'মনসা-কাব্য' রচিছিল বুলি ঠাৱৰ কৰাৰ স্থল নোহোৱা নহয়। দুর্গাবরর 'মনসা-গীত' বা 'মনসা-কাব্য' নীলাচল বা কামাখ্যাধামত বর্তমানো অতিকে জনপ্রিয় আৰু এইবিধ গীতৰ ধর্মীয় অনুষাংগিকতাৰ পৰম্পৰা অধুনাও জীৱন্তভাবে ৰক্ষিত হৈ আছে। অন্যহাতে হাজো অঞ্চলত 'গীতি-ৰামায়ণ'ৰ জনপ্রিয়তা সর্বাধিক। দুর্গাবৰী ওজাপালিয়ে 'গীতি-ৰামায়ণ'ৰ গীত-পদ আবৃত্তি কৰে। প্রচলিত পৰম্পৰা মতে হাজো অঞ্চলৰপৰা এইবিধ ওজাপালি-পৰম্পৰা অবিভক্ত কামৰূপ আৰু নৱ গঠিত দৰং জিলাৰ বিভিন্ন অঞ্চলৈ বিস্ফাৰিত হৈছিল। সাম্প্রতিকে এইবিধ ওজাপালিৰ প্রচলন হাজোৰ বাহিৰে আন ঠাইত নাই। হাজোত কিন্তু বর্তমানো এইবিধ জীৱন্ত-পৰম্পৰা ৰূপে চলি আছে।[১০০] এইফালৰপৰা দুর্গাবরে হাজোত থাকি 'গীতি-ৰামায়ণ' ৰচনা কৰা যেন লাগে। অৱশ্যে কবিয়ে তেওঁৰ প্রথম ৰচনা 'মনসা-গীত' কামাখ্যাধামত ৰচনা কৰা স্বাভাৱিক। হাজো-কামাখ্যাধাম উভয়েই কোচ-কমতা ৰাজ্যৰ ভিতৰুৱা আছিল আৰু বিশ্বসিংহই এই অঞ্চলত ৰাজত্ব কৰিছিল। গতিকে দুর্গাবরে তেওঁৰ ভূখণ্ডৰ ৰজাৰ প্রশস্তি কীর্তন কৰা স্বাভাৱিক। ৰামসৰস্বতীয়ে কোচ ৰাজ্যৰ বিভিন্ন স্থানত থাকি কাব্যাদি ৰচনা কৰাৰ নিচিনাকৈ দুর্গাবরেও কামাখ্যাধাম আৰু হাজোত থাকি কাব্য ৰচনা কৰা একো অস্বাভাৱিক নহয়।

দুর্গাবরেও তেওঁৰ মনসা-কথাবৃত্ত বিষয়ক পুথিখনিক কাব্য আখ্যা দিয়া নাই, গীত আখ্যা দিছে ; যেনে :

(ক) কবি দুর্গাবরে গীত কৰিলা ব্যাখ্যান॥[১০১]

(খ) কবি দুর্গাবর গীত অমূল।[১০২]

---

৯৯. ভাৰত চন্দ্র দাস, প্রাগুক্ত গ্রন্থ, পৃ. ৮১

১০০. নবীন চন্দ্র শর্মা : অসমৰ ওজাপালি. পৃ. ৩৩-৩৪

১০১. মনসাকাব্য, পৃ. ৯৫

১০২. উ. গ্র., পৃ. ১১১

(গ) পোঞ্চা বেহুলী মংগল যে কৰন্ত সদায়।
কবি দুৰ্গাবৰ কৃত গীত মধু প্ৰায় ॥[১০৩]

দ্বিতীয়তে, দুৰ্গাবৰে তেওঁৰ নিৰ্মিতিক 'লাচাৰী'ও বুলিছে ; যেনে :

'পদুমাই সুপ্ৰসন্নে কবি দুৰ্গাবৰে ভণে
সুৰস লাচাৰী বিত্তোপন ॥'[১০৪]

লাচাৰী বা লেচাৰী এবিধ ত্ৰিপদী ছন্দ। ত্ৰিপদী ছন্দত ৰচিত গীতক বুজাবৰ বাবে দুৰ্গাবৰে 'লাচাৰী' পদটো প্ৰয়োগ কৰিছে। সেই একেই অৰ্থতে নাৰায়ণদেৱেও 'লাচাৰী' পদটো প্ৰয়োগ কৰা দেখা যায়। গীতৰ মাধ্যমেৰে সুসংবদ্ধ কাহিনী এটি ৰূপায়িত হোৱা 'মনসা-গীত'খিনিক কাব্য আখ্যা দিলেও আপত্তিৰ স্থল নাথাকে।

দুৰ্গাবৰ মনকৰৰ দৰে আছিল সুগায়ক। পৰম্পৰাগত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ওপৰত থকা তেওঁৰ দখলৰ নিদৰ্শন পোৱা যায় তেওঁৰ দুয়োখনি গীতৰ পুথিত সংযোগ কৰা বিভিন্ন ৰাগ-ৰাগিণীবোৰৰ জৰিয়তে। পঞ্চ অংগ বিশিষ্ট পাঞ্চালী গীত'ত ৰাগ-ৰাগিণীৰ প্ৰয়োগ অপৰিহাৰ্য্য অংগ। দুৰ্গাবৰে 'গীতি-ৰামায়ণ'ত 'অহিৰ', 'আকাশমণ্ডলি' কল্যাৰ (?), গুঞ্জৰি, চালনি, দেৱজিনি, দেৱমোহন, ধনশ্ৰী বা 'ধনেশ্বৰি,' পটমঞ্জৰি, বৰাৰি, বসন্ত, ৰেলোৱাৰ, ভাটিয়ালি, মঞ্জৰি, মাৰোৱাৰ, মালাচি, মেঘমণ্ডল, ৰামগিৰি, শ্ৰীগন্ধকালী, শ্ৰীগান্ধাৰ আৰু সুহাই বা সুৱাই-এই একুৰি এটা ৰাগ-ৰাগিণী ৰূপৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। তেওঁৰ খণ্ডিত-ছপা 'মনসা-গীত' পুথিত ৰামগিৰি, সুহাই বা সুহাই, ভাটিয়ালী বা ভাটিয়ালী আৰু পটমঞ্জৰি ৰাগ-ৰাগিণীৰূপৰ উল্লেখ পোৱা যায়। প্ৰতিটো গীতৰ শীৰ্ষভাগত ৰাগ-ৰাগিণী-ৰূপৰ উল্লেখ কৰি একোটি একাৰী বা দুশাৰী বিশিষ্ট ধ্ৰুপদ বা দিহা সংযোগ কৰা দেখা যায়। সেই ধ্ৰুপদ দিহাটো উল্লেখিত ৰাগ বা ৰাগিণীত গীতালে বা ওজাই লগাই দিয়ে আৰু পালিসকলে ধৰে। সেই দিহাটোৰ বাকী পদাংশ উল্লেখিত ৰাগ বা ৰাগিণীতেই গোৱা হয়। এই গীতখিনিৰ সাংগীতিক বৈশিষ্ট্য (musical quality) বৃদ্ধি কৰাৰ প্ৰয়াসেৰে প্ৰায়বোৰ ধ্ৰুপদ বা দিহাৰ শেষৰ ফালে সাংগীতিক ধ্বনি -ৰে,-নাহাৰে আদি প্ৰয়োগ কৰা দেখা যায়। মুঠতে দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ' আৰু 'মনসা-গীত' (মনসাকাব্য) পাঞ্চালী সংগীতৰ তাৎপৰ্য্যপূৰ্ণ নিদৰ্শন।

১০৩. উ. গ্ৰ., পৃ. ১১৬
১০৪. উ. গ্ৰ., পৃ. ১২০

'পদুমাইৰ দাস' দুৰ্গাবৰে ব্ৰহ্মাণীৰ চৰণ বন্দি 'মনসা-গীত' ৰচনা কৰিছে যদিও, আন আন দেৱ-দেৱীৰ প্ৰতি তেওঁ শ্ৰদ্ধা-ভক্তি নিবেদন কৰিবলৈ পাহৰা নাই। গ্ৰন্থৰ আৰম্ভণিতে তেওঁ গণেশ, ভাৰ্য্যাৰ সৈতে আদিত্য, বৈকুণ্ঠনাথ দেৱ নাৰায়ণ, পঞ্চানন শিৱ, গৌৰী, লক্ষ্মী, সৰস্বতী, ব্ৰহ্মা, ব্ৰহ্মাণী, লোকপাল ইন্দ্ৰ আৰু তেওঁৰ পত্নী শচী, দশদিকপাল আদিৰ প্ৰতি প্ৰণিপাত জনাইছে।[১০৫] কবি দুৰ্গাবৰে যে, ধৰ্মীয় মতবাদৰ প্ৰসংগত উদাৰ মনোভাব পোষণ কৰিছিল তাৰ আভাস ইয়াৰ পৰা পাব পাৰি।

দুৰ্গাবৰৰ 'মনসা গীত' পুথি খনিক এক প্ৰকাৰে মনকৰৰ 'মনসা-গীত'ৰ পৰিপূৰক বুলিব পাৰি। মনসা-কথাবৃত্তৰ প্ৰধান তিনিটা উপসংযুক্তি হ'ল সৃষ্টিখণ্ড (বিশ্বসৃষ্টি, দেৱ-দেৱীৰ জন্ম, পদ্মাৰ জন্ম ইত্যাদি), চন্দ্ৰধৰৰ কাহিনী আৰু বেউলা-লখিন্দৰৰ আখ্যান। মনকৰৰ পুথিত সৃষ্টি খণ্ডৰ বৰ্ণনা পোৱা যায়, কিন্তু বাকী কাহিনী দুটা পোৱা নাযায়। অন্যহাতে দুৰ্গাবৰৰ মনসা-গীত'ত সৃষ্টিখণ্ডৰ বৰ্ণনা সন্নিবেশিত হোৱা নাই, কিন্তু বাকী কাহিনী দুটাৰ বৰ্ণনা পৰিদৃষ্ট হয়।

দুৰ্গাবৰৰ 'মনসা-গীত'ত দেৱ দেৱী আৰু গুৰু বন্দনা, চম্পাকী নগৰৰ অধিপতি চান্দো সদাগৰ আৰু তেওঁৰ পত্নী সোনেকাৰ পৰিচয়, পুত্ৰহীনা সোনেকাৰ আক্ষেপ, ওজা ধন্বন্তৰিৰ নিৰ্দেশমতে সোনেকাৰ দ্বাৰা গংগা-উপাসনা আৰু গংগাৰ কৃপাত সোনেকাৰ ছয় পুত্ৰ লাভ, ছয়পুত্ৰৰ বিবাহ, বাণিজ্যৰ বাবে চান্দোৰ উদ্যোগ আৰু বাৰখন ডিঙা নিৰ্মাণ, সোনেকাৰ মনসা-পূজা আৰু চান্দোৰদ্বাৰা মনসাক অপমান, অহংকাৰী চান্দোৰ ওপৰত নিষ্ঠুৰ প্ৰতিশোধ লবলৈ শিৱ কন্যা মনসাৰ ভীষণ প্ৰতিজ্ঞা, মনসাৰদ্বাৰা চান্দোৰ ছয়পুত্ৰ নিধন, মনসাৰ কোপত চান্দোৰ বাৰ ডিঙা জলমগ্ন আৰু চান্দোৰ নানা দুখ-যন্ত্ৰণা আনকি নিজৰ ঘৰতে পত্নীৰদ্বাৰা চান্দোৰ অপমান, লখিন্দৰ আৰু বেউলাৰ জন্ম আৰু বিবাহ, চান্দোৰ পুত্ৰ আৰু পুত্ৰবধূক মেৰঘৰত স্থাপন, মনসাৰ স্বামী অজগৰৰ দ্বাৰা লখিন্দৰক দংশন আৰু বেউলাৰ দ্বাৰা অজগৰক বন্দীকৰণ, পদ্মাৰ দ্বাৰা শংখ বা ধন্বন্তৰিক নিধন, মৃতপতিসহ বেউলাৰ দেৱলোক উদ্দেশ্যে যাত্ৰা, নেতাৰ লগত বেউলাৰ পৰিচয়, নেতাৰ মধ্যস্থতাত মনসা আৰু বেউলাৰ মিলন, স্বামী অজগৰৰ জীৱন ৰক্ষা কৰিবৰ

---

১০৫. উ. গ্ৰ., পৃ. ৮৫

বাৰে পদ্মাৰদ্বাৰা বেউলাৰ মৃত স্বামী লখিন্দৰক পুনৰ্জীৱন দান, লগতে ছয়জন ভাইশহুৰেকৰ পুনৰ্জীৱন লাভ, জলমগ্ন ডিঙা উত্তোলন, স্বামী, ভাইশহুৰেক, আৰু বাৰডিঙাৰ সৈতে বেউলাৰ চম্পানি বা চম্পক নগৰ অভিমুখে যাত্ৰা আৰু চম্পক নগৰত আনন্দময় পৰিৱেশ আদিৰ বৰ্ণন পোৱা যায়।

কাহিনী-বৰ্ণন, চৰিত্ৰসৃষ্টি আৰু পৰিৱেশ ৰচনাত দুৰ্গাবৰৰ নৈপুণ্য লক্ষ্য কৰা যায়। চন্দ্ৰধৰৰ চৰিত্ৰ অনমনীয়তাৰ নিদৰ্শন। মাতৃত্ব সোনেকা চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। পৱিত্ৰতা, সাহসিকতা, সাধুতা, দৃঢ়তা, সতীত্ব আদি গুণেৰে বেউলা চৰিত্ৰটি চিৰ ভাস্বৰ। লখিন্দৰ চৰিত্ৰৰ অৰ্থপূৰ্ণ ভূমিকা নাই বুলিয়েই কব পাৰি ; যিহেতু কাহিনীৰ অগ্ৰগতিত এই চৰিত্ৰটিৰ বিশেষ বৰঙণি নাই। এই কাৰণেপৰা লখিন্দৰক নিষ্ক্ৰিয় চৰিত্ৰ বুলিব পাৰি। মনসা-চৰিত্ৰত প্ৰতিহিংসা পৰায়ণতাৰ ভাব প্ৰকটিত নোহোৱাকৈ থকা নাই।

মনকৰৰ দৰে দুৰ্গাবৰৰ ৰচনাতো মধ্যযুগীয় অসমৰ বিশেষকৈ নামনি অসমৰ জীৱন-আৰু সমাজৰ প্ৰতিফলন লক্ষ্য কৰিব পাৰি। মনকৰৰ ভাষাতকৈ দুৰ্গাবৰৰ ভাষা তুলনামূলক ভাবে অধিক খকৰা। গীতি-ৰামায়ণ'ৰ দৰে 'মনসা-গীত'ৰ করুণ ৰসসিক্ত গীত সমূহ মৰ্মস্পৰ্শী। দুৰ্গাবৰৰ শৃংগাৰ-ৰস-বৰ্ণনা সুৰুচিপূৰ্ণ, মনকৰৰ দৰে ৰুচি বিগৰ্হিত নহয়। "মনকৰৰ লগত তুলনা কৰিলে দেখা যায় দুৰ্গাবৰৰ কাব্যই লোকগীতিৰ গুণতকৈ অধিকতৰ সাহিত্যিক ৰূপ পৰিগ্ৰহ কৰিছে।"১০৬

দুৰ্গাবৰৰ মনসা-কথাবৃত্তৰ লগত নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ৰ কাহিনী ভাগৰ বিভিন্ন উপসংবৃত্তিৰ মাজত বৈসাদৃশ্য লক্ষ্য কৰা যায়। যেনে :

(ক) দুৰ্গাবৰৰ মতে ধন্বন্তৰিৰ উপদেশ অনুসৰি সোনেকাই গংগাদেৱীক পূজা কৰি ছয়পুত্ৰ লাভ কৰে। এই ছয় পুত্ৰৰ নাম নীলপাণি, শূলপাণি, গদাপাণি, চক্ৰপাণি, হলধৰ আৰু সুৰজাই। নাৰায়ণদেৱৰ মতে ইষ্টক মহাদেৱৰ কৃপাত সোনেকাই ছয়পুত্ৰ লাভ কৰে। এই ছয়পুত্ৰৰ নাম শ্ৰীধৰ, শ্ৰীকৰ, গুৱাবৰ, মধুকৰ, শশীধৰ আৰু দুৰ্গাবৰ। ছয়পুত্ৰৰ বিয়াহ আৰু পুত্ৰবধূৰ প্ৰসংগতো দুৰ্গাবৰ আৰু নাৰায়ণদেৱৰ মাজত বৈপৰীত্য স্পষ্ট।

১০৬. মহেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ ৰূপৰেখা, (গুৱাহাটি, ১৯৭৪) পৃ. ১৩৪

(খ) চান্দোৰ ডিঙা নিৰ্মাণৰ প্ৰসংগতো দুয়োজন কবিৰ মাজত পাৰ্থক্য দেখা যায়। দুৰ্গাবৰৰ মতে চান্দোসদাগৰে বাৰখন ডিঙা নিৰ্মাণ কৰাইছিল আৰু নাৰায়ণ দেৱৰ চান্দোই চৈধ্যখন ডিঙা নিৰ্মাণ কৰায়।

(গ) চান্দোসদাগৰৰ বাণিজ্য-পণ্যৰ বিষয়তো দুয়োজন কবিৰ মাজত পাৰ্থক্য লক্ষ্য কৰিব পাৰি।

(ঘ) নাৰায়ণ দেৱৰ মতে সোনেকাই মনসাদেৱীক পূজা কৰে পদ্মাৰ দ্বাৰা স্বপ্নাদিষ্ট হৈ ঝালো-মালোৰ ঘৰৰপৰা ঘট আনি। ইয়াৰ বিপৰীতে দুৰ্গাবৰৰ সোনেকাই মনসাদেৱীক পূজা কৰে সাৰদা কেওটানীৰ উপদেশমতে।

(ঙ) নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত উল্লেখ আছে যে, মনসা আৰু চান্দোৰ মাজত বিদ্বেষ ভাবৰ সৃষ্টি কৰিছিল চণ্ডীদেৱীয়ে। মনসা ঘট ভাঙিবৰ বাবে স্বয়ং চণ্ডীয়েই চান্দোক হেমতাল প্ৰদান কৰিছিল:

"পুনৰপি বোলে সাধু চণ্ডিৰ গোচৰ।
বাদ কৰি পদ্মা সমে থাঞো জানো পাৰ॥
চান্দোৰ বচনে চণ্ডি বুলিল হাসিয়া।
হেমতাল আনি দিলা বাদক লাগিয়া॥
* * *
মনে ভৰাইলেক চান্দো চণ্ডিৰ বচনে।
বিবাদ লাগায়া চণ্ডি কৰিলা গমনে॥'[১০৭]

মনসাৰ প্ৰতি চান্দোই কিয় বিৰূপভাব পোষণ কৰিছিল তাৰ আভাস দুৰ্গাবৰৰ 'মনসা গীত'ত পাবলৈ নাই। দুৰ্গাবৰৰ মতে চান্দোই বণিজলৈ যাত্ৰা কৰাৰ পিছতে সোনেকাই ঘট পাতি মনসাক পূজিবলৈ আৰম্ভ কৰে। তেনে সময়তে বিচনী আৰু কটাৰী নিবলৈ পঠোৱা ধনাই ভণ্ডাৰীয়ে চান্দোক লগায়:

"বিচনী যোগায়া কৰযোৰে নমাই মাথা।
শুনা প্ৰভু কহো যে ঘৰৰ যেন কথা॥
সোনেকা তোমাৰ ভাৰ্য্যা ছয় বহু লৈয়া।
কিবা দেৱ পূজে তেহে এ ঘণ্ট পাতিয়া॥[১০৮]

১০৭. পদ্মা-পুৰাণ (Ms) পৃ. ৫৭ক
১০৮. মনসা কাব্য, পৃ. ৯৮

ক্ৰোধান্বিত হৈ চান্দোই ঘৰলৈ ঘূৰি গৈ মনসা-ঘট ভাঙি পেলায়। ইয়াৰ পৰিণতিত চান্দোৰ ওপৰত নিৰ্মম প্ৰতিশোধ লবলৈ মনসাই ভীষণ প্ৰতিজ্ঞা কৰে। নাৰায়ণদেৱৰ চান্দোই প্ৰথমবাৰ বণিজৰপৰা ঘূৰি আহি পুনঃ পুনঃ চণ্ডীৰদ্বাৰা প্ৰৰোচিত হৈহে মনসা-ঘট ভাঙে আৰু মনসাৰ কঁকালত হেমতালেৰে প্ৰহাৰ কৰে। তেতিয়া পদ্মাই চান্দোৰ ওপৰত সমুচিত প্ৰতিশোধ লবলৈ প্ৰতিজ্ঞা কৰে।

(চ) দুৰ্গাবৰৰ মতে চান্দোৰ ছয় পুত্ৰ আৰু লখিন্দৰৰ মৃত্যুৰ পিছতহে মনসাই কাল সৰ্প ৰূপে ধন্বন্তৰিক বধ কৰে; কিন্তু নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ৰ মতে চান্দোৰ ছয়পুত্ৰৰ নিধনৰ পূৰ্বেই উদয়কাল নাগৰদ্বাৰা মনসাই ধন্বন্তৰিক বধ কৰায়।

(ছ) চান্দোৰ ডিঙা ডুবোৱাৰ ক্ষেত্ৰত দুয়োজন কবিৰ মাজত পাৰ্থক্য স্পষ্ট।

(জ) দুৰ্গাবৰৰ মতে বেউলাৰ পিতাকৰ নাম বাচো আৰু নাৰায়ণদেৱৰ মতে 'শাহে ৰাজা'। তেনেদৰে বেউলাৰ জ্যেষ্ঠভ্ৰাতৃৰ নাম দুৰ্গাবৰ আৰু নাৰায়ণদেৱৰ মতে যথাক্ৰমে শংখধৰ আৰু নাৰায়ণ সাধু।

(ঝ) দুৰ্গাবৰৰ মতে ওজা ধন্বন্তৰিয়ে মেৰঘৰৰদ্বাৰ ৰক্ষা কৰিছিল। নাৰায়ণ-দেৱৰ নিৰ্মিতিত ইয়াৰ আভাস পোৱা নাযায়।

(ঞ) দুৰ্গাবৰৰ মতে মনসাৰ স্বামী অজগৰে লখিন্দৰক দংশন কৰিছিল; অন্যহাতে নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' অনুসৰি কালিনাগে লখাইক দংশন কৰিছিল।

(ট) দুৰ্গাবৰৰ বেউলাই মনসাৰ স্বামী অজগৰক সঁফুৰাৰ ভিতৰত বন্দী কৰি ৰাখিছিল আৰু নাৰায়ণদেৱৰ বেউলাই কালিনাগৰ নেজডালহে সঁফুৰাত ভৰাই থৈছিল।

(ঠ) দুৰ্গাবৰৰ বেউলাই স্পষ্টভাবে পদ্মাক কৈছিল যে, যদি মনসাই লখিন্দৰক জীয়াই নিদিয়ে তেনেহলে মনসাৰ স্বামী অজগৰক তেওঁ পুৰি মাৰিব। অৱশেষত স্বামীক আসন্ন মৃত্যুৰ পৰা ৰক্ষা কৰিবৰ বাবে মনসাই লখিন্দৰক জীয়াই দিবলৈ বাধ্য হয়। নাৰায়ণদেৱৰ ৰচনাত এই পৰিস্থিতি বিশেষৰ বৰ্ণন পাবলৈ নাই।

উপৰৰ আলোচনাৰপৰা সহজে অৱগত হ'ব পাৰি যে, মনসা-কথাবৃত্তৰ পৰম্পৰাৰ পৰিধিয়ে সময় আৰু স্থানৰ বিভিন্নতা অনুসৰি বিভিন্ন কথাংশ বা উপকথাংশ সামৰি লৈছিল।

মনকৰৰ দৰে দুৰ্গাবৰৰ 'মনসা-গীত'ত মহাকাব্য বা পুৰাণৰ বিস্তৃতি নাই, আছে কাব্যৰ ঐক্য।

(গ) নাৰায়ণদেৱ : পৰৱৰ্তী অধ্যায়ত আলোচনা কৰা হৈছে।

(ঘ) ষষ্ঠীবৰ : মনসা-কথাবৃত্তক লিখিত ৰূপ দিয়া চতুৰ্থজন মনসা-কবি ষষ্ঠীবৰ আৰু তেওঁৰ ৰচনাৰ চানেকি বেণুধৰ ৰাজখোৱাৰ 'Notes on the Sylheti Dialect' (1913) নামৰ ৰচনাখনৰ পৰা পোনতে পোৱা হয়।[১০৯] নাৰায়ণদেৱৰ নিচিনাকৈ ষষ্ঠীবৰকো শ্ৰীহট্টৰ লোক বুলি বঙালী পণ্ডিতসকলে দাবী কৰি দুয়োজন কবিকে বঙালী কবিৰ পৰিধিত সামৰিছে।[১১০] ষষ্ঠীবৰে তেওঁৰ নিৰ্মিতিত সময় সম্পৰ্কে কোনো কথা উল্লেখ কৰা নাই; তথাপি প্ৰচলিত জনশ্ৰুতি আৰু নিৰ্মিতি বিশেষৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ পৰা ঠাৱৰ কৰিব পাৰি যে, তেওঁ খৃঃ সপ্তদশ শতিকাৰ লোক আছিল, কিন্তু তেওঁ যে, নাৰায়ণদেৱৰ পৰৱৰ্তী কবি আছিল তাত সন্দেহ নাই। দ্বিতীয়তে, 'অশ্বমেধ পৰ্ব'ৰ (মহাভাৰতীয়) ৰচয়িতা কবি গংগাদাসৰ পিতৃৰ নাম আছিল ষষ্ঠীবৰ। যেনে:

'হেন সন্ত মহন্তক কৰি নমস্কাৰ।
বিৰচিবো অশ্বমেধ পৰ্ব্ব কথা সাৰ॥
নিগদতি গঙ্গাদাস ষষ্ঠিবৰ সুত।
মোৰ সম নাহি মূঢ় অতি অদভুত॥
* * *
সুনা সৰ্ব্বজন অশ্বমেধৰ ব্যৱস্থা।
পদবন্ধে নিবন্ধিবো ভাৰতৰ কথা॥"[১১১]

---

১০৯. ডিম্বেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ বুৰঞ্জী, (যোৰহাট, খৃঃ ১৯৫৭), পৃ. ২৩২

১১০. আশুতোষ ভট্টাচাৰ্য্য (সম্পা) : বাইশ কবিৰ মনসা-মংগল, ভূমিকা, পৃ. ৩ ৵.

১১১. পুথিখন দৰঙী ৰজাৰ বংশধৰ কুমাৰ হৰেন্দ্ৰ নাৰায়ণদেৱৰ (গাখীৰ খোৱা ৰাজাহাউলী, মংগলদৈ) ঘৰত সংৰক্ষিত। পুথিখনৰ ফলক ১৯৫ টা, মাজৰ কেইটামান ফলক নষ্ট হৈছে। প্ৰত্যেকটো ফলকৰ পৰিমাণ ৪৮ ছেমি × ১৩ ছেমি। প্ৰত্যেক পৃষ্ঠাত ১২ টাকৈ শাৰী আছে।

হেমচন্দ্ৰ গোস্বামীৰ মতেও গংগাদাস ষষ্ঠীবৰৰ পুত্ৰ।[১১২] প্ৰচলিত পৰম্পৰা মতে গংগাদাসে দৰঙীৰজাৰ পৃষ্ঠ পোষকত্তা লাভ কৰিছিল। গোস্বামীয়ে ষষ্ঠীবৰ আৰু তেওঁৰ পুত্ৰ গংগাদাসক বঙালী বুলিছে[১১৩]; কিন্তু গোস্বামীৰ প্ৰমেয় (hypothesis) সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

গংগাদাসে 'অশ্বমেধ পৰ্ব' পুথিখনৰ ৰচনা-কৰ্ম সমাপ্ত কৰিছিল ১৭৩৭ শকত অৰ্থাৎ (১৭৩৪+৭৮)=খৃঃ ১৮১২ চনত। এইফালৰ পৰাও কবি ষষ্ঠীবৰ খৃঃ সপ্তদশ শতিকাৰ লোক হোৱা স্বাভাৱিক।

ষষ্ঠীবৰ কবিক শ্ৰীহট্টৰ কবি বুলি কলেও মন কৰিব লাগিব যে, শ্ৰীহট্ট অসমৰ অবিচ্ছেদ্য অংগ আছিল খৃঃ ১৯৪৭ চন পৰ্য্যন্ত। তেনে অৱস্থাত শ্ৰীহট্টৰ ভাষা, অসমীয়া ভাষাৰ আঞ্চলিক ৰূপ বিশেষ হোৱাই স্বাভাৱিক। বেণুধৰ ৰাজখোৱাই যুক্তিসহ দেখুৱাই দিছে যে, শ্ৰীহট্টৰ ভাষাৰ লগত পুৰণি অসমীয়া ভাষাৰ কোনো পাৰ্থক্য নাই।[১১৪] এইফালৰ পৰা ষষ্ঠীবৰৰ 'মনসা-পুৰাণ'ৰ ভাষা যে পুৰণি অসমীয়া ভাষাহে আছিল তাত সন্দেহ নাই। ষষ্ঠীবৰৰ ভাষাৰ চানেকিৰ জৰিয়তে আমাৰ এই অনুমানৰ সত্যতা উপলব্ধি কৰিব পাৰি; যেনে:

"ধনাই দানৱে বোলে মনাই না ৰে ভাই।
তোৰ ঘৰে দুই স্ত্ৰী মোৰ ঘৰে নাই ॥
গায়েৰ অলঙ্কাৰ বস্ত্ৰ তুমি তাৰে নেও।
সুদা মনুষ্য গোটা মোকে তুমি দেও ॥
কহে ষষ্ঠীবৰ কবি সৰস পাঁচালী।
দুই ভাইৰ মধ্যতে লাগিল চুলাচুলি ॥"[১১৫]

বঙালী সম্পাদকৰ কলমৰ স্পৰ্শ লগাৰ পিছতো উদ্ধৃত অংশৰ ভাষা বৈশিষ্ট্যই পুৰণি অসমীয়া ভাষাৰ বৈশিষ্ট্য পৰিহাৰ কৰিব পৰা নাই। তলৰ উদ্ধৃতিটোৰ ভাষাও অবিকল পুৰণি অসমীয়া। যেনে:

---

১১২. H. Goswami: *Descriptive Catalogue of Assamese Manuscripts* (University of Calcutta, 1930), p. 99

১১৩ *Ibid*

১১৪. ডিম্বেশ্বৰ নেওগ, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৩২-৩৩

১১৫. আশুতোষ ভট্টাচাৰ্য্য, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২১৭

'নাসিকা খসিয়া পৰে তিল ফুল ভালা।
উৰুভাগ খসি পৰে যেন চাম্পা কলা॥
মস্তক খসিয়া পৰে সৰ্ব্বাঙ্গ সুন্দৰ।
কেশ মুষ্টি খসি পৰে হাড়িয়া চোৰৰ॥'[১১৬]

ষষ্ঠীবৰৰ 'মনসা-কাব্য'ত বেউলা-লখিন্দৰৰ কাহিনীয়ে বিশেষভাবে প্ৰাধান্য লাভ কৰিছে। নাৰায়ণদেৱৰ দৰে ষষ্ঠীবৰৰ নিৰ্মিতিও কৰুণ-ৰসৰ মূৰ্তিমান প্ৰকাশ। ষষ্ঠীবৰৰ ৰচনা মাজিতা ধৰ্মী। অনেক ক্ষেত্ৰত নাৰায়ণদেৱৰ ৰচনাৰ লগত ষষ্ঠীবৰৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি। মনকৰৰ দৰে ষষ্ঠীবৰৰ নিৰ্মিতিত গ্ৰাম্যতাও পৰিদৃষ্ট নোহোৱাকৈ নাথাকে। স্থান বিশেষে নাৰায়ণদেৱৰ লগত ষষ্ঠীবৰৰ পাৰ্থক্যও দেখা যায়। উদাহৰণ স্বৰূপে নাৰায়ণদেৱৰ মতে বেউলাৰ মাতৃৰ নাম সুমিত্ৰা; কিন্তু ষষ্ঠীবৰৰ মতে কমলা। মুঠতে মনকৰ, দুৰ্গাবৰ আৰু নাৰায়ণদেৱৰ দৰে ষষ্ঠীবৰেও মুখ পৰম্পৰা প্ৰচলিত মনসা-কথাবৃত্তৰ আধাৰত সুকীয়া এক লিখিত মনসা-পুৰাণ-পৰম্পৰাৰ সৃষ্টি কৰিছিল।

(ঘ) মায়াৰন্তী বিষহৰি (মায়াৰন্তী বিষহৰী):

দক্ষিণ গোৱালপাৰা আৰু দক্ষিণ কামৰূপৰ পাতিৰাভাসকলৰদ্বাৰা অনুষ্ঠিত ৰৰমানী বা মাৰে-পূজাৰ অনুষংগত পৰিৱেশন কৰা 'মাৰে-গান' নামৰ ওজা-পালি অনুষ্ঠানৰদ্বাৰা গেয় মনসা-কথাবৃত্তৰ পৰিধিয়ে সামৰা গীত-পদবোৰ ওজা-পালি পৰম্পৰা প্ৰচলিত হৈ আছে। সেই গীত-পদবোৰ বিভিন্ন উৎসৰপৰা সংগ্ৰহ কৰি প্ৰাণেশ্বৰ ৰাভাই 'মায়াৰন্তী বিষহৰি' নামেৰে ছপা কৰিছে। আদিতে মনসা-কথাবৃত্তয়ে মুখ-পৰম্পৰা প্ৰচলিত হৈ আছিল আৰু পৰৱৰ্তী কালাতহে যে এইবোৰে লিখিত ৰূপ পৰিগ্ৰহ কৰে তাৰ প্ৰকৃষ্ট নিদৰ্শন 'মায়াৰন্তী বিষহৰি'।

বংগীয় মনসা কবি জগজীৱন, অসমীয়া মনসা কবি মনকৰ, দুৰ্গাবৰ আৰু নাৰায়ণদেৱৰ নামত চলা আৰু মনসা-কথাবৃত্তৰ পৰিধিৰ ভিতৰত পৰা গীত-পদবোৰে কিদৰে পাতিৰাভাসকলৰ সামাজিক-আচৰণৰ লগত সংমিশ্ৰিত হৈ স্বকীয় ৰূপ পৰিগ্ৰহ কৰিছে তাৰ নিদৰ্শনো 'মায়াৰন্তী বিষহৰি'ৰ গীত-পদ, কথাবস্তু, কথাংশ-উপকথাংশ আদিৰ পৰা পাব পাৰি।

---

১১৬. উ. গ্ৰ., পৃ. ২২৩

'মায়াৱন্তী-বিষহৰি'ৰ বিষয়বস্তু কেইটামান শ্ৰেণীত বিভক্ত কৰিব পাৰি; যেনে: সিৰষ্টিখণ্ড (সৃষ্টিখণ্ড), গোঁহাই ফুলঝাৰিখণ্ড, গোঁহাইৰ বিয়াখণ্ড, পদ্মাৰ জনম খণ্ড, গোঁহাইৰ দঁক খণ্ড, পদ্মাৰ বিয়াখণ্ড, চান্দবণিজ খণ্ড, লখাইৰ জনম খণ্ড, লখাইৰ বিয়াখণ্ড, লখাই দঁকখণ্ড, ভেল ভাসানি খণ্ড, নট-মন্দিৰ খণ্ড আৰু সামৰণি খণ্ড। ইয়াৰ বাহিৰেও বেউলা-বাৰমাসী বা বাৰমাহী, ঝুনা বা জুনা গীত আদিও বৰমানী পূজাৰ লগত জৰিত।

সিৰষ্টিখণ্ড আকৌ দুটা ভাগত বিভক্ত: বহনি সিৰষ্টি আৰু উঠনি সিৰষ্টি। যিবিলাক সৃষ্টিমূলক গীত (creation myth) 'মাৰে-গান'ৰ ওজা আৰু পালিসকলে বহা অৱস্থাত তাল বজাই আবৃত্তি কৰে সেইবোৰক 'বহনি-সিৰষ্টি-গীত' আখ্যা দিয়া হয়। এই গীতবোৰ পূজাৰ লগত বিশেষভাবে জৰিত। নাৰায়ণদেৱৰ পৰম্পৰাত এইবিধ গীতৰ নাম দিয়া হৈছে 'পূজাৰ গীত'। আকৌ যিবিলাক সৃষ্টিমূলক গীত 'মাৰে-গান'ৰ ওজা আৰু পালিয়ে থিয় অৱস্থাত গায় সেইবোৰ গীতেই 'উঠনি সিৰষ্টি'ৰ গীত। নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত এনে গীতক 'সৃষ্টিখণ্ডৰ পদ' বোলে।

'গোঁহাইৰ ফুলঝাৰি' খণ্ডৰ লগত মিল থকা গীতক নাৰায়ণদেৱৰ পৰম্পৰাত পুষ্পাধাৰীখণ্ড'ৰ গীত বোলে। 'গোহায়ৰ বিয়াখণ্ড'ত হৰ-পাৰ্বতীৰ বিয়াৰ বৰ্ণনা পোৱা যায়। নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণত' পৰিৱেশিত 'হৰ-গৌৰীৰ বিবাহ খণ্ড'ত হৰ-গৌৰীৰ বিয়াৰ বৰ্ণনা দিয়া হৈছে। তেনেদৰে পদ্মাৰ জন্মখণ্ড, পদ্মাৰ বিয়া আদিৰ লগতো নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ৰ বিষয়বস্তুৰ সাদৃশ্য থকাৰ উপৰিও মনকৰৰ গীতৰ লগতো মিল আছে। নাৰায়ণদেৱৰ পৰম্পৰামতে চান্দোসদাগৰ দুবাৰ বণিজলৈ গৈছিল—এবাৰ ছয়পুত্ৰৰ জন্ম আৰু বিবাহৰ পিছত আৰু দ্বিতীয়বাৰ ছয়পুত্ৰৰ মৃত্যুৰ পিছত, লখিন্দৰৰ জন্মৰ পূৰ্বে। এই গীত-পদখিনি 'বণিজ-যাত্ৰাৰ পদ' ৰূপে পৰিচিত। চন্দোৰ দ্বিতীয়টো বণিজ, বৰবণিজ নামেৰে ওজাপালিৰ মাজত জনাজাত। দুৰ্গাবৰৰ 'মনসা-গীত' আৰু 'মায়াৱন্তী-বিষহৰি'ত চান্দোই মাত্ৰ এবাৰ বণিজ কৰিবলৈ যোৱাৰ বৰ্ণনাহে পোৱা যায়। 'লখাই-জন্মখণ্ড' লখাই-বেউলাৰ জন্ম, লখাইৰ বাবে পাত্ৰী চোৱা-চিতা কৰা, মেৰঘৰ নিৰ্মাণ আদিৰ বৰ্ণনাৰ সমষ্টি। নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত এই বিষয়-বস্তু খিনি উষা-অনিৰুদ্ধ হৰণ, বেউলা-লখিন্দৰৰ জন্ম, 'ঝীয়া সোধা' বা ছোৱালী খোজা আৰু মেৰঘৰ নিৰ্মাণ ৰূপে পৰিচিত। 'লখাইৰ বিয়াখণ্ড' বেউলা-লখাইৰ বিয়াৰ প্ৰস্তুতি, সৰ্প দেখি লখিন্দৰ মূৰ্ছিত হৈ পৰা, বেউলা-লখাইৰ বিয়া আদিৰ

সমষ্টি। নাৰায়ণদেৱৰ পৰম্পৰাত এই বিষয়বস্তুখিনি বেউলা-লখাইৰ বিয়া নামেৰে জনাজাত। মেৰঘৰত বেউলা লখাইৰ একত্রে শয়ন আৰু পদ্মাৰদ্বাৰা লখাইক দংশন কৰিবলৈ নাগ পেৰণ কৰাৰ পৰা বেউলাই মৃত পতিক দেৱপুৰীত জীয়াই চম্পক নগৰলৈ ঘূৰি অহা, চান্দোৰ মনসা পূজা আৰু বেউলাৰ সতীত্ব পৰীক্ষালৈকে এই খণ্ড নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত 'ভাটীয়ালী-খণ্ড' ৰূপে পৰিচিত। পাতিৰাভাসকলৰ মাজত প্ৰচলিত বৰমানী-গীতৰ পৰম্পৰাত ভাটীয়ালী খণ্ড' বুলি এটা খণ্ড স্বীকাৰ কৰা নহয়। এই গীত-পদখিনিক মোটা-মোটিভাবে বুজাবৰ কাৰণে লখাই দঁক, ভেল ভাসানি, নট-মন্দিৰ-এইকেইটা ভাগৰহে প্ৰচলন দেখা যায়। 'মায়াৰন্তী বিষহৰি'ত চান্দোই বৰমানীদেৱীক পূজা কৰা আৰু পদ্মাৰ স্বামী অজগৰক বেউলাই মুক্তি দিয়াৰ লগে লগে কাহিনীৰ সামৰণি পৰিছে। নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত উল্লেখ থকা চান্দোৰ-দ্বাৰা বেউলাৰ সতীত্ব-পৰীক্ষা, লখিন্দৰসহ বেউলাৰ স্বৰ্গ-যাত্ৰা, স্বৰ্গলৈ যাওতে ছদ্মবেশ ধাৰণ কৰি শাহে ৰজাৰ ঘৰলৈ যোৱা আৰু তাৰপৰা বেউলা-লখিন্দৰ স্বৰ্গলৈ যোৱাৰ বৰ্ণনা 'মায়াৰন্তী বিষহৰি'ত পোৱা নাযায়।

'মায়াৰন্তী-বিষহৰি' বা 'মাৰে-গীত'ত বাৰমাসী বা বাৰমাহী আৰু 'ঝুনা-গীত'ৰ পৰম্পৰা প্ৰচলিত। সাধাৰণতে 'মাৰে-গান'ৰ সামৰণিৰ পূৰ্ব মুহূৰ্তত ওজাপালিয়ে 'বাৰমাসী' বা 'বাৰমাহী' গীত গায়। উপস্থিত ৰাইজৰ বিশেষকৈ মহিলাসকলৰ অনুমোদন সাপেক্ষে 'মাৰে-গান'ৰ ওজা আৰু পালিয়ে 'ঝুনা' বা 'জুনা' গীত গায়। নাৰায়ণদেৱৰ পৰম্পৰাত বাৰমাসী বা বাৰমাহী আৰু 'ঝুনা-গীত'ৰ প্ৰচলন নাই। অৱশ্যে 'ব্যাহৰ ওজাপালি'-পৰম্পৰাত 'ঝুনা-গীত'ৰ চলতি-দেখা যায়।

'মায়াৰন্তী-বিষহৰি' বা মাৰে-গীতত সন্নিবিষ্ট গীত-পদৰ বিভিন্ন স্থানত মনকৰৰ গীতৰ পূৰ্ণ স্থিতি দেখিবলৈ পোৱা যায় অথবা ধ্বনি-প্ৰতিধ্বনি শুনা যায়। যেনে :

(ক) মনকৰ : ব্ৰহ্মাদেৱে তপ কৰি আচে যথা।
ভাসিতে ভাসিতে মৃত্যে চলি গৈলা তথা ॥

মাৰে-গীত : ব্ৰহ্মাদেৱে তপ পালিয়া আছে যথা।
ভাসিয়া ভাসিয়া যায় অৱে মৰা শৰা যায় তথা ॥

(খ) মনকৰ : চাড়িলন্ত হামি ডাক ভাতে উপজিল বাঘ
সেহি বাঘে খাইবে আসে ধায়া ॥
বাঘক দিলন্ত মায় খাইস আপুন চায়
তোৰ হৌক অৰণ্যত বাস ।
মাৰে-গীত : হামি ছাৰিলে মাৰ উপজিল বাঘেৰ ছাৱ
সেইনা বাঘে দুৰ্গাক খাবা চায় ॥
মোৰে সৃজনিৰ বাঘ মোকে খোজা খাইবাক
হওক তোৰ ঐৰাণত বাস ।

দুৰ্গাবৰ কবিৰ 'মনসা-গীত'ৰ কথা বা কথাংগৰ লগতো 'মাৰে-গীত'ৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি । দুৰ্গাবৰৰ মতে লখিন্দৰক দংশন কৰিছিল মনসাৰ স্বামী অজগৰে । তদ্ৰূপ 'মাৰে-গীত'তো পদ্মাই তেওঁৰ স্বামী অজগৰৰ জৰিয়তে লখিন্দৰক দংশন কৰাইছে । 'মনসা-গীত' আৰু 'মাৰে-গীত' উভয়তে বেউলাই পদ্মাৰ স্বামী অজগৰক সঁফুৰাত বন্দী কৰিছে । নাৰায়ণদেৱৰ পৰম্পৰাত মনসা বা পদ্মাৰ স্বামীৰ নাম জৰৎকাৰু আৰু লখিন্দৰক বধ কৰোৱা হৈছে কালিনাগৰ দ্বাৰা ।

'মাৰে-গীত'ৰ অনেক কথা-কথাংগ, বৰ্ণনা আৰু দিহাৰ লগত নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ৰ সাদৃশ্য স্পষ্ট । উদাহৰণ স্বৰূপে মেৰ-ঘৰত শুই থকা লখিন্দৰক দংশন কৰিবলৈ যোৱা আৰু লখিন্দৰৰ ৰূপমুগ্ধ কালিনাগে (অজগৰে) কৰা ক্ৰন্দনলৈ আঙুলিয়াব পাৰি ; যেনে :

নাৰায়ণদেৱ :

দিহা : অ সৰপে বোলৰে সুন্দৰি আচে কোলে ।
কিমতে দংসিম লখাই দয়া লাগে মোৰে ॥
পদ : মুণ্ডত দংসিম লখাইৰ ঝুনা নাৰিকল ।
কেসত দংসিম লখাইৰ চাকৰা চোৱাৰ ॥
কপালত দংসিম লখাইৰ দ্বিতিয়াৰ চান্দ ।
দুই কৰ্ন দংসিম লখাইৰ বৰগাছৰ পান ॥"

মাৰে-গীত :

দিহা : সৰপে বোলেৰে সুন্দৰী আছে কোলে,
কিমতে দঁকিম বাচাক দয়া লাগয়ৰে ।
দঁকিম দঁকিম বাচাক ছুভা লৈয়াৰে ॥

পদ : কেশতে দংকিবা নবং হাবিয়া চোঙৰ।
মুণ্ডতে দংকিবা নবং ঝুণা নাৰিকল ॥
কপালত দংকিবা নবং দ্বিতীয়াৰ চান।
কাণতে দংকিবা নবং মৰেঙাৰ পান ॥' ইত্যাদি।

তেনেদৰে দিহাৰ প্ৰসংগতো নাৰায়ণদেৱৰ নিৰ্মিতিৰ সৈতে 'মাৰে-গীত'ৰ মিল দেখা যায়; যেনে :

নাৰায়ণদেৱ : 'অই-আৰে-উঠিয়া ৰন্ধন চলৰে কন্যা
বোলৰে লখিন্দৰ ॥

মাৰে-গীত : উঠিয়া ৰান্ধন চলাল কনাৰে ॥

গীত-পদৰ লগতো নাৰায়ণদেৱৰ লগত 'মনসা গীতৰ' সাদৃশ্য চকুত লগা, যেনে :

নাৰায়ণদেৱ : নষ্ট কৰে নাঙ্গল তাৰ নষ্ট কৰে ফাল।

মাৰে গীত : নষ্ট হয় তাৰ নাঙল-যুঙাল নষ্ট হয় ফাল।

নাৰায়ণদেৱ : দধি হেন বস্তু প্ৰভু খাইতে লাগে মিথা।
নিতে নিতে খাইলে পাচে সিও হৰে তিতা ॥

মাৰে-গীত : মিঠাই বোলা বস্তুটো জগতে পায় মিঠা।
দিনক দিনে খালে মিঠাই সিও লাগে তিতা ॥ ইত্যাদি

দুৰ্গাবৰ-নাৰায়ণদেৱৰ গীত-পদৰ দৰে 'মাৰে-গীতো' দিহা বিশিষ্ট; কিন্তু 'মাৰে-গীত'ত ৰাগ-ৰাগিণীৰ উল্লেখ নাই। 'মাৰে-গীত'ৰ গীতবোৰো সাংগীতিক গুণ বিশিষ্ট। দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাৰ লোক-ভাষাৰ নিদৰ্শন বহন কৰিব পাৰে 'মাৰে-গীত'ৰ ভাষাই। মনকৰ-দুৰ্গাবৰ আৰু নাৰায়ণদেৱে লিখিত ৰূপ দিয়া মনসা-কথাবৃত্তৰেই আন এটি ধাৰাৰ প্ৰত্যক্ষ বাহক হ'ল 'মায়াৰন্তী বিষহৰি' বা 'মাৰে-গীত' সমূহ। মনসা-কথাবৃত্তৰ পৰম্পৰা শক্তিশালী কৰাৰ প্ৰসংগত এই গ্ৰন্থখনিৰ মূল্য স্বীকাৰ কৰিবই লাগিব।

পঞ্চম অধ্যায়

সুকবি নাৰায়ণদেৱ ঃ পদ্মা-পুৰাণ

ক. সুকবি নাৰায়ণদেৱ ঃ

মুখপৰম্পৰা প্ৰচলিত মনসা-কথাবৃত্তক মহাকাব্যীয় বা পুৰাণ সন্মত ৰূপ প্ৰদানকাৰী সুকবি নাৰায়ণদেৱৰ স্থান-কাললৈ নানা মুনিৰ নানা মত। কোনো কোনো পণ্ডিতৰ মতে নাৰায়ণদেৱৰ জন্ম হৈছিল মগধত অৰ্থাৎ বিহাৰত ('নাৰায়ণদেৱ কয় জন্ম মগধ')।[১] সুকুমাৰ সেনে ঠাৱৰ কৰে যে, উত্তৰ-পূৰ্ব বংগদেশত নাৰায়ণদেৱৰ জন্ম হৈছিল; কিন্তু তেওঁৰ পূৰ্ব পুৰুষ পশ্চিমবংগ অৰ্থাৎ ৰাঢ়দেশৰ পৰা উত্তৰ পূৰ্ব বংগদেশলৈ আহি ব্ৰহ্মপুত্ৰা নামে ঠাইত নিগাজীকৈ বসবাস কৰিছিল। নাৰায়ণদেৱৰ পূৰ্ব পুৰুষে উত্তৰ-পূৰ্ব বংগদেশত মনসা-কথাবৃত্তৰ পৰম্পৰা প্ৰবৰ্তন কৰে আৰু সুযোগ্য বংশধৰ নাৰায়ণদেৱে এই পৰম্পৰাক লিখিত ৰূপ দিয়ে।[২] আশুতোষ ভট্টাচাৰ্য্যৰ মতে নাৰায়ণদেৱে পূৰ্ববংগৰ ময়মনসিং জিলাৰ কিশোৰগঞ্জ মহকুমাৰ অধীনস্থ তাড়াইল থানাৰ অন্তৰ্গত নাচিৰুজিয়াল পৰগণাৰ বোৰগ্ৰামত বসতি কৰিবলৈ লয়। বংগবিভাগৰ পূৰ্বলৈকে নাৰায়ণদেৱৰ বংশধৰসকলে এই গাঁৱতে বসতি কৰিছিল। তেওঁলোকেল মুছলমান নবাব প্ৰদত্ত 'বিশ্বাস' পদবী ব্যৱহাৰ কৰিছিল।[৩]

নাৰায়ণদেৱে শ্ৰীহট্টজিলাত জন্ম লাভ আৰু বসবাস কৰিছিল বুলিও জনশ্ৰুতি প্ৰচলিত। শ্ৰীহট্ট জিলা কিছুদিন আগলৈকে অসমৰ চাৰিসীমাৰ ভিতৰতে আছিল। ডিম্বেশ্বৰ নেওগে অনুমান কৰে যে, 'পদ্মা-পুৰাণ'ৰ গীতৰ নায়ক লখিন্দৰৰ বিখ্যাত মেৰ-ঘৰ থকা ছয়গাঁও অঞ্চলৰ ওচৰচুবুৰীয়া 'পচৰিয়া' গাঁৱত নাৰায়ণদেৱৰ জন্ম।[৪] ভাৰত চন্দ্ৰ দাসৰ মতে নাৰায়ণদেৱ গোঁসাই নগৰ

---

১. দীনেশচন্দ্ৰ সেন ঃ বংগ সাহিত্য-পৰিচয়, ১ম খণ্ড, পৃ. ১৭২
আশুতোষ ভট্টাচাৰ্য্য (সম্পা) ঃ বাইশ কবিৰ মনসা-মংগল, ভূমিকা, পৃ. ২/.

২. S. Sen : *History of Bengali Literature*, p. 120

৩. আশুতোষ ভট্টাচাৰ্য্য (সম্পা) ঃ প্ৰাগুক্ত গ্ৰন্থ

৪. ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ. ২২৮

হাজোৰ ওচৰৰ মানুহ।[৫] দীনেশ্বৰ শৰ্মাই নাৰায়ণদেৱক দৰঙী ৰজা ধৰ্ম নাৰায়ণৰ সভাকবি বা সভাপণ্ডিত বুলি কব খোজে। তেওঁৰ মতে নাৰায়ণদেৱ-বিৰচিত গীতৰ ৰসত আপ্লুত হৈ ধৰ্মনাৰায়ণে তেওঁক সুকবি আখ্যা দিছিল। দ্বিতীয়তে, দৰঙৰ বয়নাকুছি মৌজাৰ ঘোঁৰাশাল নামৰ গাঁৱত নাৰায়ণদেৱৰ জন্ম হৈছিল। এই গাঁওখন ইংৰাজ শাসনৰ পূৰ্বে ব্যাসপাৰাৰ ভিতৰতে আছিল।[৬] দৈৱচন্দ্ৰ তালুকদাৰে, দীনেশ্বৰ শৰ্মাৰ মতেই নাৰায়ণদেৱক দৰঙী ৰজা ধৰ্মনাৰায়ণৰ সভ কবি বুলি ঠাৱৰ কৰি তেওঁৰ জন্ম ব্যাসপাৰাত হোৱা বুলি কৈছে।[৭] কোনো কোনোৱে আকৌ নাৰায়ণদেৱৰ জন্ম আৰু সাহিত্য চৰ্চাৰ স্থান ৰূপে উত্তৰ গোৱালপাৰালৈ আঙুলিয়াব খোজে। সত্যেন্দ্ৰ নাথ শৰ্মাই ভাৰত চন্দ্ৰ দাসৰ অনুমানৰ ওপৰত নিৰ্ভৰ কৰি কৈছে যে, সুকবি নাৰায়ণদেৱে শুৱালকুছিৰ বাসত্তৰীয় ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। দ্বিতীয়তে, তেওঁ নাৰায়ণ-দেৱক দৰঙীৰজা ধৰ্মনাৰায়ণৰ (খৃঃ ১৬১১-১৬৩৭ চন) ৰাজত্ব কালৰ কবি বুলিও কব খোজে।[৮] মহেশ্বৰ নেওগে উল্লেখ কৰিছে যে, শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণসকলে আৰু মঙ্গলদৈৰ ব্যাহপাৰাৰ ব্ৰাহ্মণসকলে নিজকে নাৰায়ণদেৱৰ বংশধৰ ৰূপে পৰিচয় দিয়ে। প্ৰচলিত বিশ্বাস মতে নাৰায়ণদেৱ দৰঙী ৰজা ধৰ্ম নাৰায়ণৰ ৰাজত্ব কালৰ কবি।[৯] হৰিনাথ শৰ্মাদলৈয়ে অনুমান কৰে যে, নাৰায়ণদেৱ বৰ্তমানে কামৰূপ জিলা নামে জনাজাত অঞ্চলৰেই মানুহ আছিল। শৰ্মাদলৈৰ মতে নাৰায়ণদেৱৰ 'পদ্ম'-পুৰাণ' পূৰ্ববংগ আৰু পশ্চিমবংগত প্ৰচাৰিত হৈছিল কামৰূপৰ পৰা। তেওঁৰ ভাষাত : 'নাৰায়ণদেৱৰ কাব্য সকলো দিশৰ পৰা ইমান জনপ্ৰিয় আছিল যে, ই ক্ষিপ্ৰ গতিত পূৰ্ববংগলৈ আৰু তাৰ পৰা পশ্চিম বংগলৈকে প্ৰচাৰিত হয়। আমি ভাবো-খুব সম্ভৱ তাত এই কাব্যৰ পাঠৰ ওপৰত বঙালী-ভাষাৰ ৰহণ পৰে।'[১০]

বংগদেশত প্ৰচলিত লিখিত পৰম্পৰাৰ মতে নাৰায়ণদেৱ কায়স্থকুলোদ্ভৱ :

৫. ভাৰত চন্দ্ৰ দাস : অসমীয়া সাহিত্য-বুৰঞ্জী (মনসা-শাখা), পৃ ৭৪
৬. দীনেশ্বৰ শৰ্মা : মঙ্গলদৈৰ বুৰঞ্জী, (ব্যাসপাৰা, ১৯৬২), পৃ. ১৭৪-০৫
৭. দৈৱচন্দ্ৰ তালুকদাৰ (সম্পা) : সুকনানী : পদ্মাৱতী, পাতনি, পৃ. ৹০৫
৮. সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ ১২৩
৯. মহেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ২১২
১০. হৰিনাথ শৰ্মা দলৈ : অসমত শক্তি-সাধনা আৰু শাক্ত-সাহিত্য, পৃ. ২০৩

"অতি শুদ্ধ জন্ম মোৰ কায়স্থেৰ ঘৰ।
মৌদ্‌গোল্য গোত্র মোৰ গাই গুণাকৰ॥'[১১]

অসমত প্ৰচলিত পৰম্পৰা অনুসৰি নাৰায়ণদেৱ ব্ৰাহ্মণকুলোদ্ভৱ :

'আমি ব্ৰাহ্মণ জাতি মুখহস্তে উতপতি
ক্ষেত্ৰি জন্মিলা বাহু হস্তে।
বৈশ্য হৈল উকস্থলে শূদ্ৰ হৈল চৰণে
চাৰি জাতি জন্মিল এহিমতে॥'[১২]

বিপ্ৰ জানকী নাথ, বিপ্ৰ ৰঘুনাথ আদি নামেৰেও নাৰায়ণদেৱ পৰিচিত।[১৩] কবিৰ ভাষাতঃ

নাৰায়ণদেৱে বোলে প্ৰভু ৰাম পদতলে
বিপ্ৰ জানকী নাথে গাই।'

এই ফালৰপৰা নাৰায়ণদেৱ যে, ব্ৰাহ্মণকুলোদ্ভৱ আছিল তাত সন্দেহ নাই।

বঙলা আৰু অসমীয়া উভয় পৰম্পৰাতে নাৰায়ণদেৱৰ পিতৃৰ নাম নৰসিংহ। যেনে :

বঙলা : 'পিতামহ উদ্ধৱ নৰসিংহ পিতা।
মাতামহ প্ৰভাকৰ ৰুক্মিণী মোৰ মাতা॥'[১৪]

অসমীয়া : (ক) 'নৰসিংহ সুত কবি দেৱ নাৰায়ন।
ৰচিলা পাঞ্চালি গিত পদ্মাৰ চৰন॥'[১৫]

(খ) 'নৰসিংহ সুত কবি নাম নাৰায়নে।
ৰচিল পুৰান-গিত পদ্মাৰ চৰনে॥'[১৬]

বঙলা পৰম্পৰা অনুসৰি নাৰায়ণদেৱৰ মাতৃৰ নাম 'ৰুক্মিণী'; কিন্তু অসমীয়া পৰম্পৰাত কবি গৰাকীৰ মাতৃৰ নামোল্লেখ পোৱা নাযায়।

নাৰায়ণদেৱৰ উদ্ভৱৰ কাল সম্পৰ্কে সঠিকভাৱে কোৱা টান। বঙলা পণ্ডিত সুকুমাৰ সেনৰ মতে নাৰায়ণদেৱ খৃঃ ষোড়শ শতিকাৰ লোক। তেওঁৰ ভাষাত :

---

১১. আশুতোষ ভট্টাচাৰ্য্য (সম্পা) : প্ৰাগুক্ত গ্ৰন্থ, ভূমিকা, পৃ. ২/.
১২. দৈৱচন্দ্ৰ তালুকদাৰ (সম্পা) : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭-৮
১৩. ভাৰত চন্দ্ৰ দাস, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৪
১৪. আশুতোষ ভট্টাচাৰ্য্য, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২/.
১৫. নবীনচন্দ্ৰ শৰ্মা (সম্পা) : পদ্মা-পুৰাণ, ভাটীয়ালী খণ্ড, পৃ. ৯৮
১৬. উ. গ্ৰ., পৃ. ১৯৫

"Of the poems on the story of Manasā only one can be assigned to the sixteenth century with some assurance. This is Nārāyaṇa Deva's *Manasā-maṅgal*"[17] কোনো কোনো বঙলা পণ্ডিতৰ মতে খৃঃ দ্বাদশ-ত্ৰয়োদশ শতিকাত নাৰায়ণদেৱৰ উদ্ভৱ হৈছিল।[18] আশুতোষ ভট্টাচাৰ্য্যই অনুমান কৰে যে, নাৰায়ণদেৱ ইমান প্ৰাচীন কবি নহয়; যিহেতু তেওঁৰ জন্ম চৈতন্যদেৱৰ পূৰ্বকালত হোৱা নাই, পৰবৰ্তী কালতহে হৈছে। গতিকে নাৰায়ণদেৱৰ উদ্ভৱৰ কাল স্বৰূপে খৃঃ পঞ্চদশ শতিকাকৈ আঙুলিওৱাই শ্ৰেয়।[19] দীনেশচন্দ্ৰ সেনৰ মতেও নাৰায়ণ দেৱ খৃঃ পঞ্চদশ শতিকাৰ কবি।[20] ভাৰত চন্দ্ৰ দাসে খৃঃ দ্বাদশ শতিকাৰ শেষভাগত নাৰায়ণদেৱৰ জন্ম হৈছিল বুলি অনুমান কৰে।[21] এই অভিধাৰণাটো মানি ললে নাৰায়ণদেৱক মনকৰ-দুৰ্গাবৰৰ পূৰ্ব কবি ৰূপে স্বীকৃতি দিব লাগিব; কিন্তু নাৰায়ণদেৱৰ নিৰ্মিতিৰ বিষয়বস্তু আৰু বিষয়বস্তুৰ সংযুতি তথা ভাষাগত বৈশিষ্ট্যই তেওঁক মনকৰ-দুৰ্গাবৰৰ পৰবৰ্তী কবি ৰূপেহে প্ৰতিপন্ন কৰায়। ডিম্বেশ্বৰ নেওগে ঠাৱৰ কৰে যে, নাৰায়ণদেৱ দুৰ্গাবৰৰ পৰবৰ্তী কালৰ কবি। তেওঁৰ ভাষাত: "মনকৰ আৰু দুৰ্গাবৰ এই দুজন মনসা কবিৰ ভাষাতকৈ নাৰায়ণদেৱৰ গীতৰ ভাষা অধিক প্ৰাচীন যেন নালাগে; দুৰ্গাবৰৰ ভণিতাৰপৰা তেওঁক বিশ্বসিংহৰ সমসাময়িক আৰু এই বাবেই ষোড়শ শতিকাৰ আগভাগ বা পঞ্চদশ শতিকাৰ শেষ ভাগৰ বুলি ঠাৱৰোৱা হৈছে, এতেকে নাৰায়ণদেৱৰ কাল তাৰ আগত নহয় বুলি ধৰিব পাৰি।'[22] দীনেশ্বৰ শৰ্মাই নাৰায়ণদেৱক দৰঙ্গী ৰজাৰ সভাপণ্ডিত গায়ক আৰু কবি ৰূপে আখ্যা দিছে।[23] কিন্তু কোনজন দৰঙ্গীৰজাৰ তেওঁ সভাকবি আছিল সেই বিষয়ে শৰ্মাই উল্লেখ কৰা নাই। সম্ভৱ তেওঁ 'দৰঙ্গীৰজা' কথাষাৰৰ জৰিয়তে বলীনাৰায়ণ ওৰফে ধৰ্মনাৰায়ণক ইংগিত কৰিছে ধৰ্মনাৰায়ণে খৃঃ ১৬১৫—১৬৩৭ চনলৈ ৰাজত্ব কৰিছিল। গতিকে নাৰায়ণদেৱ এই সময়ছোৱাৰ অৰ্থাৎ খৃঃ সপ্তদশ শতিকাৰ কবি হ'ব লাগিব। দৈৱচন্দ্ৰ

১৭, S. Sen, *op-cit*, p. 120

১৮. আশুতোষ ভট্টাচাৰ্য্য, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২

১৯. উ. গ্ৰ.

২০. দীনেশচন্দ্ৰ সেন, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫৮৭

২১. ভাৰত চন্দ্ৰ দাস, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৯

২২. ডিম্বেশ্বৰ নেওগ, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৩১

২৩. দীনেশ্বৰ শৰ্মা, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৪

তালুকদাৰেও নাৰায়ণদেৱক ধৰ্মনাৰায়ণৰ ৰাজত্বকালৰ কবি বুলি কৈছে।[২৪] মহেশ্বৰ নেওগেও নাৰায়ণ দেৱক ধৰ্মনাৰায়ণৰ দিনৰ কবি বুলিছে।[২৫] সত্যেন্দ্ৰ নাথ শৰ্মাই নাৰায়ণদেৱক খৃঃ সপ্তদশ শতিকাৰ প্ৰথম ভাগৰ কবি ৰূপে অভিহিত কৰিছে। তেওঁৰ ভাষাত : "সুকবি নাৰায়ণদেৱক কালিৰাম মেধি, ভাৰত চন্দ্ৰ দাস আদি আগৰ চামৰ লেখকসকলে প্ৰাক্ শংকৰীযুগত স্থাপন কৰিছে যদিও প্ৰকৃততে তেওঁ সপ্তদশ শতিকাৰ প্ৰথম ভাগৰ কবি বুলিহে তেওঁৰ কাব্যই সাক্ষ্য দাঙি ধৰে। কোচহাজোৰ সপ্তদশ শতিকাৰ কোচৰজা বলীনাৰায়ণ বা ধৰ্মনাৰায়ণৰ (১৬১৫—১৬৩৭) ৰাজত্বত এই কবি জনাৰ উদ্ভৱ হৈছিল বুলি লোকপৰম্পৰা আৰু দৰঙী ৰজাৰ ঘৰত সংৰক্ষিত তেওঁৰ কাব্যৰ একাধিক পাণ্ডুলিপি আৰু দৰং-পাতিদৰঙত তেওঁৰ ৰচনাৰ সৰ্বাধিক জনপ্ৰিয়তাই উক্ত মত দৃঢ় কৰাত সহায় কৰে।"[২৬] এই ফালৰপৰা নাৰায়ণদেৱক দৰঙীৰজা ধৰ্মনাৰায়ণৰ ৰাজত্ব কালৰ কবি বুলিব পাৰি। তেতিয়াহলে তেওঁৰ উদ্ভৱৰ সময় হ'ব খৃঃ সপ্তদশ শতিকাৰ প্ৰথমাৰ্ধ।

অন্যহাতে নাৰায়ণদেৱক এক পৰম্পৰা বুলি কলেহে ৰজিতা খায় যেন লাগে। স্বৰূপাৰ্থত নাৰায়ণদেৱৰ পৰম্পৰা আৰম্ভ হৈছিল বিহাৰত আৰু বংগদেশত পল্লবিত হবলৈ ধৰে আৰু পশ্চিম অসমত ই পূৰ্ণত্ব লাভ কৰে। বিহাৰত নাৰায়ণদেৱৰ গীতে বিহাৰী ৰূপ লাভ কৰিছে, বংগদেশত বঙলা আৰু অসমত অসমীয়া ৰূপ লাভ কৰিছে। আনকি পাতিৰাভাৰ বিষহৰী বা বৰমানী পৰম্পৰাতো নাৰায়ণদেৱৰ পৰম্পৰাই আংশিক ভাৱে হলেও প্ৰৱেশ লাভ কৰিছে।

এইটোও সত্য যে, নাৰায়ণদেৱৰ পৰম্পৰাই মহাকাব্য বা পুৰাণ ৰূপত লিখিত ৰূপ লাভ কৰে দৰঙী বঙা ৰজা ধৰ্মনাৰায়ণৰ ৰাজত্ব কালত। দৰঙী ৰজাসকলৰ বংশধৰসকলৰ জিম্মাত বৰ্তমান অতি কমেও 'পদ্মা-পুৰাণ'ৰ ১০/১২ খন প্ৰতিলিপি ব্যক্তিগত বা ৰাজহুৱা মনসা-মন্দিৰত (গোসাঁই ঘৰত) সংৰক্ষিত হৈছে। এই প্ৰতিলিপিবিলাক সৰ্প-দেৱী মনসাৰ প্ৰতিৰূপ (replica) ৰূপে পূজিত হৈ আহিছে। আনকি প্ৰসিদ্ধ সুকনানি ওজাপালিৰ ওজাৰ ঘৰতো 'পদ্মা-পুৰাণ'ৰ প্ৰতিলিপি পোৱা যায়। সাপৰ ওজা অৰ্থাৎ সাপৰ বিষ জৰা

২৪. দৈৱচন্দ্ৰ তালুকদাৰ, প্ৰাগুক্ত গ্ৰন্থ, পৃ. '০৫

২৫. মহেশ্বৰ নেওগ, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২:২

২৬. সত্যেন্দ্ৰ নাথ শৰ্মা : পুৰণি সাহিত্য-অধ্যয়ন, পৃ. ১৯৫

বেজৰ ঘৰতো 'পদ্মা-পুৰাণ'ৰ প্ৰতিলিপি সংৰক্ষিত। ইয়াৰ বাহিৰেও 'পদ্মা-পুৰাণ'ৰ ভাষাত দৰঙী কথিত ভাষাৰ প্ৰতিফলন লক্ষ্য কৰা যায়। এইদৰে চালি-জাৰি চাই কব পাৰিযে, নাৰায়ণদেৱ নামৰ এগৰাকী কবিয়ে দৰঙীৰজা ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল নে নাই সেই বিষয়ে নিশ্চিত ভাৱে কব নোৱাৰিলেও নাৰায়ণদেৱৰ নামত মুখ-পৰম্পৰা প্ৰচলিত মনসা-গীতে দৰঙী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰা কোনোবা এগৰাকী কবিৰ হাতত লিখিত ৰূপ লাভ কৰে।

নাৰায়ণদেৱক সুকবি অৰ্থাৎ শ্ৰেষ্ঠ কবি আখ্যা দিয়া হয়। তেনেদৰে তেওঁক 'সুকবি বল্লভ' অৰ্থাৎ শ্ৰেষ্ঠ কবিৰ প্ৰিয়জন অৰ্থাৎ অদ্ভুত কবিত্ব শক্তি সম্পন্ন কবিও বোলা দেখা যায়; যেনে:

'নাৰায়ন দেৱে কয় সুকবি বল্লভে হয়
ৰাঘোৱাই ঘিলা কৰিলা ভক্ষন॥[২৭]

আৰু, 'নাৰায়ণ দেৱে কয় সুকবি বল্লভে হয়
বেউলা দেখি হৰসিতে বোলে॥[২৮]

নাৰায়ণদেৱ যে জনপ্ৰিয় কবি আছিল তাৰ আভাস এই বিশেষণ দুটিৰ পৰা (সুকবি, সুকবি বল্লভ) নিশ্চিত হ'ব পাৰি। কোনো কোনো পণ্ডিতৰ মতে এই বিশেষণ দুটি নাৰায়ণদেৱক দিছিল দৰঙী ৰজা ধৰ্মনাৰায়ণে।[২৯] 'পদ্মা-পুৰাণে' যে কোচৰজাসকলৰ ৰাজত্ব কালত লিখিত ৰূপ লাভ কৰিছিল তাৰ আভাস পোৱা যায় এই ভাষা-পুৰাণ খনিত উল্লেখিত কোচৰ নগৰত শিৱই ভিক্ষা কৰা বিষয়ক বৰ্ণনাংশৰ পৰা।[২৯ক]

খ. পদ্মা-পুৰাণ

নাৰায়ণদেৱৰ নামত প্ৰচলিত 'মনসা-গীত'খিনিৰ সমষ্টিক 'পদ্মা-পুৰাণ' বা 'সুকনানি' বা 'সুকনাম্নী' বোলে। এই পদটো 'সুকবি নাৰায়ণদেৱ নিগদতি'.

২৭. নবীন চন্দ্ৰ শৰ্মা (সম্পা), প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৩৮
২৮. উ. গ্ৰ., পৃ. ১৫৮
২৯. দীনেশ্বৰ শৰ্মা, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৪
২৯ক. কালি উঠিয়া জাইবো কোচৰ নগৰে।
ভিক্ষা কৰি জত পাঞা আনি দিবো তোৰে॥
পদ্মা-পুৰাণ (Ms), পৃ. ৩২খ.

বাক্যটোৰ প্ৰতিটো পদৰ আদ্য অক্ষৰৰ সংযোগত সিদ্ধ হৈছে ; যেনে : সু (সু) + ক (কবি) + না (নাৰায়ণদেৱ) + নি (নিগদতি) = সুকনানি, আৰু আদ্য শ্বাসাঘাত হেতু মধ্যস্বৰ 'অ' লোপ পোৱা বাবে পদটো 'সুকনান্নি' বা সুকনান্নী' ৰূপে উচ্চাৰিত হবলৈ ধৰিলে।[৩০]

১. পুৰাণ

নাৰায়ণদেৱৰ মনসা-গীতৰ সমষ্টিক 'পুৰাণ' (পদ্মা-পুৰাণ) আখ্যা দিয়া হৈছে। পুৰাণ বুলি কলে সাধাৰণতে আখ্যান বিশিষ্ট গ্ৰন্থক নির্দেশ কৰে : 'পুৰাণম্ আখ্যানম্'। নাৰায়ণদেৱৰ 'মনসা-গীত'ৰ সমষ্টিটিও বিভিন্ন আখ্যান বা কাহিনীৰ সমষ্টি। এইফালৰপৰা ইয়াক 'পুৰাণ' আখ্যা দিয়াত আপত্তি উঠিব নোৱাৰে। কিন্তু শেষলৈ সংস্কৃত পৰম্পৰাত 'পুৰাণ' পদে পুৰাবৃত্ত (myth) আৰু পৰম্পৰাগত কাহিনী (legend) বিশিষ্ট বিশেষ এশ্ৰেণীৰ ৰচনাক বুজাবলৈ ধৰিলে। ভাৰতীয় পৰম্পৰা অনুসৰি পুৰাণ পঞ্চ লক্ষণ বিশিষ্ট। যেনে :

'সর্গশ্চ প্ৰতিসর্গশ্চবংশোমন্বন্তৰাণি চ।
বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চলক্ষণম্ ॥'[৩১]

অর্থাৎ সর্গ (জগৎ সৃষ্টি বা অনাদি পাতন) ; প্ৰতিসর্গ (ব্ৰহ্মাৰ সৃষ্টিৰ অন্তত দক্ষাদি প্ৰজাপতিৰ সৃষ্টি, কল্পাদি আৰু যুগাদিৰ সৃষ্টি) ; বংশ (দেৱতা, অসুৰ, পিতৃসকল, ঋষি-মুনি আৰু নৃপতিসৱৰ বংশানুচৰিত) ; মন্বন্তৰ (একোজন মনুৰ ৰাজ্য শাসনৰ কাল) আৰু বংশানুচৰিত (ৰাজবংশৰ বর্ণনা) -এই পাঁচটাই পুৰাণৰ লক্ষণ। মুঠতে দেৱতা-ঋষি-মুনিসকলৰ বংশাৱলী, মনু-সকলৰ বয়স, চন্দ্ৰ আৰু সূর্য্যবংশীয় ৰজাসকলৰ ইতিহাস পুৰাণত থাকিব লাগিব।

---

৩০. নবীন চন্দ্ৰ শৰ্মা : অসমৰ ওজাপালি, পৃ. ৪১
"Nārāyaṇ often added the epithet 'Sukavi' (Good poet) to his name. This led to the name 'Sukavi-nārāyaṇa' by which his poem came to be known later. This name was corrupted into 'Sukanānni' [from *Sukavi-nārāyaṇī* meaning '(the poem) belonging to Sukavi Nārāyaṇa.]
Sukumar Sen : *History of Bengali Literature*, pp. 120-21

৩১. বিষ্ণু-পুৰাণ ৩।৬।২৫ ;

পৰবৰ্তী পুৰাণ বিশেষকৈ 'ভাগৱত-পুৰাণ'ত পুৰাণৰ পঞ্চ লক্ষণৰ ঠাইত দশলক্ষণ স্বীকাৰ কৰা হ'ল ; যেনে ঃ

"সৰ্গোঽস্যাথ বিসৰ্গশ্চ বৃত্তি ৰক্ষান্তৰাণি চ ।
ৱংশোৱংশ্যানুচৰিতং সংস্থা হেতুৰপাশ্ৰয়ঃ ।
দশভিৰ্লক্ষণৈৰ্যুক্তং পুৰাণং তদ্বিদোৱিদুঃ ।
কেচিৎ পঞ্চবিধং ব্ৰহ্মন্মহদল্পব্যৱস্থয়া ।।"[৩২]

অৰ্থাৎ সৰ্গ (অনাদি পাতন অৰ্থাৎ সৃষ্টি পাতন), বিসৰ্গ (বিশেষ সৃষ্টি, ৱিসৃষ্টি), বৃত্তি (জীবিকাৰ মাধ্যম), ৰক্ষা (পালন), অন্তৰ (মন্বন্তৰ), ৱংশ (নৃপতি সৱৰ বংশাৱলী), ৱংশানুচৰিত (বংশৰ বৰ্ণনা), সংস্থা (প্ৰলয়), হেতু (সৃষ্টিৰ কাৰণ) আৰু অপাশ্ৰয় (সৰ্বজনৰ শেষ আশ্ৰয়)-এই দশবিধ লক্ষণযুক্ত ৰচনাই পুৰাণ ।

এই দশ-লক্ষণৰ বাহিৰে ধৰ্ম অৰ্থ, কাম, মোক্ষ এই চতুৰ্বৰ্গৰ সাধনো পুৰাণৰ লক্ষণ হোৱাৰ সপক্ষে কোনো কোনো পুৰাণে মত পোষণ কৰে । পৰৱৰ্তী কালত 'মহা-পুৰাণ'ৰ বাবে দশ লক্ষণ আৰু উপ-পুৰাণৰ বাবে পঞ্চ-লক্ষণৰ পৰম্পৰাও স্বীকাৰ কৰা হ'ল ।

সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত পুৰাণৰ অন্ততঃ পঞ্চলক্ষণ যেনে : সৰ্গ ('পদ্মা-পুৰাণ'ত বৰ্ণিত সৃষ্টিৰ বৰ্ণনা) ; প্ৰতিসৰ্গ (পদ্ম -পুৰাণ'ত বৰ্ণিত দক্ষাদি প্ৰজাপতিৰ সৃষ্টি) ; বংশ ('পদ্মা-পুৰাণ'ত বৰ্ণিত বিভিন্ন ৰজাৰ বংশানুচৰিত, যেনে : চন্দ্ৰধৰ, শাহেৰজা, বিভীষণ, কোটেশ্বৰ, শংকট সাধু, চন্দ্ৰকেতু আদি ৰজাৰ বংশ পৰিচয়) ; মন্বন্তৰ ('পদ্মা-পুৰাণ'ত বৰ্ণিত মনুৰ ৰাজ্য শাসনৰ কাল) ; বংশানুচৰিত (পদ্মা-পুৰাণ'ত বৰ্ণিত বিভিন্ন ৰাজবংশৰ বৰ্ণনা) আদি পোৱা যায় । দ্বিতীয়তে, 'পদ্মা-পুৰাণ'ত ধৰ্ম-অৰ্থ-কাম-মোক্ষ-এই চতুৰ্বৰ্গৰ সাধনৰ কথাও কোৱা হৈছে । এই ফালৰপৰা নাৰায়ণদেৱৰ নিৰ্মিতি বিশেষক 'পুৰাণ' আখ্যা দিব পাৰি । প্ৰচলিত পৰম্পৰানুসৰি 'পুৰাণ' সংস্কৃতত ৰচিত হব লাগে । 'পদ্মা-পুৰাণ' ৰচিত হৈছে অসমীয়া ভাষাত । আন যিকি নহওক 'পদ্মা-পুৰাণ'ক ভাষা-পুৰাণ বুলিব পাৰি ।

২. মহাকাব্য : 'পদ্মা-পুৰাণে' লিখিত ৰূপ লাভ কৰিছে মৌখিক মহাকাব্যৰ (Folk epic) পৰা । ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, আদিতে 'ৰামায়ণ' আৰু 'মহাভাৰত' লোকমহাকাব্যহে আছিল ; বাল্মীকি

৩২. ভাগৱত-পুৰাণ ১২।৭।৯-১০
পদ্মা-পুৰাণ--২৬

আৰু ব্যাসদেৱে ক্ৰমে ইয়াক লিখিত ৰূপ দিয়ে। লিখিত পৰম্পৰাত প্ৰৱেশ কৰাৰ লগে লগে পূৰ্বৰ লোক বা মৌখিক মহাকাব্যৰ ঐতিহ্যই লিখিত মহাকাব্যৰ পৰিসীমাত প্ৰৱেশ কৰে। তেনেদৰে মনসা কথাবৃত্ত-পৰম্পৰাও মৌখিক মহাকাব্যৰূপে প্ৰবহমান আছিল আৰু পৰবৰ্তী কালত নাৰায়ণদেৱ আদি কবিয়ে লিখিত ৰূপ দিয়াৰ লগে লগে ই লিখিত মহাকাব্য ৰূপে আত্মপ্ৰকাশ কৰে।

সাধাৰণতে দীৰ্ঘ পৰিসৰ বিশিষ্ট কাহিনীগীত বা Ballad-ৰ নামেই মৌখিক মহাকাব্য। এই প্ৰসংগত মহাকাব্যই epic of growth অথবা আদিম মহাকাব্য বা primitive epic-কহে সূচাইছে ; কলাধৰ্মী মহাকাব্য অৰ্থাৎ epic of art নাইবা লিখিত বা সাহিত্যিক মহাকাব্য অৰ্থাৎ literary epic-ৰ কথা কোৱা নাই।

মৌখিক মহাকাব্য বৰ্ণনামূলক আৰু অসাধাৰণ মানৱৰ দুঃসাহসিক কাৰ্য্যাৱলীৰ বৰ্ণন ইয়াৰ প্ৰধান উপজীব্য। এইবিধ বাচিক কলা পৰম্পৰীণ বা বংশানুক্ৰমিক ভাবে মুখে মুখে চলি থাকে। মৌখিক মহাকাব্যত ৰচয়িতাৰ নাম-ধাম নাথাকে অন্যহাতে লিখিত মহাকাব্যৰ ৰচয়িতাৰ নাম-ধাম থাকে। অৱশ্যে উভয়বিধ মহাকাব্যই বস্তুনিষ্ঠ।

মৌখিক মহাকাব্যৰ অন্যতম বিশেষত্ববোৰ এনেদৰে নিৰ্দেশ কৰিব পাৰি ; যেনে :

(ক) মৌখিক মহাকাব্য মুখ পৰম্পৰা প্ৰচলিত হৈ থাকে আৰু পৰবৰ্তী কালত ই লিখিত ৰূপ লাভ কৰে। 'পদ্মা-পুৰাণ'ৰ বিষয়বস্তু আদিতে গায়ক বা ওজাপালিৰ মুখে মুখে প্ৰচলিত হৈ আছিল, পৰবৰ্তী কালতহে ই লিখিত ৰূপ লাভ কৰিছে।

(খ) মৌখিক মহাকাব্যত বীৰত্বপূৰ্ণ বৰ্ণনত অতিৰঞ্জনৰ গুৰুত্ব পৰিলক্ষ্যণীয়। 'পদ্মা-পুৰাণ'তো বীৰত্বপূৰ্ণ বৰ্ণনত অতিৰঞ্জনৰ প্ৰাধান্য লক্ষ্য কৰা যায়।

(গ) অবৰ্ণিত ঐতিহাসিক চৰিত্ৰ আৰু ঘটনাৰ অভিক্ষেপণ আৰু স্মৰণীয় ঘটনাৱলীৰ লগত পুৰাণ-কথা বা মিথ, জনশ্ৰুতি আদিৰ পৰা আধৃত কাল্পনিক আৰু আনুষংগিক বিষয়ৰ সমাহৰণ তথা সেই বিচ্ছিন্ন ঘটনাবোৰক অবিচ্ছেদ্য ৰূপত অথচ শিথিলবন্ধী-গঢ়ত কল্পনা আৰু বাস্তৱৰ ভিত্তিত ৰূপায়ণ আদিয়েই মৌখিক মহাকাব্যৰ উল্লেখযোগ্য বিশেষত্ব। এইবিধ বাচিক কলাত ইতিহাসৰ লগত সাধুকথাৰ সংমিশ্ৰণ লক্ষ্য কৰা যায়। 'পদ্মা-পুৰাণ'তো কম-বেছি পৰিমাণে এই বৈশিষ্ট্যবাজি প্ৰকট। নাৰায়ণদেৱৰ নিৰ্মিতি বিশেষৰ প্ৰসংগতো

ইতিহাসৰ লগত সাধুকথাৰ একত্ৰীভৱন প্ৰক্ৰিয়াৰ সুন্দৰ দৃষ্টান্ত পোৱা যায়। দ্বিতীয়তে, মৌখিক বা লোক মহাকাব্যৰ দৰে 'পদ্মা-পুৰাণ'ৰ বিষয়বস্তুয়ো পুৰাণ-কথা, জনশ্ৰুতি, সাধুকথা আদিৰপৰা আধৃত।

(ঘ) মৌখিক-মহাকাব্যৰ দৰে 'পদ্মা-পুৰাণো' বিভিন্ন সামাজিক ঘটনাৱলীৰ সমষ্টি। পুৰাণ-কথা, জনশ্ৰুতি, লোকাচাৰ আদি সামাজিক ঘটনাৱলীৰ ধাৰক আৰু বাহক। দ্বিতীয়তে মিথ, জনশ্ৰুতি আদি লোকাচাৰৰ লগত সম্পৃক্ত। 'পদ্মা-পুৰাণ'ত বৰ্ণিত বিভিন্ন লোকাচাৰৰ লগতো মিথ-জনশ্ৰুতি আদি জৰিত হৈ থকা দেখা যায়।

মুঠতে নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণে' মৌখিক মহাকাব্যৰ দাবী পূৰণ কৰিব পাৰে।

ইয়াৰ বাহিৰেও 'পদ্মা-পুৰাণ'ক জাতীয় কবিতা অৰ্থাৎ 'national poetry' আখ্যা দিব পাৰি। আশুতোষ ভট্টাচাৰ্য্যৰ মতে 'communal poetry' কথাটোৱেই এক উন্নতৰ অৰ্থত 'national poetry' ৰূপে বিবেচিত হ'ব পাৰে। 'পদ্মা-পুৰাণ' বা মনসা-গীতৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে-ই communal poetry-ৰ পৰা national poetry-ৰ পৰিসীমালৈ অতিক্ৰমণ কৰাৰ যোগ্যতা লাভ কৰিছে।[৩২]

৩. পদ্মা-পুৰাণৰ বিষয়বস্তু :

'পদ্মা-পুৰাণ'ৰ বিষয়বস্তুক সাধাৰণভাবে তলত দিয়াৰ দৰে ভাগ কৰি দেখুৱাব পাৰি। অৱশ্যে 'পদ্মা-পুৰাণ'ৰ বিষয়বস্তুক বিভিন্ন ভাগত ভাগ কৰাৰ পৰম্পৰা ওজাপালিসকলৰ মাজতো প্ৰচলিত। যেনে :

(i) পূজাৰ পদ : মনসা-পূজাৰ অনুষংগত ওজাপালিয়ে বহা অৱস্থাত গোৱা গীত। এই জাতীয় গীত পাতিবাভাসকলৰ ওজাপালিৰ ক্ষেত্ৰত বহনি-সিন্টিৰ গীত ৰূপে পৰিচিত। 'পদ্মা-পুৰাণ'ৰ পূজাৰ গীত-পদৰ পৰিধিয়ে বিভিন্ন দেৱ-দেৱীৰ বন্দনা বা প্ৰশস্তিমূলক গীত-পদবোৰো সামৰে। পূজাৰ অনুষংগত গোৱা গীত-পদবোৰ পূজাৰ বিভিন্ন স্তৰ আৰু ইয়াৰ লগত জৰিত বিবিধ বস্তুৰ নৈদানিক বৰ্ণনা বিশিষ্ট গীত। যেনে : জগোৱা-পূজাৰ পদ : তালৰ জন্ম, পটাৰ জন্ম, গুৱা-পাণৰ জন্ম, ঢেকীৰ জন্ম, পিঠাগুড়িৰ জন্ম, ব্ৰহ্মাণীৰ মণ্ডপ

৩২. আশুতোষ ভট্টাচাৰ্য্য (সম্পা) : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪/.

সাজন, সংক্ষেপে মনসাৰ জন্ম মাহাত্ম্য, সৃষ্টিপাতনৰ বৰ্ণন, কুমাৰ-সৃষ্টি আৰু কুমাৰৰদ্বাৰা ঘট-চক আদিৰ নিৰ্মাণ। বন্দনা : গুৰু বন্দনা, পদ্মাৱতী বন্দনা, গৌৰীবন্দনা ইত্যাদি। মণ্ডপ-জাগন, জলবুৰুৱা বা জল আনয়নৰ পদ, জল-দেৱতা-পূজাৰ গীত, দ্বাৰশুদ্ধিৰ গীত, গণেশৰ বন্দনা, সৰস্বতী বন্দনা, ধৰ্মদেৱতাৰ বন্দনা আৰু পূজাৰ গীত, মহাদেৱৰ বন্দনা আৰু পূজাৰ গীত, ভৱানীৰ বন্দনা আৰু পূজাৰ গীত, শীতলা-বন্দনা, কামাখ্যা বন্দনা, শুভাচেনীৰ বন্দনা, মনসা-পূজাৰ গীত, অষ্টনাগৰ পূজাৰ গীত, মনসাদেৱীক বিদায় দিয়াৰ গীত।

(ii) বন্দনা-পদ বা গীত :

গণেশ, সৰস্বতী, ভৱানী, শ্ৰীৰাম, মনসা, শিৱ, শ্ৰীকৃষ্ণ আদি দেৱ-দেৱীৰ বন্দনা।

(iii) সৃষ্টি খণ্ড বা সৃষ্টি পাতন বা অনাদি পাতন :

অনাদি জনম, দিতি-অদিতিৰ জন্ম, কশ্যপৰ কথা। পক্ষী চৰিত্ৰ : অৰুণ আৰু গৰুড়ৰ জন্ম কথা, কদ্ৰু আৰু বিনতাৰ মাজত ইন্দ্ৰৰ ঘোঁৰাটোৰ নেজডালৰ বৰ্ণৰ বিষয়লৈ উদ্ভৱ হোৱা পৰিস্থিতিৰ বৰ্ণন, কদ্ৰুৰ পুত্ৰসকলৰ ষড়যন্ত্ৰত বিনতাৰ পৰাজয় আৰু সতিনীৰ ওচৰত দাসীত্ব গ্ৰহণ, স্বৰ্গৰপৰা গৰুড়ৰদ্বাৰা অমৃত আনয়ন। সমুদ্ৰ-মন্থন : লক্ষ্মী আৰু ধন্বন্তৰিৰ আবিৰ্ভাৱ। দক্ষ যজ্ঞ : সতীৰ আত্মহত্যা, শিৱৰদ্বাৰা দক্ষৰ যজ্ঞ বিনাশ, পাৰ্বতীৰ জন্ম। শিৱ-পাৰ্বতীৰ বিবাহ। লঙ্কা পাতন। গণপতিৰ জন্ম। কাৰ্ত্তিকৰ জন্ম আৰু তাৰকাসুৰ বধ। পুষ্প-ধাৰীখণ্ড : শিৱ-চণ্ডীৰ মিলন, নেতাৰ জন্ম, বিষহৰী বা পদ্মাৰ জন্ম। বাচাইৰ-দ্বাৰা মনসা-পূজা, চণ্ডীৰদ্বাৰা মনসাৰ চকুত কংকণ প্ৰহাৰ, মনসাৰদ্বাৰা চণ্ডীক দংশন, শিৱৰ ক্ৰন্দন, মনসাৰ কৃপাত চণ্ডীৰ পুনৰ্জীৱন লাভ, জৰৎকাৰুৰ লগত পদ্মাৰ বিবাহ, নেতাৰ বিবাহ, জৰৎকাৰুৰদ্বাৰা পত্নী মনসাক ত্যাগ, আস্তিকৰ জন্ম, কালিদহত (হ্ৰদত) নগৰ নিৰ্মাণ কৰি নেতা-পদ্মাৰ নিবাস ; ৰাখোৱালৰ-দ্বাৰা মনসা-পূজা, হাচেন-হোচেনৰ লগত মনসাৰ সংঘৰ্ষ আৰু হাচেন-হোচেনৰ-দ্বাৰা মনসা-পূজা। চন্দ্ৰধৰৰ কাহিনী : চন্দ্ৰধৰ বা চান্দোৰ জন্ম, 'সঙ্কট সাধুৰ' কন্যা সনেকা বা সোনেকাৰ লগত চন্দ্ৰধৰৰ বিবাহ, শিৱৰ কৃপা লাভৰ বাবে চন্দ্ৰধৰৰ ১২ বছৰ তপ, শিৱই চান্দোক পুত্ৰ ৰূপে গ্ৰহণ ('তুষ্ট হুয়া বুলিলেক দেৱ মহেশ্বৰ। আমাৰ যে পুত্ৰ ভৈলা তুমি চন্দ্ৰধৰ ॥'), শিৱৰদ্বাৰা চন্দ্ৰধৰক অমৰত্ব বৰ প্ৰদান ('কোনো কালে মৃত্যু তোৰ নহৈবেক আৰ'), চন্দ্ৰধৰৰ একান্তিকা ভক্তিত সন্তুষ্ট শিৱৰদ্বাৰা চম্পক পতিক মহাজ্ঞান প্ৰদান ('মহাজ্ঞান

দিলো সুন বচন আমাৰ'), শূলপতিৰ কৃপাত চন্দ্ৰধৰৰ ছয়পুত্ৰ প্ৰাপ্তি (শ্ৰীধৰ, শ্ৰীকৰ, গুৱাহৰ, মধুকৰ, শশীধৰ, দুৰ্গাবৰ), চন্দ্ৰধৰৰ ছয়পুত্ৰৰ বিৱাহ, পাত্ৰবৰ্গৰ অনুমোদন সাপেক্ষে চন্দ্ৰধৰৰ প্ৰথম বণিজ-যাত্ৰা।

চম্পক নগৰত পূজা-প্ৰচলনৰ উপায় উদ্ভাৱনৰ বাবে পদ্মাৰদ্বাৰা নেতাক অনুৰোধ, সৰ্পবৈৰী আৰু শিৱ-চণ্ডীৰ উপাসক চান্দোৰপৰা পূজা লাভৰ পথ যে সুকৰ নহয় সেই বিষয়ে নেতাৰদ্বাৰা মনসাক অৱগত কৰণ, চান্দোৰ অনুপস্থিতিত তেওঁৰ পত্নী সোনেকাৰপৰা পূজা লাভ কৰা উজু হ'ব বুলি নেতাৰদ্বাৰা পদ্মাক কথন, মৎস্য জীৱী ঝালো -মালোৰ লগত নেতা-পদ্মাৰ সাক্ষাৎ, ঝালো-মালোৰ দ্বাৰা মনসা-পূজন আৰ অভীষ্ট লাভ, পদ্মাৰদ্বাৰা সোনেকাক স্বপ্ন দৰ্শন আৰু মনসাক পূজিলে অনতিপলমে চন্দ্ৰধৰে নিৰাপদে আৰু ধন-সম্পতি সহ প্ৰত্যাৱৰ্তন কৰিব বুলি মনসাৰদ্বাৰা সোনেকাক কথন, ঝালো-মালোৰ ঘৰৰপৰা মনসা-ঘট আনি মণ্ডপ নিৰ্মাণ কৰি ছয়বোৱাৰী আৰু সখীসকলৰ সৈতে সোনেকাৰদ্বাৰা মনসা-পূজন আৰু মনসাৰ পৰা সোনেকাৰ বাঞ্ছিত বৰ লাভ।

চন্দ্ৰধৰৰ অনুপস্থিতিত চম্পক নগৰত মনসা-পূজাৰ বহুল প্ৰচাৰ, চণ্ডীৰ চিন্তা, চণ্ডীৰদ্বাৰা মনসাৰ বিৰুদ্ধে চন্দ্ৰধৰৰ মনত বিৰোধভাব জগাবৰ বাবে প্ৰয়াস, চন্দ্ৰধৰৰ আপত্তি ('দেৱতাৰ সমে বাদ কৰিতে নাপাৰি'), অৱশেষত পদ্মা-পূজাৰ ঘট ভাঙি মনসাক অপমান কৰিবৰ বাবে চণ্ডীৰদ্বাৰা হেমতাল প্ৰদান ('হেমতাল আনি দিলা বাদক লাগিয়া'), বণিজৰপৰা চন্দ্ৰধৰৰ প্ৰত্যাবৰ্তন, মনসাৰ কঁকাল ভাঙিবৰ বাবে চণ্ডীৰদ্বাৰা চান্দোক পুনঃ পুনঃ প্ৰৰোচিত, অৱশেষত হেমতাল প্ৰহাৰ কৰি চান্দোৰদ্বাৰা মনসাক অপমান, চন্দ্ৰধৰৰ ওপৰত নিৰ্মম প্ৰতিশোধ লবলৈ অপমানিতা আৰু ক্ৰোধান্বিতা মনসাৰ ভীষণ প্ৰতিজ্ঞা, শিৱৰ ওচৰত মনসাৰ অভিযোগ, চন্দ্ৰধৰৰ ছয় পুত্ৰক বধ কৰিবলৈ শিৱৰদ্বাৰা মনসাক আদেশ প্ৰদান, পাণ্ডুনাগৰদ্বাৰা চান্দোৰ ছয় পুত্ৰক নিধন, মহাজ্ঞানৰ সহায়ত চন্দ্ৰধৰৰদ্বাৰা ছয়পুত্ৰক পুনৰ্জীৱন দান, নেতাৰ পৰামৰ্শমতে আৰু পদ্মাৰ নিৰ্দেশ অনুসৰি নাগবিলাকৰদ্বাৰা চান্দোৰ বাগান উচ্ছন্ন, চান্দোৰ হাতত পৰাজিত হৈ নাগকুলৰ পলায়ন আৰু চান্দোৰদ্বাৰা মহাজ্ঞানৰ সহায়ত মৃত সৈনিকক পুনৰ্জীৱন দান আৰু উচ্ছন্ন বাগানৰ পূৰ্বৰূপ লাভ, চান্দোৰ মহাজ্ঞান হৰণ কৰিবৰ বাবে নেতাৰদ্বাৰা মনসাক পৰামৰ্শ, সোনেকাৰ কনিষ্ঠাভগ্নী বিবাহিতা কনকা সুন্দৰীৰ বেশেৰে পদ্মাৱতীৰ চন্দ্ৰধৰৰ গৃহলৈ গমন, কাম-বিমোহিত চন্দ্ৰধৰৰ কনকা সুন্দৰীৰ ওচৰত ৰতি ভিক্ষা, ছলনাৰ সহায়ত

ছদ্মবেশিনী পদ্মাক মহাজ্ঞান প্ৰদান ('সত্য কথা সুনি চান্দো মহাজ্ঞান দিল। সেহিক্ষনে চান্দোৰ জে বিপদ মিলিল'), নাগৰদ্বাৰা চান্দোৰ বাগান পুনঃ উচ্ছন্ন, মহাজ্ঞান-হৰণৰ নিমিত্তে চন্দ্ৰধৰৰ ক্ৰন্দন, পাণ্ডুনাগৰদ্বাৰা চন্দ্ৰধৰৰ ছয়পুত্ৰ দংশন আৰু ধন্বন্তৰিৰদ্বাৰা চান্দোৰ পুত্ৰসকলক পুনৰ্জীৱন প্ৰদান।

ধন্বন্তৰি বধ : তক্ষক আৰু ধন্বন্তৰিৰ কাহিনী, পৰীক্ষিত বধ, জন্মেজয়ৰ সৰ্পযজ্ঞ, আস্তিকৰদ্বাৰা তক্ষকৰ প্ৰাণ ৰক্ষা। নেতাৰ পৰামৰ্শ মতে ধন্বন্তৰিৰ পত্নী কমলাৰ লগত সহেলা বা সখী পাতিবৰ বাবে বিষহৰীৰ যাত্ৰা, ধন্বন্তৰিৰ পত্নী কমলাৰদ্বাৰা কমলা ৰূপিণী বিষহৰীৰক শংখ ওজা বা ধন্বন্তৰিৰ মৃত্যুৰ উপায় কথন, ধন্বন্তৰিক বধ কৰিবৰ বাবে মনসাৰদ্বাৰা শিৱৰপৰা উদয়কাল নাগ আনয়ন আৰু ধন্বন্তৰি বধ, ধনা ৰাক্ষসীৰ গৃহত পদ্মাৰদ্বাৰা ধন্বন্তৰিৰ শৱ ৰক্ষণ। পদ্মাৰ নাগৰদ্বাৰা চান্দোৰ ছয়পুত্ৰ নিধন।

ৰৰ ৰণিজ : দ্বিতীয় বাৰৰ বাবে চন্দ্ৰধৰৰ বাণিজ্য-যাত্ৰা : মধুকৰ ডিঙ্গা নিৰ্মাণ আৰু চৈধ্য ডিঙ্গাসহ চন্দ্ৰধৰৰ বাণিজ্য যাত্ৰাৰ বাবে প্ৰস্তুতি, নেতাৰ পৰামৰ্শ মতে চান্দোৰ লগত 'বাদ সাধিবাৰ' অৰ্থে পদ্মাৰদ্বাৰা স্বৰ্গৰপৰা উষা-অনিৰুদ্ধক আনয়ন আৰু সমুদ্ৰৰ পাৰত চিতা নিৰ্মাণ আৰু সেই চিতাত উষা-অনিৰুদ্ধৰ প্ৰৱেশ আৰু পদ্মাৰদ্বাৰা উষা-অনিৰুদ্ধৰ আত্মা বন্দী, আত্মাৰ বাবে যম আৰু পদ্মাৰতীৰ যুদ্ধ আৰু যমৰ পৰাজয়, উষা-অনিৰুদ্ধৰ আত্মা দুটি ক্ৰমে শাহে ৰজাৰ পত্নী সুমিত্ৰা আৰু চন্দ্ৰধৰৰ পত্নী সোনেকাৰ গৰ্ভত স্থাপন, বাণিজ্য-যাত্ৰাৰ আগমুহূৰ্তত সোনেকাৰ অনুৰোধ মতে চন্দ্ৰধৰৰ পত্ৰলেখন, চৈধ্য ডিঙা (মধুকৰ, শংখচূড়, ৰত্নপাট, দুৰ্গাবৰ, ধৰশাল, দাঘল-পাঘল, উদয়তাৰা, মাণিক-মোহোৰা, উদয়গিৰি, মকৰা, চুৰচুৰা, পাত্ৰসিদ্ধ, লক্ষ্মীৰক্ষা ইত্যাদি), বাণিজ্য সম্ভাৰেৰে পূৰ্ণ কৰি চন্দ্ৰধৰৰ বাণিজ্যযাত্ৰা, গুঞ্জৰি সাগৰ, শতমুখী গংগা, কমাৰ-হাটী, দুৰ্জয়গড়, গোপালপুৰ আদি সাগৰ আৰু স্থান অতিক্ৰমণ, চান্দোৰ ডিঙা বুৰাবৰ বাবে শিৱৰ ওচৰত পদ্মাৰ আদেশ প্ৰাৰ্থনা, শিৱৰদ্বাৰা সেই প্ৰাৰ্থনা নামঞ্জুৰ ('চান্দো নাম সুনিয়া কুপিত মহেশ্বৰ। সাত-পাচ নাহি মোৰ একহি নফৰ ॥ বাৰে বাৰে কহ পদ্মা তাহাৰ গহাৰি। জানিলো নাহিকে জ্ঞান জানা বিসহৰি ॥ ঘৰে চলি জায়া দুখ নাভাৱা হৃদয়। চান্দোৰ কথন কিচো উচিত নহয় ॥'), পদ্মাৰ নিৰ্দেশমতে নেতাৰদ্বাৰা সমুদ্ৰমধ্যত পদ্মাপুৰী নিৰ্মাণ, চন্দ্ৰধৰৰ-দ্বাৰা পদ্মাক অপমান আৰু পদ্মাৰ পলায়ন, মাছ-কেঁকোৰা-জোক-কুম্ভীৰ এই

চাৰিবীৰৰদ্বাৰা চন্দ্ৰধৰৰ ডিঙা বন্দী, কৌশলদ্বাৰা চন্দ্ৰধৰৰ ডিঙা মুক্তি, নিলক্ষৰ-পাক অতিক্ৰম কৰি লংকাত ডিঙা সহ চন্দ্ৰধৰৰ প্ৰৱেশ, ৰজা বিভীষণ, চন্দ্ৰকেতু আদি ৰজাৰ লগত চন্দ্ৰধৰৰ সাক্ষাৎ, পদ্মাৰ ছলনাত চন্দ্ৰকেতুৰদ্বাৰা চান্দোক বন্দী কৰণ আৰু মহামায়াৰ কৃপাত চন্দ্ৰধৰৰ মুক্তি লাভ, চন্দ্ৰধৰৰ লগত চন্দ্ৰকেতুৰ মিত্ৰতা স্থাপন, দ্বাদশ বৎসৰ লংকাত বাণিজ্য, সোমাই ব্ৰাহ্মণৰ নিৰ্দেশানুসাৰে স্বদেশাভিমুখে যাত্ৰা কৰিবৰ বাবে চন্দ্ৰধৰৰ প্ৰস্তুতি, ধন-সোণ আদিৰে ডিঙা বোজাই কৰি চন্দ্ৰধৰৰ চম্পক অভিমুখে যাত্ৰা, ডিঙা বুৰাবৰ বাবে শিৱৰপৰা পদ্মাৰ অনুমতি লাভ, ইন্দ্ৰ, গংগা, ভীম, হনুমান আদিৰ সহায়ত চান্দোৰ চৈধ্য ডিঙা মনসাৰদ্বাৰা জল নিমজ্জন, বিৱস্ত্ৰ চন্দ্ৰধৰৰ ভাসন, নানা দুখ দুৰ্গতিৰ অন্তত চন্দ্ৰধৰৰদ্বাৰা চম্পক নগৰত প্ৰৱেশ, পদ্মাৰতীৰ ছলনাত নিজ গৃহতেই চন্দ্ৰধৰৰ নিৰ্য্যাতন, সোনেকাৰদ্বাৰা সদাগৰৰ পৰিচয় লাভ, লখিন্দৰৰ ওপৰত চন্দ্ৰধৰৰ সন্দেহ আৰু সোনেকাৰদ্বাৰা সেই সন্দেহ ভঞ্জন, চান্দোৰদ্বাৰা যুৱৰাজ পদত লখিন্দৰক অভিষিক্ত, লখিন্দৰৰ বাবে পাত্ৰী-অন্বেষণ, মহেশভট্টৰ পৰামৰ্শ মতে পাত্ৰীৰ অন্বেষণত চন্দ্ৰধৰ আৰু লখিন্দৰৰ উজানি অভিমুখে যাত্ৰা আৰু অতিথি ৰূপে শাহে ৰজাৰ ভৱন অভিমুখে যাত্ৰা, নেতাৰ পৰামৰ্শ মতে পদ্মাৰদ্বাৰা বেউলাক পিছদিনা প্ৰাতসতে অভীষ্ট সিদ্ধিৰ বাবে তীৰ্থ মুক্তেশ্বৰলৈ যাবলৈ নিৰ্দেশ ('কালি প্ৰভাততে জাইবা তিৰ্থ মুক্তেস্বৰে। মনৰ বাঞ্ছিত আমি দিবো তোৰে ॥), তদনুক্ৰমে পিছদিনা প্ৰাতসতে মুক্তেশ্বৰ তীৰ্থলৈ বেউলাৰ যাত্ৰা, চান্দো আৰু লখিন্দৰ উভয়ৰে মুক্তেশ্বৰত উপস্থিতি, বিধবা ব্ৰাহ্মণী ৰূপে মুক্তেশ্বৰ তীৰ্থলৈ মনসাৰ গমন ('বিধবা ব্ৰাহ্মণী হৈয়া তাৰ কাছে জাইবা। গোবানিৰ পানি পৰি মিচা কথা কৈবা ॥'), মনসাৰদ্বাৰা বেউলাক অভিশাপ প্ৰদান ('কালৰাত্ৰি বিধবা জে হৈবিহি নিচয়। পৃথিৱিত তোৰ জানো বংস নৰহয় ।'), বেউলা আৰু পদ্মাৰ বাদ—পদ্মাৰতীৰ পৰাজয়, অতিথি ৰূপে শাহে ৰজাৰ ভৱনত চান্দো আৰু লখিন্দৰৰ উপস্থিতি, মনসাৰ কৃপাত বেউলাদ্বাৰা লোহাৰ তণ্ডুলৰপৰা অন্ন ৰন্ধন, পিতা-পুত্ৰৰ ভোজন, চন্দ্ৰধৰ আৰু শাহে ৰজাৰ সৈন্যসমূহৰ মাজত যুদ্ধ, চণ্ডীৰ সহায়ত চান্দো-সৈন্যৰ বিজয় লাভ, লখিন্দৰলৈ বেউলাক বিয়া কৰাবৰ বাবে শাহে ৰজাৰ ওচৰত চান্দোৰদ্বাৰা আনুষ্ঠানিকভাৱে প্ৰস্তাৱ উত্থাপন আৰু শাহেৰজাৰ সন্মতি প্ৰদান, বেউলা-লখাইৰ বিয়াহৰ উদ্যোগ। কেশাই কমাৰ হতুৱাই মেৰঘৰ নিৰ্মাণ, মেৰঘৰত কৌশলেৰে বিন্ধা ৰাখিবৰ বাবে মনসাৰদ্বাৰা কেশাই কমাৰক নিৰ্দেশ প্ৰদান, চন্দ্ৰধৰ আৰু সৈন্য-সামন্তৰ সৈতে পৰিবৃত হৈ হাতীত উঠি দৰা

ৰূপে লখিন্দৰৰ উজানি ৰাজ্য অভিমুখে যাত্ৰা আৰু শাহে ৰজাৰদ্বাৰা দৰা বৰণ, যাৱতীয় কৃত্যাদি সম্পাদনৰ অন্তত বেউলা-লখাইৰ বিবাহ অনুষ্ঠান, বিবাহ-বাহৰত সৰ্পসহ পদ্মাৰ উপস্থিতি, সৰ্প দেখা পাই লখাইৰ বিমূৰ্চ্ছিত অৱস্থা (ছন্নামান্না দক), চন্দ্ৰধৰৰ বিলাপ, বেউলাৰদ্বাৰা মনসা-পূজা আৰু লখাইৰ জ্ঞান লাভ, বেউলা-লখাইৰ বিবাহ সম্পাদন, বেউলাৰ বৌয়েকৰ বন্ধন আৰু বেউলা-লখাইৰ ভোজন, শাহেৰজাৰ ভৱনত বেউলা-লখাইৰ একত্ৰে শয়ন, বেউলাৰ ওচৰত লখাইৰ ৰতিভিক্ষা, বেউলাৰ যুক্তিপূৰ্ণ উক্তিৰদ্বাৰা লখাইৰ শান্ত অৱস্থা ('বাপৰ ঘৰত উচিত নহয়'), লখাইৰ নিদ্ৰা, নেতাৰ উপদেশ মতে পদ্মাৰদ্বাৰা চাৰিভাল নাগ প্ৰেৰণ আৰু বেউলাৰদ্বাৰা সৰ্পবন্দী, বিধবা ৰূপেৰে মনসাৰদ্বাৰা বেউলাৰ ওচৰত সৰ্প ভিক্ষা, পিছদিনা পুৰোহিতৰদ্বাৰা বেউলা-লখাইৰ বাহী-বিয়া সম্পাদন, সৈন্য-সামন্তৰ সৈতে বেউলা-লখাইৰ আৰু চান্দোৰ চম্পক অভিমুখে যাত্ৰা, দৰা-কইনা উভয়কে মেৰঘৰত স্থাপন, বিভিন্ন সৰ্পৰদ্বাৰা লখাইক দংশন কৰাবলৈ মনসাৰ ব্যৰ্থ প্ৰয়াস।*

ভাটীয়ালী খণ্ড : লখিন্দৰক সৰ্পৰদ্বাৰা নিধন কৰিবলৈ অসমৰ্থ। পদ্মাৰ ক্ৰন্দনৰ পৰা আৰম্ভ কৰি তুলা পৰীক্ষাত জিনি বেউলা-লখিন্দৰৰ স্বৰ্গগমনলৈকে এই অংশ ভাটীয়ালী খণ্ড ৰূপে পৰিচিত।

স্বৰ্গ গমন খণ্ড : বেউলা-লখিন্দৰৰদ্বাৰা ছদ্মবেশ ধাৰণ কৰি শাহে ৰজাৰ ঘৰলৈ যাত্ৰা, শাহে ৰজাৰ নিৰ্দেশমতে নগৰৰদ্বাৰ বন্ধন, পদ্মাৰ কৃপাত বেউলাই-হুঙ্কাৰ মাৰি দ্বাৰ উন্মুক্তকৰণ, ভীতি বিহ্বল হৈ শাহে ৰজাৰদ্বাৰা যোগী আৰু যোগিনী বেশী লখাই-বেউলাৰ পৰিচয় জিজ্ঞাসা, শাহে ৰজাৰ ছয় বধূৰদ্বাৰা যোগী-যোগিনীক অন্ন গ্ৰহণ কৰিবৰ বাবে অনুৰোধ, একৰাত্ৰি নগৰত থাকিবৰ বাবে ছদ্মবেশী লখাই আৰু বেউলাৰ অনুৰোধ, সুমিত্ৰাৰদ্বাৰা যোগী-যোগিনীক দুগ্ধ আৰু ফলাহাৰ প্ৰদান, নিজ নিজ পৰিচয় প্ৰকাশ কৰি বেউলাৰদ্বাৰা পত্ৰ-লেখন, পত্ৰৰ জৰিয়তে নিজৰ সীমাহীন দুখ-যন্ত্ৰণাৰ পৰিচয় পিতৃ-মাতৃক দি বেউলাৰদ্বাৰা পিতৃ-মাতৃৰ ওচৰত বিদায় গ্ৰহণ, বেউলা-লখাইৰ শাপমুক্তি, উজানি নগৰত শোকৰ বন্যা, পদ্মাদ্বাৰা বেউলা-লখাইক দেৱৰাজ ইন্দ্ৰৰ হাতত সমৰ্পণ আৰু বেউলা আৰু লখাইৰ ওচৰত পদ্মাৰ বিদায় গ্ৰহণ।

দেওৰ পদ বা দেওধনী নচোৱা গীত-পদ।

সামৰণী-গীত।

---

* বিস্তৃত আলোচনাৰ বাবে ষষ্ঠ অধ্যায় দ্ৰষ্টব্য।

৪. পদ্মা-পুৰাণ'ত বিভিন্ন উৎসৰপৰা গ্ৰহণ কৰা সমল :

'পদ্মা-পুৰাণ'ৰ কথাবস্তুৰ বিকাশত সংস্কৃতীয় পৰম্পৰাৰ অন্তৰ্গত বিভিন্ন উৎসৰপৰা গ্ৰহণ কৰা সমলৰ স্থিতি লক্ষ্য কৰা যায়। ইয়াৰ ভিতৰত 'ৰামায়ণ' 'মহাভাৰত' আৰু বিভিন্ন পুৰাণৰ পৰা গ্ৰহণ কৰা সমলৰ বিশেষ প্ৰাধান্য লক্ষ্য কৰা যায়। এই সমলবোৰ হয়তো 'ৰামায়ণ', 'মহাভাৰত' আৰু বিভিন্ন পুৰাণৰ লিখিত পৰম্পৰাৰপৰা আহিব পাৰে; নহয়তো মুখ পৰম্পৰাত চলি থকা 'ৰামায়ণ' 'মহাভাৰত' বা পুৰাণৰ বিষয়বস্তুৰ পৰা আহিব পাৰে। মহাকাব্য বা পুৰাণত যিদৰে কথা বা কাহিনীবোৰ কোনো এজন শ্ৰোতাৰ অনুৰোধত কোনো এজন কথকৰদ্বাৰা বৰ্ণিত হয়, তদ্ৰূপ 'পদ্মা-পুৰাণ'তো কথক আৰু শ্ৰোতাৰ পাৰস্পৰিক সম্পৰ্কৰ জৰিয়তে বিভিন্ন কথা বা কাহিনী উপস্থাপন কৰা দেখা যায়। এই ৰীতিটোৰ নামেই 'পুৰাণ-কথন'। 'পদ্মা-পুৰাণতো যে বিশেষ এগৰাকী শ্ৰোতাৰ অনুৰোধ মতে কথকৰ জৰিয়তে 'পুৰাণ-কথা' বৰ্ণিত হৈছে তাৰ আভাস তলৰ উক্তিটিৰপৰা পোৱা যায় ; যেনে :

"তোমাৰ মুখৰ বানি অমৃত সমান সুনি
কহ পূৰ্ব পুৰাণ কথন।"[৩৩]

'পূৰ্ব পুৰাণ কথন'ৰ অনুষংগতেই সাধাৰণতে 'পদ্মা-পুৰাণ'ত 'ৰামায়ণ', 'মহাভাৰত' আৰু বিভিন্ন পুৰাণ আদিত স্থান পোৱা কাহিনী বা কথা বৰ্ণনা কৰা হৈছে আৰু এইদৰে মহাকাব্য বা পুৰাণৰ সমলে এই ভাষা-পুৰাণখনিত স্থান লাভ কৰিছে। 'পদ্মা-পুৰাণ'ৰ বিভিন্ন স্থানত 'ৰামায়ণ', 'মহাভাৰত' বা বিভিন্ন পুৰাণৰ সমল বাজিৰ স্থিতি কিদৰে লক্ষ্য কৰিব পাৰি সেই বিষয় তলত আলোচনা কৰা হ'ল।

মহাভাৰতৰ সমল : কশ্যপৰ কাহিনী-দিতি-অদিতিৰ জন্ম, বিবাহ, দেৱতা আৰু অসুৰৰ জন্ম, কদ্ৰু আৰু বিনতাৰ বিবাহ, বাসুকি আদি সৰ্পকুলৰ জন্ম, অৰুণ-গৰুড়ৰ জন্ম, ইন্দ্ৰৰ ঘোঁৰাটোৰ নেজডাল বগা নে ক'লা-সেই বিষয়ক কেন্দ্ৰ কৰি কদ্ৰু আৰু বিনতাৰ মাজত উদ্ভৱ হোৱা পৰিস্থিতি, কদ্ৰুৰ ছলনাত বিনতাৰ পৰাজয় আৰু সতিনীৰ দাসীত্ব গ্ৰহণ, স্বৰ্গৰপৰা অমৃত আনি গৰুড়ৰ দ্বাৰা মাতৃ বিনতাৰ দাসীত্ব মোচন, কদ্ৰুৰদ্বাৰা তেওঁৰ পুত্ৰ সৰ্পসকলক অভিশাপ,

৩৩. পদ্মা-পুৰাণ (Ms), পৃ. ১০

জৰৎকাৰুৰ লগত মনসা বা পদ্মাৰ বিবাহ আৰু স্বামীৰদ্বাৰা মনসাক পৰিত্যাগ, আস্তিকৰ জন্ম, পৰীক্ষিতৰ ব্ৰহ্মশাপ তক্ষক নাগৰদ্বাৰা পৰীক্ষিতক দংশন আৰু মৃত্যু, পৰীক্ষিতৰ পুত্ৰ জন্মেজয়ৰ সৰ্পযজ্ঞ, আস্তিক মুনিৰদ্বাৰা তক্ষকৰ প্ৰাণ ৰক্ষা, শতমুখী গংগাৰ বৰ্ণনাৰ প্ৰসংগত ভগীৰথৰ কাহিনী বৰ্ণন, ভীমৰ পৰিচয় আৰু তেওঁৰ কাৰ্য্যাৱলী আদি 'মহাভাৰত' আশ্ৰিত।

ৰামায়ণৰ সমল: ৰাম-বন্দনা, লংকাৰ বৰ্ণনা আৰু ৰাৱণ-হনুমানৰ পৰিচয় দিয়াৰ প্ৰসংগতো ৰামায়ণীয় সমলৰ বৰ্তমানতা স্বীকাৰ কৰিব পাৰি।

মাৰ্কণ্ডেয়-পুৰাণৰ সমল: নাৰায়ণৰ যোগনিদ্ৰা, নাৰায়ণৰ কৰ্ণমলৰপৰা মধু-কৈটভৰ জন্ম আৰু নাৰায়ণৰ নাভিকমলত ব্ৰহ্মাৰ জন্ম, নাৰায়ণৰ লগত মধু-কৈটভৰ যুদ্ধ আৰু মৃত্যু, মধু-কৈটভৰ মেদৰদ্বাৰা মেদিনীৰ সৃষ্টি আদি 'মাৰ্কণ্ডেয়-পুৰাণ'ৰপৰা আধৃত।

বিষ্ণু-পুৰাণ আৰু ভাগৱত-পুৰাণ: 'পদ্মা-পুৰাণ'ৰ কথাবস্তুৰ বিকাশত 'বিষ্ণু-পুৰাণ' আৰু 'ভাগৱত-পুৰাণ'ৰপৰা আধৃত সমলো সংমিশ্ৰণ কৰা দেখা যায়। 'পদ্মা-পুৰাণ'ত উপস্থাপন কৰা কৃষ্ণ-বন্দনাটি 'ভাগৱত-পুৰাণ'ৰ বিষয়বস্তু আশ্ৰিত। বন্দনাটি তলত দিয়া হ'ল:

"কুসুমে বৰিসে দেৱগন মধ্য পৰবেস।
হেন সময়ত জন্মিলেক বিষিকেস॥
উপজিল হৰিদেৱ কোলে কৰি লই।
পাৰ কৰি জমুনাৰ জসোদাৰ ঘৰে থই॥
দৈৱকিয়ে বোলে প্ৰভু সুন বসুদেৱ।
একে হৰিদেৱ বিনে আন নাহি কেৱ॥
সংখ চক্ৰ পিত বস্ত্ৰ কিৰিটি কুণ্ডল।
নানা বিধ অলংকাৰে কৰে ঝলমল॥
উপজিল হৰিদেৱ বসুদেৱ ঘৰে।
গন্ধৰ্ব্বে মৃদঙ্গ বাদ্য আকাসত কৰে॥
দৈৱকিৰ গৰ্ভে আসি ভৈলন্ত বেকত।
চন্দ্ৰ জেন প্ৰকাসন্ত পুব জে দিসত॥
নানান প্ৰকাৰে স্তুতি লাগে বুলিবাৰ।
জন্ম ভৈলন্ত শ্ৰীকৃষ্ণ কংস বধিবাৰ॥"[৩৪]

৩৪. পদ্মা-পুৰাণ (Ms), পৃ. ৮৫ ক-খ

দেৱৰাজ ইন্দ্ৰৰ প্ৰতি দুৰ্বাসাৰ অভিশাপ, স্বৰ্গৰপৰা লক্ষ্মীভ্ৰষ্ট, বিষ্ণুৰ নিৰ্দেশমতে দেৱ-দৈত্যৰ সাগৰ মন্থন, অমৃতৰ ঘট সহ লক্ষ্মীৰ আবিৰ্ভাৱ, কালকূট বিষ উদ্‌গীৰণ আৰু মহাদেৱৰদ্বাৰা পান, বিষৰ প্ৰতিক্ৰিয়াত শিৱৰ অচেতন অৱস্থা, নীলকণ্ঠ নাম ধাৰণ আদি অণুঘটনা 'বিষ্ণু-পুৰাণ' আৰু 'ভাগৱত-পুৰাণ' আশ্ৰয়ী। সাম্ব অসুৰৰ গৃহত ৰতিদেৱী ছায়াৱতী ৰূপে আশ্ৰয় লোৱা পৰিস্থিতি বিশেষৰ বৰ্ণনা 'ভাগৱত-পুৰাণ'ৰপৰা লোৱা হৈছে।

শিৱ-পুৰাণ : শিৱ-পাৰ্বতীৰ বিৱাহ, গণপতি-কাৰ্তিকৰ জন্ম, তাড়কাসুৰ বধ আদি সমল শিৱ-পুৰাণ'ৰপৰা আহৃত। 'কালিকা পুৰাণ'তো সতীৰ লগত শিৱৰ বিবাহ, দক্ষ-যজ্ঞ, দক্ষ-যজ্ঞ-ধ্বংস, পাৰ্বতীৰজন্ম, মদন-ভস্ম, পাৰ্বতীৰ লগত শিৱৰ বিৱাহ আদিৰ বৰ্ণনা পোৱা যায়। গতিকে 'পদ্মা পুৰাণ'ত 'কালিকা-পুৰাণ'ৰ ওপৰত প্ৰতিষ্ঠিত সমলৰ স্থিতি লক্ষ্য কৰিব পাৰি।

তেনেদৰে 'পদ্মা-পুৰাণ'ত বৰ্ণিত মনসাৰ বিভিন্ন অভিব্যক্তি, পূজা-মাহাত্ম্য আদি বৰ্ণনাৰ ক্ষেত্ৰত 'দেৱীভাগৱত' আৰু 'ব্ৰহ্মবৈৱৰ্ত-পুৰাণ'ৰ প্ৰকৃতি খণ্ডৰ পৰাও সমল গ্ৰহণ কৰাৰ অনুকূলে মত পোষণ কৰিব পাৰি। পাপ-পুণ্যৰ বিচাৰ, প্ৰায়শ্চিত্ত ব্যৱস্থা, দানৰ মহিমা আদিৰ বৰ্ণনাত ধৰ্মশাস্ত্ৰ বা স্মৃতিশাস্ত্ৰৰ সমলে 'পদ্মা-পুৰাণ'ত স্থান পোৱা নাই বুলি ক'ব নোৱাৰি। বেউলাৰ নৃত্যৰ বৰ্ণনাত সংগীত-শাস্ত্ৰৰ সমল লক্ষ্য কৰিব পাৰি।

'পদ্মা-পুৰাণ'ৰ কাহিনী বিকাশৰ প্ৰসংগত সংমিশ্ৰণ কৰা পৌৰাণিক সমলকো আকৌ স্বকীয় দৃষ্টিভংগীৰে ব্যাখ্যা কৰা হৈছে। দৃষ্টান্ত স্বৰূপে জৰৎকাৰু মুনিয়ে পদ্মাক পৰিত্যাগ কৰা পৰিস্থিতি বিশেষলৈ আঙুলিয়াব পাৰোঁ। 'মহাভাৰত'ৰ মতে সন্ধ্যা পতিত হ'ব বুলি ভাবি পত্নী মনসাই স্বামী জৰৎকাৰুক টোপনিৰপৰা জগাই দিছিল আৰু তাতেই ক্ষুন্ন হৈ জৰৎকাৰু মুনিয়ে মনসাক ত্যাগ কৰে। ইয়াৰ বিপৰীতে 'পদ্মা-পুৰাণ'ৰ মতে উগ্ৰতপা মুনিৰ অভিশাপৰ পৰিণতিতহে জৰৎকাৰুৱে পত্নীক পৰিত্যাগ কৰে। 'পদ্মা-পুৰাণ'ৰ মতে উগ্ৰতপা ঋষিয়ে পদ্মাৰ ওচৰত ৰতিভিক্ষা কৰি কয় যে, তেওঁৰ অভিলাষ পূৰ্ণ নকৰিলে পদ্মাক ব্ৰহ্মশাপ দিব। উপায়ন্তৰ নেদেখি পদ্মাই নেতাৰ জৰিয়তে উগ্ৰতপা ঋষিক স্বামী বৰণ কৰায়। এদিনাখন পদ্মাই গংগাত স্নান কৰি থাকোতে তেওঁৰ ওপৰত উগ্ৰতপা ঋষিৰ চকু পৰিল। ঋষিৰ বুজিবলৈ বাকী নাথাকিল যে, পদ্মাই তেওঁক ঠগিলে। "দাসী বিয়া দি ভাণ্ডিলা" বুলি উগ্ৰতপাই পদ্মাক ব্ৰহ্মশাপ দিলে "তোৰ স্বামি চাবি জেন জাই

আচৰিতে।"৩৫ অৱশেষত পদ্মাৰ কোলাত মূৰ থৈ শুই থকা সময়ত গন্ধৰ্বৰ হাতত পৰাজিত কালিনাগে সূৰ্য্যক ঢাকি ধৰে। ব্ৰহ্মশাপৰ পৰিণতিত পদ্মাই সন্ধ্যা সমাগত বুলি ভাবি নিদ্ৰামগ্ন স্বামীক জগাই দিয়ে। 'পদ্মা-পুৰাণ'ত বৰ্ণিত এই নব্য উদ্ভাৱনাই পদ্মা চৰিত্ৰটিক দোষমুক্ত কৰিছে।

'পদ্মা-পুৰাণ'ৰ কথাবস্তুত কাব্যৰ সংহতি নাই, আছে মহাকাব্য বা পুৰাণৰ বিস্তৃতি। 'পদ্মা-পুৰাণ' গীতৰ সমষ্টি। নাৰায়ণদেৱে নিজেই কৈছে :

(ক) মধুৰ কোমল গিত উদয় প্ৰকাস।৩৬

(খ) পদ্মা-পুৰাণৰ গিত কৰিলা প্ৰকাস।৩৭

(গ) সুকবি নাৰায়নদেৱৰ মধুৰ সংগিত।৩৮

(ঘ) ৰচিল পুৰান গিত পদ্মাৰ চৰনে।৩৯

উপৰোল্লিখিত উদ্ধৃতি সমূহৰ পৰা সহজে অৱগত হ'ব পাৰি যে, 'পদ্মা-পুৰাণ'খনি পাঞ্চালী-গীতৰ শৈলীত ৰচিত হৈছে। গীতবোৰৰ সাংগীতিক বৈশিষ্ট্য অব্যাহত ৰাখিবৰ বাবে ৰাগ-ৰাগিণী বান্ধি দিয়া হৈছে আৰু সাংগীতিক লয়ৰ বাবে দিহা আৰু পদত সঘনে 'আৰে', 'হে', 'ভাল হ', 'নাৰে', 'ৰে' আদি শব্দাংশ বা শব্দ প্ৰয়োগ কৰা হৈছে। 'পদ্মা-পুৰাণ'ত প্ৰয়োগ কৰা ৰাগ-ৰাগিণীসমূহৰ তলত কৰা হ'ল :

শ্ৰী, ঝুলুনা, মল্লাৰ, উৰ্চ্চিস্বৰ (উচ্চস্বৰ), ভৈৰৱী, মালগৰা, পটমঞ্জৰী, ধনশ্ৰী, ভাটিয়ালি, নাট, দ্ৰোপদি (?), শ্ৰীবসন্ত, কৈবলু, তুড়বসন্ত, বৈনেতা (?), বসন্ত, করুণা ভাটিয়ালি, কামন্দৰ, কেদাৰ, পাহাৰি, করুণা, কামোদ, অহিৰ, বৰাৰি, ৰামগিৰি, পাসজ্ঞ আৰু চই। এই ৰাগ-ৰাগিণীসমূহৰ ভিতৰত প্ৰায়বিলাকেই সুকনানি বা সুকনান্নি আৰু বিয়াহৰ ওজাপালিৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত। সত্ৰীয়া-সংগীততো এই ৰাগ-ৰাগিণীসমূহৰ ভিতৰত কেইবাটাও ৰাগৰ প্ৰচলন দেখা যায়।৩৯ পঞ্চালী সংগীতৰ ৰীতি অনুসৰি 'পদ্মা-পুৰাণ'ত সন্নিবিষ্ট আটাইবোৰ গীতেই 'দিহা' বিশিষ্ট 'দিহা' বোৰৰ বিষয়-বস্তুত নৱবৈষ্ণৱ আদৰ্শৰ প্ৰভাৱ সুস্পষ্ট।

---

৩৫. পদ্মা-পুৰাণ (Ms), পৃ. ৪৩ক. ; ৩৬. উ গ্ৰ., পৃ ৯৬ খ.

৩৭. উ. গ্ৰ., পৃ. ১৩৪ খ.

৩৮. উ. গ্ৰ., পূজা-খণ্ড, পৃ. ৩৮ খ. ;

৩৯. পদ্মা-পুৰাণ (ভাটীয়ালীখণ্ড), পদ ১০৩৯

৩৯. সত্ৰীয়া সংগীতত ৰাগিণীৰূপৰ প্ৰচলন নাই।

'পদ্মা-পুৰাণ' মনসা বা পদ্মা-দেৱীৰ মাহাত্ম্য আৰু গৌৰৱ প্ৰকাশক গ্ৰন্থ। এইকালৰপৰা গ্ৰন্থখনিত সৰ্প-দেৱী মনসাৰ সাৰ্বভৌমত্ব প্ৰকাশত অত্যধিক গুৰুত্ব দিব লাগিছিল; কিন্তু আন দেৱ-দেৱীৰ মাহাত্ম্য বৰ্ণনাতো গুৰুত্ব নিদিয়াকৈ থকা নাই। 'পদ্মা-পুৰাণ' বৈদিক, পৌৰাণিক, লৌকিক আৰু গ্ৰাম্য দেৱ-দেৱীৰ এক তাৎপৰ্য্যপূৰ্ণ সংশ্লেষণ মাথোন। তেনেদৰে বৈদিক-পৌৰাণিক আৰু লৌকিক আচাৰ-অনুষ্ঠানৰ সংহতিত ৰূপৰ প্ৰতিফলকৰ ভূমিকাও এই ভাষা-পুৰাণখনিয়ে গ্ৰহণ কৰিছে। 'পদ্মা-পুৰাণ'খনিক মধ্যযুগীয় অসমীয়া জীৱন আৰু সমাজৰ প্ৰতিবিম্ব ৰূপেও আখ্যা দিব পাৰি। অসমৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্মীয় ধ্যান-ধাৰণা, জাগতিক লক্ষ্য, বিশ্বাস-অবিশ্বাস, বাচিক কলা, ভাষা আদি বিভিন্ন দিশত 'পদ্মা-পুৰাণে' তাৎপৰ্য্যপূৰ্ণ আলোক সম্পাত কৰিব পাৰে: স্থান বিশেষে পুৰাণখনিত নৈদানিক বা জন্মমূলক কাহিনী গীতো পৰিৱেশন কৰা হৈছে। উদাহৰণ স্বৰূপে নাৰিকলৰ জন্মসম্পৰ্কীয় নৈদানিক কাহিনী গীতটিলৈ আঙুলিয়াব পাৰি:

"ৰাজা বোলে সুন মিতা আমাৰ বচন।
কথাত জন্মিল গাচ ফল নাৰিকল॥
কালিদহ নাম হেন সুনিচো পুৰানে।
জাত ঝাম্প দিলা হৰি কমল নয়নে॥
কালিক দমিয়া তেবে আইল নাৰায়ন।
তথাতে জন্মিলা গাচ ফল নাৰিকল॥
বিস্তৰ দুৰত থাকে গাৱে বৰ কাটা।
সিখৰত ধৰে তাৰ ঝোপাঝোপ গোটা॥"[৪০]

'পদ্মা-পুৰাণ' অতিকৈ জনপ্ৰিয় আৰু হৃদয় সংবাদী সৃষ্টি। নামনি অসমত 'পদ্মা-পুৰাণ'ৰ গীত শুনি মুগ্ধ নোহোৱা লোক নাই বুলিয়েই কব পাৰি। ইয়াৰ সমাদৰ টুটক ছাৰি বাঢ়িছেহে। মানবীয় হৃদয়ানুভূতি আৰু সংবেদনশীলতাৰ সুপ্ৰকাশেই পুৰাণখনিৰ লোক প্ৰিয়তাৰ অন্যতম কাৰণ। লোকপ্ৰিয়তাই গ্ৰন্থক কালজয়ী কৰে। 'পদ্মা-পুৰাণো' কালজয়ী নিৰ্মিতি।

৪০. পদ্মা-পুৰাণ (Ms), পৃ. ১০৩খ.

ষষ্ঠ অধ্যায়

পদ্মা-পুৰাণ ঃ ভাটিয়ালী খণ্ড

ক. ভাটীয়ালী খণ্ড : তাৎপৰ্য্য :

'পদ্মা-পুৰাণ'ৰ বিষয়বস্তুক সামগ্ৰিকভাবে দুটা ভাগত বিভক্ত কৰা হয় ; যেনে : (ক) উজনি খণ্ড আৰু (খ) ভাটীয়ালী খণ্ড। সৃষ্টিপাতনৰ পৰা আৰম্ভ কৰি বেউলা-লখিন্দৰৰ বিবাহ আৰু উভয়কে মেৰঘৰত থোৱালৈকে-এই অংশৰ বিষয়বস্তুক মোটামুটিভাবে উজনি খণ্ড আৰু (খ) লখিন্দৰক বধ কৰিবলৈ উপায় বিচাৰি নাপাই পদ্মাৱতীয়ে নেতাইৰ গলত ধৰি কন্দাৰ পৰা আৰম্ভ কৰি বেউলা-লখিন্দৰ স্বৰ্গলৈকে যোৱালৈকে-এই সমস্ত কথাবস্তুক সাধাৰণভাবে ভাটীয়ালীখণ্ড বোলে।

এই খণ্ডক ভাটীয়ালী আখ্যা দিয়াৰ যুক্তি স্বৰূপে ডিম্বেশ্বৰ নেওগে অনুমান কৰে যে, ইয়াৰ মন্ত্ৰ প্ৰয়োগ কৰি সাপে দংশন কৰা মানুহক জাৰিলে বিষ ভটিয়াই অৰ্থাৎ নামে। তেওঁৰ ভাষাত : 'সুকনান্নীৰ এটি খণ্ডৰ নাম ভাইঠেলী ; কিয়নো এই খণ্ডৰ মন্ত্ৰ ব্যৱহাৰ কৰিলে সাপৰ বিষ ভটিয়াই অৰ্থাৎ নামি আহে।'[১] নেওগৰ অনুমান সম্পূৰ্ণভাবে সত্য বুলিব নোৱাৰি। সাপে দংশন কৰা মানুহক জাৰিবৰ বাবে এই অংশৰ পদ মন্ত্ৰ ৰূপে প্ৰয়োগ কৰাটো সত্য ; বিষ নমা বা ভটিয়াই যোৱাটোও অবিশ্বাস্য নহয় ; তথাপি এই অংশৰ পদৰ প্ৰকাৰ্য্যাত্মক দিশৰ প্ৰতি লক্ষ্য কৰিয়েই ইয়াক ভাটীয়ালীখণ্ড আখ্যা দিয়া হৈছে বুলি কোৱা টান। দৰাচলতে 'পদ্মা-পুৰাণ'ৰ কাহিনীভাগৰ অগ্ৰগতি আৰু পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখিহে উজনি আৰু ভাটীয়ালী খণ্ড বোলা হৈছে। 'পদ্মা-পুৰাণ'ৰ উজনিখণ্ডত অগ্ৰগতি লাভ কৰা কাহিনী ভাগে এই অংশত ধীৰে ধীৰে পৰিণতিৰ পিনে নামিবলৈ অৰ্থাৎ ভটিয়াবলৈ আৰম্ভ কৰিছে আৰু এই অংশতেই পদ্মাদেৱীৰ উদ্দেশ্যও সাফল্য মণ্ডিত হৈছে। গতিকে কাহিনী ভাগৰ পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখি এই অংশক ভাটীয়ালীখণ্ড আখ্যা দিয়া হৈছে বুলি কোৱাত আপত্তি উঠিব নোৱাৰে। দ্বিতীয়তে, ভাটীয়ালীখণ্ডৰ বিষয়বস্তুৰ পৰিধিয়ে লখিন্দৰক দকত পেলোৱা আৰু দকৰ পৰা তোলাৰ (অৰ্থাৎ কালিনাগে লখিন্দৰক দংশন কৰা

---

১ ডিম্বেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ. ২২৯

আৰু পদ্মাৱতীয়ে তেওঁক জীয়াই তোলা পৰিস্থিতি বিশেষৰ কৃত্ৰিম অভিনয়) পৰা আৰম্ভ কৰি চন্দ্ৰধৰে মনসাক আনুষ্ঠানিকভাৱে পূজা দিয়া লৈকে এই দীৰ্ঘ পৰিসৰ বিশিষ্ট কাহিনীভাগ সামৰে। এই কাহিনীভাগ গীত-পদৰ সহায়ত একে ৰাতিৰ ভিতৰতে শেষ কৰাটো এক পৰম্পৰাগত ঐতিহ্য। গতিকে এই অংশৰ পদ খৰকৈ গোৱা হয়। ভটীয়নি সোঁতত নাও এৰি দিয়াৰ দৰে এই অংশৰ গীত-পদো 'খৰ তাল আৰু সুৰত' গাব লাগে বুলি ওজাপালিসকলৰ মাজত বিশ্বাস প্ৰচলিত হৈ আহিছে। মূঠতে এই অংশৰ গীত-পদ গোৱাৰ সাংগীতিক বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য কৰি ইয়াক ভাটীয়ালী খণ্ড বোলা হৈছে।

খ. বিষয়বস্তু: ভাটীয়ালীখণ্ডৰ বিষয়বস্তুৰ আৰম্ভণি হৈছে- মেৰঘৰত বেউলাৰ সৈতে একত্ৰে শুই থকা লখিন্দৰক সৰ্পৰদ্বাৰা নিধন কৰিবলৈ অসমৰ্থা পদ্মাই নেতাৰ গলত ধৰি চান্দোৰ সৈতে অকাৰণে বাদ কৰা বুলি আক্ষেপ কৰি কান্দিবলৈ ধৰাত নেতাই পদ্মাক সোঁৱৰাই দিয়ে কিদৰে মুক্তেশ্বৰ তীৰ্থত ফুল-শয্যাৰ নিশা কালিনাগে স্বামীক দংশন কৰিব বুলি বেউলাক অভিশাপ দিছিল। কালিনাগক আনিবৰ বাবে মনসাই ধেমাই নাগক নিৰ্দেশ দিয়ে। যি কালিৰ বিষত স্বয়ং ভগবান কৃষ্ণ অচেতন হৈছিল সেই নাগৰ ওচৰলৈ যাবলৈ ত্ৰৈলোকত কাৰোৰে শক্তি নাই বুলি ধেমাই নাগে মনসাক কলে। ধেমাই নাগে আৰু কলে যে, আচৰিত যাদুমূলক শক্তি সম্পন্ন শংখ এটি মহাদেৱৰ হাতত আছে—যি শংখৰ ধ্বনিৰ প্ৰভাৱত কালিৰ দাৰুণ বিষ পানী হয়। সেই শংখটো শিৱৰ পৰা আনি দিবৰ বাবে ধেমাই নাগে মনসাক অনুৰোধ কৰিলে। তদনুক্ৰমে মনসাই কৈলাসলৈ যাত্ৰা কৰে আৰু পিতৃ শিৱ-মহাদেৱৰপৰা শংখটো আনি ধেমাই নাগক দিয়ে। শংখ ধ্বনিৰ সহায়ত ধেমাই নাগ কালিহ্ৰদত উপস্থিত হয়। ধেমাই নাগে কালিৰ ওচৰত নিজৰ আগমনৰ উদ্দেশ্য ব্যক্ত কৰি মনসাই কালি-নাগক অনতিপলমে মাতি পঠোৱা বুলি কয়। ধেমাইনাগৰ সৈতে কালিনাগে মনসাৰ ওচৰলৈ যাত্ৰা কৰে। কালিনাগৰ ওচৰত সন্তাপ ব্যক্ত কৰি মনসাই লখিন্দৰক দংশন কৰিবলৈ অনুৰোধ কৰে। তদনুক্ৰমে কালিনাগে ভ্ৰমৰ ৰূপে উৰামাৰি মেৰঘৰৰ ওপৰত পৰে। ইফালে মেৰঘৰৰ ভিতৰত লখিন্দৰে বেউলাৰ ওচৰত ৰতিভিক্ষা কৰে। বেউলাই নানাভাৱে বুজনি দি লখাইক বাসনা চৰিতাৰ্থ কৰাৰ পৰা বিৰত কৰে। বেউলাৰ মুখত মৰণৰ কথা শুনি নিশ্বাস তেজি লখাই শয়ন কৰে। কালিনাগে নিদ্ৰাৱলীক হুংকাৰ মৰাৰ লগে লগে চন্দ্ৰধৰ-সোনেকাৰ

নৈতে পালি-প্ৰহৰীয়াসকল গভীৰ নিদ্ৰাত পৰে। লখাইৰ ওচৰত বেউলায়ো শয়ন কৰিলে। সেই অপূৰ্ব সুযোগতে কালিনাগে সূতাৰ সমান হৈ মেৰঘৰৰ ভিতৰত প্ৰৱেশ কৰি লখাইৰ ওচৰ চাপিল। চান্দোসদাগৰৰ পুত্ৰ লখিন্দৰৰ দৈহিক সৌন্দৰ্য্যই নিষ্ঠুৰ কালিনাগকো বিমুগ্ধ কৰিলে আৰু লখাইৰ বিভিন্ন অংগৰ ৰূপ-সৌন্দৰ্য্য বৰ্ণাই কালিনাগে কান্দিবলৈ ধৰিলে। অৱশেষত কালিনাগে সিদ্ধান্ত কৰিলে যে, পদ্মাই খিয়েই নকৰক লাগে তথাপি কালিয়ে লখাইক দংশন নকৰে। এইদৰে ভাবি-চিন্তি কালিনাগ গ'ল লখাইৰ নিচেই ওচৰলৈ। তেনেতে লখাইৰ চৰণৰ আঘাত মস্তকত লগা বাবে কালিনাগ ক্ৰোধান্বিত হৈ উঠিল আৰু দেৱতাসৱক সাক্ষী কৰি লখাইৰ কেঞা আঙুলিত দংশন কৰে। কালিনাগৰ দাৰুণ দংশনত নিদ্ৰামগ্ন লখাই তৎক্ষণাৎ সাৰ পাই উঠিল আৰু 'বেউলা বেউলা' বুলি চিঞৰি কান্দিবলৈ ধৰিলে। বেউলাই নিদ্ৰাৱলীৰ প্ৰভাৱত মৰটোপনিৰ পৰা সাৰ নাপালে। অৱশেষত লখাই শেষ নিশ্বাস কাঢ়ে। কালিনাগে লখাইৰ আত্মাটি বন্দী কৰে, তেনে সময়তে বেউলাৰ হাতৰপৰা কটাৰী পৰি কালিনাগৰ নেজডাল কটা যায়। নিদ্ৰাৱলীৰ প্ৰভাৱ আঁতৰি যোৱাৰ লগে লগে বেউলাই টোপনিৰপৰা চকমকৈ উঠি স্বামী লখিন্দৰৰ গাত হাত দি চাই বুজিবলৈ বাকী নাথাকিল যে, ইতিমধ্যে তেওঁৰ স্বামীৰ প্ৰাণ পখী নজনা-নুশুনা দিকচৌবনলৈ উৰি গৈছে। হিয়াঢাকুৰি বেউলাই কান্দিবলৈ ধৰিলে। বেউলাৰ ক্ৰন্দনত সোনেকা আৰু চন্দ্ৰধৰেও সাৰ পালে আৰু তেওঁলোক দুয়ো দৌৰি আহি মেৰ-ঘৰৰ কপাটখুলি মৃত পুত্ৰ লখিন্দৰক কোলাত তুলি ইনাই-বিনাই কান্দিবলৈ ধৰিলে। মৃত স্বামীক ভেলত তুলি লৈ গুঞৰি সাগৰেৰে বেউলাই দেৱপুৰী অভিমুখে যাত্ৰা কৰে। শৃগালী, যমদাইনী, গোধা, জুৱাৰ, ধনা-মনা, বঙ্গাইসাধু, নাৰায়ণ সাধু, বাঘ, নিলক্ষ, তৃপানী আদি পাক অতিক্ৰম কৰি বেউলাই নেতাক লগ পায়। বেউলাই নেতাৰ আগত নিজৰ পৰিচয় দি পদ্মাৱতীৰ কাপোৰ প্ৰক্ষালন কৰে। নেতাই বেউলাৰ সতীত্ব পৰীক্ষা কৰে। বেউলা দেৱপুৰলৈ অহাৰ বাৰ্তা নেতাই শিৱক দিয়ে। শিৱৰ নিৰ্দেশমতে দেৱতাসৱৰ উপস্থিতিত বেউলাই নৃত্য কৰে। নাৰদৰ মুখে বাৰ্তা পাই চণ্ডিকাই ক্ৰোধান্বিতা হৈ শিৱৰ ওচৰলৈ আহি আনৰ নাৰীৰ নৃত্য চোৱা বাবে শিৱক ভৎ'সনা কৰে। ফুলশয্যাৰ নিশা বিনাদোষে পদ্মাই বিধবা কৰা বাবে বেউলাই পদ্মাৰ বিৰুদ্ধে চণ্ডীৰ ওচৰত অভিযোগ কৰে। অৱশেষত চণ্ডীৰ পৰামৰ্শমতে পদ্মাক আনিবৰ বাবে শিৱই দূত প্ৰেৰণ কৰে। পদ্মাই মায়া-জৰ পাতি উপস্থিত পৰিস্থিতিৰ পৰা আঁতৰি

থাকিবলৈ অপচেষ্টা কৰিছিল যদিও মাৰদৰ ছল-চক্ৰান্তত তেওঁ দেৱতাসৱৰ ওচৰলৈ আহিবৰ বাবে বাধ্য হয়। বেউলাৰ স্বামীক অনতি পলমে জীয়াই দিবলৈ শিৱই পদ্মাক নিৰ্দেশ দিয়ে। বেউলায়ো মনসাক ভৎসনা কৰে আৰু নিৰুপায় হৈ অৱশেষত মনসাই ইনাই-বিনাই কান্দিবলৈ ধৰে। পদ্মাই যে, লখাইক বধ কৰিছে তাৰ অনুকূলে সাক্ষী প্ৰদৰ্শন কৰিবৰ বাবে মনসাই বেউলাক নিৰ্দেশ দিয়ে। তদনুক্ৰমে বেউলাই সৰ্প পৰীক্ষা কৰে আৰু মনসাৰ আসনৰ তলৰ পৰা নেজ কটা কালিনাগক টান মাৰি উলিয়াই আনি নিজৰ হাতত থকা কালিনাগৰ নেজৰ সৈতে মিলাই দি সভাসদৰ মাজত প্ৰমাণ কৰি দেখুৱায় যে, চন্দ্ৰধৰৰ পুত্ৰ লখাইক পদ্মাই বধ কৰাইছে। ইন্দ্ৰ-যম আদি দেৱতাসৱেও বেউলাৰ সপক্ষে সাক্ষ্য দিয়ে। পদ্মাৱতীয়ে নিজৰ পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হ'ল আৰু লখিন্দৰক জীয়াই দিবলৈ তেওঁ প্ৰতিশ্ৰুতি দিলে। লখিন্দৰৰ শৱ আনিবৰ বাবে মনসাই বেউলাক নিৰ্দেশ দিয়ে। তদনুক্ৰমে বেউলাই তেওঁৰ স্বামীৰ অস্থিবোৰ আনি দিয়ে। পদ্মাই লখাইৰ বত্ৰিছ পাঞ্জৰ সংযোগ কৰে ; কিন্তু আঁঠুৰ ঘিলাটো বিচাৰি নোপোৱা হেতু পদ্মাই বেউলাক ভৎসনা কৰে। বেউলাৰ মিনতিত সন্তুষ্ট হৈ পদ্মাই ধ্যান কৰি চাই বুজিব পাৰিলে যে, ৰাঘোৱা বৰালিয়ে লখাইৰ আঁঠুৰ ঘিলাটো ভক্ষণ কৰিছে। পদ্মাৰ নিৰ্দেশমতে নেতাই ঝালো-মালোৰদ্বাৰা সাগৰত জাল মাৰি ৰাঘোৱা বৰালিটো ধৰায় আৰু মাছটোৰ পেট ফালি আঁঠুৰ ঘিলাটো বাহিৰ কৰি আনি পদ্মাক দিয়ে। পদ্মাই লখিন্দৰৰ দেহৰ যথোপযুক্ত স্থানত ঘিলাটো সংযোগ কৰে। পদ্মাক সন্তুষ্ট কৰিবৰ বাবে চান্দোৰ জৰিয়তে পদ্মাক পূজিবৰ বাবে দেৱতাসকলৰ বিদ্যমানে বেউলাই প্ৰতিজ্ঞা কৰে। পদ্মাৰ কৃপাত লখিন্দৰে পুনৰ্জীৱন লাভ কৰে। বেউলাৰ অনুৰোধমতে পদ্মাই ধন্বন্তৰিৰ সৈতে চান্দোৰ ছয় কুমাৰক পুনৰ্জীৱন প্ৰদান কৰে আৰু সাগৰত নিমজ্জিত চৈধ্যখন ডিঙা উত্তোলন কৰে। মনসাৰ কৃপাত কাণ্ডাৰী আৰু বাইচা সকলোও পুনৰ্জীৱন লাভ কৰে। পদ্মাৰ সৈতে বেউলা-লখিন্দৰ, চান্দোৰ ছয়-কুমাৰ, ধন্বন্তৰি আদিয়ে চম্পক অভিমুখে যাত্ৰা কৰে। বেউলাৰ অনুৰোধমতে লখাই সচিত্ৰ বিচনি নিৰ্মাণ কৰে আৰু বিচনি বিক্ৰেতীৰূপে বেউলাই চন্দ্ৰধৰৰ হাউলিত প্ৰৱেশ কৰি সোনেকাৰ সাক্ষাৎ লাভ কৰে। সোনাইৰ ওচৰত বেউলাই নিজৰ চিনাকি দি তেওঁৰ দেৱপুৰ-যাত্ৰাৰ সাফল্যৰ বিষয়েও বিবৰি কয়। প্ৰজা সাধাৰণৰ অনুৰোধ উপেক্ষা কৰিবলৈ অক্ষম হৈ চন্দ্ৰধৰে মনসাক পূজিবলৈ

প্ৰতিজ্ঞা কৰে আৰু গুঞ্জৰি সাগৰত হেমতাল নিক্ষেপ কৰে। নৰ লক্ষ বলিৰে চন্দ্ৰধৰে মনসাক পূজা দিয়ে। সন্তুষ্টমনা পদ্মাৱতীয়ে চান্দোসদাগৰৰ পৰা বিদায় লয়। দুষ্টবুদ্ধিসম্পন্ন চন্দ্ৰধৰে বেউলাৰ সতীত্ব পৰীক্ষা কৰে। তুলাপৰীক্ষাত কৃতকাৰ্য্য হৈ বেউলাই লখিন্দৰৰ সৈতে অন্তৰীক্ষলৈ যাত্ৰা কৰে। পুত্ৰ আৰু পুত্ৰবধূৰ পৰিণতিত শোকবিহ্বলা সোনেকাই হাকুলি-বাকুলি কান্দে।

উপৰোল্লিখিত বিষয়বস্তুখিনি 'ভাটীয়ালীখণ্ড'ত ১২৪ টা দিহাৰ অন্তৰ্গত ১০৩৮ টা পদৰ জৰিয়তে বৰ্ণিত হৈছে[২] ভাটীয়ালী খণ্ডত বৰ্ণিত বিষয়বস্তুৰ মাজত কাব্যসন্মত ঐক্য ৰক্ষিত নোহোৱাকৈ থকা নাই।

গ. চৰিত্ৰসৃষ্টি : 'পদ্মা-পুৰাণ'ত চিত্ৰিত চৰিত্ৰসমূহৰ অধিক সংখ্যক মুখ্য চৰিত্ৰই ভাটীয়ালীখণ্ড'ত ৰক্ষিত হৈছে। অৱশ্যে 'পদ্মা-পুৰাণ'ৰ উজনি খণ্ডত নথকা দুই-চাৰিটা নতুন চৰিত্ৰৰ পৰিকল্পনাও 'ভাটীয়ালীখণ্ড'ত পৰিদৃষ্ট নোহোৱাকৈ নাথাকে। উদাহৰণ স্বৰূপে কালিনাগ, গৃধিনী, শৃগালী, যমদাইনী গোধা জুৰাৰু, ধনা-মনা, ৰঙ্গাই সাধু, নাৰায়ণ সাধু, বাঘ, দুৰ্বলী, বসুদেৱ আদি চৰিত্ৰলৈ আঙুলিয়াব পাৰি।

সমগ্ৰ 'পদ্মা-পুৰাণ'ৰ কাহিনীভাগৰ লগত বিশেষভাবে জৰিত হৈ থকা চৰিত্ৰসমূহৰ ভিতৰত শিৱ-মহাদেৱৰ চৰিত্ৰটি উল্লেখযোগ্য। পৌৰাণিক শিৱ-মহাদেৱৰ গাম্ভীৰ্য্য আৰু মাহাত্ম্য 'পদ্মা-পুৰাণ'ত ৰক্ষিত হোৱা নাই, বৰং লোক-দেৱতাৰূপেহে ভাষা-পুৰাণখনিত শিৱই আত্মপ্ৰকাশ কৰিছে। লোকদেৱতা-ৰূপে তেওঁ ভঙুৱা, ভিক্ষাৰী, কামপৰৱশ আৰু সাধাৰণ মানৱৰ দুৰ্বলতা, ভুল-ত্ৰুটি আদি বিশেষত্বৰে সমুজ্জ্বল। 'পদ্মা-পুৰাণ'ৰ অন্যতম উদ্দেশ্য সৰ্পদেৱী মনসাৰ শক্তি, মাহাত্ম্য, বৈভৱ আদি প্ৰচাৰ কৰা। মনসা-পদ্মাক একমাত্ৰ পূজাৰ্হাদেৱীৰূপে প্ৰতিপন্ন কৰাই ভাষা-পুৰাণখনিৰ অন্যতম লক্ষ্য; কিন্তু ঘটনা বৈচিত্ৰ্যৰ মাজত দেখা যায় যে, তেওঁ অনেক ক্ষেত্ৰত শিৱৰ নিৰ্দেশ, অনুমোদন আৰু অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। প্ৰতিটো খোজতে মনসাই পিতৃ শিৱৰ অনুগ্ৰহ প্ৰাৰ্থিনীৰূপে ভূমিকা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। আনকি মনসা-পূজাৰ প্ৰসাৰতো শিৱৰ ভূমিকা মনকৰিব লগীয়া। চন্দ্ৰধৰৰ চৈধ্য ডিঙা সাগৰত নিমজ্জন, ধন্বন্তৰি বধ, চন্দ্ৰধৰৰ ছয়পুত্ৰ বধ আদি বিভিন্ন পৰিস্থিতিত মনসাই শিৱৰ পৰা অনুমোদন লাভ কৰিবলৈ বাধ্য নোহোৱাকৈ থকা নাই।

২. দিহা আৰু পদৰ সংখ্যাৰ ক্ষেত্ৰত বিভিন্নতাও দেখা যায়।

ভেনেদৰে লখিন্দৰক বধ কৰিবৰ বাবে কালিনাগক অনাৰ প্ৰসংগত ঐন্দজালিক শক্তি সম্পন্ন শংখটো দি শিৱই মনসাক সহায় কৰিছে। দেৱপুৰীত শিৱৰ মধ্যস্থতাতহে মনসাই লখিন্দৰকে আদি কৰি চান্দোৰ ছয়কুমাৰ, ধন্বন্তৰি আদিক পুনৰ্জীৱন দান কৰাৰ উপৰিও কাণ্ডাৰী-ঝাইচা আদিকে ধৰি চৈধ্যখন ডিঙা তুলি দিয়াইছে। এইদৰে মনসাই চন্দ্ৰধৰৰপৰা পূজা লাভ কৰাৰ পথ শিৱই প্ৰশস্ত কৰি দিয়ে।

দেশ-কাল-পাত্ৰ বিচাৰ নকৰাকৈ যাৰে-তাৰে ওচৰত শৃংগাৰ ভিক্ষা কৰা কাৰ্য্য শিৱ-চৰিত্ৰৰ ক্ষেত্ৰত শোভা পোৱা নাই। আনকি ভেওঁৰ নাতিনী সদৃশ. তাতে বিধবা বেউলাৰ ওচৰতো তেওঁ আলিংগন ভিক্ষা কৰিছে। পৰস্ত্ৰীৰ প্ৰতি থকা দুৰ্বলতাৰ বাবে চণ্ডীৰদ্বাৰা শিৱ ভং'সিত নোহোৱাকৈ থকা নাই, যেনে :

পৰস্ত্ৰিক লৈয়া তুমি কৰা নৃত্য-গিতে।
উপৱাসে প্ৰান জাই পেট পোৰে তাতে ॥
বলধে চৰিয়া তুমি বেৰায়া ঘৰে ঘৰে।
দেৱ হৈয়া কোন জনে হেন কৰ্ম কৰে ॥
পৰস্ত্ৰিক লৈয়া তুমি কৰা কদাচাৰ।
দেৱৰ সভাত তোমাৰ এতেক খাংখাৰ ॥[৩]

নৃত্য-গীত-প্ৰীতি শিৱ-চৰিত্ৰৰ আন এটি উজ্জ্বল বৈশিষ্ট্য। বেউলাৰ উদ্দেশ্য সিদ্ধিত শিৱৰ নৃত্য-গীত-প্ৰীতিয়ে তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

শিৱ-চৰিত্ৰৰ পৰিকল্পনাত বাস্তৱ জীৱনৰ ধূলি-মাকতিৰ স্পৰ্শ স্পষ্ট। মানৱীয় গুণাৱলীৰে সমুজ্জ্বল শিৱ-চৰিত্ৰটি লোকজীৱনৰ বাস্তৱ অভিজ্ঞতাৰ পট-ভূমিত চিত্ৰিত।

'পৌৰাণিক-পৰম্পৰাত দেৱৰ্ষি ৰূপে পৰিচিত আৰু বিষ্ণুৰ পৰম ভক্ত নাৰদমুনিয়েও 'পদ্মা-পুৰাণ'ত লোকচৰিত্ৰৰূপে কম্প সলাইছে। সংস্কৃত পুৰাণা-দিত নাৰদ ব্ৰহ্মাৰ মানসপুত্ৰ। অন্যহাতে 'পদ্মা-পুৰাণ'ত তেওঁ শিৱৰ ভাগিন। 'পদ্মা-পুৰাণ'ৰ শিৱ-নাৰদৰ মোমা-ভাগিন সম্পৰ্কৰ আভাস পৌৰাণিক পৰম্পৰাত মুঠেই পোৱা নাযায়। সংস্কৃত পুৰাণাদিত নাৰদৰ বাহনৰ বিষয়েও কোনো ধৰণৰ উল্লেখ নাই। ইয়াৰ বিপৰীতে 'পদ্মা-পুৰাণ'ত নাৰদৰ বাহন ঢেঁকী, যেনে :

৩. পদ্মা-পুৰাণ : জাটীয়াজীখণ্ড ; পদ ৫৪২-৪৩ ;

"এত সুনি নাৰদ মুনি সত্বৰে চলিলা।
ঢেকি বাহনে ৰথ খান সত্বৰে সাজিলা॥
দুই কাসে দুই খান বান্ধে ভাঙ্গা কুলা।
উপৰত বান্ধিলা পুৰান ঢেকি থোৰা॥"[৪]

নাৰদ দৌত্য কৰ্মত প্ৰশস্ট। শিৱৰ দূত ৰূপে নাৰদৰ ভূমিকা মন কৰিব-লগীয়া, যিহেতু সংবাদ দিয়াৰ প্ৰসংগত তেওঁ কন্দলৰ বীজো সিচি থৈ আহে। কন্দল লগাব নাপালে যেন তেওঁৰ শান্তি নাই। সেয়েহে তেওঁ 'কন্দলৰ ঝুলি' বা মোনা এখন সদায় লগত লৈ ফুৰে :

"এত দেখি নাৰদ মুনি হৰসিত ভৈলা।
কন্দলৰ ঝুলিখান কান্ধে তুলি লৈলা॥
জেহি দিনা নাৰদ মুনি কন্দল নাপায়।
সেহি দিনা নাৰদৰ উপবাসে জায়॥[৫]

'পদ্ম'-পুৰাণ'ৰ বিভিন্ন পৰিস্থিতিত শিৱ-চৰিত্ৰৰ দুৰ্বলতা বিশেষকৈ কামুকতাক কেন্দ্ৰ কৰি শিৱ-চণ্ডীৰ মাজত কন্দল লগাই নাৰদে নিজেও ৰং চাইছে আৰু শ্ৰোতাকো আনন্দ দিছে।

'পদ্মা-পুৰাণ'ৰ অন্যতম প্ৰধান চৰিত্ৰ চন্দ্ৰধৰ বা চান্দোসদাগৰৰ চাৰিত্ৰিক বৈশিষ্ট্যত ট্ৰেজিক নায়কৰ গুণাৱলী বৰ্তমান। তেওঁ শিৱ-ভক্ত আৰু চণ্ডীৰ উপাসক। তেওঁ ৰজা সদৃশ সদাগৰ। তেওঁৰ পিতৃৰ নাম কোটৰেশ্বৰ বৈশ্য। তেওঁ আছিল শিৱ-পূজক। কোটৰেশ্বৰৰ পত্নী চন্দ্ৰকালা। চণ্ডীৰ বৰত কোটৰেশ্বৰ আৰু চন্দ্ৰকালাই চন্দ্ৰধৰক পুত্ৰ ৰূপে লাভ কৰিছিল। পিতাকৰ দৰে চন্দ্ৰধৰো আছিল শিৱ-ভক্ত। চন্দ্ৰধৰৰ ভক্তিত সন্তুষ্ট হৈ শিৱই তেওঁক (চন্দ্ৰধৰক) ভক্ত আৰু পুত্ৰৰূপে গ্ৰহণ কৰিছিল (বাণৰ দৰে):

"তুষ্ট হুয়া বুলিলেক দেৱ মহেশ্বৰ॥
আমাৰ জে পুত্ৰ ভৈলা তুমি চন্দ্ৰধৰ।
তোৰ সম ভক্ত মোৰ নাহি একো নৰ॥[৬]

চন্দ্ৰধৰক শিৱই অমৰত্ব বৰ দি মহাজ্ঞান প্ৰদান কৰিছিল :

"কোনো কালে মৃত্যু তোৰ নহৈবেক আৰ।
মহাজ্ঞান দিলো সুন বচন আমাৰ॥[৭]

৪. উ. গ্ৰ., পদ ৫৩৫ ; ৫. উ. গ্ৰ., পদ ৫৩৬
৬. পদ্মা-পুৰাণ (Ms), পৃ. ৬৯খ. ; ৭. উ. গ্ৰ., পৃ. ৫০ক

চন্দ্ৰধৰে প্ৰথমবাৰ বণিজ্য কৰিবলৈ যোৱাৰ সময়ত তেওঁৰ পত্নী সোনেকাই মনসাদেৱীক পূজিছিল—স্বামী সদাগৰৰ শুভপ্ৰত্যাগমন আকাংক্ষা কৰি। লাহে লাহে চম্পক নগৰত মনসা-পূজা প্ৰসাৰিত হ'ল। মনসাৰ পয়োভৱ আৰু জনপ্ৰিয়তাই চণ্ডীক ঈৰ্ষান্বিতা কৰি তুলিলে। সেয়েহে তেওঁ চন্দ্ৰধৰৰ ওচৰলৈ গৈ কলে :

''বিলম্ব নকৰি চল দেসক লাগিয়া।
পদ্মাক বাহিৰ কৰা প্ৰান নামাৰিয়া ॥''[৮]

চণ্ডীৰ নিৰ্দেশ শুনি চন্দ্ৰধৰে কলে যে, শিৱৰ কুমাৰী পদ্মাৰ লগত তেওঁ বাদ কৰিব নোৱাৰে : যিহেতু তেওঁৰ দৃষ্টিত চণ্ডী আৰু মনসাৰ মাজত কোনো পাৰ্থক্য নাই :

'চান্দো বোলে সুন মাঞ বোলো তুই চাৰি।
দেৱতাৰ সমে বাদ কৰিতে নাপাৰি ॥
সিৱৰ নন্দনি পদ্মা তৃভুৱনে জানে।
তাৰ সমে বাদ কৰিবেক কোনজনে ॥
জে ৰূপ আমাৰ তুমি তেন পদ্মাৱতি।
দুহানো পুজিবো আমি কৰিয়া ভকতি ॥[৯]

পদ্মাৰ লগত বাদ কৰিবৰ বাবে চণ্ডিকাই পাৰ্য্যমানে চান্দোক প্ৰৰোচিত কৰি 'হেমতাল' নামৰ দণ্ড এডাল চম্পক পতিক দি কলে যে, এই অস্ত্ৰেৰে তেওঁ (চন্দ্ৰধৰে) জগত জিনিব পাৰিব :

"চান্দোৰ বচনে চণ্ডি বুলিল হাসিয়া।
হেমতাল আনি দিলা বাদক লাগিয়া ॥
হেনবাৰি দিলা চন্দ্ৰধৰৰ গোচৰ।
এহি অস্ত্ৰে জিনিবাহা সকলে সংসাৰ ॥[১০]

বিপদ-আপদ সকলোতে সততে সহায় কৰিবলৈ চণ্ডীয়ে প্ৰতিজ্ঞা কৰি পদ্মাৰ লগত চান্দোৰ বিবাদ লগাই দি আঁতৰি গ'ল। চণ্ডীৰ নিৰ্দেশ আৰু প্ৰতিজ্ঞাৰ দ্বাৰা প্ৰৰোচিত হৈ সন্দিগ্ধ অন্তৰেৰে চান্দোই হেমতাল প্ৰহাৰ কৰি মনসা-ঘট চূৰ্ণ-বিচূৰ্ণ কৰি পদ্মাৰ কঁকাল ভাঙিলে। অপমানিতা পদ্মাই চন্দ্ৰধৰৰ

৮. উ. গ্ৰ., পৃ. ৫৬খ ; ৯. উ. গ্ৰ., পৃ. ৫৬খ—৫৭ক
১০. উ. গ্ৰ., পৃ. ৫৭খ. ;

ওপৰত ভীষণ প্ৰতিশোধ লবলৈ দাৰুণ প্ৰতিজ্ঞা কৰি চন্দ্ৰধৰৰ ছয়পুত্ৰক বধ কৰায়। দ্বিতীয়বাৰ বাণিজ্যৰপৰা প্ৰত্যাবৰ্তন কৰাৰ সময়ত পদ্মাৰ কোপত চন্দ্ৰধৰৰ ধন-বস্তু পূৰ্ণ চৈধ্য ডিঙা সাগৰত নিমজ্জিত হয় আৰু তেওঁ নিজেও নানা দুখ-নিৰ্য্যাতন ভোগ কৰিবলৈ বাধ্য হয়। সুমলীয়া সন্তান লখিন্দৰকো পদ্মাৱতীয়ে বধ কৰায়। ইমান বিপদ-আপদৰ মাজতো চন্দ্ৰধৰে পূৰ্বৰ প্ৰতিজ্ঞা পাহৰি মনসাৰ প্ৰতি এপাহ পদ্মপুষ্প আগ নবঢ়ালে। অৱশেষত ঘটনা চক্ৰত পৰি বিশেষকৈ জ্যেষ্ঠ জন আৰু সমাজৰ দাবী উপেক্ষা কৰিব নোৱাৰি চন্দ্ৰধৰে মনসাক পূজিবলৈ বাধ্য হয়। তেনে অৱস্থাত চণ্ডীভক্ত চন্দ্ৰধৰে প্ৰকাশ্যভাৱে কবলৈ বাধ্য হৈছে যে, পদ্মাৱতীতকৈ আন কোনো ডাঙৰ দেৱতা বা দেৱী নাই :

> 'পদ্মাক ভক্তি কৰে চান্দো মনে আনন্দিতা।
> ইহা হন্তে বৰ কোন আছয় দেৱতা ॥'[১১]

চণ্ডীৰ প্ৰবোচনাত যে চান্দোই মনসাৰ সৈতে বিবাদ কৰিছিল তাৰ স্পষ্ট আভাসো চন্দ্ৰধৰে দিছে :

> 'তুমি সমে বাদ মোৰ লগাই দিলা চণ্ডি।
> তোমাক পূজিতে চণ্ডি হাক দেই পাসণ্ডি ॥'[১২]

সৰ্ববিপদত সততে সহায় কৰিবলৈ প্ৰতিশ্ৰুতা চণ্ডীয়ে চন্দ্ৰধৰৰ নানা বিপদ-আপদ আৰু দুখ-নিৰ্য্যাতনৰ মাজতো এদিন মূৰ তুলি নাচালে। চণ্ডীৰ ওপৰত নিৰ্ভয়ভাৱে নিৰ্ভৰ কৰি পদ্মাৰ লগত বৈৰিতা কৰা চন্দ্ৰধৰৰ চৰিত্ৰত দৈৱৰ পৰিহাস স্পষ্ট। চন্দ্ৰধৰ যে নিষ্ঠুৰ আছিল তাৰ আভাস পোৱা যায় পবিত্ৰা বুলি জানিও বেউলাক বিভিন্ন পৰীক্ষা কৰি অন্তৰীক্ষলৈ যোৱাৰ পথ সুগম কৰি দিয়াৰ পৰা। দৃঢ়তা আৰু অবিচলতা চন্দ্ৰধৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। অন্যহাতে চন্দ্ৰধৰ-চৰিত্ৰত-মানৱীয় দুৰ্বলতা আৰু দোষ ত্ৰুটি যে নাই তেনেও নহয়। তেওঁ পত্নী সোনেকাৰ ভগ্নী বিবাহিতা কনকা সুন্দৰীৰ ৰূপ-যৌৱন উপভোগ কৰিব বিচাৰিছে—দেৱতাৰ দুষ্প্ৰাপ্য মহাজ্ঞানৰ বিনিময়ত। মহাজ্ঞান হেৰুৱাই সম্পূৰ্ণভাৱে দুৰ্বল হৈ পৰা চন্দ্ৰধৰে নিজৰ কৃতকৰ্মত অনুতপ্ত হৈ সৰু ল'ৰাৰ দৰে কান্দিবলৈ বাধ্য হৈছে।

চন্দ্ৰধৰৰ পৌৰুষ আৰু শক্তি-সামৰ্থ্য দৈৱৰ পৰিহাসত কিছু পৰিমাণে মোলান নপৰাকৈও থকা নাই। পৌৰাণিক-পৰম্পৰাত দেখা যায় যে, ভগৱন্তই

---

১১. পদ্মা-পুৰাণ-ভাটীয়ালী খণ্ড, পদ ৯১৯

১২. উ. গ্ৰ., পদ ৯৬৯

ভক্তক অমৰত্ব বৰ প্ৰদান কৰিও তাৰ মাজতে মৃত্যুৰ পথ সুগম কৰি ৰাখে। বিপদৰ সময়ত ভক্তক ৰক্ষা কৰিবলৈ কোন অৱস্থাত ভগবান দৌৰি নাহে। সেই এক যূপকাষ্ঠত চন্দ্ৰধৰ বলি হবলৈ বাধ্য হৈছে। তেওঁৰ সহায়ৰ বাবে শিৱ-চণ্ডী আগবাঢ়ি অহা নাই।

চন্দ্ৰধৰৰ পিছতে উল্লেখযোগ্য চৰিত্ৰ হৈছে লখিন্দৰ। লখিন্দৰ চন্দ্ৰধৰ-সোনেকাৰ সপ্তম আৰু নুমলীয়া পুত্ৰ। চন্দ্ৰধৰ বা বেউলা-চৰিত্ৰৰ তুলনাত এই চৰিত্ৰটি নিষ্ক্ৰিয় বুলিব পাৰি ; যিহেতু 'পদ্মা-পুৰাণ'ৰ কাহিনীভাগৰ বিকাশ আৰু অগ্ৰগতিত এই চৰিত্ৰটোৰ প্ৰভাৱ গভীৰ নহয়। সেইবাবে লখিন্দৰ-চৰিত্ৰটিক পাৰ্শ্বিক চৰিত্ৰ বুলিব পাৰি। কিন্তু এইটোও সত্য যে, লখিন্দৰৰ জন্ম, বিবাহ, মৃত্যু আৰু দেৱপুৰত তেওঁৰ পুনৰ্জীৱন লাভ—এই বিভিন্ন ঘটনাৰ আলমতহে 'পদ্মা-পুৰাণ'ৰ প্ৰায় আধা অংশৰ কথাবস্তু পল্লবিত হৈছে। গতিকে 'পদ্মা-পুৰাণ'ত লখিন্দৰ চৰিত্ৰৰ কাৰ্য্যাৱলী সক্ৰিয় নহলেও তেওঁৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি।

চন্দ্ৰধৰে দ্বিতীয় বাৰ বণিজ কৰিবলৈ যোৱাৰ সময়ত লখিন্দৰৰ জন্ম, বণিজৰপৰা ঘূৰি আহি লখিন্দৰক দেখি চান্দোসদাগৰৰ অন্তৰত সন্দেহৰ বীজ লিপাইছিল যদিও পদ্মাৰ নিৰ্দেশ মতে বণিজলৈ যাত্ৰা কৰাৰ পূৰ্বে সদাগৰৰ জৰিয়তে লিখাই লোৱা চিঠিখন দেখুৱাইহে সোনেকাই তেওঁৰ স্বামীৰ সন্দেহ ভঞ্জন কৰে। চন্দ্ৰধৰে লখিন্দৰক যুবৰাজ পদত অধিষ্ঠিত কৰে আৰু নুমলীয়া পুত্ৰৰ বিবাহ সম্পাদিত কৰিবৰ বাবে মাধৱভট্টৰ উপদেশানুসৰি সৈন্য-সামন্ত আৰু লখিন্দৰৰ সৈতে তেওঁ শাহেবজাৰ ৰাজ্য উজানিলৈ যাত্ৰা কৰে। অৱশেষত বেউলাৰ লগত লখিন্দৰৰ বিবাহ সম্পন্ন হৈ যায়। বিবাহ-কৃত্য চলি থাকোতেই মনসাৰ সৰ্প দেখি লখিন্দৰ অচেতন হৈ মাটিত বাগৰি পৰে। বেউলাৰ চেষ্টা আৰু মনসাৰ কৃপাত লখিন্দৰে চেতনা ঘূৰাই পায়। শাহে বজাৰ গৃহত আৰু মেৰঘৰত লখিন্দৰে পত্নী বেউলাৰ ওচৰত বতি ভিক্ষা কৰে যদিও বুদ্ধিমতী বেউলাই মৰণৰ দোহাই দি লখিন্দৰক নিৰস্ত্ৰ কৰে। কালিনাগৰ দাৰুণ দংশনত মেৰঘৰৰ ভিতৰত অসহায়ভাবে লখিন্দৰ মৃত্যুৰ মুখত পৰে। বেউলাৰ অশেষ চেষ্টা সীমাহীন ত্যাগ, অননুকৰণীয় সাধনা আৰু দেৱতাসৱৰ কৃপাত লখিন্দৰে পুনৰ্জীৱন লাভ কৰে। অপৰিচিত পৰিৱেশৰ মাজলৈ লৈ অহা বাবে লখিন্দৰে বেউলাক ভৰ্ৎসনা কৰিবলৈও পিচ পৰা নাই :

"তোমাক কৰিলো বিয়া তুমি নিলাজনি হৈয়া
দেৱপুৰে আইলা কি কাৰন।"[১৩]

বেউলাই সকলো কথা বিবৰি কোৱাতহে লখিন্দৰ প্ৰত্যয় যাবলৈ বাধ্য হয়।

দেৱপুৰীৰ পৰা চৈধ্য ডিঙা সহ চম্পক নগৰী অভিমুখে যাত্ৰা কৰাৰ সময়ত ইতিপূৰ্বে বেউলাক নানাভাৱে ভীতি প্ৰদৰ্শন কৰি ব্যতিব্যস্ত কৰা দুষ্ট আৰু মতিচ্ছন্ন সকলক উপযুক্ত শাস্তি দিয়াৰ ক্ষেত্ৰত লখিন্দৰে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। চন্দ্ৰধৰে বেউলাৰ সতীত্ব পৰীক্ষা লোৱাৰ সন্দৰ্ভত লখিন্দৰৰ ভূমিকা মুঠেই নাই। বেউলাৰ লগতে তেৱোঁ অন্তৰীক্ষলৈ যাত্ৰা কৰিছে।

'পদ্মা-পুৰাণ'ত বিশেষভাৱে প্ৰাধান্য লাভ কৰিবলৈ সক্ষম হোৱা দৈৱী চৰিত্ৰ সমূহৰ ভিতৰত মনসা-পদ্মা-বিষহৰী অন্যতম। দৈৱী চৰিত্ৰ হলেও মনসা-চৰিত্ৰত মানবীয় গুণ-দোষ আদিৰ সমাৱেশ দেখা যায়। শিৱপুত্ৰী মনসা অলৌকিক শক্তিৰ অধিকাৰিণী হলেও মানবীয় দুৰ্বলতাৰ পৰিসীমা অতিক্ৰম কৰিব পৰা নাই। সাধাৰণ মানুহৰ দৰে তেওঁৰ চৰিত্ৰতো ঈৰ্ষা, প্ৰতিশোধ পৰায়ণতা, ছলনা প্ৰিয়তা, ক্ৰুৰতা আদি দুৰ্বলতাৰ পৰিস্ফুৰণ ঘটিছে। মনসাৰ জীৱনো কাৰুণ্যৰ সমষ্টি। তেওঁৰ মাতৃ নাই, অনেক ক্ষেত্ৰত পিতাকৰ মৰম-চেনেহৰ পৰাও বঞ্চিত, সতীয়া মাক চণ্ডীয়ে মৰম কৰক ছাৰি হাতৰ কংকণ প্ৰহাৰ কৰি তেওঁৰ এটা চকু কণা কৰিছে। আনকি বিবাহিত স্বামীয়েও তেওঁক নিৰ্দয় ভাৱে ত্যাগ কৰিছে :

"আমাৰ জতেক দুখ, কহিতে বিদাৰে বুক, সুন কালি হৈয়া সাৱধান।
মাও নাহি বাপ হৰ, দুষ্টালি সতাইৰ বৰ, এক চক্ষু কৰি আছে কান॥
তেবে বাপ তৃপ্ৰাৰি, বিহা দিলা জত্ন কৰি, মুনিৰ কুমাৰ মাতি আনি।
পাপিষ্ঠি কৰ্ম্মৰ ফলে, প্ৰভু চাৰি গৈল মোৰে এক ৰাতৃ নৈভেল বসতি॥"[১৪]

চান্দোৰ পত্নী সোনেকাই পদ্মাৱতীক আদৰি আনিলে চম্পক নগৰীলৈ আৰু আন আন নাৰীৰ সৈতে যথানিয়মে মনসাক পূজিবলৈ ধৰিলে; কিন্তু সতিনী সন্তানৰ প্ৰতি বিদ্বেষ পৰায়ণা চণ্ডীয়ে কাল শত্ৰুৰ ৰূপে ভূমিকা গ্ৰহণ কৰি চান্দোক 'হেমতাল' প্ৰদান কৰি প্ৰৰোচিত কৰিলে মনসাৰ কণালভাঙি চম্পক নগৰীৰপৰা খেদি পঠিয়াবলৈ :

১৩. পদ্মা-পুৰাণ, ভাটিয়ালী খণ্ড, পদ ৭৪৪ ;
১৪. উ. গ্ৰ., পদ ৪৩ ;

'পূজা খাইতে ঝালো ঘৰে, সোনেকা আনিলা মোৰে, পুজিবাক নিলা অত্ন কৰি।
চণ্ডিৰ কপটে চান্দে, অসুভ লাগিল মন্দে, হেমতালে ভাঙ্গিলা কঙ্কালি ॥"[১৫]

সাধাৰণ মানৱ হৈ দেৱীৰ ওপৰত কৰা সেই অন্যায় আচৰণৰ প্ৰতিক্ৰিয়া ভীষণ হোৱাই স্বাভাৱিক ; যিহেতু প্ৰতিটো ক্ৰিয়াৰ আছে প্ৰতিক্ৰিয়া। গতিকে পদ্মায়ো ভয়ানক প্ৰতিজ্ঞা কৰিলে—চান্দোৰ ওপৰত নিৰ্মম প্ৰতিশোধ লবলৈ। এই প্ৰতিজ্ঞা পূৰণ কৰি চান্দোৰ ওপৰত নিৰ্মম প্ৰতিশোধ লবলৈ যোৱাৰ পৰিণতিত মনসাই ছলনা বা ক্ৰূৰতাৰ সহায় লবলগীয়া হৈছে। দৰাচলতে ইয়াত কোনো অস্বাভাৱিকতা অথবা অনৌচিত্যও নাই।

চান্দোৰ ওপৰত নিৰ্মম প্ৰতিশোধ লোৱাৰ লালসাৰদ্বাৰা পৰিচালিতা মনসাই ছলে-বলে-কলে-কৌশলে চান্দোৰ পৰা মহাজ্ঞান হৰণ কৰি ধন্বন্তৰিক বধ কৰাইছে। ইয়াৰ পৰবৰ্তী স্তৰত পদ্মাই চান্দোৰ ছয়পুত্ৰক একেদিনাই বধ কৰাইছে। সিমানতো চান্দোই নিজৰ আকাশলঙ্ঘা অহংকাৰ আৰু পৌৰুষ পৰিহাৰ কৰি পদ্মাৰ চৰণ প্ৰান্তত আশ্ৰয় নললে। দ্বিতীয়বাৰ বণিজ কৰিবলৈ গৈ লংকাত উপস্থিত হোৱা চান্দোক মনসাই অৱৰ্ণনীয় দুখ-যন্ত্ৰণা ভোগাইও ক্ষান্ত নাথাকি সাগৰত ডিঙা ডুবাই নগুৰ-নাগতি কৰিছে। অৱশেষত উষা-অনিৰুদ্ধক স্বৰ্গৰপৰা আনি বেউলা লখিন্দৰ ৰূপে জন্ম দি মনসাই নিজৰ প্ৰতিজ্ঞা পূৰণ কৰিবলৈ লগতে শিৱ-পূজক আৰু চণ্ডী-ভক্ত চান্দোৰ পৰা পূজা লাভ কৰিবলৈ সক্ষম হৈছে :

"তুমি নুপুজিলে মোক নুপুজে সংসাৰে।
তে কাৰনে তোমাত মই কহিলো বিস্তৰে ॥"[১৬]

চান্দো সদাগৰেও পৰিশেষত বুজিবলৈ সক্ষম হৈছে যে, নিজৰ নিৰ্বোধিতাৰ বাবে চণ্ডীৰদ্বাৰা কুপথে পৰিচালিত হৈহে মনসাক অপমান কৰি নিজে সীমাহীন দুখ-নিৰ্য্যাতন ভোগ কৰিব লগীয়া হৈছে :

"তুমি সমে বাদ কৰো মোৰ বুদ্ধি নাই।
আপুনাৰ দোসে পাইলো এতেক বিলাই।"[১৭]

ভাৰতীয় দেৱী-পৰম্পৰাৰ সুযোগ্যা উত্তৰাধিকাৰিণী মনসাই নিজেই সগৌৰৱে ঘোষণা কৰিছে : তেওঁতকৈ আন কোনো শ্ৰেষ্ঠ দেৱতা বা দেৱী নাই ; জগতত তেৱেঁই একমাত্ৰ দেৱতা (দেৱী) :

১৫. উ গ্ৰ. ; ১৬. উ. গ্ৰ., পদ, ৯৩৭ ; ১৭. উ. গ্ৰ., পদ ৯৭১

"তোৰ হৰ গৌৰি দেখা এতেক অৱস্থা।
আমি হন্তে বৰ কোন আচয় দেৱতা॥"[18]

'দেৱী-মাহাত্ম্য'তো দেৱীয়ে একে সুৰতেই উদাত্ত ভাৱে ঘোষণা কৰিছিল :

একৈৱাহং জগত্যত্ৰ দ্বিতীয়া কা মমাপৰা।
পশ্যৈতা দুষ্ট ময্যেৱ বিশন্ত্যো মদ্ বিভূতয়ঃ॥"[19]

অৰ্থাৎ, "মই অকলেই এই জগতত বিৰাজিতা। মোৰ বাহিৰে আন দ্বিতীয় জন কোন আছে?"

'দেৱী-মাহাত্ম্য'ত দেৱীয়ে প্ৰতিদ্বন্দী অসুৰসকলক বধ কৰি নিজৰ সাৰ্বভৌমত্ব প্ৰতিষ্ঠা কৰিছিল; মনসা-কথাবৃত্ততো মনসা-পদ্মাই তেওঁৰ বিৰুদ্ধ-বাদী সকলক ছলে-বলে-কলে-কৌশলে দমন কৰি নিজৰ সাৰ্বভৌমত্ব প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

'নেতা' 'পদ্মা-পুৰাণ'ৰ আন এটি উল্লেখযোগ্য দৈৱী চৰিত্ৰ। সম্বন্ধত নেতা পদ্মাৰ ভগ্নী, যিহেতু একেজন পিতৃ শিৱৰ পৰা উভয়ৰে জন্ম। নেতা ঋষিশাপৰদ্বাৰা অভিশপ্তা। তেওঁ দেৱতাৰ বস্ত্ৰ প্ৰক্ষালন কৰে, সেইকালৰ পৰা তেওঁ ৰজকিনীৰ ভূমিকাও গ্ৰহণ কৰিছে। নেতা-পদ্মাৰ সম্পৰ্ক কেৱল ভগ্নীৰ ক্ষেত্ৰতেই পৰিসীমিত নহয়। 'পদ্মা-পুৰাণ'ৰ ঘটনাচক্ৰৰ পৰিক্ৰমাত নেতাই পদ্মাৰ বান্ধৱী, দাৰ্শনিকা আৰু পথ প্ৰদৰ্শিকা ৰূপে ভূমিকা গ্ৰহণ কৰিছে।

নেতাই উগ্ৰতপা ঋষিৰ কাম বুভুক্ষাৰ অগ্নিত আত্মাহুতি দি পদ্মাক ঋষিৰ কাম লিপ্সাৰ পৰা ৰক্ষা কৰি আত্মত্যাগৰ পৰিচয় দিছে। নেতাৰ পৰামৰ্শ মতেই পদ্মাই বাখোৱালসকলক পুনৰ্জীৱন প্ৰদান কৰি পূজা লাভ কৰে। তেনেদৰে 'হাসন-হুসন' আৰু সোনাইৰপৰা পূজা লাভ, চান্দোৰপৰা মহাজ্ঞান হৰণ, ধন্বন্তৰি বধ, চান্দোৰ ছয়পুত্ৰ নিধন, চান্দোৰ ডিঙা নিমজ্জন আৰু নিৰ্য্যাতন আদি বিভিন্ন দিশত নেতাৱতীয়ে পদ্মাৱতীক দিহা-পৰামৰ্শ দিছে। নেতাৰ পৰামৰ্শ মতেই পদ্মাই স্বৰ্গৰপৰা উষা-অনিৰুদ্ধক হৰণ কৰি বেউলা-লখিন্দৰ ৰূপে জন্ম দিয়ায়। লখিন্দৰ-বধৰ পথ ৰচনা আৰু বধৰ উপায় দিয়াৰ ক্ষেত্ৰতো নেতাৰ অৱদান তাৎপৰ্য্যপূৰ্ণ। বেউলাই দেৱপুৰীত লখিন্দৰক

---

১৮. উ. গ্ৰ. পদ, ৯৩৪

১৯. মাৰ্কণ্ডেয়-পুৰাণ ৯০।৩

"শিৱৰ নন্দনি পদ্মা সুনিচো শ্ৰৱনে।
তাত্তপৰে দেৱ নাই ই তিনি ভুৱনে॥" পদ্মা-পুৰাণ, পৃ. ৫৪খ.

পুনৰ্জীৱন দিওৱাৰ প্ৰসংগত নেতাৱতীৰ ভূমিকা নিশ্চিতভাৱে উল্লেখযোগ্য। নেতাৰ সহায়-সাৰথি নোপোৱাহেঁতেন বেউলাৰ দ্বাৰা এই কাম সম্ভৱহৈ নুঠিলেহেঁতেন। শিৱ-মহাদেৱৰ লগত বেউলাক চিনাকি কৰি দিয়া, বেউলাৰ দ্বাৰা দেৱতাসৱৰ মাজত নৃত্য প্ৰদৰ্শন, নৃত্য চাবৰ বাবে চণ্ডী, মনসা আদিক আমন্ত্ৰণ কৰা, লখিন্দৰক বিনাদোষে বধ কৰোৱা বাবে দেৱসৱৰদ্বাৰা পদ্মাক ভৎ'সনা, বেউলাৰদ্বাৰা কালিনাগৰ সন্ধান, চান্দোসদাগৰৰপৰা মনসাৰ পূজা লাভ আদি বিভিন্ন দিশত নেতাৰ অৰিহণা মন কৰিব লগীয়া।

'পদ্মা-পুৰাণ'ৰ দৈৱী চৰিত্ৰসমূহৰ ভিতৰত চণ্ডী চৰিত্ৰটোও নিশ্চিতভাৱে বৈশিষ্ট্যপূৰ্ণ। সতিনীৰ প্ৰতি ঈৰ্ষা, স্বামী শিৱ চৰিত্ৰত অবিশ্বাস আৰু মনসাৰ প্ৰতি বিদ্বেষ—এই তিনিটাই চণ্ডী-চৰিত্ৰৰ মানবীয় দুৰ্বলতা। গংগা শিৱৰ পত্নী। গংগাৰ প্ৰতি চণ্ডীৰ সপত্নী ঈৰ্ষা কথায় কামে প্ৰকাশ নোহোৱাকৈ থকা নাই। শিৱ বহু পত্নীক হলেও তেওঁ পৰস্ত্ৰীৰ প্ৰতি আসক্ত। শিৱৰ এই দুৰ্বলতাৰ প্ৰতি চণ্ডী সততে সঁজাগ। পুষ্পধাৰীলৈ যোৱাৰ বাটতো চণ্ডীয়ে শিৱক ভৎ'সনা কৰিছে। তেনেদৰে বেউলাই দেৱপুৰীত নৃত্য কৰাৰ প্ৰসংগতো চণ্ডীয়ে শিৱক তিৰস্কাৰ কৰিবলৈ পাহৰা নাই ঃ

"চণ্ডি বোলে সুন সিৱ কহো তোমাৰ ঠাই।
ভিতৰে ভাণ্ডাৰে তোমাৰ কিছু ধন নাই॥
ভাঙ্গ জে ধুথুৰা খাস আৰ সাত বাৰি।
জথা তথা হন্তে আনা পৰ ঘৰৰ নাৰি॥"[২০]

সতীয়া কন্যা মনসাৰ প্ৰতি চণ্ডীৰ বিদ্বেষভাব যে সুতুংগত উপনীত হৈছিল তাৰ স্পষ্ট প্ৰমাণ পোৱা যায় চণ্ডীয়ে হাতৰ কংকণ প্ৰহাৰ কৰি পদ্মাৰ চকু এটা কণা কৰাৰ জৰিয়তে। অকল ইমানেই নহয়, পদ্মাৰ প্ৰভাৱ, পয়োভৰ আৰু জনপ্ৰিয়তা ক্ৰমশঃ বাঢ়ি অহা দেখি ঈৰ্ষান্বিতা হৈ চণ্ডীয়ে চন্দ্ৰধৰৰ জৰিয়তে মনসাক প্ৰহাৰ কৰায়। লখিন্দৰক বধ কৰোৱা বাবে চণ্ডীয়ে মনসাক ভৎ'সনা কৰিছে। অৱশ্যে সময় বিশেষে চণ্ডীয়ে মনসাক সহায় নকৰাকৈও থকা নাই। ধন্বন্তৰি—বধৰ প্ৰসংগত মনসাই শিৱৰ পৰা উদয়কাল নাগ লাভ কৰিছে চণ্ডীৰ অনুগ্ৰহত। মনসাৰ অনুৰোধ ক্ৰমে চণ্ডীয়ে উষাৰ মনোৰথ পূৰ্ণ কৰা নাই।

---

২০. পদ্মা-পুৰাণ ঃ ভাটীয়ালী খণ্ড, পদ ৫৪২

ইয়াৰ পৰিণতিত চন্দ্ৰধৰৰ লগত মনসাৰ 'বাদ সধা'ৰ পৰিকল্পনা অনেক পৰিমাণে ফলৱতী হৈছে :

"সুমঙ্গলা চণ্ডি পুজে বাদ্যভণ্ড হৈতে।
ধুপ দিপ পুষ্প লৈয়া লাগিলা পূজিতে ॥
ধ্যানত জানিয়া পদ্মা গৈলা চণ্ডি-ঠাই।
উসাৰ পুজাৰ কাছে নাজাইবা সত্তাই ॥
আমাৰ সপত কাৰ্ত্তিকৰ মাথা খাস।
উসাৰ পুজাৰ কাছে জদি তুমি জাস ॥
পদ্মাৰ বচনে চণ্ডি কৰিলা কপট।
উসাৰ পুজাৰ তেহে নগেলা নিকট ॥"[২১]

চণ্ডীয়ে চন্দ্ৰধৰক সৰ্ববিপদত ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতি দিলেও বাস্তৱক্ষেত্ৰত তেওঁ সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই ; যিহেতু পুত্ৰনিধন, ডিঙা নিমজ্জন ইত্যাদি বিপদত তেওঁ চান্দোক সহায় কৰিবলৈ আগবাঢ়ি অহা নাই। অৱশ্যে মাজে মাজে চণ্ডীয়ে বিপদগ্ৰস্ত চন্দ্ৰধৰক ৰক্ষা নকৰাকৈও থকা নাই। লংকাৰ কাৰাগাৰত বন্দী হৈ থকা চন্দ্ৰধৰক মুক্ত কৰাৰ প্ৰসংগত চণ্ডীয়ে অৰ্থপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।[২২]

মানৱ চৰিত্ৰৰ ভিতৰত সনেকা বা সোনেকাই পাঠক—শ্ৰোতাৰ মনত নিশ্চিতভাবে ৰেখাপাত কৰিব পাৰে। চিৰন্তন মাতৃহৃদয়ৰ অধিকাৰিণী সনেকা- চৰিত্ৰটি ভাৰতীয় সমাজ আৰু জীৱনৰ আদৰ্শৰ পটভূমিত চিত্ৰিত হৈছে। তেওঁ পতি প্ৰাণা পত্নী। পতিৰ আদেশ-নিৰ্দেশ-কাৰ্য্যাৱলী অনুচিত হলেও তাক নত শিৰে পালন কৰিছে বাধাহীন চকুৰপানীৰে গাল তিয়ায়। সেই চকুপানীয়ে কিন্তু সোনেকাৰ বেদনাবোৰ ধুই নিকা কৰিব পৰা নাই। পতিৰ শুভ আৰু আশু আগমন প্ৰত্যাশা কৰি সোনেকাই মনসাক পূজিছিল, তাৰ পৰা যে, ইমান বিপৰ্য্যয় হ'ব পাৰে—তেওঁ হয়তো কল্পনা কৰিবই পৰা নাছিল। স্বামীৰ অনুচিত কৰ্মৰ প্ৰতিফল ভোগ কৰিব লগীয়া হ'ল সোনেকাই। তেওঁ এজন এজনকৈ সাতজন পুতেকৰ মুৰ খাব লগীয়া হ'ল। বোৱাৰীসকলৰ অকাল বৈধব্যৰ যন্ত্ৰণাত তেওঁ অস্থিৰ হৈ উঠিল। পুত্ৰহাৰা জননী সোনেকাৰ করুণ ক্ৰন্দন হৃদয়বিদাৰক। সোনেকা পুত্ৰহাৰা মাতৃৰ করুণ প্ৰতিমূৰ্তি।

২১. পদ্মা-পুৰাণ (Ms.), পৃ. ৮৮ক
২২. উ. গ্ৰ., পৃ. ১০১খ.

সোনেকাৰ করুণ ক্রন্দন যেন লোকায়ত সমাজৰ পুত্ৰহাৰা জননীৰ দুৰ্বিষহ বেদনাৰ বাংময়ৰূপ। স্বৰূপাৰ্থত স্থানীয় মাটিৰ গোন্ধৰ পৰশেৰে এই চৰিত্ৰটিও সিক্ত। চণ্ডীৰ প্ৰৰোচনাৰ দ্বাৰা আকোৰগোজ মনোভাৱ সম্পন্ন আৰু আমঠ স্বভাৱ বিশিষ্ট চন্দ্ৰধৰে উপলব্ধি কৰিবলৈ অক্ষম হলেও সোনেকাই যথাৰ্থতে উপলব্ধি কৰিব পাৰিছিল যে, চণ্ডী আৰু মনসাৰ মাজত কোনো পাৰ্থক্য নাই। দ্বিতীয়তে, মনসাৰ ক্ৰোধবহ্নিত আত্মাহুতি দিব লগীয়া হোৱা চণ্ডী-ভক্ত চন্দ্ৰধৰৰ সাতজন পুত্ৰেকৰ কমপক্ষেও এজনকো হৰ-পত্নী চণ্ডিকাই জীয়াই নিদিলে। গতিকে চণ্ডীৰ কথাত পতিয়ন গৈ মনসাক নুপূজি বিপদ মাতি অনা যে, অযুক্তিকৰ হ'ব- সেই বিষয়ে সোনেকাই চান্দোক সকীয়াই দি আদৰ্শ গৃহিণীৰ ভূমিকা পালন কৰিছে।

সোনেকাই আশা কৰিছিল যে সাতজন পুত্ৰ আৰু সাতজনী পুত্ৰবধূৰ লগত মনসাৰ কৃপাত সুখেৰে কাল কটাব পাৰিব ; কিন্তু বিধিনি পাতিলে তেওঁৰ স্বামী-চন্দ্ৰধৰে-বেউলাৰ সতীত্ব পৰীক্ষা কৰিবলৈ কৰা আত্মঘাতী পৰিকল্পনাৰ জৰিয়তে। স্বামীৰ পৰিকল্পনাত সোনেকাৰ মন আগন্তুক বিপদৰ দুৰ্ভাৱনাত চঞ্চল হৈ উঠিল। আগন্তুক বিপদৰপৰা হাতসাৰিবৰ বাবে সোনেকাই চান্দোৰ পৰিকল্পনা ৰোধ কৰিবলৈ অগ্ৰসৰ হ'ল ; কিন্তু বেউলাৰ মিনতিত তেওঁ নিৰস্ত্ৰ হব লগীয়া হ'ল। সতীত্ব পৰীক্ষাৰ পৰিণতিত বেউলা-লখিন্দৰ উভয়ে অন্তৰীক্ষলৈ যাত্ৰা কৰিলে। সোনেকাই বুকুত ভুকুৱাই কপালত চপৰিয়াই হাহাকাৰ কৰি কান্দিবলৈ ধৰিলে। তেনে অৱস্থাত শোক বিহ্বলা সোনেকাই চান্দোসদাগৰক ভৎসনা কৰিবলৈও ভ্ৰূক্ষেপ কৰা নাই :

"কান্দিচে সোনেকা নাৰি নধৰে পৰানি।
চান্দোক ভৰ্চ্চিয়া সোনাই মনৰ অগনি ॥
সোনাই বোলে সুনৰে নিৰ্বোধ সদাগৰ।
তোৰ দোসে গৈলা মোৰ পুত্ৰ লখিন্দৰ ॥

* * *

সোনাই বোলে সুন প্ৰভু আমাৰ বচন।
তোমাৰ কাৰনে ভৈলা আমাৰ মৰন ॥"[২৩]

সোনেকাৰ চৰিত্ৰ পত্নীত্ব, মাতৃত্ব আদি নাৰীসুলভ গুণাৱলীৰ সমষ্টি। বিচাৰ-বিবেচনা, যুক্তিপ্ৰৱণতা, পৱিত্ৰতা, আদৰ্শনিষ্ঠতা, ধৈৰ্য্যশীলতা আদি উচ্চ

২৩. পদ্মা-পুৰাণ : ভাটীয়ালী খণ্ড, পদ ১০৩৪-৩৮

মানৱীয় গুণৰদ্বাৰা খুল্ল-সোনেকা-চৰিত্ৰটিয়ে যুগে যুগে সৰ্বজনৰ হৃদয়ত গভীৰ-ভাবে ৰেখাপাত কৰিবলৈ সক্ষম হ'ব।

'পদ্মা-পুৰাণ'ত চিত্ৰিত হোৱা মানৱ চৰিত্ৰসমূহৰ ভিতৰত বেউলা-চৰিত্ৰটি নিশ্চিতভাৱে অন্যতম। ভাৰতীয় আদৰ্শৰ আধাৰত আৰু অসমীয়া সমাজ-জীৱনৰ পটভূমিত বেউলা-চৰিত্ৰটি অংকিত হৈছে। ভাৰতবৰ্ষ সতী-সাধ্বীৰ দেশ। সীতা, সাবিত্ৰী, দময়ন্তী, দ্ৰৌপদী আদি সতী কন্যাসকলৰ প্ৰতিদৰ্শৰ ভিত্তিত বেউলাৰ সৃষ্টি। পুৰাণ প্ৰসিদ্ধ বা মহাকাব্য বিখ্যাত সতীসকলৰ দৰে বেউলাও জাতিস্মৰ। দেৱকাৰ্য্য সাধিবৰ বাবে স্বৰ্গাধিপতি পুৰন্দৰৰ নিৰ্দেশ আৰু পদ্মাৰ ছলনাত সৰ্গৰ নৃত্যপটীয়সী উষাই জাতিস্মৰ হৈ বেউলা ৰূপে উজানি নগৰৰ ৰজা শাহেৰ পত্নী সুমিত্ৰাৰ গৰ্ভত জন্ম লাভ কৰে। সেইবাবে তেওঁৰ চৰিত্ৰত অলৌকিক বৈশিষ্ট্যই স্থিতি লাভ কৰিবলৈ সুচল লাভ কৰিছে। দেবেন্দ্ৰৰ কৃপাতে বেউলাই অসম্ভৱকো সম্ভৱ কৰিব পাৰিছিল। বস্তু হেৰালেও তেওঁ বিচাৰি পায় আৰু মৃতককো তেওঁ জীয়াব পাৰে।[২৪] পদ্মাৰ কাৰ্য্য সাধন কৰিবৰ বাবে মাত্ৰ বাৰ বছৰৰ বাবেহে পুৰন্দৰে বেউলা-লখিন্দৰক (উষা-অনিৰুদ্ধক) মৰ্ত্যলৈ পঠিয়াইছিল: "মৰ্ত্যত থাকিবা তুমি বাৰয় বৎসৰ।"[২৫] অগ্নিত প্ৰৱেশ কৰাৰ আগমুহূৰ্ততো উষাই ঠিক একে ধৰণেই মনসাৰ ওচৰত বৰ প্ৰাৰ্থনা কৰিছিল:

"উষা বোলে প্ৰান আমি তেজিবো জিমতে।
একবৰ মাগো আমি তুমি কৰা সত্যে।।
হৰাইলে বস্তুক পাইবো মৰিলে জিয়াইবো।
তব কাৰ্জ ভৈলে পুনু দেৱপুৰে আসিবো।।
আপদে পৰিলে মোৰ হৈবাহা সহাই।
পদ্মা সত্য কৈল উষা মৰিবাক জাই।।"[২৬]

মুক্তেশ্বৰ তীৰ্থত নিষ্ঠতা আৰু দৃঢ়তাৰ বলত বেউলাই মনসাকো 'বাদ'ত পৰাজয় কৰিবলৈ সক্ষম হৈছে। অকল সিমানেই নহয় চাৰিত্ৰিক বল আৰু পদ্মাৰ প্ৰতি থকা একনিষ্ঠা ভক্তিৰ বলত লোহাৰ তণ্ডুলৰ পৰা অন্ন প্ৰস্তুত কৰি বেউলাই চান্দো সদাগৰ আৰু তেওঁৰ পুত্ৰ লখিন্দৰক চমৎকৃত কৰিছে।

২৪. 'হৰাইলেয়ো বস্তুপাইবা, মৈলে মৰা জিয়াইবা, এমত হৈবেক তোৰা কাম।'
—পদ্মা-পুৰাণ (Ms), পৃ. ৮১খ

২৫. উ. গ্ৰ.; ২৬. উ. গ্ৰ., পৃ. ৯০ক.

বিবাহৰ প্ৰসংগত বেউলাই সৰ্প দেখি বিমূৰ্চ্ছিত হৈ পৰা লখিন্দৰৰ চেতনা ঘূৰাই আনিছে একাগতা আৰু মনসাৰ প্ৰতি থকা প্ৰগাঢ় ভক্তিৰ পৰাকাষ্ঠাত। বেউলা যে, প্ৰত্যুৎপন্নমতিসম্পন্না আছিল তাৰ আভাস পোৱা যায়—লখিন্দৰক দংশন কৰিবলৈ মনসাই প্ৰেৰণ কৰা সৰ্প কেইডালক বন্দী কৰিবলৈ সক্ষম হোৱাৰ পৰা। মানসিক দৃঢ়তাৰ বলত তেওঁ কামবিহ্বল লখিন্দৰৰ কামবহ্নিৰ পৰা নিজক ৰক্ষা কৰিছে আৰু লখিন্দৰকো নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। স্বামীৰ অকাল মৃত্যুৰ যন্ত্ৰণাত অধীৰ হৈ তেওঁ ব্যথিত অন্তৰেৰে ইনাই-বিনাই কান্দিছে যদিও সাধাৰণ স্বামীহাৰা নাৰীৰ দৰে ভাগি পৰা নাই। উপস্থিত পৰিস্থিতিক জয় কৰি আত্মপ্ৰতিষ্ঠা লাভৰ বাবে তেওঁ আগবাঢ়ি গৈছে। কৰ্মকুশলা আৰু বুদ্ধিমতী বেউলাই প্ৰবোধ বাক্যেৰে শাহুৱেকক আৰু কৌশলেৰে শহুৰেকক শান্ত কৰি মৃত স্বামীক জীয়াবৰ বাবে দেবপুৰীলৈ যাবৰ বাবে অনুমতি লাভ কৰে। মৃত স্বামীক ভুৰত তুলি লৈ তেওঁ দেৱপুৰীলৈ যাত্ৰা কৰে নানা বাধা-বিঘিনি, প্ৰলোভন আৰু ছল-চাতুৰি আদি সাহস, ধৈৰ্য্য আৰু পাৰদৰ্শিতাৰে অতিক্ৰম কৰি। নেতাৰ প্ৰচেষ্টাত বেউলা দেৱপুৰীলৈ অহা বিষয়টোৰ প্ৰতি শিৱ মহাদেৱৰ দৃষ্টি আকৰ্ষিত হয়। নৃত্য পটীয়সী বেউলাই অপূৰ্ব নৃত্যানুষ্ঠানেৰে শিৱ-মহাদেৱৰ সৈতে দেৱতাবৃন্দক সন্তুষ্ট কৰি পদ্মাই তেওঁৰ স্বামীক অন্যায়ভাৱে বধ কৰোৱা কাৰ্য্যৰ প্ৰতি চণ্ডী আৰু দেৱতাসকলৰ দৃষ্টি আকৰ্ষণ কৰাৰ ক্ষেত্ৰত কৃতকাৰ্য্য হয়। পদ্মাৰ সৰ্প কালিনাগে যে লখিন্দৰক দংশন কৰিছে তাৰ প্ৰমাণ দিবলৈও তেওঁ পিছ পৰা নাছিল। আত্মপ্ৰত্যয়শীলা বেউলাই তেওঁৰ শহুৰেক চন্দ্ৰধৰৰ হতুৱাই পদ্মাক পূজা দিবলৈ বিনাদ্বিধাৰে প্ৰতিশ্ৰুতি দিয়ে। অৱশেষত স্বামী লখিন্দৰৰ সৈতে ছয়গৰাকী ভাইশহুৰেক আৰু ধন্বন্তৰিক পদ্মাৰ কৃপাত পুনৰ্জীৱন দিয়াবলৈও সতী বেউলা সক্ষম হয়। আনকি সাগৰৰ জলত নিমগ্ন চন্দ্ৰধৰৰ চৈধ্যখন ডিঙা কাণ্ডাৰী আৰু নাইচা সহ উত্তোলন কৰাৰ ক্ষেত্ৰতো তেওঁ কৃতকাৰ্য্য নোহোৱাকৈ নাথাকিল। বেউলাৰ বিস্ময়কৰ সাফল্যৰদ্বাৰা পদ্মা বিদ্বেষী চন্দ্ৰধৰৰ পাষাণ-কঠোৰ হৃদয় সহানুভূতিৰ অশ্ৰুজলেৰে বিগলিত হৈছিল। তেনে অৱস্থাত চন্দ্ৰধৰৰ দৃষ্টিত বেউলাই ধৰা দিছিল নিপীড়িত আৰু ব্যথিত মানৱাত্মাৰ প্ৰতীক ৰূপে। বেউলাৰ প্ৰতি উপজা সহজাত বেদনাবোধে চন্দ্ৰধৰৰ আজন্ম-পূজিত আদৰ্শ নিষ্ঠাক বিস্মৃতিৰ অতল গৰ্ভত নিক্ষেপ কৰিলে আৰু ইয়াৰ পৰিণতি তেওঁ পদ্মাৱতীক পূজিবলৈ বাধ্য হ'ল। ৰূৰপাৰ্থত বেউলাই অসম্ভৱকো সম্ভৱ কৰিলে।

সাবিত্ৰী, দ্ৰৌপদী, দময়ন্তী আৰু ৰতিৰ পতিব্ৰতা ধৰ্মৰদ্বাৰা যিদৰে সত্যবান, পঞ্চপাণ্ডৱ, নল আৰু কামদেৱে পুনৰ্জীৱন লাভ কৰিছিল, তদ্ৰূপ বেউলাৰ প্ৰতিব্ৰতা ধৰ্মৰ দ্বাৰা লখিন্দৰ আদিয়ে পুনৰ্জীৱন লাভ কৰিছিল।

পৱিত্ৰতা, পতিব্ৰতা আৰু সতীত্বৰ বলত বেউলাই নেতা আৰু চন্দ্ৰধৰে কৰা বিভিন্ন পৰীক্ষাত কৃতকাৰ্য্যতা লাভ কৰিছে। এনে ধৰণৰ পৰীক্ষা বাস্তৱানুগ নহলেও সতী-সাধ্বীৰ বাবে ই অসম্ভৱো নহয়। চন্দ্ৰধৰৰ ক্ৰূৰ আৰু নিষ্ঠুৰ ব্যৱহাৰৰ আতিশয্যত বেউলাই স্বামীৰ সৈতে অন্তৰীক্ষলৈ যাত্ৰা কৰিবলৈ বাধ্য হয়। লখিন্দৰ আৰু বেউলাই ক্ৰমে যোগী-যোগিনীৰ ছদ্মবেশ ধাৰণ কৰি শাহে ৰজাৰ ৰাজপুৰীত উপস্থিত হৈ তাত কেইমুহূৰ্তমান থাকি পদ্মাৰ সৈতে পুনঃ স্বৰ্গপুৰীলৈ যাত্ৰা কৰে।

'পদ্মা পুৰাণ'ৰ চৰিত্ৰবোৰ স্থানীয় মাটিৰ গোন্ধেৰে সিক্ত। বৈষ্ণৱ কবিৰ নিৰ্মিতিৰ দৰে 'পদ্মা-পুৰাণ'ৰ চৰিত্ৰবোৰ আদৰ্শ প্ৰধান নহয়, লৌকিক চৰিত্ৰহে। মানৱীয় দুৰ্বলতা, দোষ-ত্ৰুটি আদিৰে এই চৰিত্ৰবোৰ ঋদ্ধ। 'পদ্মা-পুৰাণ'ৰ অন্যতম লক্ষ্য দেৱ-মাহাত্ম্য প্ৰকাশ ; কিন্তু কবিৰ দৃষ্টিভংগী আদৰ্শ প্ৰধান নহয়, লৌকিকহে। পদ্মা বা মনসাক পূজিলে পূজোতা বা ভক্তৰ মোক্ষ লাভ হয় বুলি কবিয়ে কতোতে কোৱা নাই ; ধন-জন, পুত্ৰ-কন্যা, সুখ-সম্পদ, ঐশ্চৰ্য্য-বিভূতি আদি লাভ আৰু সৰ্পভয়, মহামাৰীভয় আদি বিনাশ হয় বুলিহে কৈছে। মুঠতে কবিৰ দৃষ্টিভংগী ঐহিক জগততে সীমিত।

ঘ. অতিৰঞ্জনৰ সমাৱেশ : 'পদ্মা-পুৰাণ'ৰ কাহিনী বিকাশ, চৰিত্ৰ সৃষ্টি আৰু পৰিৱেশ ৰচনাত অতিৰঞ্জনৰ সমাৱেশ লক্ষ্য কৰা যায়। অতিৰঞ্জন স্বৰূপাৰ্থত মৌখিক আৰু লিখিত সাহিত্য উভয়ৰে অপৰিহাৰ্য্য শৈলী (style)। বৰ্ণনাত্মক কাহিনী বা সাহিত্যৰ ক্ষেত্ৰতো অতিৰঞ্জনে শৈলীগত বৈশিষ্ট্য (stylistic feature) ৰূপে বিবেচিত হ'ব পাৰে। মহাকাব্য, পুৰাণ আৰু অন্যান্য বৰ্ণনাত্মক সাহিত্য ৰচিত হয় কথকতাৰ বাবে। বৰ্ণনাত্মক সাহিত্যৰ প্ৰসংগত বৰ্ণনাকাৰী বা ব্যাখ্যাকাৰী বা কথক অথবা ওজাপালিয়ে কোনো এটা নিৰ্দিষ্ট পৰিস্থিতিৰ সমব্যথী চিনাক্তকৰণৰ বাবে কৰা প্ৰচেষ্টাৰ পৰিণতিত অতিৰঞ্জনৰ সৃষ্টি হোৱা দেখা যায়। পুথিৰ কোনো এটা পৰিস্থিতিক সমব্যথীৰূপ দিওঁতে ব্যাখ্যাকাৰী বা বৰ্ণনাকাৰীৰ আবেগে সেই বৰ্ণনাত প্ৰৱেশ কৰি অতিৰঞ্জনৰ পথ

সুগম কৰি তোলে।[২৬] আনকি বাৰনার্ড ছ'ৰ (Bernard Shaw) নিচিনা সৃজনী প্ৰতিভা সম্পন্ন লিখকেও অতিৰঞ্জনৰ ওপৰত গুৰুত্ব দিছে। তেওঁৰ ভাষাত : ' It is always necessary to overstate a case startlingly to make people sit up and listen to it and frighten them into acting on it."[২৭]

ঙ. ৰস : সুকবি নাৰায়ণদেৱে তেওঁৰ নিৰ্মিতিৰ কাব্যিকগুণ আৰু ৰসোদ্‌গীৰণ বৈশিষ্ট্যৰ বিষয়ে দৃঢ়তাৰে কৈছে :

(ক) সুকবি নাৰায়নদেৱৰ সৰস পাঞ্চালি।

(খ) নাৰায়নদেৱে কহে সৰস পাঞ্চালি।

(গ) সুকবি নাৰায়নদেৱৰ সোৰস পাঞ্চালি।

(ঘ) সুকবি নাৰায়নদেৱৰ সুৰস পাঞ্চালি।

কবিৰ এই কাব্যিক স্বীকাৰোক্তিৰ পৰা বিনাদ্বিধাই অনুমান কৰিব পাৰি যে, তেওঁৰ কালজয়ী ৰচনা 'পদ্মা-পুৰাণ' (অৰ্থাৎ পাঞ্চালী) কাব্যিক গুণেৰে সুসমৃদ্ধ আৰু ৰসোত্তীৰ্ণ গ্ৰন্থ। কবিৰ এই উক্তি স্বকপাৰ্থত আত্মশ্লাঘা নহয়, নিজৰ সৃষ্টিৰ ওপৰত থকা তেওঁৰ আত্মপ্ৰত্যয়ৰ প্ৰকৃষ্ট ঘোষণাহে।

কাব্যিক গুণৰাজিৰ ভিতৰত ৰসসৃষ্টিৰ সাৰ্থকতা অত্যন্ত প্ৰয়োজনীয় দিশ। ৰসসৃষ্টিত সুকবি নাৰায়ণদেৱে নিজৰ বিস্ময়কৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। এই দিশত নাৰায়ণদেৱে তেওঁৰ সমসাময়িক কবিসকলকো অতিক্ৰম কৰিছে বুলি কলে অত্যুক্তি কৰা নহ'ব।

সংস্কৃত আলংকাৰিকসকলৰ মতে কাব্যত শৃংগাৰ, বীৰ আৰু শান্ত ৰসৰ ভিতৰত যিকোনো এটা ৰস অংগী (প্ৰধান) আৰু বাকীকেইটি ৰস অংগ (অপ্ৰধান বা গৌণ) ৰূপে থকা বিধেয়। আলংকাৰিক বিশ্বনাথৰ মতে : 'শৃংগাৰবীৰশান্তানামেকোংগী ৰস ইষ্যতে। অংগানি সৰ্ব্বেঽপি ৰসাঃ' (৬/৩১৭)। অৰ্থাৎ কাব্যত শৃংগাৰ, বীৰ আৰু শান্ত ৰসৰ যিকোনো এটা ৰস প্ৰধানভাৱে থাকিব লাগিব আৰু তাৰ পুষ্টিসাধনত বাকীবোৰ ৰসে (অৰ্থাৎ অংগৰস) সহায় কৰিব লাগিব।

---

২৬. J. Handoo : *Current Trends in Folklore*, (University of Mysore, 1978), p 24

২৭. Richard M. Ohmann : "Modes of order" in *Linguistics and Literary Style*, ed. Freeman, (New York, 1970), p. 233

'পদ্মা-পুৰাণ'ৰ অংগীৰস করুণ, ইয়াৰ পুষ্টিসাধনত শৃংগাৰ, হাস্য, বীৰ আদি ৰসে সহায় কৰিছে। অন্যপ্ৰকাৰে কবলৈ গলে 'পদ্মা-পুৰাণ'ত করুণ ৰসৰ আবৰ্তত শৃংগাৰ, হাস্য, বীৰাদিৰসে স্থিতি লাভ কৰিছে। স্বৰূপাৰ্থত এই ভাষা-পুৰাণখনিত করুণৰসৰ গভীৰতাৰ বৈশিষ্ট্যই আন সকলো ৰসকে ম্লান কৰিছে। এই দৃষ্টিভংগীৰ ফালৰ পৰাও করুণৰসক 'পদ্মা-পুৰাণ'ৰ অংগীৰস ৰূপে আখ্যা দিব পাৰি। শৃংগাৰ ৰসে প্ৰাধান্য লাভ কৰা নাই বুলিও কব নোৱাৰি কিন্তু শৃংগাৰ ৰসেও পৰিণতি লাভ কৰিছে করুণ ৰসত। তেনেদৰে বীৰ-হাস্যাদি ৰসতো করুণ ৰসৰ প্ৰাবৰণ স্পষ্ট। 'পদ্মা-পুৰাণ'ৰ কাহিনীভাগৰ আৰম্ভণিৰে পৰা পৰিণতিলৈকে করুণৰসৰ অখণ্ডনীয় প্ৰভাৱ লক্ষ্য কৰা যায়। মনসা, নেতা, চন্দ্ৰধৰ, সোনেকা, বেউলা, লখিন্দৰ, শাহে ৰজা, সুমিত্ৰা আদি বিভিন্ন চৰিত্ৰৰ চাৰিত্ৰিক অভিব্যক্তিত বৰ্তমান আছে কারুণ্যৰ দীৰ্ঘশ্বাস। তেনেদৰে 'পদ্মা-পুৰাণ'ৰ বিভিন্ন পৰিস্থিতিতো করুণৰসৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। দৰাচলতে নাৰায়ণদেৱৰ 'পদ্ম -পুৰাণ' করুণ ৰসৰ মূৰ্তিমান প্ৰকাশ। করুণ ৰসৰ অন্তৰালত বিদ্যমান ভয় মিশ্ৰিত ভক্তিৰস।

৮ ছন্দ ঃ নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত পয়াৰ আৰু ত্ৰিপদীছন্দৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। অৱশ্যে নাৰায়ণদেৱে এই প্ৰসংগত 'পয়াৰ' আৰু লাচাৰি ব 'লেচাৰি'– এই দুবিধ ছন্দৰ নামোল্লেখহে কৰিছে। 'পয়াৰ' নামটৰে আঠ ছয় মাত্ৰাৰ দ্বিপদীক ইংগিত কৰিছে। অৱশ্যে মাত্ৰাৰ ক্ষেত্ৰত স্থান বিশেষে ইয়াৰ তাৰতম্যও ঘটিছে। যেনে ঃ

নহৈলেক মাস পক্ষ / দিন অষ্ট চাৰি / ৮+৬—১৪
কালৰাত্ৰি পদ্মাৰতি / মোক কেলা বাৰি ॥ ৮+৬=১৪

ব্যতিক্ৰম ঃ

চিঙ্গিল আভৰন মোৰ / বসন গৈল দুৰ। ৯+৭=১৬
চিঙ্গিল হাৰ অলঙ্কাৰ / পাৰৰে নেপুৰ ॥ ৯+৬=১৫

লাচাৰি বা লেচাৰি পদে আঠ-আঠ-দশ মাত্ৰাৰ দীৰ্ঘ ত্ৰিপদী ছন্দক সূচাইছে। ত্ৰিপদী ছন্দৰ পৰিসীমাত দুলৰি, ছবি, লেছাৰি আদি ধৰিব পাৰি। কিন্তু নাৰায়ণদেৱে লেচাৰি ছন্দৰ ভিতৰতেই দুলৰি, ছবি, লেছাৰি আদি ত্ৰিপদী ছন্দ সমূহ সামৰিছে। সাধাৰণতে ওজাপালি আদি পৰম্পৰাগত পৰিৱেশ্যকলাৰ

গায়কসকলে লেচেৰামাৰি বা লেলেতীয়াকৈ গাব পৰাকৈ ত্ৰিপদীছন্দত বিৰচিত গীত-পদক 'লেছাৰি' বোলা হয়। লেচাৰি ছন্দৰ প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম চৰণত দহোটাকৈ আৰু তৃতীয় আৰু ষষ্ঠ চৰণত চৈধ্যটাকৈ মাত্ৰা থাকে। 'পদ্মা-পুৰাণ'ত ইয়াৰ ব্যতিক্ৰম দেখা যায় :

নৈভেলেক অষ্ট চাৰি / কাল ৰাতৃ ভৈলো ৰাৰি। ৮+৮
মনে বৰ ৰহিলেক তাপ ॥ ১০
বিধোৱা জতেক কৈলা / সকলে প্ৰত্যয় ভৈল। ৮+৮
স্বৰূপে লাগিল ব্ৰহ্ম স প ॥ ১০

কোনো কোনো প্ৰসংগত পয়াৰ আৰু মিশ্ৰ পংক্তিবদ্ধ ছন্দক বুজাবৰ বাবেও 'লেছাৰি' পদটো পয়োগ কৰা হৈছে। অৱশ্যে 'ত্ৰিপদী' ছন্দৰ অৰ্থতেই লেচাৰি পদটোৰ সৰ্বাধিক প্ৰয়োগ লক্ষ্য কৰা যায়।

ছ. **অলংৰাদিৰ প্ৰয়োগ :** মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱ, অনন্ত-কন্দলী, ৰামসৰস্বতী আদি প্ৰথিতযশা কবি সকলৰ নিৰ্মিতিত পৰ্যাপ্তভাৱে প্ৰয়োগ হোৱাৰ দৰে নাৰায়ণদেৱৰ ৰচনাত কাব্যালংকাৰৰ প্ৰাচুৰ্য্য পৰিলক্ষিত নহলেও পৰম্পৰাগত কবি প্ৰসিদ্ধি, তুলনা বা বিৰ্জনি, বিৰোধ, উপমা, ৰূপক, অনুপ্ৰাস আদিৰ যথাৰ্থ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। 'পদ্মা-পুৰাণ'ত পৰিবেশিত হোৱা এনে ধৰণৰ কাব্যালংকাৰসমূহ প্ৰায়ে অভিজ্ঞতালব্ধ বা বাস্তৱানুগ আৰু নৈসৰ্গিক পৰিবেশৰ ওপৰত প্ৰতিষ্ঠিত। 'পদ্মা-পুৰাণ'ত প্ৰয়োগ হোৱা কাব্যালংকাৰৰ উদাহৰণ স্বৰূপে দুটামান অলংকাৰ তলত দিয়া হ'ল ; যেনে :

অনুপ্ৰাস : সদৃশ ব্যঞ্জনৰ সান্নিকট বিন্যাসেই অনুপ্ৰাস। যেনে :

ক. আদিয়া গোখোৰা গোমা কেউটিয়া যে কাচিমা
খৈয়া খনিয়া অজগৰ।
বাঙ্কৰাজ ব্ৰহ্মজাল কালু পাণ্ডু উদয়কাল
সৰ্ব্বনাগ জাউক ৰসাতল ॥ [পদ. ২]

খ. সোল্ল সত সিসু লৈয়া বনে ৰাখে গাই ॥ [পদ. ৮]

গ. তুমি ব্ৰহ্মা তুমি বিষ্ণু তুমি মহেশ্বৰ। [পদ. ১১]

ঘ. মধুকৰে মধু পিয়ে তাৰ মধ্যে ৰৈয়া ॥ [পদ ৫৫]

উপমা : স্পষ্ট, উজ্জ্বল আৰু বিশেষত্ব সম্বলিত সাদৃশ্যই উপমা। যেনে :

ক. চন্দ্ৰৰ উদয় জেন গগনৰ মাঝে ॥ [পদ ৭৪]

খ. কণ্ঠত বেষ্টিত গজ মুকুতাৰ মালা ।
হেমগিৰি মধ্যে জেন সোভে চন্দ্ৰকালা ॥ [পদ, ৭১]

গ. দুই উৰু খসিল প্ৰভুৰ কদলি সম সৰু ॥ [পদ ৪৬১]

ঘ. ৰাহু আচ্ছাদিলে জেন পূৰ্ন সসধৰ ॥ [পদ ১৪৩]

ৰূপক : যি অলংকাৰত সাদৃশ্যহেতু উপমেয়ৰ ওপৰত উপমানক আৰোপ কৰা হয় তাকে ৰূপক অলংকাৰ বোলে । যেনে :

ক সাৰি সাৰি দান্ত জ্বলে মুকুতাৰ পান্তি ॥ [পদ ৭৪]

খ. কপালত দংসিম লখাইৰ দ্বিতিয়াৰ চান্দ ।
দুই কৰ্ন দংসিম লখাইৰ বৰগাছৰ পান ॥ [পদ. ৭৭]

গ. দুই বাহুত দংসিম বাচাৰ মোলানৰ ঠাৰি ।
দসাঙ্গুলিত দংসিম বাচাৰ চম্পাফুলৰ কৰি ॥ [পদ ৭৮]

নিদৰ্শনা : যি অলংকাৰত পদাৰ্থৰ অন্বয় সম্বন্ধ কোনো ঠাইত উপপন্ন আৰু কোনো ঠাইত অনুপপন্ন হয় , কিন্তু (উপমান উপমেয় স্বৰূপ) অৰ্থৰ সাদৃশ্য (বিম্ব-প্ৰতিবিম্বভাব) দেখা যায়, তাক নিদৰ্শনা বোলে । যেনে :

ক. হেন পদ্মাৱতি সমে কোনো কৰে বাদ ।
সৃগাল হৈয়া সিংহক জিনিতে কৰে সাদ ॥
বেঙ্গ হৈয়া চাহে কিবা হৰিতে বিসধৰ ।
কাক হৈয়া চাহে কিবা সুসিতে সাগৰ ॥
মাখি হৈয়া চাহে কিবা বজ্ৰক ধৰিতে ।
গলে সিলা বান্ধি চাহে সাগৰ তৰিতে ॥ [পদ ৩০-৩১]

উৎপ্ৰেক্ষা : লোকাতিক্ৰান্ত দৰ্শনৰ নাম উৎপ্ৰেক্ষা । উপমিতক উপমানৰ দৰে একে (অভেদ) ধৰি লোৱাকে উৎপ্ৰেক্ষা বোলে । যেনে :

বেহুলাৰ ক্ৰন্দনে বৃক্ষৰ পত্ৰ সৰে ।
পৰ্ব্বত ভাঙ্গিয়া জাই মেদনি বিদাৰে ॥
গেৰুধাৰ বহে দুই নয়নৰ পানি ।
দুখান বৃক্ষ ভাঙ্গে বেউলাৰ ক্ৰন্দন শুনি ॥ [পদ ১৪৫]

ঙ. পৰিৱেশ সৃজনী প্ৰতিভা : কাহিনী বিন্যাস আৰু চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত নাৰায়ণদেৱে সৃজনী প্ৰতিভাৰ সম্যক আভাস দিবলৈ সক্ষম হোৱাৰ নিচিনাকৈ পৰিৱেশ ৰচনাৰ প্ৰসংগতো তেওঁ দক্ষতাৰ পৰিচয় দিছে । পৰিৱেশ ৰচনাৰ সাৰ্থ-

কতা বিশেষভাবে নির্ভৰ কৰে বিভিন্ন বৰ্ণনাৰ ওপৰত। নাৰায়ণদেৱে পৰিৱেশন কৰা নাৰীৰূপৰ নখ-শিখাৰ বৰ্ণনাৰাজি নিখুঁত, প্ৰাঞ্জল আৰু আৱেগ সঞ্চাৰী। এই জাতীয় বৰ্ণনা সমূহ সংস্কৃত কাব্যাদিৰ বৰ্ণনাৰ অনুগ। উদাহৰণ স্বৰূপে বেউলাৰ ৰূপ-সৌন্দৰ্য্যৰ বৰ্ণনালৈ আঙুলিয়াব পাৰি। কালিনাগৰ ক্ৰন্দনৰ বৰ্ণনাৰ মাধ্যমেৰে প্ৰকটিত লখিন্দৰৰ ৰূপ-সৌন্দৰ্য্যৰ বৰ্ণনা নাৰায়ণদেৱৰ কবি প্ৰতিভাৰ উজ্জ্বলতম স্বাক্ষৰ। তেনেদৰে লখিন্দৰৰ বিগলিত অংগবোৰৰ শোভা-সৌন্দৰ্য্য সুঁৱৰি বেউলাই কৰা ক্ৰন্দনৰ বৰ্ণনাও আমাৰ কবিৰ অনুপম সৃষ্টি। যেনে :

"মস্তক খসিল প্ৰভুৰ ঝুনা নাৰিকল।
কেসটাৰ খসিল প্ৰভুৰ হাকয়া চোৱাৰ॥
নয়ন খসিল প্ৰভু সৰগৰ তৰা।
নাসা গোট খসিল প্ৰভু চোৰৰ পাকৰা।' ইত্যাদি [পদ ৪৫৯]

কবি নাৰায়ণদেৱে বেউলাৰ বিৰহজৰ্জৰিত জীৱনৰ কাৰুণ্য ফুটাই তুলিছে গভীৰ অনুভৱ আৰু ব্যাপক অভিজ্ঞতাৰে। কবিৰ ভাষাত :

"প্ৰাণ বন্ধু বিৰহে হিয়া জৰ জৰ
ই দুখ মই কহিবো কাহাৰ॥" (দিহা, ক্ৰমাংক ৬০)

করুণ-কাতৰ বৰ্ণনাতেই নাৰায়ণদেৱৰ সৃজনী প্ৰতিভা সীমিত নহয়, হাস্যাস্পদ বৰ্ণনাৰ ক্ষেত্ৰতো তেওঁৰ কুশলহস্তৰ পৰিচয় পোৱা যায়। সাধাৰণতে শিৱ, নাৰদ আদি দেৱচৰিত্ৰৰ চাৰিত্ৰিক অসংগতিৰ ভিত্তিত হাস্যাস্পদ বৰ্ণনা সমূহ পল্লবিত হৈছে। দুই-এঠাইত হাস্যৰস প্ৰধান বৰ্ণনাই শ্লীলতাৰ সীমা অতিক্ৰম কৰিছে। লোকমানসক এনে বৰ্ণনাই কিন্তু দিয়ে বিমলানন্দ। তেওঁলোকৰ দৃষ্টিত দেৱ চৰিত্ৰৰদ্বাৰা সম্পাদিত সৰ্বপ্ৰকাৰ কৰ্মই লীলা। গতিকে দেৱতাৰ লীলা-বৰ্ণনাত শ্লীলতা বা অশ্লীলতাৰ প্ৰশ্ন তোলা অবান্তৰ।

প্ৰাকৃতিক শোভা-সৌন্দৰ্য্যৰ মনোৰম বৰ্ণনা দিয়াত নাৰায়ণদেৱ সিদ্ধ হস্ত, তদ্ৰূপ প্ৰকৃতিৰ ভয়াবহ বৰ্ণনা দিয়াৰ ক্ষেত্ৰতো তেওঁ সমানে সিদ্ধ হস্ত। যেনে :

"নক্ষত্ৰ সঞ্চাৰ যেন ভুৱৰ চলন।
নিলক্ষৰ পাকে জাই দিলা দৰসন॥
নিলক্ষৰ জল সৱ আচে ঘুৰি ঘুৰি।
আচোক মনুস্য তাত পখি নাজাই উৰি॥

সোল্ল প্ৰহৰৰ পথ জলে ধৰে পাক।
অলক্ষিতে ঘুৰে জেন কুমাৰৰ চাক ॥
পুব পচিম নাই তাৰ উত্তৰ দখিন।
দিস বিদিস নাই তাৰ একো চিন ॥
ৰাত্রি দিনে ভেদ নাই ঘোৰ অন্ধকাৰ।
বিসাদ ভাৱিয়া বেউলাই লাগে কান্দিবাৰ ॥ [পদ ৪৪৩-৪৫]

নাৰায়ণদেৱৰ কাহিনী ৰচনা, চৰিত্ৰ সৃষ্টি আদি যিদৰে মাটিৰ গোন্ধেৰে আমোদিত তদ্রূপ পৰিৱেশাদিৰ বৰ্ণনাতো একেদৰেই মাটিৰ গোন্ধ পোৱা যায়।

'পদ্মা-পুৰাণ'ৰ স্থান বিশেষে ঘটনা, বৰ্ণনাদিৰ পুনৰুক্তি ঘটিছে। পুনৰুক্তি কাব্য বা মহাকাব্যৰ ত্ৰুটি বুলিও অনেকে ঠাৱৰ কৰে। কিন্তু বৰ্ণনাত্মক মৌখিক বা লিখিত কাব্য বা মহাকাব্য অথবা পুৰাণৰ ক্ষেত্ৰত পুনৰুক্তি এটা বিশেষ শৈলীহে। সাধাৰণতে শ্ৰোতাক ঘটনাৰ পাৰম্পৰ্য্যৰ প্ৰতি সততে অৱগত কৰি ৰাখিবৰ বাবে পুনৰুক্তিৰ সহায় লব লগীয়া হয়।

ঝ. ভাষাগত বৈশিষ্ট্য :

'পদ্মা-পুৰাণ'ত বৈষ্ণৱ কবিসকলৰ ভাষাত পৰিদৃষ্ট হোৱা কৃত্ৰিমতাৰ বিশেষকৈ ক্ৰিয়াৰ কৃত্ৰিমৰূপৰ প্ৰয়োগ প্ৰায়েই লক্ষ্য কৰা নাযায়। তৎসম শব্দৰ প্ৰয়োগ নথকা নহয়; কিন্তু বৈষ্ণৱ কবিৰ তুলনাত তেনেই কম। তদ্ভৱ শব্দৰ ব্যৱহাৰো লক্ষ্য কৰা যায়। দৰং, কামৰূপ, গোৱালপাৰা আদি অঞ্চলত প্ৰচলিত প্ৰচুৰ কথিত শব্দৰ প্ৰয়োগ 'পদ্মা-পুৰাণ'ত লক্ষ্য কৰিব পাৰি। উদাহৰণ স্বৰূপে এনে ধৰণৰ কেইটিমান শব্দ তলত দিয়া হ'ল : টোকৰি (টোকাৰী), মাসি (মাহী), বিচি (খা-ফোঁহোৰা), ধুলাধাৰি, তোমৰা (আপোনালোক), ঝলমল (জলমল), ফেলাইলা (পেলালে), গিভাল (গীতাল), গিয়ান (জ্ঞান), কাপৰ (কাপোৰ), বৈৰাত্তি (ব্ৰত্তিনী), চাগল (ছাগলি) মৈহ (ম'হ), ঝাৰি (জাৰি), মাইলানি (মালিনী), ওঝা (ওজা), দায়া (দয়া), মাঝি, (নাৱৰীয়া), সুভৰন (সুমৰণ), বাঙনা (বেঙেনা), সৌল (শ'ল মাছ), ঝোল (জোল), থৈকৰা (থেকেৰা), গহাৰি (গোহাৰি), লিকিৰা (ল'ৰা, লিগিৰা), ঝিয়া (জীয়া), বৈনি (ভনী), জয়াই (জোঁৱাই), আয়াগন (আয়তীসকল), মজুক (মজু), কুমৰা (কোমোৰা), গেলেইপেট (ঘুট্‌মুটীয়া), ঝাণ্টা (ঝাক), ঝাল

(জাল), ঝি (জী), ঝুলি (জুলি), বৈতালি (দুষ্টালি), ভাসুৰ (ভাইশহুৰ), হাঠি (খোজকাঢ়ি) ইত্যাদি।

'পদ্মা-পুৰাণ'ত ইছলামীয় শব্দৰ প্ৰয়োগো পৰিদৃষ্ট হয়। এই জাতীয় শব্দৰ ভিতৰত কেইটিমান তলত দিয়া হ'ল উদাহৰণ স্বৰূপে; যেনে: কাৰ্জি, সাজাই, হুকুম, দেৱান, লফৰ / নফৰ, তাগুয়া, উজিৰ, নাজিৰ, মিৰবৰ, দৰ্জি, ইজাৰ, চাকৰ, ঝগৰ, তলপ / তলব, দোহাই, ফৌজ, লস্কৰ, বৰাবৰ, ৰোজ, দোকান ইত্যাদি।

'পদ্মা-পুৰাণ'ত প্ৰধানভাবে অ, আ, ই, উ, এ, ও—এই স্বৰবৰ্ণ কেইটা আৰু ইয়াৰ গৌণীৰূপৰ প্ৰয়োগ পৰিদৃষ্ট হয়। ব্যঞ্জন ধ্বনিৰ ভিতৰত প্ৰধানভাবে ক, খ, গ, ঘ (কণ্ঠ্য বৰ্ণ); চ, জ, ঝ (তালব্য বৰ্ণ), ট, ঠ, ড, ঢ (মূৰ্ধন্য বৰ্ণ), ত, থ, দ, ধ (দন্ত্যবৰ্ণ); প, ফ, ব, ভ (ঔষ্ঠ্য বৰ্ণ); শ, ষ স, হ, (উষ্ম বা ঘৃষ্ট বৰ্ণ, ঙ, ঞ, ন ম (নাসিক্য বৰ্ণ); ল (পাৰ্শ্বিক বৰ্ণ), ৰ (কম্পিত বৰ্ণ), ব, য় (অন্তঃস্থ বৰ্ণ)-ৰ প্ৰয়োগ দেখা যায়। 'জ'ৰ ঠাইত 'ঝ' বৰ্ণৰ প্ৰয়োগ প্ৰৱণতা অধিক। স্থান বিশেষে স>চ, জ>ঝ হোৱাও দেখা গৈছে। মূৰ্ধণ্য বৰ্ণৰ ব্যৱহাৰ আছে যদিও ইয়াৰ পৌনঃপুনিকতা নিচেই কম। শ, ষ আৰু 'স' বৰ্ণৰ ভিতৰত 'স' বৰ্ণৰ প্ৰয়োগ 'শ', 'ষ'-বৰ্ণৰ তুলনাত অধিক। অনেক ক্ষেত্ৰত 'শ', 'ষ', বৰ্ণ 'স' বৰ্ণলৈ পৰিবৰ্তিত হৈছে (শ, ষ>স)। সংযুক্ত বৰ্ণ 'ক্ষ' ৰো ব্যৱহাৰ নথকা নহয়। দ্বিস্বৰ বৰ্ণ ঐ আৰু ঔ ৰ প্ৰয়োগো লক্ষ্য কৰা যায়।

স্বৰভক্তিৰ সহায়ত সংযুক্ত ব্যঞ্জন ধ্বনি বিশ্লিষ্ট কৰাৰ দৃষ্টান্ত 'পদ্মা-পুৰাণ'ত বিৰল নহয়; যেনে:

তৰাস>ত্ৰাস, দগধ>দগ্ধ, পৰান<প্ৰাণ, পৰবেশ<প্ৰবেশ, পৰমান<প্ৰমাণ, হৰসিত<হৰ্ষিত ধিয়ান ধ্যান ৰতন<ৰত্ন ইত্যাদি।

বহুবচনবোধক প্ৰত্যয় ৰূপে 'পদ্মা পুৰাণ'ত -সৰ্ব্ব (সৰ্ব্বনাগ); -গন (বিদ্যাধৰগন, আয়াগন); -সৱ (ভূমি সৱ); -সাৰ (আমাসাৰ, তোমাসাৰ) আদি প্ৰয়োগ হৈছে। -খান (চাৰিবেদে বাহু চাৰিখান), -গোট (মৰাগোট, কন্যাগোট),—টাৰ (কেসটাৰ) আদি নিৰ্দিষ্টবাচক প্ৰত্যয়ৰ ব্যৱহাৰ 'পদ্মা-পুৰাণ'ত দেখা যায়। 'পদ্মা-পুৰাণত প্ৰথমাদি বিভক্তিৰ প্ৰয়োগ দেখা যায়; যেনে:

১মা :—এ : কালিনাগে খাইবেক লগাই। নাৰায়নদেৱে কয়।

—ই : নেতাই বুলিলা পুনি। লখাই বোলে সুনা পূন্না আমাৰ বচন।

ক : পদ্মা বোলে সুন ধেমাই আমাৰ উত্তৰ।

সোহি কোপে নাৰায়ন ঝাম্প দিলা জাই।

২য়া :—ক : কালিনাগক আনোক ধেমাই।

মনে মনে গৰুড়ক কৰিলা চিন্তন।

৩য়া :—এ : সর্ব্ব নাগে খাইলা তাৰ। আমাৰ হাতে তাৰ মৃত্যু নাই।

৪র্থী :—লাগি : তোমাক লাগি পঠাইয়াচে পদ্মাৰ কালদূত।

—ক : উপৰাসিক ভুঞ্জাইলে বৰপুন্য বাৰে।

৫মী :—হস্তে : ঝুলিহস্তে সঞ্জ দিলা তেতিক্ষন। স্বর্গহস্তে চন্দ্রখসি পৰিলা আচম্বিত।

—ৰ : আমাৰ হাতৰ কেনে জাইবি চাৰিয়া।

৬ষ্ঠী :—ৰ : নেত্তাৰ গলে ধৰি কান্দয় বিসহৰি।

চান্দোৰ নামে হেন বিস টুটে॥

৭মী :—এ : জোগমাতা হংস ৰথে গতি।

সোল্ল সত সিসু লৈয়া বনে বাখে পাই।

—ত : মিচা কৈলো তোমাসাত আস।

কালিৰ ফনাত জাই বৈলা দামোদৰ॥

সংস্কৃত মূল ভিত্তিক ৰচনা নহয় বাবেই প্ৰাকবৈষ্ণৱ বা বৈষ্ণৱযুগৰ কবি সৱৰ ৰচনাৰ ভাষাতকৈ 'পদ্মা-পুৰাণ'ৰ ভাষা অধিক ঘৰুৱা আৰু জন-গণ-মনৰ বাবে সহজ বোধ্য। সামগ্ৰিকভাবে পদ্মা-পুৰাণ'ৰ ভাষাই মধ্যযুগীয় নামনি অসমৰ কথিত ৰূপৰ প্ৰতিনিধিত্ব কৰিব পাৰে।

ঙ. সামাজিক চিত্ৰ

ব্যক্তি আৰু সমাজৰ সম্পৰ্ক অংগাংগী। সমাজ আৰু সংস্কৃতিৰ সম্বন্ধও অবিচ্ছেদ্য। ব্যক্তি বা ব্যষ্টি অবিহনে যিদৰে সমাজ হ'ব নোৱাৰে তদ্ৰূপ সমাজ অবিহনেও সংস্কৃতিৰ জন্ম আৰু বিকাশ সম্ভৱ হ'ব নোৱাৰে। ভাষা আকৌ সংস্কৃতিৰ প্ৰত্যক্ষ বাহক। ভাষা বাচিক আচৰণ আৰু সংস্কৃতি সামাজিক আচৰণ। দ্বিতীয়তে, ভাষাৰ মাধ্যমত সংস্কৃতিয়ে লাভ কৰে বাংময় ৰূপ।

গতিকে ব্যক্তি, সমাজ, সংস্কৃতি আৰু সাহিত্যৰ সম্বন্ধ নিবিড়। মৌখিক আৰু লিখিত উভয়বিধ সাহিত্যই সমাজৰ প্ৰভাৱৰপৰা একোতে দূৰৈত থাকিব নোৱাৰে। সাহিত্য (মৌখিক আৰু লিখিত) সামাজিক প্ৰতিফলনৰ বিশিষ্ট মাধ্যম। এইফালৰপৰা সাহিত্যক এক প্ৰকাৰে স্থানীয় নৃবৃত্ত (native ethnography) ৰূপে আখ্যা দিব পাৰি। ইয়াৰ পৰা সহজে ঠাৱৰ কৰিব পাৰি যে, সমাজ আৰু সাহিত্যৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক বিদ্যমান। এই ক্ষেত্ৰত সমাজ প্ৰাথমিক উপাদান আৰু সাহিত্য গৌণ উপাদান, গতিকে সাহিত্যৰ জৰিয়তে সমাজৰ স্পষ্ট আৰু প্ৰত্যক্ষ পৰিচয় পোৱা যায়। 'পদ্মা-পুৰাণ' পাঠ (text) বিশেষ আৰু ই সমাজৰ অংগীভূত লোকৰ প্ৰতীকাত্মক মানসিক আধেয় অথবা ৰীতি-নীতিৰ প্ৰতিফলক। মানসিক আধেয় অথবা ৰীতি-নীতি আদি উপাত্ত বিশেষ, যাৰ সহায়ত মানসিক অৱস্থাৰ গতি নিৰ্ণয় কৰিব পাৰি। 'পদ্মা-পুৰাণ'ৰ বিষয়বস্তু, সমাজৰ ভাৱনা-পদ্ধতিৰ মূৰ্ত ৰূপ মাথোন আৰু ইয়াক নৃবৃত্তৰ মূল্য নিৰ্দ্ধাৰণৰ (ethnographic ratings) লগত তুলনা কৰিব পাৰি। 'পদ্মা-পুৰাণ'ত সন্নিবিষ্ট মিথ, জনশ্ৰুতি আৰু সাধুকথাৰ সংযোগত প্ৰতিফলিত হোৱা সমাজৰ ভাৱনা-পদ্ধতিয়েই হৈছে বাস্তৱ পদ্ধতি অথবা কাৰ্য্যাৱলীৰ বৰ্ণন। এই কাহিনীবোৰৰ জৰিয়তে সমাজৰ আদৰ্শাত্মক আচৰণ ব্যক্তিত হোৱা দেখা দেখা যায়।

'পদ্মা-পুৰাণ'ত সন্নিবেশিত পৰম্পৰাগত কাহিনীবোৰ আচৰণ (behaviour) আৰু মনস্তাত্ত্বিক অৰ্থাৎ মনোসমীক্ষণৰ দৃষ্টিভংগীৰ ফালৰপৰাও অধ্যয়ন কৰিব পাৰি। আচৰণৰ দিশৰ পৰা কব পাৰি যে, 'পদ্মা-পুৰাণ'ৰ অন্তৰ্ভূক্ত পাৰম্পৰিক কাহিনীবোৰৰ সংযোগত নৈতিক আৰু নিষিদ্ধ উভয় প্ৰকাৰ আচৰণ অভিব্যক্তিত হৈছে। এইবিধ আচৰণগত দিশে প্ৰতিপন্ন কৰিব পাৰে যে, কোনো এক সংস্কৃতিৰ অংশীদাৰসকলৰ প্ৰতিমানৰ আদৰ্শ পদ্ধতি ৰূপায়িত হৈছে এই কাহিনীবোৰৰ মাধ্যমেৰে। এই কাহিনীবোৰক অন্যপ্ৰকাৰে 'আচৰণৰ আদৰ্শ' বুলিব পাৰি। গতিকে 'পদ্মা-পুৰাণ'ৰ কাহিনীবোৰে স্থানীয় সমাজৰ মানসিক প্ৰতিফলক ৰূপে ভূমিকা গ্ৰহণ কৰিব পাৰে।

মনস্তাত্ত্বিক অথবা মনোসমীক্ষণগত দৃষ্টিভংগীৰ ফালৰ পৰা চালে দেখা যায় যে, 'পদ্মা-পুৰাণ'ৰ অন্তৰ্গত কাহিনীবোৰে বিষাদৰ বিৰেচন (catharsis) ৰূপেও প্ৰকাৰ্য্যসাধন কৰিব পাৰে; যিহেতু এই কাহিনীবোৰে কোনো এজনক আসন্ন পৰিস্থিতিৰ পৰা অবিলম্বে মুক্ত কৰিব পাৰে।

উপৰৰ আলোচনাৰ পৰা নিশ্চিতভাৱে কব পাৰি যে, তদানীন্তন সমাজ-জীৱনৰ লগত 'পদ্মা-পুৰাণ'ৰ সম্পর্ক নিবিড়ভাবে ৰক্ষিত হৈ আহিছে।

বৈষ্ণৱ সাহিত্য আদর্শ প্রধান আৰু অনুবাদমূলক হোৱা বাবে সমসাময়িক সমাজ জীৱনৰ সাংগোপাংগ বর্ণন পোৱা টান। দ্বিতীয়তে, বৈষ্ণৱ কবিসকলে সমাজ-চেতনাৰ তুলনাত ধর্মীয়চেতনাৰ ওপৰত অধিক গুৰুত্ব দিছে। গতিকে বৈষ্ণৱ সাহিত্যত সমাজ জীৱনৰ চিত্র প্রতিফলিত নোহোৱাই স্বাভাৱিক। কিন্তু এই ক্ষেত্ৰত মনত ৰখা উচিত হ'ব যে, ধর্মীয় চেতনা, সমাজ চেতনাৰ অংশ বিশেষহে, যিহেতু ধর্মীয় চেতনা সামাজিক ব্যাপাৰ মাথোন। এই ফালৰপৰা ধর্মীয় চেতনাৰ উদ্বুদ্ধ হৈ বৈষ্ণৱ কবিসকলে ৰচনা কৰা সাহিত্য কর্মতো সামাজিক চেতনাই স্থান পোৱা স্বাভাৱিক। অৱশ্যে বৈষ্ণৱ কবিসকলৰ নির্মিতিত ধর্মীয় চেতনাৰ পটভূমিতহে সামাজিক চেতনাই স্থান লাভ কৰিছে।

লোকায়ত সমাজত ওজাপালি-গায়ক-গীতাল আদিৰ মুখ পৰম্পৰা প্ৰচলিত মনসা-কথাবৃত্তৰ আধাৰত নাৰায়ণদেৱে 'পদ্মা-পুৰাণ' ৰচনা কৰিছে। দ্বিতীয়তে, নাৰায়ণদেৱে আদর্শাত্মক দৃষ্টিভংগীৰদ্বাৰা প্ৰণোদিত হৈ তেওঁৰ ভাষা-পুৰাণখন ৰচনা কৰা নাছিল, লৌকিক মহাকাব্য বা পুৰাণ ৰূপেহে ৰচনা কৰিছিল। গতিকে 'পদ্মা-পুৰাণ'ত সমসাময়িক সমাজৰ বিশেষকৈ লোকায়ত সমাজখনৰ প্ৰতিবিম্ব প্ৰতিফলিত হোৱা স্বাভাৱিক।

'পদ্মা পুৰাণ'ত মধ্যযুগীয় অসমীয়া সমাজৰ প্ৰতিফলন পোৱা যায়। কবিয়ে বোধকৰোঁ কোচ নৃপতিসকলৰ ৰাজত্বকালীন পশ্চিম অসমৰ সমাজজীৱনৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিছিল। ইয়াৰ প্ৰমাণ স্বৰূপে কবিয়ে উল্লেখ কৰা কোচৰাজ্য সম্পৰ্কীয় বর্ণনালৈ আঙুলিয়াব পাৰি, যেনে :

'কালি উঠিয়া জাইবো কোচৰ নগৰে।
ভিক্ষা কৰি জত পাঞ আনি দিবো তোৰে।।'[২৮]

দ্বিতীয়তে, কোচৰাজ্যৰ পশ্চিম সীমান্তত প্ৰবৰ্তিত মুছলমান ৰজাৰ ৰাজত্বৰ উল্লেখো 'পদ্মা-পুৰাণ'ত একাধিকবাৰ পোৱা যায়, যেনে :

(ক) হাসন হুসন তোমাৰ সিদেসত বৈৰি।
নাজানি দেসত কিবা ভৈল ডকাচুৰি।।[২৯]

---

২৮. পদ্মা-পুৰাণ (Ms), পৃ. ৩২খ ; ২৯. ঐ. গ্ৰ., পৃ. ১০৪ক.

(খ) হাসন হুসন মোৰ নিকটতে বৈৰি।
নাজানি দেসত কিবা হেন ডকাচুৰি ।।৩০

কোচৰাজ্যৰ পশ্চিমফালে আছিল কিৰাট (কছাৰী, ভুটীয়া ইত্যাদি) ৰাজ্য। ইয়াৰ আভাসো 'পদ্মা-পুৰাণ'ত এনেদৰে পোৱা যায় :

"পচিম দেসত আৰ কিৰাট নগৰি ।।৩১

উপৰোল্লিখিত উদ্ধৃতি সমূহৰ পৰা সহজে অনুমান কৰিব পাৰি যে, নাৰায়ণদেৱে কোচৰাজ্যৰ সমাজ-সংস্কৃতিক উপজীব্য কৰি 'পদ্মা-পুৰাণ' ৰচিছিল আৰু এই পুৰাণৰ অন্যতম প্ৰধান বা নায়ক চৰিত্ৰ চন্দ্ৰধৰক কোচ-নৃপতিৰ আদৰ্শত অংকন কৰিছে।

সমাজৰ ন্যূনতম অংশ পৰিয়াল। 'পদ্মা-পুৰাণ'ত যৌথপৰিয়ালৰ চিত্ৰ পোৱা যায়—যি পৰিয়ালত পিতা-পুত্ৰ-ভাই-ভতিজা-আই বাই-বোৱাৰী আদি সকলোৱে একেলগে বাস কৰে। পৰিয়ালৰ মূৰব্বীজনৰ নিৰ্দেশ মতে পৰিয়ালটোৰ সদস্যসকলে বিভিন্ন পাৰিবাৰিক বা সামাজিক ভূমিকা গ্ৰহণ কৰে। চন্দ্ৰধৰ যৌথ পৰিয়ালৰ মূৰব্বী, সেয়ে তেওঁৰ নিৰ্দেশ মতে পৰিয়ালটোৰ বিভিন্ন সদস্যসকল চলিবলৈ বাধ্য হৈছে। জয়ধৰ, লেঙা, সোনেকা, লখিন্দৰ আদি পৰিয়ালৰ সদস্যসকলে চন্দ্ৰধৰৰ ওচৰত মূৰ তুলি এষাৰো কথা কব পৰা নাই। অসমৰ পৰম্পৰাগত যৌথ পৰিয়ালৰ আদৰ্শত যে, চন্দ্ৰধৰৰ যৌথ পৰিয়ালটিৰ চিত্ৰণ পৰিবেশন কৰা হৈছে তাত সন্দেহ নাই।

চন্দ্ৰধৰ সামন্তযুগীয় শাসক হলেও তেওঁৰ শাসনযন্ত্ৰত মন্ত্ৰণাদিৰে সহায় কৰিবলৈ নওজন পাত্ৰ বা মন্ত্ৰী আছিল। পাত্ৰসকলৰ লগত 'দেৱান' পাতি চন্দ্ৰধৰে ৰাজকাৰ্য্য সম্পৰ্কীয় বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছিল। কবিৰ ভাষাত :

"পাত্ৰসকলক ডাকি দিলন্ত উত্তৰ।
সুন সুন পাত্ৰ সৱ বাক্য মনকৰ ।।
হিৰণ্যগৰ্ভ শ্ৰীগৰ্ভ পণ্ডিত জসাই।
কবিৰাজ বিহাকৰ পাত্ৰ জে ভগাই ।।
সুভাকৰ সন্তানন্দ পাত্ৰে ভগবান।
নৱপাত্ৰ লৈয়া চান্দো বসিলা দেৱান ।।'৩২

---

৩০. উ. গ্ৰ., পৃ. ১৪৪ক. ; ৩১. উ. গ্ৰ., পৃ. ১২৪খ

৩২. উ. গ্ৰ., পৃ. ৫০ ক-খ ;

বিদেশলৈ বেপাৰ কৰিবলৈ যাবৰ বাবে চান্দোসদাগৰে পাত্ৰসকলৰ পৰা অনু-মোদন বিচাৰিছে। আনকি লখিন্দৰক যুৱৰাজ পতাৰ প্ৰসংগতো চন্দ্ৰধৰে পাত্ৰসন্ত্ৰপৰা অনুমোদন লাভ কৰিছে। মাজে মাজে তেওঁ ৰাজপুৰোহিতৰ লগতো মন্ত্ৰণা কৰিছিল। চন্দ্ৰধৰ যে স্বেচ্ছাচাৰী ৰজা নাছিল তাৰ আভাস ইয়াৰ পৰা পাব পাৰি। পৰম্পৰাগত সমাজত ব্যক্তিৰ মূল্যবোধতকৈ সমাজৰ মূল্য-বোধৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায়। স্বেচ্ছাচাৰী ৰজাৰ বিৰুদ্ধে যে ৰাইজে মাত মতাৰ অধিকাৰ আছিল, আনকি প্ৰজাৰ অনুৰোধৰ প্ৰতি আওকাণ কৰা ৰজাক মৃত্যুদণ্ড দিয়াৰ অধিকাৰো যে, জনসাধাৰণৰ আছিল তাৰ স্পষ্ট আভাস পোৱা যায় পদ্মাদেৱীক পূজা নকৰিবলৈ কঠোৰ মনোভাব পোষণকাৰী চন্দ্ৰধৰক তেওঁৰ বংশধৰ এজনে নিসংকোচভাবে হত্যা কৰিবলৈ উদ্যত হোৱাৰ পৰা :

"আপুনি নাজানাহা জেবে পদ্মা কোন জন।
পদ্মাৰ কপটে তোৰ এত্ত বিৰম্বন ॥
তোৰ মাথা কাটি পূজা কৰিবো পদ্মাৰে।
এহিত্তো প্ৰতিজ্ঞা আজি জানিবা আমাৰে ॥
একজন মৰে জদি সত্ত জন জিয়ে।
আসিৰ্ব্বাদ কৰে জদি পদ্মাৱত্তি মাৱে ॥
* * *
মোৰ নিজ হাতে মাথা কাটিবো তোমাৰে।
সেহি মাথে অগ্নি দিয়া পূজিবো পদ্মাৰে ॥'[৩৩]

প্ৰজাসাধাৰণৰ দাবীৰ ওপৰত অনমনীয় চৰিত্ৰৰ অধিকাৰী চন্দ্ৰধৰে অৱশেষত নতি স্বীকাৰ কৰিবলৈ বাধ্য হ'ল :

'এত সুনি মনে ভয় ভৈলা সদাগৰ।
মনে সাত্ত পাঞ্চ ভাবি নেদিলা উত্তৰ ॥
কোন লাজে বুলিবোহো পদ্মাক পূজিতে।
কি সাধ্যে পূজিবো পুষ্প লৈয়া হাতে ॥
আগ পাচ গুনি সাধু দিলন্ত উত্তৰ।
কৰিলো প্ৰতিজ্ঞা মই পদ্মাক পূজিবাৰ ॥'[৩৪]

৩৩. পদ্মা-পুৰাণ : ভাটীয়ালীখণ্ড, পদ ৯০৯-১১
৩৪. উ. গ্ৰ., পদ ৯১২-১৩ ;

উপৰোল্লিখিত বৰ্ণনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে, কবি নাৰায়ণদেৱে শাসকতকৈও শাসিতৰ মূল্যবোধৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। নাৰায়ণদেৱৰ সমসাময়িক সমাজখন আছিল পুৰুষ প্ৰধান সমাজ; কিন্তু এই সমাজত স্ত্ৰীসকলেও ব্যক্তিগত আৰু সামাজিক অধিকাৰ সাব্যস্ত কৰিবলৈও সক্ষম হৈছিল।

নাৰায়ণদেৱৰ সমসাময়িক সমাজত জন-গণৰ অৰ্থনৈতিক অৱস্থা সন্তোষ-জনক আছিল। সমাজৰ সৰহসংখ্যক লোকেই আছিল খেতিয়ক। বাখোৱাল, মৎসজীৱী, বাৰৈ, সূতাৰ, কমাৰ কুমাৰ, হীৰা, হাৰি, মালী, পোহাৰী, প্ৰতিমাকৰ, দৈৱজ্ঞ, ব্ৰাহ্মণ আদি বৃত্তিধাৰী জাতিয়ে সমাজৰ বাবে প্ৰয়োজনীয় বিভিন্ন সেৱা আগবঢ়াই জীৱিকা নিৰ্বাহ কৰিছিল। সেই সময়ত দেশ-বিদেশত বেহা-বেপাৰ কৰি জীবিকা নিৰ্বাহ কৰা সকলক সাধু অৰ্থাৎ সাউদ বোলা হৈছিল। আনকি বজা সকলেও যে, দূৰ-দূৰণিত বেহা-বেপাৰ কৰিছিল তাৰ প্ৰত্যক্ষ প্ৰমাণ চন্দ্ৰধৰ বা চান্দোসদাগৰ। বেউলাৰ জ্যেষ্ঠ ভাতৃ নাৰায়ণ সাধু আৰু লখিন্দৰৰ মোমায়েক বঙ্গাইসাধু উভয়ে আছিল সাউদ। সাউদসকলে নাৱেৰে লংকাদি পৰ্য্যন্ত বেহা-বেপাৰ কৰিছিল। বেহা-বেপাৰৰ পণ্যবোৰ আছিল: মাটিমাহ, ক'লা মাহ, আদা, হালধিৰ গুৰি, হাড়ী (beer), তিসি, তিল, তৈল, ঘৃত, গাৰোৰ ছাগল, সিদল-সুকটি (শুকান মাছ), তুলি, ভুনি, পাটশাৰী, কল, গুৱা-পাণ, নাৰিকল, চটক চোকোৰা, কাৰ্মসিন্দুৰ, শ্ৰীফল, মিথি, মাটিৰ বাচন আদি। বাণিজ্য-পণ্যবোৰ প্ৰায়ে বদলাবদলি বা বিনিময় (barter) কৰা হৈছিল। সোণ-ৰূপ-হীৰা, মাণক, বস্ত্ৰ, পোৱাল, তাম, কঁাহ, পিতল, হিঙ্গুল-হাইতাল, হাতীৰ দাঁত, জাতিফল, শংখ, মুক্তা, কড়ি, সোণৰ কাঁহী-বাটি, সুবৰ্ণৰ কোমোৰা, ইলাচি, কৰ্পূৰ, আবিৰ, সূৰ্য্যমণি আদিৰ বিনিময়ত এই পণ্যবোৰ বিক্ৰি কৰা হৈছিল। কিনা-বেচাৰ অন্যতম বিনিময় মাধ্যম স্বৰূপে কাড় ব্যৱহাৰ কৰাৰ অনুকূলে মত পোষণ কৰিব পাৰি।

দুখীয়া মানুহে খৰি বিক্ৰি কৰিও জীৱিকা উলিয়াইছিল। বজাৰত বাম-কলবো চাহিদা আছিল। এজোপা কলৰ দাম আছিল নও বুৰি কড়ি। ইয়াৰ স্পষ্ট আভাস পোৱা যায় চন্দ্ৰধৰৰ উক্তি এটাৰ পৰা:

"এক এক কল বেচি পাঞো নয় নয় বুৰি।
কি কাৰনে নষ্ট কৰো অত সৱ কৰি ॥ ৩৫

---

৩৫. উ. গ্ৰ., পদ ১৯৪

'ডাক-প্ৰবচন'তো উল্লেখ আছে ঃ

"তিনিস সাঠি জোপা কৰা কল। মাহিলি মাহিলি সিকোনাবা তল॥

পাত পচলা লাওতে খাবা। লঙ্কাৰ বণিজ হাততে পাবা।"[৩৬]

টকা-পইচা বিহীনা তিৰোতাই হাতৰ কঙ্কণৰ বিনিময়ত প্ৰয়োজনীয় সামগ্ৰী খৰিদ কৰাৰ আভাসো 'পদ্মা-পুৰাণ'ৰ পৰা পোৱা যায়।

শৈক্ষিক দিশতো সেই সময়ৰ সমাজখন আগবঢ়া আছিল বুলি অনুমান কৰাৰ থল নোহোৱা নহয়। বেদ-অধ্যয়নৰ পৰম্পৰা ব্ৰাহ্মণসকলৰ মাজত চলিছিল। সমাজৰ দুই-চাৰিজন লোকৰ যে দূৰ-দূৰণিৰ স্থান আৰু ৰাজ্য সম্পৰ্কীয় ঐতিহাসিক আৰু ভৌগোলিক জ্ঞান আছিল তাৰ ইংগিতো 'পদ্মা-পুৰাণ'ৰপৰা পোৱা যায়।

নাৰায়ণ দেৱ-কালীন সমাজত শৈৱধৰ্মৰ প্ৰভাৱ আৰু প্ৰসাৰ আছিল সুদূৰ প্ৰসাৰী। চণ্ডী বা দেৱী-পূজাৰ প্ৰভাৱো জন-গণৰ মাজত নথকা নহয়। সমাজত বিষ্ণু কৃষ্ণৰো উপাসনা চলিছিল। মনসা-পূজা আদিতে ভূত পূজা ৰূপে পৰিগণিত হৈছিল, যদিও সময়ৰ অগ্ৰগতিত মনসাদেৱীৰ প্ৰভাৱ আৰু প্ৰসাৰ অপ্ৰতিহতভাৱে বাঢ়িবলৈ ধৰে। অৱশেষত দেৱ দেৱীসৱৰ মাজত পদ্মাই একমাত্ৰ পূজাৰ্হা দেৱীৰূপে পৰিগণিত হয়। বলিসহ মনসাদেৱীক পূজা কৰা হৈছিল। ইয়াৰ বাহিৰেও ধৰ্মদেৱতা, শীতলা, নাগ, বাৰক্ষেত্ৰ, গ্ৰাম্যদেৱতা, কুবেৰ বা কুবিৰ, শুভচেনী, গণেশ, লক্ষ্মী, সৰস্বতী আদি দেৱ-দেৱীৰ পূজা-উপাসনা জীৱন্তভাৱে চলি আছিল। সামগ্ৰিকভাৱে তদানীন্তন সমাজৰ ধৰ্মীয় জীৱনত উদাৰতাহে বিৰাজ কৰিছিল। চান্দোসদাগৰে পোনতে মনসা-পূজাৰ বিৰুদ্ধে মাত মাতিলেও শেষত তেওঁ পদ্মাৰ পাদপ্ৰান্তত আশ্ৰয় লব লগীয়া হৈছে। নাৰায়ণ দেৱৰ সমসাময়িক সমাজত মনসাক ফুল-জল আৰু বলি-বিধান এই দুপ্ৰকাৰে পূজা দিয়া হৈছিল। বামাচাৰ আৰু দক্ষিণাচাৰ এই দুই পদ্ধতিৰেও পদ্মাদেৱীক পূজা কৰা দেখা যায়। মণ্ডপ নিৰ্মাণ কৰি তাত পঞ্চ গুৰিৰে মণ্ডল দিয়াৰ উপৰিও আলপনাৰে জাতিস্কাৰ কৰা হৈছিল। মণ্ডপৰ চাৰিওফালে সুপক্ককলৰ ভাৰ বন্ধা হৈছিল। বলিৰূপে হাঁহ, পঠা চাগলি, ভেৰা, হৰিণ, পেৰা ম'হ, পাৰচৰাই আদি আগবঢ়োৱা হৈছিল। পদ্মকুমাৰীৰ পূজাৰ অনুষংগত তিল, তণ্ডুল, ধূপ, দীপ, নৈবেদ্য, নৃত্য-গীত আৰু মঙ্গল জোকাৰ আদি আছিল অতি্কে প্ৰয়োজনীয়।

---

৩৬. নবীনচন্দ্ৰ-শৰ্মা (সম্পা): ডাক-প্ৰবচন, পৃ. ৫১

তদানীন্তনৰ সমাজত বিশেষকৈ লোকায়ত সমাজত মুখ পৰম্পৰা বিভিন্ন গীত-পদ প্ৰচলিত হৈ আছিল। ইয়াৰ উদাহৰণ স্বৰূপে মনসা-কথাবৃত্তৰ পৰিধিয়ে সামৰা বিভিন্ন গীত-পদলৈ আঙুলিয়াব পাৰি। কাহিনীগীত বা পৰম্পৰাগত কাহিনীৰূপত অনাদি-পাতন, দেৱ-দেৱী-জন্ম সম্পৰ্কীয় বৰ্ণনা, পৰীক্ষিত-ধন্বন্তৰি বধ; গুঞ্জৰি সাগৰ, কমাৰহাটী দুৰ্জয়গড়, গোপালপুৰ, শতমুখী গংগাৰ বৰ্ণনা, নাৰিকলৰ জন্ম আদি মুখে মুখে চলি আছিল। ইয়াৰ বাহিৰে সেই সময়ত তন্ত্ৰ-মন্ত্ৰ আদিও জীৱন্তভাৱে চলি আছিল।

নাৰায়ণদেৱৰ কালীন সমাজত বিভিন্ন উৎসৱ-অনুষ্ঠানে জনপ্ৰিয়তা লাভ কৰিছিল। এই উৎসৱ-অনুষ্ঠানৰ প্ৰায়বোৰেই পূজা বিষয়ক। শিৱ-পূজা, চণ্ডী-পূজা, ধৰ্ম-পূজা, শিৱৰাত্ৰি আদিয়েই উল্লেখযোগ্য উৎসৱ-অনুষ্ঠান। মনসা-পূজাইয়ো সেইসময়ত উৎসৱ-অনুষ্ঠানৰ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। নৌকা-পূজনেও উৎসৱৰ ৰূপ পৰিগ্ৰহ কৰিছিল।

জীৱন-বৃত্তৰ লগত জড়িত উৎসৱ-অনুষ্ঠানসমূহৰ ভিতৰত বিবাহ আৰু মৃতকৰ লগত সম্পৃক্ত কৃত্য আৰু উৎসৱলৈ আঙুলিয়াব পাৰি। বৈদিক পদ্ধতিৰে বিবাহ কৃত্যাদি সম্পাদন কৰা হৈছিল। কইন সোধা (স্বাস্থ্য সোধা), নান্দীমুখশ্ৰাদ্ধ, সুবাগ সাধা, কন্যাৰ পিতাকে দৰাক আদৰি নিয়া নাপিতবদ্ধাৰা দৰা-কইনাৰ নখ কমোৱা আদি আনুষংগিক কৃত্য বিবাহ উৎসৱৰ অনুষংগত পালিত হৈছিল। বৰ্তমানৰ দৰে তাহানিও বিবাহোৎসৱৰ অনুষংগত নাৰীসকলে বিবিধ লোকাচাৰ পালন কৰিছিল আৰু মঙ্গল গীত গাইছিল তথা জোকাৰ দিছিল। বিবাহৰ পিছদিনা 'বাসীবিবাহ'বা বাহী বিয়া অনুষ্ঠিত হৈছিল। সৰ্প দংশনত মৃত্যু হোৱা জনৰ কাঠসংস্কাৰ নকৰি ভুৰ বা ভেলত উটুৱাই দিয়া ৰীতি সমাজত চলতি আছিল। এনেলোকৰ শ্ৰাদ্ধাদি তিনি দিনত অনুষ্ঠিত হৈছিল। সাধাৰণ মৃত্যুত মৃতকক কাঠ-সংস্কাৰ কৰা হৈছিল আৰু যথা সময়ত শ্ৰাদ্ধাদি সম্পন্ন কৰিছিল। মৃতকৰ ছয়মাহত ছয় মাহিলীকৃত্য অনুষ্ঠিত হৈছিল। মৃতকৰ কৃত্যৰ প্ৰসংগত বিদেহী আত্মাৰ সদগতি কামনা কৰি যজ্ঞ, দান, ব্ৰত আদি সম্পাদন কৰা হৈছিল।

নাৰায়ণদেৱৰ সমকালীন সমাজত প্ৰচলিত খেল-ধেমালি আৰু অৱসৰ বিনোদৰ ভিতৰত জুৱা আৰু পাশাখেলৰ নামোল্লেখ কৰিব পাৰি। জুৱা খেলোতাজনক জুৱাৰু বোলা হৈছিল। জুৱা খেল খেলি সৰ্বস্বান্ত হোৱাৰ উদাহৰণ "পদ্মা-পুৰাণ'ত পোৱা যায়।

ঔষধ স্বৰূপে বৰ্তমান দৰে তাহানি বনৌষধি আৰু মন্ত্ৰ প্ৰয়োগ কৰা হৈছিল। বেমাৰৰ ভিতৰত গোধ, জ্বৰ, কপ্‌জ্বৰ, বিষ আদিয়েই উল্লেখযোগ্য। ইয়াৰ বাহিৰেও সৰ্পদংশন আদিৰ দৰে অপঘাত মৃত্যুৰো উদাহৰণ পোৱা যায়। সাধাৰণ বেমাৰ-আজাৰত বনৌষধি আৰু মন্ত্ৰ উভয়কে প্ৰয়োগ কৰিছিল। যাদুৰো প্ৰচলন আছিল। যাদু দুবিধ: অপকাৰী যাদু আৰু উপকাৰী যাদু। সেই সময়ত তন্ত্ৰ-মন্ত্ৰই বিশেষভাৱে প্ৰাধান্য লাভ কৰিছিল। সৰ্পই দংশন কৰাৰ অনুষংগত সৰ্পবৈদ্য বা ওঝাই মাটিত খৰি পাতি শুভাশুভ নিৰ্ণয় কৰিহে মন্ত্ৰ প্ৰয়োগ কৰিছিল। সৰ্পৰ বিষ নিৰাময় কৰিবৰ বাবে অঘোৰমন্ত্ৰ, আগমমন্ত্ৰ, ব্ৰহ্মমন্ত্ৰ, মহামন্ত্ৰ, মূলমন্ত্ৰ, জাৰমন্ত্ৰ আদিৰে জৰা-ফুকা কৰিছিল সাপৰ ওজাই।

সমাজৰ বিভিন্ন স্তৰত বিভিন্ন ধৰণৰ গালি-শপনিৰ ব্যৱহাৰো দেখা যায়। এনেধৰণৰ গালি-শপনিৰ ভিতৰত কাণী, ধেমনাভতাৰী, পাপিষ্ঠী, চাৰ, চাৰী, দুচাৰিণী, দুৰাচাৰী, কদাচাৰী, বেটা, বেটী, পাপী, কুলাঙ্গাৰ, টেণ্টন, আবুধিয়া, ধাউৰী, বেশ্যা, ৰাণ্ডী, নিলাজিনী, কুটনী, বিষমুখী, অচিদৰ, দুৰাচাৰ আদি উল্লেখ কৰিব পাৰি।

জনসাধাৰণৰ মাজত বিভিন্ন বিশ্বাসে গভীৰভাৱে শিপাইছিল। বিবাহ-যোগ্য কন্যাই হৰ-পাৰ্বতীক উপাসনা কৰিলে উপযুক্ত স্বামী পায় বুলি বিশ্বাস কৰা হৈছিল। স্বামীৰ বৰ্তমানত মৃত্যু বৰণ কৰিবপৰা নাৰীয়ে অনন্ত-কালৰ বাবে স্বৰ্গ লাভ কৰে। যি পুৰুষ বা নাৰীয়ে আনৰ ধন-ৰত্ন, সঞ্চিত কোমোৰা চুৰ কৰে, আনৰ ঘৰত জুই লগাই দিয়ে, গো-ব্ৰাহ্মণ-জ্ঞাতি-গোএাদিক বধ কৰে আৰু গোচৰত কোনো এটা পক্ষৰ হৈ মিছা সাক্ষী দিয়ে তেনে পুৰুষ বা নাৰীয়ে পুত্ৰৰ শোক পাবলগীয়া হয়। শাও-শপনি, অভিশাপ আদিৰ ওপৰতো সেই সময়ৰ লোকে বিশ্বাস স্থাপন কৰিছিল। সতী-সাধ্বীকন্যাৰ অভিশাপ সম্পূৰ্ণভাৱে ফলিয়াই বুলি তদানীন্তনৰ জন-গণ-মনে বিশ্বাস কৰিছিল। নাৰায়ণ দেৱৰ সমসাময়িক সমাজত বিশ্বাস প্ৰচলিত হৈছিল যে, ধৰ্মৰদোহাই দিলে কোনো মানুহেই মিছা কথা কব নোৱাৰে। দেৱ হিংসাৰ পৰিণতি কুলক্ষয়ৰূপে পৰিগণিত হৈছিল। জনসাধাৰণে দৈৱ বা অদৃষ্টৰ ওপৰত সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰাৰ প্ৰৱণতা 'পদ্মা-পুৰাণ'ত স্পষ্ট।

যাত্ৰা, মংগলামংগল, জ্যোতিষ, স্বপ্ন আদি বিষয়ক বিভিন্ন বিশ্বাসৰ বৰ্ণন 'পদ্মা-পুৰাণ'ত পৰিদৃষ্ট হয়। যাত্ৰাৰ আগমুহূৰ্তত মংগলামংগল চোৱা হৈছিল আৰু দশমী তিথিযুক্ত মংগলবাৰ দিনদগ্ধা বা দগ্ধ যোগ বিশিষ্ট হোৱা বাবে এই

দিনটোত কলৈকো যাত্ৰা কৰা নহৈছিল। মলমাসতো শুভকৰ্ম সম্পাদন নকৰিছিল। যাত্ৰাপথত মালী, তেলী, সোঁপাশে সৰ্প, বাওঁফালে শগুন আদি লগ পোৱা বা দেখাটো অশুভজনক ৰূপে বিবেচিত হৈছিল। হৰলগীয়া কোনো ঘটনাৰ আগজাননী সপোনৰপৰা পোৱা যায় বুলি বিবেচনা কৰি স্বপ্নৰ ফলিতা বিচৰাৰ উদাহৰণ 'পদ্মা-পুৰাণ'ৰ কেইবা ঠাইতো পোৱা যায়। নৱগ্ৰহৰ ভিতৰত শনিগ্ৰহৰ কুপ্ৰভাবৰ ওপৰত গুৰুত্ব আৰোপ কৰি কোৱা হৈছে :

'অসুভ লাগিল ধনাৰ কান্ধে নাচে সনি।
সনিৰ দোসে কাটা জাইতে আসিল আপুনি ॥'[৩৭]

নাৰায়ণদেৱৰ সমকালীন সমাজত নাৰী সম্পৰ্কীয় কিছুমান বিশ্বাস প্ৰচলিত হৈছিল। নাৰীসমাজত সখীপত্তা বা সহেলাপত্তা দস্তুৰে বিশেষভাৱে সমাদৰ লাভ কৰিছিল। সেই সময়ত মৃত স্বামীৰ সৈতে পত্নী সহমৃতা হোৱাৰ উদাহৰণ পোৱা যায়। নাৰীৰ আগত গুপুত কথা কোৱাৰ প্ৰসংগত ইতস্ততঃবোধ কৰা হৈছিল :

'আপুন বিশ্বাস কথা স্ত্ৰীৰ আগে কয়
মৰিব আপোন দোসে নাহিকে সংসয় ॥'[৩৭ক]

নিজৰ পত্নী কমলাৰ আগত নিজৰ মৃত্যু সম্পৰ্কীয় গুপুত কথা ধন্বন্তৰিয়ে ব্যক্ত কৰি নিজৰ মৃত্যুৰ ওচৰ চপাই আনিছে :

''পুৰাণৰ জত কথা সুনা সৰ্বজনে।
ধন্বন্তৰি মৰি আছে তিৰিৰ কাৰনে ॥[৩৮]

সাপৰ নেজৰ দৰে চুলি, উচ্চ কপাল, পিঙ্গল কেশ, উচ্চ দৃষ্টি, চিৰলদন্ত, ঠেক বুকু, ওখ পিঠি, খৰমযুৰীয়া ভৰি আদি বিধবাৰ লক্ষণ ৰূপে সেই সময়ত বিবেচিত হৈছিল। হাত-কাণ-ডিঙিত অলংকাৰ নথকাটোও বিধবাৰ লক্ষণ।[৩৯] ইয়াৰ বিপৰীতে শাখা-সিন্দুৰ সধবাৰ লক্ষণ

বিধবাৰ সামাজিক মৰ্য্যাদা নাছিল বুলি কব পাৰি। তেনেদৰে স্বামীৰদ্বাৰা পৰিত্যক্তা নাৰীৰো সামাজিক প্ৰতিষ্ঠা নাছিল। হাড়ীত খোৱা পত্নীৰ হাতে

৩৭. পদ্মা-পুৰাণ, ভাটীয়ালীখণ্ড, পদ. ৮১৮
৩৭ক. পদ্মা-পুৰাণ (Ms), পৃ. ৭৫ক
৩৮. ঐ গ্ৰ
৩৯. 'লাঙটা হস্ত শ্ৰৱন, বিধোয়াৰ লক্ষন, কোন তোৰ বিসাদ বদন।' পদ্মা-পুৰাণ, ভাটীয়ালীখণ্ড, পদ ৮৭৭

স্বামীয়ে অন্ন গ্ৰহণ নকৰিছিল। সপত্নীবিদ্বেষ আৰু সপত্নীৰ সন্তানৰ প্ৰতি মাহীমাকৰ ক্ৰূৰ আচৰণৰ দৃষ্টান্ত 'পদ্মা-পুৰাণ'ৰ বিভিন্ন স্থানত পোৱা যায়। নৱবিবাহিতা নাৰীয়ে ফুলশয্যাৰ নিশা হাতত কটাৰী ৰাখিছিল। খণ্ডব্ৰতৰ পৰিণতি অকাল বৈধব্য প্ৰাপ্তি বুলি ঠাৱৰ কৰা হৈছিল। প্ৰথম স্বামীৰ মৃত্যুত কমবয়সীয়া নাৰীয়ে দ্বিতীয়বাৰৰ বাবে স্বামী গ্ৰহণ কৰাৰ প্ৰসংগত বিশেষভাৱে সামাজিক বাধা-নিষেধ নাছিল। সেই সময়ত তিৰোতা মানুহেও দোকান দিছিল। পৰস্ত্ৰীৰ সৈতে পুৰুষৰ অবৈধ সম্পৰ্কক সামাজিক কদাচাৰ ৰূপে গণ্য কৰা হৈছিল। নাতি-বোৱাৰীৰ লগত আতাশহুৰেকৰ চুপতিক নিৰ্দোষ ধেমালি হিচাবে গ্ৰহণ কৰা দেখা যায়।

নাৰায়ণদেৱ-কালীন সমাজত পুৰুষৰ তুলনাত নাৰী প্ৰতি কঠোৰ মনোভাব পোষণ কৰিলেও পুৰুষ আৰু স্ত্ৰীৰ মাজত সামাজিক দৃষ্টিভংগীৰ ফালৰপৰা বিশেষ পাৰ্থক্য নাই বুলিও কোৱা হৈছে: 'নাৰি-পুৰুষক ভিন্ন কৰিতে নুজুয়াই।'[৪০] তেনেদৰে পুৰুষৰ মাজতো বিভিন্নতা নাই। সমাজত বহু বিবাহৰ প্ৰচলন আছিল। কোনো ৰজাক জয় কৰিও তেওঁৰ দুহিতাক বিয়া কৰোৱা হৈছিল আনকি আন পুৰুষৰ নাৰীকো জোৰ-জুলুম কৰি পত্নীৰূপে গ্ৰহণ কৰাৰ উদাহৰণ 'পদ্মা পুৰাণ'ত পোৱা যায়। অন্যহাতে আনৰ নাৰীক বলৎকাৰ কৰিবলৈ প্ৰয়াস কৰা লোকক সমুচিত শাস্তি দিহা হৈছিল। স্বামীৰ অনুচিত কৰ্ম কঠোৰভাৱে সমালোচনা কৰাৰ নৈতিক অধিকাৰ পত্নীসকলৰ আছিল। বিবাহিতা নাৰী শাসন কৰাৰ ক্ষেত্ৰত স্বামীতকৈ স্বামী-পিতৃ অৰ্থাৎ শহুৰেকেহে আগভাগ লৈছিল। আনকি সেই আপত্তিজনক ভূমিকাৰ বিৰুদ্ধে স্বয়ং স্বামীয়েও মাত মাতিবলৈ সাহস সঞ্চয় কৰিব পৰা নাছিল।

গুপুত কথা ব্যক্ত কৰাৰ আগমুহূৰ্তত কিৰা বা শপত দিয়া হৈছিল। পাপ-পূৰ্ণ কথা বা শ্ৰৱণ অযোগ্য ঘটনা শুনিব লগীয়া হলে শ্ৰোতাই 'বিষ্ণু-বিষ্ণু', 'ৰাম-ৰাম' বুলি উচ্চাৰণ কৰিছিল। তদানীন্তনৰ সমাজত চুৰি-ডকাইতিও সংঘটিত নোহোৱাকৈ থকা নাছিল। ব্ৰাহ্মণ-সজ্জনৰ সমালোচনাৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছিল: 'সুনিয়া বুলিবে মন্দ ব্ৰাহ্মন সজ্জনে।'[৪১] উপবাসী অতিথিক ভোজন কৰালে পুণ্য সিজে বুলি বিশ্বাস কৰা দেখা যায়।

৪০. উ গ্ৰ., পদ ২৮৩
৪১ উ. গ্ৰ , পদ ৫৪

সেই সময়তো বৰশী আৰু জালেৰে মাছ ধৰি জীৱিকা নিৰ্বাহ কৰা হৈছিল। সেই সময়ৰ গদিয়ালসকলে পৰ-আপোন বিচাৰ নকৰি কেবল নিজৰ স্বাৰ্থৰ পিছে পিছেহে ঘূৰি ফুৰিছিল। ঘৰত খাবলৈ নোহোৱা জনে নৃত্য-গীতত মহগুল হোৱাৰ কোনো যুক্তি নাই; যিহেতু 'আগে চাউলকথা, পিছে হৰি কথা'। তামোল পাণৰ জৰিয়তে কোনো কথাৰ বাজী ধৰা হৈছিল আৰু কোনোলোকক গুৱা-পাণ যাচিহে কোনো কামলৈ অনুৰোধ কৰা হৈছিল। সাক্ষীৰ জৰিয়তে গোচৰ আদি নিষ্পত্তি কৰা দেখা যায়। সভাপতি অৰ্থাৎ বিচাৰকৰ নিৰপেক্ষতাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছিল। নাৰায়ণদেৱৰ সমকালীন সমাজত মৰাশ শুকাই থোৱা দস্তুৰ আছিল। দ্বিতীয়তে, সেই সময়ত শুকান মাছ (চিদল) জনপ্ৰিয় ব্যঞ্জন সামগ্ৰী আছিল। সমাজত স্পৃশ্য অস্পৃশ্যভাবৰ প্ৰাধান্য নথকা নহয়। সেই সময়ত ব্যক্তিৰ স্বাৰ্থতকৈ সামাজিক স্বাৰ্থৰ ওপৰত আপেক্ষিকভাৱে অধিক গুৰুত্ব দিয়া হৈছিল। গাৰ্হ-জ্ঞাতিৰ সমালোচনা আৰু ভৰ্ৎসনাৰ প্ৰতি সেই সময়ৰ ব্যক্তি আৰু সমাজ আছিল অতিকৈ সচেতন। দান আদিৰ ওপৰত সামাজিক আস্থা ৰক্ষিত হোৱা দেখা যায়। শিৱৰাত্ৰিৰ অনুষংগত দান-দক্ষিণা কৰিলে স্বৰ্গ প্ৰাপ্তি হয় বুলি বিশ্বাস কৰা হৈছিল।

নাৰায়ণদেৱৰ সমকালীন সমাজত প্ৰচলিত শাস্তি আৰু পুৰস্কাৰ বিষয়ক চিত্ৰও 'পদ্মা-পুৰাণ'ত প্ৰতিফলিত হোৱা দেখা যায়। সেই সময়ত দোষীক কঠোৰ শাস্তি বিধান কৰা হৈছিল। দোষীৰ হাতে-ভৰিয়ে বান্ধি বুকুত পাথৰ দি পোতাশালত আবদ্ধ কৰি ৰখাৰ আভাস পোৱা যায় সংকাৰ বজাই চন্দ্ৰধৰক শাস্তি বিহাৰ জৰিয়তে। কোনো কোনো প্ৰসংগত দোষীৰ মুণ্ডন কৰি চূণ কালি সহি দিয়া হৈছিল। পৰস্ত্ৰী হৰণৰ শাস্তি আছিল কাণ আৰু নাক ছেদন। আনক মিছাকৈ বদনাম দিব খোজাজনক নাক-চুলি কাটি শাস্তি বিহা হৈছিল। অনেক ক্ষেত্ৰত দোষীজনৰ হাত-ভাৰ কাটি দিয়া হৈছিল। তেনেদৰে সাধু-সন্ত আৰু যোগ্যজনক বিশেষভাৱে পুৰস্কাৰ দিয়া বাতিৰো প্ৰচলন আছিল।

তদানীন্তনৰ সমাজত পাপ-পুণ্যৰ বিচাৰৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছিল। ধন ৰত্ন চুৰি কৰা, নৰহত্যা, গোবধ, ব্ৰহ্মবধ, স্ত্ৰীবধ আদি মহাপাপ ৰূপে পৰিগণিত হোৱা দেখা যায়। সভাপতি বা বিচাৰক হৈ পক্ষপাতিত্ব কৰিলে পঞ্চপাতক সিজে বুলি ভৰা হৈছিল। ইয়াৰ বিপৰীতে উপবাসী অতিথিক ভোজন কৰালে, দান-দক্ষিণা দিলে, যাগ-যজ্ঞ অনুষ্ঠান কৰিলে, ব্ৰত-উপবাস আৰু সজ-কাম কৰিলে পুণ্য সিজে বুলিও বিশ্বাস কৰা হৈছিল।

সমাজত শপত দিয়া বা কিৰা কটাৰ ৰীতিও প্ৰচলিত আছিল। সাধাৰণতে 'নিজৰ মাথা নিজে খাওঁ', 'পুত্ৰৰ মাথা খাওঁ', 'মোৰ মাথা খোৱা' আদি বাক্যৰ উপৰিও 'স্ত্ৰীবধ', 'মাতৃবধ' আদি পাপ-পূৰ্ণ কাৰ্য্যৰ ভিত্তিত শপত বা কিৰা কটা হৈছিল।

নাৰায়ণদেৱৰ সমকালীন সমাজত প্ৰচলিত মাদকদ্ৰব্যসমূহৰ ভিতৰত ভাঙে বিশেষভাবে জনপ্ৰিয়তা লাভ কৰিছিল।

সেই সময়ৰ সমাজত বন্ধাৰথা (bounded labour) দস্তুৰ প্ৰচলিত হৈছিল। উচ্চশ্ৰেণীৰ লোকৰ পোৱালী বিয়া দিওঁতে লগত একোজনী ধাইমো দিয়া দেখা যায়। টকাৰ বিনিময়ত স্ত্ৰী-পুত্ৰ আদিক মহাজনৰ ঘৰত বন্ধা ৰখাৰ উদাহৰণো 'পদ্মা পুৰাণ'ত পোৱা যায়। সেই সময়ৰ সমাজত চিঠি লিখা ব্যৱস্থাৰ প্ৰচলন আছিল।

নাৰায়ণদেৱৰ সমসাময়িক সমাজত নাৰীৰ সতীত্ব প্ৰমাণ কৰিবৰ বাবে বিভিন্ন পৰীক্ষাৰ প্ৰচলন আছিল। এনে পৰীক্ষাৰ ভিতৰত কেশৰ সাকোৰে জ্বলন্ত অগ্নি কুণ্ড অতিক্ৰমণ, সৰ্পমুণ্ডৰপৰা মণি আনয়ন, ঘৃত-কাঞ্চন পৰীক্ষা, জল, শূল, অগ্নি আৰু তুলা পৰীক্ষা। সেই সময়ৰ সমাজত যে, আত্মহত্যাৰ প্ৰৱণতা কম পৰিমাণে হলেও প্ৰচলিত হৈছিল তাৰ আভাস পদ্মা-পুৰাণ'ৰপৰা পাব পাৰি। সাধাৰণতে জুই, পানী নদী, সাগৰ আদিত জাপ দি আত্মহত্যা কৰা দেখা যায়।

সেই সময়ৰ সমাজত হিন্দুধৰ্মৰ প্ৰাধান্য পৰিলক্ষিত হলেও ইছলাম ধৰ্মী-লোকো নথকা নহয়। ব্ৰাহ্মণ, বৈশ্য, ক্ষত্ৰিয়, কায়স্থ দৈবজ্ঞ, বণিক, চাণ্ডাল আদি বিভিন্ন জাতিয়ে সমাজত বাস কৰিছিল। ইয়াৰ বাহিৰেও সেই সময়ত বিভিন্ন ব্যৱসায়িক জাতিৰ লোকো আছিল। এই জাতিসমূহৰ ভিতৰত ৰাখোৱাল (গৰখীয়া), মৎস্যজীৱী (মাছমৰীয়া), হাবি, নাপিত, দৈৱজ্ঞ, মালাকৰ (ভুৰ নিৰ্মাণকাৰী), বনিয়া (বেপাৰী), গোৱাল (গাখীৰ ব্যৱসায়ী), দোকানী, ডুমুনী (পোহাৰী), গন্ধবণিক, গোধা (মাছ ধৰি বিক্ৰি কৰোঁতা), তেলী, দাস দাসী জুৱাৰু, ঘাটোৱাল গদিয়াল, কাণ্ডাৰী, বাইচা, ধোবা, দৰ্জী, পাইক আদিয়েই উল্লেখযোগ্য। সেই সময়ৰ সমাজত বৈষ্ণৱ, গুৰু, দেৱতা, ব্ৰাহ্মণ, ৰজা আদি সন্মানীয় ব্যক্তিৰূপে পৰিগণিত হৈছিল। 'ভাট'সকলেও সামাজিক মৰ্য্যাদা লাভ কৰিছিল। সৈন্য-সামন্ত, ৰাজবিষয়া আদিয়েও সমাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

সামাজিক আৰু পাৰিবাৰিক জীৱনত অন্যোন্যক্রিয়া সম্পাদিত হৈছিল বিভিন্ন সম্পর্ক আৰু সম্বন্ধৰ সংযোগত। এনে সামাজিক আৰু পাৰিবাৰিক সম্পর্ক আৰু সম্বন্ধৰ ভিতৰত তলত কেইটিমান উল্লেখ কৰা হ'ল : আই, পিতা, স্বামী, স্ত্রী, পুত্র, বোৱাৰী, সতাই অর্থাৎ মাহী আই বা মাতৰী মা, শহুৰ, শাহু, ভাসুৰ (ভাই শহুৰ), জা, ননদ, দেওৰ, মাহী (মাসী), পেহী (পেসী), মোমা, মামী, ভাগিন, ভাগিনবোৱাৰী, বাই, দাদা, ভতিজা ইত্যাদি।

নাৰায়ণদেৱৰ সমসাময়িক সমাজত যান-বাহন স্বৰূপে নাও, হাতী, দোলা, চৌদোলা, ভেল বা ভুৰ আদি ব্যবহাৰ কৰা হৈছিল।

নাৰায়ণদেৱে প্রয়োগ কৰা ৰাজকীয় বা প্রশাসনীয় বিভিন্ন সংযুতি প্রকাশক শব্দবোৰৰ জৰিয়তে সেই সময়ৰ অসমীয়া সমাজ-জীৱনৰ পৰিচয় পাব পাৰি। 'পদ্মা-পুৰাণ'ত ব্যৱহাৰ কৰা ৰাজকীয় বা প্রশাসনীয় সংযুতি প্রকাশক শব্দবোৰৰ ভিতৰত তলত দিয়া বোৰেই উল্লেখযোগ্য : অভিষেক, ৰজা, ৰাণী, পাত্র, মন্ত্রী, ভট্ট, প্রজা, ৰাজ্য, সভা, সমাজ, উজিৰ, নাজিৰ, পালি-প্রহৰী, দূত, চন্তৰী ইত্যাদি।

যুদ্ধ বিষয়ক বর্ণনাত সমৰ আয়োজন, সৈন্য-সামন্ত সংগ্রহ, সমৰযাত্রা, যান-বাহন, অস্ত্র-শস্ত্র, বাদ্য-যন্ত্র আৰু বিভিন্ন ধৰণৰ নামবাচক শব্দৰ প্রয়োগ 'পদ্মা-পুৰাণ'ত পোৱা যায়। অস্ত্র-শস্ত্রৰ ভিতৰত চক্র, গদা, হেমতাল, বাণ, নাগপাশ, বিষবাণ, ঢাল, ঝাগৰা, খাণ্ডা, যাঠি, ডাং, বাৰি, শূল, ত্রিশূল আদিৰ নাম উল্লেখ কৰিব পাৰি। বাহুযুদ্ধ আৰু কিলাকিলিৰ প্রসংগত চৰ, ভুকু, লাঠি, চাপৰ, ঘাৰতধৰা, চুলিত ধৰা, গালত চৰ মৰা, মূচৰি মূৰ ছিঙা, কামোৰা কামুৰি আদি শব্দৰ প্রয়োগ 'পদ্মা-পুৰাণত পৰিদৃষ্ট হয়।

অসমীয়া সমাজত পৰিচিত কিছুমান চৰাই-চিৰিকতিৰ নামো 'পদ্মা-পুৰাণ'ত পোৱা যায় : হংস (হাঁহ), কাক (কাউৰী), ময়ূৰ, কোকিল, গৃধিনী, কুকুৰা, ফেঁচা, কপৃতৰ (পাৰ) ইত্যাদি।

কবিয়ে 'পদ্মা-পুৰাণ'ত পৰিৱেশন কৰা জীৱ-জন্তুৰ নামৰ সৰহ ভাগেই অসমৰ প্রকৃতিৰ। জন্তুৰ ভিতৰত বৃষভ, ছাগ, ভেৰা, মহিষ, পেৰা, সিংহ, ব্যাঘ্র, শৃগাল, হস্তী, গৰু, ঘোঁৰা, বিৰাল, বৰা, বলধ, ঐৰাৱত, হৰিণ, কালসাৰ (কৃষ্ণসাৰ ?), শহা আদি উল্লেখযোগ্য। পোক-পৰুৱা, কীট-পতংগৰ ভিতৰত ভ্রমৰ, মধুকৰ, জোক, ধৰিয়া, ইন্দুৰ, দাহ, মহ, মাখি, পিপৰা আদিৰ নাম লব

পাৰি। সৰিসৃপ জাতীয় প্ৰাণীৰ ভিতৰত সৰ্প (নাগ, নাগিনী) নেউল, গুই আদি উল্লেখযোগ্য। জলজ প্ৰাণীৰ ভিতৰত বিভিন্ন মাছ, যেনে : নিচিলা (মিছামাছ , চন্দা, ডৰকিনা (ডৰিকঁনা), বাঘোৰা বৰালি, কুচিয়া, কাকাৰা (কেঁকোৰা), বেঙ্গ কূৰ্ম (কাছ), কুম্ভীৰ, মগৰ, শিহু, ঘৰিয়াল আদিৰ নাম লব পাৰি।

নাৰায়ণদেৱে পৰিৱেশন কৰা গছ-গছনি, লতা-তৃণ, ফল-ফুল আদিৰ বৰ্ণনাত অসমীয়া জীৱনৰ গোন্ধ পোৱা যায়। গছ-গছনি, লতা-তৃণৰ ভিতৰত তেতেলি, সিজু, তেলি, তাল, খেজুৰ, বাঁহ তুলসী, কল, ৰামকল, শাল, গমাৰি, পদ্ম, দূৰ্বা আদিৰ নাম উল্লেখযোগ্য। পদ্ম বা পদুম, চম্পা, কেতকি (কেতেকী), ভূমিচম্পা, পাৰিজাত মালতী আদি ফুলৰ নাম নাৰায়ণদেৱৰ নিৰ্মিতিত পোৱা যায়। তেনেদৰে ফলৰ ভিতৰত গুৱা-পাণ, কুহিয়াৰ, নাৰিকল, বৰ্তমণিকল, ডালিম্ব দৰা আদিৰ নাম উল্লেখ কৰিব পাৰি।

নাৰায়ণদেৱকালীন সমাজত যে, কৰ্মকাৰ বা কমাৰে লোহাৰ ঘৰ অৰ্থাৎ 'লৌহগৃহ' নিৰ্মাণ কৰিব পাৰিছিল তাৰ আভাস চান্দোৰ মেৰঘৰৰ পৰা পোৱা যায়। তেনেদৰে সেইসময়ত দেব-দেৱীৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰিবৰ বাবে অথবা অভিজাত শ্ৰেণীৰ লোকে জিৰণি লবৰ বাবে মনোৰম টঙি ঘৰ বা চাংঘৰ (কামটঙ্গী) নিৰ্মাণ কৰ হৈছিল ৰাজপ্ৰাসাদক বুজাবৰ বাবে সেইসময়ত ওৰাৰি শব্দটোৰ প্ৰয়োগ দেখা যায় : "বেচিবাক আনি আচো তোমাৰ ওৰাৰি" (পদ ৮৫৯)। ঘৰৰ বেৰবোৰ ইটাৰে নিৰ্মাণ কৰা হৈছিল আৰু কৰালেৰে ইটা গথা হৈছিল। ঘৰ-দুৱাৰ নিৰ্মাণৰ প্ৰসংগত বেত, গজাল আদিৰো ব্যৱহাৰ দেখা যায়। খেৰ-বাঁহ আদিৰেও ঘৰ নিৰ্মাণ কৰা হৈছিল। অতি চিনাকি মানুহে খৰকি দুৱাৰেৰে ৰাজগৃহত প্ৰৱেশ কৰিছিল।

তদানীন্তনৰ সমাজত কাঁহ, পিতল, মাটি আদিৰ পৰা বিভিন্ন বাচন-বৰ্তন (যেনে : কাঁহী, বাটি, ডাবৰ, চৰিয়া, ঘট, কৰঙি, ঝাৰ, ভৃংগাৰ, পিকদান, দীপ, ধূনাৰপাত্ৰ খলা, বটা, হাণ্ডী, কলহ, শৰাই আদি) প্ৰস্তুত কৰা হৈছিল আৰু এইবোৰ বিভিন্ন অনুষংগত ব্যৱহাৰো কৰা হৈছিল। তেনেদৰে মজু, বিচনি, পীৰা, ঢেল বা ভুৰ আদিও প্ৰস্তুত কৰা হৈছিল আৰু বিভিন্ন প্ৰসংগত এইবোৰ ব্যৱহাৰ কৰাও দেখা যায়। সেই সময়ত বাণিজ্যৰ বাবে উপযোগী ডাঙৰ ডাঙৰ নাও বা ডিঙা প্ৰস্তুত কৰা হৈছিল স্থানীয় কাঠেৰে। সূতাৰে ডিঙা নিৰ্মাণ কৰিছিল। সূতাৰক তামোল-পাণ-ফুল দি ডিঙা নিৰ্মাণ কৰিবলৈ

অনুৰোধ কৰা হৈছিল।[৭২] সাগৰৰ জলৰ গভীৰতাৰ পৰিমাণতকৈ ওখ কৰি ডিঙা প্ৰস্তুত কৰা দেখা যায়।

নাৰায়ণদেৱৰ সমসাময়িক অসমীয়া সমাজত যে চিত্ৰবিদ্যাৰ অনুশীলন বিভিন্ন স্তৰত হৈছিল তাৰ স্পষ্ট পৰিচয় দিব পাৰে 'পদ্মা-পুৰাণ'ত সন্নিৱেশিত চিত্ৰবিদ্যা সম্পৰ্কীয় বৰ্ণনা নাজিয়ে। উদাহৰণ স্বৰূপে কামটংকী ঘৰত চিত্ৰিত বিভিন্ন চিত্ৰ, পদ্মাৰ বস্ত্ৰত অংকিত চিত্ৰ, নৃত্যৰ সময়ত বেউলাই পৰিধান কৰা বস্ত্ৰত চিত্ৰিত বিষ্ণুৰ দশাৱতাৰৰ চিত্ৰ, লখিন্দৰৰদ্বাৰা বিচনিত অংকিত বিভিন্ন চিত্ৰলৈ আঙুলিয়াব পাৰি।

সেই সময়ত দৰ্জীৰ জৰিয়তে বিভিন্ন পোছাক-পৰিচ্ছদ প্ৰস্তুত কৰি লোৱা হৈছিল। পুৰুষৰ পোছাক-পৰিচ্ছৰ ভিতৰত ইজাৰ (পায়জামা), 'জোড়া', 'কাবাই', পচৰা, পাগুৰি, ধেকেৰাধুতী, ভুনি আদি উল্লেখ কৰিব পাৰি। নেতবস্ত্ৰ, পাটৰশাৰী, কাঞ্চুলি, আগুৰণ, শাৰী আদি বস্ত্ৰ পৰিধান কৰিছিল নাৰীসকলে। অয়-অলংকাৰৰ ভিতৰত কিৰীট, মুকুট, স্বৰ্ণ-ৰৌপ্য নিৰ্মিত হাৰ, গজমুকুতাৰ মালা, সাতসৰীহাৰ, হেমহাৰ, মুকুতামালা মণিমালা, টাৰ-খাৰু, বাজু, কঙ্কণ, চুৰী, বাজু; কৰ্ণফুল, কুৰি (কৰ্ণ আভৰণ), কুণ্ডল, বিভিন্ন আঙঠি, নেপুৰ, ঘাগৰ, উঝণ্টি, কিঙ্কিণী আদি অলংকাৰৰ প্ৰচলন সেইসময়ত অসমীয়া সমাজত আছিল বুলি ঠাৱৰ কৰিব পাৰি। পুষ্পমালাদিও আভৰণ ৰূপে ব্যৱহাৰ কৰা হৈছিল। প্ৰসাধনৰ সামগ্ৰী ৰূপে অগৰু চন্দন, কস্তুৰি, সিন্দুৰ, আলতা কাজল আদিৰ প্ৰচলন আছিল। পুৰুষে চন্দন, সিন্দুৰ, আবিৰৰ গুৰি আদিৰে তিলক ধাৰণ কৰিছিল। মহিলাই সিন্দুৰ, চন্দন, আলতা আদিৰে ফোট লৈছিল। নাৰীসকলে চকুৰ উপৰিভাগত কাজল ব্যৱহাৰ কৰিছিল।

কেশ-বিন্যাসৰ বৈশিষ্ট্যপূৰ্ণশৈলীয়ে ৰমণীৰ ৰূপ-সৌন্দৰ্য্য দ্বিগুণে চৰায়। অসমীয়া নাৰীয়েও কেশবিন্যাসত গুৰুত্ব প্ৰদান কৰি আহিছে। নাৰায়ণদেৱ-কালীন সমাজতো নাৰীসকলে বিভিন্ন ভংগীৰে কবৰী বা খোপা বান্ধিছিল। খোপাৰ বিভিন্ন শৈলীৰ ভিতৰত নৰমোহন আৰু দেৱমোহনৰ নামোল্লেখ পোৱা যায়। বিভিন্নফুলৰ মালাৰে বিশেষকৈ মালতী, পাৰিজাত, কমল আদি ফুলৰ মালাৰে কবৰী সজোৱাৰ ৰীতি সেই সময়ত প্ৰচলিত হৈছিল।

---

৪২. 'পান-ফুল দিয়া হাতে, বোলে চম্পকৰ নাথে, পৰ্বতক কৰহ গমন।"

—পদ্মা-পুৰাণ (Ms), পৃ. ৮০খ

সোনেকা আৰু ভাৰকাৰ বৰ্ণনৰ জৰিয়তে অসমীয়া খাদ্য সামগ্ৰীৰ বৰ্ণনা সুন্দৰকৈ পোৱা যায়। সামিষ আৰু নিৰামিষ উভয় প্ৰকাৰ ভোজন-পৰম্পৰাৰ প্ৰচলন আছিল। শালি চাউল বা তণ্ডুলৰ ভাত, কলামাহ, মুগমাহৰ দাইল, তিল, ঘিউ, তেল, মধু, দধি দুগ্ধ, চেনি, গুৰ, চুৰা আদি প্ৰিয়খাদ্য আছিল পাচলিৰ ভিতৰত বেতগাজ, লাউ, পালেং, কোমোৰা, কচু, কল, বেঙেনা, মূলা, খৰিচা, পোৰল, মোৱা আলু আদিৰ উল্লেখ 'পদ্মা পুৰাণ'ত পোৱা যায়। নেমু, থেকেৰা, আমসি, বগৰী আদিৰে টেঙা-আঞ্জা ৰন্ধা হৈছিল। খাহী, পঠা, হৰিণ, হাঁহ, পাৰচৰাই আদিৰ মঙহ খোৱা হৈছিল বুলি অনুমান কৰিব পাৰি। হাঁহৰ কণীও খোৱা হৈছিল। বৰালি, বৌ, বচ, ইলিহ, শ'ল, কাতল, চিতল, মাগুৰ, পোনামাছ আদি বিভিন্ন মাছৰে জোল আৰু টেঙা-আঞ্জা আদি ব্যঞ্জন ৰান্ধিছিল। মাছ খৰিকাত দিও খোৱা হৈছিল। আঞ্জাত নানা বিধৰ মচলাদি সুমিষ্ট কৰা হৈছিল। নাৰায়ণদেৱৰ সমকালীন সমাজত প্ৰচলিত মছলাৰ ভিতৰত জিৰা, মৰিচ, লং, হালধী, আদ, পিপলি, জাইফল, হিং, কৰ্পূৰ আদিয়েই উল্লেখযোগ্য। আঞ্জাত বটন (বতান, পিঠালি) দিয়াৰ বৰ্ণনাও 'পদ্মা-পুৰাণ'ত পোৱা যায়। ভোজনৰ প্ৰায় শেষত দধি, দুগ্ধ, ঘন-দুগ্ধ, ক্ষীৰ পৰমান্ন, পিঠা লাৰু, চেনি, গুৰ, চুৰা আদি গ্ৰহণ কৰাৰ পৰম্পৰাও নাৰায়ণ-দেৱৰ সমসাময়িক সমাজত প্ৰচলন আছিল। নৱ-বিবাহিত দৰাৰ বাবে পৰিহাস্য ব্যঞ্জনো প্ৰস্তুত কৰা হৈছিল। ভাৰতৰ মুখ-হাত ধুই, গামৰি কাঠৰ পীৰাত বহি পঞ্চাস ব্যঞ্জনেৰে অন্ন গ্ৰহণ কৰা ৰীতি বিশেষভাৱে সীমিত আছিল অৱস্থাপন্ন মানুহৰ সমাজত।

অসমীয়া সমাজত প্ৰচলিত পৰম্পৰাগত সংগীত শৈলীৰ স্পষ্ট আভাস পোৱা যায় নাৰায়ণদেৱৰ নিৰ্মিতিত। গীত-নৃত্য আৰু বাদ্যৰ সমন্বয়ক সংগীত বোলে। সেই সময়ত পাঞ্চালী গীতৰ প্ৰচলন আছিল। এইবিধ গীত বিভিন্ন ৰাগ-ৰাগিণীত গোৱা হৈছিল, যেনে: ধনশ্ৰী, পটমঞ্জৰী, শ্ৰীবসন্ত, কৈবলু, তুড়বসন্ত, বৈনেতা, বসন্ত, ভাটীয়ালী (ভাটিয়ালি), কামন্দৰ, কেদাৰ, পাহাৰী, করুণা বা কাৰুণ্য, কামোদ, ভৈৰৱী, নাট, অহিৰ, বৰাৰি, তুৰবসন্ত, ৰামগিৰি, পাসজ, কাৰুণ্য ভাটিয়ালি (ভাটিয়ালী), চই আৰু ঝুলনা। এই ৰাগ-ৰাগিণীৰূপৰ সৰহ সংখ্যকেই ভাৰতীয় শাস্ত্ৰীয় বা মাৰ্গীয় সংগীত পৰম্পৰাৰ পৰিসীমাত সামৰিব পাৰি। গায়ন, গীতাল আদিয়ে হাতেৰে তাল বজাই বিভিন্ন ৰাগ-ৰাগিণীত পাঞ্চালীগীত গাইছিল। সাধাৰণতে ওজাপালি

পৰিবেশ্য কলাকেই গীতাল বোলে। মনসা-গীত গোৱা ওজাপালিৰ প্ৰচলন সেই সময়ত আছিল। 'বায়ন' শব্দৰ প্ৰয়োগো লক্ষ্য কৰা যায়: "অ বাইন মোৰ সাজে, অ কন্যাই নাচে।"[৪৩] খোল বা মৃদংগ বাদকৰ নাম বায়ন। সেই সময়ত গায়ানে গোৱা গীতৰ বিষয়বস্তুৰ লগত সংগতি ৰক্ষা কৰি নট আৰু নটীয়ে নৃত্য পৰিৱেশন কৰিছিল আৰু বায়নে খোল বা মৃদংগ সংগত কৰিছিল। নাৰায়ণদেৱ-কালীন সমাজত নট-নটী আৰু নৰ্ত্তকী-পৰম্পৰাৰ প্ৰচলন লক্ষ্য কৰা যায়। 'পদ্মা-পুৰাণ'ত উল্লেখ থকা 'নটী' পদৰদ্বাৰা দৰাচলতে 'দেওধনী' আনুষ্ঠৈয়কলা সূচিত হোৱা নাই, সম্ভৱ 'দেৱদাসী নৃত্য' সূচিত হৈছে। 'পদ্মা-পুৰাণ'ত নটী-নাচ প্ৰদৰ্শনৰ অনুষংগত মৃদংগ সংগত কৰা বুলিহে উল্লেখ কৰা হৈছে: 'দুই পাসে গন্ধৰ্বে মৃদঙ্গ বজায়।'[৪৪] দ্বিতীয়তে, বৰ্তমান সমাজত প্ৰচলিত 'দেওধনী-নাচ'ৰ ওপৰত দৃষ্টিপাত কৰি কব পাৰি যে, এইবিধ নৃত্যৰ লগত ঢোলহে সংগত কৰা হয়, মৃদঙ্গ সংগত কৰা নহয়। তৃতীয়তে, মৌখিক আৰু লিখিত উভয় পৰম্পৰাতে 'নটী' পদে দেৱদাসীকহে সূচায়, দেওধনীক নুবুজায়। চতুৰ্থতে, 'নটী-নাচ'ৰ বৰ্ণনা দিয়াৰ সন্দৰ্ভত 'পদ্মা পুৰাণ'ত উল্লেখ কৰা বিভিন্ন নৃত্যভংগী, বৃন্দন-গমন আৰু পাক বৈশিষ্ট্যৰপৰা সহজে অনুমান কৰিব পাৰি যে, নটী-নাচৰ জৰিয়তে বাস্তৱিকতে দেৱদাসী-নৃত্যৰহে বৰ্ণনা দিয়া হৈছে।

উপৰৰ আলোচনাৰপৰা ঠাৱৰ কৰিব পাৰি যে, উষা আৰু বেউলাৰ নৃত্য[৪৫] বৰ্ণনাৰ আদৰ্শ আছিল মধ্যযুগীয় দেৱদাসীনৃত্যশৈলী। তেনেদৰে 'পদ্মা-পুৰাণ'ত উল্লেখ থকা শিৱ আৰু চান্দোসদাগৰৰ নৃত্যৰ জৰিয়তে পুৰণি অসমীয়া নৃত্য-শৈলীৰ আভাস পাব পাৰি।

বাদ্যযন্ত্ৰ নোহোৱাকৈ গীত-নৃত্য প্ৰাণৱন্ত হৈ নুঠে, যিহেতু ঢোল, তাল, বেণু আদিক পাত্ৰৰ বহিঃপ্ৰাণ ৰূপে আখ্যা দিয়া দেখা যায়। 'নাট্যশাস্ত্ৰ'ত ভাৰতীয় বাদ্যযন্ত্ৰক চাৰিটা ভাগত ভগোৱা হৈছে, যেনে: (ক) ততযন্ত্ৰ অৰ্থাৎ তন্ত্ৰী-প্ৰধান বাদ্যযন্ত্ৰ, (খ) আৱনদ্ধ অৰ্থাৎ ছালেৰে আবৃত বাদ্যযন্ত্ৰ, (গ) ঘন অৰ্থাৎ তালজাতীয় বাদ্যযন্ত্ৰ আৰু (ঘ) সুষিৰ অৰ্থাৎ বায়ুপ্ৰধান বাদ্যযন্ত্ৰ।[৪৬]

---

৪৩. পদ্মা-পুৰাণ, ভাটীয়ালীখণ্ড, পৃ. ১০১ ; ৪৪. উ. গ্ৰ., পদ ৫২১

৪৫. পদ্মা পুৰাণ (Ms), পৃ. ৮৮খ ; ভাটীয়ালী খণ্ড, ১০১-১০৫, ১১৪-১১৫, ১৪৪

৪৬. নাট্যশাস্ত্ৰ ৬।২৭-২৯

মধ্যযুগীয় অসমীয়া সমাজত উপৰোল্লিখিত চাৰিপ্ৰকাৰ বাদ্যযন্ত্ৰৰ প্ৰচলন থকাৰ স্পষ্ট প্ৰমাণ দিব পাৰে 'পদ্মা-পুৰাণে' ; যিহেতু এই ভাষা-পুৰাণ খনিত এই চাৰিশ্ৰেণীৰ বাদ্যযন্ত্ৰৰ উল্লেখ পোৱা যায়। যেনে :

(ক) তন্তযন্ত্ৰ : টোকাৰী, বেণা, ৰামবেণা ইত্যাদি।

(খ) আবনদ্ধ যন্ত্ৰ : মৃদঙ্গ, ঢাক, ঢোল, খোল, ডগৰ দুন্দুভি ডম্বা ইত্যাদি।

(গ) ঘন অৰ্থাৎ তালজাতীয় বাদ্যযন্ত্ৰ : তাল নেপুৰ, ঘাগৰ ইত্যাদি।

(ঘ) সুষিৰ বাদ্যযন্ত্ৰ : শংখ, বাঁশী, শিঙ্গা, কালি ইত্যাদি।

নাৰায়ণদেৱৰ সমসাময়িক সমাজত যে, নৃত্য-গীতৰ বিশেষ সমাদৰ আছিল তাৰ আভাস পোৱা যায় 'পদ্মা-পুৰাণ'ত সঘনে ব্যৱহৃত নট, নৰ্ত্তকী, নাচন-বাগন, নটুৱা, নৃত্য-গীত, 'উভত নাচে নাচ' আদি শব্দ আৰু বাক্যাংশৰ জৰিয়তে।

নাৰায়ণদেৱৰ সমকালীন সমাজত যে, টকা-পইচাৰৰ বিনিময়ত নটী-নাচ প্ৰদৰ্শিত হৈছিল তাৰ সংকেত 'পদ্মা-পুৰাণ'ত পোৱা যায় :

(ক) সিৱে বোলে সুন চণ্ডি আমাৰ বচন।
নৃত্যকিক তুষ্ট কৰ কিবা দিয়া ধন ॥'[৪৭]

(খ) 'চণ্ডি বোলে সুন নাট আমাৰ বচন।
কহ্য তুষ্ট হৈবা তুমি পাইলে কোন ধন।'[৪৮]

নাৰায়ণদেৱে পদ্মা-পুৰাণ'ত মধ্যযুগীয় লোকায়ত পৰিৱেশ ৰচনা কৰিবৰ বাবে সেই সময়ৰ কথিত ভাষাৰ বিভিন্ন ৰূপ প্ৰয়োগ কৰিছে ঘৰুৱা জীৱনত সদা-সৰ্ব্বদাই প্ৰচলিত যোজোনা-পটন্তৰ আৰু ঘৰুৱা ভাৱব্যঞ্জনা আদিও এই ভাষা-পুৰাণ খনিত ব্যৱহাৰ কৰা হৈছে—প্ৰয়োজনীয় পৰিৱেশ-ৰচনাৰ উদ্দেশ্য আগত ৰাখি।

---

৪৭. পদ্মা-পুৰাণ, ভাটীয়ালী খণ্ড, পদ ৫৪৬

৪৮. উ. গ্ৰ., পদ ৫৪৭

সপ্তম অধ্যায়

উপসংহাৰ

পূৰ্ববৰ্তী অধ্যায় কেইটিত সৰ্প-পূজা তথা মনসা-পূজাৰ ঐতিহাসিক ক্ৰমাগ্ৰসৰণ, সৰ্পদেৱী-মনসাৰ উৎপত্তি বিকাশ আৰু পৰম্পৰা, মনসাদেৱীৰ লগত জড়িত বিভিন্ন ধৰ্মীয় কৃত্যাদি : উৎসৱ-অনুষ্ঠান, মনসা-সাহিত্য পাঞ্চালী সাহিত্য, পাঞ্চালী কবিসকল, সুকবি নাৰায়ণদেৱ আৰু তেওঁৰ 'পদ্মা-পুৰাণ'ৰ অন্তৰ্গত ভাটীয়ালী খণ্ডৰ বিষয়বস্তুৰ বিভিন্ন দিশৰ ওপৰত অৰ্থপূৰ্ণ আৰু বিশ্লেষণাত্মক আলোক সম্পাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

সৰ্প-পূজা বা মনসা-পূজা সামাজিক ব্যাপাৰ। সমাজৰ বিভিন্ন স্তৰত সৰ্প-পূজা বা মনসা-পূজাৰ জনপ্ৰিয়তা লক্ষ্য কৰা যায়। জাতি-জনজাতি আদিৰ মাজত মনসা বা পদ্মা বা বিষহৰী বা ৰৰমানী-পূজাৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। আনকি অসমৰ মুছলমান সকলৰ মাজতো কিবা নহয় কিবা প্ৰকাৰে মনসা বা বিষহৰী দেৱীৰ জনপ্ৰিয়তা অস্বীকাৰ কৰিব নোৱাৰি। বংগদেশ, বাংলাদেশ আদিত বৰ্তমানো মুছলমান গায়কে মনসা-গীত ব্যৱসায়িক ভাবে গায়। আনকি ইছলাম ধৰ্মীয় সৰ্পবৈদ্য বা সাপৰ বেজেও বিভিন্ন অনুষংগত মনসা-পূজা অনুষ্ঠান কৰাৰ নিদৰ্শন পোৱা যায় অসমৰ লংকা (নগাঁও), বংগদেশ, বাংলাদেশ আদিত। অসমৰ চাহ-বাগিচাৰ জীৱন আৰু সমাজতো মনসা-দেৱীয়ে প্ৰভাৱৰ পৰিসৰ বৃদ্ধি কৰিছে তাৎপৰ্য্যপূৰ্ণভাবে।

আজি কেইবছৰমান আগলৈকে মনসা-গীতত পাৰংগত মুছলমান ওজাপালিৰ অভাৱ পশ্চিম অসমত নাছিল। দৰঙৰ অন্তৰ্গত মাৰৈ গাঁৱৰ পৰশু সেখ এই প্ৰসংগত বিশেষভাৱে উল্লেখযোগ্য। দৰঙৰ তুৰেই, পথৰুঘাট (পাথৰিঘাট) আদিতো মুছলমান ওজাপালি আছিল। বৰপেটা জিলাৰ অন্তৰ্গত পাটাচাৰকুছিৰ চাকুলাত (কানাগাঁৱত) খৃঃ ১৯৩৩ চন মানৰ পূৰ্বে মুছলমান ওজাপালি আছিল। বজালী অঞ্চলৰ হিন্দুসকলৰদ্বাৰা অনুষ্ঠিত মনসা-পূজা বা মাৰৈ-পূজাতো এই ওজাপালিয়ে গীত-পদ-নৃত্য প্ৰদৰ্শন কৰিছিল।[১] মনসা বা বিষহৰী পূজাৰ লগত জড়িত ঢুলীয়া-কালীয়া আদিৰ

---

১. সংবাদদাতা : শ্ৰীঅম্বিকাপদ চৌধুৰী (৭৬), বেজকুছি পাটাচাৰকুছি, ২২।৩।৯৩

(--) : শ্ৰীগুৰুপদ চৌধুৰী (৭০), বেজকুছি, পাটাচাৰকুছি, ২২।৩।৯৩

ভূমিকাও আজি কিছুদিন আগলৈকে মুছলমানসকলে গ্ৰহণ কৰিছিল। বিষহৰী পূজা বা মাৰৈ-পূজাৰ লগত সম্পৰ্ক দেওধনী-অনুষ্ঠানো বিশেষভাৱে জনজাতীয় গাভৰুৰ মাজতহে সীমিত আছিল। বৰ্তমানো জনজাতীয় সকলৰ মাজত বিশেষকৈ বৰো, পাতিৰাভা, হাজং আদিৰ সমাজত দেওধনী পৰম্পৰা অক্ষুণ্ণ ভাৱে প্ৰবহমান। আজি প্ৰায় কুৰি বছৰৰ পূৰ্বে বজালী অঞ্চলৰ বিভিন্ন ঠাইত মনসা-পূজাৰ প্ৰসংগত জনজাতীয় গাভৰুৱে দেওধনী নৃত্য প্ৰদৰ্শন কৰিছিল।[২]

সৰ্বভাৰতীয় পটভূমিত সৃষ্টি হোৱা মনসা বা বিষহৰী-পূজাই ব্যক্তিগত কৃত্যৰ দাবী পূৰণ কৰাৰ উপৰিও সামূহিক উৎসৱৰ আচৰণ প্ৰকাশ কৰিবলৈ সক্ষম হোৱা দেখা যায়। ব্যক্তিগত ভাৱে কৰা মনসা-পূজা বা মাৰৈ-পূজাত উৎসৱ-আচৰণ প্ৰকাশ পালেও সামূহিকভাৱে অনুষ্ঠিত মনসা-পূজাতহে ইয়াৰ প্ৰাধান্য পৰিলক্ষিত হয়। সেইবাবে সামূহিক বা ৰাজহুৱা মাৰৈ-পূজাক এক প্ৰকাৰে উৎসৱ বুলি কোৱাই সমীচীন। অনেক ক্ষেত্ৰত মাৰৈ-পূজাই দুৰ্গোৎসৱৰ সমমৰ্য্যাদা লাভ কৰিবলৈও সক্ষম হৈছে।

মনসা বা মাৰৈ-পূজাৰ অনুষংগত আবৃত্ত গীত-পদে অসমীয়া মৌখিক আৰু লিখিত উভয় পৰম্পৰাত বৈশিষ্ট্যপূৰ্ণ স্থান অধিকাৰ কৰি আছে। এই জাতীয় লিখিত গীত-পদখিনিয়েই পাঞ্চালী বা পাঁচালী সাহিত্যত বিশেষ স্থান লাভ কৰাৰ উপৰিও মনসা-সাহিত্য তথা মনসা-সংগীতৰ পৰম্পৰা সৃষ্টি কৰিছে। মনসা-সাহিত্যই লৌকিক সাহিত্যৰ দাবী পূৰণ কৰিব পাৰে। নব বৈষ্ণৱ সাহিত্য মুখ্যতঃ আদৰ্শ প্ৰধান। সেইবাবে অসমীয়া নৱবৈষ্ণৱ সাহিত্যত লোকায়ত জীৱনৰ সাংগোপাংগ প্ৰতিফলন পোৱা টান। ভগবান কৃষ্ণ নৰৰূপে অৱতীৰ্ণ হলেও তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্যত মানব সুলভ দোষ-ত্ৰুটি মূৰ্ত হৈ উঠা দেখা নাযায়, যিহেতু কৃষ্ণ ভগবান্ ('কৃষ্ণস্তু ভগবান্ স্বয়ম্')। ভক্তজনক ৰক্ষা কৰিবলৈ আৰু ধৰ্ম সংস্থাপনৰ অৰ্থেহে তেওঁৰ অৱতাৰ। তেনে ক্ষেত্ৰত তেওঁৰ চৰিত্ৰত প্ৰকটিত মানৱ সুলভ বৈশিষ্ট্যৰাজি ভগৱৎ লীলাৰ নামান্তৰ মাথোন। গতিকে কৃষ্ণৰ চাৰিত্ৰিক হাৱ-ভাৱত মাটিৰ পৃথিৱীৰ আৰু জন জীৱনৰ গোন্ধ আৰু স্পৰ্শ লক্ষ্য কৰা নাযায় বুলিয়েই তাত্ত্বিক দিশৰ ফালৰ পৰা কব পাৰি।

---

২. (–) ঃ শ্ৰীঅম্বিকাপদ চৌধুৰী

ইয়াৰ বিপৰীতে মনসা-সাহিত্য ( ) ৈকিক হোৱা বাবে ইয়াত মাটিৰ পৃথিৱীৰ কেঁচা গোন্ধ আৰু জীৱন্ত পৰশ অনুভৱ কৰিব পাৰি। মনসা-সাহিত্যত স্থান লাভ কৰা শিৱ, নাৰদ, চণ্ডী, মনসা বা পদ্মা, নেতা, চন্দ্ৰধৰ, সোনেকা, শাহেৰজা, সুমিত্ৰা, লখিন্দৰ, বেউলা আদি চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্যত লোক জীৱনৰ আশা-আকাংক্ষা, কামনা-বাসনা, আবেগ-অনুভূতি হাব-ভাৱ, আৰু মনস্তাত্ত্বিক বিশ্লেষণৰ পৰিচয় পোৱা যায় সেই কাৰণেই মনসা-সাহিত্যত অসমৰ লোকায়ত জীৱনৰ পৰিপূৰ্ণ প্ৰতিফলন লক্ষ্য কৰা যায়। এইফালৰপৰা মনসা-সাহিত্যক স্বৰূপাৰ্থত জন বা গণ সাহিত্য আখ্যা দিব পাৰি।

মনসা-কাব্যই অতীতৰ পৰাই বিভিন্ন সামাজিক প্ৰকাৰ্য্য সাধন কৰি আহিছে। এই প্ৰকাৰ্য্যসমূহৰ ভিতৰত ধৰ্মীয় প্ৰকাৰ্য্য, অৱসৰ বিনোদন, নৈতিক শিক্ষা প্ৰদান সমাজীকৰণ সামাজিক নিয়ন্ত্ৰণ, সামাজিক প্ৰতিবাদ, প্ৰচাৰ মাধ্যম, জ্ঞানৰ অভিজ্ঞাপন, সংস্কৃতিৰ প্ৰমাণীকৰণ বা সংস্কৃতিৰ মান্যকৰণ সামাজিক সংহতি আদিয়েই উল্লেখযোগ্য।

মনসা-পূজা বা মাৰৈ-পূজা আৰু ইয়াৰ লগত জৰিত গীত-পদ (অৰ্থাৎ সাহিত্য অথবা সংগীত) এক জীৱন্ত পৰম্পৰা আধুনিক যুগতো মনসা বা বিষহৰী-কথাবৃত্তই গীত, নাটক কাব্য, কাহিনীৰূপে নতুন ৰূপত আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছে। তেনেদৰে নৃত্য, দৃশ্যনাটিকা, যাত্ৰা-পাৰ্টি, থিয়েটাৰ, ভাওনা, খুলীয়া ভাউৰীয়া, পুৰুষৰ নাগেৰা নাম, মহিলাৰ নাগেৰা নাম আদিৰ মাধ্যমেৰেও মনসা-কথাবৃত্ত বা মনসা-সাহিত্যই দ্বিতীয় অস্তিত্ব লাভ কৰিছে। জনসাধাৰণৰ প্ৰচাৰ মাধ্যমৰ (mass-media যেনে : ৰেডিঅ', দূৰদৰ্শন আদি) জৰিয়তে গীত-নৃত্য-অভিনয় আদিৰ সংযোগত মনসা-গীত প্ৰচাৰিত হৈছে।

উপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে, মনসা-পূজা আৰু ইয়াৰ লগত জৰিত গীত-পদ আদিয়ে যুগজয়ী ঐতিহ্য ৰূপে জন গণ-মনক আনন্দৰ যোগান ধৰাৰ বাহিৰেও বিভিন্ন সামাজিক ভূমিকা (Social role) গ্ৰহণ কৰি আহিছে। মনসা-কথাবৃত্তৰ অন্যতম বাহক মনকৰী, দুৰ্গাবৰী, সুকনানি আদিয়ে কালজয়ী সাহিত্যৰ স্থান লাভ কৰিবলৈ সক্ষম হোৱাৰ অন্তৰালতো বিদ্যমান ইয়াৰ লোকপ্ৰিয়তা আৰু সামাজিক ভূমিকা।

বাভা, প্ৰবীণ কুমাৰ (সম্পা) : দেব-দেৱী আৰু বাভা সমাজ, বদ্দাপাৰা, ১৯৮১
বাভা, প্ৰাণেশ্বৰ (সম্পা) : মায়াৰত্তী বিষহৰি, কাচাদল, গোৱালপাৰা, ১৯৮৭
লেখাক, উপেন্দ্ৰ চন্দ্ৰ (সম্পা) : কথা গুৰু চৰিত, নলবাৰী, ১৯৫২
শৰ্মা, দীনেশ্বৰ : মঙ্গলদৈৰ বুৰঞ্জী, ব্যাসপাৰা, ১৯৬১
শৰ্মা, নবীনচন্দ্ৰ : অসমৰ ওজাপালি, যোৰহাট, ১৯৯১
(—) [সম্পা] : সূৰ্য্যখড়ি দৈবজ্ঞ বিৰচিত 'দৰংগ ৰাজবংশাৱলী,' গুৱাহাটী, ১৯৭৩
(—) [সম্পা] : শংকৰদেৱৰ 'আদি দশম,' গুৱাহাটী, ১৯৮৯
(—) [সম্পা] : ডাক-প্ৰবচন, গুৱাহাটী, ১৯৮৭
শৰ্মা, বিজয় : দৰং জিলাৰ উৎসৱ-অনুষ্ঠানৰ অধ্যয়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ
শৰ্মাদলৈ, হৰিনাথ : অসমত শক্তি-সাধনা আৰু শাক্ত-সাহিত্য, বৰপেটা, ১৯৮৩
শৰ্মা বৰদলৈ, কীৰ্ত্তিনাথ : সুৰ-পৰিচয়, যোৰহাট, ১৯২৮
শৰ্মা, সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী, ১৯৮৪
(–) : পুৰণি সাহিত্য অধ্যয়ন, গুৱাহাটী, ১৯৮৮

বঙলা

আহমদ, খাঁ চৌধুৰী আমানত উল্লা : কোচ বিহাৰেৰ ইতিহাস, ১মখণ্ড, কলিকতা ১৯৩০
চক্ৰবৰ্ত্তী, হৰিপদ : দাসৰথি ও তাঁহাৰ পাঞ্চালী, কলিকতা, ১৩৬৭ সন
চট্টোপাধ্যায়, ভক্তিমাধব [সম্পা] : শূন্য-পুৰাণ, কলিকতা, ১৯৭৭
দাসগুপ্ত, টি. ছি : প্ৰাচীন বাংলা সাহিত্যেৰ ইতিহাস, কলিকতা বিশ্ববিদ্যালয়, ১৯৫১
বিপ্ৰদাস : মনসা-বিজয়, সুকুমাৰ সেন সম্পাদিত, কলিকতা, ১৯৫৩
ভট্টাচাৰ্য্য, আশুতোষ (সম্পা) : বাইশ কবিৰ মনসা-মঙ্গল, কলিকতা, ১৯৬২
(--) : বংগীয় লোক-সংগীত ৰত্নাকৰ, ৩য় খণ্ড, কলিকতা ১৯৭৭
(—) : বাংলা মংগল কাব্যেৰ ইতিহাস, কলিকতা, ১৯৫৮
ভট্টাচাৰ্য্য তাৰাপদ : বংগ সাহিত্যেৰ ইতিহাস, কলিকতা ১৯৭৭
ৰায়, নিখিল নাথ : মুৰ্শিদাবাদেৰ ইতিহাস, ১মখণ্ড, কলিকতা, ১৩০৯ সন
ৰায়, নিখিল ৰঞ্জন : বাংগালীৰ ইতিহাস, আদি পৰ্ব, ১৩৫৯ সন
সেন, কে এম্ : 'বাংলায় মনসা-পূজা' (প্ৰবাসী আষাঢ়), ১৩২৯

গ্ৰন্থপঞ্জী

অসমীয়া

কাকতি, বাণীকান্ত : পুৰণি কামৰূপৰ ধৰ্মৰধাৰা, গুৱাহাটী, ১৯৫৫

কুৰ্মী, সুশীল : চাহ বাগিচাৰ জীৱন আৰু সংস্কৃতি, যোৰহাট, ১৯ ১

গোস্বামী, হেমচন্দ্ৰ (সম্পা) : অসমীয়া সাহিত্যৰ চানেকি, কলিকতা বিশ্ববিদ্যালয় ১৯২৪

জয়ৰাম দাস : শীতলা, শম্ভুনাথ শৰ্মা সম্পাদিত মংগলদৈ, ১৮৯৬ শক

তালুকদাৰ, দৈৱচন্দ্ৰ (সম্পা) : সুকনানী-পদ্মাৱতী, গুৱাহাটী, ১৯৬৪

দত্ত, বীৰেন্দ্ৰ নাথ : গোৱালপাৰাৰ লোক সংস্কৃতি, ধুবুৰী, ১৯৮২

(—) [সম্পা] : গোৱালপৰীয়া লোকগীত সংগ্ৰহ, যোৰহাট, ১৯৭৪

দাস, ভবেশ চন্দ্ৰ (সম্পা) : গোৱালপৰীয়া লোকসংস্কৃতিত এভুমুকি, গুৱাহাটী, ১৯৮৮

দাস ভাবত চন্দ্ৰ : অসমীয়া সাহিত্য বুৰঞ্জী (মনসা-শাখা), গুৱাহাটী, ১৯৬১

নাথ, দ্বিজেন : 'গোৱালপৰীয়া সমাজত মাৰাই পূজা' (গোৱালপৰীয়া লোক সংস্কৃতিত এভুমকি, ভবেশ দাশ সম্পা) গুৱাহাটী, ১৯৮৮

নাৰ্জিনাৰী, ভবেন : বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, গুৱাহাটী, ১৯৭১

নেওগ ডিম্বেশ্বৰ : অসমীয়া সাহিত্যৰ বুৰঞ্জী, যোৰহাট, ১৯৫৭

নেওগ মহেশ্বৰ (সম্পা) : পীতাম্বৰ দ্বিজৰ 'উষা-পৰিণয় কাব্য', গুৱাহাটী ১৯৫৯

(–) [সম্পা] : দুৰ্গাবৰৰ গীতি-ৰামায়ণ, গোলাঘাট, ১৯৬২

(-) : অসমীয়া সাহিত্যৰ ৰূপৰেখা গুৱাহাটী, ১৯৭৪

বড়ো, মধু : 'বড়ো পদ্ধতিৰে মাৰৈ পূজা' (সোণালী জয়ন্তী উৎসৱ-স্মৃতি গ্ৰন্থ, গেৰুৱা, অনন্ত কুমাৰ শৰ্মা সম্পা) গেৰুৱা ১৯৯১

বৰুৱা, অতুল চন্দ্ৰ : মনসা-কাব্য আৰু ওজাপালি, মংগলদৈ, ১৯৭৪

বৰুৱা, গুণাভিৰাম : আসাম বুৰঞ্জী, গুৱাহাটী, ১৯৭২

বৰুৱা, বিৰিঞ্চি কুমাৰ আৰু সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পা) : মনসা-কাব্য, নলবাৰী, ১৯৫১

ৰাভা, মণি : সৰ্পদেৱতা' (দেৱ-দেৱী আৰু ৰাভা সমাজ, প্ৰবীণ কুমাৰ ৰাভা সম্পাদিত, ১৯৮১)

সেন, দীনেশচন্দ্ৰ : বংগ সাহিত্য পৰিচয়, ১ম খণ্ড, কলিকতা
বিশ্ববিদ্যালয়, ১৯১৪
সেন, সুকুমাৰ : বাংলা সাহিত্যৰ ইতিহাস, ১মখণ্ড, কলিকতা, ১৯৪৮

সংস্কৃত

অথৰ্ববেদ, পণ্ডিত, এচ, পি (সম্পা), বোম্বাই, ১৮৯৫
আশ্বলায়ন গৃহ্যসূত্ৰ, (গৃহ্যসূত্ৰ), মেক্সমূলাৰ সম্পাদিত, অক্সফৰ্ড, ১৮৮৩
ঋগ্বেদ, মেক্সমূলাৰ সম্পাদিত, লণ্ডন, ১৮৫৪-৭৯
কালিকা-পুৰাণ, পঞ্চানন তৰ্কৰত্ন সম্পাদিত, কলিকতা, ১৩৮৯ সন
গঙ্গাজলম্, দামোদৰ মিশ্ৰকৃত তথা ৰমানাথ গোস্বামী সম্পাদিত
লোকোচা ১৩৪৩ সন
তৈত্তিৰীয় ব্ৰাহ্মণ, নাৰায়ণ শাস্ত্ৰী সম্পাদিত, পুনা, ৮৯৮
দেৱী ভাগৱত, পঞ্চানন তৰ্কৰত্ন সম্পাদিত, কলিকতা, ১৩৮৮ সাল
নাট্যশাস্ত্ৰ, আৰ এচ নাগৰ সম্পাদিত, দিল্লী, ১৯৮৪
পুৰোহিত দৰ্পণ, সুৰেন্দ্ৰ মোহন ভট্টাচাৰ্য্য সংকলিত, কলিকতা, ১৩৯৩ সাল
বাজসনেয় সংহিত, ওয়েবাৰ সম্পাদিত লণ্ডন, ৮৪৯
বিষ্ণু-পুৰাণ, গীতা প্ৰেছ, গোৰখপুৰ, ২০২৬ বিক্ৰম
বৃহদ্ধৰ্ম-পুৰাণ, পঞ্চানন তৰ্কৰত্ন সম্পাদিত, কলিকতা
বৌধায়ন গৃহ্যসূত্ৰ, মেক্সমূলাৰ সম্পাদিত, অক্সফৰ্ড, ১৮৮৬
ব্ৰহ্ম বৈৱৰ্ত্ত-পুৰাণ, জীৱন ভট্টাচাৰ্য্য ন্যায়তীৰ্থ সম্পাদিত, (আয্যশাস্ত্ৰ)
কলিকতা ১৩৯০ সাল
ভাগৱত-পুৰাণ, পাণ্ডেয় ৰামতেজ শাস্ত্ৰী সম্পাদিত, বাৰানসী ২০১৮ বিক্ৰম
মহাভাৰত, গীতাপ্ৰেছ, গোৰখপুৰ, ২০৩০ বিক্ৰম
মাৰ্কণ্ডেয়-পুৰাণ, পঞ্চানন তৰ্কৰত্ন সম্পাদিত, কলিকতা ১৩৯০ সাল
মৈত্ৰায়ণী সংহিতা, যোগেন্দ্ৰ নাথ বাগচী, কলিকতা
শ্ৰীশ্ৰীচণ্ডী, স্বামী জগদীশ্বৰানন্দ (সম্পা), কলিকতা, ১৯৭২
সংগীত ৰত্নাকৰ এচ সুব্ৰহ্মণ্য শাস্ত্ৰী সম্পাদিত মাদ্ৰাজ, ১৯৪৩
সাধনমালা, বি. ভট্টাচাৰ্য্য সম্পাদিত, ১মখণ্ড, বৰোদা, ১৯২৫

ইংরাজী

Apte, V. M. : *Social and Religious Life in the Gṛhya-sūtras*, Bombay, 1954

Barua, B. K. : *A Cultural History of Assam*, Gauhati, 1969

Bascom, Wiliam R : *Contributions to Folkloristics*, Meerut, 1981

Benthall, A. P. : *The Trees of Calcutta and Its Neighbourhood*, Calcutta, 1933

Bhandarkar, R. G. : *Vaiṣṇavism, Saivism and Minor Religious-Systems*, Varanasi, 1965

Bhattacharyya, A. : *The Sun and the Serpentlore of Bengal*, Calcutta, 1977

Bhattasali, N. K. : *Iconography of Buddhist and Brahmancial Sculptures in the Dacca Museum*, Dacca, 1929

Boas, Franz : *Race, Language and Culture*, New York, 1940

Brinton, Daniel G. : *Religions of Primitive Peoples*, New York, 1987

Buhler, J. G. : *On the Indian Sect of the Jainas*, London, 1903

Campbell, J. (ed.), *Myths and Symbols in Indian Art and Civilization*, Delhi, 1990

Choudhury, N. Deva. :' 'Serpent Worship and Manasā Icons in Assam" in *Aspects of History and Calture*, ed. R. D. Choudhury, *et-al*, Delhi, 1991

Coffin, Tristram Potter (ed.) : *American Folklore*, Washington, 1968

Crooke, W. : *Natives of Northern India*, London, 1907

(—) : "Serpent-worship (Indian)" in *Encyclopaedia of Religion and Ethics*, ed. J Hastings

(—) : *The Popular Religion and Folklore of Northern India*, Delhi. 1978

Dasgupta : *Obsecure Religious Cults*, Calcutta, 1976

Datta, B. : *A Study of the Folkculture of the Goalpara District of Assam*, unpublished Ph. D Thesis, submitted to G.U., 1970

Datta, K. N. (ed.) : *Aspects of the Heritage of Assam*. Gauhati, 1959

Dorson, Richard M. (ed.) : *Folklore and Folklife An Introduction*, Chicago, 1972

Elliot Smith, G. : *The Migrations of Early Culture*, Manchester, 1916

(—) : *The Influence of Ancient Egyptian Civilization in the East and in America*, London, 1916

Endle, Sidney : *The Kacharis*, Delhi, 1975

Fergusson, J. : *Tree and Serpent Worship*, London, 1873

Gait, Edward : *A History of Assam*, Calcutta, 1967

Gatwood, Lynn E. : *Devī and the Spouse Goddess*, Delhi, 1985

Goswami, H. : *Descriptive Catalogue of Assamese Manuscripts*, University of Calcutta, 1930

Goswami, M. C. : 'An Annual Shamanistic Dance' in *Journal of the University of Gauhati*, Vol. XI, Science, ed. M. Neog, Gauhati, 1960

Grierson, G. A : *Bihar Peasant Life*, Calcutta, 1885

Haddon. A. C. : *The Wonderings of Peoples*, Cambridge, 1911

Handoo, J. : *Current Trends in Folklore*, University of Mysore, 1978

Hastings, J. (ed.) : *Encyclopaedia of Religion and Ethics*, Vol. Xi, New York, 1974

Helm, June (ed.) : *Symposium On New Approaches to the Study of Religion*, University of Washington, 1964

Hodson T. C. : *The Meitheis*, Delhi, 1975

Hopkins E. W. : *The History of Religions*, New York, 1918

Hyman, Stanley Edgar : "The Ritual view of Myth and the Mythic" in *Myth : A Symposium*, ed. Thomas Sebeok, Indiana University Press, 1958

James E. O. : *The Concept of Deity* London, 1950

Kakati, Banikanta (ed.) : *Aspects of Early Assamese Literature*, Gauhati University, 1953

Kane P. V. : *History of Dharma Śāstra*, Vol. V, Poona, 1958

Karim A. : *Social History of the Muslims in Bengal*, Dacca, 1959

Karmarkar A. P. : *The Religions of India*, Vol. I, India, 1950

Keith, A. B. : *The Religion and Philosophy of the Vedas and the Upanisads*, Harvard Oriental Series, Vol. 31., 1925

Kinsley, D : *Hindu Goddesses*, Delhi, 1987

Kirti Singh, M. : "Shakta Worship in Manipur', unpublished article

Leach, M (ed.) : *Standard Dictionary of Foktore, Mythology, And Legend*, New York, 1972

Lubbock, J. : *The Origin of Civilisation and the Primitive Condition of Men*, London, 1889

Macdonell A. A : *Vedic Mythology*, Delhi, 1981

Macfie, J. M. : *Myths and Legends of India*, Edinburgh, 1924

Maity, P. K. : *Historical Studies in the Cult af Goddess Manasā, Calcutta*, 1966

Malefijt, A. De. Waal : *Religion and Culture*, London, 1969

Malinowski, B : *Myth in Primitive Psychology*, New York, 1926

Marshall, J. : *Mahenjo-Daro and the Iudus Civilization*, Vol. II, London, 1931

Muir, J. : *Original Sanskrit Texts,* (Eng. Tr. 5 Vols) Vol. IV, London, 1968-73

Neog, Maheswar : 'Assamese Literature Before 'Śaṅkaradeva' in *Aspects of Early Assamese Literature,* ed. B. Kakati, Gauhati University, 1953

(—) : *Śankaradeva and His Times,* Gauhati University, 1965

Ohmann, Richard M. : "Modes of Order" in *Linguistics and Literary Style,* ed. Freeman, New York, 1970

Oldham, C. F. : The *Sun and the Serpent,* London, 1905

Prajnanananda, Swami : *A Historical Study of Indian Music,* New Delhi, 1981

Raglan, F. R. R. Somerset : 'Myth and Ritual' in *Myth : A Symposium,* ed. Thomas Sebeok, Indiana University Press, 1958

Rapson, E. J. : *The Cambridge History of India,* Vol. I, Cambridge, 1922

Sarma, Satyendranath : *Epics and Purāṇas in Early Assamese Literature,* Gauhati, 1972,

Sebeok, Thomas (ed) : *Myth : A Symposium,* Indiana University Press, 1958

Sen, Dineshchandra : *History of Bengali Language and Literature,* University of Calcutta, 1911

(—) : *Eastern Bengal Ballads,* University of Calcutta, 1926

Sen, Sukumar : "A Note on the Etymology of Certain words in Connection with Manasā Worship" in *Journal of the University of Gauhati,* Vol. XI, Science, ed. M. Neog, Gauhati, 1960

(—) : *A History of Bengali Literature,* New Delhi, 1960

Smith, R. J. : "Festivals and Celebrations' in *Folklore and Folklife An Introduction*, ed. R M. Dorson, Chicago, 1972

Smith, V. A. : *History of Fine Art in India and Ceylon*, Oxford, 1911

Spencer, H, : *Principles of Sociology*, Vol. I., London, 1885

Spiro, Melford : "Religion and the Irrational" in *Symposium on New-Approaches to the Study of Religion*, ed. June Helm, University of Washingtion, 1964

Thurston, E. : *Castes and Tribes of Southern India*, Vol. II, Madras, 1909

Utley, Francis Lee : "A Definition of Folklore" in *American Folklore*, ed. T. P. Coffin, Washington, 1968

Voegelia, E. W. : 'Myth' in *Standard Dictionary of Folklore*, New York, 1972

Vogel, J. Ph. : *Indian Serpent Lore*, Delhi, 1972

Wave, G S. : *Serpent Worship and Other Essays*, London, 1888

Whitehead, H : *Village Gods of South India*, Delhi, 1976

Wilkins, W. J. : *Modern Hinduism*, London, 1887

Williams, M. M. : *Religious Thought and Life in India*, London, 1887

Zimmer, H. : "The Goddess" in *Myths and Symbols in Indian Art and Civilization*, ed Joseph, Delhi, 1990

Journals

Census of India, 1911, iii, Assam, pt. i

Journal of the Asiatic Society of Bengal, No. 28

Journal of the University of Gauhati, Vol XI, Science, 1960

অপ্ৰকাশিত পুথি

অশ্বমেধ পৰ্ব, গংগা দাস বিৰচিত, দৰঙৰ পাখীৰ খোৱা ৰাজা হাউলীৰ কুমাৰ হৰেন্দ্ৰ নাৰায়ণৰদ্বাৰা সংৰক্ষিত

(ক) পদ্মা-পুৰাণ (সুকবি নাৰায়ণদেৱ কৃত): গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ, ক্ৰমাংক ২৭৮৮খ.

(খ) (—) : শ্ৰীধাতুৰাম চহৰীয়াৰদ্বাৰা সংৰক্ষিত (জলজলি, দৰং)

(গ) (–) : ৺কবিচন্দ্ৰ গোস্বামীৰদ্বাৰা সংৰক্ষিত (হৰিপুৰ, দৰং)

(ঘ) (—) : ৺ভদ্ৰকান্ত শৰ্মাৰ দ্বাৰা সংৰক্ষিত (বলদেৱপাৰা, দৰং)

(ঙ) (—) : শ্ৰীৰমণীকান্ত শৰ্মাৰদ্বাৰা সংৰক্ষিত (হাজৰিকাপাৰা, দৰং)

পদ্মা-পুৰাণ, পূজাখণ্ড (ক) ৺ চিন্তাৰাম ওজাৰদ্বাৰা সংৰক্ষিত, দৰং
(খ) ৺ ফটিক চন্দ্ৰ ওজা, পিঠাখোৱাপাৰা দৰং

মনসা-পূজাৰ পদ, ৺ ভদ্ৰকান্ত শৰ্মাৰদ্বাৰা সংৰক্ষিত, বলদেৱপাৰা, দৰং

মনসা-পূজাৰবিধি (সংস্কৃত) ৺ ইন্দ্ৰ নাথ শৰ্মাৰ (হাজৰিকাপাৰা, দৰং) ঘৰত সংৰক্ষিত।

সংবাদদাতা/দাত্ৰী

১.	শ্ৰীপ্ৰাণেশ্বৰ নাথ,	বাটাগুচি, ছয়গাঁও, কামৰূপ
২.	শ্ৰীপ্ৰবীণ ৰাজবংশী,	শিলগুৰি, বামুন্দী, কামৰূপ
৩.	বৰওজা শ্ৰীথানুৰাম কলিতা,	পিঠাখোৱাপাৰা, দৰং
৪.	মঃ জাহিৰুলহক,	সনিয়াদি গাঁও, কামৰূপ
৫.	শ্ৰীমধু বড়ো,	অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী
৬.	শ্ৰীধ্ৰুবৰাং হাজং,	বকো, কামৰূপ
৭.	শ্ৰীমতী ৰোহিনী সিংহ,	ইম্ফল
৮.	শ্ৰীবিজয় শৰ্মা,	চপাই, দৰং
৯.	শ্ৰীমনিয়া বড়ো,	টেপাখাট, দৰং
১০.	শ্ৰীদুখুৰাম বাস্তা,	বালিপাৰা, দৰং

১১. শ্রীনাৰায়ণ দাস,	অধ্যাপক, প্ৰাগজ্যোতিষ কলেজ, গুৱাহাটী
১২. শ্রীনৃপেন দাস,	বিজুলীঘাট, কামৰূপ
১৩. শ্রীনৰেন ডেকা,	জাহা, নলবাৰী
১৪. শ্রীৰাঘৱ শৰ্মা,	মাধৱপুৰ, নলবাৰী
১৫. শ্রীশৰত চন্দ্ৰ শৰ্মা,	গেৰুৱা, কামৰূপ
১৬. শ্রীৰাধামোহন হাজং,	বকো, কামৰূপ
১৭. শ্রীমতী বেহুলা হাজং,	ধূপধৰা, কামৰূপ
১৮ শ্রীজয়দেৱ শৰ্মা,	কামাখ্যাধাম, কামৰূপ
১৯. শ্রীগুঞ্জন বড়ো,	বামুনী গাঁও, দক্ষিণ কামৰূপ
২০. শ্রীদোকানো ৰাভা ওঝা,	লাম গাঁও, বামুণীগাঁও, দক্ষিণ. কামৰূপ.
২১. শ্রীসুহাগমণি বৰ্মণ,	চিলচৰ
২২ শ্রীমুক্তা ৰাম বৰুৱা,	ৰয়নাকুছি, দৰং
২৩ শ্রীঅনন্ত কুমাৰ শৰ্মা,	গেৰুৱা, কামৰূপ
২৪ শ্রীখেলৰাম ৰাভা ওজা,	বামুণী গাঁও, বকো, দক্ষিণ কামৰূপ
২৫ শ্রীফুকন ৰাভা ওজা,	বাকৃৰাপাৰা, বকো, দক্ষিণ কামৰূপ
২৬ শ্রীৰাধা মোহন হাজং,	ধূপধৰা, দক্ষিণ কামৰূপ
২৭. শ্রীৰমেশ শৰ্মা গীতাল,	বামুণ গুৱালকুছি
২৮. শ্রীযমুনা মাল্লাকাৰ,	গুৱাহাটী বিশ্ববিদ্যালয়
২৯. শ্রীঅম্বিকাপদ চৌধুৰী,	বেজকুছি, পাটাছাৰকুছি, পাঠশালা
৩০. শ্রীগুৰুপদ চৌধুৰী,	বেজকুছি, পাটাছাৰকুছি, পাঠশালা

নিৰ্ঘণ্ট

অংকম্ম ৩৬৪
অজগৰ ৩৩৬
অজাঙ্কৰ ৩০৩
অথৰ্ববেদ ২৬০,-৭১,-৭৮,-৭৭
অদ্ভুত ৰামায়ণ ৩৫৫
অনন্ত কন্দলী ৩৩৫
—নাগ ২৬২
অনাদি গোহাঁই ২৬৯,-৯৩
অম্বৰক ৩৬৪
অৰায়ী ২৭৬
অৰুণ ২৬১
অশ্বমেধ পৰ্ব ৩৬০,-৮২,-৮৮
অশ্বিন ২৬৫
অষ্টকাশীতলা ২৯৪
— নাগ ৩২৯,-৩০,-৩২
অসিত ২৬০
অহি ২৫৮, ৫৯
অহিৰবুধ্ন্য ২৫৯
আৰায়ী ২৬১
আৰ্য্য ২৫৯,-৬০,-৬১
আলেকজেণ্ডাৰ ২৭৪,-৬৩
আশুতোষ ভট্টাচাৰ্য্য ৩৫৪,-৯৪, ৪০৩
আসুৰিক পূজা ৩৩৩
আস্তিক ২৭৪, ৩০০
—মাতা, ২৬২,-৭১,-৭৫,-৮২
—মুনি ২৬২,-৭৫
ইউ-থেন্ন পূজা ২৫৫
ইছলাম ধৰ্ম ৩০৪
ইন্দ্ৰ ২৫৮,-৫৯,-৬১,-৬২,-৮৬, ৪১১
ইলিয়ট স্মিথ ২৪৫
ইহুদীয় খৃষ্টান ২৪৭
উইলিয়াম ক্ৰুক ২৪৬
উপাসনা ৩২৩, ২৬০
উৰুগলা ২৭৬,-৭৭
উৰ্বৰতা ২৫৩,-৫৪
উষা ২৬৫
—অনিৰুদ্ধ ২৮৮
- পৰিণয় কাব্য ৩৫৫,-৫৮,-৬০
ঋগ্বেদ ২৫৮,-৫৯,-৬৭,-৬৮,-৭৬,-৮৮
এচ্, কে সৰস্বতী ৩২০
এঙ্গেল ২৫৩
এৰমিনি ডব্লিউ ৰোজেলিন ৩৪১
ওজা ৩৩৩,-৪৭,-৫৮,-৫৯
—পালি ৩০২,-০৬,-২৫,-২৬,-২৮-৩৮,-৫৭,-৩০,-৩৫,-৬৭,-৬৮,-৭৬, ৪০২,-৪২,-৫৯
কছাৰী-পূজা ৩৩৭
কথক ৩৫৫
কদ্ৰু ২৬১,-৬২
কমলা ২৮২
—দেৱী ২৭০
কম্বোজকন্যা ২৬৫
কশ্যপ ২৬১,-৬৮-৭০,-৭৪
কড়ৰা ৩১৪,-৪০
কানী ২৭৫,-৭৬
—বিষহৰী ৩১৩
কামানি ৩১৩
কালি নাগ ২৮৭
কালিকা-পুৰাণ ৩৪৯,-৭২, ৪১১
কালিৰাম মেধি ৩৭১,-৭২,-৯৮
কাশীদাসী মহাভাৰত ৩৫৪
কাশীৰাম দাস ৩৫২
কাহিনীমূলক গীত ৩৪৩,-৪৪,-৬০
কিৰাত বালিকা ২৭৬
কীৰ্ত্তনীয়া ওজাপালি ৩৫৭
কুমাৰী পূজা ৩১২
কুক্কুল্লা ২৭৭
কুলচিহ্ন ২৪৫,-৪২,-৪৮

কৃপান অনুষ্ঠান ৩৩৮
কৃত্তিবাসী রামায়ণ ৩৫৪
কেতকাদাস ক্ষেমানন্দ ৩৬৯
কোঁচ ২৬৫, ৩০৮
—নৃপতি ৩০৮
কৌলিক দেবতা ২৫৬
কৌশিক সূত্র ২৬৮
ক্রুক চাহাব ২৪৭
খাঁ চৌধুরী আমানত উল্লা আহম্মদ ৩৭৪
খাড়িয়া ৩০৭,-১৪
গংগা ২৮৬,-৯১,-৯৩, ৩৩০
—দাস ৩৬০,-৮৭,-৮৮
গঙ্গাজলম্ ৩০৮
গজ বাহিনী ২৭০
—লক্ষ্মী ২৭০
গরখীয়া মারৈ ২৬১,-৬২
গায়ক ৩৪৭, ৬৭,-৬৮, ৪৪১
গায়ন ৩৫৯
গায়েন ৩৬৭,-৬৮
গারো ৩০৭,-১৪
গীত-গায়া ৩৩৩
গীত-পদ ৩২৬,-২৯,-৩১-৩৫
গীত-বাদ্য ৩৩২
—-নৃত্য ৩২৪, ২৫, ৩৩
গীতাল ৩৬৭,-৬৭,-৭৬, ৪৪১
গীতালু গান ৩৩৭
—গীত ৩৪০
গীতি রামায়ণ ৩৫৫, ৫৭,-৫৯,-৭৯,-৮১,
-৮২,-৮৪
গীদাল ৩৬৭
গুণ-কথা ৩৪১,-৪৬
—কীর্ত্তন ৩৪৬
গুণিন ৩৬৭
গৃহদেবতা ২৫৪,-৫৫, ৩৩৬
—পতি ২৬১
গৃহসূত্র ২৬১,-৬৩
গেইট ৩৭৩
গোটাবং ৩১৫
—পূজা ৩২৭
গোসাঁনী সেবা ৩১৫
গ্রাম দেবতা ৩৩০
গ্রাম্য দেবতা ২৫৫,-৬৬
—দেবী ২৫৫,-৬৬,-৮১, ৩৫৪
ঘটস্থাপন ৩১৪
ঘোঁরা ৩৩৯
চণ্ডিকা ২৫১,-৮৬,-৯১, ৩৩০, ৪২০
—দেবী ৩৫০
চণ্ডী ২৭৬,-৭৮,-৮৭,-৯১-৯৩,-৯৯, ৩৭৭
চতুর্ভুজ ঠাকুর ৩৫৮
চন্দ্র ৩৩০
—গোমিন ২৬৭
—ধর ২৮৭-৯৪,-৯৮,-৯৯, ৩২৩, ৬৫,-
৬৬, ৮৪, ৪০৭,-২০,-৩০
—সূর্য্য ৩৩০
চয়তান ২৪৭
চান্দো ২৮৭,-৮৮, ৩৮০,-৮৬
—সদাগর ২৯৮, ৩৬১, ৬২,-৬৫,-৭৭
চামুণ্ডা ২৫০, ৩৩৭
চাহ জনজাতি ৩৩৮
চৈতন্যদের ৩৯৭
জকী ৩৩৯
জগজ্জীবন ২৭০
—ঘোষাল ৩৬৯,-৮৯
জগত গৌরী ২৭১,-৭৪,-৭৭
জগতী ২৭৭
জগন্নাথ ৩৩০
জগোরা কৃত্য ৩২৫
জনজাতীয় পদ্ধতি ৩২৪,-৩৪, ৪৬০
জনশ্রুতি ২৪৫,-৫১, ৩৪২,-৪৩, ৪০৩
জনার্দন হরি ৩২২
জন্মেজয় ২৬২, ৭৫,-৮২
জয়ন্তীয়া ৩১৪

জয়ৰামদাস ৩৬০
জৰৎকাৰু ২৭১,-৭২,-৭৪-৮৩,-৮৫,-৮৭, ৩১০
—পত্নী ২৭৪
—প্ৰিয়া ২৭১
—মুনি ২৭৩
জল ২৫০
—কোঁৱৰ ৩৩০
—দেৱতা ১৫০,-৫৩,-৫৬, ৩৩১
—বুকুৱা পদ ৩৩১
—ধৰ্মমত ২৭১
জল্পেশ্বৰ (ৰাজা) ৩৭২
জাগুলী ২৭৬
জাঙ্গুলিক ২৭৬
জাঙ্গিড ২৭৭
জাঙ্গুলিক ২৭৭
জাঙ্গুলী ২৫১,-৬৫,-৭৬
—বিদ্যা ২৭৭
জীবন মৈত্ৰ ৩৬৯
জৈন ২৪৭,-৫১
—সাহিত্য ২৭০
ঝানপান ৩৪১
ঝাপান ৩৪০
ঝুপান ৩১৪-৪০
টেপাৰি ৩১৩
ঠাকুৰ চৰিত ৩৫৮
ডিম্বেশ্বৰ নেওগ ৩১৪,-৯৭
ডুমাৰু ৩১৩
ঢুলীয়া ৩০৯,-২৬,-৩১-৩৫
ঢোল ৩২৬,-৩৮
—তাল ৩২৫
তন্ত্ৰ-মন্ত্ৰ-যন্ত্ৰ ৩৩৩
তক্ষক ২৬২
তান্ত্ৰিক ২৪৮
—বৌদ্ধ পৰম্পৰা ২৭৭
—ব্ৰাহ্মণ্য ধৰ্ম ২৭৮
—মহাযান ধৰ্মপন্থ ২৭৮
তাৰা ২৭৮
তাল ৩২৬,-৩৮
তীৰ্থাংকৰ ২৫১
তুত্তাৰা ২৭৮
তোতলা ২৭৭,-৭৮
ত্বাৰিতা ২৭৮
থানোৱাল ৩৩০
দখনী ৩৩৮,-৪০
দধানী ৩৩৫
দৰংগ ৰাজ বংশাৱলী ৩৭৩
দক্ষিণাচাৰ ৩০০
দাসৰথি ও তাহাৰ পাঞ্চালী ৩১৯
দাসৰথি বসু ৩৫৩
দীন দ্বিজবৰ ৩৬১
দীনেশচন্দ্ৰ সেন ৩৫২,-৬৩,-৬৬,-৯৫
দীনেশ্বৰ শৰ্মা ৩৯০,-৯৭
দুৰ্গা ২৫০,-৭০, ৩৩০
—পূজা ৩৩২,-৪০
দুৰ্গাবৰ কায়স্থ ২৭৯, ৩০৫,-২১,-৪৭-৪৯,-৫৫,-৫৭,-৬১,-৬৮,-৭৩,-৭৫ ৭৯ ৮৯, ৯৭,
দুৰ্গাৱৰী ৩৫৮,-৬৮, ৪৬১
-ওজাপালি ৩৫৮,-৮১
দেউৰী ৩৩৪-৩৮
দেউলা ৩৪০
দেওধনী ৩০৪,-৩১,-৩৭-৪০, ৪১০
দেওধা ৩০৫,-০৮,-২৬,-৩১,-৩২, ৪০৩
দেধানা ৩৩৫
দেবধ্বনি উৎসব ৩৩৯,-৪০
দেৱী পুৰাণ ৩২২,-২৪
—ভাগৱত ২৬৮-৭৪,-৮৩, ৩২৪, ৪১১
—মাহাত্ম্য ৪২৬
দৈৱচন্দ্ৰ তালুকদাৰ ৩৬৯,-৯৫,-৯৭
দ্বিজ বংশীদাস ৩৬৯
ধন্বন্তৰি ২৪৮,-৮৭,-৮৮,-৯২, ৪০৬

ধৰনেন্দ্ৰ ২৫১
ধৰ্ম ২৬০
—ঠাকুৰ ২৮৬
—দেৱতা ২৭০, ৭১, ৮৬, ৮৯, ৯১, ৩২৭ -৩০
-- নাৰায়ণ (নৃপতি) ৩৬৮,-৯৫,-৯৭
—মংগল কাব্য ২৮৯
—শাস্ত্ৰ ২৬০,-২৩, ৪১১
ধৰ্মানন্দ ভাৰতী ৩৫২
ধৰ্মীয় কৃত্য ৩৩৯,-৪১,-৪৪ -৪৬, -৬৭
ধুমচা ৩৩৮
নক্তী ২৬৫
নৰনাৰায়ণ (নৃপতি) ৩০৮
নৰবলি ২৬৩
নাংগছা ২৫৬
নাগ ২৫০ -৫৪, -৫৭, -৫৮
—কন্যা ২৭২, -৭৩, -৮১
—দেৱতা ২৫৬, -৫৭
—দেৱী ২৭৯
—নাগিনী ২৯৩
— পঞ্চমী ২৫৫, -৬১, ৩১৪, -২১, -২২
—পূজা ২৫৫
—ভগিনী ২৭১,-৭৫
—ভূষণ ২৪৮
—মাতা ২৮১, -৮২
—মূৰ্তিৰ পূজা ২৬৩, -৬৪
—লক্ষ্মী ২৭০
—লীলা ২৫৯
নাগম্মা ২৬৭, -৮০
নাগাক্ষ যুদ্ধ ৩৫৫
নাগেন্দ্ৰ বাহিনী মনসা ৩০৯
নাগেশ্বৰ ২৪৮
নাগেশ্বৰী ২৭২, -৭৫
নাট্যশাস্ত্ৰ ৩৫২ -৫৭
নাৰায়ণ ২৮২, ৩২৭, -৩০
—দেৱ ২৬৯,-৭৮, -৮০, -৮৩, -৯৫,-৯৬ ৩০৫,-৪৮,-৫৫, -৬৫, -৭৭, -৭৮, ৮২, -৮৪ -৪০৩, -৩৩, -৩৫, -৩৮ -৪৫ -৫৫, -৫৮
নাৰায়ণী ২৮২
নাৰীব্ৰত ৩২৪
নিঋ্ৰতি ২৬৫
নিৰ্মাণি ২৬৯
নীলধ্বজ (নৃপতি) ৩৭২
নীলাম্বৰ (নৃপতি) ৩৭১
নৃত্য ৩৬৭
— অভিনয় ৩৬৭
নেতা ২৬৭, ৩০১,-৩১
নৈদানিক গীত ৩৩১,-৭৮
নৌকা পূজা ৩১৪
পঞ্চতী আৰতী ৩৩৮
পঞ্চদেৱতা ৩৭৫
পণ্ডিত নৰহৰি চক্ৰবৰ্তী ৩৫৩
পণ্ডিত হৰেকৃষ্ণ মুখোপাধ্যায় ৩৫৩,-৫৪
পত্নীদেৱী ২৬৭
পদাৱলী ২৮০
পদুমাইৰ গীত ৩৭০
পদোমাই ২৭৯
পদ্দা ৩১৩
পদ্মা ২৬৪,-৮৬ -৭১,-৮২,-৮৫,-৮৬,-৯২, ৩০১,-১৩
— দেৱী ২৭., ৩০৪,-৩৮
-- পুৰাণ ২৮৯,-৭২,-৭৪,-৮৩,-৮৬,-৩১৮ -২১,-৩২,-৩৩,-৩ ,-৪৭, -৫৫, -৬৭, -৬৬,-৮৮,-৭০,-৭৭,-৮৫,-৯৪,-৯৮,- ৯৯,৪০২ -০৩,-০৯,-১১– ১৪,-৩০- ৩৩,-৩৯,-৪১,-৬৩,-৩৩,-৫৩
—পূজা ৩১৬
পদ্মাৰতী ২৫১,-৭০,-৭৯,৪১৭
—গীত ৩৭০
—পূজা ২৭১
পৰিৱেশ্যকলা ৩৩৯,-৫৯

পরীক্ষিত ২৬১
পাখণ্ড্রা ২৫৬
পাঁচালী ৩২৩,-২৪,-৪৬,-৪৯,-৫১,-৫২
—গীত ৩৩৪,-৫৮
—সাহিত্য ৩১৯,-৬০
পাঞ্চালিকা ৩৪৯
—বিহার ৩৫০
পাঞ্চালী ৩৪৮,-৪৯-৫২-৫৫
—আবৃত্তি ৩৪৬
—ওস্তাপালি ৩৫৭ ৫৯
—গায়ন-বায়ন ৩৫৯
—গীত ৩৪১,-৫০,-৫৬,-৭০
সংগীত ৩৪৮,-৫১-৫৩-৫৭,-৮২,৪১২
—সাহিত্য ৩৪৭,৪৬০
পাট (মঞ্জু) ৩১৩
পাতিরাভা ২৬৯,-৭৯,-৮০,৩১১,-১৩,-১৮,-২৪,-৩৮,-৪৭,-৮৯,-৯৮,৪৬০
পার্বতী ৩১৬,-৭৭
পার্শ্বনাথ ২৫১
পালি ৩২৬,-৩৩,-৪৭
পি বি কানে ৩২৩
পীতাম্বর দ্বিজ ৩৪৮,-৪৯,-৫৫,-৫৮,-৬০
পুতলা ৩৪৯
—নাচ ৩৫০
—বিয়া ৩৫০
পুরাণ ২৪৫,৩২৩-৫৯,-৯৮-৪০০,-৩২
—কথা ২৪২,-৪৯,-৫১,-৬১,-৬২,-৬৯,-৭০,-৭৮,৩৪১,-৪৭,-৬০,-৬৭, ৪০৩
—কথাবৃত্ত ২৫১,৩৪৫,-৪৬
পেটারি ৩১৩
পোঞা ৩৭৯
পৌম্যবঙ্গ ২৭০
—চরিত্র ২৭১
পৌরাণিক ২৮৮,৩৩০
—কথাবৃত্ত ২৯৩
—দেবতা ২৮৯
—পদ্ধতি ৩২০,-২১
—পরম্পরা ২৮৮
প্রজাপতি ২৬১
—কশ্যপ ২৬১-৭২
ব্রহ্মা ২৬১,-৭৮
প্রত্যবরোহণ ২৬১
প্রদ্যোৎকান্তি মাইটি ৩৫৬
প্রাণেশ্বর রাভা ৩৫৭-৬০,-৬০,-৮৯
ফাগুন ২৪৩,-৫১
ফুল-পূজা ৩০৫
—মাঝে ৩১৩,-১৬
ফ্রয়েড ৩৪৪
বংশীদাস ৩৬৯
বধকাব্য ৩৫৫
বন্দনা-গীত ৩৩০
বরমানী ২৭৯, ৩০৯,-১৩,-১৮
—পূজা ৩১৯,-৮৯
বরো ২৫৩,-৬৫,৩৩৪,-৩৬,-৩৭,৪৬০
—কছারী ২৫৩,-৩১১,-১২,-১৬
বলদের-পূজা ২৪৯
বসিহরণকৃত্য ২৬৩
বসন্তদেবী ২৯৪
বসুমতী ৩৩০
বাইথ দেবতা ৩৪৫
বাথোদেবতা ২৫৩
—বুঢ়া ৩১৬
বুঢ়ী ৩১৬
বামাচার মার্গ ৩১০
বালন্দা ২৬৭
বাল্মীকি ৩৬৮
বাসুকি ২৪৮,-৫৫,-৬১,-৬৩,-৬৯,-৭৩,৩০০
বাসুকী ২৫৫
বাঁহ-পূজা ৩১৬
—বিয়া ৩১৬
বাহুবল শিকদার ৩৮০

বাহুৰা (বাহুড়া) ২৭৯,-৮০
বিজয়গুপ্ত ২৯৬, ৩৬৯
বিদ্যাধৰ ৩৩০
বিদ্যানন্দ ৩৫৮
বিদ্যাৱতী ২৮০
বিধু-বদনী ২৮৩
বিধুৰা ২৭৯,-৮০
বিনতা ৩৬১,-৬২
বিপ্ৰজানকী নাথ ৩২৬
বিপ্ৰদাস ২৭৬,-৭৭,-৮৯,-৯৫, ৩৬৯
বিপ্ৰৰঘুনাথ ৩২৬
বিৰিঞ্চি কুমাৰ বৰুৱা ৩০২,-১৭,-৭৬
বিশ্বসিংহ ৩০৮,-৭২-৭৪,-৭৯,-৯৭
বিশ্বেশ্বৰদ্বিজ ৩৬০
বিষবৈদ্য ২৭৭
বিষয় বিশ্বাসী ৩৮০
বিষহৰী ২৬৪,-৭১,-৭২,-৭৬,-৯৬,৩১১-১৩,-১৭,-১৮, ৩৩,-৬০, ৬১,-৯৮
- পাঁচ'লী ৩৫৯
—পূজা ৩১৫,-১৬
বিষ্ণু ২৫৭-৪৯,-৬৬,-৭৪,৩২৭,-২৮,-৩১
—পাল ৩৬৯
—পুৰাণ ৪.০
বুদ্ধদেৱ ২৫০, ৩৭৫
বুঢ়াগোসাঁই ৩৩০
বৃহদ্ধৰ্ম-পুৰাণ ৩৫০
বেউলা ২০০,-৯১,-৯৩, ৩৬৩,-৮০ ৪১৬
- লখিন্দৰ ২৯৯, ৩৬১,-৬৩,-৬৫,-৭৭
বেণুধৰ ৰাজখোৱা ৩৮৭,-৮৮
বেদ ২৫৯
বেলেড ৩৪৩ -৪৪, -৬০
বেহুলা ২৭৯, ৩৬২
—কথা ৩৬৮
—কা কথা ৩৬৮
— — গীত ৩৬৮
—বিষহৰী ৩৬৮
বেহুলী ২৭৯
বৈদিক ২৪৭ -৭৭,-৮৫
—কৃত্য ৩৪৬
—তান্ত্ৰিকতা ২৮৫
—দেৱতা ২৫৭ -৬২ -৮৮ -৮৯
—দেৱ-দেৱী ২৬৫
—দেৱী ২৭৯
—পদ্ধতি ৩০০
—পৰম্পৰা ২৫৮, -৬৬, -৭৮
—মন্ত্ৰ ২৬৫, ৭৭, ৩৪৬
— যজ্ঞ ৩৫৬
—যুগ ২৪৮
— সাহিত্য ২৫৮
বৈৰাজস্তোত্ৰ ২৭১
বৈষ্ণৱ ২৫৮ ৫০
বৈষ্ণৱী ২৭১ -৭৪
বোৱাছ (Boas) ৩৪৪
বৌদ্ধ ২৪৮, -৫৩, -৮৯, ৩০৭
--দেৱ-দেৱী ১৬৫
—ধৰ্ম ২৬৫
— সাহিত্য ২৬৭
বোধায়ন-গৃহ্যসূত্ৰ ২৬১
ব্যাহ ওজাপালি ৩৭৫, -৫৭, -৫৮
ব্যাড়ী ২৮০
ব্ৰত ২৫৮, ৩২৩, -৪৬
—কথা ৩২৩, -৪৬
ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণ ২৬৮-৭৪,-৮৩,৩২৪,৩২৪
ব্ৰহ্মাণী ২৭৮, ৩১৩, -১৮
ব্ৰাহ্মী ২৭৮
ভক্তিৰত্নাকৰ ৩৫৩
ভবানী দাস ৩৬০
ভৱ ৩২৭,-৩৭
—দক ৩২৬,-২৭,-৩৬,-৩৭
—পূজা ৩২৬
— মাৰে ৩১৩,-৩৪,-৩৬
ভৱতমুনি ৩৫২

ভৱদেৱবিপ্ৰ ৩৫৫
ভাগৱত পুৰাণ ২৪৯, ৩৫৯, ৪১০
ভাটীয়ালী খণ্ড ৪১৪ -১৫
ভাৰত চন্দ্ৰ দাস ৩৭২,-৯৪,-৯৭,-৯৮
ভেষজ বিদ্যা ২৭৬
ভৈৰৱী ৩৩০
মঞ্জা ৩৭৪
মঞ্জামা ২৬৭ ; -৮০,-৮১,৩৬৪
মজু (ক) ৩১২,-২৫,-৩২,-৩৪,-৩৫,-৩৮
মৎস্যজীৱী ২৯৬-৯৮, ৩১১
মথুৰাদাস বুঢ়া আতা৩৫৭
মধু-কৈটভ ৩৩১
—ক্ৰীড় ২৬০
মনকৰ ২৬৯,-৭৮,-৮০,৩০৫ -১৭ -২১ -৪৯,-৫৫,-৬০,-৬৮,-৭০—৭৯,-৮৩,-৮৪,-৯৭
মনকৰী ৩৬৮,-৭০,-৭১,-৭৬,-৪৭১
মনসা ২৪৮,-৬৪-৩০০,-০১,-০৪,-০৫,-০৯-১১, -১৬,-১৮ -৩৩,-৬০, -৬১,-৬৫,-৭০,-৭৪,-৭৭-৮৭, ৪০৪,-০৫,-১৬
—কবি ৩৬৭
—কথাবৃত্ত ৩৪৭,-৬১,-৬৪, -৬৬, -৬৮,-৭৯,-৮১,-৮৩,-৮৯,-৯৪,-৪৪২
—কাব্য ২৭৯,-৩২১,-৪৭,-৬০,-৬৬,-৬৮ ৭০, -৭৯,-৮১,-৮৯, -৪৬১
— কাহিনী ২৯৬
— কৃত্য ২৬৭
—গীত ২৯৫, -৩১৭,-৪৭,-৬০, ৬৮, ৭০ -৭৪—৭৬,-৭৯,-৮৪,-৪০৩, ৫৯
—দেৱী ২৬৯,-৩০১,-১৪,-১৫,-১৮,-২১ -৩১, -৩২, -৮৭
- পূজা ২৫১,-৫৮,-৬৯,-৮৭,-৯০,-৯৩ ৯৮,-৯৯,-৩০৬—০৮,-১৪,-১৬,-১৯ ২১,-২২,-২৫,-৩০,-৩৩,-৩৪,-৩৮ ৫৯,-৪৬১
—পুৰাণ ৩৬০,-৭০,-৭৬,-৮৮
—বিজয় ২৮১
—ব্ৰত ৩২৩,-২৪
—মংগল ২৭০, ৩৩৮
—মিথ ৩৪৭,-৬৭
—মূৰ্তিকলা ৩০৯
—সাহিত্য ৩৪১,-৪৭
মনাইদেউ ৩৩০
—দেৱী ২৬৮
মনে মঞ্জমা ২৮০,-৮১
মন্ত্ৰ ৩৩২
মৰিয়া ৩১৭
মহাকাব্য ২৮৫,-৩৯৮,-৪০১,-৩১
মহাকাব্যীয় কাহিনী ৩৫৯
—পাঁচালী সাহিত্য ২৫৯,-৬০
মহাদেৱ ২৭০,-৭৫,-৯২
মহাভাৰত ২৪৮,-৬১,-৬২,-৭২,-৭৪ ৩২৪,-১৯,-৪০৯
মহামহোপাধ্যায় দামোদৰ মিশ্ৰ ৩১৮
মহামনস্ ২৬৭
মহেশ্বৰ নেওগ ৩৪৯,-৯৫,-৯৮
মাইনাও ৩৩৬
মাছমৰীয়া ২৫৭
মাড়ে দেৱী ৩১৮
মাধৱ কন্দলী ৪৩৫
—চন্দ্ৰ গোস্বামী ৩১৯
—দেৱ ৪৩৫
—সুলোচনা ৩৬০
মায়াৱতী বিষহৰি ৩৪৭,-৬০,-৬৮,-৮৯ ৯০,-৯৩
মাৰন্মা ২৮১
মাৰম্মা ২৮১, ৩১৯
মাৰিয়ম্মন ২৬৫
মাৰিয়া ৩১৮,-১৯,-৩৬
মাৰাই পূজা ৩১২,১৪,-১৭,-১৯,-৩৬
মাকৰা ৩১৯

মারে ৩০৬,-১৩,-১৪,-১৭,-১৯,-২০
—গান ৩৮৯,-৯০
—ঘর ৩১২
—দেবী ৩১৮,-১৯
—পূজা ৩০৬,-১৩,-১৮,-২৫,-৩০,-৩৮,৮৯
মারেই ৩১৫,-১৭
—পূজা ৩১৫,-১৬
মারেয়া ৩১৮
মারৈ ২৭১ ৩১৪,-১৭,-২০
—দেবী ৩১৪,-১৫,-২০
মারৈয়া ৩১৯
মার্কণ্ডেয় পুরাণ ৪১০
মালিতা ৩৬৫
মিথ ৩৪১,-৪৬
মুখ পুরাণ ৩১৮
মুসলমান ৩০১,-০৫,-০৭,-০৮,-·৭
মুদামাদেবী ২৫৭, ৬৭
মুদাম্ম ২৮০
মেইতেই ২৫৬, ৩১৯
মেছ ২৬৫
মেজিক ৩৪৬
মৌখিক ৩৪৭
—মহাকাব্য ৪০২,-০৩
যজুর্বেদ ২৫৯
যম ২৮৬ ৮৮
যাদু ৩৪৬
—বিদ্যা ২৫২
—মূলক কৃত্য ২৬৩
যোগমাতা ২৮৩
রংপূজা ৩১৫, -১৬
রঘুনাথ মহন্ত ৩৫১
রাঙলী পূজা ৩১৫
রাভা ২৫৬,-৬৩, ৩১৬
রাম সরস্বতী ৩৫৫,-৬০,-৮১, ৪৩৫
রামানুজাচার্য্য ২৫০
রামায়ণ ৩৫৭,-৫৯,-৬৬,-৬৮, ৪০৯,-১০
রেইক (Reik) ৫৪৪
রুদ্র-শিব ২৫২
লখিন্দর ২৮৭, ৮৮,-৯৩,-৯৯. ৩৮৪ ৪০৮
লক্ষ্মী ২৬৬, ৮২, ৩০৩,-১৩,-৩০,-৩৬
—বরণকৃত্য ৩৩৭
লিংগ ২৪৭, ৪৮,-৫২
লুচাই ২৫৬
লুব্বক ২৪৭
লেজেণ্ড ৩৪২,-৪৩,-৪৬,-৬০
লোকদের দেবী ২৬৫
—ধর্ম ২৩৭,-৫৪,-৫৬,-৬৫
—বিদ্যা ২৫৪
—মহাকাব্য ৩২৬, ৪০২,-০৩
লোকাচার ২৪৭
লোকায়ত সমাজ ২৫২, ৩২৩, ৪০২
লৌকিক পদ্ধতি ৩১৪, -৫৩
রংগেল ২৫২,-৫৭
শংকরদেব ২৪৯, ৩৫৭,-৫৮,-৪৩৫
শবর বালিকা ২৭৬
শস্যদেবী ৩১৬
শাস্ত্রীয় ২৯৩, ৩১৬
—পদ্ধতি ৩২৪,-২৭,-৩৪
ব্রত ৩২৩
শিব ২৪৮,-৪৯,-৫২,-৫৩,-৬৮,-৭২,-৮৪
৮৬—৮৮,-৯২,-৯৬,-৩৩০,-৭৭
—কন্যা ২৯৯
—পুরাণ ৪১১
শিশু কৌতুক ৩১০
শীতলা ২৮৬,-৯৩,-৯৪,-৩২৭,-২৮,-৩০
শুভাচেনী (সুভাচেনী) ৩৩০
শূন্য-পুরাণ ৩০৪
শেষনাগ ২৪৮-৫০,-৬১
শেষশায়ী বিষ্ণু ২৬৬
শৈব ২৪৮,-৪৯,-৮৮,-৯৮, -৯৯
—ধর্ম ৩৬৫
শৈবী ২৬৮,-৭১

শ্ৰাৱণ পূৰ্ণিমা ২৪৯,-৬১
—যজ্ঞ ২৬১
শ্ৰাৱনেৰ গীত ৩৭০
শ্ৰী ২৬৫, -৭০
—ত্ৰিনাথৰ পাঁচালী ৩৫৫,-৬০
—মধু ঋষি ৩০০
—শনি দেৱৰ পাঁচালী ৩৫৫,-৬০
শ্ৰীশ্ৰীচণ্ডী ২৭৭
—বিষ্ণুচন্দ্ৰ দেৱ গোস্বামী ৩৫৭
—লক্ষ্মী চৰিত্ৰ ৩৬০
—সত্য নাৰায়ণদেৱৰ পাঁচালী ৩৫৫,-৬০
ষষ্ঠীবৰ ৩৬০,-৬৮,-৮৭,-৮৯
সত্যেন্দ্ৰ নাথ শৰ্মা ৩০৭,-১৭, -১১,-৫৯, -৭৬,-৯৫ -৯৮
সৰ্প ২৪৩,-৫৯, -৬৩,-৬৭
—দেৱতা ২৪৫,-৪৮,-৫১,-৫৪,-৫৫,-৫৮, -৬৩,-৬৪
—দেৱী ২৫১,-৫৮,-৬৫,-৬৯,-৮২,-৮৪, -৯৮, -৩১৫, -১৬,-২০
—যজ্ঞ ২৬২, -৭৫
—ৰাজ ২৩৮,-১৬
—বলি যজ্ঞ ২৬১,-৬৩
—সম্প্ৰদায় ২৫৮
সাধনমালা ২৭৬
সাধুকথা ২৪৫, ৩৪৩,-৪৪,-৬৭, ৪০৩
সায়নাচাৰ্য্য ২৬২
সিকি মজু ৩১৩
সিজু ২৫২,-৫৩,-৬৭, -৩০৯,-২৬,-২১
সিদ্ধযোগিনী ২১১, ৭৫, -৮৩
সুকবি নাৰায়ণদেৱ ২৭০, -৭২, -৭৪, ৩১১, -১৮, -২১, -৪৭, -৬৮, -৬৯, -৭৭, -৯৪-৪০৩, -৩৩
সুকনানি (সুকনান্নী) ৩৬৮, -৯৯, ৪৬১
—ওজাপালি ৩৬৯, -৯৮
—পঢ়োৱা ৩০৩
সুকনানী পদ্মাৱতী ৩৬৯
সুকুমাৰ সেন ২৮৬,-৯১, -৩২০, -৫১, -৯৪,-৯৬
সুনীতি কুমাৰ চেটাৰ্জী ২৭৯
সূক্ত ২৫৯
সূৰ্য্য উপাসনা ২৪৭, -৪৮
—দেৱতা ২৪৮
সোণোৱাল কছাৰী ৩৪৫
সোনেকা ২৯৮, ৩২৩, -৮৪,-৮৬,-৪০২
সোম ২৬৫
সোলা মজু ৩১৩
স্কন্দ পুৰাণ ২৯৩, -৩৭২
স্পাইৰো (Spiro) ৩৪৫
স্বামী প্ৰজ্ঞাননন্দ ৩৫৪
স্মৃতিকাৰ ৩২৩
—শাস্ত্ৰ ৪১১
হৰ-গৌৰী ৩৭৫
হৰিদণ্ড ৩৬৯
হৰিনাথ শৰ্মা দলৈ ৩৯৫
হৰিপদ চক্ৰবৰ্তী ৩৫১
হৰ্ষ চৰিত ২৭৭
হাইদাং গীত ৩৪৫
হাচান-হোচেন ৩৬৭
হাজং ৩১১,-১৩,-৩৫,-৩৮,-৪০, ৪৬৫
হাজোৱালী সংগীত ৩৫৯
'হাসান-হুসন' ৩০১,-০২, -০৩
হিন্দু ২৫০, ৫১,-৮৯,-৩০৫,-০৭
দেৱকুল ১৮৬
—দেৱদেৱী ২৬৫
—ধৰ্ম ২৮৬, ৩০৫
হুছেইন চাহ ৩৭২
হুমৰ দেৱতা ৩৪৫
হেনৰি হোৱাইটহেড ২৬৫
হেমগিৰি ঋষি ২৭০
হেমচন্দ্ৰ গোস্বামী ৩৮৮
হেমতাল ২৯১, -৯৮
হেষ্টিংগছ ২৫৫